COTTON COLLEGE
100 GLORIOUS YEARS
1901-2001

# কটনিয়ান

# COTTONIAN

৭৫ তম সংখ্যা ❑ 75 TH ISSUE ❑ VOL. LXXV

SURYA KUMAR BHUYAN LIBRARY
GUWAHATI.
Date ..........
COTTON COLLEGE

সম্পাদক ঃ মানবেন্দ্ৰ ডেকা

মহাবিদ্যালয় শতবৰ্ষ বিশেষ সংখ্যা

# কটনিয়ান

কটন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰকাশ, ২০০০-২০০১ শিক্ষাবৰ্ষ

কটন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা কটন কলেজ শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সহযোগত প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত।
The Annual Journal of Cotton College Published by Cotton College Union Society with the help of Cotton College Centenary Celebration Committee.

Editor : Manabendra Deka

সম্পাদক ঃ মানবেন্দ্ৰ ডেকা

*...মই এই পৃথিৱীৰ প্ৰথম প্ৰেমিক প্ৰথম ছহিদ*
*মোক দিয়া শইচৰ দৰে প্ৰেম আৰু মৃত্যু...*

পৃথিৱীৰ প্ৰতিজন আপোচবিহীন যোদ্ধাৰ হাতত!

Vol : LXXV




এয়েতো কটন—
দুচকুত সানি দিয়ে স্বপ্নৰ অঞ্জন...

## এই সংখ্যাৰ নেপথ্যত


অধ্যক্ষ ঃ ড° ৰাম চৰণ ঠাকুৰীয়া

তত্ত্বাৱধায়ক ঃ দেৱ কুমাৰ বৰদলৈ

সম্পাদক ঃ মানবেন্দ্ৰ ডেকা

শিক্ষক সদস্য ঃ মঞ্জু দেৱী পেগু
সুৰেশ কুমাৰ নাথ

ছাত্ৰ সদস্য ঃ কাশ্যপ মহন্ত
পংকজ কুমাৰ নাথ
প্ৰশান্ত কুমাৰ বৰুৱা
ধৰ্মেন্দ্ৰ ৰেজ
কনক সাগৰ
দিগন্ত শইকীয়া
জয়ন্ত বৰ্মন
সঞ্জয় কুমাৰ শৰ্মা

প্ৰচ্ছদ আৰু অন্তৰ্ভাগৰ চিত্ৰায়ণ ঃ
মনজিৎ ৰাজখোৱা

অংগসজ্জা ঃ সম্পাদক

বিশেষ কৃতজ্ঞতা ঃ স্নেহাংকৰ

মুদ্ৰণ ঃ সহযোগী, পূব শৰণীয়া, গুৱাহাটী-১


## ভিতৰচ'ৰাত ঃ


সম্পাদকীয়
*চিন্তন* • ছাত্ৰ মানসিকতা, সামাজিক অৱক্ষয় আৰু ছাত্ৰ আন্দোলন— সিদ্ধাৰ্থ শংকৰ ডেকা □ ৯
*শিল্পকলা* • চিত্ৰকলাৰ ৰসাস্বাদন, মূল্য আৰু পাৰস্পেক্‌টিভ বিজ্ঞান— অৰূপ কুমাৰ নাথ □ ১৩
*কবিতা* • ঈশ্বৰৰ সন্ধানত— কমল কুমাৰ মেধি, লাৱাৰিছ ঈশ্বৰ— অনন্ত চহৰীয়া □ ১৭/ ৰাশিফল— শিৱপ্ৰসাদ বড়া, ঈশ্বৰ— সঞ্জয় কুমাৰ শৰ্মা □ ১৮/ যি যুদ্ধৰ বাবে— ধ্ৰুৱজ্যোতি তালুকদাৰ; ভিখাৰী— মানবেন্দ্ৰ শৰ্মা □ ১৯
*গল্প* • গৰা-খহনীয়া— আকাশবন্তি গগৈ □ ২০
*আলোকপাত* • 'নিঃসংগতাৰ ত্ৰিলজী'ৰ স্ৰষ্টা ফ্ৰান্‌ৎস কাফ্‌কা ঃ জীৱন সাহিত্য আৰু কৃতি— ৰিপুঞ্জয় কুমাৰ দাস □ ২৪
*শতবৰ্ষ স্মৰণ* • ছাৰ হেন্‌ৰী কটনৰ স্মৃতিত কটনিয়ানৰ এটা পৃষ্ঠা □ ২৮
*শতবৰ্ষ স্মৰণ* • অনন্য ব্যক্তিত্বৰ বৰেণ্য চুড্‌মাৰ্চেন— দিলীপ কুমাৰ কাকতি □ ২৯
*গল্প* • সমদ্বিবাহু ত্ৰিভুজ— অঞ্জনাময়া ডেকা পাটগিৰি □ ৩২
*বিজ্ঞান* • মানৱ জিন'ম প্ৰকল্প আৰু ক্ল'নিং ঃ এটি অৱলোকন— সুমন্ত বৰুৱা □ ৩৫
*কবিতা* • আকাশী বৰুৱা ঃ এটা প্ৰেমৰ কবিতা— ধ্ৰুৱাৰ্ক চৌধুৰী □ ৪১/ তেজীমলা— অমৰেন্দ্ৰ ডেকা, স্বাদ— মনোজ কুমাৰ □ ৪২/ মেঘমল্লাৰ, শইচ পথাৰৰ — ৰত্নোত্তমা দাস, দুটা কবিতা— প্ৰাঞ্জল শৰ্মা বশিষ্ঠ □ ৪৩
*প্ৰবন্ধ* • নাৰীবাদ আৰু নাৰী আন্দোলন প্ৰসংগ — লখিমী সভাপণ্ডিত □ ৪৪
*গল্প* • অপৰাজেয়— দেৱপ্ৰতীম হাজৰিকা □ ৪৯
*শতবৰ্ষ স্মৰণ* • ড° বাণীকান্ত কাকতি আৰু অসমীয়া সাহিত্য— অধ্যাপিকা বিনীতা বৰুৱা □ ৫২
*গল্প* • পাগলৰ দিনলিপি— পংকজ কুমাৰ নাথ □ ৫৪
*অৱলোকন* • ঊনবিংশ শতাব্দীৰ ফৰাচী কবিতাত নৱন্যাসৰ বা-বতাহ সন্দৰ্ভত যৎকিঞ্চিৎ— দিব্যজ্যোতি বৰা □ ৫৫
*জীৱন প্ৰাসংগিক* • জীৱনৰ মোজেইক-মজিয়াত অনুভৱৰ টুকুৰা— ৰত্নোত্তমা দাস □ ৬৩
*বিশেষ নিবন্ধ* • নিম্নবৰ্গৰ ইতিহাস তত্ত্ব ঃ কিছু প্ৰাৰম্ভিক আলোচনা— কমল কুমাৰ তাঁতী □ ৬৪
*অনুভৱ* • জীৱনৰ মাধুৰ্য— অধ্যাপক সুৰেশ কুমাৰ নাথ □ ৭৩
*কবিতা* • পৃথিৱীৰ বাবে এটা কবিতা— প্ৰশান্ত কুমাৰ বৰুৱা, কবিতা— ডিম্পল কুমাৰ চহৰীয়া, তোমাৰ বাবে এটা কবিতা— কনক সাগৰ □ ৭৭/ দুখ— অৰূপ চৌধুৰী, গ্যেটেৰ সৈতে কাল্পনিক সাক্ষাৎ— দিগন্ত শইকীয়া □ ৭৮/ বহু আগৰে পৰা তেওঁ — বিজয় শংকৰ বৰ্মন, শীত— দিব্যজ্যোতি বৰা □ ৭৯
*শতবৰ্ষ স্মৰণ* • মাণিক চন্দ্ৰ বৰুৱা আৰু কটন কলেজ— ড° পৱিত্ৰ কুমাৰ পাটোৱাৰী □ ৮০
*গল্প* • দাহিতা— প্ৰাঞ্জল শৰ্মা বশিষ্ঠ □ ৮৩
*দৃষ্টিভংগী* • অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন ঃ সংৰক্ষণ আৰু ভৱিষ্যৎ — ৰঞ্জনজ্যোতি বেজবৰুৱা □ ৮৯
*বিষয় ঃ কটন কলেজ* • ড° অমলেন্দু গুহ □ ৯৪/ ইছমাইল হোছেইন □ ৯৫/ প্ৰণৱ কুমাৰ বৰ্মন □ ৯৬/ ভাস্কৰজ্যোতি গগৈ □ ৯৭
*গল্প* • ছাঁ পোহৰৰ খেল— মণিকা দেৱী □ ৯৮
*নাট্য-চিন্তা* • নাট্যবিধি(১৯) ১৮৭৬ ঃ শাসকীয় নাট্য দৰ্শনৰ এক দলিল— ড° সীতানাথ লহকৰ □ ১০০


| ৯৪ | *বিষয় ঃ কটন কলেজ* |
|---|---|

কটন কলেজ– যাক লৈ মানুহৰ আগ্ৰহৰ অন্ত নাই, স্বপ্নৰ শেষ নাই– কিমান সাউদৰ পুতেকৰ কত নষ্টালজিয়া নিহিত হৈ আছে এই কটন কলেজত...'কটন কলেজ' শীৰ্ষক এলানি ছন্দশিল্প

সম্পাদকীয়

...'জীৱনে আমাৰ সবচেয়ে বড় কামটা হ'ল কেৱল মানুষ হৈয়ে ওঠা। মানুষৰ মতো মানুষ...' আমি কাক মানুহ বুলি কম...?

# SESSION 2000-01


*ভিন্ন গদ্য* • এজন নক্সালৰ ডায়েৰীত অনিন্দিতা গোস্বামী -- হিমাংশু প্ৰসাদ দাস ❑ ১০৪
*অনুবাদ গল্প* • ছিয়েষ্টা মূল ঃ গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ — ভাষান্তৰ ঃ দিগন্ত শইকীয়া ❑ ১০৭
*সাহিত্য* • বিহংগম দৃষ্টিত অষ্টাদশ-ঊনবিংশ শতিকাৰ ইংৰাজী উপন্যাস আৰু ঔপন্যাসিক --- [illegible] শৰ্মা ❑ ১১১
*ভিন্ন ছন্দ* • আকাশ, মই আৰু এনিশা - হিৰণ্ময়ী মেধি ❑ ১১৮
*শতবৰ্ষ স্মৰণ* • কটন কলেজৰ পুথিভঁৰাল আৰু ড° সূৰ্য কুমাৰ ভূঞা --- ড° নন্দিতা ভট্টাচাৰ্য গোস্বামী ❑ ১২১
*গল্প* • নিলয় - অংগনা চৌধুৰী ❑ ১২৬
*দৃষ্টিকোণ* • সৌন্দৰ্য প্ৰতিযোগিতাৰ মতাদৰ্শ বনাম আমাৰ কৰণীয় — মানস প্ৰতিম শৰ্মা ❑ ১২৮
*গল্প* • কেনভাছত জীৱনতৃষ্ণা -- জয়ন্ত বৰ্মন ❑ ১৩০
*চিন্তন* • স্বতন্ত্ৰ অৰ্থনীতিৰ সপক্ষে একলম - অনন্ত চহৰীয়া ❑ ১৩২
*দৰ্শন* • বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ দৰ্শনত মানৱতাবোধ -- অধ্যাপিকা মিনতি বৰঠাকুৰ ❑ ১৩৫
*অনুবাদ গল্প* • জাজমেণ্ট মূল ঃ ফ্ৰানৎস কাফকা - ভাষান্তৰ ঃ অপৰাজিতা পূজাৰী ❑ ১৩৬
*পৰ্যালোচনা* • শিক্ষা সংকট আৰু গেৰুৱাকৰণ -- মুকুট শৰ্মা ❑ ১৪১
*গল্প* • স্মাৰক দিগন্ত গোস্বামী ❑ ১৪৬
*ৰস ৰচনা* • বিশ্বাস আৰু কবিতাৰ পৃথিৱীত - ধনজিৎ দাস ❑ ১৪৮
*গল্প* • যান্ত্ৰিক বিনয় গোস্বামী ❑ ১৪৯
*শতবৰ্ষ বিশেষ* • প্ৰসংগঃ কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপন -- ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ❑ ১৫১
*ভিন্ন ভাষাৰ কবিতা* • আমি শহরে জন্মেছি -- নাজমা মুখোপাধ্যায়, আজ কী যে শাম --- গোপাল দেব ❑ ১৫৬, O Naan - Chandan Payeng, শান্তি -- ইন্দ্ৰাণী দাস, অনজালিনিসিম --- ভিক্টৰ নাৰ্জাৰী, তিমী অমৰ বনজায়ী --- প্ৰাণপ্ৰতীম, কটন সন্দৰ্ভত চাৰিটা লিমাৰিক -- মনোজ দাস ❑ ১৫৭/ চুইট হাৰ্টৰ অন্বেষণত --- অধ্যাপক বীৰেন বৰপূজাৰী, মৈঁখ্লানা — মণিৰুজ জামান, প্ৰাৰ্থনা — মঃ মহছিন আলী ❑ ১৫৮


৭৩ *জীৱনৰ মাধুৰ্য*




*সম্পাদকৰ বাছনি* • প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু উপেক্ষিত মানৱতা — শচীন গগৈ ❑ ১৫৯/ উকা সেওঁতাৰ কথকতা — দীপামণি শইকীয়া ❑ ১৬০
*কলা বীথিকা* • ধৰিত্ৰী বড়ো, ৰিদিপ শইকীয়া, গিনি বৰা ❑ ১৬১ /পূৰৱী কলিতা, স্তুতি বৰগোহাঁই, মনজিৎ ৰাজখোৱা ❑ ১৬২
**Globalisation : A General Perspective** -- Sabreen Ahmed ❑ 163
**International Relationship and Agra Summit** -- Nayanjyoti Nath ❑ 165
**"Laugh and the world Laughs with you weep and you weep alone"** -- Madhur Kankana Roy ❑ 168
**Snaps from the World of Trade ; In Inset, the Developing Countries** -- Parag Dutta ❑ 169
**Physics and Reality** -- Mustafa Ahmed Shah ❑ 172
*Poetry* • **You need the Rain** - Rupam Talukdar, **The Martyr** -- Soumya Dev, **My wounded love** -- Anuradha Goswami, **Craving Cognition** — K. Biplob Singha ❑ 173
**Indian Youth : The blind imitators of the Western Culture** -- Hemanga Dutta ❑ 174
**Urban Warfare : Ideas and Options** — Ameet Kumar Deka ❑ 175
**The most influential working Astronomer of the 18th Century– Fredrick William Herschel (1738-1822)** -- Arup Bharali ❑ 177
**Indian Economy Since Independence** -- Nandini Bhattacharya ❑ 179
**Dr. Vikram Sarabhai :The Pioneer of Space Research In India** — Deep Das ❑ 181





*পোহৰ ছবি* • মহাবিদ্যালয় শতবৰ্ষ.../ গৌৰৱোজ্জ্বল কটনিয়ান/ বিহংগম দৃষ্টিত মহাবিদ্যালয় সপ্তাহৰ কিছু নিৰ্বাচিত দৃশ্য আৰু অন্য সোঁৱৰণি /সম্পাদনা সমিতি
*সম্পাদকলৈ চিঠি* • কল্যাণ বৰা, চন্দন কুমাৰ নাথ ❑ ১৯৫
*কাৰ্যকালৰ খতিয়ান* • কটন কলেজ ছাত্ৰ সন্থা ❑ ১৯৬
*শেষ পৃষ্ঠা* • সুমন্ত বৰুৱা


EDITOR - MANABENDRA DEKA

# সম্পাদকীয়

মেক্সিম গৰ্কীয়ে লিখা তেওঁৰ এখন গ্ৰন্থৰ দুটামান বাক্যৰ মুকলি বাংলা অনুবাদ আছিল এনেধৰণৰ— 'জীৱনে আমাৰ সবচেয়ে বৰ কামটা হ'ল কেৱল মানুষ হয়ে ওঠা। মানুষৰ মত মানুষ'। আমি কাক মানুহ বুলি কম?... অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উৎকৰ্ষতাৰ প্ৰাণকেন্দ্ৰ কটন কলেজত প্ৰায় পাঁচ হাজাৰ যৌৱনে প্ৰস্তুতি চলাইছে মানুহ হোৱাৰ— মানুহ হোৱাৰ গৌৰৱ অৰ্জন কৰাৰ— কিন্তু 'বান্দৰ'ৰ পৰা গুচি 'মানুহ' হোৱাৰ গৌৰৱ কেৱল তাতেই আৱদ্ধ হৈ থাকিব পাৰো নেকি বাৰু— য'ত এডাল ঊৰ্ধ্বমুখী কেৰিয়াৰৰ লেখ, এটা বৃহৎ সুদৃশ্য অট্টালিকা, এখন বিলাসী বিদেশী গাড়ী, মাখনৰ নিচিনা বগা ছালৰ এজনী ছোৱালী গোটোৱাৰ সামৰ্থ্যৰ বাহিৰে একো নাথাকে.... য'ত মানুহে সন্ধান কৰিব নোৱাৰে মানৱীয় উৎকৰ্ষ সাধনৰ চৰম স্তৰৰ কথা।

কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ 'কটনিয়ান'ৰ সম্পাদকীয় লিখিবলৈ লৈ বৰ বিমোৰত পৰিছো। কেনেকৈ লিখিলে ই বুদ্ধিদীপ্ত হ'ব, সৰ্বজনগ্ৰাহ্য হ'ব? কিন্তু প্ৰত্যেকৰে আদৰ্শ জীৱন-ধাৰণ প্ৰক্ৰিয়া ভিন্ন ভিন্ন হোৱা হেতুকে এই লেখা সৰ্বজনগ্ৰাহ্য কৰাটো কোনোপধ্যেই সম্ভৱ নহয়। সিদিনা এজন বন্ধুৱে ক'লে— 'তুমি সম্পাদকীয়টো অলপ অগতানুগতিককৈ লিখা। নিৰপেক্ষ হৈ মানুহৰ কথা লিখা। চৌপাশৰ পৰিবেশ তথা মানুহৰ চৰিত্ৰৰ কথা লিখা।'— কিন্তু কোনখিনিতে অগতানুগতিকতাৰ প্ৰশ্নটো আহি পৰিব পাৰে বাৰু? অগতানুগতিকতাৰে লিখা এটা সৰ্বজনগ্ৰাহ্য কৰি তুলিবলৈ

মোৰ সাধ্য নাই বুলি ভাবো— কাৰণ মই ভালদৰে জানো যে 'পক্ষীসৰ উৰয় যেন পখা অনুসাৰে।' মই নিৰপেক্ষ হ'বলৈ যত্ন কৰিছো। মানুহ নিৰপেক্ষ হ'ব পাৰেনে নোৱাৰে— ইও এক প্ৰশ্ন? মোৰ বোধেৰে মানুহ কাহানিও নিৰপেক্ষ হ'ব নোৱাৰে— 'নিৰপেক্ষতা'ৰ নামত 'নিৰাপদ সাপেক্ষতা'ৰ কৰচ পিন্ধি লোৱাৰ বাহিৰে।

'প্ৰায়বোৰ কলেজ-মেগাজিনৰ সম্পাদকীয়ত বুদ্ধিদীপ্ততাৰে ৰাজনৈতিক, অৰ্থনৈতিক তথা সামাজিক সমস্যাসমূহ উল্লেখ কৰা দেখা যায় যদিও তাৰ কোনো সমাধান দেখা নাযায়। কেৱল কলেজ মেগাজিন এখনৰ সম্পাদকীয় লিখা (যুৱ মহোৎসৱৰ পুৰস্কাৰ)ৰ খাতিৰতে যদি এইবোৰ কথা লিখা যায় সি নিতান্তই গৰিহণাৰ যোগ্য। কলেজ মেগাজিন এখনৰ জৰিয়তে বহুতো উদ্দীপ্ত প্ৰতিভাই প্ৰাণ পাই উঠিব পাৰে, লিখা-মেলাৰ জৰিয়তে বহুতে নিজৰ চিনাকি দিবলৈ সক্ষম হ'ব পাৰে— কিন্তু এটা কথা অপ্ৰিয় হ'লেও অনস্বীকৰ্য যে কলেজ মেগাজিন এখনৰ এটা সংখ্যাৰ জৰিয়তে এজন সম্পাদকে কাহানিও যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিব নোৱাৰে।

তথাপিতো আশাবাদ থাকে। আশা আছে বাবেই মানুহ আজিও জীয়াই আছে। নিজৰ আগোচৰতে হ'লেও প্ৰতিজন মানুহে এই সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হোৱাটো বিচাৰে... কিন্তু কেনেকৈ আহিব পৰিৱৰ্তন? বিভিন্ন বুদ্ধিজীৱীয়ে (নিজৰ নাম-দাম বঢ়াবলৈ বা সমাজৰ প্ৰগতিৰ স্বাৰ্থতে) সমাজৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰে— কিন্তু সেইবোৰৰ কোনো সমাধানৰ লিখা উল্লেখ নকৰে (বা কৰিব নোৱাৰে?)।

আধুনিকতাৰ নামত সামাজিক মূল্যবোধ তড়িৎ গতিত সলনি হৈছে। ৰাজনীতি-সমাজনীতিৰ নামত স্বয়ং ৰাষ্ট্ৰৰ দ্বাৰাই সৃষ্টি হৈছে সন্ত্ৰাসবাদ। চৌপাশে বিৰাজ কৰিছে অস্থিৰতাৰ এক ভয়াৱহ বাতাৱৰণ— পুঁজিবাদীসকলে ভোগবাদেৰে সমগ্ৰ বিশ্বকে টোৱাই দিয়াৰ দুৰ্বাৰ প্ৰচেষ্টাত মগ্ন থকা দেখিও তৃতীয় বিশ্বৰ প্ৰায়বোৰ মানুহে নীৰৱ দৰ্শকৰ ভূমিকা লৈছে। মুষ্টিমেয় কেইজনমান মানুহে কিয় বুলি প্ৰশ্ন কৰিলেও সৰহসংখ্যকে উত্তৰ দিছে 'উপায় নাই' অথবা পৰিস্থিতিৰ স'তে খাপ খাই চলিব পৰাটোৱেই হৈছে 'যোগ্যতম জীৱহে উৎবৰ্ত্তিত হৈ থাকিব পাৰে' শীৰ্ষক কথাষাৰ মানি লোৱাৰ অমোঘ কৌশল! উচ্ছৃংখল যুৱ-প্ৰজন্মক দেখিও তেওঁলোকৰ প্ৰায়ভাগেই একবিংশ শতিকাৰ যান্ত্ৰিকতা বুলি নিৰ্দ্বিধাই স্বীকাৰ কৰি লোৱাৰ বাদে একো কৰণীয় নাই বুলিয়ে ধৰি লৈছে।

তাৰ মাজতে যিবোৰ মানুহ পৰিৱৰ্তনকামী তেওঁলোকৰ প্ৰায় সংখ্যকেই যেন এটা 'ইজম' বা 'বাদ'ত বিশ্বাসী হৈ পৰাটো অনুভূত হৈছে। যথা মাৰ্ক্সবাদ বা ছ'চিয়েল ডেম'ক্ৰেট বা লিবাৰেলিষ্ট ইত্যাদি ইত্যাদি। তেওঁলোকে এবাৰলৈ হ'লেও অনুভৱ কৰা উচিত যে এই 'বাদ' বা 'ইজম'বোৰ কোনো এটা গোটা বস্তু নহয় যে এটাৰ ঠাইত আনটো বহুৱাই দিলেই যে'ই সমাজৰ প্ৰগতি বা পৰিৱৰ্তনৰ বাট কাটি পেলাব পাৰিব। তেওঁলোকে বিশ্লেষণ কৰা উচিত যে কেৱল মৌলিকতাৰেহে মানুহে স্বয়ং সৃষ্ট সমস্যা সমাধান কৰিব পাৰে তদানুৰূপ মানুহে নিজৰ মুখৰ জুই নিজে নুমুৱাৰ দৰেকৈ। এবাৰলৈ হ'লেও তেওঁলোকে এই কথা হৃদয়ংগম কৰা উচিত যে আদৰ্শবাদেই হ'ল মানৱ প্ৰকৃতিৰ আটাইতকৈ লজ্জাকৰ অৱমাননা।

... আৰু কটন কলেজ। শতবৰ্ষ উদ্‌যাপন কৰা কটন কলেজৰ শতবৰ্ষৰ সময়তে বহুকেইটা ভৱন গঢ়ি উঠিল। (চেণ্টিনেৰী বিল্ডিং, ষ্টুডেণ্টছ ডে হোম, বাণীকান্ত কাকতি ভৱনৰ তৃতীয় মহলা ইত্যাদি...)। বহু জাকজমকতাৰে পূৰ্ণ হৈ উঠিল কটনৰ শতবাৰ্ষিকী সমাৰোহ। কিন্তু শৈক্ষিক স্বাধীনতাৰ নামত এশ বছৰ পূৰ্ত্তিত কটন কলেজে কি কৰিব পাৰিলে সেয়া আজিও বিচাৰ্য। অতিশয় আশ্চৰ্যজনক যে কটন কলেজৰ শতবৰ্ষত পুথিভঁৰালৰ নামত এখনো নতুন কিতাপ ক্ৰয় কৰা নহ'ল— এইদৰেই হৈছে নেকি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উৎকৰ্ষতাৰ প্ৰাণকেন্দ্ৰ 'কটন কলেজ'ৰ উন্নয়ন।

'কটনিয়ান' প্ৰসংগতো কিছু ক'ব লগা আছে। ১৯২৬ চনত যেতিয়া চুডমাৰ্চন চাহাব কটনৰ অধ্যক্ষ আছিল তেতিয়া তেওঁ আক্ষেপ কৰি কৈছিল— 'আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰখন বছৰেকত মাত্ৰ তিনিবাৰকৈহে প্ৰকাশিত হয়।' তদানীন্তন কালতে তিনিবাৰকৈ মুখপত্ৰ প্ৰকাশ হোৱা— কলিকতা বিশ্ববিদ্যালয়ৰ তলৰ আটাইতকৈ ভাল শিক্ষাৰ কেন্দ্ৰ কটন কলেজত এতিয়া

বছৰেকত এখন 'কটনিয়ান' প্ৰকাশ কৰিবলৈ ক'ত যে আহুকাল (উদাহৰণঃ ৭৪ তম সংখ্যা কটনিয়ান অদ্যপি ছাত্ৰ-ছাত্ৰীৰ হাতত পৰা নাই)— লগত আটাইতকৈ চিন্তনীয় আৰু গুৰুত্বপূৰ্ণ বিষয়টো হ'ল— বৰ্তমান ভাৰতবৰ্ষৰ এশখন শ্ৰেষ্ঠ কলেজৰ তালিকাত কটন কলেজৰ নাম নাই!

শতবৰ্ষ সময়তে যিটো প্ৰক্ৰিয়াৰ বা-বতাহ কটন কলেজত তীব্ৰগতিত বলিব ধৰিছে সেয়া হৈছে কটন কলেজত স্বায়ত্তশাসন প্ৰৱৰ্তন প্ৰসংগ। আমি সকলোৱে কটন কলেজৰ শৈক্ষিক স্বাধীনতাত পূৰ্ণমাত্ৰাই সমৰ্থন কৰো— কৰা উচিত। কটন কলেজ কেৱল ডিগ্ৰী প্ৰদানৰ বাবে থকা এটা অনুষ্ঠান হ'ব নালাগে। কিন্তু স্বায়ত্তশাসন প্ৰণালীৰ কেতবোৰ প্ৰধান অসুবিধা যথা মাচুলৰ হাৰ, শিক্ষক নিযুক্তি আদিৰ ক্ষেত্ৰত দেখা দিব পৰা সমস্যাবোৰলৈ যদি আওকাণ কৰি কটন কলেজত স্বায়ত্তশাসন প্ৰৱৰ্তন কৰা হয়— তেতিয়া 'মহতকৈ শিং চ'ৰা' জাতীয় অৱস্থা হোৱাটোও একো অসম্ভৱ নহয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ আশা-ভৰসাৰ থল— কটন কলেজত স্বায়ত্তশাসন প্ৰৱৰ্তন সন্দৰ্ভত এটা তীব্ৰ বিতৰ্ক হোৱা উচিত। স্বায়ত্তশাসনৰ ভাল-বেয়া আটাইবোৰ দিশলৈ আঙুলিয়াই প্ৰকৃতাৰ্থত যিটো কাৰ্যকৰী— সেই ব্যৱস্থাই গ্ৰহণ কৰা উচিত— ইয়াৰ অন্যথা হ'লে উৎকৰ্ষতাৰ প্ৰাণকেন্দ্ৰ কটন কলেজ এটা অপ্ৰসাংগকি জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হ'বলৈ হয়তো সৰহদিন নালাগিব!

ইয়াৰ উপৰি যিটো কথাই কটন কলেজৰ ছাত্ৰ-ছাত্ৰীক হতাশ কৰে সেয়া হ'ল ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক। কেইজনমান মুষ্টিমেয় শিক্ষকৰ বাহিৰে প্ৰায়বোৰ শিক্ষকে দৌৱা-দৌৰিকৈ শ্ৰেণীকোঠাত সোমাই দৌৱা-দৌৰিকৈ ওলাই যোৱা যেনহে আমাৰ অনুভূত হয়। ছাত্ৰ আৰু শিক্ষকৰ যিটো সুসম্পৰ্কই শিক্ষা দান বা গ্ৰহণৰ জৰিয়তে মানুহৰ আত্মিক বিকাশ সাধনৰ পথ প্ৰশস্ত কৰি তুলিব পাৰে সেই সম্পৰ্কৰ আজি অভাৱ ঘটা যেন পৰিলক্ষিত হৈছে। শতবৰ্ষ ভাষণত প্ৰফেছৰ যশপালে কোৱাৰ দৰে কটন কলেজত এখন 'কাফে হাউছ'ৰ প্ৰয়োজন? কেতিয়া'কৈ গঢ়ি উঠিব কটনত এই 'কাফে হাউছ'— য'ত শিক্ষক-ছাত্ৰই একেলগে বহি আলোচনাৰ মাধ্যমেৰে শিক্ষাদান বা গ্ৰহণ ব্যৱস্থাটোক উজু কৰি তোলাৰ লগতে বিভিন্ন ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব!

উৎকৰ্ষতাৰ প্ৰাণকেন্দ্ৰ কটন কলেজত প্ৰতিভাৰ প্ৰভাৱ নাই— সঁচা কথা— কিন্তু যেতিয়া এই প্ৰতিভাধৰ ছাত্ৰ-ছাত্ৰীসমূহৰ প্ৰায়ভাগৰে স্বপ্ন হৈ পৰে এটা মাখন-জীৱন— ধাৰণা হৈ পৰে— ভালদৰে লিখা-মেলা, চিন্তা-চৰ্চা কৰা কামত লাগি থকা মানে কেৰিয়াৰৰ অপমৃত্যু— তেতিয়া আজিৰ কটনে কাইলৈ অসমীয়া সাহিত্যক বা অসমীয়া জাতিক কি দি যাব পাৰিব? এটা বিৰাট শূন্যৰ বাহিৰে একো নহয়। 'আমি অসমীয়া, নহও দুখীয়া' বুলি দি থকা শ্ল'গানৰেতো কাহানিও সমস্যাৰ সমাধান হ'ব নোৱাৰে। অসমীয়া সাহিত্যত ষাঠিৰ দশকৰ পৰা কিয় কালজয়ী সাহিত্য সৃষ্টি হোৱা নাই? অসমীয়া সাহিত্যই নোবেল বঁটা পোৱা দূৰৰ কথা— এই বঁটাৰ বাবে মনোনয়নেই নাপায়— এই প্ৰশ্নসমূহৰ 'কিয়' বিলাক কোনে বিশ্লেষণ কৰিব? নিশ্চয় আমি, কাৰণ আমিয়েইতো উৎকৰ্ষতাৰ কেন্দ্ৰ (!)ত খোজ পেলাইছো। অসমৰ বৌদ্ধিক সংকট মোচনত কটনিয়ানে এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব— সঠিক পন্থা নিৰ্ধাৰণ কৰি— কাৰণ আমিতো প্ৰত্যেকেই বুজি পাবলৈ সক্ষম যে সাহিত্য, সমাজ ব্যৱস্থা আদিৰ উত্তৰণ কোনোদিনে অলীক স্বপ্ন বা মৰীচিকা নহয়। অভ্ৰান্ত তথা অভ্ৰভেদী সাধনাৰ দ্বাৰা প্ৰতিজন কটনিয়ানে আত্মবিশ্লেষণৰ জৰিয়তে উত্তৰণৰ বাট কাটিবলৈ আগবাঢ়ি আহক— বৰ অসম তথা বৃহত্তৰ অসমীয়া জাতিক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হাত উজান দিয়ক। কামনা সেয়ে—

আহক, আৰুনো কিহৰ ভয় এতিয়া/ ঘূৰি যাম অকলে অকলে/ মেহনতী মানুহৰ তেজধোৱা পদূলি গছকি/ তোমালোকে হেজাৰ বাৰ কোৱা/ তথাপিতো আমি চিঞৰি চিঞৰি ক'ম/ মানৱতাবোধ দীৰ্ঘজীৱী হওক।

'কটনিয়ান'ৰ সম্পাদকীয় লিখাৰ ইচ্ছা মোৰ একেবাৰেই নাছিল, সঁচা কথা। কাৰণ আলোচনীখনে নিজৰ কথা নিজেই ক'ব পাৰিব বুলি মই নিতান্তই আশাবাদী। তথাপিতো অন্য এজনৰ ভাষা ধাৰ কৰিয়েই লিখিলো—

হে সহৃদয় পাঠক, কি বা লিখিলো!

মৃগেন্দ্ৰ বোৰা

চিন্তন

# ছাত্ৰ মানসিকতা, সামাজিক অৱক্ষয় আৰু ছাত্ৰ আন্দোলন



## সিদ্ধাৰ্থ শংকৰ ডেকা

**'Understand the reality, aspire and attempt the impossible'**

— মহান ফৰাছী বিপ্লৱত ছাত্ৰ সমাজক উদ্বুদ্ধ কৰা বাণী এয়া। বাস্তৱতাক উপলব্ধি কৰি, অসম্ভৱক সম্ভৱ কৰাৰ অৰ্থাৎ পৰিবৰ্তনৰ বাবে যুঁজত জঁপিয়াই পৰাৰ মানসিকতা, বিধ্বস্ত সমাজব্যৱস্থাৰ অন্যতম পীড়িত অংশ ছাত্ৰ সমাজত পৰিলক্ষিত হোৱা তেনেই স্বাভাৱিক। কাৰণ জীৱন গঢ়াৰ সংগ্ৰামত তেওঁলোকে পদে পদে সমাজ ব্যৱস্থাৰ অন্তঃসাৰশূন্যতা অনুভৱ কৰে, বৌদ্ধিক অনুশীলনৰ জৰিয়তে ইয়াৰ বিকল্পৰ কথা চিন্তা কৰিবলৈও তেওঁলোকে অৱকাশ পায়। বৌদ্ধিক উত্তৰণৰ দ্বাৰা ছাত্ৰ সমাজে সমাজ ব্যৱস্থাৰ সামগ্ৰিক কুপ্ৰভাৱ, সমাজৰ অইন-অংশৰ ওপৰত পৰাৰ কথাও গভীৰভাৱে উপলব্ধি কৰে আৰু নিজ তথা দেশ বা জাতিৰ ভৱিষ্যতৰ প্ৰতি ভীষণভাৱে চিন্তিত হৈ সমাজ পৰিবৰ্তনৰ যুঁজখনত অংশগ্ৰহণ কৰে। এয়া হ'ল ছাত্ৰ সমাজৰ পৰিবৰ্তনকামী মানসিকতাৰ সৰল চিত্ৰ। কিন্তু বাস্তৱত দৃশ্যপট কাহানিবাই সলনি হৈছে। জটিল (আধুনিক!) যুগৰ জটিলতাৰ পাকচক্ৰত ছাত্ৰৰ মানসিকতাও সলনি হৈছে। এটা কথা ঠিক যে সচেতন ছাত্ৰ সমাজ স্বাভাৱিকতেই সমাজ ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ অনুধাৱন কৰি ক্ষুণ্ণ। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল এই যে সমাজৰ অন্য পীড়িত অংশৰ দৰে ছাত্ৰ সমাজো আদৰ্শগতভাৱে বহুধাবিভক্ত। সমাজ ব্যৱস্থাত যিদৰে স্থিতাৱস্থাৰ দ্বাৰা লালিত-পালিত প্ৰচণ্ড ব্যক্তিকেন্দ্ৰিক এক বিশেষ শ্ৰেণী (Super Section)ৰ উৎপত্তি হৈছে, সেইদৰে ছাত্ৰসমাজতো দুৰ্ভাগ্যজনকভাৱে সংকোচনশীল আৰু শ্ৰেণী বৈষম্যমূলক শিক্ষানীতি আৰু সমাজনীতিৰ বিকৃত ফলস্বৰূপে এক বিশেষ শ্ৰেণীৰ সৃষ্টি হৈছে, যাৰ ফলত ছাত্ৰ সমাজৰ মাজত সমাজ ব্যৱস্থাৰ পৰিবৰ্তন (Change), সামান্য সালসলনি (Modification) আৰু স্থিতাৱস্থা বাহাল সন্দৰ্ভত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। এই বিতৰ্কৰ সুযোগ লৈয়ে সমাজৰ সামন্ত প্ৰভুসকলে ছাত্ৰ সমাজক বিভাজিত কৰিবলৈ সক্ষম হৈছে যাৰফলত ছাত্ৰ মানসিকতা আপোচকামিতা, স্থিতাৱস্থাবাদীতা আৰু ব্যক্তিকেন্দ্ৰিকতাৰ তীব্ৰ আক্ৰমণৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। প্ৰচলিত ব্যৱস্থাৰ ন্যায্য প্ৰতিপন্ন কৰিবলৈ পৰিবৰ্তনৰ আমোঘ শক্তিৰ অধিকাৰী ছাত্ৰ সমাজক নিজৰ আয়ত্তৰ ভিতৰত ৰাখিবলৈ কৰা এই ষড়যন্ত্ৰৰ ফান্দত ছাত্ৰ সমাজৰ বৃহৎ অংশই ইতিমধ্যে ভৰি দিছে। এয়া সমাজ পৰিবৰ্তনকামী শক্তিৰ

বাবে নিশ্চয় চিন্তনীয় বিষয়।

ভৱিষ্যতৰ সমাজবিপ্লৱৰ গুৰি ধৰিবলগীয়া ছাত্ৰ সমাজৰ মানসিকতাৰ এই অৱক্ষয় ৰোধৰ বাবে শেহতীয়াকৈ পৰিবৰ্তনকামী মহলত ব্যাপক চিন্তা-চৰ্চা আৰম্ভ হৈছে। পিছে চিকিৎসা শাস্ত্ৰৰ দৰেই সমাজ শাস্ত্ৰতো সামাজিক ব্যাধি নিৰাময়ৰ বাবে ব্যাধিৰ উৎস নিৰ্মূলৰ উপদেশ দিয়া হৈছে। ছাত্ৰ মানসিকতাৰ অৱক্ষয়ৰ এই মাৰাত্মক ব্যাধি ৰোধৰ বাবে সমাজ সচেতনসকলে ইয়াৰ উৎসলৈ যোৱাৰ অতীব প্ৰয়োজন। বাস্তৱিক দিশ পৰ্যালোচনা কৰিলে ছাত্ৰ মানসিকতাৰ এই অৱস্থাৰ মুখ্য কাৰণ হিচাপে সামাজিক অৱক্ষয়কে জগৰীয়া কৰিব পাৰি। সেয়েহে ছাত্ৰ মানসিকতাৰ সঠিক বিশ্লেষণৰ বাবে, সামাজিক অৱক্ষয়ৰ বিষয়েও কিছু আলচ কৰা দৰকাৰ।

দৰাচলতে সমাজবাদৰ বিকৃতিয়ে সামাজিক অৱক্ষয়ৰ পটভূমি। সামাজিক অৱক্ষয়ৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল এই যে ই একেদিনাই সাধিত হোৱা নাই বৰং ইয়াক প্ৰক্ৰিয়াগতভাৱে আগুৱাই নি থকা হৈছে— যাৰ লক্ষ্য পুঁজিবাদী সমাজ গঠনৰ অপচেষ্টা। ৰাজনৈতিক সমাজ বিজ্ঞানী ৰুছোৱে সমাজবাদৰ বিকৃতি আৰু সামাজিক অৱক্ষয়ৰ ওতঃপ্ৰোত সম্পৰ্কৰ কথা স্পষ্টভাষাৰে বৰ্ণনা কৰিছে।

**সামাজিক অৱক্ষয় আৰু অসমৰ পটভূমি** ঃ অৱধাৰিতভাৱেই সামাজিক অৱক্ষয়ৰ ভেটিটো অসমত, ক্ষমতা হস্তান্তৰৰ প্ৰাককালতেই গঠন হৈছিল। যিখন মুক্তি আন্দোলনৰ নেতৃত্ব একাংশ পেটীবুৰ্জোৱা স্বাৰ্থান্বেষী ব্যক্তিয়ে বহন কৰিছিল, যাৰ নাছিল কোনো নিৰ্দিষ্ট মতাদৰ্শ, ৰণকৌশল, গণমুখী মানসিকতাৰ সলনি ব্যক্তিকেন্দ্ৰিকতাই যাৰ ভাৱধাৰাত ক্ৰিয়া কৰিছিল, সেই মুক্তি আন্দোলনে ক্ষমতা হস্তান্তৰৰ বাদে আন কিবা আদায় কৰিব বুলি আশা কৰাও বৃথা। পিছে, ক্ষয়িষ্ণু সমান্তবাদৰ গাতে আঁউজি ৰাজনৈতিক নেতৃত্বৰ পৰিবৰ্তন আৰু ধনতান্ত্ৰিক অৰ্থনীতিৰ পোষকতাৰে, ক্ষমতালিপ্সাক দীৰ্ঘস্থায়ী কৰিবলৈ সংসদীয় গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ বাবে স্বাধীনতাৰ নামত কৰা এক চুক্তি য'ত ক্ষমতা বগাৰ পৰা ক'লা ছাললৈ হস্তান্তৰ হোৱাৰ বাদে আন একোৰে ওপৰত গুৰুত্ব আৰোপ কৰা হোৱা নাছিল, তেনে এক নিৰ্লজ্জ আত্মসমৰ্পণকে দেশৰ জনতাই স্বাধীনতা বুলি আঁকোৱালি লোৱাৰ দিনাৰ পৰাই সামাজিক অৱক্ষয়ে জোৰদাৰ ৰূপ ধাৰণ কৰিছিল।

'Indian National Congress will not be able to become a party of the people unless it breaks away completely from the bourgeoisie seeking compromise with imperialism' (উৎস ঃ বাওঁপন্থীসকলৰ প্ৰচাৰপত্ৰ)

'It is widely believed that there is a prospect of compromise on federal scheme between the rightaring of the Congress & the British Govt.' (সুভাষ চন্দ্ৰ বসুৰ বক্তব্য)

মুক্তি আন্দোলনৰ নেতৃত্বৰ এনে আপোচকামী মানসিকতাই স্বাভাৱিকতে প্ৰকৃত স্বাধীনতাৰ পথ ৰুদ্ধ কৰিলে। আৰু এচাম স্বাৰ্থান্বেষী উচ্চাকাংক্ষী মানুহে আপোচৰ বিনিময়ত যি শাসনৰ (শোষণৰ) ক্ষমতা লাভ কৰিলে তাকেই স্বাধীনতা বুলি পৰ্যায়ক্ৰমে সামাজিক সমতা আৰু প্ৰগতিশীলতাৰ ভেটি ধ্বংস কৰি অনা হ'ল। সামাজিক প্ৰগতিৰ প্ৰতিটো ক্ষেত্ৰতে বিকৃত স্বাধীনতাৰ বিকৃত আক্ৰমণ চলিবলৈ ধৰিলে। ইয়াৰ আঁৰত প্ৰকৃততে স্বাধীনতাৰ নামত সম্পাদন হোৱা পৰোক্ষ শোষণৰ চুক্তিয়েই ক্ৰিয়া কৰিছিল। দেশৰ আপোনভোলা জনতাক সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু মানসিকভাৱে পংগু কৰি দেশীয় শাসক আৰু ইয়াৰ প্ৰভুবৃন্দৰ শোষণৰ প্ৰক্ৰিয়া দীৰ্ঘস্থায়ী কৰাৰ নিৰ্লজ্জ চুক্তিখনৰ প্ৰত্যেকটো দফাই সুন্দৰকৈ পালন কৰা হ'ল। প্ৰত্যাশিতভাৱেই বুৰ্জোৱা নেতৃত্বত ৰাজনৈতিক পৰিবৰ্তন আহিল ঠিকেই, জনতাক বিভ্ৰান্ত কৰিবলৈ সমাজবাদী অৰ্থনীতিৰ ঢাক-ঢোল বজোৱা হ'ল ঠিকেই কিন্তু ক্ষমতা হস্তান্তৰৰ চুক্তিৰ দফা উলংঘা কৰাৰ সাহস স্বাধীন ভাৰতৰ শাসকবৰ্গৰ নাছিল। সেয়েহে স্বাধীনতাৰ আনন্দ উৎসৱ স্তিমিত হ'বলৈ বেছিপৰ নালাগিল। এক নতুন প্ৰগতিশীল সমাজৰ সপোন দেখাসকলৰ চকুৰ আগতে সমগ্ৰ সামাজিক সত্তাৰ অৱক্ষয় ঘটিবলৈ আৰম্ভ কৰিলে। সামাজিক সত্তাৰ এই অৱক্ষয়ে দেশৰ জনতাৰ মানসিকতাকে সলনি কৰি দিলে আৰু সমাজৰ এক অংশ হিচাপে ছাত্ৰ সমাজৰ স্বভাৱজাত (স্বাভাৱিক) পৰিবৰ্তনকামী আৰু প্ৰগতিকামী মানসিকতাতো সামাজিক অৱক্ষয়ৰ প্ৰভাৱ হিচাপে সমাজৰ নগ্ন বাস্তৱতাৰ প্ৰতিফলন ঘটিবলৈ ধৰিলে। অন্যায়-শোষণৰ বিৰুদ্ধে মূৰ্ত প্ৰতীক হিচাপে চিহ্নিত প্ৰবল প্ৰতাপী ছাত্ৰ সমাজ ক্ৰমান্বয়ে ব্যক্তিকেন্দ্ৰিকতা, স্থিতাৱস্থাবাদিতা, ভোগবাদিতা ইত্যাদি বুৰ্জোৱা আৰু মধ্যবিত্তীয় ধ্যান-ধাৰণাৰ কবলত পৰিল আৰু ইয়াৰ দ্বাৰা আটাইতকৈ বেছি লাভান্বিত হ'ল ছাত্ৰ সমাজৰ বিদ্ৰোহী মানসিকতাক অতিকৈ ভয় কৰা সমাজৰ স্থিতাৱস্থাবাদী সামন্ত প্ৰভুসকল।

ছাত্ৰ মানসিকতাৰ এই গণ বিচ্ছিন্নতাৰ প্ৰকৃতভাৱে উমান পাবলৈ আমি সামাজিক অৱক্ষয়ৰ পটভূমিত ইয়াৰ উৎসমূহ বিশ্লেষণ কৰিব লাগিব। আজি ভাৰতবৰ্ষ তথা অসমৰ সামগ্ৰিক পৰিস্থিতিলৈ মন কৰিলে সভ্যতাৰ উত্তৰণ আৰু বিকাশৰ প্ৰতিটো ক্ষেত্ৰতে উদ্ভৱ হোৱা অৱক্ষয় সম্পৰ্কে সম্যক ধাৰণা কৰিব পাৰি। সভ্যতাৰ বিভিন্ন স্তৰৰ এই বিকৃতিয়ে সামাজিক প্ৰাণী মানুহৰ ওপৰত স্বাভাৱিকতে বিৰূপ প্ৰভাৱ পেলাইছে। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মানসিকতাই সামাজিক অৱক্ষয়ৰ আক্ৰমণত বিশৃংখল আৰু অপ্ৰগতিশীল হৈ পৰিছে। তেনে ক্ষেত্ৰত এনে সমাজজীৱনৰ প্ৰতিভূ হিচাপে ছাত্ৰ সমাজৰ মানসিকতাতো সামাজিক অৱক্ষয়ৰ আঁচোৰ পৰা স্বাভাৱিক।

ছাত্ৰ সমাজৰ সামাজিক কাৰ্যকলাপৰ বৃহৎ ক্ষেত্ৰখন হ'ল শিক্ষা। শিক্ষাৰ উদ্দেশ্য কেৱল জ্ঞান অৰ্জন কৰাই নহয় বা মানৱ মনৰ স্বাভাৱিক অনুসন্ধিৎসু মনক ক্ষান্ত কৰাই নহয়, সেই জ্ঞান আৰু বৌদ্ধিক ক্ষমতাক নিজৰ লগতে মানৱ সমাজৰ হিতৰ বাবে প্ৰয়োগ কৰাটোহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য। অথচ আজি আমাৰ সমাজত শিক্ষাৰ এক অতি ঠেক সংজ্ঞাক জনপ্ৰিয় কৰি তোলাৰ আপ্ৰাণ প্ৰচেষ্টা চলোৱা হৈছে, একমাত্ৰ শ্ৰেণীস্বাৰ্থত। চকু-কাণ আৰু মগজুক ৰুদ্ধ কৰি কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰা আৰু নিজকে এক টকা ঘটাৰ যন্ত্ৰত পৰিণত কৰা এনে এক মানসিকতাই ছাত্ৰ সমাজত ভালকৈ শিপাইছে। ছাত্ৰ মানসিকতাত মানৱীয়

দৃষ্টিভংগী আৰু মানৱীয় মূল্যবোধ ইতিমধ্যে ধ্বংস হৈছে। সেয়েহে বিভিন্ন পৰীক্ষাত উচ্চস্থান লভা ছাত্ৰ-ছাত্ৰীয়ে বিনাদ্বিধাই সামগ্ৰিক পৰিস্থিতিয়ে কাহিনীও অধ্যয়নত বাধা নজন্মায় বুলি কৈ দিব পাৰে। মন কৰিবলগীয়া কথা এয়ে যে ছাত্ৰ সমাজৰ এনে সমাজ বিচ্ছিন্নতাই সামাজিক অৱক্ষয়ৰ জোৰদাৰ প্ৰভাৱৰ কথাকে সূচায়। এতিয়া আহো শিক্ষাৰ ক্ষেত্ৰত সামাজিক অৱক্ষয়ৰ তীব্ৰ প্ৰভাৱৰ প্ৰসংগলৈ।

ইয়াৰ আগেয়ে ভাৰত তথা অসমত সামাজিক অৱক্ষয়ৰ সৃষ্টিকৰ্তা হিচাপে মুক্তি সংগ্ৰামৰ নেতৃত্ব মতাদৰ্শগত দুৰ্বলতা আৰু ক্ষমতা হস্তান্তৰৰ চুক্তিকেই জগৰীয়া কৰা হৈছে আৰু সামাজিক অৱক্ষয়ৰ ৰাষ্ট্ৰৰ নিৰাপত্তা দিয়া বাবে বুৰ্জোৱা শাসকবৰ্গকে দোষাৰোপ কৰিব পাৰি। প্ৰকৃত স্বাধীনতাৰ সলনি কেৱল ক্ষমতাৰ স্বাধীনতা পোৱা বাবে দেশৰ সামগ্ৰিক উন্নতি আৰু জনমুখী কাৰ্যকলাপ বিস্তৃত কৰাত বহু সুৰুঙা ৰৈ গ'ল, যাৰ ফলত নব্য সাম্ৰাজ্যবাদী শক্তিয়েই দেশৰ হৰ্তা-কৰ্তা-বিধাতা হৈ পৰিল আৰু শাসকবৃন্দ হৈ পৰিল সিহঁতৰ আজ্ঞাবাহী ভৃত্য। আৰু এই সাম্ৰাজ্যবাদীসকলৰ শোষণৰ স্বাৰ্থতেই সমাজৰ অইন অংশৰ লগতে ছাত্ৰ সমাজকো ক্ৰমাৎ মানুহ-সমাজ-বাস্তৱ পৰিবৰ্তন আদিৰ পৰা আঁতৰাই অনা হ'ল। সেই উদ্দেশ্যে লক্ষণীয়ভাৱে শিক্ষাক তীব্ৰ সংকোচনশীল আৰু বিভাজনমুখী কৰি তোলা হ'ল।

প্ৰকৃত সমাজমুখী আৰু গণমুখী শিক্ষা ব্যৱস্থাই ছাত্ৰ সমাজক সদায় সামাজিক দায়বদ্ধতাৰ কথা সোঁৱৰাই দিয়ে। সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ ঢাক-ঢোল যদিও বজাই থকা হৈছে, তথাপি পৰ্যায়ক্ৰমে শোষিত শ্ৰেণীটোৰ নতুন প্ৰজন্মই উচ্চ শিক্ষা অৰ্জন কৰিব নোৱাৰাকৈয়ে শিক্ষা-নীতিসমূহ ৰূপায়ণ কৰা হৈছে। আৰু উচ্চ আত্যৱস্ত ছাত্ৰ-ছাত্ৰীয়ে যি উচ্চশিক্ষা লভিছে, সেয়া সামাজিক দৃষ্টিকোণৰ পৰা সম্পূৰ্ণ শিক্ষা কেতিয়াও নহয়। দেশ তথা সমাজৰ ওচৰত জন্মগতভাৱেই বিভিন্ন ক্ষেত্ৰত চিৰজীৱনৰ বাবে ধৰুৱা ছাত্ৰ বা ছাত্ৰীয়ে, সেই দেশ বা সমাজৰ কথা পাহৰি কেৱল ব্যক্তিগত লাভালাভৰ অংকত ব্যস্ত থকাৰ পথ নিৰ্দেশনা কৰা শিক্ষা কেতিয়াও সম্পূৰ্ণ আৰু প্ৰকৃত শিক্ষা হ'ব নোৱাৰে। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল এই যে আজিৰ শাসকবৰ্গই তেনে শিক্ষাৰ ওপৰতেই গুৰুত্ব আৰোপ কৰি আহিছে।' যিটো ৰাষ্ট্ৰ-পৃষ্ঠপোষকতা লভা সামাজিক অৱক্ষয়ৰ বিৰূপ প্ৰতিক্ৰিয়াৰ বাহিৰে আন একো নহয়। শিক্ষাৰ মাচুল বৃদ্ধি, ব্যক্তিগত শিক্ষানুষ্ঠান গঢ়াত উদগনি, নিৰ্দিষ্ট বিষয়ৰ ব্যয়বহুল শিক্ষাক (যেনে I.T) এক প্ৰকাৰৰ গ্লেমাৰলৈ ৰূপান্তৰিত কৰা ইত্যাদি বিভাজনমুখী শিক্ষানীতিৰ দ্বাৰা ছাত্ৰ সমাজকো বিভাজিত কৰিবলৈ যি চেষ্টা চলাই থকা হৈছে তাৰ অন্তৰালত তিনিটা প্ৰধান উদ্দেশ্যাই ক্ৰিয়া কৰিছে।

১। একশ্ৰেণীৰ এলিট ছাত্ৰক স্থিতাৱস্থা বাহাল ৰখাৰ স্বাৰ্থত নিজৰ আয়ত্তলৈ অনা।

২। বিভাজনৰ দ্বাৰা ছাত্ৰসমাজৰ মাজত

***বৌদ্ধিক চিন্তা-চৰ্চা আৰু পৰিৱৰ্তনকামী মানসিকতাৰে উদ্বুদ্ধ হৈ অসমৰ স্কুল-কলেজ আৰু অঞ্চলভিত্তিত বহু অধ্যয়নচক্ৰ গঢ়ি উঠিছে। অসমৰ ছাত্ৰ আন্দোলনক গতিশীলতা প্ৰদান কৰাত এনে অধ্যয়নচক্ৰসমূহ সহায়ক হ'ব পাৰে। অৱশ্যে এই অৰ্থে সমূহ অধ্যয়নচক্ৰ এখন মঞ্চত একগোট কৰা অতি প্ৰয়োজনীয়। পৰ্যায়ক্ৰমে ইয়াক এক বৃহৎ প্ৰগতিশীল আৰু ঐক্যবদ্ধ ছাত্ৰ সংগঠনৰূপে গঢ় দিবলৈ এই সমিতিৰ দ্বাৰাই প্ৰচেষ্টা চলোৱা হওক।***

আভ্যন্তৰীণ দ্বন্দ্বৰ সৃষ্টি কৰি, পৰিবৰ্তনৰ স্পৃহাক দমন কৰা। আৰু

৩। কেৰিয়াৰসৰ্বস্ব শিক্ষানীতিৰ দ্বাৰা ছাত্ৰসকলক মানৱীয় গুণসম্পন্ন সুনাগৰিক হোৱাৰ সলনি বিবেকহীন যন্ত্ৰত পৰিণত কৰা।

স্বাভাৱিকতেই এই তিনিওটা উদ্দেশ্যাই সমাজত স্থিতাৱস্থা বাহালৰ স্বাৰ্থত, পৰিৱৰ্তনৰ অন্য নাম ছাত্ৰ সমাজক সামাজিক দিশত নিষ্ক্ৰিয় কৰি ৰখাৰ স্বাৰ্থত।

বিভাজনমুখী আৰু সংকোচনশীল শিক্ষা ব্যৱস্থাই তথাকথিত উচ্চ শিক্ষাৰে শিক্ষিত ছাত্ৰ সমাজক চৰম আত্মকেন্দ্ৰিক কৰি তুলিছে। শিক্ষাৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত চামেও এনে পৰিস্থিতিৰ সঠিক মূল্যায়ন কৰাৰ সলনি আবেগৰ বশৱৰ্তী হৈ সমাজবিৰোধী অগণতান্ত্ৰিক আৰু নৈৰাজ্যবাদী কাম-কাজৰ দ্বাৰাই প্ৰতিবাদৰ পথ বাছি লৈছে, শেষ অৰ্থত কিন্তু এনে প্ৰতিবাদে ৰাষ্ট্ৰযন্ত্ৰ আৰু স্থিতাৱস্থাবাদীসকলকে সহায় কৰিছে।

শিক্ষা আৰু মাটিৰ লগত থকা ক্ষীণ সম্পৰ্কই সমগ্ৰ শিক্ষা ব্যৱস্থাটোক উৎপাদনমুখিতা আৰু সম্ভাৱনীয়তাৰ পৰা আঁতৰাই আনিছে। উদাহৰণস্বৰূপে চাহ উৎপাদনত চহকী অসমত আজিও থলুৱা ছাত্ৰ সমাজে এই উদ্যোগৰ সৈতে একাত্ম হ'ব পৰা নাই যাৰ একমাত্ৰ কাৰণ হ'ল ইয়াৰ পাঠ্যক্ৰমত এই প্ৰচুৰ সম্ভাৱনাময় নিয়োগ ক্ষেত্ৰখনৰ ওপৰত কিঞ্চিতো গুৰুত্ব আৰোপ কৰা হোৱা নাই। ফলত অসমৰ সৰ্ববৃহৎ উৎপাদনশীল আৰু থলুৱাস্বাৰ্থ ৰক্ষাকাৰী এই উদ্যোগটোত আজিও বিদেশী সাম্ৰাজ্যবাদী বণিয়াৰ প্ৰভুত্ব চলিছে। প্ৰচুৰ নিয়োগ আৰু জাতীয় স্বাৰ্থজড়িত এই ক্ষেত্ৰখনৰ পৰা চক্ৰান্তমূলকভাৱে ছাত্ৰ সমাজক আঁতৰাই ৰাখি শাসকশ্ৰেণীয়ে কাৰ স্বাৰ্থ পূৰণ কৰিছে সেয়া সহজে অনুমেয়।

শেহতীয়াভাৱে অসমত বিভিন্ন অসামৰিক সেৱাৰ পৰীক্ষা সম্পৰ্কে ব্যাপক আলোচনা হৈছে আৰু এই আলোচনাই এনে শীৰ্ষবিন্দু পাইছেগৈ যে, অসমৰ ছাত্ৰ সমাজৰ ধ্যান-ধাৰণাৰ কেন্দ্ৰবিন্দু একমাত্ৰ এনে পৰীক্ষাসমূহ হোৱা উচিত আৰু এনে পৰীক্ষাৰ সফলতাই ছাত্ৰ সমাজ তথা দেশৰ ভৱিষ্যৎ গঢ়াৰ একমাত্ৰ পথ, এনে এক ধাৰণাই অসমৰ জনমানসত বাহ ল'বলৈ পাইছে। অথচ দেখা গৈছে দুৰ্নীতিগ্ৰস্ত [illegible] শোষকৰূপী শাসকৰ উৎখাত অবিহনে আমোলাতন্ত্ৰই জনমুখীৰূপ কাহানিও ল'ব নোৱাৰে। ফলত এনে অসামৰিক সেৱাই জনতাৰ সলনি শাসকৰহে স্বাৰ্থ পূৰণ কৰা দেখা যায়। প্ৰচুৰ মেধাশক্তিসম্পন্ন

ছাত্ৰসমাজৰ মেধা কেৱল নিজৰ আৰু প্ৰভুসকলৰ ভঁৰাল চহকী কৰাতেই চিৰজীৱন ব্যস্ত থাকিবলগীয়া হয়, তাত দেশৰ দহৰ ভৱিষ্যতৰ কথা ভাবিবলৈ কোনো সুৰুঙা ৰখা নহয়। কোনোবাই তেনে কৰাৰ প্ৰচেষ্টা চলালেও তাক কঠোৰ হাতেৰে দমন কৰা হয়। নব্য উপনিবেশবাদী ৰাজনীতিৰ মেৰ পেঁচত গোটেই আমোলাতন্ত্ৰটোক শোষণৰ অন্যতম হাতিয়াৰ কৰি তোলা হৈছে আৰু ছাত্ৰ সমাজকো তাৰ অংশীদাৰ কৰি গঢ়ি তুলিবলৈ চলোৱা চেষ্টাৰে অন্যতম অংশ হিচাপে এই অসামৰিক সেৱা সম্বন্ধে এক ভ্ৰান্ত ধাৰণাৰ সৃষ্টি কৰা হৈছে।

ৰাজনৈতিক আৰু সাংস্কৃতিক দিশৰ পৰাও ছাত্ৰ সমাজ চৰম দ্বিধাগ্ৰস্ততাৰ কবলত পৰিবলৈ বাধ্য হৈছে। সবল ৰাজনৈতিক পথ প্ৰদৰ্শক তথা নেতৃত্বৰ অভাৱত ছাত্ৰ সমাজে সমস্যা সমাধানৰ ক্ষেত্ৰত নিৰ্দিষ্ট প্ৰগতিশীল মতাদৰ্শৰ আশ্ৰয় লোৱাৰ সলনি, উগ্ৰ-জাতীয়তাবাদ, সন্ত্ৰাসবাদ, নৈৰাজ্যবাদ, আনকি ধৰ্মীয় মৌলবাদৰ পৰ্যন্ত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। আৰু এনে অস্পষ্ট ৰাজনৈতিক মতাদৰ্শৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে স্থিতাৱস্থাবাদীসকলে। ছাত্ৰ সমাজক সস্তীয়া ৰাজনৈতিক ধামখুমিয়াত ব্যস্ত ৰাখি নিজ স্বাৰ্থ পূৰণত পূৰামাত্ৰাই সফল হৈছে এওঁলোক। সাংস্কৃতিৰ ক্ষেত্ৰখনত ছাত্ৰ সমাজক থলুৱা সংস্কৃতিৰ পৰা সম্পূৰ্ণভাৱে আঁতৰাই আনি পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি অন্ধভাৱে অনুৰক্ত কৰি তোলাৰ ষড়যন্ত্ৰৰ অন্তৰালতো প্ৰকৃততে পৰোক্ষ উপনিবেশবাদী ৰাজনীতিয়েই গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। উল্লেখযোগ্য পশ্চিমীয়া সংস্কৃতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানসমূহ যেনে কৰ্মস্পৃহা, নিয়মানুবৰ্তিতা, শৃংখলাবোধ, বৈজ্ঞানিক যুক্তিবাদী মানসিকতা আদিৰ সলনি আমাৰ ছাত্ৰ সমাজক পশ্চিমীয়া সংস্কৃতিৰ ৰংচঙীয়া ৰূপটো গান-নাচ আদিৰ লগতহে অধিক পৰিচিত হ'বলৈ সুযোগ দিয়া হৈছে। কাৰণ ছাত্ৰ সমাজ কৰ্মোদ্যমী, পৰিশ্ৰমী, শৃংখলাবদ্ধ আৰু বৈজ্ঞানিক মানসিকতাৰে সজ্জিত হ'লে, তেওঁলোকক কিছুমান মধ্যবিত্তীয় সামাজিক পৰিস্থিতিত, তথাকথিত পৰম্পৰা আৰু সংস্কাৰৰ দোহাই দি নিষ্ক্ৰিয় কৰিব পৰা নাযাব। ইণ্টাৰনেট ছাৰ্ফিং কৰি কামাখ্যা মন্দিৰত ছাগলী বলি দিবলৈ যোৱা, গণেশে গাখীৰ খোৱা বুলি উৰাবাতৰি ওলাওঁতে মন্দিৰলৈ দৌৰ মৰা, অমুক তাৰিখত ভূমিকম্প হ'ব বুলি কোনো জ্যোতিষীয়ে ভৱিষ্যৎবাণী কৰিলে ভয়ত থৰহৰি কম্পমান হোৱা আমাৰ ছাত্ৰ সমাজক একবিংশ শতিকাৰ ইনফৰমেন টেকন'লজি আৰু মধ্যযুগীয়া কু-সংস্কৃতিৰ এক সংমিশ্ৰিত পৰিবেশত আবদ্ধ কৰি চৰমভাৱে নিষ্কৰ্মা কৰি ৰখাৰ অভিসন্ধিত ইতিমধ্যে দুৰ্ভাগ্যজনকভাৱে স্থিতাৱস্থাবাদী-সকল সফল হৈছে। অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰে চৰকাৰীভাৱে প্ৰচাৰ কৰা টেলিভিছনৰ বিভিন্ন কাৰ্যক্ৰমত যুক্তিবাদী আৰু আধুনিক চিন্তাধাৰাৰ প্ৰসাৰ ঘটোৱাৰ সলনি, বিভিন্ন পৌৰাণিক, মধ্যযুগীয় আলৌকিক (দুৰ্ভাগ্যজনকভাৱে যিবোৰ অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ সহায়তে নিৰ্মিত) ঘটনা পৰিঘটনাৰ পয়োভৰ ঘটাই ষড়যন্ত্ৰমূলকভাৱে দেশৰ নপ্ৰজন্মক যুক্তিবাদী মানসিকতাৰ পৰা আঁতৰাই ৰখাৰ তীব্ৰ প্ৰচেষ্টা অব্যাহত আছে। এনে আলৌকিক ঘটনাসমূহৰ ব্যাপক আৰু ধাৰাবাহিক প্ৰদৰ্শনে স্বাভাৱিকতে ছাত্ৰ সমাজৰ সুস্থ যুক্তিবাদী মানসিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়।

এনেদৰে দেখা যায় সামাজিক অৱক্ষয়ে ছাত্ৰ সমাজৰ ওপৰত পেলোৱা নিৰবচ্ছিন্ন প্ৰভাৱৰ ফলত ছাত্ৰ মানসিকতা, সমাজ, জাতি তথা দেশৰ বাবে মংগলজনক হৈ থকা নাই। দুৰ্ভাগ্যজনক কথা হ'ল এই যে আমাৰ দেশৰ জনতাই সামাজিক আন্দোলনৰ ক্ষেত্ৰত সদায়ে এই ছাত্ৰ সমাজৰ মুখলৈ চায়। অৱশ্যে এক দীৰ্ঘস্থায়ী সামাজিক বিপ্লৱৰ নেতৃত্বৰ বাবে ছাত্ৰ সমাজেই আটাইতকৈ বেছি উপযুক্ত বুলি ইতিহাসেও প্ৰমাণ কৰিছে। কিন্তু সামাজিক অৱক্ষয়ৰ ঘা টুকুৰা নিজৰ গাৰ পৰা আঁতৰ কৰিব নোৱাৰিলে ছাত্ৰ সমাজে জনতাক নেতৃত্ব দিয়াৰ নৈতিক অধিকাৰ হেৰুৱাব। নৈতিক স্বচ্ছতা আৰু দায়বদ্ধতা অবিহনে, বিশ্বাসযোগ্যতাৰ মহঙা দিনত সমাজক নেতৃত্ব দিবলৈ যোৱাটো আত্মহত্যাৰ পথ।

**■ সামাজিক অৱক্ষয় ৰোধ, ছাত্ৰ আন্দোলন আৰু অধ্যয়ন চক্ৰসমূহৰ ভূমিকা** ঃ মানসিকভাৱে জনগণৰ চিন্তাৰ পৰিবৰ্তন নহ'লে নতুন প্ৰগতিশীল সমাজ ব্যৱস্থা দীৰ্ঘস্থায়ী হোৱা সম্ভৱ নহয়। এয়া সমাজবিজ্ঞানীসকলৰ মন্তব্য। মানসিকভাৱে জনগণ আক্ৰান্ত হয় সামাজিক তথা সাংস্কৃতিক প্ৰমূল্যসমূহৰ অৱক্ষয়ৰদ্বাৰা। ভৱিষ্যতে এক সুপৰিচালিত জনযুদ্ধ সমাজ পৰিবৰ্তনৰ বাবে জৰুৰী হ'লেও সৰ্বপ্ৰথমে আমি জনগণক মানসিকভাৱে প্ৰস্তুত কৰা উচিত আৰু ইয়াৰ বাবে জনতাৰ মাজত মানৱীয় সাংস্কৃতিক প্ৰমূল্যসমূহ চিৰস্থায়ী কৰিব লাগিব তাৰ বাবে এক সুসংহত কাৰ্যআঁচনিৰ প্ৰয়োজন।

১. সূক্ষ্ম বিচাৰ বিশ্লেষণ
২. বিজ্ঞানসন্মত দৃষ্টিভংগী
৩. এক নিৰ্দিষ্ট মতাদৰ্শ
৪. জনগণৰ প্ৰতি দায়বদ্ধতা
৫. ব্যাপক জনগণৰ বাবে গ্ৰহণযোগ্যতা

আগতেই কৈ অহা হৈছে, ছাত্ৰ সমাজৰ মাজত আজি প্ৰকৃত নেতৃত্বৰ অভাৱ। তথাকথিত নেতৃত্বৰ গৰিষ্ঠ অংশটোৱে সংসদীয় ৰাজনীতিৰ মাজতেই পৰিবৰ্তনৰ সপোন দেখাত ব্যস্ত। কিন্তু সুখৰ কথা এয়ে যে বৌদ্ধিক চিন্তা-চৰ্চা আৰু পৰিবৰ্তনকামী মানসিকতাৰে উদ্বুদ্ধ হৈ অসমৰ স্কুল-কলেজ আৰু অঞ্চলভিত্তিত বহু অধ্যয়নচক্ৰ গঢ়ি উঠিছে। অসমৰ ছাত্ৰ আন্দোলনক গতিশীলতা প্ৰদান কৰাত এনে অধ্যয়নচক্ৰসমূহ সহায়ক হ'ব পাৰে। অৱশ্যে এই অৰ্থে সমূহ অধ্যয়নচক্ৰ এখন মঞ্চত একগোট কৰা অতি প্ৰয়োজনীয়। পৰ্যায়ক্ৰমে ইয়াক এক বৃহৎ প্ৰগতিশীল আৰু ঐক্যবদ্ধ ছাত্ৰ সংগঠনৰূপে গঢ় দিবলৈ এই সমিতিৰ দ্বাৰাই প্ৰচেষ্টা চলোৱা হওক। মন কৰা হওক যাতে মত-চিন্তা নিৰ্বিশেষে সকলো পৰিবৰ্তনকামী শক্তিৰে অংশগ্ৰহণ নিশ্চিত হয়।

অধ্যয়নচক্ৰসমূহৰ ঐক্যবদ্ধতাৰ ফলশ্ৰুতিত জন্ম হ'বলগীয়া সংগঠনটোৰ নেতৃত্বত ছাত্ৰ সমাজে জনগণৰ সৈতে, সামাজিক অৱক্ষয় ৰোধৰ বাবে হ'বলগীয়া যুঁজখনত জঁপিয়াই পৰাৰ বাহিৰে এতিয়া আৰু গত্যন্তৰ নাই। কাৰণ স্বাৰ্থান্বেষী অগ্ৰজ আৰু সমাজৰ কৰ্ণধাৰসকল ইতিমধ্যে প্ৰগতিৰ বাবে শান্তিৰ শ্লিপিং টেবলেট খাই ৰাজকীয় সুখনিদ্ৰাত মগ্ন। ■

# চিত্ৰকলাৰ ৰসাস্বাদন, মূল্য আৰু পাৰস্পেক্‌টিভ বিজ্ঞান

ইংৰাজীৰ Aesthetics Experience অভিধাটোকে অসমীয়াত ৰসাস্বাদন বুলিব পাৰি। মানৱ জগতত প্ৰচলিত সকলোবোৰ সংস্কৃতিৰে Aesthetic মূল্য থাকে। যেনেকৈ সাহিত্যৰ কবিতা, গল্প, উপন্যাস, সংগীতৰ লহৰ, নৃত্য ভংগীমা— সকলোতে Aesthetic মূল্য থাকে ঠিক তেনেকৈ চিত্ৰকলাৰো এক নন্দনতাত্ত্বিক বা Aesthetic মূল্য আছে। সাধাৰণতে আমাৰ সমাজৰ বেছিভাগ মানুহেই চিত্ৰকলা সম্বন্ধে উদাসীন হোৱা দেখা যায়। ছবি এখন উপভোগ কৰোতে শিল্পীজনে কি কি বিষয়ত জোৰ দিছে বা ছবিখনৰ দ্বাৰা কি বক্তব্য দাঙি ধৰিব বিচাৰিছে সেইবোৰ হৃদয়ংগম কৰিবলৈ শতকৰা ৯৫ জন দৰ্শকেই যত্ন নকৰে। মানুহৰ ধাৰণা যে ছবিত এটি নিৰ্দিষ্ট গল্প থাকিব লাগে আৰু শিল্পীজনে কিমান নিৰ্ভুল আৰু স্পষ্টভাৱে সেইখিনি উপস্থাপন কৰিব পাৰিছে, তাতহে শিল্পীজনৰ উৎকৃষ্টতা ফুটি উঠে। এই ধাৰণা শুদ্ধ নহয়। কিয়নো আমি সকলোৱেই জীৱন সম্বন্ধে আগ্ৰহশীল আৰু বাস্তৱ জীৱনৰ বাস্তৱ ঘটনাই আমাৰ মনত যে কৌতূহলৰ সৃষ্টি কৰে, ছবিৰ জৰিয়তেও আমি তাকেই বিচাৰো। সাৰ্থক ছবিত গল্প থাকিবও পাৰে, নাথাকিবও পাৰে। কাৰণ ছবিৰ একমাত্ৰ সত্যবিচাৰ হয় ৰসোত্তীৰ্ণ প্ৰান্তিক মূল্যৰাজিৰ মাজেৰে শিল্পীয়ে ইয়াৰ উপাদানবোৰ কিমান সাৰ্থকভাৱে নিয়োগ কৰিছে তাৰ ওপৰত। তাত ছবিৰ আখ্যানটি কিমান সাৰ্থকভাৱে কোৱা হৈছে, অথবা তাৰ নীতি বা উপদেশ কিমান মহৎ সেই প্ৰসংগ অবান্তৰ। চিত্ৰ ৰসাস্বাদনৰ পক্ষত আৰু এক প্ৰকাৰৰ অন্তৰায় আছে। আমি সাধাৰণতে নিপুণ কৌশলী, ওস্তাদ বা প্ৰতিষ্ঠিত শিল্পীৰ শিল্পকৰ্মক ৰসোত্তীৰ্ণ শিল্পকৰ্মৰ লগত চামিল কৰি ভাবো যে যাৰেই কৌশল বা দক্ষতা থাকে তাৰ কামেই ৰসোত্তীৰ্ণ। বিখ্যাত চিত্ৰকৰৰ ছবিও নিম্ন মানদণ্ডৰ হ'ব পাৰে। অৱশ্যে শুদ্ধ শিল্পৰ ক্ষেত্ৰত এনেকুৱা ধাৰণা প্ৰযোজ্য নহয়। তেতিয়া শিল্পীজনে পাবলগীয়া প্ৰশংসা বা প্ৰতিপত্তি পাবই। 'চিত্ৰকলা শিল্পীজনৰ সৃজনীপ্ৰতিভাৰ প্ৰকাশ মাত্ৰ নহয়, তাৰ মাজত কাৰিকৰী ধাৰণাও যথেষ্ট থাকে; চিত্ৰশিল্প এক প্ৰকাৰৰ হাতৰ কাম, বিশেষ এক ধৰণৰ কৌশল আয়ত্ত কৰি তাৰ মাজেৰে ইয়াক প্ৰকাশ কৰা হয়।



*ছবি সম্পৰ্কে সাধাৰণ ধাৰণা, ছবি কেনেকৈ চাব লাগে আৰু কিদৰে এই দৃশ্য-কাব্যসমূহত নান্দনিকতাৰ বেশ পৰিস্ফুট হয়—*

*এই প্ৰসংগত এক মননশীল আলোচনা আগবঢ়াইছে*

**অৰূপ কুমাৰ নাথে**

সাধাৰণ লোকে ছবি এখন সম্পৰ্কে মতামত দিবলৈ যাওঁতে চিত্ৰ সমালোচকসকলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। তেওঁলোকে যদি ছবি এখন প্ৰশংসা কৰে, নতুনত্বৰ সন্ধান পায়, তেতিয়া জনসাধাৰণেও সেই ছবিখনত নতুনত্বৰ সন্ধান পাব আৰু প্ৰশংসা কৰিব। কিন্তু সকলো ক্ষেত্ৰতে চিত্ৰ সমালোচকসকলৰ পৰা শুদ্ধ সমালোচনা নাপাবও পাৰো। একাডেমিশিয়ান বা শিল্প সমালোচক এজনে সাধাৰণতে পৰম্পৰাগত কনভেন্‌চনক সাবটি ধৰি থাকি অতীত প্ৰাণস্পন্দন, আত্মা আৰু অতীতত সৃষ্টি হোৱা ফৰ্মতেই আবদ্ধ থাকে। ফলত এজন শিল্পীৰ সমসাময়িক কাম-কাজত ফুটি উঠা প্ৰাণৰ স্ফুৰণ, প্ৰকাশ আৰু ব্যঞ্জনাক অৱহেলা কৰা দেখা যায়। এইবোৰ আঙুলিয়াই দিলেও সমালোচকসকলে দেখিও নেদেখাৰ ভাও জুৰি থাকে। ভাৰতৰ সু-প্ৰসিদ্ধ চিত্ৰ সমালোচক অশোক মিত্ৰই এই প্ৰসংগত কোৱা এষাৰি কথা এইখিনিতে প্ৰণিধানযোগ্য। তেওঁ কৈছিল—'যুগে যুগে শিল্পজগতে যেসব নিত্য নতুন আন্দোলন হয়েছে তাৰ সবচেয়ে দুৰ্ধৰ্ষ শত্ৰু হয়েছেন অসহিষ্ণু, বিৰুদ্ধবাদী, কুৎসাব্ৰতী; পণ্ডিতম্মন্য অ্যাকাডেমিশিয়ানেৰ দল, অনুৎসুক জনসাধাৰণ নয়।'

বহুতৰ ধাৰণা যে যিকোনো উৎকৃষ্ট শিল্পত কোনো গূঢ় ৰহস্য বা গুপ্তমন্ত্ৰ নিহিত থাকে; কিন্তু সেইটো যেতিয়ালৈকে প্ৰকাশ কৰা নহয় বা জনাই দিয়া নহয় তেতিয়ালৈকে বুজিবৰ উপায় নাথাকে। এইধৰণৰ ধাৰণা যদিও নিতান্তই অমূলক, তথাপি তাৰ মাজত এটি ডাঙৰ সত্য লুকাই থাকে, সেইটো হ'ল যিকোনো বস্তু প্ৰথম দেখা মাত্ৰেই তাক নতুনকৈ জনাৰ ইচ্ছা জাগে। কিন্তু নিশ্বাস-প্ৰশ্বাসৰ দৰে সেইটো আপোনা-আপুনি জানি

ল'ব বা শিকি ল'ব নোৱাৰি, চেষ্টা কৰিলেহে জানিব বা শিকিব পাৰি। ছবিৰ ৰসাস্বাদনৰ ক্ষেত্ৰতো এইখিনি প্ৰযোজ্য।

চিত্ৰকলাৰ ৰস আহৰণৰ ক্ষেত্ৰত জড়িত হৈ থকা আন এটি বিষয় হ'ল দৰ্শকজনৰ অনুভূতিৰ ব্যাপ্তি। বৰ্তমান যুগৰ বস্তুবাদী সমাজখনত যান্ত্ৰিক হৈ পৰা মগজুত মাজনিশাৰ তৰাবলী আকাশৰ মন জুৰোৱা দৃশ্য, সেউজীয়া পাহাৰৰ দৃশ্য, কেৰ্কেটুৱাই তামোল কুটি থকাৰ দৃশ্য, সেউজীয়া বোৰনী পথাৰৰ মাজেৰে ৰজাৰ দৰে গৈ থকা হাড়গিলাটোৰ দৃশ্য, শৰৎকালৰ মৃদু কোমল জোনাকৰ শিহৰণ, বসন্তকালৰ কুলি-কেতেকীৰ মৌ-সনা মাত আদিৰ সৌন্দৰ্য উপলব্ধি কৰিবলৈ অনুভূতিৰ অভাৱো ঘটিব পাৰে। তেনে লোকৰ বাবে লিঅ'নাৰ্ড' ডা ভিঞ্চিৰ 'জিনেভ্ৰাৰ সৌন্দৰ্য আহৰণ কৰাটো, বতিচেল্লিৰ 'ডা বাৰ্থ অৱ ভেনাছ'ৰ মন-প্ৰাণ হৰি নিয়া দৃশ্য, আংগৰৰ স্নানৰতা নগ্ন মহিলাৰ কামবিহীন সৌন্দৰ্য উপভোগ কৰি হৃদয়ংগম কৰিব পাৰিব বুলি ভবাটো অমূলক। মুঠতে ছবিৰ সৌন্দৰ্য আহৰণ কৰিবলৈ দৰ্শকজনৰ এটা কলাসুলভ মনো থাকিব লাগিব।

˘ সময় যিমানেই বাগৰি যায়, সময়ে সিমানেই আমাক নতুন নতুন কথা শিকায়। দৈনন্দিন জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ পৰা ক্ৰমান্বয়ে আমাৰ অভিজ্ঞতাৰ পৰিধি বাঢ়ি যায়, সেই অভিজ্ঞতাৰ উপযুক্ত ব্যৱহাৰে ক্ৰমশঃ প্ৰতিটো বস্তুক আৰু বেছি স্পষ্টভাৱে তীক্ষ্ণভাৱে দেখিবলৈ, শিকিবলৈ, বিচাৰ কৰিবলৈ আমি সমৰ্থ হৈ পৰো; প্ৰতিটো বস্তুতে আমি আৰু বেছি অৰ্থ উদ্ধাৰন কৰিব পৰা হৈ পৰো। নানাধৰণৰ অৰ্থৰ শৃংখলাৰ দ্বাৰা আমাৰ মন পুষ্ট হয়, আমাৰ মনৰ পৰিধি বাঢ়ে, আমাৰ অনুভূতিৰ মূলধন বাঢ়ে, জ্ঞানৰ ভঁৰাল ঐশ্বৰ্যমণ্ডিত হৈ উঠে। ঠিক এই সূত্ৰটোকে আমি শিল্পকলাৰ ক্ষেত্ৰতো প্ৰযোজ্য বুলি ক'ব পাৰো। শিল্পীয়ে ৰঙৰ দ্বাৰা, সুৰৰ দ্বাৰা নিজৰ অভিজ্ঞতাক ৰূপ দিয়ে, শৰীৰ দিয়ে। গতিকে তেখেতৰ ছবি বা কাব্য বা সংগীত বুজিবলৈ গ'লে আমি নিজৰ মাধ্যমতে তেওঁৰ অভিজ্ঞতাক আমাৰ নিজৰ লগত ৰিজাই চোৱা উচিত। শিল্পীৰ অভিজ্ঞতা বা তেওঁৰ শ্ৰোতা বা দৰ্শকৰ অভিজ্ঞতাৰ মাজত মূলগত কোনো পাৰ্থক্য নাই। যদিও দুয়োজনৰ ক্ষমতাৰ আকাশ-পাতাল পাৰ্থক্য থাকিব পাৰে। শিল্পীৰ অভিজ্ঞতা আহে কোনো বস্তুৰ পটভূমিৰ পৰা বা তেওঁৰ নিজস্ব প্ৰিয় বিষয়বস্তুৰ পৰা। তেওঁৰ এই সকলোবোৰ বস্তু অনুভৱ কৰাৰ বিশেষ ক্ষমতা থাকে। মূলতঃ কিন্তু বৈজ্ঞানিকৰ চিন্তাৰ অভ্যাস ধাৰাৰ লগত শিল্পীৰ চিন্তাৰ অভ্যাস ধাৰাৰ মিল আছে। বৈজ্ঞানিকে যেনেকৈ অংক আৰু যন্ত্ৰপাতিৰ দ্বাৰা আমাৰ চাৰিওকাষৰ জগতখনৰ আৰু বিশ্বৰ স্বৰূপ উন্মোচন কৰিবলৈ চেষ্টা কৰে, শিল্পীয়েও ৰং-তুলিকাৰ সহায়ত নিজস্ব আৰু বাহ্যজগতখনক উন্মোচিত কৰিব খোজে। বিজ্ঞানৰ মতে শিল্পও অনুশীলন শিক্ষা, ইয়াতো অনুসন্ধান বিশিষ্ট ধাৰাৰ একান্ত প্ৰয়োজন আছে আৰু অত্যন্ত যত্ন সহকাৰে পৰ্যবেক্ষণ কৰি শিকিব লগা হয়। অৰ্থাৎ বিশ্বজগতৰ কি কি অভিব্যক্তি সম্বন্ধে শিল্পীৰ উৎসাহ থকা সম্ভৱ, তেওঁ কি কি উপায়ে সেই অভিব্যক্তিবোৰক ৰূপ দিব পাৰে, নিজৰ কামত কেনেকৈ সেইবোৰ প্ৰতিফলিত হয়, কি উপায় অৱলম্বন কৰি কি উপায়ে সাফল্য আহে সেই সম্বন্ধে জনা থাকিলে চিত্ৰকলা বা অন্য কোনো শিল্পকলা বুজাত অসুবিধা নহয়, তেতিয়াই শিল্পৰসৰ সন্ধান পোৱা যায়।

যিকোনো শিল্পবস্তুতে দুইধৰণৰ গুণ থাকে। একধৰণৰ গুণক বোলে মানৱিক গুণ, অৰ্থাৎ বাস্তৱ জগতৰ কোনো ঘটনা দৃশ্য বা বস্তু দেখিলে আমাৰ মনত যি ভাবৰ উদয় হয়, যি মূল্যবোধৰ উদয় হয়, কোনো ছবি দেখিলেও যদি আমাৰ মন সেই একে ভাবৰ উদয় হয়, তেতিয়া সেই ছবিখনত মানৱিক গুণ বা মানৱিক মূল্য ফুটি উঠা বুলিব পাৰি। দ্বিতীয়ধৰণৰ গুণক প্লাষ্টিক গুণ বোলে। এই গুণত থকা সকলেবোৰ মূল্যবোধেই আহে সাধাৰণ জগতৰ নিত্য-নৈমিত্তিক কাম-কাজৰ পৰা। অৰ্থাৎ ৰং-আলো-ছাঁয়া, সীমাৰেখা, বিভিন্ন বস্তুৰ মাজত থকা শূন্যতাৰ ব্যৱধান এই সকলোবোৰ বস্তুৰেই আমি চাৰিওফালৰ জগতত অনুভৱ কৰো।

সংগীত, সাহিত্য, চিত্ৰকলা প্ৰত্যেকৰেই নিজস্ব গণ্ডী আছে আৰু সেই গণ্ডীক স্বীকাৰ কৰিয়েই শিল্পীয়েও নিজৰ ফৰ্ম সৃষ্টি কৰি লয়। কিন্তু যেতিয়া এটা শিল্প আন এটি শিল্পৰ মাজত বিলীন হৈ যায় বা সানমিহলি হৈ যায় অৰ্থাৎ সংগীত বা ছবি যেতিয়া সাহিত্য বা কবিতাৰ ৰাজ্যত প্ৰৱেশ কৰে, তেতিয়াই ৰসশাস্ত্ৰত জটিল সমস্যাই দেখা দিয়ে, শিল্পৰ মূল্য নিৰ্ধাৰণত অসুবিধাই দেখা দিয়ে।

চাইকোভস্কিৰ '১৮১২' নামৰ এটা চিম্ফনি আছে। এই চিম্ফনিটোৰ বিষয়বস্তু হ'ল নেপোলিয়নৰ ৰাছিয়া আক্ৰমণ আৰু পৰাজয়। চিম্ফনিটোত প্ৰথমে আছে গুৰুগম্ভীৰ কেইটিমান কলি, তাৰ মূল বিষয় হৈছে এটা জাতিয়ে নিজৰ দেশ ৰক্ষাৰ্থে কেনেধৰণে প্ৰাণ প্ৰতিজ্ঞা কৰে। তাৰ পিছত সেই ফৰাচী জাতীয় সংগীত মাৰ্শেয়াইজ, তাৰ পিছত ৰুছ জাতীয় সংগীত। যুদ্ধৰ উত্তাল কল্লোলৰ মাজত দুই দেশৰ জাতীয় সংগীতৰ মূৰ্চ্ছনা শুনা যায়। প্ৰথমে ৰুছ জাতীয় সংগীতটি ছেগা-ছোৰোকাকৈ বাজে, হঠাতেই ই নিঃচিহ্ন হৈ যায়, তাৰ পিছত ই লাহে লাহে দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ উঠে, শেষৰফালে উদাত্ত নিনাদে বাজি উঠে। আনহাতে মাৰ্শেয়াইজটো লাহে লাহে কঁপি কঁপি স্তিমিত হৈ যাব খোজে। শেষৰ ফালে বিজয়ৰ উল্লাস, কৰতাল ঘণ্টা আৰু শিঙ্কাৰ মুহুৰ্মুহুঃ নিনাদত সংগীতটি শেষ হয়। এই সমস্ত ৰচনাখিনিক নাটক যেন লাগে।

উদাহৰণটোৰ পৰা আমি কোনটো বিষয়বস্তু ন্যায্য আৰু প্ৰাসংগিক আৰু কোনটো অন্যায্য আৰু অপ্ৰাসংগিক তাৰ সম্বন্ধে সাধাৰণ সূত্ৰৰ অৱতাৰণা কৰিব পাৰো। যেতিয়া কোনো গল্প বা ঘটনা জনা থাকে তেতিয়া সংগীতৰ সকলোবোৰেই বুজা যায়। কিন্তু যেতিয়া সংগীতৰ মাজেৰে সংগীতৰ ন্যায্য উপাদানৰ সহায়ত কোনো কাব্যিক বা সাহিত্যিক ৰস ফুটি উঠে, তেতিয়া বিষয়বস্তু নিতান্তই ন্যায্য বা প্ৰাসংগিক হৈ পৰে। উপৰোক্ত চিম্ফনিটোত যিধৰণৰ ট্ৰেজেডি ফুটি উঠে, নেপোলিয়নৰ আখ্যান নজনাকৈয়ো তাক উপলব্ধি কৰিব পাৰি।

চিত্ৰৰসৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। যেতিয়া আখ্যান বা বৰ্ণনাই হয় প্ৰধান, তেতিয়া চিত্ৰৰস গৌণ হ'বলৈ বাধ্য। বহুতো ডাঙৰ ডাঙৰ শিল্পীয়েও এই ভুলটো কৰে, চিত্ৰকলাৰ সলনি গল্পহে বৰ্ণনা কৰিব খোজে। আমাৰ দেশৰ অবনীন্দ্ৰনাথ বা নন্দলাল বসুৰ ছবিতো এই দোষ সুস্পষ্ট। ফলত ছবিৰ আচল মূল্য নিৰ্ধাৰণত অসুবিধাই

দেখা দিয়ে। দোলাক্ৰোয়াৰ ৰঙৰ ব্যৱহাৰ যথেষ্ট অসাধাৰণ, যিমান শক্তিমান সিমান সাহসীও, তেওঁৰ ৰঙৰ ব্যৱহাৰত সচাঁই মহৎ। কিন্তু তেওঁ মনে মনে আছিল ৰোমাণ্টিক, উত্তাল আৱেগৰ মাজত থাকিব খোজা স্বভাৱৰ এজন ব্যক্তি। ফলত তেওঁৰ ছবিৰ ফৰ্ম (form) হৈ পৰে আশ্চৰ্যজনক মৌলিক আৰু অপূৰ্ব। কিন্তু তাতো ৰোমান্স, শৌৰ্য, বীৰ্য, বীৰত্ব আদি থকাৰ বাবে ছবিবোৰত নাটকীয়তা আছে। যদি তেওঁ বাস্তৱ সত্যক আৰু তীক্ষ্ণভাৱে চাবলৈ শিকিলেহেঁতেন তেতিয়াহ'লে ছবিৰ নাটকীয়তাৰ লগতে ছবিবোৰ আৰু বেছি সাৰ্থক হ'লহেঁতেন। মন্তেনিয়া, গোইয়া, দ্যমিয়ে, গ্লাকস্, প্যাস্যা আদিৰ ছবিত থকা আখ্যান বা গল্পবোৰ যথেষ্ট উচ্চখাপৰ। তেওঁলোক প্ৰত্যেকেই ঘটনা কোৱাতহে অধিক আগ্ৰহী; কিন্তু যিহৰ ওপৰত সেইবোৰ কোৱা হৈছে সেয়া নিতান্তই প্লাষ্টিক মূল্যসুলভ।

বিষয়বস্তুক আৰু উচ্চতৰ প্লাষ্টিক মূল্যৰ দ্বাৰা মণ্ডিত কৰাৰ ক্ষমতা আছিল ভেলাস্কেথ বা ৰেনোৱাৰাৰ ছবিত। তেওঁলোক দুয়োজনৰেই ৰং, ড্ৰয়িং, কম্পোজিচন আৰু ডিজাইনৰ ওপৰত অগাধ দখল আছিল। দুয়োজনৰ ভিতৰত ৰেনোৱাৰৰ প্ৰকৃতি আছিল বেছি কবিত্বময়। যৌৱনৰ, বসন্তৰ প্ৰাণৰ উচ্ছলতা তেওঁৰ ছবিত খুব ভালকৈ ধৰা দিছিল; পৃথিৱীত যেন যিমান আনন্দ আছে, সকলোখিনিয়েই তেওঁৰ ছবিত ধৰা দিছিলহি। সেই হিচাপে ভেলাস্কেথ আছিল কিছু বাস্তৱবতাবাদী। ভেলাস্কেথৰ ছবিৰ বাস্তৱতাই বেছি আৰু ৰেনোৱাৰৰ ছবিত কল্পনাই বেছি মূল্য লাভ কৰিছিল।

চিত্ৰকলাৰ জগতত কুৰ্বে আৰু এডুৱাৰ মানেৰ যেতিয়াই আৱিৰ্ভাৱ ঘটে, তেতিয়াই ছবিৰ বিষয়বস্তুৰ মূল্য নতুন হৈ গ'ল। এডুৱাৰ থানে বিশ্বাস কৰিছিল যে যিকোনো বস্তুৰেই তাৰ নিজস্ব গুণৰাজিৰে মূল্যৱান হৈ পৰে; নিজ গুণৰ বলতেই সকলো বস্তুৰেই চিত্ৰৰ বিষয়বস্তু হোৱাৰ যোগ্যতা অৰ্জন কৰে। যোগ্যতা অৰ্জন কৰিবলৈ কোনো বস্তুৱে বেলেগকৈ নাটকীয় পোছাক পৰিধান কৰাৰ দৰকাৰ নাই।

আৰু এটি নিতান্তই ভুল ধাৰণা সাধাৰণতে চলি থকা দেখা যায়। বহুতে ভাৱে যে ছবিৰ বিষয়বস্তু মানেই এটা বা কেইবাটাও বস্তুৰ সমাবেশ। কিন্তু কিউবিষ্ট ধাৰাৰ ছবিত বিভিন্ন বিষয় বা বস্তুৰ মাজত যোগসূত্ৰ খুবেই ক্ষীণ। ইমপ্ৰেছনিষ্ট ধাৰাৰ ছবিত যিকোনো বিষয়ৰ ছবিৰেই উপযুক্ততা থকা বুলি ধৰা হয়। কাৰণ ইমপ্ৰেছনিষ্টসকলে স্বীকাৰ কৰিছিল যে সকলো বস্তুৰেই এক নিজস্বতা আছে যাক ছবিৰ দ্বাৰা প্ৰতি ফলিত কৰা সম্ভৱ। এইখিনিতে ইমপ্ৰেছনিষ্ট ধাৰাৰ কেনেকৈ আৱিৰ্ভাৱ হ'ল তাক ব্যাখ্যা কৰিব পাৰি। ১৮৬১ চনৰ এডুৱাৰ মানেৰ তেওঁ আৰু তেওঁৰ পত্নীৰ এখন যুগ্ম ছবি আৰু এজন স্পেনিছ গীটাৰ বাদকৰ ছবি পেৰিছৰ ছাঁলোত প্ৰদৰ্শনৰ বাবে দিয়া হৈছিল। কিন্তু বাস্তৱধৰ্মী ছবি দুখনে শিল্পী সমাজত সমাদৰ নাপালে। তথাপি প্ৰখ্যাত শিল্পী দোলাক্ৰোৰ দ্বাৰা প্ৰভাৱিত হৈ জুৰিয়ে মানেৰ ছবিৰ কিছু প্ৰশংসনীয় কথা উল্লেখ কৰিলেও ১৮৬৩ চনত পেৰিছৰ শিল্পীসকল ইমান বেছি পৰম্পৰাপ্ৰিয় আছিল যে মানেক ছাঁলোৰ পৰা বহিৰ্ভূত কৰিলে। সেই সময়ত বহুতো প্ৰতিভাধৰ শিল্পীক ছাঁলোত গ্ৰহণ নকৰাৰ বাবে উদাৰমনা সম্ৰাট নেপোলিয়নে এই নতুন সৃষ্টিকামীসকলৰ বাবে এটা বেলেগ কক্ষত তেওঁলোকৰ ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে। এই নতুন শিক্ষাসুঁতিৰ প্ৰবাহ হ'ল 'ছালোঁ দ্য ৰিফিউজে'। হুইছলাৰ, লাটু, ক্লদ মনে, ৰেনোৱাকে আদি কৰি শিল্পীসকলৰ এই কক্ষত স্থান হ'ল। ক্লদ মনেই সূৰ্যাস্তৰ ছবি এখনৰ নাম দিছিল 'ইমপ্ৰেছন'। ছবিখন দেখি দৰ্শকসকলে ঠাট্টা-মস্কৰা আৰু হাঁহি উৰাই দিছিল। উপহাস কৰা ছবিখনকে কেন্দ্ৰ কৰি নতুন সুঁতিটোৰ নাম 'ইমপ্ৰেছনিষ্ট' বুলি প্ৰচলন হ'ল।

ইমপ্ৰেছনিষ্টসকলৰ অনুভূতিক হৃদয়ংগম কৰাৰ জোখাৰে সেই সময়ৰ শিল্পৰসিকসকল পৰিশীলিত হোৱা নাছিল। তেনে শিল্পীসকলে ক্ষন্তেকৰ বাবে দেখা দৃশ্য এটাই চকুত যি সাঁচ পেলায় সেই সাঁচৰ অনুভূতিৰ ওপৰত ভিত্তি কৰিয়েই পোহৰ, ৰং আৰু ছাঁৰ সময়ত দৃশ্যটোৰ বা বস্তুটোৰ অৱতাৰণা কৰে। উদাহৰণস্বৰূপে ঘোঁৰাৰ ৰং একেটাই। এটা ক'লা ৰঙৰ ঘোঁৰাৰ গাত উজ্জ্বল চকচকীয়া পোহৰ পৰিলে তাৰ গাৰ কোনো কোনো অংশৰ পৰা মাজে মাজে নীলাবৰণ এটা ওলাই আহে। কিন্তু ঘোঁৰা ক'লা ৰঙৰ হ'লেও ইমপ্ৰেছনিষ্ট তেওঁৰ চকুত হঠাতে ধৰা দিয়া নীলা ছাঁৰ খণ্ডিত ৰূপ ছবিত প্ৰকাশ কৰে। গতিকে ইমপ্ৰেছনিষ্টসকলৰ মতে সকলোবোৰ বস্তুৰেই কলাগত মূল্য থাকে। কিন্তু সেই সময়ৰ চিত্ৰ সমালোচকসকলে এই মূল্যক বৰ বেছি গুৰুত্ব দিব খোজা নাছিল।

সাধাৰণ আলোচনাত চিত্ৰকলাৰ পাৰস্পেকটিভ সম্বন্ধে বিভিন্ন আলাপ-আলোচনা হোৱা দেখা যায় যদিও আচলতে ই একপ্ৰকাৰৰ অংক বা জ্যামিতিশাস্ত্ৰৰ কিছুমান সূত্ৰ মাত্ৰ। এই সূত্ৰবোৰ আয়ত্ত হ'লে শিল্পী বা ইঞ্জিনীয়াৰে কাগজত ঘৰ-বাৰী বা যিকোনো ডাঙৰ বস্তুকে সমতল ক্ষেত্ৰত অংকন কৰিব পাৰে। চিত্ৰকলাত পাৰস্পেকটিভ ঠিকে-ঠাকে থাকিলেই কোনো এখন ছবিত থকা মানুহ এজনৰ ছবি চায়েই ছবিখন স্বাভাৱিক নে অস্বাভাৱিক তাক ক'ব পাৰি। এখন নিৰ্দিষ্ট জোখৰ সমতলত বহুতো চিত্ৰিত বস্তুৰ মাজত যি দূৰত্ব থাকে সেয়া বাস্তৱত কিমান হ'ব, পাৰস্পেকটিভ যদি শুদ্ধভাৱে প্ৰয়োগ কৰা হয় সেয়া বিশ্বাসযোগ্য হৈ উঠে। তাৰ মনত ধাৰণা হয় যে বাস্তৱ জগতত যেনেকুৱা ৰূপত দেখি কাগজতো ঠিক তেনে ৰূপতেই দেখা পোৱা গৈছে। বাস্তৱ জগতত আমি যি দেখো তাৰ মূলতে আছে চাওঁতাৰ দৃষ্টি আৰু পোহৰ বিজ্ঞানৰ গূঢ় সূত্ৰ। চিত্ৰজগতত বাস্তৱ জগতৰ প্ৰতিচ্ছবিৰ মূলতে থাকে পাৰস্পেকটিভ শাস্ত্ৰ। উদাহৰণস্বৰূপে এখন ৰে'লৰ ছবি অংকন কৰিবলগীয়া হ'লে ৰে'লখনৰ সন্মুখভাগটো ডাঙৰকৈ অঁকাৰ পিছত পিছৰ ভাগটো কিমান অনুপাতত সৰু হ'ব, শেষৰ বিন্দুটো কিমানত থাকিলে ইয়াৰ বিশ্বাসযোগ্যতা বাঢ়িব সেই কৌশল পাৰস্পেকটিভ শাস্ত্ৰই দিয়ে। গৰখীয়া এজনে পথাৰৰ গছৰ তলত বহি গৰু চৰাই থকা দৃশ্য এটাত গৰুবোৰে কিমান দূৰত, কিমান আকাৰত ঘাঁহ খাই থকা দেখুৱালে ছবিখন বাস্তৱ যেন লাগিব সেইবোৰৰ জ্ঞান আগবঢ়ায় পাৰস্পেকটিভ শাস্ত্ৰই। পাশ্চাত্য পাৰস্পেকটিভ সম্বন্ধে সকলোতকৈ গ্ৰহণযোগ্য সূত্ৰ আগবঢ়াইছিল লিঅ'নাৰ্ড' ডা ভিঞ্চিয়ে। তেওঁ 'Notes on a treaties of painting' নামৰ গ্ৰন্থখনত এই বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াইছিল। তেওঁ চিত্ৰশাস্ত্ৰ সম্বন্ধীয় ৰচনাৰ আৰম্ভণিতে পাৰস্পেকটিভ সম্পৰ্কে কৈছিল— 'যিয়ে গণিত বুজি নাপায়,

তেওঁ যেন মোৰ এই কিতাপখন নপঢ়ে।' গ্ৰন্থখনত তেওঁ চিত্ৰকলাক চিত্ৰবিজ্ঞান আখ্যা দিছিল আৰু তেওঁৰ মতে সমস্ত চিত্ৰৰ মূল ভিত্তি হৈছে জ্যামিতি। ডব্লিউ পি পি লংফেলোৰ "Applied perspective for Architect and Painters (1901)" আৰু A clarkৰ "Perspective (1901)", H.T. Hollis-ৰ Perspective Drawing (1955)" পিয়েৰা ভেলা ফ্ৰাঞ্চেসকাৰ "Perspective" আৰু আলবেৰ্তিৰ "On Painting" আদি গ্ৰন্থবোৰত পাৰস্পেকটিভ সম্বন্ধে যথেষ্ট আলোচনা কৰা হৈছে।

আধুনিক পাশ্চাত্য পাৰস্পেকটিভ শাস্ত্ৰৰ মূল সূত্ৰবোৰক সম্ভৱত জ্যামিতিৰ ভাষাত সৰ্বপ্ৰথম ৰূপ দিছিল ব্ৰুনেলস্কোৱে। ফ্ৰান্সৰ এই বিখ্যাত স্থপতিবিদজনৰ ১৪২০ চনত এখনি চিত্ৰকলা সম্বন্ধীয় গ্ৰন্থ প্ৰকাশ পায়, তাত তেওঁ এইবোৰ সূত্ৰ আগবঢ়াইছিল। এইবোৰ সূত্ৰ আৰু বেছি বিস্তৃতভাৱে আলোচনা কৰিছিল লিওঁ বাতিস্তা আলবেৰ্তি নামৰ চিত্ৰৰসিকজনে। আলবেৰ্তিৰ এই কিতাপখনক নৱজাগৰণৰ চিত্ৰকলাৰ ভিত্তি বুলিলেও অত্যুক্তি কৰা নহয়।

প্ৰাগ-ঐতিহাসিক যুগৰ শিল্পীসকলে বাস্তৱৰ বস্তু চাই চিত্ৰাংকন কৰিছিল যদিও তেওঁলোক পাৰস্পেকটিভ সম্বন্ধে সজাগ নোহোৱা বাবে তেওঁলোকৰ ছবিত ভুল হোৱাৰ আশংকা আছিল। কিন্তু জিউক্সিস বা পাৰাসিয়াচেৰ গল্পৰ পৰা এইটো গম পোৱা যায় যে গ্ৰীকসকল এই বিষয়টি সম্বন্ধে সজাগ আছিল। গ্ৰীকসকলৰ পিছত পৰৱৰ্তীকালত চীন, ভাৰত, বেবিলন আৰু ইউৰোপৰ চিত্ৰশিল্পীসকল ছবিত স্পেস, ঘনত্ব, গভীৰতা ঠিকমতে প্ৰকাশ কৰিবলৈ যথেষ্ট সজাগ আছিল।

পশ্চিম ইউৰোপত পাৰস্পেকটিভ বিজ্ঞান প্ৰচাৰ হোৱাৰ আগতো ইউৰোপীয় শিল্পী মাৰ্তিনিকে ধৰি কিছুমান শিল্পীয়ে নিজৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই সুন্দৰ পাৰস্পেকটিভ নিয়মমাফিক ছবি আঁকিবলৈ সক্ষম হৈছিল। মাৰ্তিনিৰ 'ছেইণ্ট আগাষ্টাইনৰ জীৱনৰ এটি দৃশ্য' শীৰ্ষক ছবিত ঘৰটিৰ পাথৰবোৰ জীৱন্ত যেন লাগে, ঘৰৰ পিছৰ অংশটিও যথেষ্ট সুন্দৰ হৈছিল, পিছফালে যিমানেই দূৰলৈ গৈছে সিমানেই সৰু হৈ গৈছে। মুঠতে ইয়াত সুন্দৰ পাৰস্পেকটিভৰ ব্যৱহাৰ হোৱা বুলি অনুমান কৰিব পাৰি।

ব্ৰুনেলস্কি আৰু আলবেৰ্তিয়ে পোন প্ৰথমে পাৰস্পেকটিভ শাস্ত্ৰক অংকৰ ভাষাত লিখিছিল। তাৰ ফলতেই ছবিবোৰত আগতকৈ গভীৰতা, স্পেসৰ গভীৰতা আভাস আৰু শৃংখলা বহুত বেছি আছিল। দৰ্শক বা শিল্পীৰ কল্পনাই কোন বিন্দুত বৈ প্ৰথমে ছবিখন চোৱাৰ বা অঁকাৰ যাৱতীয় আৰম্ভণি কৰিব সেইটো আছিল আলবেৰ্তিৰ প্ৰথম বক্তব্য। অৰ্থাৎ শিল্পী এজনে ছবিখন আঁকোতে প্ৰত্যেকটো বস্তু বা ফিগাৰ কিমান দূৰত, কিমান কোণ কৰি আঁকিব সেইটো ঠিক কৰি লোৱাতো হ'ব তেওঁৰ প্ৰথম কাম। সেই স্থানটিৰ পৰা যিমান দৃষ্টিৰশ্মিৰ কৰ্ণৰেখা ওলায় সিয়ে ছবিৰ প্ৰতিটো বস্তুৰ ৰেখা আৰু গা চুব; সি যেনিবা মাজতেই হওক মাটিতেই হওক বা ঘৰৰ ওপৰতে হওক সকলোবোৰ ৰেখাই মিলি বহু দূৰত এটি মাত্ৰ বিন্দুত মিলিত হ'ব। এই বিন্দুটিক বিলীয়মান বিন্দু বা ভ্যানিসিং পইণ্ট বোলে। এই ভ্যানিসিং পইণ্টটি ছবিৰ পিছফালে দিকৰেখাত অৱস্থিত। ছবিৰ এই বিলীয়মান বিন্দুটি ছবিৰ ঠিক মাজতো হ'ব পাৰে, সোঁফালেও হ'ব পাৰে, বাওঁফালেও হ'ব পাৰে, ওপৰত, তলত বা কেতিয়াবা ছবিৰ বাহিৰতো হ'ব পাৰে। এই পইণ্টটো যতেই নাথাকক যি ছবিতেই বিজ্ঞানসন্মত পাৰস্পেকটিভ থাকে সেই ছবিত এই ভ্যানিসিং পইণ্টটো থাকিবই। ছবিত চিত্ৰিত বস্তুবিলাকৰ পিছলৈ গৈ থাকিলে আকাৰ কিমান অনুপাতত কমি যাব সেয়া দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰিব। পাৰস্পেকটিভ বিজ্ঞানৰ এটি সুবিধা এই যে দূৰত্ব যদি দুগুণ হয় তেতিয়া বস্তুৰ আকাৰ বস্তুটোতকৈ আধা দেখা যাব, যদি দূৰত্ব তিনিগুণ বা চাৰিগুণ হয়, তেতিয়া বস্তুৰ আকাৰ তিনিভাগ বা চাৰিভাগৰ এভাগ দেখা যাব। ইয়াৰ ফলত ছবিৰ কোন বস্তু কিমান দূৰত আছে আৰু পৰস্পৰৰ মাজত আকাৰ সম্বন্ধ কেনেকুৱা তাক ক'বলৈ সহজ হৈ পৰে। গতিকে পাৰস্পেকটিভ জনা থাকিলে শিল্পীয়ে ছবিত খুব সহজে পৰিচ্ছন্নতা, শৃংখলা আনিব পাৰে, প্ৰত্যেকটি বস্তু ছবিত ঠিকভাৱে উপস্থাপন কৰিব পাৰে।

বস্তুৰ আকাৰ ডাঙৰ-সৰু কৰাৰ লগতেই যে পাৰস্পেকটিভ শাস্ত্ৰ জড়িত হৈ আছে তেনে নহয়। বস্তুৰ আকাৰৰ লগত ৰঙৰো ওতঃপ্ৰোত সম্বন্ধ আছে। ৰং সম্পৰ্কে অধ্যয়ন কৰাটোও পাৰস্পেকটিভ শাস্ত্ৰৰ এক বিষয়। ছবিৰ সন্মুখভাগটো খুব স্পষ্টভাৱে দেখা যায়, তাৰ ৰঙো হয় কঢ়া আৰু উজ্জ্বল। আৰু ইয়াৰ ছায়াও হয় তীক্ষ্ণ। যিমানেই দূৰলৈ যোৱা যায় ৰঙৰ পৰিমাণ কমি যায়, তাৰ সীমা ৰেখাৰ আৰু ছায়াবোৰো অস্পষ্ট হৈ যাব ধৰে। ইয়াকে আধুনিক ভাষাত ৰঙৰ পাৰস্পেকটিভক বোলা হয় ৰঙৰ মূল্য বা ভ্যালুজ। ৰেখা আৰু ৰং মিলি যি জটিল পাৰস্পেকটিভৰ সৃষ্টি হয় তাক কোৱা হয় বায়ব বা বায়ুমণ্ডলৰ পাৰস্পেকটিভ, ইংৰাজীত কোৱা হয় এৰিয়েল পাৰস্পেকটিভ। ৰেখাগত পাৰস্পেকটিভ নিৰ্ণয় কৰা যিমান সহজ বায়ব পাৰস্পেকটিভ নিৰ্ণয় কৰাটো সিমান সহজ নহয়। কোৱা বাহুল্য যে পাৰস্পেকটিভৰ সাৰ্থক ব্যৱহাৰ আয়ত্ত হ'লেই শিল্পীয়ে ছবিত ডিজাইন আনিব পাৰে।

চিত্ৰৰসিকসকলে এতিয়ালৈকে পাৰস্পেকটিভৰ তিনিটা শাখা উদ্ভাৱন কৰিছে। প্ৰথমটি হৈছে কোনো এবিধ বস্তু আগভাগৰ পৰা পিছলৈ গ'লে কি অনুপাতত সৰু হ'ব— তাৰ হিচাপ। ইয়াক আকাৰত কমি যোৱাৰ পাৰস্পেকটিভ (পাৰস্পেকটিভ অৱ ডিমিনিউচন) বোলে। দ্বিতীয়টি হৈছে সন্মুখভাগৰ বস্তু দূৰলৈ গ'লে কি অনুপাতত তাৰ ৰঙৰ পৰিবৰ্তন হ'ব— সেই বিষয়ে বুজোৱা পাৰস্পেকটিভ অৰ্থাৎ ভ্যালুজ অৱ কালাৰ। তৃতীয়বিধ হৈছে বস্তুবিলাক দূৰলৈ গ'লে কিভাৱে বস্তুবোৰৰ আনুপাতিক সম্বন্ধ দেখুওৱা হয় তাৰ পাৰস্পেকটিভ। ইয়াক এনভেলপমেণ্ট পাৰস্পেকটিভো বোলে।

সৰ্বশেষত এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে চিত্ৰশিল্পী এজনে নিজৰ শিল্পকৰ্মত উৎকৃষ্টতা অৰ্জন কৰিবলৈ পাৰস্পেকটিভ অৱ আৰ্ট সম্পৰ্কে জনাটো যিমান প্ৰয়োজন, চিত্ৰকলাৰ ৰস আৰু মূল্য সম্পৰ্কে সচেতন হোৱাটোও ঠিক সিমানেই প্ৰয়োজন। ■

## ঈশ্বৰৰ সন্ধানত

**কমল কুমাৰ মেধি**

নদীবনে উশাহ হেৰুওৱাৰ পৰত
গাঁৱৰ গাভৰু পথাৰখন ধৰ্ষিতা হোৱাৰ পৰত
মই ঈশ্বৰক বিচাৰি ওলাইছিলো

মোৰ গাঁৱৰ সহস্ৰ বুভুক্ষ চিঞৰৰ তাল ভাঙি
মহানগৰীৰ ফুটপাথে ফুটপাথে
কিম্বা বেশ্যাপল্লীত
মই কাতৰ ভাৱে বিচাৰি ফুৰিছিলো ঈশ্বৰৰ ছাঁ

অ'ভাৰব্ৰিজৰ তলৰ সেই উলংগ দেশত
ঈশ্বৰ নাই
ঈশ্বৰে খাব নোৱাৰে দহদিনীয়া বাহি ভাত
এটুকুৰা শুকান ৰুটিৰে যাপন কৰিব নোৱাৰে এটা ৰাতি
ঈশ্বৰ পকী নজিয়াত নুশুৱে
ঈশ্বৰৰ বাবে নিৰ্মাণ কৰা হয় লাখটকীয়া দালান
ৰচ্‌মী অথবা লুচ্‌কীৰ দৰে দহটকাতে পোৱা নাযায়
ঈশ্বৰৰ শৰীৰ

তথাপিও— তথাপিও মই বিচাৰি ফুৰিছিলো ঈশ্বৰ
কেনি যাব পাৰে তেওঁ
ঈশ্বৰতো আৰু নৰীয়া নহয়
সেউতী মাহীৰ দৰে কলাজ্বৰত ননযে তেওঁ

মই বাট সলাইছিলো
মাটিৰ পৃথিৱী এৰি চাঁদৰ পৃথিৱীলৈ
হোটেল ৰাজমহল কাফে-ডি কিম্বা ইন্দিৰাজ
মই চলাথ কৰিছিলো ভেৰোণীয়া সপোনৰ দেশবোৰ
আৰু নিশা যেতিয়া বাঢ়ি আহিছিল
ভোকাতুৰ মানুহৰ যন্ত্ৰনাৰ কোৰাছ
ডায়নেষ্টিৰ আকাশত আৱিষ্কাৰ কৰিছিলো তেওঁক
তেওঁ তেতিয়া মাতাল
ৰঙীন পানীয়ত সাতুৰি আছে তেওঁ
তেওঁ চৌপাশে সুস্বাদু দামী উচিষ্ট
জেপত জাপ জাপ টকা
(তেৰেঁই লুকুৱাই থয় নেকি বাৰু দুখীয়াৰ টকাবোৰ)
আমেৰিকাৰ ভুগোল আঁকা তেওঁৰ কামিজ
আজি নিশা ঈশ্বৰে ৰমণ কৰিব হাজাৰটকীয়া শৰীৰ
বিশ্বাসৰ সেওঁতা ফালি ৰোপণ কৰিব
যন্ত্ৰণাৰ তেজৰঙী সাঁচ

মই উলটি আহিবৰ পৰত সংকল্প লৈছিলো
কাইলৈ ঈশ্বৰৰ বিৰুদ্ধে উলিওৱা হ'ব মৌন সমদল
আয়োজিত হ'ব বিশাল প্ৰতিবাদ সভা
ঈশ্বৰৰ বিপক্ষে মন্দিৰে মন্দিৰে চলিব
প'ষ্টাৰিং, অভিযান
কাইলৈ দাহ কৰা হ'ব পাৰে তেওঁৰ প্ৰতিকৃতি
হাতে হাতে প্লে-কাৰ্ড লৈ
আমি খোদিত কৰিম অভিযোগনামা
ঈশ্বৰে শুনিব লাগিব ভোকাতুৰ মানুহৰ গান
অন্যথা শ্ৰমজীৱী মানুহৰ মুখৰ পৰা
কিডনেপ কৰা হ'ব তেওঁৰ নাম

এইবাৰ ঈশ্বৰৰ বিপক্ষে এয়া
মেহনতী মানুহৰ জেহাদ।

## লাৱাৰিছ্ ঈশ্বৰ

**অনন্ত চহৰীয়া**

মানুহজনে আকাশলৈ হাত দুখন দাঙি চিঞৰি দিলে!
'হে ভগৱান............'
সেলিটো মানুহজনৰ চিঞৰত সচকিত হ'ল!
ঢাকি ললে ওৰণিৰে সমস্ত কিৰণ!
ইফালে,
কাৰবালা প্ৰান্তত বিষাদময় মহম্মদৰ পয়গম্বৰ।
মানুহজনে ভাবিলে,
'ধেৎ ভগৱান নিৰাকাৰ'
মানুহজনে আকাশলৈ আকৌ হাত দুখন দাঙি চিঞৰি দিলে
'ই-য়া আল্লাহ'
দুটামান বুঢ়াপাত সৰি পৰে হালধীয়া হৈ।
বাবৰি মছজিদৰ চূড়াত উঁচপ খাই উঠে ৰাম।
মানুহজনে ভাবিলে পুনৰ
'ভগৱান বৰ নিষ্ঠুৰ'
এইবাৰ মানুহজন পদপথত উঠি শতিকাৰ
কংকাল এটালৈ চাই চিঞৰিলে
'এই চালা লাৱাৰিছ'
কংকালটোৱে মাথোঁ বিৰবিৰালে
'ৰুটি...... কাপোৰ........ঘৰ'।
মানুহজনে ভাবিলে
ভগৱান তেৱেঁই।

## ৰাশিফল

শিৱপ্ৰসাদ বড়া

আপোনাৰ যি ৰাশিয়েই নহওক
বৃষ-সিংহ-মকৰ-কুম্ভ
এই বছৰটো আপোনাৰ বাবে যিমান শুভ-সিমানেই অশুভ
যাদুকৰী সময়ে আপোনালৈ কঢ়িয়াই আনিব উত্থান অথবা পতন
গাড়ীৰ চকাৰ দৰে অবিৰাম ঘূৰিব সুখ আৰু দুখৰ মুদ্ৰা
ৰাতিৰ মায়াৱী সুৰেৰে নাচিব স্বপ্ন আৰু দুঃস্বপ্ন
আপোনাৰ অজানিতে আপুনি নিজেই সাবটিব ভাগ্য অথবা দুৰ্ভাগ্যক

এই বছৰটোত আপুনি যিমান ভাল বন্ধু লাভ কৰিব-- সিমানেই পাব
আত্মীয়ৰ শত্ৰুতা
মাজে মাজে আপোনাৰ বাবে জীৱনৰ সকলো বিষয়েই হৈ পৰিব শূন্য
মাজে মাজে নিজৰেই বুদ্ধিৰ দোষত আপুনি হেৰুৱাই পেলাব কোনো
সুবৰ্ণ সুযোগ
কোনো সুখী বাটত ৰৈ থাকিব অসুখী দেৱালৰ কঠিনা
কোনো হাঁহিৰ বাটত কান্দোন অথবা ৰ'দৰ বাটত বৰষুণ
চেঁচা বতাহৰ বাটত ঘৰৰ চাল উৰুৱাই নিয়া ধুমুহা

অনেক সময়ত আপুনি হৈ পৰিব পাৰে নিঃসংগ
আপোনাৰ কৰ্মস্থলীত হ'ব পাৰে হঠাৎ উন্নতি
অথবা আপোনাৰ ব্যৱসায়ত হ'ব পাৰে হঠাতেই ঘাটি
আপুনি মুখামুখি হ'ব পাৰে সন্তানৰ দুৰাৰোগ্য ৰোগৰ স'তে
অথবা লাভ কৰিব পাৰে নৱতম সুখৰ সম্ভাৱনা।

প্ৰেমত আপুনি ত্যাগ কৰিব লাগিব মনৰ সকলো দ্বিধা
শান্ত কৰিব লাগিব আপোনাৰ মন বিবাহত
আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আপুনি নিশ্চিন্ত থাকিব লাগিব যে
কোনোপধ্যেই আপুনি হাত সাৰিব নোৱাৰে বেমাৰৰ পৰা
কাৰণ আপুনি এজন মানুহ....
যিহেতু আপোনাৰ জীৱনৰ যৰ-- জীৱন আৰু পৃথিৱীৰ পৰা দূৰত নহয়
ইবোৰক আপুনি বৰণ কৰি ল'ব লগা হ'ব পাৰে নিজৰ গাত এবাৰ
নহয় এবাৰ — হেজাৰবাৰ

তথাপি আপোনাৰ মংগলময় জীৱনৰ সুখী প্ৰাৰ্থনাৰ বাবে
আপোনাৰ শুভ বাৰ হ'ব পাৰে আজি
শুভ তাৰিখ হ'ব পাৰে আজিৰ তাৰিখ
শুভ ৰত্ন হ'ব পাৰে আপোনাৰ হৃদয়— মাথোঁ হৃদয়
আপোনাৰ যি ৰাশিয়েই নহওক আপোনাৰ অজানিতে আপুনি
নিজেই সাবটিব কোনো ঘটনা অথবা দুৰ্ঘটনাক।

## ঈশ্বৰ

সঞ্জয় কুমাৰ শৰ্মা

মানুহক ঈশ্বৰ লাগে স্বাৰ্থৰ দেৱাল বনাবলৈ
খান্দিবলৈ আনৰ বুকুত প্ৰৱঞ্চনাৰ পুখুৰী
মাতিবলৈ হাহাকাৰৰ খৰালি
সেইবাবেই
ঈশ্বৰক শিৰশ্চেদ কৰা হয় মন্দিৰৰ মজিয়াত
সাজি সাজি হত্যা কৰা হয়
বিসৰ্জন দিয়া হয় নদীৰ গভীৰতাত

ঈশ্বৰ মানে বা কি?
ঈশ্বৰ তেজৰ নে মাটিৰ নে পানীৰ
নে বিশ্বাসৰ
ঈশ্বৰ দৃশ্য নে অদৃশ্য
দাহ্য নে অদাহ্য?

ঈশ্বৰতো নাছিল আলাউদ্দিনৰ বন্তি
নাছিল গছৰ পকা ফল
পুখুৰীত ফুলি থকা পদুম ফুল
অথবা দক্ষিণৰ এমুঠি চেঁচা বতাহ।

তোমাৰ যৌৱন আছে— প্ৰেম নাই
শৰীৰ আছে শক্তি নাই
নাইৰ বাবে ৰৈ থাকে ঈশ্বৰ।
থকাত হাত নাই ঈশ্বৰৰ?

হে মোৰ প্ৰত্নতাত্ত্বিক [illegible] পুৰুষসকল
তোমালোকে ঈশ্বৰ জন্ম দি দি
কিয় হত্যা কৰিছা নৃশংসভাৱে
কাটি পেলাইছা ঈশ্বৰৰ হাত ভৰি
জ্বলাই দিছা মানুহৰ মমতাৰ মেজি
মছজিদ, মন্দিৰৰ খট্‌খটিত বাগৰি ফুৰিছে প্ৰতিবন্ধী ঈশ্বৰ।

সকলো মহাকাব্য পুৰি পেলোৱা হওক
পুনৰ লিখা হওক এখন মহাকাব্য
জন্ম দিয়া হওক বিশ্বাসৰ ঈশ্বৰ!!

# যি যুদ্ধৰ বাবে

ধ্রুৱজ্যোতি তালুকদাৰ

মোৰ ভাৱনাৰ যুদ্ধকালীন পৃথিৱীত ৰুই দিয়া দুৰ্যোগৰ গান
মই আকৌ এবাৰ দোকমোকালি হ'ম
আকৌ এবাৰ আকাশ হ'ম
তুলি ধৰা মোৰ অনন্ত স্বপ্ন

মই আকৌ এবাৰ চৰাইৰ গান শুনাম
যি যুদ্ধৰ বাবে মাথোঁ যি যুদ্ধৰ বাবে
নিচুকাই ৰাখিছো মোৰ যন্ত্ৰণাৰ ভূগোল
যি যুদ্ধৰ বাবে সযতনে সাঁচিছো মোৰ
নৈপৰীয়া অভিলাষ সহযোদ্ধা ইচ্ছাৰ আঁচনি
মোৰ কবিতাৰ চকুপানীত আঁকি ঘৃণা-হুমুনিয়াহ
অথবা উচুপনিৰ গান

মই আকৌ এবাৰ উত্তপ্ত হ'ম
আলিংগন কৰিম যুদ্ধৰ পোছাক
সমুদ্ৰৰ গৰ্জনতকৈও বিশাল কৰি তোলা মোক
মই শিশুৰ অমল হাঁহিৰ ছবি আঁকিম
মোৰ ভাৱনাৰ যুঁজাৰু ঘামত সানি দিয়া তোমালোকৰ
দুচকুৰ নিয়ৰ তোমালোকৰ বুকুত স্থাপন কৰিম
গান আৰু ভালপোৱা

বতাহৰ বুকুত গুণগুণাব বুলি বেলিৰ পোহৰ
সপোনৰ সেওঁতাৰে বৈ আহিব বুলি ৰ'দৰ সমাৰোহ
মৃত্যুহীন অথচ মৰ্মন্তুদ— যি যুদ্ধৰ বাবে মাথোঁ
যি যুদ্ধৰ বাবে মোৰ সকলো কবিতা

তোমালোকৰ হেঁপাহৰ গভীৰতাৰ পৰা মোৰ বুকুৰ গভীৰতালৈ
বিয়পি পৰিব শইচৰ গান— তেজহীন অথচ
নিঃকৰুণ— যি যুদ্ধৰ বাবে মোৰ সকলো
যুদ্ধোন্মাদ কবি— শস্যগন্ধা সপোন।

# ভিখাৰী

মানবেন্দ্ৰ শৰ্মা

গণতান্ত্ৰিক দেশত তাৰ গণতান্ত্ৰিক ব্যৱসায়
কঁলা খীন আৰু দুৰ্বল তাৰ শৰীৰ
ধৰ্ম তাৰ বাবে মাথোঁ এসাজেৰে পেট পূৰোৱাৰ উছৱ

ঘৰ বুলিবলৈ তাৰ পৃথিৱীখনেই ঘৰ
আকাশখনেই তাৰ টিনপাত অঁৰা চাঁদ
যাৰ তলত পদব্ৰজে সি হৈ উঠে কলম্বাচ অথবা হিউৱেন চাং

ক্ষুধাই তাৰ শত্ৰু— মৃত্যুৱেই তাৰ ক্ষুধাৰ অৱসান ঘটোৱাৰ চাকি
নিঃশব্দতাৰ তৰংগত উটি ভাঁহি সিও জানো নেদেখে কেতিয়াবা
মাৰ্চিডিজ অথবা ফাৰ্ষ্ট ক্লাছ এচিৰ সপোন

জৰাজীৰ্ণ তাৰ শৰীৰত সভ্য পৃথিৱীৰ বুটজোতাৰ গচক
দুৰ্গন্ধময় নলাৰ কংক্ৰিট ফুটপাথেই
তাৰ অস্তিত্বৰ অনস্তিত্ব সোঁৱৰাই থাকে— মূৰ দোঁৱাই

মই সদায় সাঁচি থওঁ
খুচুৰা পঁচিশ পঞ্চাশ অথবা এটকীয়া মুদ্ৰা!
কিজানিবা পাৰোৱেই আঁতৰাব সিহঁতৰ দুখৰ ৰাতি

মাৰ্ক্সৰ 'ডাচ্ কেপিটেল'তো সিহঁতেই আছিল নায়ক
যাৰ কপালৰ ৰেখাত সানি দিয়া হৈছিল চন্দনৰ বগা
কিহৰ বাবে সিহঁত তেন্তে— দলিত বা উপেক্ষিত

কাৰ বাবে জীয়াই থাকিব সিহঁতৰ জীৱন
আকউ এটা বগা ঘোঁৰাৰ কদমত উঠি আহিবনে
মাৰ্ক্স-হো-চি-মিন— গাই যাব জীৱনৰ গান

কোনে আহি গাব সেই আওপুৰণি গান
জীৱন মানেটো নহয় ফুটপাথ নৰ্দমা
অথবা ভোকত আচ্ছন্ন দুটুকৰা পাউৰুটি।

গল্প

# গৰা-খহনীয়া

আকাশবন্তি গগৈ



এক

ৰিক্সাৱালাজনক মানিবেগৰ পৰা দুটকীয়া নোট এখন উলিয়াই দি খৰধৰকৈ মণিমালা ৰিক্সাৰ পৰা নামি পৰিল। হাতৰ ঘড়ীটোলৈ চালে। দহ বাজি পাঁচ মিনিট। আজিও দেৰি হ'ল। কোনোবা এদিন যদি অলপ সোনকালে ওলাব পাৰিলেহেঁতেনহু ৰাতিপুৱাৰে পৰা ৰুটিনমতে কামবোৰ কৰি থাকিলেও আহিবৰ সময়ত দেৰি হ'বই। কোনোবাদিনা হয়তো অহাৰ সময়তে কোনোবা ওলাবহি— নহ'লে ছাতিটোকেই বা ৰুমালখনকেই পাহৰি আকৌ উভতি যাব লগা হয়, ৰিক্সা পোৱা-নোপোৱাৰ কথাটোতো আছেই। একো নহ'লে কেতিয়াবা আকৌ এনেয়ে দেৰি হয়, এনেয়ে, কোনো কাৰণ নোহোৱাকৈ। আগতে ঘৰত মা'কৰ লগত ক'ৰবালৈ যাব লগা হ'লে মাকে "তই ওলাচোন, মই কাপোৰখিনি সোমোৱাই লওঁ" বা "আচাৰৰ বটলকেইটা ভিতৰত থৈ লওঁ" বুলি সময় মিলাইছিল। হোষ্টেলত থাকোতেও লগৰবিলাকে "ছাতি ল'লা? পইচা আছেনে? চাবাদেইহু — আকৌ নুঘূৰিবা" বুলি সকীয়নি দিছিল। এতিয়াতো লগত কোনো নাই, মাথোঁ অভ্যাসটো থাকি গ'ল। এনেয়ে নকয় নহয়, মানুহৰ অভ্যাসবোৰ হেনো মৰিলেও লগত যায়।



প্ৰায় দৌৰা-দৌৰি কৰিয়েই তাই ডিপাৰ্টমেণ্ট পালেগৈ। সাধাৰণতে দহবজাৰ এই প্ৰথম ক্লাছটোৰ সময়ত ডিপাৰ্টমেণ্টত তেনেকৈ কোনো নাথাকে, যাৰ যাৰ ক্লাছ আছিল তেওঁলোকে চাগৈ এতিয়ামানে ক্লাছ কৰি আছে। ছেল্‌ফৰ পৰা হায়াৰ ছেকেণ্ডাৰী ছেকেণ্ড ইয়েৰৰ ৰেজিষ্টাৰখন ল'বলৈ গৈ দেখিলে হেড্ অৱ ডি ডিপাৰ্টমেণ্ট আজি অহা নাই। ৰক্ষা। দেৰি হোৱাৰ দিনা হেড ছাৰলৈ তাইৰ অলপ ভয় লাগে— মৰমিয়াল মানুহজন কিযে খঙাল হৈ উঠে কৰ্তব্যত গাফিলতি কৰা দেখিলে!

কৰিড'ৰটোৰ সিমূৰৰ সাত নম্বৰ ৰুমৰ হায়াৰ ছেকেণ্ডাৰীৰ ক্লাছটোলৈ যোৱাৰ সময়ত তাই সেই বিশেষ ৰুমটোৰ ফালে এবাৰ চাই গ'ল। ল'ৰা-ছোৱালীবোৰে ভিতৰত হৈহাল-সিফাল কৰি আছে, কাৰ জানো ক্লাছ আছিল, অহা নাই। খৰখোজেৰে গৈ থাকোতে উপৰৰাকৈ চাই গ'লেও ক্লাছটোৰ ওচৰ পালেই তাই একোবাৰকৈ কঁপি উঠে, মনটো আৰু চকুহাল চঞ্চল হৈ পৰে। বাহিৰৰ মানুহজনীৰ লগত ভিতৰৰ সত্তাটো এক কৰিবলৈ গৈ তাই বাৰে বাৰে উজুটি খাই পৰে। 'নাই, আজি নাই।' নিৰাশ চকুহালে ভিতৰৰ মানুহজনীক কৈ উঠিল। নিজকে চম্ভালি লৈ আৰু দুটা কোঠা পাৰ হৈ তাই নিৰ্দিষ্ট ক্লাছটোত সোমাই পৰিল। হায়াৰ ছেকেণ্ডাৰীত ৱৰ্ডছৱৰ্থৰ 'লুচি' কবিতাটো আজিৰ ব্যস্ত দিনটোৰ শুভাৰম্ভ।

দহ বজাৰ ক্লাছটোৰ পিছত এটা পিৰিয়ড অফ। তাৰ পিছত বিকল্প ইংৰাজীৰ এটা ক্লাছ আৰু ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰৰ মেজৰৰ ক্লাছ এটা কৰাৰ পিছত আঢ়ৈ বজাত ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰ আৰ্টছৰ জেনেৰেল ইংলিছৰ ক্লাছ। কমন ৰুমত হাঁহি-মাতি থকা, ক্লাছত সুন্দৰভাৱে পাঠদান কৰা ইংৰাজী সাহিত্যৰ প্ৰৱক্তা মণিমালা বৰুৱা এইটো ক্লাছতেই আটাইতকৈ বেছি আনমনা হৈ থাকে। ৰেজিষ্টাৰৰ নম্বৰবিলাক যন্ত্ৰৱৎ ভাবে গাই যায়, পাঠৰ কথাবোৰ পাৰ্যমানে সহজ হৈ ক'বলৈ যত্ন কৰে, মূৰ তুলি ছাত্ৰ-ছাত্ৰীবোৰলৈ চাবলৈ চেষ্টা কৰিও বাৰে বাৰে তলমূৰ হৈ পৰে। চকু তুলিলেই যেন সকলোৱে গম পাই যাব— তাইৰ মাজত কি চলি আছে! তাই ভয় কৰে; এৰা কিছুমান সঁচা কথাৰ পৰাও যে মানুহে কেনেকৈ পলায়ন কৰি ফুৰে!

ৰেজিষ্টাৰখন মেলি যেতিয়া নম্বৰবোৰ মাতি গ'ল, 'বাৰন্ন' নম্বৰটো মতাৰ সময়ত তাইৰ তেজবোৰ অলপ সময়ৰ বাবে বৈ গ'ল। মূৰ তুলি আৰু চোৱা নহ'ল। গাই গ'ল তেৰন্ন, চৌৰন্ন, ক্ৰমান্বয়ে শেষৰ নম্বৰটোলৈ। তলমূৰ চকুৰ আগত মাথোঁ ভাহি থাকিল এহাল গভীৰ চকু, এক ঋজু শৰীৰ আৰু এক চিনাকি চিনাকি কণ্ঠস্বৰ 'ইয়েছ মেডাম'।

## দুই

নম্ৰতাবৌয়ে কৈছিল, "তুমি যদি কোৱা, মই তোমাৰ ঘৰৰ লগত কথা পাতিব খোজো। জানটিকটো তুমি লগ পাইছাই, তাতে মই ভাবো তোমালোকৰ কথা-বতৰা, ভাৱ-অনুভৱবোৰৰো মিল আছে, গতিকে তোমাৰ আপত্তি নহ'লে ব'হাগতে বিয়াখন পাতিব খোজো। তাৰো বিষয়টোত আগ্ৰহ আছে। এতিয়া মাত্ৰ তোমাৰ ওপৰতে সকলো নিৰ্ভৰ কৰিছে।" তাই একো কোৱা নাছিল। জানটি অৰ্থাৎ নম্ৰতাবৌৰ ভায়েক প্ৰদ্যুতক তাই বহুতবাৰেই লগ পাইছে, কেবাবাৰো ওচৰৰ পৰাই পাইছে। বেয়া লাগিবলৈতো একো নাই বৰঞ্চ সুপুৰুষ বুলি ক'ব পৰা সকলোখিনি গুণেই প্ৰদ্যুতৰ মাজত তাই দেখিছে। অথচ......! তিনি মাহমানৰ আগতে যদি বৌয়ে এনেকৈ ক'লেহেঁতেন, তাইৰ আপত্তি কৰিবলগীয়া একো নাছিল, তেতিয়া হয়তো এটা লাজ লাজ হাঁহিৰে তাই সন্মতি জনালেহেঁতেন। কিন্তু তিনি মাহৰ ভিতৰত তাইৰ মাজত ইমান বেছি পৰিৱৰ্তন আহি গৈছে যে তাই এতিয়া তেনে কিবা সিদ্ধান্ত ল'বলৈ হ'লে নিজকে ক্ষমা কৰিব নোৱাৰিব যেন লাগে। তাই নাজানে এয়া তাই কি কৰি আছে, হয়তো এক মৰীচিকাৰ পিছে পিছে সীমাহীন জটিলতাৰ মাজলৈ ক্ৰমাৎ সোমাই গৈ আছে, নহ'লে হয়তো এক অনন্ত জ্যোতিৰ সন্ধানত কুঁৱলী ঠেলি ঠেলি সোমাই পৰিছে এক নিৰলস অন্ধকাৰত, য'ত কেৱল হেৰাই যাব পাৰি, হেৰুৱাই দিব পাৰি, একোকে ঘূৰাই পাব নোৱাৰি।

ক'ত কেনেকৈ কি হৈ আছে মণিমালাই নিজেও ধৰিব পৰা নাই। সময়বোৰ ঘূৰি ঘূৰি আহি এটা নিৰ্দিষ্ট বিন্দুত চিৰদিনৰ বাবে ৰৈ গৈছে নে নিজস্ব কক্ষপথত আকৌ ঘূৰি থাকিব; তাইৰ স্পন্দিত জীৱনটো আউলি-বাউলি কৰি ক'ৰবাত স্তব্ধ কৰি দিব নে বুকুৰ কোনেও নেদেখা অংশৰ সকলো আন্ধাৰ কাটি নি তাইক এখন উজ্জ্বল পৃথিৱীৰ সন্ধান দিব তাই নাজানে! জানিব পৰাকৈ সময়ৰ কোনো হিচাপ তাই কাহানিও কৰিব পৰা নাই। জীৱনৰ সৰু-সুৰা হিচাপবোৰ কৰোতেই তাইৰ আউল লাগে তাতে সময়ৰ হিচাপ! জীৱনটোক হাতত পায়ো তাই আজিলৈকে তাৰ ওজন ল'ব পৰা নাই, সময়ৰ দৰে বিমূৰ্ত ধাৰণাৰ হিচাপ তাই কেনেকৈ ল'ব?

সৰু চহৰখনৰ সুন্দৰ কলেজখনত তাই যেতিয়া চাকৰি পাইছিল; কোনো চিন্তা নকৰাকৈয়ে তাই গুচি আহিছিল। মাক-দেউতাকে চিন্তা কৰিছিল। কিন্তু তাই কৈছিল জীৱনটোত নিজাকৈ অলপ জীয়াই থাকিবলৈ শিকোচোন। অচিনাকি ঠাই হ'লেও কিছুদিনৰ ভিতৰতে তাইৰ এনে লাগিছিল যেন ইয়াতেই তাই বহুত দিনৰ পৰা আছে। ইয়াৰ মানুহবোৰৰ লগতেই যেন ইমানদিনে বাৰ্তালাপ কৰি আহিছে। কলেজৰ সহকৰ্মীসকলৰ লগত, ছাত্ৰ-ছাত্ৰীবোৰৰ লগত, চিনাকি দোকানকেইখন, হ'কাৰটো— সকলোবোৰৰে লগত তাই লাহে লাহে একাত্ম হৈ পৰিছিল। ভাড়া ঘৰৰ মালিক ৰূপকদা-নম্ৰতাবৌ যেন তাইৰ চিৰদিনৰ দাদা-বৌহে। তেওঁলোকৰ মনতো তাই কোনো ব্যতিক্ৰম দেখা নাছিল। মুঠৰ ওপৰত এনে লাগিছিল তাই যেন নিজৰ সেই জন্মৰ ঠাইখনতহে চাকৰি কৰি আছে। ঘৰৰ পৰা অলপ বেলেগে থাকি।

শান্তিৰে বৈ থকা নৈ এখনৰ মাজভাগতে যদি এটা বান্ধ দিয়া হয় তেন্তে নদীত ভূঁইকঁপ নুঠিবনে, অবাধ্য পানীবোৰে নকৰিবনে বিদ্ৰোহ, নখহিবনে দুপাৰৰ সেউজীয়া মাটি? মণিমালাৰ ঠিক মনত আছে সেই দিনটো যিদিনা তাইৰ জীৱনৰ নিৰবধিতো ধুমুহা আহিছিল, খহিবলৈ ধৰিছিল বহু কষ্টেৰে বান্ধি উলিওৱা সিদ্ধান্তৰ মথাউৰি। সিদিনা আছিল তিনি আগষ্ট। ডিগ্ৰী আৰু হায়াৰ ছেকেণ্ডাৰীৰ নতুন ক্লাছবোৰ আৰম্ভ হোৱাৰ লগে লগে কলেজত ভিৰৰ মাত্ৰা বাঢ়িছিল। আন বহুদিনৰ দৰে সিদিনাও তাইৰ অলপ দেৰি হৈছিল। ভিৰৰ মাজে মাজে খৰধৰকৈ তাই আগবাঢ়িছিল ডিপাৰ্টমেণ্টৰ ফালে। কিন্তু হঠাৎ চকুৰ আগত এখন মুখ দেখি তাই ক'ব নোৱাৰাকৈয়ে ৰৈ গৈছিল। শৰীৰৰ সকলো অংগ-প্ৰত্যংগ শিথিল হৈ গৈছিল, চকু দুটাই ক'তো খোপনি পুতিব নোৱাৰি অৱশ হৈ পৰিছিল। গাৰ সকলোবোৰ তেজ যেন উঠি গৈছিল মূৰৰ ওপৰলৈ আৰু সমগ্ৰ শৰীৰজুৰি বৈ পৰিছিল এক হিমশীতল শিহৰণ। মাথোন এক লহমা, তাৰ পিচত পুনৰ ভিৰৰ মাজত হেৰাই গ'ল সেই মুখ!

কোনোমতে তাই ডিপাৰ্টমেণ্ট পালেগৈ। এটা এটাকৈ তিনিটা

ক্লাছ একেলগে কৰিলে। কি পঢ়ালে তাই নাজানিলে। কৌট্‌ছৰ সলনি যদি এলিয়ট পঢ়াই আছিল তাকো ধৰিব নোৱাৰিলে। কমনৰুমত আনদিনাৰ দৰেই সৰল আড্ডা জমি উঠিছিল, তাই একোতে ভাগ নল'লে। ল'ব নোৱাৰিলে। নিৰ্দিষ্ট ক্লাছকেইটা শেষ হোৱাৰ পিচত 'গাটো ভাল নাই, যাওঁগৈ', জাতীয় অজুহাত দেখুৱাই আঁতৰি আহিল সকলোৰে পৰা। তাইক এতিয়া কিছুমান নিজস্ব সময় লাগে। ৰিক্সাত গাটো এৰি দি দীঘল দীঘলকৈ উশাহ কেইটামান ল'লে। হয়, তাই জীয়াই আছে এতিয়াও। ইমান দেৰি তাই উশাহ নোলোৱাকৈয়ে আছিলনে? এখন হাতেৰে ৰিক্সাৰ হেণ্ডেলডাল খামুচি ধৰিলে। হয়, হয়, তাইৰ ভৰিকেইটাও কঁপিছে। তাই বাৰু সঁচাকৈয়ে খোপনি হেৰুৱাই দিব নেকি?

বিছনাত কিমান দেৰি পৰি আছিল তাই ক'ব নোৱাৰে। এটা সময়ত তাই উঠি আহিল আৰু বাকচ এটা খুলি কলেজৰ দিনৰে পৰা সাবটি লৈ ফুৰা ডায়েৰীকেইখন উলিয়াই ল'লে। তাইৰ ঠিক মনত আছে সেইদিনা তাই একো খোৱা নাছিল। আচলতে ভোক আৰু টোপনি কোনোটোৱেই সিদিনা তাইক অকণো আমনি কৰা নাছিল।

পিছৰ দুটা দিন ঠিকেই পাৰ হৈ গ'ল। পাঁচ নম্বৰৰ ৰুমটো, যাৰ সন্মুখত তাই সেই মুখখন দেখিছিল তাত তাই আশা কৰাৰ নিচিনাকৈ কোনো নাছিল, কিন্তু অকাৰণতে নিজৰ মাজতে তাই একোবাৰকৈ ঘামি উঠিছিল। কোনোবাই বাৰু চাই আছে নেকি তাইক??

বৃহস্পতিবাৰে আঢ়ৈ বজাত তাইৰ এটা ক্লাছ থাকে ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰৰ আৰ্টছৰ জেনেৰেল ইংলিছৰ। দুদিন চম্ভালি স্থিৰ কৰি লোৱা মনটোৰে তাই যেতিয়া নিৰ্দিষ্ট ক্লাছটোৰ দুৱাৰমুখ পাইছিলহি, পুনৰবাৰ কঁপি উঠিছিল তাই। সেই ল'ৰাটো, সেই মুখৰ অধিকাৰী ল'ৰাটো ক্লাছটোৰ প্ৰথম বেঞ্চতে বহি আছে। তাই এতিয়া কেনেকৈ পঢ়াব? কেনেকৈ তাৰ আগত থিয় দিব? তাই যে ইতিমধ্যেই জুৰুলি-জুপুৰি হ'বলৈ আৰম্ভ কৰিছে। উপস্থিতিৰ হিচাপ লোৱাৰ পিছত অভাৱনীয়ভাৱেই তাই কোনোদিনে নকৰা কাম এটা কৰি পেলালে। ৰেজিষ্টাৰবুকখন হাতত লৈ কালৈকো নোচোৱাকৈ তাই কৈ পেলালে 'I'm sorry that I cannot take your class, I'm not feeling well.' মূৰ তুলি তাই যে চাব নোৱাৰে, সেইযোৰ চকুত যে তাই চকু থ'ব নোৱাৰে!

টেপ ৰেকৰ্ডাৰৰ ৰিৱাইণ্ড বুটাম টিপি দিয়াৰ নিচিনাকৈ সিদিনা ৰাতি তাই তাইৰ এৰি অহা জীৱনটোক পুনৰ হাতত লৈ নিৰিখি চাব খুজিলে। সেই কলেজীয়া দিনবোৰ, ব্যস্ততাভৰা খোজবোৰ, ক্লাছৰ ফাঁকে ফাঁকে কেণ্টিন-লাইব্ৰেৰীৰ সময়বোৰ, ছুড্‌মাৰ্চন হল, কে বি আৰৰ সম্ভাৱনাময়ী মুহূৰ্তবোৰ, মৃদু, পংকজ, সুভাষ, ৰাস্নাহঁতৰ খোজৰ শব্দবোৰ....! আৰু সেই দীপ্ত কণ্ঠস্বৰ, সেই অকাট্য বলিষ্ঠ যুক্তিবোৰ, যাৰ প্ৰতিটো শব্দৰ উচ্চাৰণতে তাইৰ সমাজৰ সকলো অনীতি-অবিচাৰ এটা এটাকৈ চূৰ্ণমৈ হ'ব যেন বোধ হৈছিল, সেই সুন্দৰ, সুগভীৰ চকু....! এটা পুৰণি চিৰসেউজ গীতৰ কলিৰ দৰে তাইৰ এতিয়াও স্পষ্ট মনত আছে; 'জীৱনটোনো কিমান দীঘল? যিকেইদিন জীয়াই থাকো একো একোটা পণ লওঁ আহা, মণিমালাই কবিতা লেখিব, মৃদুয়ে গান গাওক, পংকজে ছবি আঁকক, ৰাস্না, বিদ্যুৎ, সুভাষহঁতে নাটক কৰক আৰু মই মানুহৰ মাজে মাজে সোমাই আমাৰ সকলোৰে মনৰ কথাবোৰ বুজাবলৈ যত্ন কৰিম। আমি যি যুৱশক্তিৰ প্ৰতিনিধিত্ব কৰিছো তাক গঠনমূলক কাৰ্যত প্ৰয়োগ কৰিব লাগিব। উচ্ছৃংখল যুৱশক্তিক সৃজনীশীল কাৰ্যত প্ৰয়োগ কৰি আমিয়েই যদি সমাজৰ অন্যায়-অনীতি আঁতৰ কৰিব নোৱাৰো, তেন্তে কৰিব কোনে?'

বহুদিন পাৰ হৈ গ'ল। বিপ্লৱ, সুভাষক তাৰ পিছত আৰু এবছৰ লগ পালে, মৃদু, স্বপ্নালীহঁতক তিনি বছৰ আৰু এম এ ফাইনেল দি ঘৰলৈ গুচি অহাৰ পিছত এই দুবছৰ তাই কাকো লগ পোৱা নাই। মাজে মাজে দুই-এখন চিঠি, এটা বা দুটা ফোন: তাই জানে মনত ৰাখিলেও কোনেও কাকো মন গ'লেই লগ পাব নোৱাৰে। সময়বোৰ যিমানেই পাৰ হৈ গৈ আছে জীৱনবোৰো সিমানেই ব্যস্ত হৈ গৈ আছে; কাৰো কাৰোৰে বাবে ৰ'বলৈ অকণো সময় নাই.

মাজে মাজে আক্ষেপ হয় মণিমালাৰ। তাই ভুল কৰিলে নে দেৰি কৰিলে? না, না, তাই ভুলেই কৰিলে। আজি পাঁচটা বছৰে তাই কিছুমান একান্ত মুহূৰ্তত নিজকে প্ৰবোধ দিছে, ভুল মানুহে কৰেই কিন্তু নিজৰ এটা ভুলৰ বাবে আন বহুজনক দুখ দিয়াটো অন্যায়। তাইতো অন্যায় কৰিব নিবিচাৰে কাৰো প্ৰতি। 'অন্যায়' শব্দটো সি বৰ ঘিণ কৰিছিল।

..... সেই দিনটোৰ পিছত আৰু বহুদিন মণিমালাই ডিগ্ৰী ফাৰ্ষ্ট ইয়েৰত ক্লাছ লৈছে। কিন্তু কোনোদিনেই তাই সহজ হ'ব পৰা নাই প্ৰথম বেঞ্চত বহা সেই ল'ৰাটোৰে যেতিয়া তাইক কিবা সুধিবলৈ থিয় হয় তাইৰ এনে লাগে সি যেন এম.চি.বি. তৰ্ক প্ৰতিযোগিতাত বক্তৃতা দিবলৈ থিয় হৈছে। তাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ তাই যেন বাৰে বাৰে ক'ব খোজে 'তুমি জানি-শুনি মোক কিয় কষ্ট দিছা? মোৰ ওচৰত কোনো কৈফিয়ৎ নাই তোমাক দিব পৰাকৈ।'

কে'বাদিনো যত্ন কৰি কৰি অৱশেষত এশ পঞ্চাছ জন ল'ৰা-ছোৱালীৰ মাজৰ পৰা ল'ৰাটোৰ নাম আৰু ৰোল নম্বৰ বিচাৰি উলিয়াইছিল— 'তন্ময় হাজৰিকা'। তাই যেন কিবা এটা বুজি পাইছিল, বহুত কিবা বুজি পাইছিল। কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা'ৰ নায়কজনৰ নিচিনাকৈ তায়ো যেন সপোনৰ ছায়া-মায়াৰ মাজেৰে আহি উপস্থিত হৈছেহি হেৰুৱা সপোন ঘাটত। এৰা, কিছুমান মানুহৰ বাহ্যিক ঠিকনা নাথাকে, কিছুমান ঠাইৰ নিৰ্দিষ্ট সীমা, বুকুৰ মাজতেই অনুৰণিত হয় সিবিলাকৰ আলসুৱা স্মৃতি। মণিমালাই সিদিনা বুজি পাইছিল কিয় এই ঠাইখন ইমান বেছি পৰিচিত যেন লাগিছিল। তাইৰ ছাব্বিশ বছৰীয়া মনটো যোল্ল বছৰীয়া ন-গাভৰুৰ মন এটা হৈ নাচি উঠিছিল। সময়ে আনি ক'ত তাইক এৰিছেহি নে নিজেই আগুৱাবলৈ পাহৰি ক'ব নোৱাৰাকৈ পিছুৱাই আহিছে?

সেইদিনা নিশা ডায়েৰী লেখিবলৈ লৈ তাই একোৱেই লেখিব নোৱাৰিলে। বুকুৰ বহু তলিত আলফুলে লুকুৱাই ৰখা ছবিখন উলিয়াই তাই মাথোঁ চকু মুদি ধ্যান কৰিছিল। সম্বন্ধবোৰ ব্যক্তি নিৰপেক্ষ নহয়। কোনো বিশেষজনে মনৰ মাজত যি তৰংগৰ সৃষ্টি কৰিব পাৰে আন এজনে নোৱাৰে। লাগিলে সি স্বইচ্ছাৰে কৰাই হওক অথবা নিজৰ অজ্ঞাতে কৰাই হওক।

পিচদিনা নম্ৰতাবৌৰ লগত থকা পিকনিকৰ প্ৰগ্ৰেমটো তাই কেনচেল কৰি দিছিল। অৱশ্যে কেনচেল নম্ৰতাবৌৰ বাবে নহয়, বৌৰ ভায়েক প্ৰদ্যুতৰ বাবেহে। মণিমালাই জানে প্ৰদ্যুতৰ তাইৰ প্ৰতি দুৰ্বলতা আছে, বৌয়েও বহু যত্ন কৰিছে— সিহঁতৰ মাজত এটা সম্বন্ধ গঢ়ি তুলিবলৈ। লাহে লাহে তায়ো বুজিছিল জীৱনৰ লগত অবৃণমান কম্প্ৰমাইজৰ প্ৰয়োজন আছে। য'ত বহুজন সুখী হয় তাত



তায়ো সুখী হ'বলৈ যত্ন কৰিব। কিন্তু তন্ময়ৰ আৱিৰ্ভাৱে তাইক কোঙা কৰি পেলালে। নাই, নাই, তাই প্ৰদ্যুতৰ লগত বিয়া হ'ব নোৱাৰে। যিখন নগৰত তাইৰ প্ৰেম আছে; সেইখনত তাই কম্প্ৰমাইজৰ জীৱন নিয়াব নোৱাৰে। তাই যদি ঘূৰাই পালেহেঁতেন তাইৰ একান্ত প্ৰেম? সি বাৰু সঁচাকৈয়ে আছেনে ইয়াতে? তাইতো তাৰ ঠিকনা নাজানিছিল। সি বাৰু জানিছিলনে তাইৰ বিষয়ে? বাহ্যিক ঠিকনাত আস্থা নাছিল আৰু কৈছিল 'আমাৰ কাৰ্যপন্থাই আমাৰ ঠিকনা হ'ব। মোক মোৰ কামৰ মাজত বিচাৰি পাবা, যেনেকৈ মই পাম তোমালোকক তোমালোকৰ কাৰ্যৰ মাজত।' সি বাৰু এতিয়া ক'ত আছে? এৰা-- এৰিৰ পাঁচ বছৰত সি বাৰু জানিছেনে, কেনে আছে তাই? তাইৰ কবিতা পঢ়িছেনে? জনতাৰ মাজে মাজে ন্যায় আৰু মুক্তিৰ প্ৰচাৰ কৰিবলৈ গৈ সি বাৰু হেৰুৱাই পেলাব নেকি সিহঁতৰ অন্তৰৰ ঠিকনা?

নম্ৰতাবৌক এদিন তাই কৈ পেলাইছিল, তাই প্ৰদ্যুতৰ লগত বিয়া হ'ব নোৱাৰে, প্ৰদ্যুতক বেয়া লাগে বাবে নহয়, তাইৰ নিজা কিছুমান সমস্যাৰ বাবেহে। কোৱা নাছিল তাই যে কাৰোবাৰ সন্ধানত আছে। সকলোকে সকলো কথা কোৱা নাযায়। তাই ভাবিছিল হঠাৎ যদি পাই যায় তাঁক তাই বাৰু আগবঢ়াই দিব পাৰিবনে এখন হাত, 'মোক তোমাক কৰ্মময় জীৱনৰ সংগী কৰি লোৱা।' যি কথা তাই তেতিয়াই ক'ব নোৱাৰিলে পাৰিবনে ক'ব এতিয়া সেই কথা? কিয় বাৰু ল'ব নোৱাৰিলে তাই তাকো সুভাৱ, বিপ্লৱহঁতৰ নিচিনাকৈ? সি বাৰু এতিয়া ক'ত আছে? সুধিব নেকি তন্ময়ক এবাৰ? সিহঁত দুটা যে ইমান একে!!

তিনি

প্ৰত্যেক বস্তুৰে, প্ৰত্যেক কামৰে একো একোটা সময় থাকে। সময়ৰ আৰোপিত সীমা পাৰ হৈ যোৱাৰ লগে লগে সংলগ্ন বিষয়বস্তুৰে ইয়াৰ ফলপ্ৰসূতা হেৰুৱাই পেলায়। আপেক্ষিকতাত বিষয়টোৰ গুৰুত্ব বা মূল্য যিমানেই বৃদ্ধি নহওক কিয় শৃংখলাবদ্ধ কিছুমান আনলজিকেল অনুমানৰ অভিপ্ৰেত সম্বন্ধটো যিয়েই নহওক মণিমালাই কিন্তু তন্ময়ৰ কাষ চাপিব নোৱাৰিলে, সুধিব নোৱাৰিলে তাৰ বিষয়ে, তাৰ ঘৰৰ বিষয়ে।

পুৱাৰ বাতৰি কাকততেই খবৰটো তাই পাইছিল। ডাঙৰ ডাঙৰ হৰফেৰেই লেখা আছিল, 'বিদ্ৰোহী নেতা জাগ্ৰত ডেকা ওৰফে মৃন্ময় হাজৰিকাৰ মৃত্যু।' আৰু লগতে তাইৰ হৃদয়খনতকৈ বেছি ক্ষত-বিক্ষত সেনা-বাহিনীৰ গুলীত বিধ্বস্ত দেহৰ এখন ফটো।

মণিমালাই আৰু একো পঢ়িব নোৱাৰিলে। তাইৰ চকুৰ আগৰপৰা জোনাকী পৰুৱা হৈ হৈ পোহৰবোৰ যেন হেৰাই যাবলৈ ধৰিছে। বুকুৰ ভিতৰৰ পৰা চেপা উচুপনি এটাই আহি ডিঙিত খুন্দা মাৰি ধৰিলেহি। তাই চিঞৰি দিব খুজিও নোৱাৰিলে। কিমান দিনৰ মূৰত যে তাই চকুৰ আগত এচেৰেঙা ৰ'দ দেখিছিল, কিমান হেঁপাহেৰে যে তাই সেই জোনাক এমুঠি কোনেও নেদেখাকৈ আলফুলে লুকুৱাই ৰাখিব খুজিছিল! কিন্তু তাই ক'ব নোৱাৰাকৈ কেতিয়া যে আঙুলিৰ ফাঁকে ফাঁকে হেৰাই গ'ল সেই জোনাক তাই গমেই নাপালে। যেতিয়া হাতৰ মুঠি খুলিলে দেখিলে সকলো উদং। আঁজলি পাতি এতিয়া মাথোঁ শূন্যতা, এক অনন্ত শূন্যতা। এক পৰাপাৰহীন সমুদ্ৰৰ বুকুত তাই যেন এই মাত্ৰ, এই মাত্ৰকতে হেৰুৱাই পেলালে জীৱনৰ ঠিকনা। তাই এতিয়া ক'লৈ যাব, কি কৰিব? মৃন্ময়.... মৃন্ময়.... মৃন্ময়???

দুদিন পিছত যেতিয়া তাই কলেজলৈ গ'ল পাঁচ নম্বৰৰ ৰুমটোৰ আগত তাই কঁপি উঠা নাছিল। উৎসুক হৈ ভিতৰলৈ চাইছিল। সি নাছিল। তাৰ পিছদিনাও নাছিল। মণিমালা অধৈৰ্য হৈ উঠিছিল। তাক যে তাইৰ বহু কথাই সুধিবলগীয়া আছে। তাৰো পিছদিনা যেতিয়া আঢ়ৈ বজাৰ ক্লাছটো কৰিবলৈ গৈছিল কোনোবাই ফুচফুচাই কোৱা শুনা পালে 'তন্ময়ৰ দাদাকক আৰ্মিয়ে মাৰিলে নহয়!' প্ৰথমবাৰৰ বাবে স্বইচ্ছাৰে তাই প্ৰথম বেঞ্চৰ ফালে চালে। খালী ঠাইডোখৰত যেন লাগি আছিল কৰাল বন্ধা তেজ!

সেইদিনা কলেজৰ পৰা ঘূৰি আহি তাই বহুত কামেই কৰি পেলালে। ৰূপকদা-নম্ৰতাবৌক মাত লগাই আহিল। কণমানি পিংকিজনীক চুমাৰে ওপচাই পেলালে। কলেজৰ প্ৰিন্সিপাললৈ এখন দৰ্খাস্ত আৰু ডায়েৰীত এটা অকবিতা—

'তোমাৰ পলসুৱা স্মৃতিয়েই টোওৱা
উপত্যকাত
মই
উদঙীয়া সুৰৰ বীজ সিঁচিব নোৱাৰো
মোক ক্ষমা কৰা।'

তাৰ পিছত তাই ওলাই আহিল। এটা ফোন কৰিব ঘৰলৈ, 'মা মই ইয়াৰ পৰা একেবাৰে যাবলৈ ওলাইছো।' ■

আলোকপাত

# 'নিঃসংগতাৰ ত্ৰিলজী'ৰ স্ৰষ্টা ফ্ৰান্‌ৎস কাফ্‌কা ঃ

# জীৱন, সাহিত্য আৰু কৃতি

**ৰিপুঞ্জয় কুমাৰ দাস**



নিজস্ব কৃতী আৰু স্ব মহিমাৰে ভাস্বৰ বিংশ শতাব্দীৰ সাহিত্য জগতৰ উপন্যাসৰ ধাৰাটো স্বৰূপার্থতে বিচিত্ৰতাৰে পৰিপূৰ্ণ তথা সমৃদ্ধিশালী। গতানুগতিকতাৰ আবেষ্টনীৰ পৰা ওলাই আহি সংশয় আৰু অনিশ্চয়তাৰ মেৰপাক ভাঙি জীৱনক নতুন দৃষ্টিৰে চোৱাৰ প্ৰয়াসেৰে অগ্ৰসৰ হোৱা এই ধাৰাটোত যিসকল আধুনিক লেখকে অহৰহ প্ৰচেষ্টা চলাই কৃতকাৰ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে, সেইসকলৰ ভিতৰত ফ্ৰান্‌ৎস কাফ্‌কাৰ নাম অনস্বীকাৰ্যভাৱে উল্লেখযোগ্য। বৰ্তমান বিশ্ব-সাহিত্যৰ জগতখনত ফ্ৰান্‌ৎস কাফ্‌কা এটি বহুচৰ্চিত আৰু বহু বিতৰ্কিত নাম।

কুৰি শতিকাৰ মানুহৰ চিন্তাধাৰাত শিপোৱা পৃথিৱীৰ ভয়াৱহতাৰ, সম্ভাৱনাহীনতা, জীৱনৰ অৰ্থহীনতা-নৈতিকতাবিহীন ক্ষয়িষ্ণু সমাজৰ এক স্থিৰ চিত্ৰ প্ৰতিফলিত হৈছে তেওঁৰ সৃষ্টিকৰ্মৰ মাজেদি। নিসংগতা আৰু বিচ্ছিন্নতাকে সাহিত্যৰ মূল উপজীব্য হিচাপে গ্ৰহণ কৰা সাহিত্য কৃতিৰ মূল্যায়ন কৰিবলৈ হ'লে আমি তেওঁৰ জীৱন আৰু তাৰ লগত সংলগ্ন পাৰিপাৰ্শ্বিক দিশবোৰ উপলব্ধি কৰিব লাগিব। ওঠৰশ তিৰাশী চনৰ তিনি জুলাইৰ দিনা জাৰ্মানীৰ ঐতিহাসিক প্ৰাগ্ চহৰত জন্ম গ্ৰহণ কৰা ফ্ৰান্‌ৎস কাফ্‌কা সৰুৰে -পৰাই আছিল মানসিকভাৱে দুৰ্বল আৰু ভগ্ন স্বাস্থ্যৰ। দেউতাক হাৰমেন কাফ্‌কা আছিল এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। আনহাতে মাক জুলীয়া আছিল সাংস্কৃতিকভাৱে আঢ্যৱন্ত এক ইহুদী পৰিয়ালৰ জীয়াৰী। দেউতাকৰ ব্যক্তিত্ব আৰু অনুশাসনে সৰুৰে পৰাই কাফ্‌কাৰ মনত যি এক বিজতৰীয়া ভয়ৰ সৃষ্টি কৰিছিল, তাৰেই ফলশ্ৰুতিত তেওঁৰ পৰৱৰ্তী জীৱনত হৈ পৰিছিল নিসংগতাপ্ৰিয় আৰু বিচ্ছিন্নতাবাদী। তেওঁৰ পেশীবহুল শৰীৰ, কৰ্মদক্ষতা, গলগলীয়া কণ্ঠস্বৰ, বাক্‌পটুতা, সাংসাৰিক সফলতাই কাফ্‌কাৰ সংবেদী মনত সৃষ্টি কৰিছিল হীনমন্যতা, হতাশ, ঈৰ্ষা আৰু ভক্তিৰ এক অদ্ভুত তথা সংমিশ্ৰিত ভাৱনা। ব্যৱসায়ৰ কামত মাক-দেউতাকৰ অত্যধিক

*সকলো ব্যাখ্যা আৰু বিশ্লেষণৰ অন্তত এটা কথা স্পষ্ট হৈ পৰে যে কাফ্‌কাৰ অভূতপূৰ্ব ৰচনা-শৈলীয়ে আছিল তেওঁৰ জনপ্ৰিয়তাৰ অন্যতম কাৰণ। তেওঁৰ ৰচনা আন হেজাৰ-বিজাৰ ৰচনাৰ দৰে নহয় যে পাঠকে এবাৰ পঢ়িয়ে তাৰ মৰ্মাৰ্থ উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব। এবাৰ পঢ়াৰ অন্তত পুনৰবাৰ পঢ়িবলৈ বাধ্য কৰায়। প্ৰতিবাৰ পাঠৰ অন্তত পাঠকে ন ন চিন্তাৰ খোৰাক লাভ কৰে আৰু মনত এক নিৰ্মাণ প্ৰক্ৰিয়াৰ আৰম্ভ ঘটে। ইয়ে লেখক হিচাপে কাফ্‌কাৰ শ্ৰেষ্ঠ মৌলিক কৃতিত্ব।*

ব্যস্ততা আৰু ভনীয়েক তিনিজনীৰ লগত থকা বয়সৰ অপৰিমেয় ব্যৱধানৰ বাবেই কিজানি এখন ভৰপূৰ সংসাৰৰ মাজতো কাফ্‌কা হৈ পৰিছিল অতি অকলশৰীয়া। অতি আশ্চৰ্যজনকভাৱে কাফ্‌কাক সংগদান কৰা মানুহ আছিল পৰিচাৰিকা, ৰান্ধনী তথা বনকৰা মানুহবোৰ। ইয়াৰ উপৰি জন্মসূত্ৰে কাফ্‌কা আছিল ইহুদী আৰু তেওঁলোকৰ পৰিয়ালৰ ঠালটো প্ৰাগ্ চহৰত সংখ্যালঘু বা বিচ্ছিন্ন হিচাপেহে পৰিগণিত হৈছিল। এনে এক চেপা শ্বাসৰুদ্ধ পৰিবেশত শৈশৱ যাপিত হোৱা ফ্ৰানৎস কাফ্‌কাৰ মনত সৰু কালতেই বিচ্ছিন্নতাৰ বীজ ৰোপিত হৈছিল আৰু এই অনুভূতিবোৰে তেওঁৰ মনোজগত গভীৰভাৱে আত্মমগ্ন কৰি ৰাখিছিল। জীৱনৰ আৰম্ভণিৰ পৰাই কাফ্‌কা আছিল নিসংগ পথিক। প্ৰাগত অৱস্থিত এখন জাৰ্মান স্কুলত শিক্ষা আৰম্ভ কৰা তীক্ষ্ণ মেধাসম্পন্ন ছাত্ৰ কাফ্‌কাই জাৰ্মান জিমনেছিয়ামৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত মাক-দেউতাকৰ আগ্ৰহৰ আতিশয্যত নিজৰ ইচ্ছাৰ বিৰুদ্ধে কিছুদিন চিকিৎসাশাস্ত্ৰ অধ্যয়ন কৰে। কিন্তু আইনজ্ঞ হ'লেহে সাহিত্য সৃষ্টিত যথেষ্ট অৱকাশ পোৱা যাব বুলি উপলব্ধি কৰি চিকিৎসাবিদ্যাৰ অধ্যয়ন সিমানতে এৰি কাৰ্ল ফাৰ্নিনান্দ বিশ্ববিদ্যালয়ত ভৰ্তি হৈ তাৰ পৰা আইন বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে।

উনৈশ শ সাত চনৰ আগৰ পৰাই কাফ্‌কাৰ সাহিত্য প্ৰতিভাৰ উন্মেষ ঘটে। এই সময়ছোৱাত তেওঁ দুখন দীৰ্ঘ ৰচনাৰ সমাপ্ত কৰে। তাৰ ভিতৰত 'Description of a Struggle' উল্লেখযোগ্য। এইইখনিতে উল্লেখনীয় যে কাফ্‌কাৰ ঘৰখন সাহিত্য চৰ্চাৰ কেন্দ্ৰ হিচাপে মুঠেই উপযুক্ত নাছিল। এখন উষ্ণ আন্তৰিকতা তথা সৌহাৰ্দ্যপূৰ্ণ ঘৰৰ সন্ধানত সন্ধানৰত কাফ্‌কাই কিন্তু বাস্তৱক্ষেত্ৰত পাইছিল মাত্ৰ দেউতাকৰ কিছু অনুশাসনমূলক প্ৰাচীন মনোভাৱ। বাহিৰৰ হাই-উৰুমি, কোলাহল আদি কাফ্‌কাই মুঠেই পছন্দ নকৰিছিল আৰু নিজৰ মাজত আবদ্ধ হৈ এক অনাবিল সুখৰ সন্ধান কৰিছিল। কিন্তু পৰিয়ালৰ নৈতিক ৰক্ষণশীল কঠোৰতাই তেওঁৰ কল্পনাৰ ইউটোপিয়া অস্তিত্বহীন কৰি তুলিছিল। কাফ্‌কাৰ সাহিত্য প্ৰতিভাৰ মূল্য তেওঁলোকৰ ওচৰত নাছিল। মাজৰাতিলৈ সাহিত্য চৰ্চা কৰি স্বাস্থ্য অৱনতি ঘটোৱা কামটো তেওঁলোকে মুঠেই সহজভাৱে ল'ব পৰা নাছিল। ঘৰৰ চাৰিবেৰৰ বাধ্যবাধকতাই কাফ্‌কাৰ সংবেদী মনত গভীৰ আঘাত হানে আৰু আইনৰ পৰামৰ্শদাতা হিচাপে চৰকাৰী চাকৰিত যোগদান কৰাটোৱে সুবিধাজনক হিচাপে ভাবিলে। কিন্তু দিনটো অফিচৰ কামৰ ব্যস্ততা আৰু নিশা লেখা-মেলাৰ পৰিশ্ৰম— দুয়োটাৰ মাজত সমতা ৰক্ষা কৰি জীৱন আগবঢ়াই নিয়া তেওঁৰ পক্ষে অসম্ভৱ হৈ পৰিল। অথচ ধনকুবেৰ দেউতাকে ইচ্ছা কৰা হ'লে কাফ্‌কাক অফিচৰ কামৰ পৰা মুক্তি দি সাহিত্য চৰ্চা কৰাৰ পথ সুচল কৰি দিব পাৰিলেহেঁতেন। কিন্তু যাৰ ওচৰত সাহিত্যৰ কোনো মূল্যই নাই তেওঁৰ পৰা এনেকুৱা আশা কৰাটো পৰ্বতত কাছ কণী বিচৰাৰ বাহিৰে একো নহয়। এনেকৈয়ে অৱধাৰিত হ'ল কাফ্‌কাৰ জীৱনৰ গতি। নিষ্ঠুৰ আৰু নগ্ন বাস্তৱত নিঃশোষিত হৈ তেওঁ আঁকোৱালি ল'লে নিসংগতা তথা বিচ্ছিন্নতাৰে পৰিপূৰ্ণ এক কৰুণ তথা দুঃসহ জীৱন। উল্লেখযোগ্য যে ইমানখিনি প্ৰতিবন্ধকতাৰ মাজতো নিজৰ অসফলতা আৰু দুৰ্বলতাৰ আসোঁৱাহ দূৰ কৰিবলৈ তেওঁ যত্নৰ ত্ৰুটি কৰা নাছিল। কিন্তু এনেদৰে চেষ্টা কৰাৰ ফলত তেওঁ হৈ পৰিছিল আগতকৈ ক্ৰমাৎ অধিক বিচ্ছিন্ন।

কাৰোবাৰ লগত কথা পাতিলেই তেওঁৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম ঘটিছিল, মৃতত অসহ্য বিষ অনুভৱ কৰিছিল। কোনো পৰিস্থিতিতে জীণ যাব নোৱাৰাৰ ফলত বাহ্যিক জগতখন তেওঁৰ বাবে হৈ পৰিছিল অপ্ৰতিৰোধ সংশয়যুক্ত আৰু ভয়াৱহ। অথচ এই অনুভৱেই তেওঁক উপহাৰ দিছিল বিশ্ববিখ্যাত কালজয়ী সাহিত্যৰ অনবদ্য সংকলন। বিংশ শতিকাৰ মানুহৰ নিসংগতাৰ যন্ত্ৰণা, নৈৰাশ্যৰ ক্লান্তি, অপ্ৰাপ্তিৰ হুমুনিয়াহ, শূন্যতা, বিষণ্ণতাৰ যথাযথ প্ৰতিফলন ঘটাই তেওঁ হৈ পৰিল যুগৰ প্ৰতিফলক, the man of his age. বিখ্যাত কবি আভনৰ ভাষাত— "Had one to name the author who come closert to bearing the some kind of relation to our age as pante. Shakespere and Goethe bore to theirs, Kafka is the first one would think of."

উনৈশ শ বাৰ চন। কাফ্‌কাৰ জীৱনৰ এক উল্লেখযোগ্য বছৰ। এই বছৰৰ আগষ্ট মাহত তেওঁৰ লেখক বন্ধু মেক্স ব্ৰডৰ ঘৰত প্ৰথমবাৰৰ বাবে জাৰ্মান ৰমণী ফেলিছ বেয়াৰৰ সান্নিধ্যলৈ আহে আৰু এই সম্বন্ধ লাহে লাহে গাঢ় হৈ প্ৰেমৰ ৰূপ পৰিগ্ৰহণ কৰে। ফেলিছৰ প্ৰেম আৰু সান্নিধ্যই কাফ্‌কাৰ জীৱনত নতুন ৰং ছটিয়ালে। ফেলিছ-কাফ্‌কাৰ প্ৰেম সাহিত্য জগতৰ এটা চিৰস্মৰণীয় ঘটনা। নবেল বঁটা বিজয়ী লেখক ইলিয়াছ কানেত্তিৰ 'Kafka's Other Trial' নামৰ এটি সুদীৰ্ঘ ৰচনাত এই প্ৰেমে কাফ্‌কাৰ সাহিত্যিক জীৱনক কেনেদৰে প্ৰভাৱিত কৰিছে তাৰ সুন্দৰ বৰ্ণনা দিছে। ফেলিছলৈ প্ৰথমখন চিঠি পঠিওৱাৰ দুদিন পাছত তেওঁ মাথোঁ এৰাতিৰ ভিতৰতে তেওঁ 'The Judgement' গল্পটো লিখি উলিয়ায়। ইয়াৰ এমাহৰ পাছতে 'Amerika' উপন্যাসৰ প্ৰথম অধ্যায় আৰু দুমাহৰ ভিতৰত বাকী পাঁচটা, মুঠ ছটা অধ্যায় লিখি শেষ কৰে। এই উপন্যাস সমাপ্ত কৰি কাফ্‌কাই তেওঁ সাহিত্যিক জীৱনৰ সৰ্বশ্ৰেষ্ঠ কৃতি কালজয়ী গল্প 'The Metamorphosis' লিখি উলিয়ায়। ফেলিছৰ প্ৰেমেৰে আৱৰ্তিত সময়খিনি কাফ্‌কাৰ কাৰণে আছিল অতি উল্লেখযোগ্য— যিখিনি সময়ত তেওঁ সম্পূৰ্ণভাৱে পৰিপূৰ্ণ আছিল তেওঁৰ স্বকীয় সৃজনশীলতাৰে। প্ৰকৃত প্ৰেমৰ সৃষ্টিশীলতাৰ কথা আমাক আকৌ এবাৰ থাউকতে মনত পেলাই দিয়ে কাফ্‌কা আৰু ফেলিচৰ প্ৰেম কাহিনীয়ে। সি যি কি নহওক তেওঁলোকৰ প্ৰেমে স্থায়িত্ব লাভ কৰিব নোৱাৰিলে। যুগ্ম জীৱ ৰ জটিলতাৰ প্ৰশ্নবোৰে তেওঁক আৰম্ভণিৰ প ্ৰাই ভীতি-বিহ্বল কৰি তুলিছিল। তেওঁৰ স্ব-নিৰ্বাচিত নিৰ্বাসনৰ নিৰ্জনতাক যদি বৈবাহিক জীৱনৰ স্বাভাৱিক কোলাহলে খেদি পঠিয়ায়। তেতিয়া সাহিত্য সাধনাৰ অভিযানবোৰ স্তব্ধ হৈ যাব বুলি তেওঁ শংকিত অনুভৱ কৰিছিল। সাহিত্য সাধনাক একাষৰীয়া কৰি থৈ তেওঁ জীয়াই থাকিব নোৱাৰে, ইয়ে হ'ল তেওঁৰ জীৱনৰ একমাত্ৰ মন্ত্ৰ, ইয়াৰ বাবে তেওঁ আনকি বাহ্যিক পৃথিৱীখনৰ লগত সম্বন্ধ ত্যাগ কৰিবলৈও প্ৰস্তুত। তদুপৰি বিবাহৰ পাছত শাৰীৰিক মিলনৰ চিন্তাই তেওঁক ভীতিবিহ্বল কৰি তুলিছিল। এনে এক মানসিকতাৰ অধিকাৰী কাফ্‌কাৰ পক্ষে প্ৰেমৰ চৰ্তবোৰ পালন কৰা অসম্ভৱ আছিল। সেয়ে ফেলিছৰ ফালৰ পৰা সম্পূৰ্ণ সন্মতি থকা সত্বেও বিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ পাছতো এই প্ৰেমে বেছি গভীৰতালৈ শিপাব নোৱাৰিলে। ইয়াৰ কেইবছৰমান পাছত জুলিয়া ওৰিজেক নামৰ ছোৱালী এগৰাকীৰ প্ৰেমত পৰিছিল আৰু বিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। কিন্তু কাফ্‌কাৰ খাম-খেয়ালি মনোভাবৰ বাবে এই সম্পৰ্কত অতি সোনকালে যতি পৰে। বিফল প্ৰেমৰ বেদনাদায়ক অভিজ্ঞতাৰ বিৰূপ প্ৰতিক্ৰিয়াৰ মাজতো তেওঁ অনুভৱ কৰিলে সৃষ্টিৰ এক অনুপম প্ৰেৰণা। ফেলিছৰ লগত সম্বন্ধ ছিন্ন

হোৱা কেইসপ্তাহমান পাছতে লিখি উলিয়ালে আইনৰ অবিচাৰ আৰু অপৰাধবোধৰ বিস্ময়কৰ উপন্যাস 'The Trial' এক কথাত ক'বলৈ গ'লে নাৰী প্ৰেমৰ সফলতা আৰু ব্যৰ্থতাৰ সময়খিনিতো কাফ্কাৰ অমৰ কৃতিসমূহ সংহত ৰূপ ধাৰণ কৰে। এইখিনি সময় তেওঁৰ জীৱনৰ আটাইতকৈ সৃষ্টিশীল সময়। এইক্ষেত্ৰত সমালোচক ৱাল্টাৰ, এইছ, শ্যেমালৰ মন্তব্য উল্লেখযোগ্য ঃ 'কাফ্কাৰ সাহিত্যিক উপাদান আছিল বিক্ষিপ্ত আৰু নাৰীৰ স'তে তেওঁৰ স্থাপিত সম্পৰ্কৰ স'তে গাঢ় সম্বন্ধযুক্ত।'

ইতিমধ্যে কাফ্কাৰ এখন ৰচনা সংকলন আৰু কিছু চুটিগল্প প্ৰকাশিত হয় যদিও তেওঁৰ কোনোটো প্ৰধান সাহিত্য কৰ্মই প্ৰকাশ পোৱা নাছিল। প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে তেওঁৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিবলৈ ধৰে। মৃত্যু যিমানেই সন্নিকট হ'ব ধৰিলে, জীয়াই থকাৰ বাসনা সিমানেই বাঢ়ি যায় কাফ্কাৰ। জীয়াই থকাৰ বাসনাৰে তেওঁ ভনীয়েকক লৈ বালটিকলৈ যায়। ভনীয়েকৰ সৈতে চাজত থকা সময়ত কাফ্কাই The Trial আৰু The Castle নামৰ উপন্যাস দুখনৰ বাবে ভীষণভাৱে পৰিশ্ৰম কৰিছিল। এই সময়তে তেওঁ ডোৱা ডায়মন্ত নামৰ এগৰাকী ইহুদী ৰমণীৰ প্ৰেমত পৰে। ডোৱাৰ লগতে কাফ্কাৰ বয়সৰ বিৰাট ব্যৱধান থকা সত্বেও এই অসাধাৰণ ৰমণীগৰাকী কাফ্কাৰ অন্তৰ্জ্বালা অনুভৱ কৰিবলৈ সমৰ্থ হয় আৰু কাফ্কাৰ জীৱনলৈ শান্তি আৰু সান্ত্বনাৰ নিজৰা বোৱাবলৈ সচেষ্ট হয়। কিন্তু তেওঁলোকৰ এই অমৰ প্ৰেমৰ ভেটি গজগজীয়া হ'বলৈ নৌপাওঁতেই কাফ্কা ইহজগতৰ পৰা আঁতৰি যায়। উনৈশ শ চৰিবশ চনৰ তিনি জুন তাৰিখে তেওঁ মৃত্যুৰ কোলাত শুই পৰে। সেইদিনটোতে তেওঁৰ একচল্লিশ বছৰ পূৰ্ণ হ'বলৈ সম্পূৰ্ণ এমাহ বাকী। যিগৰাকী ব্যক্তিয়ে জীৱন সম্পৰ্কে সদায় ঋণাত্মক মত পোষণ কৰা বুলি নিজেই ঘোষণা কৰিছিল, সেই একেজন ব্যক্তিয়ে জীৱনৰ শেষ দিনপৰ্যন্ত এই মধুময় পৃথিৱীত বাচি থকাৰ ইচ্ছা প্ৰকাশ পাইছিল। ইয়াতেই আছিল তেওঁৰ চূড়ান্ত ট্ৰেজেডি।

কাফ্কাৰ জীৱনকালত তেওঁৰ প্ৰধান সৃষ্টিকৰ্মসমূহ প্ৰকাশ পোৱা নাছিল। যিখিনি প্ৰকাশ পাইছিল, সেয়া মাথোঁ কেইখনমান ইহুদী আলোচনীতে সীমাবদ্ধ আছিল। মৃত্যুৰ পাছত তেওঁৰ পৰম বন্ধু মেক্স ব্ৰডে The Trial, The Castle আৰু Amerika নামে তিনিখন উপন্যাস প্ৰকাশ কৰে। 'নিঃসংগতাৰ ত্ৰিলজী' হিচাপে পৰিচিত এই তিনিখন উপন্যাস প্ৰকাশ হোৱাৰ লগে লগে তেওঁৰ কৃতি চৌদিশে অভাৱনীয়ভাৱে বিয়পি পৰিল। বিখ্যাত 'ব্ৰাদাৰ কাৰামজভ'ৰ সৃষ্টিকৰ্তা দষ্টয়েভস্কিৰ উত্তৰসূৰী হিচাপে তেওঁক বিশ্ব উপন্যাস সাহিত্যৰ ইতিহাসত উপবিষ্ট কৰা হ'ল। মৃত্যুৰ আগে আগে বন্ধু মেক্স ব্ৰডলৈ লিখা এখন চিঠিত কাফ্কাই শেষ ইচ্ছা এটি ব্যক্ত কৰি যায়— মৃত্যুৰ পাছত তেওঁৰ সকলো লিখনি যাতে পুৰি নষ্ট কৰি পেলোৱা হয়। কাফ্কাৰ অসামান্য প্ৰতিভাক লাহে লাহে চিনি পোৱা অকৃত্ৰিম বন্ধু মেক্স ব্ৰডে এই প্ৰসংগত অনুৰোধ উপেক্ষা কৰি বিশ্ব সাহিত্যত এক মহান উপকাৰ সাধন কৰে।

সম্ভৱত বিশ্বসাহিত্যত কাফ্কাই একমাত্ৰ ব্যক্তি যি অতি সীমিতসংখ্যক ৰচনাৰে, তাৰে প্ৰায়ভাগ আকৌ অসম্পূৰ্ণ, শ্ৰেষ্ঠতম লেখকৰ শাৰীত নিজৰ স্থান গজগজীয়া কৰিবলৈ সমৰ্থ হৈছে। কি আছিল কাফ্কাৰ লিখনিৰ গোপন ৰহস্য? কাফকাৰ সমালোচকসকলে দুটা সিদ্ধান্তত উপনীত হৈছে। এটা পক্ষই ক'ব বিচাৰে যে কাফকাৰ জগতখন এখন নিৰ্জন, নিসংগ আৰু ৰিক্ত পৃথিৱী। জীৱনৰ ভয়াৱহতা, সম্ভাৱনাহীনতাৰ কথা এক অদ্ভুত ৰূপত প্ৰকাশ পায় তেওঁৰ সৃষ্টিকৰ্মৰ মাজেদি। তেওঁ এঠাইত লিখিছে— 'এই পৃথিৱীত ঘৰ-সংসাৰ, অফিচ-কাছাৰী, বন্ধু-বান্ধৱ, ৰাস্তা-পদূলি, নাৰী প্ৰেম সকলোবিলাক মৰীচিকা মাথোন। এই কাৰণে আহে আৰু ছায়াময় হৈ দূৰলৈ আঁতৰি যায়। কিন্তু আটাইতকৈ নিকটতম সত্যটো এয়ে যে দুৱাৰ-খিৰিকী নোহোৱা বন্ধ কুঠৰীৰ বেৰখনত মূৰটো লগাই মই বহি আছো।' আনটো সমালোচকৰ দলে আচ্ছাদনৰ তলত লুকাই থকা গোপন ভয়-শংকা, বিপদ-আপদ, নিসংগতাৰ স্মৃতি জাগৰণ কৰি কাফ্কাৰ মনত সেইবোৰ পুনৰ সৃষ্টি কৰাৰ কথা উল্লেখ কৰে। আনন্দতকৈ বিচ্ছিন্নতা আৰু যন্ত্ৰণা বেছি অৰ্থৱহ কাৰণ ইয়ে জীৱনটোক ভালদৰে উপলব্ধি কৰাত সহায় কৰে। এই কথা সহজেই বোধগম্য যে তেওঁৰ দৃষ্টিভংগী নেতিবাচক নহয় বৰং বিশ্বব্যাপী অৰ্থহীনতাৰ মাজত অৰ্থৰ প্ৰতি আসক্তিয়ে তেওঁৰ ৰচনাৰ মূল উপজীব্য।

কাফকাৰ অনবদ্য উপন্যাস The Trial-ৰ মুখ্য চৰিত্ৰ যোছেফ কে এদিন পুৱা শোৱাপাটী এৰিয়ে গ্ৰেপ্তাৰ হয়। তেওঁ আছিল বেংকৰ এজন সাধাৰণ নীতিৱান কৰ্মচাৰী, কোনোদিনে ক'তো তেওঁ আইন ভংগ কৰা নাই অথবা কোনোধৰণৰ অপৰাধ কৰা নাই, অথচ তেওঁকেই আইনৰ যোগেদি অপৰাধী হিচাপে অভিযুক্ত কৰা হ'ল। তেওঁৰ বিৰুদ্ধে অভিযোগ কি বা কোনে তেওঁৰ বিৰুদ্ধে অভিযোগ কৰিছে, সেই কথাও তেওঁ গম নাপায়। নিজৰ নিৰ্দোষিতা প্ৰতিপন্ন কৰিবলৈ তেওঁ তৎপৰ হ'ল আৰু অনিচ্ছাকৃতভাৱে এজন উকীল ঠিক কৰিবলৈ বাধ্য হ'ল। নিজৰ বাবে উকীল এজন নিযুক্ত কৰা কথাটোৱে তেওঁৰ মনত লাহে লাহে অপৰাধবোধৰ চেতনা জাগ্ৰত কৰে। বিচাৰপতিয়ে যেতিয়া কয় যে তেওঁৰ বিৰুদ্ধে ৰহস্যজনক নথি-পত্ৰ উদ্ধাৰ হ'ব পাৰে আৰু এই বিচাৰ অনন্তকাললৈ চলিব, তেতিয়া এই অপৰাধবোধ তীব্ৰতৰ হৈ পৰে। উপন্যাসখনত যোছেফ কেক গ্ৰেপ্তাৰেৰে আৰম্ভ কৰি মৃত্যুদণ্ডেৰে শেষ কৰা হৈছে। তেওঁৰ মৃত্যুৰ ঠিক আগমুহূৰ্তত কোনো এক ছায়ামূৰ্তি দুহাত মেলি খিৰিকীৰ কাষত থিয় হৈছিহি। কাৰ সেই ছায়ামূৰ্তি? কোনো বন্ধুৰ, কোনো সমব্যথীৰ নে কোনো অদৃশ্য বিচাৰকৰ? আঙুলিবোৰ শূন্যলৈ মেলি দি হাত দাঙিলে যোছেফে। তেতিয়াই কিৰপাণখন তেওঁৰ বুকু ভেদ কৰি গ'ল। মৃত্যুৰ পূৰ্ব মুহূৰ্তত যোছেফৰ মুখৰ পৰা অস্ফুট স্বৰেৰে ওলাই আহে দুটা শব্দ 'কুকুৰৰ দৰে'।

কাফ্কাৰ আন এখন অমৰ উপন্যাস The Castle-ৰ নায়ক k এজন মাটি জৰীপকাৰী বিষয়া। দুৰ্গৰ কৰ্তৃপক্ষই তেওঁক জৰীপকাৰী পদত নতুনকৈ নিয়োগ কৰিছে। সেই উদ্দেশ্যে তেওঁ কৰ্তৃপক্ষৰ লগত দেখা কৰিবলৈ আহিছে। বিভিন্ন উপায়েৰে তেওঁ দুৰ্গত প্ৰৱেশাধিকাৰৰ চেষ্টা চলাই গৈছে যদিও প্ৰতিবাৰে ব্যৰ্থ হৈছে। শেষত তেওঁ বুজি উঠিছে যে এই অভীপ্সিত সাক্ষাৎকাৰটো আৰু কেতিয়াও আহি নাপায়। The Castle উপন্যাসখন প্ৰকৃততে এখন অসম্পূৰ্ণ উপন্যাস। কাফ্কাই বন্ধু মেক্স ব্ৰেডক কোৱামতে উপন্যাসৰ শেষছোৱাৰ পৰিকল্পনা আছিল এনেধৰণৰ— অৱশেষত দুৰ্গৰ পৰা বহু আকাংক্ষিত অনুমতিপত্ৰ আহি পায় যদিও K তেতিয়া মৃত্যু শয্যাত। পত্ৰখন তেওঁৰ আগত পাঠ কৰি দিয়াৰ প'চতেই k-ই শেষ নিশ্বাস ত্যাগ কৰে।

কাফ্কাৰ আন এখন অগতানুগতিক উপন্যাস Amerikaতো হতাশা আৰু উদ্বিগ্নতাৰ ছবি ফুটি উঠিছে। ইয়াত নায়কে ব্যক্তিগত স্বাধীনতা আৰু নিজস্ব গোপনীয়তাত কাৰোবাৰ হস্তক্ষেপ বা আগ্ৰাসনৰ ভয়ত এখন কল্পনাৰ ৰাজ্যত বাস কৰে। এই কল্পনাৰ ৰাজ্যখনেই হ'ল নায়কে কেতিয়াও দেখা নোপোৱা Amerika।

সচৰাচৰ উপন্যাসত থকা কাহিনী (Story) আৰু কাহিনীৰ গাঁথনি (Plot)য়ে কাফ্‌কাৰ উপন্যাসত গুৰুত্ব লাভ কৰা দেখা নাযায়। গতানুগতিক উপন্যাসৰ সুসংহত আৰু সবল কাহিনীৰ বিপৰীতে কাফকাৰ উপন্যাসত বিচ্ছিন্ন আৰু জটিল কাহিনীৰ উপস্থাপন বিশেষভাৱে প্ৰণিধানযোগ্য। একোটা জটিল চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব দ্বিধাহীন অভিব্যক্তিৰে প্ৰকাশ কৰাৰ বাবে কাফ্‌কাৰ উপন্যাসত কিছুমান চৰিত্ৰ দুৰ্বোধ্য হৈ পৰে। তেওঁৰ ৰচনাৰ সপক্ষে আধুনিক সমালোচকসকলৰ মতামত হ'ল যে মানুহৰ জীৱনক নিৰ্দিষ্ট অভিজ্ঞতা বা উপলব্ধিৰে জুখিব নোৱাৰি। মানুহৰ চেতনাৰ প্ৰবাহ প্ৰণালীবদ্ধভাৱে আগবাঢ়ি নাযায়— এটা দিশৰ পৰা আন এটা দিশলৈ এটা ভাৱৰ পৰা আন এটা ভাবলৈ অসংলগ্নভাৱে গতি কৰি থাকে। এইখিনিতে ভাৰ্জিনিয়াৰ উল্‌ফৰ বক্তব্য এযাৰ প্ৰণিধানযোগ্য ঃ 'Life is not series of gig lamps symmetrically arrounded life is a luminous holo, a semi transparent envelope swoounding us from the begining of conciousness to the end' গতিকে বিচ্ছিন্নতাৰ মাজতহে জীৱনৰ প্ৰকৃত ৰূপ ফুটি উঠে। জীৱন এক মুক্ত প্ৰবাহ। মানুহৰ চেতনাৰ অন্ত নাই। নিৰ্দিষ্টতাৰ মাজত জীৱনক আবদ্ধ কৰিলে জীৱনৰ বাস্তৱ ৰূপ পৰিস্ফুৰণ নহয়। তেতিয়া হ'লে উপন্যাসত জীৱনক সুশৃংখল আৰু সীমাবদ্ধ কৰি দেখুওৱাৰ অৰ্থ কি? গতিকে জীৱনক সংগতিপূৰ্ণ আৰু সুশৃংখল কৰি দেখুওৱা মানে প্ৰকৃত বাস্তৱক বিকৃত কৰাহে হ'ব। কাফ্‌কাৰ উপন্যাসত কাহিনীৰ অন্ত নপৰে অৰ্থাৎ উপন্যাসৰ অন্ততো কাহিনী আগুৱাই যোৱাৰ পথ মুকলি হৈ থাকে। একোটা ঘটনাই চৰিত্ৰৰ মনত কি ক্ৰিয়া কৰে সেইটোহে তেওঁৰ উপন্যাসত গুৰুত্ব লাভ কৰে, ঘটনাটো নহয় অথবা ঘটনাটোৱে আনৰ মনত কি ক্ৰিয়া কৰে সেইটোও নহয়।

কাফ্‌কা অৱচ্ছেদ ধাৰণাত বিশ্বাসী আছিল। সৰুৰে পৰা লাভ কৰা নিসংগতাৰ যন্ত্ৰণা, পিতৃ-মাতৃৰ অবাঞ্ছিত ব্যৱহাৰ, চৰম নীচাত্মিকাবোধ আদিৰ উপৰি তেওঁৰ মনত এই ধাৰণাৰ বীজ ৰোপিত হোৱাৰ অন্তৰালত এক ঐতিহাসিক কাৰণো আছিল। প্ৰথম বিশ্বযুদ্ধই সেই সময়ত মানুহৰ নৈতিক জীৱনক নিৰ্মোহভাৱে জোকাৰি গৈছিল। যুদ্ধৰ বিভীষিকাই মানুহক জীৱনৰ অনিশ্চয়তাৰ প্ৰতি সচেতন কৰি তুলিছিল আৰু জীৱনৰ সকলো পৰিকল্পনা অসাৰ আৰু অৰ্থহীন বুলি ভাবিবলৈ বাধ্য কৰাইছিল। এনে অৱস্থাতে কাফ্‌কাই জীৱনৰ প্ৰতি এক নিৰ্বিকাৰ মনোভাব গ্ৰহণ কৰিছিল। তেওঁ উপলব্ধি কৰিছিল যে পৃথিৱীত মানুহ বৰ অকলশৰীয়া আৰু প্ৰতিজন মানুহে নিজৰ সমস্যাৰ সমাধানৰ পথ নিজেই নিৰ্ণয় কৰিব লাগিব। এই অৰ্থত কাফ্‌কাৰ ৰচনাৰ প্ৰতিটো নায়ক চৰিত্ৰই নিসংগ। নায়কে ভাবে যে পৃথিৱীৰ সকলো জটিলতা আৰু ৰহস্য তেওঁ অকলেই সমাধান কৰিব পাৰিব। কিন্তু প্ৰতিক্ষেত্ৰতে নায়কে এক অবাঞ্ছিত পৰিস্থিতিৰ চাপত পৰি পৰাজয় বৰণ কৰিবলগা হয়। তেওঁৰ ৰচনাৰ সমাৰণিয়ে সদায় উদঙাই দেখুৱায় ব্যক্তিৰ পৰাজয় নিহিত থকা ধনাত্মক সত্যতাৰ কথা। The Trial, The Castle, Amerika আৰু The Metamorphosis-ত এই অভিপ্ৰায় সংকেতিত হৈছে।

কাফ্‌কাৰ ৰচনাত 'সপোনে' গুৰুত্বপূৰ্ণ স্থান লোৱা দেখা যায়। এজন অতিবাস্তৱবাদী (Surrealist) শিল্পীৰ দৰে তেওঁ 'সপোন' আৰু 'টোপনিক' ৰচনাৰ এক কৌশল হিচাপে লৈ কাহিনী আগুৱাই লৈ যায়। ফলত বিভিন্ন অবাস্তৱ অৱস্থাৰ বৰ্ণনা থাকিলেও তেওঁৰ কাহিনীয়ে বিশ্বাসযোগ্যতা লাভ কৰে। 'The Metamorphosis'ত গ্ৰেগৰ চামচা এটা অস্বস্তিকৰ সপোনৰ পৰা সাৰ পাই নিজকে এটা কীটলৈ ৰূপান্তৰিত হোৱা দেখে। ইয়াত সপোন আৰু জাগৰণৰ মাজত একো পাৰ্থক্য নাই। সাৰ পাই গ্ৰেগৰে যিবোৰ অৱস্থাৰ সন্মুখীন হয় সেয়া দুঃস্বপ্নৰ বাহিৰে আন একো নহয়। 'The Trial'ত যোছেফ কে এদিন পুৱা টোপনিৰ পৰা উঠিয়ে বিনা অভিযোগত গ্ৰেপ্তাৰ হ'ব লগা হয়। তাৰ পাছৰ উদ্ভত ঘটনাবোৰ সপোনৰ মাজেৰে চালিত হৈ থাকে। ঠিক তেনেদৰে The Castle-ৰ কে সেই গাঁওখনৰ চৰাইখানাত গৈয়ে টোপনিত ঢলি পৰে। অলপ পাছতে তেওঁক জগোৱা হৈছিল যদিও সেই জাগৰণ আছিল আন এক স্বপ্ন যাত্ৰাৰ আৰম্ভণি। মাথোঁ সপোনৰ স্তৰবোৰহে সলনি হৈছিল। এনেদৰে কাফ্‌কাৰ ৰচনাত সপোন আৰু টোপনিয়ে এক বিশেষ ভূমিকা লৈ কাহিনীক গতিশীলতা প্ৰদান কৰে।

কাফকাৰ লিখনিত অস্তিত্ববাদৰ দৰ্শন আৰু ধাৰণাৰ প্ৰভাৱৰ ছিটিকনি পৰা দেখা যায়। অস্তিত্ববাদী দৰ্শনৰ অন্যতম প্ৰবাদ পুৰুষ কিৰ্কেগা আছিল কাফ্‌কাৰ আদৰ্শস্বৰূপ। কিৰ্কেগাৰ লিখনিসমূহ তেওঁ গভীৰ মনোনিবেশেৰে অধ্যয়ন কৰিছিল আৰু সেইবোৰৰ মাজত নিজৰ চিন্তাৰ মিল পাইছিল! কিৰ্কেগা সম্পৰ্কে তেওঁৰ ডায়েৰীৰ এঠাইত লিখিছিল — 'As I Suspected, his care despite essential difference is very similar to mine atleast he is an same side of the world. He bears me out like a friend.' অৱশ্যে এটা কথা স্বীকাৰ্য যে কাফকাৰ ৰচনাত এই দৰ্শনৰ আভাস থাকিলেও তাত সাইলাখ অস্তিত্ববাদী দৰ্শনৰ ছবি দেখা পোৱা নাযায়। অকল অস্তিত্ববাদ বুলিয়ে নহয় আৰু বহু অভিধাই কাফ্‌কাৰ ওপৰত প্ৰয়োগ কৰা দেখা যায়। কাফ্‌কাৰ ৰচনা-ৰীতিলৈ চাই বহু সমালোচকে তেওঁক আধুনিকতাবাদী লেখক বুলিও ক'ব খোজে। প্ৰকৃততে কাফ্‌কাক আন মহৎ সাহিত্যিকসকলৰ দৰে কোনো 'বাদে'ৰে বান্ধিব নোৱাৰি। সত্য অন্বেষণৰ প্ৰবল স্পৃহাত তেওঁলোকে সকলো সীমা অতিক্ৰম কৰি যায়।

সকলো ব্যাখ্যা আৰু বিশ্লেষণৰ অন্তত এটা কথা স্পষ্ট হৈ পৰে যে কাফ্‌কাৰ অভূতপূৰ্ব ৰচনা-শৈলীয়ে আছিল তেওঁৰ জনপ্ৰিয়তাৰ অন্যতম কাৰণ। তেওঁৰ ৰচনা আন হেজাৰ-বিজাৰ ৰচনাৰ দৰে নহয় যে পাঠকে এবাৰ পঢ়িয়ে তাৰ মৰ্মাৰ্থ উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব। এবাৰ পঢ়াৰ অন্তত পুনৰবাৰ পঢ়িবলৈ বাধ্য কৰায়। প্ৰতিবাৰ পাঠৰ অন্তত পাঠকে ন ন চিন্তাৰ খোৰাক লাভ কৰে আৰু মনত এক নিৰ্মাণ প্ৰক্ৰিয়াৰ আৰম্ভ ঘটে। ইয়ে লেখক হিচাপে কাফ্‌কাৰ শ্ৰেষ্ঠ মৌলিক কৃতিত্ব। ■

*সহায়ক গ্ৰন্থপঞ্জী ঃ*


(ক) কাফ্‌কাৰ জগতত এভুমুকি— তাপস সাহা

(খ) বিংশ শতাব্দীৰ সন্ধানত— সম্পাদনা ঃ হোমেন বৰগোহাঞি আৰু প্ৰাণজিৎ বৰা

(গ) 'আমাৰ অসম'ত প্ৰকাশিত বাসন্তী লস্কৰৰ 'ফ্ৰান্‌ৎস কাফ্‌কা' শীৰ্ষক প্ৰবন্ধ

(ঘ) উপন্যাস বিচাৰ আৰু বিশ্লেষণ— শৈলেন ভৰালী

(ঙ) কাফ্‌কাৰ শ্ৰেষ্ঠ গল্প— প্ৰলয় সেন

(চ) Short Stories of Franz Kafka.

শতবৰ্ষ স্মৰণ

# ছাৰ হেন্‌ৰী কটনৰ স্মৃতিত কটনিয়ানৰ এটা পৃষ্ঠা



ছাৰ হেন্‌ৰী কটনৰ
সমাধিৰ
আলোক চিত্ৰ
লণ্ডনৰ পৰা—

*হেৰী ৰিড্‌জৰ সৌজন্যত*

# অনন্য ব্যক্তিত্বৰ বৰেণ্য চুডমার্চেন এটি চমু আলোচনা

দিলীপ কুমাৰ কাকতি

***মাথোন এটা টিনৰ ডাঙৰ ঘৰ, বোকা মাটিৰে লেপ দিয়া খেৰৰ চালেৰে সাজি উলিওৱা হোষ্টেল আৰু পাঁচজন অধ্যাপকৰে স্থাপিত কটন কলেজক এখন সৰ্বাংগসুন্দৰ কলেজলৈ ৰূপান্তৰিত কৰি তোলাত চুডমার্চেনৰ যি অৱদান আছিল সেইটো কোনোবাই পাহৰিলেও সময়ে কেতিয়াও নেপাহৰে।***

**চুডমার্চেন গুৱাহাটীৰ পৰা উভতি যাব খুজিছিল....**

সেই স্মৰণীয় দিনটো ১৯০১ চনৰ ২৭ মে' কলেজৰ প্ৰথমজন অধ্যক্ষ চুডমার্চেন সেই দিনটোৱেই গুৱাহাটীত আহি উপস্থিত হ'ল। আনহাতে কলেজৰ চৌহদত সেইদিনাই বেছ জাকজমকেৰে কটন কলেজ প্ৰতিষ্ঠাৰ আনুষ্ঠানিক সভা চলি আছিল; উপস্থিত আছিল সেই সভাত গুৱাহাটী চহৰৰ গণ্যমান্য ব্যক্তিসকল আৰু অসমৰ মুখ্য আয়ুক্ত ছাৰ হেনৰি কটন। সুদূৰ মুচৌৰীৰ আমেজভৰা জলবায়ুত ছুটী কটাই থকা চুডমার্চেন যেতিয়া গুৱাহাটী পালেহি তেতিয়া গুৱাহাটী মে' মাহৰ উৎকট গৰম আৰু উষ্ণ আৰ্দ্ৰতাত আবদ্ধ। দীঘলীয়া যাত্ৰাৰ অন্তত গুৱাহাটীত উপস্থিত হওঁতে ডাক-বঙলাত (বৰ্তমানৰ কটন কলেজৰ অধ্যক্ষৰ চৰকাৰী বাসভৱন) চুডমার্চেনক স্বাগতম জনাইছিল চাহ বাগিচাৰ কেইজনমান ইউৰোপীয় পৰিচালকে আৰু তেওঁলোকৰ স্বভাৱসিদ্ধ আচৰণেৰে চুডমার্চেনক গুৱাহাটীলৈ কটন কলেজৰ অধ্যক্ষ হৈ অহা বাবে তিৰস্কাৰ কৰিছিল। হয়তো চুডমার্চেনও গুৱাহাটীৰ অসহনীয় গৰম আৰু থকা-মেলাৰ অসুবিধাৰ বাবে পুনৰ বেৰিলী কলেজলৈ উভতি যাবলৈ মন স্থিৰ কৰি পেলাইছিলেই। তেখেতৰ ভাষাতেই ঃ "I had been very happy at Bareilly college where I had been for four or five years and I seriously contemplated a return there. I Knew or needed only a telegram and my impulse was to send it... two or three days passed in depression and uncertainly, and then the arrival of oheed, paris Nath Lahiri and Chuni lal de at the Dak Bungalow to welcome me gave me new heart, they seemed so full of vitality, so keen to serve, and the depression passed." সেয়ে এশ বছৰ পিছত সেই পৰিস্থিতি ৰোমন্থন কৰি ভাবিছো যদিহে চুডমার্চেন উভতি গ'লহেঁতেন তেতিয়াহ'লে কটন কলেজ আজিৰ গৰিমাৰে সুশোভিত হ'লহেঁতেননে? এই মহান ব্যক্তি চুডমার্চেন অসমৰ জলবায়ুৰে পুষ্টিত হৈ ২৬ বছৰৰ সুদীৰ্ঘকাল (১৯০১-১৯২৬) অতি দক্ষতাৰে কটন কলেজ অধ্যক্ষৰূপে পৰিচালিত কৰিছিল।

**পিতৃসুলভ ব্যক্তিত্বৰ চুডমার্চেন**

"In spite of his stern exterior Mr.Sudmersen was kindly being at heart. He loved his boys, and their all-round welfare was his only concer."

– Surjya Kr. Bhuyan

ফ্ৰেডেৰিক উইলিয়াম চুডমার্চেন পিতৃসুলভ গুণেৰে অলংকৃত এজন অসাধাৰণ ব্যক্তি আছিল। কটন কলেজ স্থাপন হোৱাৰ সময়ত ছাত্ৰসকলে (১৯০১-১৯০২) যথেষ্ট আহকালৰ সন্মুখীন হৈ পঢ়া-শুনা কৰিব লগাত পৰিছিল। কিন্তু অধ্যাপকসকলৰ মৰম আৰু বিশেষকৈ অধ্যক্ষ চুডমার্চেনৰ প্ৰতিজন ছাত্ৰৰ প্ৰতি লোৱা তত্বাৱধানত ছাত্ৰসকলে সকলো অসুবিধা হাঁহিমুখেৰে গ্ৰহণ কৰিছিল। আবাসী ছাত্ৰসকলৰ দুখ-দুৰ্গতিৰ কথা চুডমার্চেনে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। উল্লেখনীয় যে আবাসী ছাত্ৰসকলে কিছুদিনৰ বাবে হোষ্টেলত সুবিধা নথকাৰ হেতু ফাঁচীবজাৰত বকা হোটেলত আহাৰ গ্ৰহণ কৰিছিল আৰু যথেষ্টসংখ্যক তক্তাপোচ নথকাৰ হেতু এখনতে দুজন ছাত্ৰ একেলগে শুইছিল। কিন্তু চুডমার্চেনে ছাত্ৰসকলৰ দুখ লাঘৱ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰাৰ উপৰি তেওঁলোকক সঘনে খবৰ লৈ উৎসাহিত কৰি ৰাখিছিল। তেতিয়াৰ (১৯০১-১৯০২) আবাসী ছাত্ৰ এজনৰ ভাষাৰেই আমি জানিব পাৰো যে ঃ

"He (Sudmersen) left no stones unturned to make the students happy and confortable. He visited the boarders of both Hindu and Mohommedan Hostels alomost daily, morning and evening and sometimes late at night, putting them hundred and one questions about their needs and requirements and looking to their convenience....... Mr. Sudmersen has earned an undying reputation in the college. His keen solicitude for the welfare of his students is well-known. He may be styled the

friend, philosopher and guide of the cotton college and its students." অধ্যক্ষ চুডমাৰ্চেনে হোষ্টেললৈ যিকোনো সময়তে অহাৰ আন এটা উদ্দেশ্যও আছিল। তেখেতে দেৰিকৈ শুই থকা ছাত্ৰক বিছনাৰ পৰা জগাইছিল আৰু ছাত্ৰসকলে সময়মতে পঢ়া-শুনা কৰিছেনে নাই, অৱসৰৰ সময়খিনি অবাবতে কটাইছে নেকি ইত্যাদি সৰু-সুৰা কথাবিলাকো অধ্যক্ষই চকু দিছিল— যেনেদৰে যি কোনো ছাত্ৰৰ পিতৃয়ে ঘৰত থাকিলে পুতেকৰ প্ৰতি যত্নপৰ হয়। এইজনা পিতৃসুলভ অধ্যক্ষৰ প্ৰতিপালনে কটনিয়ান ছাত্ৰৰ সুচৰিত্ৰ গঠন প্ৰক্ৰিয়াত যথেষ্ট অৰিহণা যোগাইছিল।

শিষ্টাচাৰৰ প্ৰতিও চুডমাৰ্চেনে চকু দিছিল অধ্যক্ষক দেখা পালে যে ছাত্ৰই 'Good morning sir' বুলি সন্মান প্ৰদৰ্শন কৰিব লাগে— সেইটো তেখেতে শিকাইছিল উদাহৰণযোগে; যদিহে ছাত্ৰ এজনে আলিবাটত অধ্যক্ষক দেখি নেদেখাৰ ভাও দি আঁতৰি যাব বিচাৰিছিল তেতিয়া চুডমাৰ্চেনে নিজেই ছাত্ৰজনক 'Good morning' বুলি সম্বোধন কৰি মাতিছিল আৰু সেই মুহূৰ্তৰ পৰাই লজ্জিত হৈ ছাত্ৰজনে শিষ্টাচাৰৰ শিক্ষা লৈছিল।

আনহাতে চুডমাৰ্চেনে ছাত্ৰসকলৰ খেলা-ধূলা আৰু কলেজৰ পাঠবহিৰ্ভূত কাৰ্যক্ৰমবোৰত ছাত্ৰৰ অংশগ্ৰহণ আন্তৰিকতভাৱে বিচাৰিছিল। ১৯২৩ চনৰ পৰা আগবঢ়োৱা 'কলেজ ডিপ্লমা' সম্পৰ্কত মানি চলিবলগীয়া চৰ্তবোৰৰ ভিতৰত এটা চৰ্ত আছিল 'No Certificate will be awarded to a student who has not taken due share in the corporate life of the college.' ঠিক তেনেদৰে যুৱ কটনিয়ান ছাত্ৰসকলে দুই-এটা দুষ্টামি কাম কৰাটোও তেখেতে বিচাৰিছিল যেন লাগে। উল্লেখযোগ্য যে তেতিয়া অধ্যক্ষৰ বাসভৱনৰ চাৰিসীমাত বহুতো লিচু গছ আছিল আৰু লিচু ফলৰ বতৰত গছবোৰ ৰঙা আৰু মিঠা লিচুৰে উপচি আছিল। তেনেকুৱা লিচুৰ প্ৰতি লোভ ছাত্ৰসকলৰ কিছুসংখ্যকৰ থকাটো নিচেই সাধাৰণ কথা; সেয়ে চুডমাৰ্চেনে হয়তো আশা কৰিছিল ছাত্ৰই লিচু চুৰ কৰি খাওক! কিন্তু তেখেতে আশা কৰামতে কোনো অঘটন নোহোৱাত আক্ষেপৰ সুৰত কৈছিল— 'Boys lacked enterprise as the ripe fruits in his garden remained unrifled and undisturbed.' অধ্যক্ষ চুডমাৰ্চেন যে ছাত্ৰসকলৰ প্ৰতি পিতৃসুলভ কোমলতাৰ দৃষ্টিভংগী পোষণ কৰিছিল সেয়া আন এটা উদাহৰণেৰে বুজাব পাৰি। ১৯১৫ চনৰ ২ এপ্ৰিলৰ 'ষ্টাফ কাউন্সিল'ৰ সভাত গৃহীত প্ৰস্তাৱবোৰৰ ভিতৰত এটা প্ৰস্তাৱ আছিল যে 'Students Common Room'ত (উল্লেখনীয় যে তেতিয়াৰ 'Students Common Room' অধ্যাপক আৰু ছাত্ৰই উভয়ে ব্যৱহাৰ কৰিছিল) ইয়াৰ পিছৰে পৰা অধ্যাপকসকলে কোনো বৰঙণি নিদিয়ে। লিপিবদ্ধ কাৰ্যাৱলীত স্বাক্ষৰ কৰি অধ্যক্ষ চুডমাৰ্চেনে তলত নিজ হাতেৰে এটি টোকা লিখি তেখেতে অধ্যাপকসকলৰ মনোভাৱৰ প্ৰতি নিজৰ খং প্ৰকাশ কৰিছিল এনেদৰে— 'Subcriptions of students are also voluntary. The idea of a common Room is to provide a meeting place for students and Professors– the idea of a small contribution is to give a direct personal interest in the affairs of this informal club. Students contributed last year 325 Rs.; Govt. 200 Rs.; The Professors total contribution was 70 Rs.

I am, therefore, unwilling to accept this resolution if it means anything more than above i.e. that there is no legal obligation or that it is our obligation enforceable in any practical way.' মহান ব্যক্তিত্বৰ চুডমাৰ্চেনৰ ছাত্ৰসকলৰ প্ৰতি থকা পিতৃসুলভ মৰম ইয়াৰ দ্বাৰাই ভালদৰে ফুটি উঠে।

**চুডমাৰ্চেন এজন সুদক্ষ প্ৰশাসক আৰু আদৰ্শ শিক্ষক ঃ**

মাথোন এটা টিনৰ ডাঙৰ ঘৰ, বোকা মাটিৰে লেপ দিয়া খেৰৰ চালেৰে সাজি উলিওৱা হোষ্টেল আৰু পাঁচজন অধ্যাপকৰে স্থাপিত কটন কলেজক এখন সৰ্বাংগসুন্দৰ কলেজলৈ ৰূপান্তৰিত কৰি তোলাত চুডমাৰ্চেনৰ যি অৱদান আছিল সেইটো কোনোবাই পাহৰিলেও সময়ে কেতিয়াও নেপাহৰে। শতিকা গৰকি অহা কটন কলেজৰ জীৱনগাথাত চুডমাৰ্চেনৰ অনবদ্য অৱদান অতি বহুমূলীয়া মাণিকৰ দৰে সদায়ে জিলিকি থাকিব। মনে-প্ৰাণে চুডমাৰ্চেনে ভাল পাইছিল কটন কলেজক; কলেজৰ সৈতে জড়িত প্ৰতিটো শিল-বালিৰ টুকুৰা, প্ৰতিখন ডেস্ক-বেঞ্চৰ ইতিহাস আৰু প্ৰতিজন কটনপ্ৰেমী ব্যক্তিৰ নিঃস্বাৰ্থ অৱদান চুডমাৰ্চেনৰ নখদৰ্পণত আছিল। স্বৰ্গীয় ধীৰেন্দ্ৰ মোহন দত্তৰ (১৯১৫-১৯১৯) ভাষাতেই আমি ক'ব পাৰো— 'There was in the centre the first Principal Mr. F. W. Sudmersen, who totally identified himself with even the meanest piece of furniture of the college and could suffer no disorder, nor any diminuition of any interest of the college.... with hectic anxiety he would run about from corner to corner to look into every little thing himself to make sure that every one and everything went right under his care.'

দূৰদৃষ্টিসম্পন্ন চুডমাৰ্চেনে লক্ষ্য কৰিছিল যে অসমৰ মানুহবোৰ বৰ আৰামপ্ৰিয় আৰু সেয়ে তেখেতে ছাত্ৰসকলক ব্যস্ত ৰাখিবলৈ 'Tutorial' শ্ৰেণী আৰু 'Mantuly' অথবা তিনি মাহিলী পৰীক্ষা পতাৰ ব্যৱস্থা কৰিলে। চুডমাৰ্চেনে ভালদৰে বুজিছিল এই ব্যৱস্থা প্ৰৱৰ্তন কৰিলে ছাত্ৰসকল জাঙুৰ খাই উঠিব। সঁচাকৈয়ে তেতিয়াৰ 'Times of Assam' বাতৰি কাকতত চুডমাৰ্চেনে প্ৰৱৰ্তন কৰা কঠোৰ শিক্ষা পদ্ধতিৰ বিৰুদ্ধে কেইবাটাও প্ৰবন্ধ প্ৰকাশ পালে; আনকি চুডমাৰ্চেন আৰু কেইগৰাকীমান অধ্যাপকক ব্যক্তিগতভাৱে আক্ৰমণ কৰি বাতৰিও প্ৰকাশ পালে। কিন্তু চুডমাৰ্চেন আছিল অচল-অটল আৰু তেখেতৰ প্ৰৱৰ্তিত এই শিক্ষা পদ্ধতিৰ ফলস্বৰূপেই কটন কলেজৰ ছাত্ৰই বিশ্ববিদ্যালয়ৰ পৰীক্ষাত ভাল ফল দেখুৱাই কৃতিত্ব অৰ্জন কৰিব পাৰিছিল। এই সন্দৰ্ভত চুডমাৰ্চেনে কলেজৰ সোণালী জয়ন্তীত প্ৰকাশিত স্মৰণিকাত (১৯৫১-৫২) লিখা কথাখিনিয়ে তেওঁৰ দৃষ্টিভংগী ভালদৰে ফুটাই তুলিছে ঃ '....Indian Colleagues, generally, were run excessively on 'Laissez faire'





conditions, and that tutorial and rigid class work were the essentials for the building up of a sound educational unit, and we introduced these and established our policy of demanding systematic work and study. It was in a large measure a revolutionary policy and therefore met with a cosiderable degree of apposition not only from students but from the public at large. This was to be expected. But the plan justified itself. Gradually but inevitably assamese students secured increasing successes and distinction.' চুডমাৰ্চেনে যে কলেজখনক এখন সৰ্বাংগসুন্দৰ ৰূপত গঢ় দি ভাৰতবৰ্ষৰ ভিতৰতে জাকত-জিলিকা শিক্ষানুষ্ঠান কৰিবলৈ অহোপুৰুষাৰ্থ কষ্ট কৰিছিল সেইটো ওপৰৰ উক্তিৰ পৰাই ভালদৰে প্ৰকাশ পায়; সঁচাকৈয়ে তেখেত আছিল এজন সুদক্ষ অধ্যক্ষ!

অধ্যক্ষৰ ইমানবোৰ কামৰ মাজতো চুডমাৰ্চেনে ছাত্ৰসকলক পঢ়ুৱাইছিল আৰু এজন আদৰ্শ শিক্ষক হিচাপে পৰিগণিত হৈছিল। ইংৰাজী সাহিত্যৰ অধ্যাপক চুডমাৰ্চেনে শ্ৰেণী কোঠাত প্ৰাণঢালি পঢ়ুৱাইছিল বিশেষকৈ টেনিছন, গল্ডস্মিথ আৰু কাউপাৰৰ কবিতা পঢ়ুৱাওঁতে তেখেতে কবিৰ ভাববোৰ ছাত্ৰৰ মাজত সুমুৱাই দিবলৈ সমৰ্থ হৈছিল। ১৯০১-১৯০২ চনৰ কটনিয়ান এজনৰ নিজৰ ভাষাৰেই বৰ্ণোৱা কথাৰে চুডমাৰ্চেনৰ শিক্ষক হিচাপে আমি এটা প্ৰাঞ্জল চিত্ৰ পাওঁ ঃ

'In explaining Cowpir's love of the Nature he read and re-read the line 'My eyes drink the rivers as they flow' in great emotion, and then abruptly ended by saying' I can't explain it! It is only cowper who can explain it'.... It was a never to be forgotten scene when he asked Maulori S. M. Saadulla, The Joungest member of the clas... to play the part of dying Arthur, how the latter lay falt on the floor of the classroom. The present writer, whenever the thinks of Mr. Sudmersen, thinks (probably by the law of sinmilarity) of Cowper. Has not Mr. Sudmersen a bit of Cowper's 'taciturnity' in him?'

ড" সূৰ্য কুমাৰ ভূঞাদেৱেও শিক্ষক হিচাপে চুডমাৰ্চেনক এনেদৰে বৰ্ণনাইছে—

'He had a wonderful scnse of humour, and some histrionic leaning as well. He taught us Macaulay's 'Addison'; and I remember the animated and dramatic expositions he gave of the interesting situations and incidents described in the book.'

সঁচাকৈয়ে মহান চুডমাৰ্চেন কটন কলেজৰ সুদক্ষ অধ্যক্ষ হোৱাৰ উপৰি এজন বিৰল আদৰ্শ শিক্ষক আছিল।

**"If Gandhi is Congress, Sudmersen is Cotton College"**

প্ৰয়াত অধ্যাপক চন্দ্ৰ নাথ কলিতাদেৱে কটন কলেজৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৰণিকাত লিখা প্ৰবন্ধ এটাত মহান চুডমাৰ্চেনক ওপৰত দিয়া উক্তিৰে সন্মান জনাইছিল। সঁচাকৈয়ে এশ বছৰ আগেয়ে প্ৰতিষ্ঠিত কটন কলেজৰ জন্মলগ্নত এশ-এবুৰি সমস্যাই বিব্ৰত কৰি ৰখা অৱস্থাতেই ফ্ৰেডেৰিক উইলিয়াম চুডমাৰ্চেনদেৱে অধ্যক্ষৰূপে কলেজখনক কেনেদৰে প্ৰতিপালন কৰি সমগ্ৰ ভাৰতবৰ্ষতে এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গঢ় দি তুলিছিল ভাবিলে বিস্মিত হ'ব লাগে। সেয়ে আমি সোঁৱৰো—

জয়তু মহান চুডমাৰ্চন।
জয়তু চিৰ সেউজীয়া কটন
কলেজ।।

গল্প

# সমদ্বিবাহু ত্ৰিভুজ

অঞ্জনাময়া ডেকাপাটগিৰি



"....দাদুৰা খচৰাং স্ৰং, দাদুৰা চকৰাং স্ৰং
দাদুৰাৰ ঘৈণী কাপোৰ বুইছে
দাদুৰা কৰে ৰং..."

পেনপেনীয়া সৰু মাতটোৰে নিচেই কাষতে গোৱা গীতৰ কলিটো শুনি ভাদৈৰ টিঙিচকৈ খঙটো উঠি আহিল। 'উস! ইহঁতক লৈ আৰু নোৱাৰিছোঁ, একেপাত চৰতে... জহনীত যোৱাহঁত...." বুলি বহি থকাৰ পৰা উঠি খেদা মাৰিব খোজোতেই পেন্দুকণা ল'ৰাকেইটা দৌৰ মাৰি পদূলি পালেগৈ। মনৰ ফূৰ্তিত সিহঁতকেইটাই জঁপিয়াই জঁপিয়াই হাঁহিবলৈ ধৰিলে। এজাউৰি গালি পাৰি ভাদৈ পুনৰ তাঁতত বহিল। অথনিৰে পৰা ছিগা সূতাবোৰ গাঁঠি দি দি তাই ভাগৰি পৰিছে। ইমানবোৰ সূতা ছিগিছে! নিছিগিবনো কিয়?। গিৰীয়েক দাদুৰাই গাৰ সমস্ত শক্তিৰে যিডালহে ৰাম-টাঙোন দলিয়াইছিল তাইলৈ। ভাগ্যে তাইৰ গাত নালাগি তাঁতশালখনত পৰিছিলগৈ। শালৰ কাপোৰখনৰ সূতাসোপাকে মহটিয়াই থৈ টাঙোনডাল দূৰৈত ছিটিকি পৰিছিল। আজি চাৰিদিন আগতে গিৰীয়েকৰ লগত ভালকৈয়ে এখুন্দা লাগিছিল তাইৰ। বেচেৰা মানুহটোৱে গাৰ খজুৱতিত ইছাট-বিচাট কৰি আছিল। তাতেই তাই টেঙটেঙীয়া মাতটোৰে বকনি আৰম্ভ কৰাত মানুহটো খঙত একো নাই হৈ গ'ল। ফলত তাই বৰ যতনেৰে সুত লগাই লোৱা কাপোৰখনৰ এই অৱস্থা। মানুহটোও যি ওলাই গ'ল এই চাৰিদিনে ঘৰলৈ অহাই নাই। তায়ো খঙতে বিচৰ-খোচাৰ কৰা নাই। আজি মনটো ভাল লগাৰ বাবে তাঁতখনত বহিছিল। পিছে, সূতাবোৰ গাঁঠি দিওঁতে দিওঁতে তাই খঙে-ৰাগে জ্বলা-কলা হৈ গৈছে। চেপা কান্দোন এটা বুকুখনত গুজৰি-গুমৰি উঠিছে। তাতেই জ্বলা জুইত ঘিউ ঢলাৰ দৰে তাইক জোকাই গা তুলিবলৈ গোৱা গীতটো শুনি তাইৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল। হ'ল বুলিনো আৰু কিমান সহিব? ডাঙৰৰ পৰা সৰুলৈ সকলোৰে পৰা কেৱল ঠাট্টা-উপলুঙা। গিৰীয়েকৰ বাবেই তাইৰ এই অৱস্থা। ইমান দুৰ্ভগীয়া তাই! সূতা গাঁঠিবলৈ এৰি ভাদৈয়ে তাঁতখনৰ খুঁটাটোতে আঁউজি চকু দুটা মুদি দিলে। তাইৰ জীৱন ইতিহাসৰ এছোৱা অধ্যায়ৰ পাতকেইখিলা ফৰফৰকৈ উৰি আহি তাইৰ মনৰ চকুৰ আগত মেল খাই ৰ'ল। অনুভৱ কৰিলে তাই আৰু এইখন তাঁতত বহি থকা নাই। বহি আছে সুদূৰৰ পহুমৰা গাঁৱৰ ভিনিহিয়েকহঁতৰ বৰঘৰৰ পিছফালৰ বায়েক তৰাদৈৰ তাঁতখনত। ইতিমধ্যে তাইৰ যোল্লটা বসন্ত গৰকা গাভৰু জীৱনটোৰ ওপৰেদি এক কোবাল ধুমুহা পাৰ হৈ গৈছে। সম্পূৰ্ণ নিস্তেজ-নিস্পন্দ উদাসী মন এটি লৈ তাই বায়েকে লগাই দিয়া কাপোৰখনত মনটো ঢালি দিবৰ যত্ন কৰিছে। পিছে যত্ন কৰিলেই জানো পাৰি? কি সতে পাহৰিব তাই জীৱনৰ প্ৰথম পুৰুষক? যাক হিয়া উজাৰি ভাল পাইছিল, সেই প্ৰাণৰ দেৱতাই যে আকাশৰ তৰা হৈ গ'ল। দুদিনৰ আগতে ৰঙীণ আশা-সপোনেৰে ভৰাই পেলোৱা দীঘল সেওঁতাৰ ৰঙা ৰংবোৰ মচ খাই আকৌ উকা বৈচিত্ৰ্যহীন হৈ গ'ল। কি ভাবিছিল, কি হৈ গ'ল।

পৰিয়ালৰ হকা-বধা নুশুনি জীৱনৰ ইমান জটিল সিদ্ধান্তটো তাই কি ভীষণ সাহসেৰে লৈ পেলাইছিল। সেই সময়ত তাইৰ মনত আন একো কথাই নেখেলাইছিল। অনবৰতে এযুৰি মৰমসনা চকুৰ আকুল চাৱনিয়ে তাইক আমনি কৰিছিল—

"য'ত নীলা নীলা জলকেলি
অহৰহ ঢৌ তুলি,
নাচি-বাগি, উতলে আকুল হৈ।"

সকলোৱে কৈছিল, বহুতেই তাইক সকীয়াইয়ো দিছিল, পদুমৰ মাৰাত্মক ৰোগ আছে বুলি। তাইৰ কিন্তু বিশ্বাস নহৈছিল। ইমান মৰমলগা শান্ত ল'ৰাটোৰ বুকুত লুকাই আছে মৃত্যুৰ ভয়ংকৰ কীট। ওহোঁ, হ'ব নোৱাৰে। মানুহবোৰে তাইক হয়তো মিছাকৈয়ে কৈছে। মিলনৰ সুগন্ধি ফুলৰ দলিচাত বিচ্ছেদৰ বিষময় কাঁইট সিঁচিব খোজা সেই মানুহবোৰৰ প্ৰতি উৎকট ঘৃণাত যেন তাইৰ ওকালি আহিব।



ইযোৱাৰ পিচত সিযোৱাকৈ তাইক চাবলৈ অহা মানুহবোৰক তাই নিৰ্মোহচিতে বিমুখ কৰিছিল। ককায়েকহঁতৰ খঙে চুলিৰ আগত নাচিছিল। অকথ্য গালি-শপনিৰ শেল বুকুপাতি লৈয়ো তাই কিন্তু অবিচলিত হৈ থাকিল। কাৰো বুজনিয়ে তাইক টলাব নোৱাৰিলে। তাই যে নোৱাৰে পদুমৰ মিঠা চকুযুৰিৰ আকুল আহ্বানক আওকাণ কৰিব। ভগৱানৰ ওপৰত তাইৰ অগাধ বিশ্বাস আছিল। তাইৰ কোমল বুকুৰ মাজৰ পৰা তাইৰ প্ৰাণৰ দেৱতাক ভগৱানে আঁজুৰি নিব নোৱাৰে। সেই বিশ্বাস বুকুত বান্ধিয়েই তাই মৃত্যুমুখী ল'ৰাটোৰ আয়ুসৰেখা তাইৰ শিৰৰ সেওঁতাত আঁকি ল'লে। উজ্জ্বল ৰঙা সেন্দূৰৰ দীঘল ৰেখাডাল দেখি নিষ্ঠুৰ নিয়তিয়ে চাগে তাইলৈ চাই তাচ্ছিল্যৰ হাঁহি মাৰিছিল।

শুভ বিবাহৰ যুৰীয়া প্ৰজাপতি উৰিবৰ দুমাহো নহ'ল। এদিন আবেলি পদুমে তেজ বঁতিয়াই বঁতিয়াই থৰ হৈ গ'ল। মুখেৰে হোলোকা-হোলোকে ওলাই অহা ডাঠ ৰঙা তেজবোৰ দেখি তাই উশাহ সলাবলৈকো পাহৰি গ'ল। এবাৰ গিৰীয়েকক ধৰি উঠাই দিবলৈ তাই শক্তি নাপালে। জ্ঞান হেৰুৱাই তাই বাগৰি পৰিল তেজৰ ডোঙাত। পদুমৰ কলিজাৰ টুকুৰাৰ ওপৰত॥ পদুমে তাইক বিশ্বাসঘাতকতা কৰিলে। সঁচাকৈয়ে সি হেৰাই গ'ল তাইক নিঠৰুৱা কৰি। ষোল্ল বছৰীয়া অনভিজ্ঞ গাভৰুজনী হৈ পৰিল দিশহাৰা। ঘৰলৈ উভতি যোৱাৰ পথো যে ৰুদ্ধ। পদুমৰ প্ৰতি গভীৰ ভালপোৱাই তাইক ভয়ংকৰ ভৱিষ্যতৰ কথা ভাবিবৰ অৱকাশ দিয়া নাছিল। তাই ভাবিব পৰা নাছিল সঁচাকৈ পদুমে তাইক এৰি যাব। সেয়ে ঘৰৰ লগত সকলো সম্পৰ্ক ছেদ কৰি মৰম আকলুৱা ছোৱালীজনী পলাই আহিছিল প্ৰেমে জীপাল কৰা বিৰিখৰ শীতল ছাঁত জিৰাবলৈ। লগে লগে তাইৰ বাবে ঘৰৰ দুৱাৰ জাপ খাই গৈছিল চিৰদিনলৈ। কি কৰিব এতিয়া তাই? চতুৰ্দিশ তিমিৰাচ্ছন্ন। পোহৰ লেশমানো নাই। আত্মহত্যা কৰিব খুজিও তাই ৰৈ গ'ল। অদ্ভুত! জীৱনলৈ মানুহৰ এই মোহ। দুচকুলৈ নামি অহা অন্ধকাৰৰ মাজত আশাৰ টিমিকি পোহৰ হৈ বায়েকে যেনিবা আহি তাইক লৈ গ'লহি। বায়েকৰ ঘৰত তাঁত-সূত বৈ তাই লাহে লাহে ভয়ংকৰ অতীতটোক বিস্মৃতিৰ গহ্বৰলৈ ঠেলি দিবৰ যত্ন কৰিলে। পিছে কিমান দিনলৈ তাই এনেদৰে বায়েক-ভিনিহিয়েকৰ বোজা হৈ থাকিব। তাইকতো আৰু কোনেও বিয়া নকৰায়। তাইতো নিৰ্মল সতেজ ফুল এপাহ হৈ থকা নাই। বৈধব্যৰ অস্পৃশ্য সাজে তাইকতো মেৰিয়াই ধৰিছেই। কিন্তু তাইৰ জীৱন চকৰী দেখোন আকৌ কোনোবা দিশে ঘূৰিল। আৰম্ভ হ'ল জীৱনৰ অন্য এক অধ্যায়। ভিনিহিয়েকহঁতৰ ঘৰলৈ মাজে মাজে আহি থকা দাদুৰাই বায়েকৰ আগত তাইক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলে, বায়েক-ভিনিহিয়েকে ভালেই পালে। হওক তেওঁ দুৰ্ভগীয়া ছোৱালীজনীৰ গত এটা লাগক। কথাটো যেতিয়া তাইক কোৱা হ'ল সৰ্বশীৰ তাইৰ জিকাৰ খাই উঠিল। তাই আপত্তি কৰিব খুজিছিল কিন্তু মুখ ফুটাই একো ক'ব নোৱাৰিলে। এতিয়াতো তাই ঘৰৰ আলসুৱা ভণ্টিজনী হৈ থকা নাই। তাইযে বিধৱা। মূৰৰ ওপৰত কলংকৰ চেকা। এতিয়া তাইৰ ইচ্ছা-অনিচ্ছাৰ মূল্যইবা ক'ত? কিহৰ সাহসত তাই না কৰিব।

তথাপিও..... মানুহটো আদহীয়া, দেখিবলৈকো অশুৱনি, সেইবাবে তাই আপত্তি কৰিব খোজা নাছিল। আকৌ এবাৰ বিয়াৰ কথা ভবাটো তাইৰ বাবে কিমান যন্ত্ৰণাদায়ক সেয়া আনে কেনেকৈ বুজিব? তাইৰ বুকুৰ থাপনাত যে পদুমৰ অক্ষত অম্লান মূৰ্তি সদা দণ্ডায়মান। তাত আন এজনক স্থান দিয়ে কেনেকৈ? দুচকুৰে তাইৰ সৰসৰকৈ চকুলো সৰিছিল। সৰিছিল নীৰৱে।

০ ০ ০

আকৌ এবাৰ ভাদৈৰ উকা সেওঁতা ৰঙীণ হ'ল। কিন্তু বিয়াৰ পিছতে তাই এক ভয়ংকৰ বাস্তৱৰ সন্মুখীন হ'ল। দাদুৰাম অস্পৃশ্য।

গোটেই গাত তাৰ দাদু (খহু)। সেয়ে নামটোও তাৰ দাদুৰা (খহুৰা)। গাঁৱৰ মানুহে তাক লেই লেই-ছেই ছেই করে। তাৰ গাত তাই খহুবোৰ দেখিছিল যদিও সেয়া তাই সাময়িক বুলি ভাবিছিল। পিছতহে তাই বুজিলে সেয়া স্থায়ী ৰোগ বুলি। সেইবাবে সি দুকুৰি পাঁচ বছৰলৈ ডাং বৰলা হৈ আছিল। খহুৰা এটালৈ কোনেনো ছোৱালী দিব? ভাদৈৰ অতীতটোৰ বিষয়ে জানি সি সাহস গোটাইছিল তাইক বিয়াৰ প্ৰস্তাৱ দিবলৈ। কথাটো জানিব পাৰি ঘৃণাত তাইৰ নাক কোঁচ খাইছিল। তাৰ স্পৰ্দ্ধা দেখি মানুহটোক তাই সহ্য কৰিব নোৱাৰা হ'ল। কিয় এই মানুহজনে তাৰ কদৰ্য জীৱনৰ স'তে তাইক সাঙুৰিবলৈ আনিলে? পদুমো ৰুগীয়া আছিল। তাকো মানুহে ঘৃণা কৰিছিল। প্ৰকাশ্যে নহ'লেও আঁৰ লৈ কিন্তু সেই কথাই তাইৰ মনত ৰেখাপাত কৰিব পৰা নাছিল কাৰণ তাই পদুমলৈ বিয়া হৈছিল হৃদয়ৰ সমস্ত আকুলতাৰে। কিন্তু দাদুৰালৈ তাই বিয়া হ'ল বাধ্যত পৰি, পেটৰ তাড়নাত। তাইৰ বুকুত নাছিল মানুহটোৰ প্ৰতি সামান্যতমো আকুলতা। তেনেজন মানুহৰ বাবেই যদি তাই মানুহৰ ঠাট্টা-মস্কৰা শুনিব লাগে তাই কেনেকৈ সহিব? বিয়াৰ পিছৰে পৰা তাইৰ কৰ্ণ কুহৰত ঠাট্টা-মস্কৰাৰ বৰবিহ কিমান সোমাল তাৰ হিচাপ তাইৰ নাই। ডাঙৰৰ পৰা পেন্দুকণালৈ সকলোৰে মুখত উপলুঙাৰ সেই গীত— 'দাদুৰা খৰচং স্রং....' খঙত তাই ডেই-পুৰি মৰে। দুয়োৰে মাজত দুৰ্বাদল কাজিয়া লাগে তাকে লৈ। আজি চাৰিদিন আগৰ কাজিয়াখনৰো উৎস সেয়াই। কাৰণটোও বৰ আমোদজনক। পথাৰত কঠীয়া পাৰিবলগীয়া হ'লে গাঁৱৰ মানুহবোৰ দাদুৰাৰ ওচৰলৈ আহে বতৰৰ আগজাননী ল'বলৈ। পিছৰ কেইদিন বৰষুণ দিব নে ৰ'দ দিব সেয়া দাদুৰাই আগতেই গম পায়। বতৰ ফৰকাল থাকিলে তাৰ গাৰ খহুবোৰ শান্ত হৈ শুই থাকে। কিন্তু বৰষুণ দিও দিও কৰিলে দাদুৰাৰ খজুৰতিত তৰণি নোহোৱা হয়। গাৰ খহুবোৰে দেওধনী হৈ নাচে। প্ৰথম অৱস্থাত সি লাজ পাইছিল যদিও পিছলৈ সি সহিব পৰা হৈছিল। কিন্তু ভাদৈক বিয়া কৰোৱাৰ পিছত কথাটোৱে তাক বৰ আহুকালত পেলালে। ভাদৈক অনাৰ পিচত এদিন সৰু ল'ৰা এটা আহিছিল দাদুৰাক বিচাৰি। 'দাদুৰাক'ই, পিতায়ে বিধান পেলাব খুজিছে, ৰ'দ দিবনে বৰষুণ দিব সুধিব'লৈ কৈছে তোক।' ল'ৰাটোৰ কথা শুনি আশ্চৰ্যত ভাদৈৰ চকু দুটা বহলকৈ মেল খাই গৈছিল। ৰ'দেই দিয়েনে বৰষুণেই দিয়ে দাদুৰাইনো কেনেকৈ জানিব? দাদুৰাক সোধোতে তাই ধমকিহে খালে। পিছত তাই আক-তাক সুধিছিল ৰহস্যটোনো কি? শেষত কথাটো জানিব পাৰি লাজে-অপমানে তাই জৰ্জৰিত হৈ গৈছিল। তাৰ পিছৰ পৰা গাঁৱৰ কোনোবা মানুহে দাদুৰাক বিচাৰি আহিলে তাই গালি-শপনি পাৰি খেদি পঠিওৱা হ'ল। আজি চাৰিদিনমান আগতে সৰু ল'ৰা দুটা আহিছিল দাদুৰাক বিচাৰি। সিহঁতক দেখি খঙত তাই জ্বলি গৈছিল। অভ্যাসলব্ধভাৱে সিহঁতৰ মুখেৰে ওলাই আহিছিল সেই গীতৰ কলি— 'দাদুৰা......'।

ধৈৰ্যৰ বান্ধ তাইৰ ছিগি গৈছিল। সাত পুৰুষ উজাৰি গালি পাৰিছিল দাদুৰাক। অন্যদিনাতকৈ সেইদিনা দাদুৰাৰ খঙো তুংগত উঠিছিল। বৰষুণৰ আগজাননী দি তাৰ গাৰ খহুবোৰে টিঙিচি-বিঙিচি লগাইছিল। তাৰে ওপৰত বকনি খাই দুৰ্ভগীয়া মানুহটো খঙত একো নাই হৈ গ'ল। হিতাহিত জ্ঞান হেৰুৱাই ৰামটাঙোনডাল মাৰি পঠিয়ালে তাইলৈ। তাৰ পিছত মানুহটো থৰ হৈ তাইৰফালে চাই ৰ'ল কিছুসময়। চকু দুটা তাৰ জলমল কৰি উঠিল। ঠোকাঠুকি মাতেৰে সি ক'লে— 'তোৰ অন্তৰখন বৰ কোমল বুলি ভাবিহে মই তোক বিয়া কৰিছিলো। পদুমক ৰুগীয়া বুলি জানিও তই তাৰ স'তে বিয়া সোমাইছিলি বুলি জানি মই ভাবিছিলো তই মোকো ঘিণ নকৰিবি। দেখিছো, মোৰেই ভুল। মই তোক চিনি পোৱাত ভুল কৰিছিলো। ময়ে দুৰ্ভগীয়া। মোৰ দোষ, মই কুন্ধচ, মই ৰুগীয়া।' শেষৰফালে দুখত তাৰ মাতটো ডিঙিত এঠা লাগি ধৰিছিল। তাৰ পিছত সি ফো-ফোৱাই ওলাই গ'ল। তাৰ কথাকেইযাৰ আকৌ এবাৰ ভাদৈৰ কাণত বাজিল। তাই বৰ্তমানলৈ ঘূৰি আহিল। হঠাতে তাইৰ বুকুখন ধৰফৰ কৰি উঠিল। দাদুৰাৰ বাবে তাইৰ বুকুখনত হাহাকাৰ লাগিল। এয়া তাই কি কৰিছে? মানুহৰ নিন্দা, ঠাট্টা শুনিয়েই দুৰ্ভগীয়া মানুহটোৰ গোটেই জীৱন গেলি-পচি গৈছে। তাইৰ পৰা এষাৰ মৰমৰ মাত, এধানিমান সহানুভূতি বিচাৰি সি তাইৰ ওচৰত হাত পাতিছিল। কিন্তু তায়ো সেইকণৰ পৰা তাক বঞ্চিত কৰিলে। এবাৰো অনুভৱ নকৰিলে তাৰ বোবা যন্ত্ৰণাবোৰ। তাইৰ এনে লাগিল দাদুৰাক ঘিণ কৰি তাই যেন পদুমৰ প্ৰতি তাইৰ অকুণ্ঠ ভালপোৱাক কলুষিত কৰি তুলিছে। পদুমতো ৰুগীয়া আছিল। মানুহে তাকো ঘিণ কৰিছিল। সিও কঢ়িয়াই লৈ ফুৰিছিল একেই যন্ত্ৰণাৰ জ্বালামুখী। নাই তাই ভুল কৰিছে। পদুম আৰু দাদুৰা ভিন্ন হ'ব নোৱাৰে। অন্ততঃ তাইৰ বাবে। তাইৰ হৃদয়ত দাদুৰাৰো স্থান আছে। তাইৰ অনুভৱ হ'ল তাইৰ বুকুত এটা সমদ্বিবাহু ত্ৰিভুজ গঢ় লৈ উঠিছে যাৰ ভূমিৰেখা তেতিয়া স্পষ্ট নহয়। ত্ৰিভুজটোৰ ভূমি সংলগ্ন কোণ দুটাৰ পৰা দুযুৰি চকুৰ আকুল চাৱনিয়ে তাইৰ বুকুত এটি শীৰ্ষ কোণ কৰিছে। এযুৰি চকু পদুমৰ, আনযোৰ দাদুৰাৰ। দুয়োযুৰি চকুৰ মাজৰ সংযোগৰ সাঁকো তাই গঢ়ি তুলিছে। তাইৰ হৃদয় দাদুৰাৰ প্ৰতিও আকুল হৈ উঠিছে। ভূমিৰেখা স্পষ্ট হৈ আহিছে ক্ৰমাৎ.... ইতিমধ্যে আন্ধাৰ নামি আহিছিল পৃথিৱীৰ বুকুলৈ। আকাশত এটা-দুটা তৰা ওলাইছিল। ভাদৈয়ে তাঁতৰ পৰা উঠি আকাশলৈ চালে। আকাশতো এটা সমদ্বিবাহু ত্ৰিভূজৰ তিনিওটা কোণৰ অৱস্থানত তিনিটা তৰা তাইৰ চকুত পৰিল। শীৰ্ষ কোণৰ অৱস্থানত থকা তৰাটো নিষ্প্ৰভ, আন দুটা অতি উজ্জ্বল কাৰণটো তাই বুজিব পৰা নাছিল। দূৰৈত শিয়ালে হোৱা দিছিল। ৰাতিৰ নিৰ্জনতা ভেদি উঠি আহিছিল সিহঁতৰ কৰ্কশ কণ্ঠস্বৰ—

'কেহ্ কেহ্, হোৱা হোৱা।'

তাই ভাবিলে পিচদিনা পুৱাই তাই দাদুৰাক বিচাৰি যাব। কিন্তু ইতিমধ্যে বহু পলম হৈ গৈছিল। তাই জনা নাছিল দূৰৈৰ বাকৰিত দুৰ্ভগীয়া মানুহটোৰ মৰাশটো শিয়ালে বখলিয়াইছিল। তাইৰ ওপৰত অভিমান কৰি মানুহৰ নিষ্ঠুৰতাক ভেঙুচালি কৰি দাদুৰাই আত্মহত্যা কৰিছিল। ভাদৈয়ে পুনৰ মূৰ তুলি আকাশলৈ চালে। সমদ্বিবাহু ত্ৰিভুজটোৰ ভূমি সংলগ্ন কোণ দুটাৰ অৱস্থানত থকা তৰা দুটাই উজ্জ্বল পোহৰেৰে তিৰবিৰ কৰি আছিল তেতিয়াও...। ■

# মানৱ জিন'ম প্ৰকল্প আৰু ক্ল'নিং ঃ এটি অৱলোকন

সুমন্ত বৰুৱা



দীপশিখাৰ ডাঙৰ অসুখ। চাৰি বছৰীয়া ছোৱালীজনীৰ হৃদযন্ত্ৰটো প্ৰায় অকামিলা হৈ গৈছে। ডাক্তৰে যদিও এটা কৃত্ৰিম হৃদযন্ত্ৰ তাইৰ বুকুত লগাই দিছে, সিও হেনো খুব বেছি দহ-বাৰ বছৰমানলৈহে কাম কৰি থাকিব। তাৰ পিছত কোনো উপযুক্ত 'দাতা' পোৱা গ'লে হৃদযন্ত্ৰ সংস্থাপন কৰিব পৰা যাব যদিও তেনে অংগও কিমান দিনলৈ সক্ৰিয় হৈ থাকে সেইটো কোৱা টান। কাৰণ তেনে বাহিৰা অংগ শৰীৰৰ ইমিউন ছিষ্টেমে সোনকালেই প্ৰত্যাখ্যান কৰে। দীপশিখাৰ মাক-দেউতাক প্ৰকাশ আৰু দেৱযানীৰ ভাব হৈছে তেওঁলোকেই যেন এই মুহূৰ্তত পৃথিৱীৰ আটাইতকৈ অসহায় পিতৃ-মাতৃ।

অৱশেষত উপায় আহিল। নেচাৰেল হাৰ্ট ডিভিজনৰ মুখ্য সঞ্চালক ডাঃ শ্ৰীবাস্তৱে প্ৰকাশ-দেৱযানীক পৰামৰ্শ দিলে যে দীপশিখাৰ ক্ল'নিং কৰা যাওক। দহ-বাৰ বছৰৰ পিছত যেতিয়া কৃত্ৰিম হৃদযন্ত্ৰটোৰো অসুখ শেষ হ'ব, তেতিয়া ক্ল'ন ছোৱালীজনীৰ হৃদযন্ত্ৰটোকেই দীপশিখাৰ বুকুত স্থাপন কৰিব পৰা হ'ব। যিহেতু ক্ল'ন ছোৱালীজনীক দীপশিখাৰে দেহৰ কোষৰ পৰা সৃষ্টি কৰা হ'ব, গতিকে তাইৰ অংগ এটাক দীপশিখাৰ শৰীৰে গ্ৰহণ কৰি লোৱাত কোনো অসুবিধা নাথাকিব।

ৰূপশিখা। দীপশিখাৰ ক্ল'ন। দেখাই-শুনাই, স্বভাৱে-চৰিত্ৰই 'বায়েক'ৰ সৈতে সাইলাখ একে ছোৱালীজনীৰ থুনুক-থানাক মাতে দেৱযানীহঁতৰ ঘৰখন ভৰাই তুলিলে। খেলি-ধুলি, নাচি-বাগি, হাঁহি-কান্দি দীপা-ৰূপাই প্ৰকাশ-দেৱযানীক ব্যস্ত কৰি ৰাখিলে। সকলোৰে লাহে লাহে পাহৰি গ'ল যে ৰূপশিখাজনী আচলতে দীপশিখাৰ প্ৰয়োজনত বিশেষভাৱে সৃষ্টি কৰা দীপশিখাৰেই এক জেৰক্স কপিহে।

সময় বাগৰি গ'ল। এদিন দীপশিখা হঠাতে পুনৰ অসুস্থ হৈ পৰিল। ডাক্তৰে ক'লে, ৰূপশিখাৰ হৃদযন্ত্ৰ অতি সোনকালেই দীপশিখাৰ শৰীৰত স্থাপন কৰিব লাগিব। প্ৰকাশ আৰু দেৱযানীয়ে দ্বিতীয়বাৰৰ কাৰণে খুব অসহায় অনুভৱ কৰিলে। এইবাৰ অৱশ্যে কোনো উপায় নাছিল।

এয়া হৈছে থূল-মূলকৈ ড° দীনেশ চন্দ্ৰ গোস্বামীৰ 'অভিন্ন হৃদয়' নামৰ এটা কল্পবিজ্ঞান কাহিনীৰ মূল কথা। আধুনিক জীৱবিজ্ঞানৰ শেহতীয়া বিস্ময় ক্ল'নিং প্ৰযুক্তিৰ প্ৰয়োগ আৰু তাৰ পৰা উদ্ভৱ হোৱা মানসিক দ্বন্দ্ব আৰু সামাজিক সংকতেই গল্পটোৰ বিষয়বস্তু।

বৰ্তমান জিন-প্ৰযুক্তিসম্পৰ্কীয় গৱেষণাৰ দ্ৰুত অগ্ৰগতিলৈ লক্ষ্য কৰিলে অচিৰেই এনে পৰিস্থিতি বাস্তৱ জীৱনতো সৃষ্টি হোৱা সম্ভাৱনা নুই কৰিব নোৱাৰি। ওঠৰ-ঊনৈশ শতিকাৰ শিল্প বিপ্লৱ, কুৰি শতিকাৰ শেহৰ দশকৰ তথ্য বিপ্লৱৰ পিছতে একবিংশ শতিকাত 'জেনেটিক বিপ্লৱে'ই হয়তো মানৱ সভ্যতাৰ যাত্ৰাপথত এক মাইলৰ খুঁটিৰূপে চিহ্নিত হ'ব। এই জিন-প্ৰযুক্তিবিদ্যাৰে দুটা নৱতম দিশ, মানৱ জিন'ম প্ৰকল্প আৰু ক্ল'নিং সম্পৰ্কে এই প্ৰবন্ধত আলোকপাত কৰিব বিচৰা হৈছে।

### আমাৰ দেহৰ 'কিতাপ'খনৰ আখৰবোৰ

দীৰ্ঘদিনীয়া পৰ্যবেক্ষণৰ অন্তত ১৮৮৫ চনত অষ্ট্ৰিয়াৰ জীৱবিজ্ঞানী গ্ৰেগৰ জোহান মেণ্ডেলে (Gregor Joham Mendel) সকলো জীৱৰে দেহত কিছুমান 'বংশগতিৰ লক্ষণ' লুকাই থাকে বুলি মত আগবঢ়ায়। ডেনমাৰ্কৰ জীৱবিজ্ঞানী ৱিলহেম জোহানছেনে (Wilhelm Johannsen) এই লক্ষণবোৰকে জিন (gene) নাম দিয়ে। আজি বিজ্ঞানীসকলে জানে যে জিনবোৰে কেৱল বংশগতিৰ লক্ষণসমূহকে এটা পীৰিৰ পৰা আন এটা পীৰিলৈ পৰিবহণ নকৰে; বৰঞ্চ জীৱদেহৰ সমগ্ৰ জীৱন-প্ৰক্ৰিয়াৰ প্ৰতিটো পৰ্যায়, প্ৰতিটো চৰিত্ৰ আগতীয়াকৈ নিৰ্ধাৰণ কৰি থয় এই জিনবোৰেই।

সকলো জীৱই এককোষী নাইবা বহুকোষী। মানুহৰ দেহত প্ৰায় ১০০ ট্ৰিলিয়ন অৰ্থাৎ ১০০ লাখ কোটি কোষ থাকে। প্ৰতিটো কোষৰে কেন্দ্ৰভাগত নিউক্লিয়াছ বা কোষকেন্দ্ৰ নামৰ ঘন গঠন এটা থাকে। নিউক্লিয়াছৰ ভিতৰতে পোৱা যায় সূতাৰ দৰে আকৃতিৰ ক্ৰম'জ'মবোৰ। মানুহৰ কোষৰ নিউক্লিয়াছত ২৩ যোৰ বা ৪৬ ডাল ক্ৰম'জ'ম থাকে। ডি এন এ (ডিঅক্সিৰিব'নিউক্লিক এছিড) নামৰ এবিধ বিশেষ পদাৰ্থ সূতাৰ

দৰে আকৃতিত পাক খাই ক্ৰমʼজʼমবোৰ গঠন কৰে।



*চিত্ৰ ঃ ১*

১৯৫৩ চনত মাৰ্কিন জীৱবিজ্ঞানী জেমছ বাটছন আৰু ব্ৰিটিছ জীৱ পদাৰ্থবিজ্ঞানী ফ্ৰান্সিছ ক্ৰিকে ডি এন এৰ গঠন নিৰূপণ কৰিলে। এই ডি এন এ অণুৰ অংশবিশেষেৰেই জিন গঠিন হয়। ৱাটছন আৰু ক্ৰিকৰ যুগান্তকাৰী আৱিষ্কাৰেই আধুনিক জিনেটিকছৰ ভেটি স্থাপন কৰিলে। ডি এন এৰ আকৃতি হৈছে ঠিক সমান্তৰাল ৰছী দুডালৰ মাজত ঢাপে ঢাপে পথালিকৈ একো একোডোখৰ ৰছী বান্ধি বান্ধি সজা জখলা এডালৰ দৰে। কাঠ মিস্ত্ৰিয়ে কাঠত বিন্ধা কৰিবলৈ ব্যৱহাৰ কৰা গিৰ্মিটডালৰ পাকবোৰৰ দৰেই ডি এন এ জখলাই পাক লৈ থাকে। জখলাডালৰ ঢাপবোৰ চাৰিবিধ সুকীয়া সুকীয়া ৰাসায়নিক পদাৰ্থৰ একো একোযোৰেৰে গঠিত হয়। এইবোৰক ‘বেʼছ পেয়াৰ’ (base pair) বা মূল যোৰ বোলে। এনে বেʼছ পেয়াৰ গঠন কৰা চাৰিবিধ বেʼছ হʼল এডেনিন (A), ছাইটʼছিন (C), থাইমিন (T) আৰু গুৱানিন (G)। লাখ লাখ বেʼছ পেয়াৰেৰে একোটা জিন গঠন হʼব পাৰে। আন কথাত ডি এন এ জখলাৰ একো একোটা বিশেষ বিশেষ অংশই হʼল একোটা জিন।

মানৱদেহত মুঠতে কিমান জিন আছে সি এতিয়াও এক বিতৰ্কিত বিষয়। বহু আগৰেপৰাই ভাবি অহা হৈছিল যে মানুহৰ শৰীৰত এক লাখমান জিন থাকে। কিন্তু শেহতীয়া গৱেষণাই দেখুৱালে যে প্ৰকৃততে মুঠ জিনৰ সংখ্যা একত্ৰিছ হেজাৰমানহে। অৱশ্যে এইক্ষেত্ৰত এতিয়াও মতান্তৰ আছে।

জিনবোৰে দুটা প্ৰধান কাম কৰে ঃ (১) কোষবোৰৰ বিভাজন ঘটাই জীৱটোৰ বৰ্ধন ঘটাত সহায় কৰে আৰু (২) জীৱদেহৰ বাবে প্ৰʼটিন সংশ্লেষণ কৰি লয়। জিনত থকা সংকেত অনুসৰিয়েই সি দুয়োটা কাম কৰিব পাৰে। সকলো জীৱিত বস্তুৱেই মূলতঃ প্ৰʼটিনেৰে গঠিত। মানৱদেহক প্ৰায় ৮০ হেজাৰমান বেলেগ বেলেগ প্ৰʼটিন লাগে। এই প্ৰʼটিনৰ অণুবোৰ আকৌ এমিন’ এছিডৰ দীঘলীয়া শৃংখলেৰে নিৰ্মিত। ২০ বিধমান এমিন’ এছিডে প্ৰʼটিন গঠনত ভাগ লয়। জিন একোটাত সন্নিবিষ্ট নিৰ্দেশনাবোৰেই এমিন’ এছিডৰ শৃংখলৰ ৰূপত প্ৰকাশিত হয়। আনধৰণে কʼবলৈ গʼলে যদি আমি আমাৰ দেহৰ সমগ্ৰ জীৱন প্ৰক্ৰিয়াক এখন নাটকৰ ৰূপত কল্পনা কৰোঁ, তেন্তে জিনবোৰ হʼব চিত্ৰনাট্যৰ ৰচক আৰু আচল অভিনেতা হʼব প্ৰʼটিনবিলাক।

## মানৱ জিনʼম প্ৰকল্প

জিনৰ ভাষাৰে লিখা মানৱ দেহৰ কিতাপখন পঢ়িবলৈ বিজ্ঞানীসকল যেন বদ্ধপৰিকৰ। এই বৈজ্ঞানিক তৎপৰতাৰ ফলস্বৰূপেই ১৯৯০ চনত আৰম্ভ হয় ‘হিউমেন জিনʼম প্ৰজেক্ট’ (Human Genome Project) নামৰ অভিলাষী প্ৰকল্প। জীৱবিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত বিজ্ঞানীসকলে এতিয়ালৈকে হাতত লোৱা প্ৰকল্পবোৰৰ ভিতৰতে ই সৰ্ববৃহৎ।

জিনʼম শব্দৰ অৰ্থ হʼল সকলো জিনেটিক বা বংশগতিৰ পদাৰ্থ। মানৱ দেহৰ জিনসমূহৰ এখন সম্পূৰ্ণ মানচিত্ৰ তৈয়াৰ কৰাটোৱেই হৈছে মানৱ জিনʼম প্ৰকল্পৰ মূল লক্ষ্য। কিন্তু এই জিনেটিক মানচিত্ৰখননো কেনেকুৱাধৰণৰ মানচিত্ৰ? সহজভাৱে কʼবলৈ গʼলে মানুহৰ আটাইবোৰ ক্ৰমʼজʼমৰ জিনেটিক কʼডসমূহৰ সুসংঘবদ্ধ লিখিতৰূপেই হৈছে বহুচৰ্চিত জিনেটিক মানচিত্ৰ। ভূগোলৰ মেপবোৰ যিদৰে বেলেগ বেলেগ হয় (যেনে ঃ প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, বাণিজ্যিক ইত্যাদি) তেনেদৰে জিনʼম মেপো বেলেগ বেলেগ হʼব পাৰে। জিনʼম মেপ প্ৰধানতঃ দুই ধৰণৰ ঃ এখন অৱস্থানভিত্তিক আৰু আনখন কাৰ্যভিত্তিক। অৱস্থানভিত্তিক মেপখনত সন্নিৱিষ্ট হʼব ক্ৰমʼজʼমবোৰৰ বিশদ অৱস্থান, জিনবোৰৰ অৱস্থান, জিনবোৰৰ পাৰস্পৰিক দূৰত্ব আৰু নিউক্লিঅʼটাইডবোৰৰ সম্পূৰ্ণ গাঁথনি। আনহাতে জিনসমূহৰ বিভিন্ন কাৰ্যাৱলীৰ বৰ্ণনা আৰু বৰ্তমানলৈকে আৱিষ্কৃত জিনবোৰৰ লগত নতুন আৱিষ্কাৰ হোৱা জিনসমূহৰ সম্পৰ্ক আদিৰ বিৱৰণক সামৰি লʼব কাৰ্যভিত্তিক মেপখনে। তদুপৰি অৱস্থানভিত্তিক আৰু কাৰ্যভিত্তিক, এই দুয়োখন মেপকে সামৰি এখন সামগ্ৰিক মানচিত্ৰ প্ৰস্তুত কৰাটোও ‘জিনীয় ভূগোলবিদ’সকলৰ অন্যতম লক্ষ্য।

এই মানচিত্ৰ অংকনৰ প্ৰক্ৰিয়াটো এটা উদাহৰণৰ দ্বাৰা বুজিবলৈ সহজ হʼব। সমগ্ৰ মানৱ জিনʼমক এখন চহৰৰ ৰূপত কল্পনা কৰি লোৱা যাওক। চহৰখনত প্ৰায় ৩০ হেজাৰ ঘৰ আছে। ক্ৰমʼজʼমৰ জিনবোৰেই হৈছে এই ঘৰবোৰ। এতিয়া অৱস্থানভিত্তিক মেপখনে এই ঘৰবোৰ চহৰখনৰ কোন কোন অংশত আছে, এটা ঘৰৰ পৰা আনটো ঘৰৰ দূৰত্ব কিমান ইত্যাদি প্ৰশ্নবোৰৰ উত্তৰ থাউকতে দিব পাৰিব। আনহাতে কাৰ্যভিত্তিক মেপখনে কʼব পাৰিব একোটা ঘৰৰ বাসিন্দাসকল কোন কোন, তেওঁলোকৰ স্বভাৱ-চৰিত্ৰ কেনেকুৱা, কাম-কাজ কি কৰে ইত্যাদি তথ্যবোৰ। লোকপিয়লৰ দৰেই মানৱ জিনʼম প্ৰকল্প হৈছে একপ্ৰকাৰৰ জিনপিয়ল!!

ন ন সম্ভাৱনাৰ বীজ সিঁচি মানৱ জিন'ম প্ৰকল্পৰ প্ৰথম পৰ্যায় সমাপ্ত হৈছে ২০০০ চনৰ ৮ মে' তাৰিখে। এই পৰ্যায়ত সমগ্ৰ মানৱ জিন'মৰ এখন 'কাৰ্যকৰী খচৰা' (Working Draft) প্ৰস্তুত কৰা হয়। সেই তাৰিখৰপৰাই জিন'ম প্ৰজেক্টৰ দ্বিতীয় পৰ্যায় বা শেষ পৰ্যায় আৰম্ভ হ'ল যাৰ সমাপ্তি হ'ব ২০০৩ চনত বা তাৰ আগতে। খচৰা মানচিত্ৰখনেই বংশানুক্ৰমিক বেমাৰ কিছুমানৰ বাবে দায়ী কেইবাটাও জিনৰ সন্ধেদ দিছে। স্তনৰ কৰ্কট, বহুমূত্ৰ, বংশানুক্ৰমিক বধিৰতা, হৃদৰোগ, মৃগী আদি কেইবাটাও বেমাৰৰ গুৰিতে থকা জিনবোৰৰ বিষয়ে বিজ্ঞানীসকলে মোটামুটিভাৱে সন্ধেদ পাইছে।

## জিনেৰে গঢ়ো আমাৰ ভৱিষ্যৎ

জিন'ম বিজ্ঞানৰ দ্ৰুত অগ্ৰগতি আৰু লাহে লাহে উন্মোচন হ'ব ধৰা ইয়াৰ সম্ভাৱনাসমূহৰ ব্যাপকতাই এই কথা নিশ্চিত কৰি তুলিছে যে জীৱবিজ্ঞানেই হ'ব একবিংশ শতিকাৰ সবাতোকৈ প্ৰাণোচ্ছল বিজ্ঞান। মানৱ জিন'ম প্ৰকল্প আৰু অন্যান্য জিন'মিকছ গৱেষণাই উদঘাটন কৰা সমল আৰু প্ৰযুক্তিয়েই ইতিমধ্যেই জীৱবিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰখনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে।

জিন'ম গৱেষণাই মুকলি কৰা কিছুমান প্ৰয়োগ ক্ষেত্ৰত এনেধৰণৰ ঃ

(ক) আণৱিক ঔষধ (Molecular medicine)

(খ) অণুজৈৱিক জিন'মিকছ (Microbial Genomics)

(গ) ৰাসায়নিক পদাৰ্থৰ ক্ষতিকাৰক দিশৰ ওপৰত অধ্যয়ন

(ঘ) জৈৱ প্ৰত্নতত্ত্ব, নৃতত্ত্ব, বিৱৰ্তন আৰু মানৱ প্ৰব্ৰজন

(ঙ) ডি এন এ ফৰেনছিক (চিনাক্তকৰণ)

(চ) কৃষি, পশুধন আদিৰ ক্ষেত্ৰত উন্নত নিৰোগ জাতৰ সৃষ্টি

(ক) ক্ৰমান্বয়ে বিশদভাৱে জানিব পৰা হৈ অহা জিন'ম মানচিত্ৰই বিজ্ঞানীসকলক এলঝেইমাৰ, বংশগত কল'ন কেন্সাৰ, স্তনৰ কেন্সাৰ আদি ৰোগসমূহৰ অন্তৰালত থকা জিনীয় বিসংগতিসমূহ চিনাক্ত কৰাত সহায় কৰিছে। তদুপৰি বিভিন্ন বেমাৰৰ প্ৰকৃত কাৰণবোৰ নিৰ্ণয় কৰি বৰ্তমানৰ লক্ষণভিত্তিক চিকিৎসাতকৈ উন্নততৰ চিকিৎসাৰ ব্যৱস্থা কৰা, আণৱিক পৰ্যায়ত দ্ৰুত আৰু সুনিৰ্দিষ্ট ৰোগ নিৰ্ণয় ব্যৱস্থাৰ সহায়ত ৰোগৰ লক্ষণে দেখা দিয়াৰ আগতেই তাৰ নিৰাময়ৰ ব্যৱস্থা কৰা, বিসংগতিপূৰ্ণ জিনবোৰৰ ঠাইত সুস্থ জিন সংস্থাপন কৰা আদি বিভিন্ন সম্ভাৱনাই চিকিৎসাবিজ্ঞানত এক অভূতপূৰ্ব বিপ্লৱৰ ইংগিত বহন কৰিছে।



*চিত্ৰ ঃ ২*

(খ) যদিও অণুজীৱৰ বৃহৎ জগতখনৰ ওপৰত আমি বহু পৰিমাণে নিৰ্ভৰশীল, এতিয়ালৈকে ০.০১ শতাংশতকৈও কম অণুজীৱৰ বিষয়েহে ভালদৰে জানিব পৰা গৈছে। জিন'ম গৱেষণাই এই বিচিত্ৰ পৃথিৱীখনলৈও আমাক বাট দেখুৱাই নিব বুলি আশা কৰা হৈছে। শক্তিৰ নতুন উৎস সন্ধান (জৈৱ ইন্ধন), জৈৱিক আৰু ৰাসায়নিক যুদ্ধৰ ভয়াৱহতাৰ পৰা নিৰাপত্তা ব্যৱস্থা, প্ৰদূষণকাৰী পদাৰ্থৰ অনুসন্ধান, নিৰাপদ আৰু দক্ষভাৱে বিষাক্ত আৱৰ্জনা আঁতৰ কৰা আদি দিশত অণুজীৱৰ ওপৰত কৰা জিন'ম গৱেষণাই (অণুজৈৱিক জিন'মিকছ) সুফল দিব।

(গ) দ্ৰুত ঔদ্যোগীকৰণৰ লগে লগে বিভিন্ন ৰাসায়নিক পদাৰ্থই মানৱ দেহৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱৰ দিশটোৱে গুৰুত্ব লাভ কৰি আহিছে। তেজস্ক্ৰিয় বিকিৰণৰ পৰা হ'ব পৰা বিপদ, কেন্সাৰ সৃষ্টিকাৰী পদাৰ্থৰ প্ৰভাৱ, কিছুমান ৰাসায়নিক পদাৰ্থৰ প্ৰভাৱত হ'ব পৰা স্থায়ী বংশানুক্ৰমিক বিসংগতি আদি দিশবোৰ বিশদভাৱে জানিব পৰা হ'ব জিন'ম গৱেষণাৰ জৰিয়তেহে।

(ঘ) জিন'মিকছৰ বিশদ অধ্যয়নে মানুহৰ বিৱৰ্তনৰ পথটোক সম্ভৱতঃ আমাৰ আগত অধিক স্পষ্ট কৰি তুলিব। আন প্ৰাণীৰ জিনৰ লগত মানুহৰ জিনৰ তুলনামূলক অধ্যয়নে ইতিমধ্যে জৈৱ বিৱৰ্তন আৰু জিনীয় উৎপৰিৱৰ্তনৰ বিষয়ে নতুন নতুন তথ্যৰ যোগান ধৰিছে। তদুপৰি এনে তুলনামূলক গৱেষণাৰ পৰা কেতবোৰ বংশগত ৰোগ আৰু বিসংগতিৰ মূলতে থকা একেধৰণৰ জিনবোৰ চিনাক্ত কৰিব পৰা গৈছে। বিভিন্ন মানৱ গোষ্ঠীৰ ওপৰত চলোৱা জিনীয় গৱেষণাই মানৱ প্ৰজন্মৰ গতিপথ আৰু ইতিহাস আমাৰ আগত সুসংবদ্ধ ৰূপত দাঙি ধৰিব বুলি আশা কৰা হৈছে।

(ঙ) প্ৰতিজন ব্যক্তিৰে আঙুলিৰ ছাপ বেলেগ বেলেগ হোৱাৰ দৰে কোষৰ ডি এন এৰ ক্ৰমো বেলেগ বেলেগ হয়, যাক ডি এন এ ফিংগাৰপ্ৰিণ্ট বুলিও কোৱা হয়। সন্দেহজনক অপৰাধীৰ চিনাক্তকৰণ, পিতৃত্ব বা মাতৃত্ব নিৰূপণ আদিৰ ক্ষেত্ৰত আজিকালি ডি এন এ ফিংগাৰপ্ৰিন্টৰ ব্যৱহাৰ হৈছে যদিও উন্নত জিন'ম প্ৰযুক্তিয়ে এনে প্ৰয়োগসমূহক বেছি সহজ কৰি তুলিছে। ইয়াৰ উপৰি বিপদাপন্ন প্ৰজাতিৰ চিনাক্তকৰণ, প্ৰদূষণকাৰী অণুজীৱৰ অনুসন্ধান, অংগ সংস্থাপনৰ বাবে সঠিক ব্যক্তি নিৰ্বাচন আদি বিভিন্ন ক্ষেত্ৰত ডি এন এ নিৰ্ভৰ চিনাক্তকৰণে পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব পাৰিব বুলি আশা কৰা হৈছে।

(চ) বেমাৰ-আজাৰ, কীট-পতংগ আৰু খৰাং বতৰ প্ৰতিৰোধী উন্নত জাতৰ শস্যই খাদ্য-উৎপাদন প্ৰক্ৰিয়া সহজ আৰু দ্ৰুত কৰি তুলিব। তদুপৰি জিন'ম গৱেষণাৰ অন্যান্য দিশবোৰ, যেনে— অধিক উৎপাদনক্ষম, পুষ্টিদায়ক আৰু স্বাস্থ্যৱান জাতৰ পশুধনৰ সৃষ্টি; খাদ্যৰ যোগেদি ল'ব পৰা ছিটা, জৈৱ কীটনাশক (biopesticides), অণুজৈৱিক এনজাইম (microbial enzymes) আদিৰ উৎপাদন আৰু প্ৰয়োগ ইত্যাদিয়ে আধুনিক মানুহৰ জীৱনযাত্ৰালৈ বৈপ্লৱিক পৰিৱৰ্তন অনাৰ ইংগিত বহন কৰিছে।

## জিন'ম গৱেষণাৰ মাইলৰ খুঁটিবোৰ

১৯৫৩ ঃ জেমছ ৱাটছন আৰু ফ্ৰান্সিছ ক্ৰিকে ডি এন এৰ গাঁথনি উদ্ধাৰ কৰে।

১৯৫৭ ঃ আণৱিক জীৱবিজ্ঞানৰ কেন্দ্ৰীয় মতবাদ স্থাপন হ'ল— 'ডি এন এৰ পৰা আৰ এন এ আৰু তাৰ পৰা প্ৰ'টিনলৈ সংকেত বাহিত হয়।

১৯৬৬ ঃ জিনেটিক সংকেত ভাঙি চোৱা হ'ল— আৰ এন এ বে'ছৰ তিনিটা গোটে প্ৰ'টিন সংশ্লেষণৰ বাবে দৰকাৰী এমিন' এছিডসমূহৰ সংকেত লুকুৱাই ৰাখে।

১৯৭২ ঃ প্ৰথম জিন ক্ল'নিং পৰীক্ষা কৰা হ'ল।

১৯৮৩ ঃ বংশানুক্ৰমিক ৰোগৰ আঁৰত থকা জিনৰ সন্ধান আৰম্ভ হ'ল।

১৯৮৪ ঃ ডি এন এ ফিংগাৰপ্ৰিণ্টিঙে বিকাশ লাভ কৰে।

১৯৮৫ ঃ সমগ্ৰ মানৱ জিন'মৰ অনুক্ৰম ঠাৱৰ কৰাৰ বাবে প্ৰথম বৈঠক বহিল।

১৯৮৮ ঃ মানৱ জিন'ম প্ৰকল্পত আমেৰিকান নেচনেল ৰিচাৰ্চ কাউন্সিলে অনুমোদন জনালে।

১৯৯০ ঃ ১৫ বছৰীয়া, ৩ বিলিয়ন ডলাৰ ব্যয়সাপেক্ষ 'হিউমেন জিন'ম প্ৰজেক্ট' আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল।

১৯৯৫ ঃ মুক্তভাৱে বাস কৰা জীৱ এবিধৰ (হিম'ফাইলাছ ইনফ্লুৱেঞ্জি) জিন'মৰ অনুক্ৰম তৈয়াৰ কৰা হ'ল।

১৯৯৭ ঃ ক্ল'নিং পদ্ধতিৰে ডলি নামৰ ভেড়া পোৱালিটোৰ জন্ম হ'ল।

১৯৯৮ ঃ ছি এলিগেনছ নামৰ কেঁচুজাতীয় জীৱবিধৰ জিন'মৰ পাঠ সম্পূৰ্ণৰূপে উদ্ধাৰ কৰা হ'ল। জিন'ম গৱেষকসকলে দুবছৰৰ ভিতৰতে হিউমেন জিন'মৰ খচৰা ২০০০ চনত প্ৰস্তুত হ'ব বুলি ঘোষণা কৰিলে।

২০০০ ঃ মানৱ জিন'মৰ প্ৰথম খচৰা প্ৰস্তুত হ'ল।

বহু প্ৰত্যাশা, বহু সম্ভাৱনা বোকোচাত লৈ জিন'ম গৱেষণাই উৎকৰ্ষ সাধনৰ সুদীৰ্ঘ পথটোত এতিয়ালৈকে কেইটামান খোজহে পেলাইছে। জিন'মীয় বিপ্লৱে এতিয়াও আমাৰ বেছিভাগৰে জীৱন চুই যোৱা নাই। কিন্তু এই বিপ্লৱে সমূহ পৃথিৱীবাসীৰে জীৱনক সাঙুৰি ল'বলৈ (মিডাছৰ স্পৰ্শেৰে?) আৰু বেছিদিন নাই। জিন'ম গৱেষণাৰ লগত প্ৰত্যক্ষভাৱে জড়িত ইংলেণ্ডৰ ৱেলকাম ট্ৰাষ্টৰ সঞ্চালক মাইকেল ডেক্সটাৰৰ ভাষাত 'কপাৰনিকাছে আমাৰ সৌৰজগতৰ বিষয়ে বোধ সলাই পেলোৱাৰ দৰে বা ডাৰউইনে আমাৰ বিৱৰ্তন সম্বন্ধীয় বোধ সলাই পেলোৱাৰ দৰে জিন'মৰ জ্ঞানেও আমাৰ মানৱ সম্বন্ধীয় বোধ সলাই পেলাব।'



*চিত্ৰ নং ৩*

## ক্ল'নিং প্ৰাণীৰ 'কলম' দিয়াৰ অভিনৱ কৌশল

ডলি নামৰ নিমাখিত মাইকী ভেড়া-পোৱালিটোৱেই নিমিষতে গোটেই বিশ্বতে যেন উখল-মাখল লগাই দিলে। কাৰণ, ডলি সাধাৰণ ভেড়া পোৱালি নহয়; ডলি হৈছে ক্ল'নিং পদ্ধতিৰে জন্ম হোৱা বিশ্বৰ প্ৰথমটো উচ্চ পৰ্যায়ৰ প্ৰাণী। ডলিৰ জন্মৰ পিছৰ পৰাই ক্ল'নিং শব্দটো আমাৰ বাবে এটা পৰিচিত শব্দ হৈ পৰিল।

ক্ল'নিংনো আচলতে কি? ইয়াক আমি সদায় দেখি থকা গছত কলম দিয়া পদ্ধতিৰ লগত ৰিজাব পাৰি। গুটিৰ পৰা গজালি মেলি গছ হোৱাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু গছজোপাৰ ডাল এটা কাটি সাৰ-পানী দি বিশেষ পদ্ধতিৰে ৰুলে কেতিয়াবা এনে ডালেই এজোপা পূৰ্ণ বৃক্ষৰ ৰূপ লয়। উদ্ভিদবিদ্যাৰ মতে ইয়াকে 'ক্লনিং' বোলা হয়।

প্ৰাণীদেহৰ ক্ষেত্ৰত কথাটো অলপ সুকীয়া। উচ্চ শ্ৰেণীৰ প্ৰাণীৰ ক্ষেত্ৰত মতাটোৰ শুক্ৰাণু এটা মাইকীজনীৰ ডিম্বাণু এটাৰ লগ লাগি যি প্ৰাথমিক ভ্ৰূণকোষৰ সৃষ্টি হয়, সেই ভ্ৰূণটোৰ গাত প্ৰাণীটোৰ সকলো অংগ গঠন কৰিব পৰাৰ সম্ভাৱনা লুকাই থাকে। এই ভ্ৰূণকোষটো বিভাজিত হৈ গৈ থাকোতে তাৰ কিছুমান কোষ সমষ্টিয়ে শৰীৰৰ নিৰ্দিষ্ট কিছুমান অংগৰ সৃষ্টি কৰে। সেই অংগৰ সৃষ্টি কৰা কোষবোৰৰ তেতিয়া অন্য অংগ গঠন কৰাৰ সামৰ্থ্য নোহোৱা হৈ পৰে। উদাহৰণস্বৰূপে আম'ৰ হাতৰ আঙুলিৰ কোষবোৰে চকু বা নাক গঠন কৰাৰ কৌশল 'পাহৰি' যায়।

এনেদৰে বিভাজিত হৈ বিশেষ অংগ একোটা গঠন কৰা 'পৰিপক্ক' কোষবোৰক বাৰু গোটেই প্ৰাণীটো গঢ়ি তুলিব পৰাৰ সম্ভাৱনা বহন কৰা সেই প্ৰাথমিক কোষবোৰৰ পৰ্যায়লৈ ঘূৰাই নিব পাৰিনে? গ্ৰেট ব্ৰিটেইনৰ স্কটলেণ্ডৰ ৰছলিন ইনষ্টিটিউটৰ ভ্ৰূণবিজ্ঞানী আয়ান উইলমাট (Ian Wilmut) আৰু তেওঁৰ সহযোগীসকলে এই প্ৰশ্নটোৰেই উত্তৰ বিচাৰিছিল। আৰু উত্তৰ আহিল ডলিৰ ৰূপত!

উইলমাট আৰু তেওঁৰ সহযোগীসকলে প্ৰথমতে মাইকী ভেড়াৰ পৰা অপৈণত, অনিষেচিত ডিম্বাণু কিছুমান সংগ্ৰহ কৰিছিল। সেই ডিম্বাণুবোৰৰ ভিতৰৰ ক্ৰম'জ'মবিলাক

উলিয়াই পেলোৱা হৈছিল— ফলত ডিম্বাণুবোৰ সম্পূৰ্ণভাৱে ডি এন এবিহীন হৈ পৰিছিল।

তাৰ পাছত বিজ্ঞানীসকলে দাতাৰ বংশগতিৰ পদাৰ্থ থকা কোষ সংগ্ৰহ কৰিছিল। ডলিৰ ডি এন এ আহিছিল ছবছৰীয়া মাইকী ভেড়া এজনীৰ ওহাৰৰ পৰা। ডইলমাট আৰু তেওঁৰ সহযোগীসকলে দাতা কোষ আৰু 'খালী' ডিম্বাণু ওচৰা-উচৰিকৈ ৰাখি সিহঁতক সংযুক্ত হ'বলৈ দিছিল। তাৰ বাবে তেওঁলোকে বিদ্যুৎ প্ৰৱাহ ব্যৱহাৰ কৰিছিল।

এইদৰে দাতাৰ কোষ আৰু ডিম্বাণুটো মিলি যেতিয়া এটা কোষ হৈ পৰিল, তেতিয়া তাক বিজ্ঞানাগাৰত পুষ্টিমাধ্যমৰ মাজত ৰখা হ'ল। সেই আদি ভ্ৰূণকোষটো বিভাজিত হৈ কেইবাটাও কোষৰ এক বিকশিত ভ্ৰূণ হৈ উঠাৰ পাছত, এসপ্তাহমানৰ মূৰত তাক এজনী ভেৰোণীয়া মাতৃৰ গৰ্ভত স্থাপন কৰা হ'ল। পাঁচমাহ পাছত ভেৰোণীয়া ভেড়াজনীয়ে ডলিক জন্ম দিলে।

ডলিৰ জন্ম প্ৰক্ৰিয়াটো শুনাত সহজ যেন লাগিলেও গৱেষক দলটোৱে মুঠ ২৭৭ যোৰ ডিম্বাণু-দাতাকোষৰ মিলনৰ চেষ্টা চলাইহে অৱশেষত ডলিৰ জন্ম দিব পাৰিছিল। তাৰ বাবে বহুতো সূক্ষ্ম পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন হৈছিল।

১৯৯৮ চনৰ এপ্ৰিল মাহৰ ১৩ তাৰিখে ডলিৰ এটা পোৱালি হ'ল। নাম থোৱা হ'ল বনি (Bonnie)। এইটোৱে প্ৰমাণ কৰিলে ডলিৰ জন্ম যদিও স্বাভাৱিক প্ৰক্ৰিয়াৰে হোৱা নাছিল, তাই কিন্তু পুনৰজননৰ বাবে সক্ষম।

ডলিৰ জন্মৰ পিচতেই গোটেই বিশ্বতে ক্ল'নিঙৰ উজান পৰিবলৈ ধৰিলে। ১৯৯৭ চনৰ মাৰ্চ মাহত ক্ল'নিং পদ্ধতিৰে নেটি (Neiti) আৰু ডিটো (Ditto) নামৰ দুটা ৰেছাছ বান্দৰৰ জন্ম দিওৱা হ'ল। একে বছৰৰে গ্ৰীষ্মকালত প্ৰথমবাৰৰ বাবে ক্ল'নিং প্ৰযুক্তি জিনেটিক ইঞ্জিনীয়াৰিঙৰ লগত একেলগে প্ৰয়োগ কৰা হ'ল। মানুহৰ তেজ গোট মৰাৰ লক্ষণ বহন কৰা জিন সুমুৱাই দিয়া ভ্ৰূণকোষৰ পৰা এইবাৰ পলি (Polly) নামৰ ভেড়া-পোৱালি এটাৰ জন্ম দিওৱা হ'ল। ইয়াৰ পাছৰ



*চিত্ৰ নং ৪*

কালছোৱাত বেলেগ বেলেগ গৱেষক গোটৰ দ্বাৰা তিনিটা গৰু পোৱালিও ক্ল'নিং পদ্ধতিৰে সৃষ্টি কৰা হ'ল।

## প্ৰতিশ্ৰুতি আৰু প্ৰত্যাহ্বান

ক্ল'নিঙক কুৰি শতিকাৰ বিজ্ঞানৰ এক চমকপ্ৰদ সাফল্য বুলি ক'ব পাৰি। কিন্তু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰায়বোৰ অৱদানকে জনসাধাৰণে যিদৰে আগ্ৰহেৰে আদৰণি জনায়, ক্ল'নিঙৰ ক্ষেত্ৰত সেইটো হোৱা নাই বুলিয়েই ক'ব পাৰি। কাৰণ ক্ল'নিঙৰ সৈতে নৈতিক দিশ এটাও জড়িত হৈ আছে। বিভিন্ন দেশত ক্ল'নিং সম্পৰ্কে হোৱা প্ৰতিক্ৰিয়াবোৰো বেলেগ বেলেগ। উদাহৰণস্বৰূপে ডলিৰ জন্মৰ ঠিক পাছতেই ইটালীয়ে যিকোনো স্তন্যপায়ী প্ৰাণীৰ সম্ভাব্য ক্ল'নিঙৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিলে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেইবাটাও সংগঠনে ক্ল'নিং প্ৰযুক্তিক আগ্ৰহেৰে স্বাগতম জনালে।

ভেড়া-ছাগলীৰ দৰেই মানুহকো ক্ল'নিং কৰিব পৰা যাবনে? যদি পৰা যায়, তাৰ ইতিবাচক বা নেতিবাচক দিশবোৰ কেনেধৰণৰ হ'ব? এই প্ৰশ্নসমূহক কেন্দ্ৰ কৰিয়েই যেন বৰ্তমান ক্ল'নিং সম্বন্ধীয় সম্ভাৱনা তথা দুৰ্ভাৱনাবোৰে আৱৰ্তন কৰিছে। প্ৰথম প্ৰশ্নটোৰ উত্তৰ হিচাপে ক'ব পাৰি যে মানৱ ক্ল'নিং পূৰামাত্ৰাই সম্ভৱ। বহুকেইজন বিজ্ঞানীৰ মতে ই অহা পাঁচ বছৰৰ ভিতৰতে সম্ভৱ হ'ব। আচলতে ডলিকে আদি কৰি কেইবাটাও উচ্চ পৰ্যায়ৰ প্ৰাণীৰ সফল ক্ল'নিঙৰ পিছত মানুহৰ ক্ল'নিং কাৰিকৰী কৌশলৰ দিশৰ পৰা বিশেষ চমকপ্ৰদ ঘটনা বুলি পৰিগণিত নহ'ব। কিন্তু সমাজবিজ্ঞানৰ দিশৰ পৰা ই অতি গুৰুত্বপূৰ্ণ ঘটনাৰূপে চিহ্নিত হ'ব। বিশ্ববাসীৰ বুজনসংখ্যকেই মানৱ ক্ল'নিঙক নীতিবিৰুদ্ধ আৰু প্ৰকৃতিবিৰুদ্ধ আখ্যা দিছে। অৱশ্যে এইক্ষেত্ৰত এনে কিছুমান ভুল ধাৰণা তথা আশংকাই গা কৰি উঠিছে যিবোৰৰ দৰাচলতে কোনো বৈজ্ঞানিক ভিত্তি নাই। বেছিভাগ লোকৰে ধাৰণা যে ক্ল'ন হৈছে এজন ব্যক্তিৰ হুবহু জেৰক্স কপি। গতিকে দুইজন 'যমজ'ৰে শাৰীৰিক গঠনৰ উপৰিও ব্যক্তিত্ব আৰু অন্যান্য চাৰিত্ৰিক বা মানসিক বৈশিষ্ট্যবোৰৰ মাজতো কোনো ব্যৱধান নাথাকিব। কিন্তু এই কথা সঁচা নহয়। যদিও ব্যক্তিজনৰ সৈতে ক্ল'নজন শাৰীৰিকভাৱে প্ৰায় একে হ'ব, ব্যক্তিত্ব বা মানসিক বৈশিষ্ট্যসমূহ সদৃশ নোহোৱাৰ সম্ভাৱনাই বেছি। কাৰণ, এজন মানুহৰ ব্যক্তিত্ব তেওঁ বহন কৰা জিনৰ ওপৰত আংশিকভাৱেহে নিৰ্ভৰশীল। মানুহজন ডাঙৰ-দীঘল হোৱা পৰিৱেশ আৰু অৰ্জন কৰা অভিজ্ঞতাইহে তেওঁৰ ব্যক্তিত্ব গঢ় দিয়াত প্ৰধান ভূমিকা

গ্ৰহণ কৰে। গতিকে কিছুমান আশংকাক পোনচাটেই নুই কৰিব পৰা যায়। উদাহৰণস্বৰূপে, সন্দেহী মনৰ বহু লোকে ভাবে যে আক্ৰমণাত্মক মনোভাৱৰ কোনো চৰকাৰে ক্ল'নিং পদ্ধতিৰে একোজন দুৰ্ধৰ্ষ সৈনিকৰ গাৰ পৰা হেজাৰ হেজাৰ তেনে সৈনিক 'তৈয়াৰ' কৰি যুদ্ধত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে বহুতে আশা কৰে যে, আইনষ্টাইন, ছেক্সপীয়েৰ, পিকাছো, মোজাৰ্ট সদৃশ আন প্ৰতিভাৱান ব্যক্তিৰ ক্ল'নিঙৰ দ্বাৰা বিশ্বৰ বিজ্ঞান, সাহিত্য, সংস্কৃতি ক্ষেত্ৰবোৰলৈ নৱজাগৰণ আনিব পৰা যাব। ইয়ো দৰাচলতে এক ভ্ৰান্ত ধাৰণাহে। কাৰণ আইনষ্টাইন অকল জিনেৰে আইনষ্টাইন হোৱা নাই। তাত পৰিবেশ আৰু সময়ে ছাপ দিছে।

ক্ল'নিং প্ৰযুক্তিৰ বাটকটীয়া ইয়ান উইলমাটে ক'বৰ দৰে ডলিৰ সৃষ্টিৰ আঁৰৰ উদ্দেশ্য প্ৰকৃততে মানৱ ক্ল'নিঙৰ পথ সুগম কৰাটো নাছিল; বৰঞ্চ আশা কৰা হৈছিল, তাৰ দ্বাৰা বহুমুখী উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা জীৱ-জন্তু উৎপাদন কৰিব পৰা যাব। উদাহৰণস্বৰূপে অধিক গাখীৰ দিয়া গৰুৰ প্ৰজাতিৰ কলম কৰি কম সংখ্যক গৰুৰ যোগেদিয়েই অধিক গাখীৰ পোৱা যাব, মাংসৰ বাবে ভাল জাতৰ ছাগলী বা ঊণৰ বাবে উন্নত জাতৰ ভেড়াৰ ক্ল'নিং কৰিব পৰা যাব।

চিকিৎসা আৰু গৱেষণাৰ পথাৰখনতো ক্ল'নিঙৰ আপাহতে ন ন সম্ভাৱনাই জীপ পাই উঠিছে। এতিয়ালৈকে উপযুক্ত দাতাৰ অভাৱত সম্ভৱ হৈ নুঠা বহুতো অংগ সংস্থাপন ক্ল'নিঙে সহজ কৰি তুলিব বুলি আশা কৰা হৈছে। জীৱ-জন্তুৰ অংগৰ দ্বাৰা মানৱদেহৰ খুঁত থকা অংগ সলাই পেলোৱাৰ (xenotransplantation) প্ৰচেষ্টা এতিয়া এক বহু চৰ্চিত বিষয়। কিন্তু মানুহ আৰু আন জীৱৰ মাজৰ প্ৰচুৰ জিনেটিক বৈসাদৃশ্যৰ কাৰণেই এই পদ্ধতি এতিয়াও সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। এতিয়া আশা কৰা হৈছে গাহৰিৰ জিনেটিক ক্ৰমৰ কৃত্ৰিমভাৱে পৰিৱৰ্তন ঘটাই তেনে গাহৰিৰ ক্ল'নিং কৰি অংগ সংস্থাপন সহজসাধ্য কৰি তুলিব পৰা যাব।

ক্ল'নিঙৰ সহায়েৰে এনে জীৱ-জন্তু সৃষ্টি কৰিব পৰা যাব যাৰ গাত ছিষ্টিক ফাইব্ৰ'ছিছ (Cystic fibrosis) আৰু হৃৎপিণ্ডৰ ৰোগৰ দৰে মানুহৰ ৰোগ থাকে। ছিষ্টিক ফাইব্ৰ'ছিছত হাওঁফাওঁত শ্লেষ্মা আৰু কফ জমা হয়, উশাহ-নিশাহত কষ্ট হয় আৰু ৰোগী লাহে লাহে মৃত্যুৰ মুখলৈ আগবাঢ়ে। মাত্ৰ এবিধ জিনৰ খুঁতৰ বাবেই এই ৰোগ হয়। এই ৰোগৰ দ্বাৰা ভেড়া ছাগলীক আক্ৰান্ত কৰি তেনে ভেড়াৰ পৰা ক্ল'নিঙৰ সহায়েৰে পৰ্যাপ্ত সংখ্যক ভেড়া জন্ম দিব পৰা যাব। এই ব্যৱস্থাৰ যোগেদি ছিষ্টিক ফাইব্ৰ'ছিছৰ গতি-বিধি সম্পৰ্কে বহুতো নতুন কথাৰ সম্ভেদ পোৱা যাব, কাৰণ ভেড়াৰ হাওঁফাওঁ আমাৰ হাওঁফাওঁৰ লগত বহুখিনি মিলে।

প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো ক্ল'নিঙে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। পৃথিৱীৰ পৰা প্ৰতিদিনে গড়ে একোটাকৈ প্ৰজাতি চিৰদিনৰ বাবে বিলুপ্ত হৈ গৈ আছে। ক্ল'নিং প্ৰযুক্তি ব্যৱহাৰ কৰি এনে বিলুপ্তপ্ৰায় তথা বিপদাপন্ন প্ৰজাতিসমূহৰ জীৱৰ সংখ্যা বৃদ্ধি কৰিব পৰা যায়।

যদিও ক্ল'নিং প্ৰযুক্তিয়ে এনেধৰণৰ বহুতো নতুন নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে, এইক্ষেত্ৰত বিশ্ববাসী এতিয়াও ঐক্যমতত উপনীত হ'ব পৰা নাই। বহুতৰ মতে অপ্ৰাকৃতিক উপায়েৰে কোনো এটা জীৱৰ জিনেটিক পৰিৱৰ্তন কৰাটো কেতিয়াও নৈতিকভাৱে সমৰ্থনযোগ্য হ'ব নোৱাৰে। বহুলোকে যেনেদৰে জন্তুৰ অংগ মানুহৰ দেহত স্থাপন কৰাৰ প্ৰযুক্তিক আদৰণি জনায়, তাৰ বিপৰীতে প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে চিকিৎসা বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষাবোৰত জীৱ-জন্তুৰ ব্যৱহাৰৰ পূৰ্বৰে পৰা বিৰোধিতা কৰি আহিছে। নিৰপেক্ষভাৱে পৰ্যালোচনা কৰি চালে প্ৰতিটো শিবিৰৰে নিজৰ নিজৰ মতৰ সপক্ষে সবল যুক্তি থকা দেখা যায়।

বিজ্ঞানৰ ইতিহাসৰ সুদীৰ্ঘ পৰিক্ৰমালৈ উভতি চালে দেখা যায় যে প্ৰায়বোৰ বৈজ্ঞানিক কৌশল তথা প্ৰযুক্তিৰে জন্মলগ্নত সেইবোৰৰ উপযোগিতা সম্পৰ্কে সন্দেহ, আৰু ফলাফল সন্দৰ্ভত আশংকাই গা কৰি উঠিছিল। কিন্তু প্ৰায়বোৰ ক্ষেত্ৰতে সেই প্ৰযুক্তিসমূহৰ ক্ৰমাৎ উন্মোচিত হ'ব ধৰা যোগাত্মক দিশবোৰ আৰু তাৰ দ্বাৰা মানৱ জীৱনলৈ অহা বৈপ্লৱিক পৰিবৰ্তনে পূৰ্বৰ সন্দেহ আৰু আশংকাক অমূলক বুলি প্ৰমাণ কৰি আহিছে। উদাহৰণস্বৰূপে, প্ৰথম টেষ্টটিউব শিশু লুইজি ব্ৰাউনৰ জন্মৰ পিছতো দেশে দেশে বিৰূপ প্ৰতিক্ৰিয়া আৰু নৈতিকতাসম্পৰ্কীয় আশংকাৰ সৃষ্টি হৈছে। কিন্তু আজি নিঃসন্তান স্বামী-স্ত্ৰীসকলৰ বাবে এই পদ্ধতি এক আশীৰ্বাদস্বৰূপ হৈ উঠিছে। বেছি দূৰলৈ নগৈ এটা স্থানীয় উদাহৰণকে দিব পাৰি। আমাৰ দেশতে আজি কিছুদিনৰ আগতে যেতিয়া বাণিজ্যিক আৰু ঔদ্যোগিক ক্ষেত্ৰত কম্পিউটাৰৰ প্ৰয়োগৰ ব্যৱস্থা কৰা হ'ল, তেতিয়া এই নতুন ব্যৱস্থাই নিবনুৱা সমস্যাক অধিক ভয়াৱহ কৰি তুলিব বুলি বিভিন্ন মহলৰ পৰা আশংকা প্ৰকাশ কৰা হৈছিল। কিন্তু এতিয়া দেখা গৈছে কম্পিউটাৰৰ প্ৰয়োগ ক্ষেত্ৰসমূহেই হেজাৰ-বিজাৰ লোকক আত্মসংস্থাপনৰ সুযোগ আনি দিছে। আজি কিছুদিনৰ আগতে এটা বাতৰিত প্ৰকাশ পাইছিল যে উত্তৰ প্ৰদেশৰ গ্ৰামাঞ্চলৰ বহু কৃষকক কম্পিউটাৰৰ যোগান ধৰা হৈছে আৰু তাৰ দ্বাৰা তেওঁলোকৰ কৃষিকাৰ্যৰ পৰিচালনাও সহজতৰ হৈ উঠিছে।

প্ৰকৃততে প্ৰযুক্তিৰ সুচিন্তিত আৰু উপযুক্ত প্ৰয়োগেই তাৰ ফলপ্ৰসূতা আৰু স্থায়িত্ব নিৰ্ধাৰণ কৰে। তদুপৰি কোনো প্ৰযুক্তিৰ ত্ৰুটী আৰু অপপ্ৰয়োগসমূহো পৰৱৰ্তী সময়ত সেই প্ৰযুক্তিৰে সংশোধিত আৰু উন্নততৰ ৰূপৰ দ্বাৰা নোহোৱা হৈ পৰে। ক্ল'নিং প্ৰযুক্তি আৰু অন্যান্য জিনেটিক প্ৰযুক্তিসমূহেও বৰ্তমানৰ সীমাবদ্ধতাসমূহক অতিক্ৰম কৰি আৰু আশংকাবোৰক অমূলক প্ৰমাণ কৰি মানৱ সভ্যতাক অধিক সমৃদ্ধ কৰি তুলিব বুলি আমি আশাবাদী। ■



# আকাশী বৰুৱা ঃ এটা প্ৰেমৰ কবিতা

ধ্রুবার্ক চৌধুৰী

আকাশী বৰুৱা —ভালপোৱাৰ ভোগজৰা
তুমি হাঁহিলে হিয়াজুৰি নাবাজিবনে প্ৰেমৰ তানপুৰা
দিম নিয়া আনি আকাশৰ পৰা— তোমাৰ প্ৰিয় [illegible]-তৰা
চকুত চকু থৈ কেলেনো পাগল নকৰা- পিবলৈ তোমাৰ প্ৰেমৰ ধতুৰা

হাঁহি এটা বিয়পোৱা ৰঙা ওঁঠত তোমাৰ - আই-লিন্নাৰ যিদৰে অঁকা
নাহাঁহিলে কেনেকৈ খাপ খাব তোমাৰ ওঁঠত মোৰ ওঁঠ— বেঁকা
আঙুলিৰে জুখিম তোমাৰ ওঁঠৰ ব্যাসাৰ্ধ
ওঁঠেৰে আঁকিম বৃত্ত - চিকুটিৰে স্পেচিফাই কৰিম কেন্দ্ৰ

ওঁঠত লিপষ্টিক সনা নাই — কিনো ইমান বেথা
অপ্সৰাত চিনেমা চাম দিয়া — গডৰ এক প্ৰেম কথা
লাগিবনো কি লেঠা

কৰ্দৈ চফলা দিবলৈ আহিবা — বাৰীৰ ঢাপত দুপৰীয়া
পিঠিত টপকৈ চুমা এটা খাই সুধিম — কেনেকুৱা কেনে
মোক ভাল পোৱা আকাশী বৰুৱা
তোমাৰ প্ৰেমৰ ধাৰত মই কিমান ধৰুৱা
দেখিছানে ফুল মৰুৱা — কদম তৰুৱা
তেজে ফুটো ফুটো গালত চিকুটি কম — আৰ্চিত চাই লবা

বুকুত কিতাপ হেঁচুকি কোন পিনে যোৱা
বুকুৰ ভৰকে সহিব নোৱৰা কিতাপৰ ভৰনো কেনেকৈ সহিবা
ঘৰলৈ ওভটোতে নিজান নৈৰ ঘাটত লগ কৰিবা
ধুনীয়া খেল এটি খেলিম— ভাকুট-কুটাই দিয়া খেলা
চজন কাটাই চুমিব —আঁঠুলৈ দাঙিবা আহোতে মেখেলা

হাতত নীলপদ্ম লৈ কেলেইনো নাথাকিবা বৈ
তোমাৰ বয়স চুম মই পৰহিলৈ
ভালপোৱাই জানো জানে বয়সৰ নৈ —জানে মাথোঁ গাভৰু নৈ
দিলেই যেনিবা কোনোবাই তোমাৰ সেওঁতাত সেন্দূৰৰ চৈ
তোমাৰ ওঁঠ আৰু বুকুজুৰি বৈ আছে এতিয়াও অমৃতৰ নৈ
নিদিবানে নিদিবানে উৰাই ৰাজহাঁহহালি মোৰ বুকুৰ মেটেকা চুই
সমগ্ৰ গোপনীয়তাৰ শপত খাই মই যে সাজু আছো তোমাক ভালপাবলৈ
মোৰ এই মৰম মোৰ এই শপত তোমাৰ বাবেই

ভাৰচিটিত লগ পালে শুনালোহেঁতেন তোমাক
চোৰাচোন তোমাৰ চুলিৰ এন্ধাৰতো ইমান জোনাক —প্ৰেমৰ কবিতা
পঢ়িলানে লা নুই বেঙ্গলী, ন-হন্যতে, পপীয়া তৰাৰ সাধু আৰু
নিঃসংগতা
ইঞ্চি ইঞ্চি এখন প্ৰেমৰ উপন্যাস আৰু হৃদয় অবাধ্য মেয়ে মন্দাক্ৰান্তা
বক্ষ বন্ধনী খুলি উদ[illegible]ৰে বৰষুণত তিতি আছে বনলতা

কীট্‌ছৰ কবিতা পঢ়ি তোমাৰ মেঘ - কোমল বুকুত মুখ গুজি উচুপিম দিবা
ছেক্সপীয়েৰ পঢ়ি অফেলিয়াৰ বাবে সেউজীয়া খুজি
তোমাৰ ওঁঠৰ হেলনীয়া মন্দিৰত প্ৰাৰ্থনা কৰিম দিবা
তোমাৰ চকুত চুমাৰ পৰিবৰ্তে চকুলোৰে ভেনগগৰ ছবি আঁকিম দিবা

বাবদ মাচুল হিচাপে
তোমাৰ শীতল স্পৰ্শ পালে বৰষুণৰ দৰে শুনাম[illegible]গ্ৰাছৰ টিনড্ৰাম
বুকুত সাজি দিম সুখৰ দুটা সুউচ্চ স্বৰ্ণমিনাৰ
কলিজাৰ কলা-বীথিকাত আৰিম তোমাৰ ছবি
আৰু সকলোৰে অজ্ঞাতে সাজিম এটা দুখৰ ডিষ্ট্ৰিক্ট লাইব্ৰেৰী

বিদায় পৰত দি আহিম তোমাক
মোৰ বুকুৰ সমগ্ৰ জোনাক
তেৰ টোপাল চকুলো আৰু তেত্ৰিশ কোটি চুমা
আৰু কিতাপৰ সৰু এটা টোপোলা
চিঠিৰে জনাবা এতিয়া মাথোঁ তোমাৰ ঠিকনা।

## তেজীমলা

অমৰেন্দ্ৰ ডেকা

মোৰ বিষাদ ঘাটত
পদুম হৈ নুফুলিবি তই
অ' তেজীমলা
নিছিঙিবি নিছিঙিবি
নৰনৰ নেছা

অঘৰী গৰখীয়াৰ বাঁহীৰ সুৰত
নুটুকিবি চকুলো
নুখুজিবি নুখুজিবি
কলিজাৰ ৰং সনা মোৰ নিজান বাগি...

তেজীমলা
কেতিয়া আহিব ঘূৰি তোৰ
সাউদ দেউতা
উৰুলি জোকাৰ এটাৰ স'তে
কোনেনো নোৱাব তোক
ধোৱাব কোনেনো মাহ-হালধিৰে
পাখিয়ে কটা তোঁৰ গা

'হাত নেমেলিবি, দূৰ আকাশলে'
ফুলো নিছিঙিবি, যা ঘৰলৈ'...'
ক'ৰ নাৰৰীয়াই গান গায়
.... জীৱনক সকীয়াই

তোৰ শূন্যতাত
উদং পথাৰ, উদাস নদী

দুখৰ জাল ফালি
ওলাই আহ অ' তেজীমলা
মই তোলৈ সপোন লৈ আনিছো
ভাঙি ৰাতি নিৰ্জনতা

## স্বাদ

মনোজ কুম

কিমান গভীৰ হ'ব পাৰে মৌনতা
তোমাৰ ওঁঠত বিৰিঙি নোলোৱা
প্ৰতিটো শব্দৰ যিমান পাৰো সিমা
ভিতৰলৈ সোমাই যাম
বিবাদৰ গান হৈ হালধীয়া

দুচকু তল কৰি থাকা যে চেনেহ
যোৱাৰ পৰত কিয় তুলি দিয়া
হাঁহি এটা মাৰি সেউজীয়া

মই যে সকাহ নাপাও গণি
মনে মনে যে ক'লা নে নক'লা
অনুভৱ কৰাটোৱেইতো কথা
জুখি মেলিতো আৰু ক'ব নোৱাৰি
কিমান ভালপোৱা, কিমান ভালপোৱা।

## মেঘমল্লাৰ, শইচ পথাৰৰ

ৰত্নোত্তমা দাস

তুমি মোৰ কাষলৈ আহা
তোমাৰ ৰূপালী প্ৰেমেৰে মোক সজাই তোলা
স্পৰ্শ কৰা মোৰ সেউজ বুকু
সোঁৱে-বাঁৱে বুৰাই দিয়া তোমাৰ শব্দময় পৰশেৰে
মোৰ সাঁচতীয়া সেউজখিনি
তোমাৰ পৰশত মোৰ সুৰভিত বুকুৰেদি বৈ যাওক
কেতেকীৰ কেঁচা লাজ
লাজতে মৰহি সেউজ বুকু সোণালী আঁচলত লুকাওঁ
আঁচলৰ আঁৰত ভৰুণ গাত
ন-জোন বঢ়াদি বাঢ়ি আহক
সোণৰ সঁচ

দোঁ খাই পৰক মোৰ সুৰাগী দেহা!

## দুটা কবিতা

প্ৰাঞ্জল শৰ্মা বশিষ্ঠ

### পলস

পলসত পৰি
দামুৰিটো ডিঙিলৈকে পোত গৈছিল।
এৰাল টানি গৰখীয়াজনে তাক উঠালে

পলসত পৰি
উঠিবলৈ উচাল মাৰিলে
বেছি দ' লৈ সোমায়

ময়ো পৰিছো তোমাৰ পলসত।

উঠিবলৈ উছাল মাৰিছো
বেছি দ' লৈ সোমাইছো।

*কোনো নাই*
*যি পাৰিব*
*মোক এই পলসৰ পৰা উঠাই নিবলৈ*

### পৰুৱা

কাল-সন্ধিয়া
ওলাইছিলো মোমাইৰ ঘৰলৈ, পোনাইছিলো বাট
পথাৰেৰে। পোহৰ হেৰালৈ মাজ-পথাৰতে ঘূৰা-পকা।
অথচ দেখিয়েই আছিলো মোমাইৰ বাৰীৰ
বৰশিমলুজোপা

পৰুৱাই পাইছিল মোক

এতিয়াও পাই আছে মোক পৰুৱাই
তোমাক দেখি থাকো
অথচ ভুল বাটে ভৰি দি চাপিব নোৱাৰো কাষ।

# নাৰীবাদ আৰু নাৰী আন্দোলন প্ৰসংগ

লখিমী সভাপণ্ডিত

*অনুমান হয় মানৱ সমাজৰ ইতিহাসত পুৰুষৰ তুলনাত নাৰীৰ স্থান অৱনমিত হ'বলৈ আৰম্ভ কৰিছিল সামন্ত প্ৰথা, দাস প্ৰথা তথা পুঁজিবাদী সমাজ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লগে লগে। প্ৰকৃতাৰ্থত ব্যক্তিগত সম্পত্তিৰ বিকাশেই নাৰী আৰু পুৰুষৰ মৰ্যাদাৰ পৰিবৰ্তন কৰি পুৰুষজাতিক সমাজত অগ্ৰাধিকাৰ প্ৰদান কৰিলে। নাৰী পৰিগণিত হ'ল ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ পুৰুষৰ ভোগৰ সামগ্ৰী আৰু সন্তান উৎপাদনৰ এক যন্ত্ৰত।*

নাৰীবাদ বা ইংৰাজীত ফেমিনিজম (feminism) শব্দৰ অৰ্থ নাৰী আৰু পুৰুষৰ মাজত সমতা স্থাপনৰ মতাদৰ্শ বা তত্ত্ব। সাধাৰণতে ধাৰণা কৰা হয় যে নাৰীবাদত বিশ্বাসীসকল পুৰুষবিদ্বেষী। কিন্তু প্ৰকৃততে নাৰীবাদ মানৱতাবাদৰে এটা শাখা মাত্ৰ। অতীজৰে পৰা যৌনসৰ্বস্ব জীৱ (sex object) হিচাপে চিহ্নিত হৈ অহা নাৰীয়ে লিং বৈষম্যপূৰ্ণ সমাজখনত পুৰুষৰ সৈতে নিজৰ সমতা স্থাপনৰ বাবে যি মতাদৰ্শৰ সৃষ্টি কৰিছে সেয়ে নাৰীবাদ। "পিতা ৰক্ষতি কৌমাৰে, ভৰ্তা ৰক্ষতি যৌৱনে, ৰক্ষতি স্থবিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰম অৰ্হতি।" মনুস্মৃতিৰ যুগতে ৰচিত উক্ত বাক্যশাৰী এটা মাত্ৰ সাধাৰণ উদাহৰণ যাৰ যোগেদি নাৰীৰ এক স্বাধীন, মুক্ত জীৱনৰ পথত পুৰুষপ্ৰধান সমাজ অন্তৰায় হিচাপে থিয় দিছিল। পুৰুষপ্ৰধান সমাজৰ এনেধৰণৰ মনোভাৱৰ বিৰুদ্ধেই মানৱ সমাজৰ ইতিহাসত সৃষ্টি হৈছিল এক বিপ্লৱৰ, কোৱা হয় নাৰীবাদ নাইবা নাৰীবাদী বিপ্লৱ বা আন্দোলন।]

অনুমান হয় মানৱ সমাজৰ ইতিহাসত পুৰুষৰ তুলনাত নাৰীৰ স্থান অৱনমিত হ'বলৈ আৰম্ভ কৰিছিল সামন্ত প্ৰথা, দাস প্ৰথা তথা পুঁজিবাদী সমাজ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লগে লগে। প্ৰকৃতাৰ্থত ব্যক্তিগত সম্পত্তিৰ বিকাশেই নাৰী আৰু পুৰুষৰ মৰ্যাদাৰ পৰিবৰ্তন কৰি পুৰুষজাতিক সমাজত অগ্ৰাধিকাৰ প্ৰদান কৰিলে। নাৰী পৰিগণিত হ'ল ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ পুৰুষৰ ভোগৰ সামগ্ৰী আৰু সন্তান উৎপাদনৰ এক যন্ত্ৰত।

লিংগ বৈষম্যৰ ফলত সৃষ্ট ধাৰণাক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছে নাৰীবাদৰ, যাৰ প্ৰথমেই গুলি ধৰে পুৰুষেহে। যোল্ল শতিকাৰ উদ্ভাৱন 'ৰেনেছাঁ'ৰ পাছৰ পৰা সোতৰ-ওঠৰ শতিকাৰ চিন্তাশীল ব্যক্তিসকলে লাহে লাহে উপলব্ধি কৰিবলৈ ধৰিছিল যে পত্নী আৰু মাতৃ হোৱাৰ উপৰি নাৰী এক স্বাধীন সত্তাৰ অধিকাৰিণী। বৰ্তমান অৰ্থত শব্দটো প্ৰচলিত হয় ১৮৯০ৰ পৰা।

নাৰী-পুৰুষৰ সমমৰ্যাদাৰ বিষয়টো প্ৰথমে চৰ্চিত হয় ইংৰাজ দাৰ্শনিক জন লকৰ Second Treatise of Government(1689) গ্ৰন্থত। তেওঁৰ বক্তব্যমতে প্ৰকৃতিৰ সন্তান হিচাপে নাৰী আৰু পুৰুষৰ নিজ নিজ অধিকাৰ স্থাপনত বাধা আহিব নালাগে। কিন্তু পৰিয়ালত স্বামীৰ সৰ্বোচ্চ পদমৰ্যাদাৰ পৰম্পৰাগত ধাৰণাৰ পৰা তেওঁ মুক্ত নাছিল।

সৰ্বপ্ৰথমে আমেৰিকা যুক্তৰাষ্ট্ৰতে তথাকথিত নাৰীবাদী ধ্যান-ধাৰণাৰ ক্ষেত্ৰত সজাগতাৰ সৃষ্টি হয়। নাৰীবাদী আন্দোলনৰ সৃষ্টিৰ আগতেই আমেৰিকাত সূত্ৰপাত হৈছিল মহিলা শ্ৰমিক আন্দোলনৰ, যি ঊনৈশ শতিকাত শিল্পভিত্তিক অৰ্থনীতিৰ বিকাশৰ ফলত সৃষ্টি হোৱা মহিলা শ্ৰমজীৱী শ্ৰেণীটোৰ মৰ্যাদা আৰু অৱস্থানৰ উন্নতিৰ হকে সমাজত সজাগতা সৃষ্টি কৰাত অগ্ৰভাগ লৈছিল। যদিও ঊনৈশ শতিকাৰ মাজভাগত সৃষ্টি নাৰীবাদী আন্দোলন আৰু মহিলা শ্ৰমিক আন্দোলনৰ ভেটি সুদৃঢ় কৰাত সহায় কৰিছিল। ইয়াৰ জৰিয়তে নাৰীয়ে পোন প্ৰথমবাৰৰ বাবে সংঘবদ্ধভাৱে নিজৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰিবলৈ শিকিছিল।

যুগান্তকাৰী সৃষ্টি ইংৰাজ লেখিকা মেৰী উলষ্টনক্ৰাফটৰ (১৭৫৯- ১৭৯৭) A Vindication of the Rights of Women(১৭৯২) নামৰ গ্ৰন্থখনৰ প্ৰভাৱৰ ফলত ওঠৰ শতিকাৰ শেষ দশককমানৰ পৰা আমেৰিকাৰ সামাজিক প্ৰেক্ষাপটত নাৰীবাদী চিন্তাচৰ্চাৰ বিকাশ ঘটিবলৈ ধৰে। তেওঁৰ বক্তব্য আছিল যে ঈশ্বৰ সৃষ্ট নাৰী-পুৰুষ উভয়ৰে কিছুমান স্বাভাৱিক অধিকাৰ আছে। গতিকে ঈশ্বৰে নাৰী পুৰুষৰ পদানত হোৱাটো নিবিচাৰে। অত্যাচাৰী আৰু অবিবেচক সম্ৰাটৰ বিৰুদ্ধে থিয় দিয়া ফৰাচী আৰু আমেৰিকান বিপ্লৱ যদি ন্যায়সংগত হয়, তেন্তে পিতা, স্বামী আৰু পুত্ৰৰ অত্যাচাৰৰ পৰা নাৰীক মুক্ত কৰাও সমৰ্থনযোগ্য।

সেই সময়ত কৃষ্ণাংগ ক্ৰীতদাসসকলৰ প্ৰতি সহানুভূতিশীল বহুতো শ্বেতাংগ আমেৰিকান পুৰুষ আৰু মহিলাই (abolitionists) দাস প্ৰথাবিৰোধী আন্দোলনত যোগদান কৰিছিল। উলষ্টোনক্ৰাফ্টে যিহেতু উল্লেখ কৰিছে যে ঈশ্বৰে সৃষ্টি কৰা সকলো মানুহৰ স্বাভাৱিক অধিকাৰ আছে, গতিকে আন্দোলনকাৰীসকলে ভাবিলে যে মাত্ৰ ৰাজনৈতিক কাৰণতে নহয়, ধৰ্মীয় কাৰণতো দাস প্ৰথা লোপ পোৱা উচিত। ধৰ্মৰ প্ৰশ্ন জড়িত হোৱাৰ লগে লগে নাৰীয়ে এই আন্দোলনত গভীৰভাৱে যুক্ত হৈ ক্ৰীতদাসসকলৰ লগতে নিজৰ মুক্তিৰ বাবেও চেষ্টা কৰিবলৈ সজাগ হ'ল। প্ৰধানকৈ উত্তৰ-পূব আমেৰিকাত ১৮৩০ দশকত গঢ়ি উঠা দাস প্ৰথাবিৰোধী আন্দোলনৰ সৈতে যুক্ত লুক্ৰেশ্বিয়া মট নামৰ মহিলাগৰাকীয়ে পিছত নাৰীবাদী আন্দোলনৰ মাতৃ হিচাপে স্বীকৃতি পায়।

১৮৪০ চনত লণ্ডনত অনুষ্ঠিত হোৱা World Antislavery Conventionত লুক্ৰেশ্বিয়া মট আৰু এলিজাবেথ কেডি ষ্টেনটন আছিল উল্লেখযোগ্য দৰ্শকৰ মাজৰ দুগৰাকী। ষ্টেনটনে আমেৰিকাত পঞ্চাশ বছৰজুৰি নাৰী আন্দোলনৰ নেতৃত্ব দিয়ে। তেওঁৰ সহযোগী আছিল লুছি ষ্টোন আৰু ছুছান বি এনথনী।

যদিও এক সম্ভ্ৰান্ত আগৰণুৱা পৰিয়ালত জন্ম লৈছিল, ষ্টেনটন নাৰী-পুৰুষৰ বৈষম্যৰ উৰ্দ্ধত নাছিল। পঁচিশ বছৰ বয়সত দাস প্ৰথাবিৰোধী নেতা হেনৰী ষ্টেনটনক তেওঁ বিয়া কৰালেও তেওঁ নিজৰ পৰিয়ালৰ উপাধি 'কেডি' ত্যাগ কৰা নাছিল। তদুপৰি তেওঁ 'মিছেছ হেনৰী' হিচাপে পৰিচিত হ'বলৈও আপত্তি জনায়।

বিবাহৰ পাছত বষ্টন মহানগৰীত বাস কৰাৰ বাবে এলিজাবেথৰ বুদ্ধিজীৱী জগতখনৰ লগত সম্পৰ্ক ছিন্ন হোৱা নাছিল। আনকি বিবাহিতা নাৰী সম্পত্তিৰ অধিকাৰৰ প্ৰসংগটো উত্থাপন কৰি তেওঁ নিউয়ৰ্ক ৰাজ্যৰ আইন সভাৰ সদস্যসকলক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছিল।

বিবাহিত জীৱনৰ সমস্যা আৰু সন্তানৰ দায়িত্ব পালন কৰি এলিজাবেথে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল নাৰীজাতিটোৰ বেদনা। ১৯৪৭ চনত স্বামীৰ কৰ্মসূত্ৰে তেওঁ নিউয়ৰ্ক ৰাজ্যৰ চেনেকা ফল্‌ছ নামৰ সৰু চহৰখনলৈ যাবলগীয়া হয়। এনেতে চেনেকা ফল্‌ছলৈ আহে লুক্ৰেশ্বিয়া মট যাৰ লগত লণ্ডন AWorld Anti Slavery Conventionৰ পৰা ঘূৰি আহোঁতে জাহাজত এলিজাবেথে নাৰী অধিকাৰৰ বিষয়টো আলোচনা কৰিছিল। সুদীৰ্ঘ আঠ বছৰৰ মূৰত পুনৰ মটক পাই এলিজাবেথে তেওঁৰ সৈতে পুনৰ বিষয়টো আলোচনা কৰি আলোচনাৰ পাঁচ দিন পাছতেই ১৯৪৮ চনৰ ১৯ আৰু ২০ জুলাই তাৰিখে ছেনেকা ফল্‌ছ Women's Rights Convention পাতিবৰ উদ্দেশে বাতৰি কাকতত বিজ্ঞাপন দিয়ে।

পুৰুষশাসিত সমাজত নিৰ্যাতিতা, নিষ্পেষিতা নাৰীসকলৰ অসন্তুষ্টিৰ ভিত্তিত এই নাৰী অধিকাৰ সন্মিলনত সৰ্বমুঠ বাৰটা প্ৰস্তাৱ দাঙি ধৰা হয়। যেনে— সম্পত্তিৰ অধিকাৰ, বিবাহ-বিচ্ছেদৰ অধিকাৰ, ব্যৱসায়-বাণিজ্য, শিক্ষা, চাকৰি আদিত পুৰুষৰ সৈতে সমান সুযোগ-সুবিধা লাভ ইত্যাদি বিষয়ৰ ওপৰত লোৱা প্ৰস্তাৱবিলাকে সহজেই সমৰ্থন লাভ কৰে। কিন্তু এলিজাবেথৰ বাৰ নম্বৰ প্ৰস্তাৱটোত আন যোগদানকাৰীসকলৰ লগতে লুক্ৰেশ্বিয়া মটেও বিস্ময় প্ৰকাশ কৰে। প্ৰস্তাৱটো আছিল মহিলাসকলক ভোটাধিকাৰ প্ৰদান কৰা। আশ্চৰ্য প্ৰকাশ কৰিলেও কোনেও এই প্ৰস্তাৱটো হাস্যকৰ বুলি ভবা নাছিল। অৱশেষত এই প্ৰস্তাৱটোও গৃহীত হৈছিল। তিনিশৰো অধিক মহিলাই যোগদান কৰা মহিলাৰ অধিকাংশই আছিল দাসপ্ৰথাবিৰোধী আন্দোলনৰ সৈতে যুক্ত।

ছেনেকা ফল্‌ছৰ এই অধিৱেশনৰ পাছৰ পৰাই আমেৰিকান মহিলাসকলে সংঘবদ্ধভাৱে নাৰী অধিকাৰ আৰু মুক্তিৰ বাবে আন্দোলন কৰি গৈ থাকে। গতিকে ছেনেকা ফল্‌ছৰ প্ৰথমখন Women's Rights Conventionৰ নাম পৰৱৰ্তী নাৰীবাদী আন্দোলনৰ পথ প্ৰদৰ্শক হিচাপে ইয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

এলিজাবেথৰ নাৰীবাদী আন্দোলনত প্ৰতিপত্তিশালী মধ্যবিত্ত মহিলাসকলেহে যোগদান কৰিছিল। মহিলা সংস্কাৰকসকলৰ সমৰ্থনো তেওঁ পাইছিল। তদুপৰি নিজৰ জীৱনৰ তিক্ত অভিজ্ঞতাপুষ্ট মহিলাসকলে ইয়াত সহজে যোগদান কৰিছিল। তেনে এগৰাকী মহিলা আছিল লুছি ষ্টোন (১৮৯০-১৮৯৩)। ১৮৪৮ চনত ত্ৰিশ বছৰ বয়সত ষ্টোন দাস প্ৰথাবিৰোধী আন্দোলনৰ এগৰাকী নামী বক্তাৰূপে পৰিচিত হয়। বহুতো অপমানৰ সন্মুখীন হোৱা সত্বেও তেওঁ কালৈকো কাণসাৰ নকৰি নিজ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা চলাই যায়। এলিজাবেথৰ মতে এইগৰাকী মহিলা আছিল নাৰীবাদী আন্দোলনৰ শ্ৰেষ্ঠ তাৰকা।

লুছি ষ্টোন আৰু হেনৰী ব্ৰেকওৱেলৰ বিবাহখন আছিল নাৰীবাদীসকলৰ দৃষ্টিত এখন আদৰ্শ বিবাহ। লুছিয়ে কোনো কামতে হেনৰীৰ পৰা বাধা পোৱা নাছিল আৰু দুয়ো একেলগে চল্লিশ বছৰ ধৰি নাৰী আন্দোলনৰ বাবে খাটিছিল।

নাৰী আন্দোলনৰ তৃতীয়গৰাকী নেত্ৰী আছিল চিৰকুমাৰী চুছান বি এনথনী (১৮২০--১৯০৬)। এই আন্দোলনক তেওঁ জাতীয় মৰ্যাদা প্ৰদান কৰিছিল। তেওঁ নাৰীৰ অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ একে কামতে নিযুক্ত নাৰী আৰু পুৰুষক সমান পাৰিশ্ৰমিক দিয়াৰ ওপৰত হেঁচা প্ৰদান কৰিছিল।

এলিজাবেথ আৰু চুছানৰ প্ৰথম দেখা হয় ১৯৫১ চনত ছেনেকা ফল্‌ছত। তেওঁলোক দুয়ো আছিল দুয়োৰে পৰিপূৰক। এলিজাবেথে ঘৰতে বহি চিন্তা-চৰ্চা কৰি প্ৰৱন্ধপাতি লিখা-মেলা কৰিছিল আৰু চুছানে সেই চিন্তাধাৰা বাহিৰৰ জগতলৈ লৈ গৈ বাহিৰা জগতৰ পৰা সমল গোটাই নি এলিজাবেথক প্ৰদান কৰিছিল। চুছানে মাজে মাজে এলিজাবেথৰ সংসাৰৰ দায়িত্বও গ্ৰহণ কৰিছিল। দুয়ো একেলগে এইদৰে অকুণ্ঠচিত্তে নিউয়ৰ্ক ৰাজ্যত সম্পত্তিৰ ওপৰত নাৰীৰ পূৰ্ণ অধিকাৰৰ বাবে প্ৰচাৰ অভিযান চলাইছিল। তদুপৰি নিজৰ উপাৰ্জনৰ ওপৰত পূৰ্ণ অধিকাৰ, পিতৃৰ সৈতে মাতৃৰো সন্তানৰ অভিভাৱকত্ব আৰু ভোটাধিকাৰৰ দাবীত দুয়ো আবেদন পত্ৰ আদিৰ ৰচনাৰ কামতো ব্ৰতী হৈছিল।

এলিজাবেথ আৰু তেওঁৰ সহযোগীবৃন্দ কিছুক্ষেত্ৰত অৱশেষত সফলো হৈছিল।-১৮৩৬ চনৰ পৰা বাৰ বছৰজুৰি তেওঁলোকে কৰা সংগ্ৰামৰ অন্তত ১৮৪৮ চনত নিউয়ৰ্ক ৰাজ্যত Married woman's Property Act খন আইনত পৰিণত হৈছিল। কিন্তু ইয়াৰ সুফল এক বিশেষ শ্ৰেণীৰ কমসংখ্যক মহিলাইহে লাভ কৰিছিল। উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা সম্পত্তিৰ ওপৰত মালিকানা বৰ্তন হ'লেও নিজৰ উপাৰ্জনৰ অধিকাৰ এইখন আইনমতে স্বামীৰ ওপৰতে থাকি যায়।

নাৰীবাদীসকলৰ বহু চেষ্টাৰ অন্তত ১৮৬০ চনত নিউয়ৰ্ক ৰাজ্যৰ আইনসভাত বিবাহিতা নাৰীৰ সম্পত্তিৰ আৰু উপাৰ্জনৰ ওপৰত পূৰ্ণ অধিকাৰ মঞ্জুৰ কৰিলে। মাতৃয়েও পিতৃৰ সৈতে সন্তানৰ অভিভাৱকত্ব লাভ কৰিলে। প্ৰথম স্বামীৰ মৃত্যুৰ পাছত পত্নী তেওঁৰ সম্পত্তিৰ অন্যতম উত্তৰাধিকাৰী বুলি গণ্য কৰা হ'ল। আমেৰিকাৰ আন কেইবাখনো ৰাজ্যত একেধৰণেৰে আইন প্ৰণয়ন কৰা হ'ল।

ছেনেকা ফল্‌ছৰ অধিৱেশনত মহিলাৰ ভোটাধিকাৰৰ যি প্ৰস্তাৱ গৃহীত হৈছিল, সি বাস্তৱত ৰূপায়িত হৈছিল। সুদীৰ্ঘ বাসত্তৰ বছৰৰ পাছত ১৯২০ চনত। কিন্তু এই শুভ সংবাদ শুনিবলৈ সেই অধিৱেশনত উপস্থিত থকা মহিলাসকলৰ ভিতৰত একমাত্ৰ দস্তানা কাৰখানাৰ শ্ৰমিক শ্বাৰ্লক উদৰাৰ্ডৰ বাহিৰে কোনোৱেই জীয়াই থকা নাছিল। এই সুদীৰ্ঘ সময় নাৰীবাদীসকলৰ অধ্যৱসায় আৰু একাগ্ৰতাৰ পৰিচায়ক।

সাম্প্ৰতিক কালত নাৰীবাদ সম্পৰ্কে মানুহৰ মনত কেতবোৰ ভুল ধাৰণাৰ সৃষ্টি হোৱাৰ আঁৰত কিছুমান কাৰণ আছে। আপাতঃদৃষ্টিত প্ৰগতিশীল আৰু আধুনিক বুলি নিজকে প্ৰতিপন্ন কৰিবলৈ বিচৰা এচাম বিশৃংখল আৰু কুৰুচিপূৰ্ণ নাৰীৰ জীৱন-ধাৰণৰ পদ্ধতি দেখি সৰ্বসাধাৰণ লোকৰ মনত এই ধাৰণাই বাহ লয় যে স্বাধীনতা পালে নাৰীৰ অধঃপতন হয়। চৰমপন্থী নাৰীবাদ আবিৰ্ভাৱেই ইয়াৰ মূল কাৰণ।

কুৰি শতিকাৰ ষাঠি আৰু সত্তৰৰ দশকত এচাম নাৰীবাদী মহিলাৰ চিন্তা-চৰ্চাই এক বেলেগ দিশ লাভ কৰে। এইক্ষেত্ৰত আটাইতকৈ অধিক প্ৰভাৱ আছিল চিমন ডি বিউভিৱৰৰ The Second Sex (1949) গ্ৰন্থৰ। এই নতুন ধৰণৰ নাৰীবাদী চিন্তা-চৰ্চাক ইংলেণ্ডৰ নাৰীবাদী দাৰ্শনিক জন শ্বাৰ্ডেই তেওঁৰ Feminism (1982) গ্ৰন্থত চৰমপন্থী নাৰীবাদ (Radical Feminism) বুলিছে। এই মতাদৰ্শয়ো স্ত্ৰীশিক্ষা আৰু অৰ্থনৈতিক স্বাধীনতাৰ ওপৰত প্ৰাধান্য দিয়ে। কিন্তু কেৱল ইয়াৰ দ্বাৰাই নাৰী মুক্ত হ'ব

নোৱাৰে।

চৰমপন্থীসকলৰ ধাৰণামতে সন্তান জন্ম দিবলগীয়া হোৱা বাবেই নাৰীয়ে পুৰুষৰ ওচৰত নিজৰ ব্যক্তিসত্তাক বিসৰ্জন দিবলগীয়া হয়। অৰ্থাৎ সন্তানৰ উৎপাদনে নাৰীক গৃহবন্দী কৰি ৰাখে আৰু নাৰীৰ দাসত্বক স্থায়ী কৰে। তেওঁলোকৰ মতে, ধৰ্মীয় আৰু সামাজিক



প্ৰথামতে হোৱা বিবাহে পুৰুষৰ ওচৰত নাৰীক নতশিৰ হ'বলৈ বাধ্য কৰে। নাৰীয়ে নিজৰ ইচ্ছামতে মাতৃ হ'বলৈ পালেহে মাতৃত্বৰ প্ৰকৃত সুখ লাভ কৰে।

আন এক চৰমপন্থী জাৰ্মেইন গ্ৰীয়াৰে তেওঁৰ The Female Eunach (1970) গ্ৰন্থত লিখিছে যে অতীজৰে পৰাই পুৰুষৰ অধীন হৈ থাকিবলগীয়া হোৱা বাবেই নাৰীৰ মাজত স্বাধীনতাৰ উন্মেষ হোৱা নাই। নাৰীয়ে নিজেই পাহৰি গৈছে যে তেওঁ এটা স্বাধীন মানৱীয় সত্তাৰ অধিকাৰিণী। সেইবাবে চৰমপন্থীসকলে পৰম্পৰাগত বিবাহৰ ওপৰত আস্থা নাৰাখে।

গ্ৰীয়াৰে কোৱামতে পৰম্পৰাগত বিবাহৰ দ্বাৰা সৃষ্টি হোৱা পৰিয়ালত সন্তানৰ মানসিক বিকাশ স্বাভাৱিক নহয়, অৰ্থাৎ সিহঁতৰ ব্যক্তিত্ব পিতৃ-মাতৃৰ ব্যক্তিত্বৰ দ্বাৰা প্ৰভাৱিত হয়। এই কথা বহুক্ষেত্ৰত সত্য হোৱাও দেখা যায়। অসৎ, অত্যাচাৰী পিতৃ-মাতৃৰ সন্তানো সাধাৰণ সেইধৰণৰ হোৱাই দেখা যায়। চৰমপন্থীসকলৰ মতে সন্তানৰ দায়িত্ব ল'ব লাগিব ৰাষ্ট্ৰই। ৰাষ্ট্ৰৰ তত্ত্বাৱধানতহে সন্তানৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশ হ'ব। এই ধাৰণা বৰ্তমান সম্পূৰ্ণ অযৌক্তিক। তদুপৰি তেনেহ'লে সন্তান নিজে জন্ম নিদি ক্ল'নিং কৰিবই পৰা যায়। তাকে নকৰিলে নাৰী পুৰুষৰ দৰে সম্পূৰ্ণ মুক্ত হ'বলৈ কৰা প্ৰচেষ্টা বৃথা।

এইধৰণৰ চৰমপন্থী নাৰীবাদ সমাজ তথা ব্যক্তিৰ বাবে হানিকাৰক। নাৰীয়ে স্বাধীন মানৱসত্তা হিচাপে স্বীকৃতি পোৱাটোত উচিত হ'লেও প্ৰকৃতিৰ বিৰুদ্ধে যোৱাটো উচিত নহয়। প্ৰকৃতিয়ে নাৰীক সন্তান জন্ম দিয়াৰ ক্ষমতা প্ৰদান কৰিছে যাৰ বাবে তেওঁ শৃংখলিত হোৱাও দৰকাৰ। স্বামীজনেও সন্তান লালন-পালনৰ দায়িত্ব ল'ব লাগিব। ৰাষ্ট্ৰয়ো সম্পূৰ্ণ সহযোগিতা প্ৰদান কৰিব লাগিব।

কিন্তু ইউৰোপৰ বহু মহিলাই চৰমপন্থী নাৰীবাদ মনত পোষণ কৰি নিঃসন্তান হৈ থাকি মুক্ত হৈ থাকিবলৈ ইচ্ছা কৰা দেখা যায়। এই মনোবৃত্তিৰ ফলত সেই দেশসমূহত মানৱসম্পদৰ অভাৱ পৰিলক্ষিত হৈছে। জন্মহাৰ নিম্নগামী হৈ তেনেবোৰ দেশত ৰাষ্ট্ৰ আৰু সমাজৰ মুখিয়াল ব্যক্তিসকলৰ চকুৰ টোপনি কাঢ়ি নিছে। পুৰুষক নাৰীৰ প্ৰধান শত্ৰু বুলি মত পোষণ কৰা চৰমপন্থী নাৰীবাদৰ পৰা সমাজৰ বিশেষকৈ ক্ষতি হোৱা দেখা যায়।

ভাৰতবৰ্ষ আৰু অসমত নাৰীবাদ ইতিহাস বিচাৰিলে পোৱা যায় যে মনুস্মৃতিৰ যুগৰ তুলনাত বৈদিক যুগত নাৰীৰ স্থান উন্নত আছিল বুলি কোৱা হয় যদিও সাহিত্য-বিশেষজ্ঞা ডঃ উমা চক্ৰৱৰ্তীৰ মতে কেৱল যজমানৰ পত্নীসকলেহে সেই মৰ্যাদা পাইছিল, কিয়নো পুত্ৰ কামনাৰ্থে যজ্ঞ কৰিব লাগিছিল পত্নীৰ সৈতে একেলগে বহি। সেই যুগত আছিল লোপামুদ্ৰা, ৰোমাশা আদি ঋষি আৰু গাৰ্গী, মৈত্ৰেয়ী আদি উচ্চ শিক্ষিতা মহিলা।

কিন্তু মনুস্মৃতিৰ যুগৰ পৰাই ভাৰতীয় সমাজত নাৰীৰ স্থান নিম্নগামী হ'বলৈ ধৰে। ধৰ্মৰ অনুশাসনৰ গৰাহত পৰি হিন্দু-মুছলমান সকলো সম্প্ৰদায়ৰ নাৰী পুৰুষতকৈ বহুখিনি পিছত থাকি গ'ল। অভিভাৱকহীন নাৰীক আজিও সমাজে ভাল চকুৰে চোৱা পৰিলক্ষিত নহয়। সেই সময়তে ৰচিত এক বাক্য— 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা'— ই সূচায় যে সমাজত কন্যাসন্তানৰ মূল্য কম আছিল, যিটো আজিও বহু ক্ষেত্ৰত দেখা যায়। সেই যুগেই আছিল বাল্যবিবাহ, সতীদাহ প্ৰথা, বিধৱাৰ যন্ত্ৰণাময় জীৱন আদি কঠোৰ প্ৰথাসমূহৰ সৃষ্টিকাৰক।

অসমীয়া সমাজত এনে কেতবোৰ ডাকৰ বচন আছিল যি তিৰোতাক মানুহৰ শাৰীত উঠাৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰিছিল। শংকৰ-মাধৱে ধৰ্মৰ ক্ষেত্ৰত নৱজাগৰণ আনিছিল যদিও তিৰোতা মানুহক তেওঁলোকেও সংস্কাৰৰ বাহিৰত ৰাখিছিল।

ব্ৰিটিছ শাসনৰ কালছোৱাতে উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধত পাশ্চাত্য সাহিত্য-সংস্কৃতি আৰু সভ্যতাৰ স্পৰ্শই ভাৰতৰ মাটিতো নাৰীবাদৰ বীজ ৰোপণ কৰিছিল। সামন্ততান্ত্ৰিক হিন্দু সমাজখনক সংস্কাৰ কৰাৰ প্ৰথম প্ৰচেষ্টা হাতত লয় ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে। আধুনিক মনৰ তথা ঐতিহ্যসম্পন্ন মানসিকতাৰে এই দুজন পুৰুষৰ সংস্কাৰমূলক কাৰ্যসূচীৰ ভিতৰত আছিল বহু-বিবাহ, বাল্যবিবাহ আৰু সতীদাহ প্ৰথা ৰোধ কৰা আৰু বিধৱাবিবাহ প্ৰচলন কৰা।

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ অক্লান্ত প্ৰচেষ্টাৰ অন্তত ১৮৫৬ চনত বিধৱাবিবাহ আইন মতে সিদ্ধ হয়। ইয়াৰ আগতেই সনাতনপন্থীসকলৰ তীব্ৰ বাধা নেওচি ১৮২৯ চনত ৰাজা ৰামমোহন ৰায়ৰ প্ৰচেষ্টাত সতীদাহ প্ৰথা বন্ধ কৰা হয়।

স্ত্ৰীশিক্ষা আৰু নাৰীমুক্তিৰ ক্ষেত্ৰতো এইসকল পুৰুষে উদাৰ দৃষ্টিভংগী দেখুৱাইছিল। মিছনেৰীসকলে পঢ়াশালি স্থাপন কৰি ছোৱালীক পঢ়িবলৈ উদগনি দিছিল।

১৮৮২ চনত ৰাজা ৰামমোহন ৰায়ে প্ৰতিষ্ঠা কৰা ব্ৰাহ্ম সমাজে হিন্দুধৰ্মৰ গণ্ডীৰ ভিতৰত থাকি নাৰীক সমাজত উপযুক্ত মৰ্যাদা প্ৰদান কৰাৰ অৰ্থে এক আন্দোলন গঢ়ি তোলে। এই আন্দোলনে নাৰীক সম্পত্তিৰ অধিকাৰ দিবলৈও চেষ্টা কৰিছিল। প্ৰায় একে উদ্দেশ্যেৰে স্থাপিত হৈছিল স্বামী দয়ানন্দ সৰস্বতীৰ আৰ্যসমাজ ১৮৭০ চনত গুজৰাটত। স্ত্ৰীজাতি উন্নতিৰ হকে বোম্বাই, পুনা, মাদ্ৰাজত আগবাঢ়ি আছিল ক্ৰমে মহৰ্ষি কাৰ্ভে, ৰামাবাঈ আৰু শুভলক্ষ্মী সুব্ৰাহ্মণিয়াম।

প্ৰেছিডেন্সি কলেজৰ শিক্ষাৰে শিক্ষিত আনন্দৰাম ঢেকীয়াল ফুকন আৰু গুণাভিৰাম

বৰুৱা আছিল অসমত স্ত্ৰীশিক্ষা আৰু নাৰীমুক্তিৰ বাটকটীয়া।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ পৃষ্ঠপোষকতাত অসমত প্ৰথম নাৰীবাদী আন্দোলনে বিস্তাৰ লাভ কৰে। ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত পৰ্দা প্ৰথাৰ বিৰোধিতা কৰি মহিলাসকলক চিক্ (বাঁহেৰে সজা পৰ্দা)ৰ আঁৰৰ পৰা ওলাই আহিবলৈ আহ্বান জনায়। তেতিয়াৰে পৰাই অসমত পৰ্দা প্ৰথাৰ বিলোপ আৰম্ভ হয়। ১৯২৬ চনত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰচেষ্টা তথা কৰ্তৃত্বত নাৰী মংগলাৰ্থে অসমত মহিলা সমিতি স্থাপিত হয় আৰু এই সংগঠন স্ত্ৰীশিক্ষা প্ৰৱৰ্তন, বাল্যবিবাহ ৰোধ, অস্পৃশ্যতা বৰ্জন, পৰিত্যক্তাৰ সংস্থাপন, তাঁতশিল্পৰ উন্নতি আদি বিভিন্ন সমাজ কল্যাণমূলক কাৰ্যসূচীত জড়িত হয়। উল্লেখযোগ্য যে অসমীয়া মহিলাই ভাৰতৰ স্বাধীনতা আন্দোলনতো যোগদান কৰে।

স্বাধীনতাৰ আগৰে পৰাই বৰ্তমানলৈকে অসমত নাৰী মংগলাৰ্থে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপিত হৈছে। ইয়াৰে দুটা উল্লেখযোগ্য অনুষ্ঠান— বাওঁপন্থী মহিলাসকলে স্থাপন কৰা 'মহিলা আত্মৰক্ষা সমিতি' আৰু 'গণতান্ত্ৰিক মহিলা সংঘ'। এই সংগঠনবিলাকৰ লগত জড়িত বিভিন্ন মহিলাৰ প্ৰচেষ্টাত বৰ্তমান কাললৈকে অসমীয়া নাৰী সমাজৰ প্ৰভূত উন্নতি হোৱা দেখা গৈছে।

এইদৰে আপাতঃদৃষ্টিত নাৰীজাতিৰ উন্নতি হোৱা দেখা গৈছে যদিও এই একবিংশ শতিকাৰ আৰম্ভণিতে নাৰী নিৰ্যাতন হ্ৰাস পোৱা দেখা যোৱা নাই, বৰং বহুক্ষেত্ৰত বৃদ্ধি পোৱাহে দেখা গৈছে।

সম্প্ৰতি ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনৰ পৰা জানিব পৰা গৈছে যে সমগ্ৰ বিশ্বত নাৰী নিৰ্যাতনৰ প্ৰকোপ বৃদ্ধি পাইছে। ১৯৯৫ চনত বেইজিঙত অনুষ্ঠিত চতুৰ্থ বিশ্বনাৰী সন্মিলনত নাৰী নিৰ্যাতনৰ সূত্ৰ এইদৰে দাঙি ধৰা হৈছে—

'Any act of gender-based violence that results in, or is likely to result in physical, sexual or psychological harm or suffering to women, including threats of such acts, coercion or arbitrary deprivation of liberty, whether accuring in public or private life.'

ভাৰতীয় মহিলাৰ সামাজিক অৱস্থাৰ বিষয়ে ক'ব পাৰি যে ভাৰতত প্ৰতি ৫৪ মিনিটত এটা ধৰ্ষণ, প্ৰতি ৪৩ মিনিটত এটা



***এসময়ত পুৰুষৰ কান্ধত ধৰিয়েই অন্ধকাৰৰ পৰা পোহৰৰ বাটৰ সন্ধান পোৱা নাৰীসকলৰ বৰ্তমান প্ৰধান কৰ্তব্য হৈছে ইভ'ৰ পৰিয়ালৰ আনবিলাক সদস্যাকো পোহৰৰ সন্ধান দিয়া। নাৰীবাদী আন্দোলনৰ প্ৰাসংগিকতাৰ অন্ত পৰিব সেই সময়ত, যেতিয়া নাৰীয়ে নিজকে 'নাৰী' হিচাপে পৰিচয় দিয়াৰ আগতে 'মানুহ' হিচাপে চিনাকি দিব পাৰিব।***

অপহৰণ, প্ৰতি ৫১ মিনিটত এটা ইভ টিজিং, প্ৰতি ৫৪ মিনিটত একোটাকৈ বোৱাৰী হত্যা সংঘটিত হয় যৌতুকৰ বাবে। প্ৰকৃত সংখ্যা ইয়াতকৈও অধিক কাৰণ বহুতে বদনামৰ ভয়ত অভিযোগ নকৰে। ইয়াৰে বহুসংখ্যক অপৰাধ সংঘটিত হয় স্বামীৰ আত্মীয়-স্বজনৰ দ্বাৰা। যোজনা আয়োগৰ সমীক্ষাৰ মতে ভাৰতত প্ৰতি বছৰে নিৰ্যাতন বৃদ্ধিৰ হাৰ ১৪.৬%। UNDP-ৰ Human Development 2000 শাখাৰ ওপৰত প্ৰকাশিত প্ৰতিবেদন মতে ভাৰতত ঘৰুৱা সংঘৰ্ষ ঘাইকৈ নিৰ্ভৰ কৰে পত্নীৰ শিক্ষাৰ ওপৰত।

International Centre for research or Womanৰ ২০০০ চনৰ ফেব্ৰুৱাৰীৰ এক অধ্যয়ন মতে ভাৰতীয় সমাজৰ সকলো স্তৰত নিম্নৰ পৰা উচ্চ লৈকে নিৰ্যাতন চলা দেখা যায়। যৌতুক প্ৰথা, কন্যা সন্তানৰ প্ৰতি অৱজ্ঞা, কন্যা সন্তানৰ মাতৃক তাচ্ছিল্য কৰা, সন্তানহীনা আৰু স্বামীহীনাক অশুভ জ্ঞান কৰা ইত্যাদি নাৰীবিৰোধী কাৰ্যাৱলী বিভিন্ন কোণত দেখা যায়। আকৌ এতিয়া চেনটেছিছ, আলট্ৰা ছাউণ্ড স্কেনিং আদিৰ জৰিয়তে ভ্ৰূণৰ লিংগ নিৰ্ধাৰণ কৰিব পৰা হোৱাৰে পৰা ভাৰতত কন্যা ভ্ৰূণ গৰ্ভাৱস্থাতে হত্যা কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে।

ভাৰতবৰ্ষত মহিলা পুষ্টিকৰ আহাৰ পৰাও বঞ্চিত হোৱা দেখা যায়। শতকৰা তিৰাশীগৰাকী গৰ্ভৱতী মহিলাৰ তেজত লোৰ হাৰ কম। পিতৃপ্ৰধান সমাজত নিজকে বঞ্চিত কৰি সৰ্বস্ব ত্যাগ কৰাই আদৰ্শ নাৰীৰ লক্ষণ, বিশেষকৈ বৰ্ণহিন্দু সমাজত। বৰ্ণহিন্দু পৰিয়ালবোৰত ধৰ্মীয় অনুশাসন মতে ধৰ্মীয় অনুষ্ঠান আদিত গৃহিণীগৰাকী লঘোণে থকাটো নিয়ম। এই কাৰণসমূহৰ বাবে ভাৰতবৰ্ষত বহুসংখ্যক মহিলাৰ স্বাস্থ্য দুখজনক।

স্বাস্থ্যহীনতাৰ বাবে অসমতো প্ৰসূতিৰ মৃত্যুৰ হাৰ বৃদ্ধি পাইছে। অসমত প্ৰতি এক লাখ মাতৃৰ ৫৪৪ গৰাকী মৃত্যুৰ মুখত পৰে, য'ত প্ৰসূতিৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ প্ৰতি এক লাখত ৪৫৩ গৰাকী। তদুপৰি কন্যাসন্তানক ভেকছিন দিয়া, বিকলাংগ কন্যা সন্তানৰ প্ৰতিপালন আদিৰ ক্ষেত্ৰতো পিতৃ-মাতৃয়ে অৱহেলা কৰা দেখা যায়।

নাৰীক সম্পত্তিৰ অধিকাৰৰ পৰাও বঞ্চিত কৰা দেখা যায়। UNDP ১৯৯৭ চনৰ অধীনত ভাৰতীয় নাৰীৰ ওপৰত প্ৰস্তুত কৰা প্ৰতিবেদনখনত কোৱা হৈছে যে

উত্তৰাধিকাৰ সম্পৰ্কীয় আইনবোৰ তিৰোতা মানুহৰ বিপক্ষে যায়।

তদুপৰি আন্তৰ্জাতিক নাৰীদেহ ব্যৱসায় আৰু পতিতাবৃত্তি বৃদ্ধি পোৱাৰ লগতে বিজ্ঞাপন শিল্পয়ো নাৰীক পণ্যত পৰিণত কৰিছে।

ইমানবিলাক দুৰ্যোগৰ উপৰি নাৰীক ৰাজনৈতিক ষড়যন্ত্ৰৰো বলি কৰা হয়। ১৯৪৭ চনৰ দেশ বিভাজনৰ সময়ত বলি হৈছিল বংগ আৰু পঞ্জাৱৰ নাৰী। যোৱা কেইবছৰমান ধৰি কোকৰাঝাৰ জিলা চাহ শ্ৰমিক ইউনিয়নৰ সীতা মাৰাণ্ডী আৰু মালবিকা ছোৰেণকে ধৰি কেইবাগৰাকী মহিলা নেত্ৰীক নিষ্ঠুৰভাৱে হত্যা কৰা হ'ল একমাত্ৰ ৰাজনৈতিক কাৰণত। নাৰী সুৰক্ষাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰা হৈছে যদিও বাস্তৱ ক্ষেত্ৰত এইবিলাকৰ সুফল পোৱা নাযায়। বহুক্ষেত্ৰত ৰক্ষকসকলে ভক্ষকৰ ৰূপ লোৱাও দেখা যায়।

কেৱল ভাৰতবৰ্ষতে নহয়, বিশ্বৰ সকলো দেশতে, আনকি আমেৰিকা যুক্তৰাষ্ট্ৰতো নাৰী নিৰ্যাতন হোৱা দেখা যায়। আমেৰিকাত ক্ৰমবৰ্দ্ধমান নাৰী নিৰ্যাতন আৰু নাৰী ব্যৱসায় প্ৰতিৰোধ কৰাৰ অৰ্থে ৰাষ্ট্ৰপতি বিল ক্লিণ্টনে ২০০০ চনৰ অক্টোবৰত The Victims of Trafficking and Violence Protection Actখনত চহী কৰে। গতিকে দেখা যায় যে নাৰী নিৰ্যাতন সমগ্ৰ পৃথিৱীৰে এটা প্ৰধান সমস্যা।

নাৰী নিৰ্যাতনৰ প্ৰতিকাৰৰ বিষয়ে ক'বলৈ যাওঁতে এটা কথা ক'ব পাৰি যে নাৰী নিৰ্যাতনৰ প্ৰতিকাৰ কেৱল আইন প্ৰণয়নৰ মাজতে নিহিত হৈ থকা নাই। ইয়াৰ প্ৰতিকাৰ বহু পৰিমাণে নাৰীৰ হাততে আছে। ধৰ্ষণ, উৎপীড়ন আদিৰ পৰা নিজকে ৰক্ষা কৰিবলৈ প্ৰতিজনী ছোৱালীয়ে আত্মৰক্ষাৰ কৌশল শিকা উচিত। কেৱল পৰম্পৰাগত শিক্ষাৰেই নহয়, যুক্তিবাদী চিন্তাধাৰাৰে উদ্বুদ্ধ হৈ নাৰীয়ে অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ শিকিলে এই নিৰ্যাতনসমূহ হ্ৰাস পাব বুলি আশা কৰিব পাৰি। তদুপৰি দৃষ্টিভংগীৰ পৰিবৰ্তনো অত্যাৱশ্যকীয়। এই দায়িত্ব ল'ব লাগিব আলোকপ্ৰাপ্ত মহিলাসকলে আৰু ইয়াৰ বাবে প্ৰয়োজন হ'ব এক বিপ্লৱৰ।

গতিকে মানৱীয় অধিকাৰৰ পৰা বঞ্চিত এই নাৰীসমাজে নিজ অধিকাৰসমূহ আদায় কৰিবলৈ যি সংগ্ৰামত জঁপিয়াই পৰিছিল তাকে সুঁৱৰি প্ৰতিবছৰে ৮ মাৰ্চ তাৰিখে বিশ্ব নাৰী দিৱস পালন কৰি অহা হৈছে। সমাজবাদী নেত্ৰী ক্লাৰা জেটকিনৰ প্ৰস্তাৱমতে ১৯১০ চনত কোপেনহেগেনত অনুষ্ঠিত সমাজতান্ত্ৰিক মহিলাৰ দ্বিতীয় আন্তৰ্জাতিক সন্মিলনত এই দিন ধাৰ্য কৰা হয়।

১৯১১ চনৰ ৮ মাৰ্চ তাৰিখটো স্বতঃস্ফূৰ্তভাৱে সংগ্ৰাম আৰু প্ৰতিবাদৰ প্ৰতীকী দিন হিচাপে পোন প্ৰথমবাৰৰ বাবে পালন কৰে দৈহিক শ্ৰমৰ বিনিময়ত উপাৰ্জন কৰা মহিলাসকলে। ভাৰতত কুৰি শতিকাৰ পঞ্চাশৰ দশকত National Federation of Women এ প্ৰথমবাৰৰ বাবে দিনটো পালন কৰিছিল যদিও চকুত লগাকৈ ১৯৭৫ৰ পৰাহে উদ্‌যাপিত হ'বলৈ ধৰিছে। কিন্তু বৰ্তমান এই দিনটোৱে ইয়াৰ সংগ্ৰামী ৰূপ হেৰুৱাই ভাৰতত এক আনুষ্ঠানিক ৰূপহে পৰিগ্ৰহন কৰিছে।

এই দুটা শতিকাজোৰা অক্লান্ত, অকুণ্ঠ নাৰীবাদে নাৰীজাতিৰ কিমানখিনি উন্নতি কৰিব পাৰিছে, নাৰীক অন্ধবিশ্বাস তথা নিৰ্যাতনৰ জিঞ্জিৰিৰ পৰা কিমান দূৰ মুক্ত কৰিব পাৰিছে, সেয়া সন্দেহজনক। আমেৰিকান নাৰীবাদী লেখিকা কাথা পোলিটে লিখিছে যে লুক্ৰেশ্বিয়া মট আৰু এলিজাবেথ কেডি ষ্টেনটনে ডেৰশ বছৰৰ আগেয়ে আৰম্ভ কৰা নাৰীবাদী আন্দোলনৰ ফলস্বৰূপে আমেৰিকাৰ মহিলাসকলে সকলোধৰণৰ অধিকাৰ লাভ কৰিছে। কিন্তু লিংগ বৈষম্য এইপৰ্যন্ত আঁতৰা নাই। ছুইডেনত লিংগ বৈষম্য কম যেন বোধ হয়, তাৰ সংসদত পুৰুষ আৰু নাৰীৰ সদস্য সংখ্যা প্ৰায় সমান। কিন্তু সেই দেশতো মহিলা সদস্যাসকল পুৰুষ সদস্যৰ যৌন লাঞ্ছনাৰ চিকাৰ হোৱাৰ উদাহৰণ আছে।

এয়া সন্দেহাতীত যে নাৰীবাদী আন্দোলনৰ ফলস্বৰূপে বৰ্তমান পুৰুষ আৰু নাৰীৰ জীৱন-ধাৰণ পদ্ধতিৰ আমূল পৰিবৰ্তন সাধন হৈছে। সমাজৰ বিভিন্ন কাৰ্যক্ষেত্ৰত নাৰীয়ে অংশ ল'ব পৰা হৈছে।

কিন্তু সকলো ক্ষেত্ৰতে পৰিবৰ্তন অহা নাই। এতিয়া নাৰীক Second Sex বা দ্বিতীয় লিংগ হিচাপেই গণ্য কৰা হয়। যৌন নিৰ্যাতন, লিংগ বৈষম্য, স্ত্ৰী-বিদ্বেষৰ ক্ষেত্ৰতো বিশেষ পৰিবৰ্তন দেখা পোৱা নাযায়। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষতেই দেখা যায় যে কৰ্মক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণ বৃদ্ধি পাইছে যদিও বৃদ্ধিৰ হাৰ সন্তোষজনক নহয়। ১৯৭১ চনত এই হাৰ আছিল ১৪.২% আৰু ১৯৯১ চনত ২২.৩%।

ৰাজনীতিত অংশগ্ৰহণ তথা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত দেখা যায় যে পঞ্চায়তত সক্ৰিয় অংশগ্ৰহণকাৰী মহিলাৰ সংখ্যা ১৯৯৫ত ৩৩.৫% আছিল যদিও ১৯৯৭ চনত কমি ৩১.৩% হয়। সংসদত মহিলা সদস্য সংখ্যাই ৩৩% স্পৰ্শ কৰিবলৈ বহুত বাকী।

গতিকে উক্ত তথ্যবিলাকৰ পৰা অনুমেয় যে সংবিধানে চকুত পৰাকৈ লিংগ বৈষম্য ৰখা নাই যদিও ভাৰতত সকলো ক্ৰিয়া-কাণ্ড সংঘটিত হয় মানুহৰ ইচ্ছা-অনিচ্ছাৰ দ্বাৰা।

আজিৰ নাৰী বিশ্বাস, মৰম, প্ৰেম-প্ৰীতি আদিৰ উপৰি সাহস, জ্ঞান, পাণ্ডিত্য, বিবেচনাশক্তি আদি গুণেৰেও মহীয়ান। কিন্তু পুৰুষ সমাজে এই গুণবোৰ দেখিও নেদেখা হৈ আছে। কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত নাৰী বিভিন্ন দিশত পুৰুষৰ সমানে আগবাঢ়ি আহিছে তথা বহুক্ষেত্ৰত পুৰুষৰ তুলনাত শ্ৰেষ্ঠতাও প্ৰতিপন্ন কৰিছে। কিন্তু তেওঁলোক সংখ্যাত মুষ্টিমেয়। চহৰীয়া জীৱনৰ মুক্ত নাৰীসকল দেখিলে, নাৰীসকলৰ পৰাধীনতাৰ ওৰ পৰিল যেন বোধ হয়। কিন্তু সঁচা অৰ্থত পিতৃতান্ত্ৰিক সমাজব্যৱস্থাত নাৰী বৰ্তমানো পিঞ্জৰামুক্ত হ'বপৰা নাই। আমাৰ সমাজ ব্যৱস্থাটোৱেই কেৰোণযুক্ত আৰু এই কেৰোণৰ বাবেই এতিয়াও সমাজৰ পৰা লিংগ বৈষম্য দূৰ কৰিব পৰা হোৱা নাই।

এসময়ত পুৰুষৰ কান্ধত ধৰিয়েই অন্ধকাৰৰ পৰা পোহৰৰ বাটৰ সন্ধান পোৱা নাৰীসকলৰ বৰ্তমান প্ৰধান কৰ্তব্য হৈছে 'ইভ'ৰ পৰিয়ালৰ আনবিলাক সদস্যাকো পোহৰৰ সন্ধান দিয়া। নাৰীবাদী আন্দোলনৰ প্ৰাসংগিকতাৰ অন্ত পৰিব সেই সময়ত, যেতিয়া নাৰীয়ে নিজকে 'নাৰী' হিচাপে পৰিচয় দিয়াৰ আগতে 'মানুহ' হিচাপে চিনাকি দিব পাৰিব। ■

গল্প



# অপৰাজেয়

দেৱপ্ৰতীম হাজৰিকা



ঘোঁৰা এটা পেইণ্টিং এখনৰ পৰা ওলাই দৌৰি ফুৰিছিল কলা-বীথিকাটোত। বেৰৰপৰা চিলিঙলৈ বগাইছিল তাৰ নিশ্বাস। সি বীথিকাৰ মজিয়াত উৰ্দ্ধশ্বাসে দৌৰিছিল আৰু বাট এটা বিচাৰি তচ্‌নচ্‌ কৰিছিল। তাৰ খুৰাৰ আঘাতেৰে সমস্ত সেউজীয়া নীৰৱতাখিনি, তাৰ আঘাতত এৰাই গৈছিল বাৰ্ণিছৰ সকলো প্ৰলেপ, আমি—আমিবোৰ সকলো বিমূৰ্ত কিছুমান 'ষ্টেচু' নতুবা 'পেইণ্টিং' হৈ ধৰা দিছিলো দৰ্শকৰ সন্মুখত। আমাক চাবলৈ কোন আহিল, সকলো আৱয়বিক; আমাৰ শৰীৰৰ মাজৰ কলিজাবোৰ চাবলৈ বিচাৰিলে। তাৰ বাবে আমাৰ লগতে ছবিকেইখনেও খুলি পেলালে আৱৰণৰ সকলো আৱৰণ। তথাপি কাঁচৰ শৰীৰবোৰ সন্তুষ্ট নহ'ল, তেওঁলোকে পছন্দ কৰিলে ঘোঁৰাটো আৰু দৌৰি থাকিল কলা-বীথিকাৰ মজিয়াত।

সকলোৱে ক'লে— 'বৰ সুন্দৰ ছবি, যুগৰ লগত খাপ খোৱা ছবি। হয় হয় প্ৰগতিৰ প্ৰতীক ঘোঁৰা।' ছবিৰ বিষয়ে নিজে জনা বুলি ভবা এজনে ক'লে— 'ছবিখনত ৰঙৰ বিকিৰণ সুন্দৰ হৈছে, ৰং আৰু ৰেখাৰ ব্যৱহাৰে বাঙ্ময়তা প্ৰদান কৰিছে। ছাঁ-পোহৰ আৰু ৰেখাৰ কি প্ৰগাঢ় ব্যঞ্জনা।' 'ছবিখনৰ পৰিপ্ৰেক্ষিতত অলপমান ভুল হ'ল নেকি?'

অসমান, স্বাভাৱিক আৰু পাহাৰৰ পৰা সমতললৈ খহি অহা মন্তব্যবোৰ মোৰ কিছুমান শিলৰ টুকুৰাৰ দৰে লাগে, গল্গালেও যেন নগ'লে। ভিন্নমাত্ৰিক জীৱন আৰু ঘোঁৰাৰ পৰিপ্ৰেক্ষিত! তাহানিতে যে ভূপেনদাই ব্লেকবৰ্ডত চকমাটিৰে লিখি লিখি বুজাইছিল পৰিপ্ৰেক্ষিতৰ সংজ্ঞা, দিগন্তৰেখা। অজানিতে, অকালতে মানুহজন দিগন্তৰ এটা বিন্দুত মিলি গ'ল, যিটো বিলীয়মান বিন্দু; য'ত সকলো লীণ হয়। কিছুমান নীলাবেদনাত ৰঙা চাহৰ দৰে পানীখিনিত তেওঁৰ জীৱন একাকাৰ হৈছিল, তেনেকৈয়ে এদিন তেওঁ উৰিছিল। পোহৰ আৰু আন্ধাৰ, সুৰংগ আৰু সমতলত বিচ্ছুৰিত হৈ উঠিছিল কাকডোঙাৰ পাৰৰ কঁহুৱাৰ মাদকতা আৰু দূৰত বমি বমি গোন্ধ এটাই কেঁকাইছিল।

বিশাল তেলৰঙৰ পেইণ্টিং এখনৰ কাষত কুঁচি-মুচি বৈ আছিলো মই, চাৰিওফালে নীৰৱতা, মোৰ মগজুৰ উত্তাপ বাঢ়িছে, দুচকুত সপোন বাঢ়িছে আৰু সকলোবোৰ বাঢ়ি বাঢ়ি ভায়লিনৰ দৰে মোৰ মনটোক বাৰে বাৰে ৰেপিব ধৰিছে, মই উচ্পিচাইছো।

কলা-বীথিকাটোৰ গ্লাচৰ দুৱাৰখন ঠেলি এজনী ছোৱালী সোমাই আহিছে। ব্ৰাউন একোছা চুলি, ব্লু-জিনচ আৰু বগা কুৰ্তাৰে এজনী পখিলাৰ দৰেই তাই উৰিছে। আহিয়েই তাই কালাৰ চেঞ্জিং গ্লাচযোৰ কুৰ্তাত ওলমাই থ'লে; ক'লা বেগটো বুকুত সাবটি তাই চাই গ'ল মোৰ পেইণ্টিংখিনি। তাইৰ দৃষ্টিত মোৰ চকু গ'ল, তীক্ষ্ণ, যেন চিকাৰৰ বাবে অপেক্ষাৰত উদ্যত মেকুৰী এজনী।

ঃ আপোনাৰ স'তে অলপ কথা হ'ব পাৰোনে?' এমূৰৰ পৰা ছবিবোৰ চাই আহি আহি ছোৱালীজনীয়ে মোক সুধিলেহি। মই যেন ক'ৰবাৰ পৰা আকৌ উটি আহিলো। 'আমনি নাপায় যদি কথা পাতিব পাৰে।'

ঃ মোৰ নাম নীতা, নীতা কাশ্যপ। টাইমছৰ ৰিপৰ্টাৰ।

ঃ তাৰ মানে মই এটা ৰিপৰ্ট। মই হাঁহি ক'লো।

ঃ ছবিৰ প্ৰতি মোৰ বিৰাট ৰাপ, সেইবাবে ছবিৰ বিষয়ে বাতৰি লিখিবলৈ পালে ভাল লাগে। ছবি আঁকা মানুহ আৰু ছবি দুয়োটাৰে প্ৰতি মোৰ পাগলৰ দৰে প্ৰেম। সৰুতেই ছবিৰ প্ৰেমত পৰিছিলো মোৰ দেউতাৰ দ্বাৰা। দেউতাৰ ছবিবোৰৰ মাজে মাজে মই ঘূৰিছিলোঁ, গন্ধ লৈছিলো ৰঙৰ। ছবি আঁকি থকা দেউতাই মোৰ গালতো ৰং সানি দিছিল কেতিয়াবা আৰু এদিন মোৰ বুকুত ৰং সানিছিল অসীমে, তাৰ বাবে মই এটা জীৱন্ত পৰ্ট্ৰেইট। অ'হ চৰি, সাক্ষাৎকাৰ ল'ম আপোনাৰ আৰু আৰম্ভ কৰিছো মোৰ ভাষণ, কিযে পাগল নহয় মই।

ঃ নাই কোনো কথা নাই। মই লাহেকৈ ক'লো।

ঃ কওকচোন আপোনাৰ সৃষ্টিৰ উৎস কি? আপুনি প্ৰেৰণা ক'ৰ পৰা পায়?

ঃ আমি অলপ বাহিৰত বহোঁগৈ নেকি? ইয়াত বৰ বন্দী যেন লাগিছে নিজকে।

আগ্ৰাসী ভৰি দুখনে আমাক কঢ়িয়াইছিল কলা-বীথিকাৰ পৰা মহানগৰীৰ ৰাস্তালৈ। আকাশখনে বগা ফাকু ছটিয়াইছিল, অস্বচ্ছ বিলীয়মান কিছুমান মূৰ্তি নাচিছিল আকাশৰ বুকুত। দৌৰি দৌৰি এজাক ঘোঁৰা। ফ্লাইঅ'ভাৰৰ পৰা তললৈ চাই দিওঁতেই বাগৰি পৰিব খুজিছিল এসোপা শব্দ, দুচকুত মোৰ স্তব্ধতা। বাগৰি বাগৰি ধৰফৰাইছিল মোৰ সত্তা আৰু জাগিছিল পঞ্চতান্ত্ৰিক স্মৃতি।

ৰে চাইড বয় এটাই জাবৰৰ দ'ম এটা খুঁচৰি আছিল, হঠাৎ তাৰ হাতত এটা দুটকাৰ মুদ্ৰা লাগিল। সম্ভৱত পেলনীয়া বস্তুৰ লগতে সিয়ো পৰি গৈছিল অজানিতে। ল'ৰাটো আচৰিত হ'ল জাবৰৰ মাজত পইচা পোৱা সিয়ে সৌভাগ্যৱান। তাৰ দুচকুত জ্বলিছিল জঠৰ সপোন, মোৰ মনত ভিক্ষাৰীৰ সেই সপোনটো এদিন সৰহকৈ চাউল পাই তাৰ গোটাই থোৱা চাউলৰ টেকেলি ভৰি পৰিল, সি নানান সপোন দেখিলে, অসংলগ্ন, উদভ্ৰান্ত এটা সপোন। People will be very hungry and there will be no food. I will sell my rice for a hundred rupees.

সৰল মাতলামি তাৰ, নিজৰে তাৰ খাবলৈ নাই। ভোকাতুৰক আহাৰ বেছি ধনী হ'ব খোজা ভিক্ষাৰীজনৰ ভগা টেকেলিটো আৰু কুকুৰাকেইজনীৰ খঁকুৱা ঠোঁটবোৰ মোৰ কিবা পেটুৱা মহাজনৰ লক লক জিভাখন যেন লাগে আৰু কণমানি ল'ৰাটোৰ মূৰটো সেই ভগা টেকেলিটো।

সি কিন্তু ক্ষন্তেকতে ভুল নকৰিলে। দৌৰি সি দোকানলৈ গ'ল আৰু এটা ব্ৰেড কিনি খালে; তাৰে তাৰ এদিনৰ পেট ভৰিব।

একেদৰেই দৌৰি থাকিল গাড়ীবোৰ, চিটিবাছবোৰ, শব্দবোৰ, কোলাহলবোৰ, নতুন নতুন সুখবোৰ, মুখৰ আঁৰৰ মুখাবোৰ; ঘোঁৰাৰ দৰে বেগাই গৈ থাকিল মোৰ ভাবনাৰ দৌৰ, কেনভাচত, ইজেলত নতুন ৰঙৰ প্ৰলেপ।

ঃ নীতা, পৃথিৱীখন সুন্দৰ আছিল নহয়, ফুল-গছ-লতিকাৰে ভৰপূৰ, আমি কিয় বাৰু ইয়াক নিঃস্ব কৰিছো? আমাৰ নিষ্ঠুৰতাৰ কুঠাৰেৰে আমাৰ সমস্ত স্বাৰ্থপৰতাৰে কোবাই কোবাই চেপেটা কৰিছো পৃথিৱীখন, আমাক এখন সমান পৃথিৱী লাগে যাতে ঘোঁৰাৰ তীব্ৰবেগ তাত সহজ হয়।

নীতাই একো কোৱা নাছিল, মাথোঁ মূৰ দুপৰিয়াইছিল, নাজানো সমৰ্থন নে পেশাদাৰী ভংগিমা। টোকাবহীত তাই লিখিছিল মোৰ কথা নে তাইৰ কথা। মোৰ কৈ ভাল লাগিছে কৈছো, তাই লিখিছে লিখক। মই এটা সামান্য ৰিপৰ্ট। বাতৰি কাকতৰ এটুকুৰা আয়তকাৰ শব্দবিন্যাস।

টেবুলৰ পৰা ডায়েৰীখন তুলি লওঁতেই বকুল গছৰ পদূলি আৰু শেৱালি ফুলৰ সেমেকা গোন্ধ এটা বাগৰিছিলহি। সেউজীয়া এজাক সপোনৰ কিৰিলি, শণখেৰৰ এখনি আকাশ-চোতাল, আথেলি।

এইখন মোৰ গাঁৱৰ ছবি। বহুদিন ঠিক ১০ নে ১২ বছৰ আগতে এৰি অহা গাঁৱৰ ছবি, কলেজত পঢ়িবলৈ এৰি অহা গাঁওখনৰ ছবি। আজি প্ৰায় তিনি বছৰ দেখা নাই। পট পৰিবৰ্তন আহিল গাঁৱৰ, সময়ৰ লগত দৌৰিব ধৰিলে সকলোৱে। মায়ে চিঠিত লিখে—

'তোৰ মানীজনীয়ে এইবাৰ মেট্ৰিক পাছ কৰিছে, তাই কৈছে, 'দাদাক ঘৰলৈ আহিবলৈ কবি, মই তাৰ লগত গুৱাহাটী চাবলৈ যাম।' তাইৰ তাতে কম্পিউটাৰ পঢ়াৰ মন।

অ' চাৰিআলিৰ মূৰত ৱাইন চপখন হ'লগৈ। ৰাতুলহঁতে একো কৰিব নোৱাৰিলে। কিন্তু এতিয়া কি জান, সিহঁতৰে কেইটামান অনবৰতে তাতে মদখাই বহি থাকে। তই গুচি গলি ভালেই কৰিলি, এই গাঁও গাঁও হৈ থকা নাই। সিদিনা মনবৰৰ ছোৱালীজনী সন্ধ্যা কলেজৰ পৰা ঘূৰি আহোতে হাবিখনৰ ওচৰত কেইটামান ল'ৰাই....

চিঠিখন পঢ়ি মোৰ হুক্হুকাই বমি কৰিবৰ মন যায়, আহে যদি আহক তাৰ লগতে ওলাই মোৰ বৰ্তমানৰ গাঁৱৰ এই ছবিবোৰ, নিকা হওক ভৱিষ্যৎ। আমি সকলোবোৰ আচলতে এটা ঘূৰ্ণীয়মান গোলকৰ ভিতৰত সোমাই পৰিছো আৰু পৃথিৱীৰ পৰিসীমা বুজিবৰ আহৰি পোৱা নাই। কাষ হৈ আমিবোৰ ঘোঁৰাৰ সপোন দেখিছো। যিটো সপোন শহাটোৱে দেখিছিল যে সি কণমানি কাছটোক আলাসতে পিচ পেলাই যাব। কিন্তু নহ'ল লাহেকৈ গৈয়ো কাছটো

আগবাঢ়ি গ'ল শহা পিছ পাৰি থাকিল। সাধুটো কিন্তু সলনি হ'ল। নীল গুলা পানীখিনিৰ দৰে প্ৰথমে স্বচ্ছ তাৰ পিছত ফটফটীয়া নীলা। কাছৰ লগত প্ৰতিদ্বন্দ্বী যে ঘোঁৰা, ঘোঁৰাৰ গতি অশ্বগতি। যাব নোৱাৰি আমি চলঙত নিজক লুকুৱাই ৰাখিলো বিচাৰিলো সমান পৃথিৱী, ওখ-চাপৰ মাটিত কাছ খৰকৈ যাব নোৱাৰে।

ভূপনাথন ঠেলি নীতা সোমাই আহিছে, প্ৰথমে তাই গুড মৰ্ণিং ক'ব, ইটো-সিটো কথা সুধিব, তাইৰ সহমৰ্মিতাৰ টোকাবহীত লিখি ৰাখিব সকলো। গুণগুণাই গান গাব, কবিতা পঢ়িব।

ঃ গুড মৰ্ণিং, আজি আপোনালৈ এটা নতুন খবৰ আনিছো, এয়া তাৰ মিঠাই। মাখন হাত দুখনেৰে তাই সন্দেশৰ পেকেটটো মোৰ আগত দাঙি ধৰিলে। বগা চুৰিদাৰযোৰেৰে তাইক পৰীৰ দৰে লাগিছে, এয়া যেন তাই উৰি যাব প্ৰাচুৰ্যৰ ইটোপাৰে আৰু ভৰাই তুলিব সপোনবোৰ।

সন্দেশৰ টুকুৰা এটা মুখত সুমুৱাই সুধিলো, কোৱা, তাই দীঘল লেফাফা এটা মোলৈ আগবঢ়াই দিলে।

ঃ বাহ এটা নতুন কবিতা, অসমীয়া কবিতা। সুন্দৰ দুৱাৰেদি সোমাই আহিব বতাহ/ মই মোত হেৰাম/ মমডাল জ্বলিব। শেষৰ শেষত কি থাকিব কাগত।

ঃ সঁচাকৈ আপুনি কোৱাৰ দৰে অসমীয়াত লিখিবৰ যত্ন কৰিছিলো, নাজানো কেনে হৈছে। অসমীয়া ভাষাটোও যে ইংৰাজীৰ দৰেই মিঠা আৰু সুবলা আজিহে গম পাইছো। জানে এই সপ্তাহতে কেইবাখনো অসমীয়া কিতাপ পঢ়িলো।

ঃ মোৰ বাবে ই সুন্দৰৰো সুন্দৰ। কথাষাৰ কৈ থকাৰ মাজতে কাষৰ ঘৰটোৰ পৰা কণমানি ল'ৰাটোৰ পঢ়াৰ মাত ভাহি আহিল—

Jack and Jill went up to the hill.

জেক আৰু জিলৰ দৰে আমিও পাহাৰলৈ উঠি গৈছিলো কিজানি খিৰিকিখনেদি নদীখন বাগৰি যোৱা দেখিছিলো, বতাহ বলিছিল, নীতাই পখিলা এজনীৰ দৰেই চুন্নীখন এৰি দি জঁপিয়াইছিল। তাইক এসোপামান ৰং ছটিয়াই দিবৰ মন গৈছিল। তাই যে কেনভাচত বন্দী নোহোৱা এখন মুক্ত পেইণ্টিং। ৰং-বাৰ্ণিচ নসনা এখন ৰঙীণ পৰ্ট্ৰেইট হৈ উঠিছে দিনে দিনে।

জেকৰ দৰে কোনো নাবাগৰিল পাহাৰৰ পৰা। এছাটি শীতল বতাহ বলিছিল।

ঃ মোৰ এটা পৰ্ট্ৰেইট আঁকি দিব নোৱাৰেনে। হঠাতে নীতাই মোক সুধি পেলাইছিল।

ঃ এটা চৰ্তত।

ঃ সকলো চৰ্ত মঞ্জুৰ।

ঃ তোমাৰ দিব্য উপস্থিতি মোৰ ষ্টুডিঅ'ত যদি কমেও দুঘণ্টাকৈ দিব পাৰা বহি থাকিব পাৰা নীৰৱে।

মান্তি হৈছিল তাই, আহিছিল দুদিনমান। সন্মুখত বহি থাকিছিল বহু সময়। চাহ কৰিছিল, খাইছিল আনকি মোৰ টেবুলত বহিও তাই কবিতা লিখিছিল।

তেনেকৈয়ে বাট এটা সৃষ্টি হৈছিল মোৰ অন্তৰত। শাৰী শাৰী গছৰ মাজেৰে এটা বাট, এটা সেন্দূৰীয়া বাট, যি বাটেৰে মই আগ্ৰাসী হোৱাৰ ইচ্ছা কৰো। মই মোৰ মনটোক জোকাৰি দিছিলো। জৰজৰকৈ যেন শুকান পাত সৰাদি সৰি পৰিছিল এসোপামান ছায়াঘন দুশ্ছায়া। নীতাই কৈছিল— 'আপোনাক এজোপা গছৰ দৰে লাগে, দীঘল চুলিবোৰ গছৰ পাত আৰু হাত দুখন যেন দুটা ডাল, তাত চৰায়ে বাহ সাজিব পাৰে।' নীতা আঁতৰি যাব, সাক্ষাৎকাৰ শেষ হ'ব। পৰ্ট্ৰেইট আঁকা হ'ব, বাতৰি কাগজেৰে মেৰিয়াই ছবিখন বুকুত বান্ধি বিক্সাত উঠি গুচি যাব তাই। মোৰ আকৌ একে ব্যস্ততা, শূন্যতা, উত্তাপৰ বাগিচা, অপ্ৰাপ্তিৰ গধুৰ গধুৰ চিৰি।

নীতাই ছবিখন আজি লৈ যাব। অগুলা সহমৰ্মিতাৰ কিছুমান কবিতা বুকুত সাবটি তাই আহিছে, ব্ৰাউন চুলি মেলি সন্ধ্যা নমাই।

ঃ হেল্প' বাৰাণ্ডাত বহি বহি কি কৰিছে, নীতাই তাইৰ বেগটো নচুৱাই নচুৱাই সুধিলে। 'এটা বস্তু আনিছো আপোনালৈ।' বেগৰ পৰা এখন ডায়েৰী আৰু এটা ৰঙৰ পেকেট তাই টেবুলত থ'লে।

ঃ ছবিখন আজি লৈ যাম।

তাই কৈছিল, বহু কথাই কৈছিল। মোৰ অগুলা ভাবনাক সন্মান জনাইছিল। প্ৰাত্যহিক ঘটনাৰ লগত সৰলৰৈখিক কিছুমান ছায়াছবি জেল কলমটোৰে আঁকি আঁকি মই উমান লৈছিলো তাৰ গভীৰতাৰ। একুৱাৰিয়ামত বন্দী মাছ এজনীৰ দৰেই মই ধৰফৰাইছিলো। মই এখন নতুন ছবি আঁকা উচিত।

ভবাৰ দৰেই বাতৰি কাগজেৰে পৰ্ট্ৰেইটখন মেৰিয়াই তাই গুচি গ'ল এমুঠি কবিতাৰ বৰ্ণ ছটিয়াই। ৰিক্সাৱালাটোৰ ঘামেৰে তিতি যোৱা শৰীৰটোৱে পেডেল পকাই পকাই টানি লৈ গ'ল তাইক অন্য কোনোবা ঠাইলৈ। য'ত তাই শিল্পী প্ৰীতম আৰু নীতাৰ সাক্ষাৎকাৰক কাগজী ৰূপ দিব। ছপাশালৰ চেপা খাই গৰম হৈ উঠিব কাৰোবাৰ ধূমায়িত পুৱাৰ আমেজ।

কাৰোবাক সুখী কৰিব পাৰিলেই সুখী হোৱাৰ আচল আমেজটো পোৱা যায়। সুখ কি? অপ্ৰাপ্তিৰ চিৰি বগাই বগাই মই বহি আছো। অপ্ৰাপ্তি নে প্ৰাপ্তিৰ আতিশয্য। কাৰোৰে পৰা মই একো বিচৰা নাছিলো। কোনোৱেই সন্তুষ্ট নহয়। দিস্তাৰ পাছত দিস্তা দিনলিপি, কৰ্মলিপি লিখি দৌৰিব খোজে। কিছুমান ছদ্মবেশী ৰহস্যময় চেতনাৰ উন্মেষত মোৰ মনটো ঘোঁৰাৰ দৰে বেগাই দৌৰিব ধৰিছে। অতিশয় দুৰ্বোধ্য এই গতি। কলা বীথিকাৰ প্ৰাচীৰৰ পৰা উকৰি পৰিছেহি ৰঙৰ ভিন্নমাত্ৰিক ৰেখাবিন্যাস কিছুমান। মই ছবিবোৰৰ মাজৰ পৰা এখন নতুন ছবি বিচাৰি উলিয়াবলৈ সন্ধানৰত। মোৰ চাৰিওফালে দৌৰি ফুৰিছে ঘোঁৰাৰ অৱয়ব কিছুমান। মই সিহঁতৰ মাজত বিচাৰিছো জেতুকাৰঙী এখন ছবিৰ প্ৰাচুৰ্য। যি প্ৰাচুৰ্যই পৃথিৱীখনক পিচ পেলাই দৌৰিব পাৰে। ওখ মহলীয়া অট্টালিকাবোৰৰ পৰা ফুটপাথবোৰত, লিটল ষ্টাৰ বেবীবোৰৰ পৰা ৰে-ছাইড বয়বোৰলৈ, চেৰেলেকৰ পেকেটৰ পৰা অসুখীয়া মাতৃৰ শুকান স্তন যুগললৈ। সুখী হ'লোহেঁতেন যদি ভেন গগৰ দৰেই ঘোষণা কৰিব পাৰিলোহেঁতেন। I want to paint humanity, humanity and again humanity.

দৌৰি থকা গাড়ীবোৰ, চিটিবাছবোৰ, ফুটপাথবোৰ, ফুটপাথৰ কাষৰ ফুটপাথবোৰ সকলোতে কিছুমান কাছ মই ঘূৰি ফুৰা দেখিছো। মোৰ দুচকুত ভাহিছে স্বপ্নৰ বগা প্ৰাচীৰত ওলমি থকা মোৰ ঘোঁৰাৰ ছবিখন, শিকলি ছিঙি সি দৌৰিছে; কণমানি ল'ৰাটোৱে ব্ৰেড কিনি খাইছে আৰু কাছবোৰে শহাক পিছ পেলাবলৈ খোজ কাঢ়িছে। ৰিপ'ৰ্টাৰ নীতাই ৰিপ'ৰ্ট লিখিছে, ডগমগীয়া ৰঙা বুকুৰ দাগটো মচি আকৌ এটা দাগ বুকুত বান্ধি ল'ব পৰাকৈ তাই এজনী সাহসী কবি হৈ উঠিছে। মনবৰ কাইৰ ছোৱালীজনীয়ে বাৰু পাৰিছেনে পাহৰিব, পাৰিবনে সাহসেৰে মুখামুখি হ'ব জীৱনৰ।

সকলো বাঢ়িছে, বাঢ়িছোনে মই? এজোপা গছ হ'লোনে যাৰ ডালত চৰায়ে বাহ সাজিব পাৰে। 'এজোপা গছ, দীঘল চুলিখিনি যেন পাত, হাত দুখন যেন দুটা ডাল, তাত চৰায়ে বাহ সাজিব পাৰে।' মোৰ দুচকুৰ আগেৰে ঘোঁৰাটো পেইণ্টিংখনৰ পৰা ওলাই দৌৰিছে, তাৰ খুৰাৰ আঘাতত এৰাই পৰিছে কণমানি পৃথিৱীৰ ডাষ্টবিনবোৰ, কৃত্ৰিম হাঁহিবোৰ, বাৰ্ণিচৰ প্ৰলেপবোৰ, মুখাবোৰ, চূৰ্ণাকৃত হৈ পৰিছে আইনাৰ প্ৰাচীৰ।........

ব্ৰাছডালত ৰং সানি মই কেনভাচ এখনত সিঁচি দিলো। এখন ফুটুকা-ফুটুকী ৰঙৰ বাগিচা গঢ়ি উঠিছে লাহে লাহে। ■

শতবৰ্ষ স্মৰণ



# ড° বাণীকান্ত কাকতি আৰু অসমীয়া সাহিত্য

অধ্যাপিকা বিনীতা বৰুৱা

পঢ়াশালিৰ দিনবোৰতে পঢ়া এষাৰ কথা মনলৈ আহিছে— 'ভাষা চৈতন্য নেথাকিলে জাতীয় চৈতন্য নেথাকে।' (জাতীয় চৈতন্য)। ভাষা আৰু সাহিত্যৰ মাজেৰে জাতীয় চৈতন্য ৰক্ষা কৰাৰ কথা যিগৰাকী অগাধ পাণ্ডিত্যৰ অধিকাৰীয়ে তাহানিতে হাড়ে-হিমজুৱে উপলব্ধি কৰিছিল— সেইগৰাকী ব্যক্তি ড° বাণীকান্ত কাকতি। অধ্যয়ন, অধ্যাপনা আৰু ভাষা-সাহিত্যৰ সেৱাকে জীৱনৰ ব্ৰত ৰূপে গ্ৰহণ কৰি, জ্ঞান আহৰণ আৰু বিতৰণ কৰি এক উচ্চ আদৰ্শৰ প্ৰতিমূৰ্ত্তি ৰূপে চিহ্নিত হোৱা ব্যক্তিজন আছিল বাণীকান্ত কাকতি।

সেউজীয়া প্ৰাকৃতিক পৰিবেশেৰে আবৃত; ধৰ্ম, সংগীত-সংস্কৃতিৰ কেন্দ্ৰ বৰপেটা চহৰৰ পৰা প্ৰায় ছয়মাইল পূবে বাতিকুৰিহা গাঁৱত ১৮৯৪ চনৰ ১৫ নৱেম্বৰ তাৰিখে বাণীকান্ত কাকতিৰ জন্ম হয়। তেখেতৰ পিতাকৰ নাম আছিল ললিতৰাম কাকতি আৰু মাকৰ নাম লাহোবালা কাকতি। সেই সময়ত উচ্চ শিক্ষাৰ স্কুল-কলেজৰ কথা বাদ দি, প্ৰাইমাৰী স্কুলৰ প্ৰয়োজনীয়তা সকলোৱে উপলব্ধি কৰিছিল। মহকুমাটোৰ সদৰ বৰপেটাতহে উচ্চ ইংৰাজী বিদ্যালয় এখন আছিল, বাতিকুৰিহা গাঁৱত স্কুল নাছিল। ১৯০৫ চনত বাণীকান্ত কাকতিয়ে সেই স্কুলত পঢ়িবলৈ আৰম্ভ কৰে। ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষাত তেতিয়াৰ বহল অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰথম বিভাগত প্ৰথম স্থান লাভ কৰি এক অভিলেখ স্থাপন কৰে।

ড° বাণীকান্ত কাকতিয়ে ১৯১১ চনত গুৱাহাটীৰ কটন কলেজত ভৰ্তি হয় আৰু কলেজ আবাসৰ পঞ্চম ব্লকত থাকিবলৈ লয়। মেধাৱী ছাত্ৰ ড° কাকতিয়ে কটন কলেজত প্ৰথমতেই ইংৰাজীৰ অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। এনে এজন প্ৰতিভাশালী ছাত্ৰক অধ্যাপক ৰায়ে সহকৰ্মীৰূপেও, মৃত্যুবৰণ কৰা সময়লৈকে স্নেহ আৰু শ্ৰদ্ধাৰ পাত্ৰৰূপে গণ্য কৰিছিল। ১৯১৩ চনত আই এ (Inter-Mediet of Arts) পৰীক্ষাত অৱতীৰ্ণ হৈ কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰে। কাকতিৰ এই কৃতকাৰ্যতাই অসম, বংগ, বিহাৰ, উৰিষ্যা, ব্ৰহ্মদেশৰ ছাত্ৰ আৰু অধ্যাপকসকলক বিস্মিত কৰি এক আলোড়নৰ সৃষ্টি কৰে। অসমীয়া ছাত্ৰ যে আন ঠাইৰ তুলনাত কোনোগুণেই কম নহয়, কাকতিৰ কৃতকাৰ্যতাই তাকেই প্ৰমাণ কৰি দেখুৱালে আৰু অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে।

১৯১৫ চনত বাণীকান্ত কাকতিয়ে বি এ পৰীক্ষাত ইংৰাজী অনাৰ্ছ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হয়। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা ইংৰাজী অনাৰ্ছত সৰ্বোচ্চ নম্বৰ পোৱা বাবে Tawney Memorial পদক লাভ কৰে। ১৯১৮ চনত ইংৰাজী সাহিত্যত এম এ পাছ কৰাৰ পিছত ১৯২৩ চনত ইংৰাজী বিষয়ৰ 'ভাষা' গ্ৰুপত এম এ পৰীক্ষা দি প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয় লগতে বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰমোহন চেটাৰ্জী সোণৰ পদক লাভ কৰে। এম এ পৰীক্ষাৰ ফলাফল ওলোৱাৰ লগে লগে সেই সময়ৰ অসম চৰকাৰৰ শিক্ষাধিকাৰ জে আৰ কানিংহাম চাহাবে অসম স্কুল চাৰ্ভিছত কাম এটি দিছিল। ঠিক সেই সময়তে কটন কলেজৰ ইংৰাজীৰ প্ৰবক্তাৰ পদ এটি খালী হোৱাত সেই পদতে ১৯১৮ চনৰ ১৬ নৱেম্বৰত কটন কলেজত যোগদান কৰে। ড° কাকতিয়ে কটন কলেজৰ দৰে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰগণী অনুষ্ঠানটিত দৈনন্দিন শিক্ষা কাৰ্যত ব্ৰতী হৈ আজীৱন জ্ঞান সাধনাৰে দীক্ষিত হ'ল। কলেজৰ শ্ৰেণীকোঠাত তেখেতৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ গভীৰতাই ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণ কৰিছিল। তদুপৰি তেখেত আছিল ৰসজ্ঞ ব্যক্তি, তেখেতৰ ৰসিকতাই ছাত্ৰ-ছাত্ৰীক আনন্দিত কৰিছিল। পিতৃৰ স্নেহেৰে তেখেতে ছাত্ৰ-ছাত্ৰীসকলক আৱৰি ৰাখিছিল আৰু প্ৰকৃত শিক্ষকৰ কৰ্তব্য আৰু দায়িত্ববোধেৰে ছাত্ৰজীৱনৰ গতি আগবঢ়াই দিয়াৰ চেষ্টা কৰিছিল।

১৯৪২ চনত ড° কাকতি কটন কলেজৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক নিযুক্ত হয়। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পিচত ১৯৪৬ চনত অসমলৈ এলাইড ফৌজৰ বহুসংখ্যক চিপাহী আৰু অফিচাৰ আহে। সেই চিপাহীসকলক ৰক্ষণাবেক্ষণৰ

বাবে কটন কলেজৰ অধ্যক্ষৰ বাসভৱন আৰু কেইখনমানো ছাত্ৰাবাস চৰকাৰী কৰ্তৃপক্ষই অধিগ্ৰহণ কৰাৰ ফলত কলেজৰ শিক্ষাৰ পৰিৱেশ আৰু বাতাবৰণত অশুভ প্ৰভাৱ পৰিলক্ষিত হয়। তদুপৰি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনেও অসমৰ ৰাজনৈতিক পটত প্ৰভাৱ পেলায় আৰু এই ক্ষেত্ৰত ছাত্ৰসকলেও আন্দোলনত যোগদান কৰে।

১৯৪৭ চনত বাণীকান্ত কাকতি কটন কলেজৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হয়। যুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত থৰক-বৰক হৈ পৰা শিক্ষাৰ পৰিবেশ পুনৰ গঢ়ি তুলিবলৈ ড° কাকতিয়ে যত্ন কৰিলে। ছাত্ৰসকলক নিয়মানুৱৰ্ত্তিতা আৰু দৃঢ়তাৰে শুদ্ধ পথলৈ আনি কটন কলেজৰ শৈক্ষিক পৰিৱেশৰ উন্নতি আনিলে। ড° বাণীকান্ত কাকতিয়ে প্ৰায় ত্ৰিশ বছৰ কটন কলেজত শিক্ষকতা কৰি এক উচ্চ মানদণ্ডৰ শিক্ষাৰ পোষকতা কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাসদী ৰাইজক অনুপ্ৰেৰণা দি গ'ল। ১৯৪৮ চনত কাকতি ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে যোগ দিয়ে আৰু ১৯৪৯ চনত এই বিশ্ববিদ্যালয়ৰে কলা বিভাগৰ কলাগুৰু ৰূপে নিয়োজিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কৃষ্ণকান্ত সন্দিকৈয়ে মন্তব্য আগবঢ়াইছিল যে ড° কাকতিয়ে বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু কলাগুৰু পদ শুৱনি কৰাৰ ফলত বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগবোৰৰ শৈক্ষিক মৰ্যাদা বেছি হৈ উঠিছিল।

কলিকতাত পঢ়ি থাকোঁতেই খ্যাতনামা ভাষাতত্ত্ববিদ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ লগত সম্পৰ্ক গঢ়ি উঠে বাণীকান্ত কাকতিৰ। তেখেতৰ তত্ত্বাৱধানতে ভাষাবিজ্ঞানৰ গৱেষণা কৰি 'Assamese Its Formation and Development' নামৰ গৱেষণা গ্ৰন্থৰ জৰিয়তে ১৯৩৫ চনত পি.এইচ.ডি ডিগ্ৰী লাভ কৰে। ড° কাকতি আছিল অসমীয়া ভাষাৰ বিজ্ঞানসন্মত গৱেষণা তথা চিন্তাচৰ্চাৰ ক্ষেত্ৰত বাটকটীয়া স্বৰূপ। অসমীয়া ভাষাৰ ক্ষেত্ৰত দ-কৈ মনোনিবেশ কৰাই নহয়, বুৰঞ্জী, সাহিত্য, ধৰ্ম-সংস্কৃতি আদিৰ বিষয়ে গভীৰ জ্ঞানৰ পৰিচয়-ভাষা-সাহিত্য সমালোচনাৰ এনাজৰীৰে বান্ধি অসমৰ সাহিত্য-সংস্কৃতিৰ মালঞ্চ সমৃদ্ধিশালী কৰি তুলিলে।

**বহুমুখী প্ৰতিভাসম্পন্ন বাণীকান্ত কাকতিৰ বিশাল সাহিত্য প্ৰতিভা তথা কৰ্মৰাজিৰ বিষয়ে কম সময় বা কম পৰিসৰতে বিশ্লেষণ কৰি অন্ত কৰিব নোৱাৰি। ১৯৫২ চনৰ ১৫ নৱেম্বৰৰ দিনা এই গৰাকী মনীষীৰ জীৱনাৱসান ঘটিলেও তেখেতৰ ভাষিক, সাহিত্যিক, সাংস্কৃতিক অৱদানসমূহ অসমৰ ভাষা-সাহিত্য-সমাজ জীৱনত কালজয়ী হৈ ৰ'ব।**

সন্দেহ নাই, ড° বাণীকান্ত কাকতিৰ অধ্যয়ন আৰু সাধনাৰ ক্ষেত্ৰখন আছিল বিশাল। অসমীয়া সাহিত্যত ড° কাকতিৰ দৰে একাধাৰে সাহিত্য সমালোচক, সাংস্কৃতিক- ঐতিহাসিক গৱেষক, ভাষাতাত্ত্বিক আৰু বিবিধ বিষয়ৰ প্ৰবন্ধ লেখক ৰূপে আত্মপ্ৰকাশ কৰি পদ অলংকৃত কৰা ব্যক্তিৰ বিৰল। তেখেতৰ ৰচনাৱলীক আমি এনেদৰে বিভাগ কৰি দেখুৱাব পাৰোঁঃ

**সাহিত্য সমালোচনা বিষয়ক ঃ**

(১) পুৰণি অসমীয়া সাহিত্য
(২) বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় সাহিত্য
(৩) আধুনিক অসমীয়া সাহিত্য
(৪) সাহিত্য আৰু প্ৰেম

সাংস্কৃতিক ইতিহাস বিষয়কঃ

(১) কলিতা জাতিৰ ইতিবৃত্ত
(২) পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা

**ভাষাতত্ত্ব বিষয়ক ঃ**

(১) Assamese Its Formation and Development

**প্ৰবন্ধ বিষয়ক ঃ**

(১) বিবিধ প্ৰবন্ধ
(২) বিজুলী
(৩) পখিলা

বহুমুখী প্ৰতিভাসম্পন্ন বাণীকান্ত কাকতিৰ বিশাল সাহিত্য প্ৰতিভা তথা কৰ্মৰাজিৰ বিষয়ে কম সময় বা কম পৰিসৰতে বিশ্লেষণ কৰি অন্ত কৰিব নোৱাৰি। ১৯৫২ চনৰ ১৫ নৱেম্বৰৰ দিনা এই গৰাকী মনীষীৰ জীৱনাৱসান ঘটিলেও তেখেতৰ ভাষিক, সাহিত্যিক, সাংস্কৃতিক অৱদানসমূহ অসমৰ ভাষা-সাহিত্য-সমাজ জীৱনত কালজয়ী হৈ ৰ'ব।

কত বছৰ বাগৰি গ'ল। শত বছৰ গৰকিলে কটন কলেজে। ড° মামণি ৰয়ছম গোস্বামীয়ে 'কটন কলেজ ঃ এক অনন্য স্মৃতি' নামৰ প্ৰবন্ধত সঠিক কথাই লিখিছে —" থমছন! ৰবাৰ্টছ! ৰায়! মহিবুল্লা! ভূঞা! বাণীকান্ত কাকতি! ......... এই চুডমাৰ্চন হলত যেন সকলোৰে আত্মা আৱদ্ধ হৈ আছে। এটা যুগেই যেন পাৰ হৈ গ'ল.................."

আজি কটন কলেজৰ শতবৰ্ষৰ শুভক্ষণত এইজনা দৰদী, চিন্তাশীল, পুৰোধা ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু সহস্ৰ প্ৰণিপাত জনাইছোঁ। ■

গল্প

# পাগলৰ দিনলিপি

## পংকজ কুমাৰ নাথ

মোৰ কোঠাৰ দুৱাৰত টুকুৰিয়াবলৈ আজিকালি বহুত মানুহ আহে। সন্মুখত মোৰ পৰীক্ষা। পঢ়া-শুনাৰ প্ৰতি (আচলতে সকলো বস্তুৰ প্ৰতিয়েই) মোৰ বিশেষ আগ্ৰহ নোহোৱা বাবে পৰীক্ষাৰ আগৰ এমাহ বা দুমাহহে মই মনপুতি পঢ়ো। ভুল ক'লো। আচলতে পঢ়িবলৈ যত্ন কৰো। আত্মবিশ্বাস মোৰ প্ৰবল। গতিকে মই ভাবো ভালকৈ পঢ়িলে সাধাৰণ ছাত্ৰ (মই নিজকে অসাধাৰণ বুলি ভাবো নেকি!) এজনৰ দৰেই খুব ভাল ৰিজাল্ট এটা মই কৰিব পাৰিম। কিন্তু এদিনলৈও মই ভবা নাই অথবা ইচ্ছা কৰা নাই তেনেকুৱা কিবা এটা কৰি মোৰ সংগোপাংগ, ঘৰখন অথবা গাঁওখনৰ মানুহখিনি (চকু চৰহা?)ৰ পৰা বাহ্ বাহ্ ল'বলৈ। কেতিয়াবা (যেতিয়া পৰীক্ষাবোৰৰ ৰিজাল্ট দিয়াৰ সময় হয়, নিৰ্মাখিত, মই পাত্তা দিব নোখোজা-ল'ৰায়ো ষ্টেণ্ড কৰে...) ভাব হয় চালা দেখুৱাই দিও নেকি মোৰ অন্তস্থ শক্তি সকলোকে....

কিন্তু তেনেকুৱা উৎসাহ, জেদ বেছি সময় (বেছি দিনো নহয়!) নিটিকে। লাহে লাহে আকৌ গতানুগতিকতাৰ মাজত সোমাই পৰো। চিনেমা, নাটক, থিয়েটাৰ, সাংস্কৃতিক সন্ধিয়া, কলেজীয়া সকলো আনন্দ আৰু শেষত শেহ ৰাতিলৈ হোষ্টেলৰ নিয়মীয়া আড্ডা।

আচল কথা হ'ল মোৰ অগতানুগতিক কিবা এটা কৰিবলৈ মন অথচ কি— এই বিষয়ত মই নিজেই স্পষ্ট নহয়। নপঢ়ি পৰীক্ষাত ভাল ৰিজাল্ট কৰাটো অগতানুগতিক। সেই কাৰণে মই নপঢ়ো। আৰু পৰীক্ষালৈ ঠিক এমাহমান থাকোতে মই ভীষণ অস্থিৰতাত ভোগো— কিয় নপঢ়িলো! সৰুতেই এমাহমান শিকি বাদ দিয়া সংগীত বিদ্যালয়খনৰ শিক্ষকজনে কৈছিল মোৰ বাদ্যযন্ত্ৰত হাত আছে। হোষ্টেলৰ নৱাগত আদৰণী সভাত যেতিয়া বাদ্যসংগত কৰিবলৈ কোনো নাথাকে ঠিক তেতিয়া ভিতৰি ভিতৰি মই উন্মাদ হৈ পৰো। কলেজীয়া জীৱনত নামটোৰ লগত বেলেগ পৰিচিতি অলপৰ সোৱাদ উপভোগ কৰি কাৰনো ভাল নালাগে!

এই যে মোৰ কোঠাৰ দুৱাৰত টুকুৰিয়াবলৈ অহা মানুহবোৰ সিহঁতৰ প্ৰত্যেকৰে একোটা দুখ আছে। মই মানুহৰ দুখ বুজা মানুহ। তদুপৰি ভাল শ্ৰোতা হিচাপেও মোৰ এটা সু-নাম সিহঁতৰ মুখে মুখে (এই শ্ৰোতা হোৱাটো এটা পৰিচয় হ'লনে?)। গতিকে মোক কৈ সিহঁতে মনৰ দুখ পাতলায়। এজন শেহতীয়াভাৱে পাঠক সমাজৰ মনত সোমাই পৰা কবি আহে প্ৰায়ে। তেওঁৰ দুখৰ বিষয় মূলতঃ প্ৰেম। প্ৰেমৰ যন্ত্ৰণা। তেওঁৰ বিষাদকাতৰ মুখখন মোৰ পৰিচিত। প্ৰেম আৰু দুখৰ বন্যাত উটি-ভাহি তেওঁ ধাৰাসাৰ কবিতা লিখি আছে। প্ৰতিটো কবিতাৰে জন্মযন্ত্ৰণাৰ পৰা পাঠক সমাজৰ মাজত সমাদৃত হোৱালৈকে তেওঁ মোক কয়। পৃথিৱীৰ সকলো সমস্যাৰ সমাধান বিচাৰি তেওঁ বাৰে বাৰে প্ৰেমত পৰে। আৰু এতিয়া প্ৰেম তেওঁৰ বাবে এক অন্বেষণ।...

তেওঁৰ লগত মোৰ এটা আন্তৰিক বুজাবুজিৰ সম্পৰ্ক থকা হেতুকে তেওঁ মোক লগত লৈ ফুৰে। বহুত কবি-সাহিত্যিকৰ লগত তেওঁৰ হলিগলি। আহ-যাহ। তেওঁলোকৰ কথা-বাৰ্তাবোৰৰ মাজত মই ভাগ নলওঁ। শুনি থাকো। তেওঁলোকেও কিছুমান গতানুগতিক কথা পাতে। তাৰ মাজত মই অগতানুগতিকতা বিচাৰি হতাশ হওঁ

প্ৰেম!

আহিছে। ঠিক যেনেকৈ আহিলে গৰ্বত বুকু ফুলাই ফুৰিব পাৰি— ফেনে ফোটোকাৰে ব'হাগ অহাৰ দৰেই....। কিন্তু তাতো সেই একেই গতানুগতিকতা। প্ৰেমেৰে সমুজ্জ্বল হৈ থকাৰ দিন আজি নাই। ৰাস্তাই-ঘাটে, কলেজে-পাৰ্কে প্ৰেম কোনে কৰা নাই! ঠিক যেন, প্ৰেমত ফুলিছে শতদল, প্ৰেমত ঘূৰিছে ভূমণ্ডল।'

গতিকে প্ৰেমেৰে নিজৰ চিনাকি দিওঁ— ওহোঁ! অসম্ভৱ

ঠিক পুৰা-গধূলি পঢ়াৰ সময়খিনিত ডায়েৰীৰ উকা পাতবোৰত অগতানুগতিক কিবা এটা লিখাৰ চেষ্টা কৰি মই বহি থাকো। ঘণ্টাৰ পিছত ঘণ্টা— দিনৰ পিছত দিন। ভাবি হতাশ হওঁ— সকলো কথাইচোন গতানুগতিক হৈ পৰিছে। ঠিক তেতিয়াই আকৌ দুগুণ উৎসাহেৰে পাঠ্যপুথিত মনোযোগ দিওঁ। পৰীক্ষাৰ আগদিনা (টোপনি খতি কৰিও যেতিয়া শেষ নহয় পাঠ্যক্ৰম) আত্মবিশ্বাস হয় শেষ সাৰথি। পৰীক্ষা দিওঁ। ফলাফল দিয়ে। আকৌ হতাশ হওঁ। ফলাফলো গতানুগতিক।

এনেদৰে অগতানুগতিক হোৱাৰ প্ৰচেষ্টাৰ অন্ত পৰে। চিনেমা, থিয়েটাৰ, আড্ডাৰ মাজেৰে গতানুগতিকতা বাহ'ল থাকে।...

নিজৰ পৰিচয় হেৰুৱাই প্ৰায়েই মই বিষণ্ণ হৈ থাকো। কেতিয়াবাতো আত্মহত্যা কৰি পেলাবৰ মন যায়, তাতো পিছে সেই একেই গতানুগতিকতা। খুব বেছি মোৰ ঘৰখনে সুঁৱৰিব মোৰ স্মৃতি— আত্মীয়, বন্ধু-বান্ধৱকেইজনে দুখ পাব— শোকসভা পাতিব কলেজত আৰু লাহে লাহে সকলোৱেই এদিন পাহৰি পেলাব মই নামৰ এই অস্তিত্বটোক। মোৰ কেতিয়াবা এনেকুৱা ভাব হয়, আমাৰ আগৰ প্ৰজন্মবোৰেই আমাৰ বাবে সকলো কৰি থৈ গ'ল— ইয়াত নতুনকৈ কৰিবলগীয়া একোৱেই নাই— ৰুবায়তে কোৱাৰ দৰে খোৱা পিয়া ফূৰ্তি কৰা—

দুদিনমানৰ পৰা আমাৰ আবাসৰ সন্মুখৰ ফুটপাথটোত এদল অঘৰীয়ে বাস (?) কৰিবলৈ লৈছে। মোৰ মন যায় অঘৰী মানুহখিনি ঘৰ বনাই দিওঁ— নিজ হাতেৰে ধুৱাই দিওঁ সিহঁতৰ গা— অপ্ৰয়োজনীয়ভাৱে ভিৰ কৰি থকা দালানবোৰ ভাঙি আকাশ ছাই চিএৰি উঠিবলৈ মানুহবোৰক অলপ সুবিধা কৰি দিওঁ— বন্দুকবোৰক ৰূপান্তৰিত কৰো গছলৈ ঠিক শক্তিমান (চক্তিমান?)ৰ দৰে— ধনীৰ ত্ৰাস— দুখীয়াৰ ঈশ্বৰ হওঁ— যাদুদণ্ডৰ পৰশেৰে মানুহৰ চিৰন্তন দুখৰ অৱসান ঘটাওঁ—

প্ৰিয় পাঠক, আপুনি হাঁহিছে। হাঁহিবই। কাৰণ গ্ৰহ-নক্ষত্ৰবোৰ ঘূৰি থকাৰ দৰে— এটা উজ্জ্বলতাক মাজত লৈ— আমাৰ বাবেও কক্ষপথ বনাই থোৱা হৈছে। সেই কক্ষপথৰ পৰা উফৰি পৰিলেই আমি যে নিঃচিহ্ন হৈ যাম। কিহৰ গৰজত আমি কক্ষচ্যুৎ হ'ম। নহয় জানো?

হাঁহক।

হাঁহক আপুনি প্ৰাণ খুলি। মোৰ পাগলামি দেখি হাঁহক। মদ? অ' মই মদ খাইছো। কিহৰ দুখত জানে? অগতানুগতিক হ'ব নোৱাৰাৰ দুখত। কক্ষপথত ঘূৰি থাকিবলগীয়া হোৱাৰ দুখত। প্ৰেমত পৰাৰ দুখত। পানী বুলি মৰীচিকা খেদি থাকিবলগাৰ দুখত।

হাঃ হাঃ হাঃ মই পাগল হৈছো। মই পাগল— পাগল— পাগল। ■

# উনবিংশ শতাব্দীৰ ফৰাচী কবিতাত ৰমন্যাসৰ বা-বতাহ সন্দৰ্ভত যৎকিঞ্চিৎ

*উনবিংশ শতাব্দীৰ ফৰাচী কবিতাত ৰমন্যাসবাদ কিদৰে শিপাইছিল আৰু কিদৰে বিস্তৃতি লাভ কৰিছিল এই বিষয়ে এলানি মননশীল আলোচনা আগবঢ়াইছে*

**দিব্যজ্যোতি বৰা'ই**

উকমুৰ্কানৰ পৰা বৰ্তমানলৈকে ফৰাচী কবিতাৰ আলেখ এটা দিবৰ মন আছিল; কিন্তু দেখিলো কামটো 'হাতী মাৰি ভুৰুকাত ভৰোৱা' সদৃশ। এনে ব্যুৎপত্তি নিজৰ নাই, সেয়েহে চৌতে খৰ মাৰি উনৈশ শতিকাৰ ফৰাচী ৰোমাণ্টিক কবিতাৰ আভাস এটা দিবলৈহে যত্ন কৰা হৈছে। তাকো চালি-জোকাৰি।

ল্যামাৰটিন, য়্যুগো, ম্যুছে, বদলে (Bardlaire), ভের্লেন (velrain), ৰ্যাবোঁ (Rimbund)ৰ দৰে প্ৰতিভাৰ অনন্য সমাবেশ এই শতিকাত। অননুকৰণীয় প্ৰতিভা, বিচিত্ৰ জীৱন। তেওঁলোকৰ প্ৰতিভাৰ পোহৰেৰে পিছত সমগ্ৰ ইউৰোপেই আলোকিত হৈ পৰিছিল।

এইখিনিতে উনৈশ শতিকাত প্ৰৱেশ কৰাৰ আটায়ে ওঠৰ শতিকাৰ ফৰাচী সাহিত্যৰ বিষয়ে যৎকিঞ্চিৎ জনাবৰ চেষ্টা কৰা হৈছে। ফৰাচী সাম্ৰাজ্যই ইতিমধ্যে ওঠৰ শতিকাৰ আৰম্ভণিত বিক্ৰম আৰু প্ৰাণ-প্ৰাচুৰ্যৰ সোণালী শিখৰত উপনীত হৈছিল। চতুৰ্দশ লুইৰ অসাধাৰণ কাৰ্যকালেই আছিল তাৰ মুখ্য কাৰণ। এই যুগ আছিল দাৰ্শনিকসকলৰ যুগ। দাৰ্শনিকসকলৰ প্ৰভাৱে সমস্ত সাহিত্যৰ বিভাগকে গ্ৰাস কৰি পেলালে। গোটেই শতিকাটো তেওঁলোকেই দপদপাই ৰাজত্ব কৰি থাকিল। তিনি মুখ্য কাণ্ডাৰী ডিডেৰো, ভলটেয়ৰ, ৰুছোৰ ৰচনাই অগ্ৰাধিকাৰ পালে। কিন্তু সম্ভৱতঃ তিনিওৰে ভিতৰত আটাইতকৈ প্ৰভাৱশালী জন হ'ল ৰুছো। ইংৰাজী, ফৰাচী উভয় ৰমন্যাসবাদীসকলৰ পৰা বিংশ শতিকাৰ নৃতত্ত্ববিদসকলেও ৰুছোৰ ভাৱনাৰ লগত নিজৰ ভাৱনাৰ মিল বিচাৰি পাইছে। ৰুছোৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ বিষয়ে কেইটামান কথা উল্লেখ কৰিলেই যথেষ্ট। সমাজবাদৰ বহুবোৰ সমল আহিছিল ৰুছোৰ 'Discours' নামৰ গ্ৰন্থখনৰ পৰা য'ত তেওঁ অসমতা আৰু সম্পত্তিক সমালোচনা কৰিছিল। শিক্ষাৰ ওপৰত ৰুছোৰ 'এমিলিৰ' নিচিনা দিগন্তপ্ৰসাৰী ৰচনা বোধহয় আগতে কোনেও লিখা নাছিল। ৰুছোৰ মৃত্যুৰ পাছত প্ৰকাশ পাইছিল তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'Confessions'. উনৈশ শতিকা আৰু বিংশ শতিকাৰ প্ৰখ্যাত আত্মজীৱনী লেখকৰ বহুতে 'সাহস' আৰু 'প্ৰেৰণা' এই ক্ষুদ্ৰ কিতাপখনৰ পৰা আহৰণ কৰিছে আৰু সৰ্বশেষত ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ। যি বিপ্লৱে বিশ্ব মানৱৰ মনত সৃষ্টি কৰা সমুদ্ৰখন জাগৰণৰ বিষয়ে নকৈ কোৱাৰ প্ৰয়োজন নাই। ৰুছো নিজে কোনো বিপ্লৱৰ প্ৰতি আগ্ৰহী নাছিল। অথচ কোৱা হয়, তেওঁ নিজৰ অজ্ঞাতেই এনেকুৱা এটা পৰিৱেশ সৃষ্টি কৰিছিল যে বিপ্লৱ অৱশ্যম্ভাৱী হৈ পৰিছিল।

'যুক্তি'ৰ প্ৰভাৱ সেই শতিকাৰ ফৰাচী কবিতাত বেয়াকৈ পৰিল। কবিতাই তাৰ পূৰ্বৰ গতিময়তা হেৰুৱালে। সকলোধৰণৰ কল্পনা, ইন্দ্ৰিয়গ্ৰাহিতাক কবিতাৰ পৰা বিতাড়িত কৰা হ'ল আৰু কবিতা হৈ পৰিল গদ্যৰ দৰে কঠিন আৰু নীৰস। সেয়েহে এই শতিকাত কালোত্তীৰ্ণ কোনো কাব্যকৃতিয়েই পোৱা নাযায়।

ওঠৰ শতিকাৰ ষষ্ঠ দশকৰ পৰা অষ্টম দশকলৈকে সাহিত্য অভিব্যক্তি শূন্য হৈ পৰিল। শোষণ আৰু বঞ্চনাৰ চেপাত সমাজ জুৰুলা, চতুৰ্দশ লুইৰ মৃত্যুৰ পাছত পঞ্চদশ লুই আৰু ষষ্ঠদশ লুইয়ে চৰম হঠকাৰিতাৰ দ্বাৰা ফ্ৰান্সৰ সৰ্বনাশ মাতি আনিছে, জনগণৰ ওপৰত নিৰ্যাতনে চৰম সীমাত উপনীত হৈছেগৈ। গতিকে এনে পৰিস্থিতিত জনগণে 'ফুল, তৰা আৰু গান'ৰ কথা কোৱাৰ অনুভূতিয়েই হেৰুৱাই পেলাইছিল। নিঃসন্দেহে মহৎ কবিতা সৃষ্টিৰ বাবে প্ৰয়োজনীয় অনুপ্ৰেৰণা আৰু সৃষ্টিশীলতা বাস্তৱৰ কবটি শিলত ঠেকা খাই চুৰমাৰ হৈ গৈছিল। বহুতৰ মতে এই সময়ছোৱা আছিল ৰোমাণ্টিকতাবিৰোধী যুগ।

বিপ্লৱে যে লগে লগে নতুন ভাৱধাৰাক বোৱাই আনিলে সেয়াও নহয়। বিপ্লৱৰ পাছৰ সময়খিনিত ফ্ৰান্সৰ বাবে অশান্তিজৰ্জৰ সময়। প্ৰথমে বিপ্লৱ, তাৰ পাছত নেপোলনীয় যুদ্ধবোৰত মূৰ ঘমাই থাকোঁতে ওচৰ-চুবুৰীয়া জাৰ্মানী আৰু গ্ৰেট ব্ৰিটেইনত সজোৰে বলি থকা ৰোমাণ্টিক বতাহৰ ঘ্ৰাণ ল'বলৈ ফ্ৰান্সৰ সময়েই নহ'ল। সেয়েহে ওঠৰ শতিকাৰ দ্বিতীয় দশকলৈকে ফৰাচী সাহিত্যত একধৰণৰ শূন্যতা দোদুল্যমান হৈ থাকিল। এই সময়ছোৱাৰ সম্ভাব্য প্ৰতিভাবোৰ হয় বিদেশত স্ব-নিৰ্বাসিত হৈ থাকিবলগা হ'ল, নহয় গিল'টিনৰ বলি হ'ল।

ইংৰাজ আৰু জাৰ্মান ৰমন্যাসবাদৰ প্ৰভাৱ ফৰাচী সাহিত্যত পলমকৈ পৰিস্ফুট হোৱাৰ আন কাৰণ কিছুমান নথকা নহয়। গণতান্ত্ৰিক পৰম্পৰা প্ৰচলনে দুখন দেশৰ দৰে ফ্ৰান্সত আগৰ পৰা নাছিল। সাম্ৰাজ্যবাদী ৰাষ্ট্ৰযন্ত্ৰই সংবাদ মাধ্যম, ছপাঘৰ, আলোচনাচক্ৰবোৰক নিজৰ নিয়ন্ত্ৰণত ৰাখিছিল। নতুন আৰু পুৰণি ভাৱধাৰাৰ মাজত কোন জয়ী হ'ব তাৰ উমান ধৰা টান আছিল। ৰজাঘৰ আছিল স্থিতাৱস্থাৰ বাহক। স্থিতাৱস্থাক ওফৰাব পৰা উপাদানবোৰৰ বিৰুদ্ধে তেওঁলোক সদা শংকিত আছিল। নাপোলিয়ৰ দিনত এই ভাৱধাৰা হৈছিল আৰু কট্কটীয়া। ৰাজতন্ত্ৰবিৰোধী, উন্নাসিকতাবিৰোধী মন্তব্যৰ বাবে তেওঁ মাদাম দ্যষ্টলক নিৰ্বাপিত কৰিছিল। ষ্টলৰ কিতাপ 'de' & Allenagne' (1810) ৰজাঘৰে প্ৰকাশ কৰাত বাধা দিছিল। 1814 চনত কিতাপখন পুনৰ প্ৰকাশিত হয়, কিতাপখনে জাৰ্মান ৰমন্যাসবাদৰ ঢৌ ফ্ৰান্সলৈ বোৱাই অনাত প্ৰভুত ভূমিকা লয়। এই গ্ৰন্থখনে সাহিত্যৰ সামাজিক স্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ পোষকতা কৰিছিল, যি ক্লাচিছিজমৰ সম্পূৰ্ণ পৰিপন্থী আছিল। এনে সময়তে 1815 চনত নাপোলয় ওৱাৰ্টালু যুদ্ধত হাৰি বন্দী হয় লগে লগে মতামত প্ৰকাশৰ ওপৰত থকা কঠোৰ নিয়ন্ত্ৰণৰ অন্ত পৰে। বিপ্লৱৰ সময়ত পলাই ফাট মৰা লোকসকল বিদেশৰ পৰা পুনৰ উলটি আহিছিল আৰু লগত লৈ আনিছিল পৰিবৰ্তনকামী বতাহ।

## ৰোমাণ্টিক বতাহ

**'সকলো শুভ, সকলো জল, নিজৰ স্থানত সকলো মহৎ'**

—'আলফাঁ দু লাৰ্মাটিন

নতুন পৰিবেশৰ প্ৰভাৱ প্ৰথমতে কবিতাত পৰিস্ফুট হৈ পৰিল। চাৰ্লছ নডিয়াৰৰ চেনাকল, ছেইন্ট বেঙৰ আলোচনাচক্ৰসমূহে নতুন চিন্তাৰ খোৰাক যোগান ধৰিছিল। সেইসময়ৰ প্ৰায়বোৰ বুদ্ধিজীৱী, কবি, সাহিত্যিক এই আলোচনাচক্ৰবোৰত উপস্থিত আছিল। স্বাভাৱিকতে এই আলোচনাচক্ৰবোৰতে ৰোপণ হৈছিল ফৰাচী ৰোমাণ্টিচিজমৰ বীজ।

ৰোমাণ্টিচিজমৰ প্ৰথম আৰু স্পষ্টতৰ লক্ষণ ফুটি উঠে আলফাঁ লু লাৰ্মাটিনৰ কবিতাত। ফৰাচী কবিতা যি অৰ্ধশতাব্দী এক বৌদ্ধিক অনুশীলনৰ বাহিৰে একো নাছিল, হঠাতে অকপট আৰু মহৎ সাহিত্যিক সহানুভূতিৰে সুবাসিত হৈ উঠিল। অৱশ্যে ১৯২০ চনত প্ৰকাশিত 'Meditations'ত এনে কিছুমান কবিতাও আছে যিবোৰত পূৰ্বৰ শতিকাৰ বক্তৃতাধৰ্মী ধেনধেননি আৰু অনুকৰণপ্ৰিয়তাৰ প্ৰভাৱ সুস্পষ্ট। কিন্তু 'Lihac', 'lhutamn?'ৰ দৰে প্ৰসিদ্ধ কবিতাটিত কবিয়ে এই দুৰ্বলতাসমূহ আঁতৰ কৰি মৌলিকতা দেখুৱাব পাৰিছে। আশাবাদ নামাটিনৰ কবিতাৰ মূল উপজীব্য। গণতান্ত্ৰিক আদৰ্শবোধ, মানৱীয়তা, বিশ্ব-ভাতৃত্বৰ দৃষ্টিভংগীৰে তেওঁ জীৱনক লক্ষ্য কৰিছে, প্ৰকৃতিৰ সৌন্দৰ্যত ৰ্ৰ্ডছৱৰ্থৰ দৰে বিমুগ্ধ হৈছে, তাতে বিচাৰি পাইছে শান্তি আৰু সৰলতা।

ভৱিষ্যতে কিজানিবা এতিয়াও সাঁচি ৰাখি আছে

আশাহীন সুখ সম্ভোগৰ পুনৰাগমন?

মানুহৰ ভিৰৰ মাজত কিজানিবা আছে

মই অৱহেলা কৰা কোনো এনে মন

যিয়ে মোৰ মন বুজি সঁহাৰিত কঁপিলহেঁতেন?

(অনুঃ অজিৎ বৰুৱা'

(শৰৎ কাল (L' Automne)

অথচ কেতিয়াবা উত্তাপ আহিছে মনত আৰু তেতিয়া কবিয়ে বাইৰণৰ দৰে বিদ্ৰোহৰ বাট বিচাৰিছে। অব্যক্ত বিষাদ, গভীৰ হতাশা, বিফল প্ৰেম, ধৰ্মীয় মতবিৰুদ্ধতাৰ দৰে বিগত শতিকাৰ কবিতাত নোহোৱা-নোপজা ধাৰণাবোৰো লাৰ্মাটিনে তেওঁৰ কবিতাত প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছিল। সেই হিচাপে ইংৰাজী ৰমন্যাসবাদত ৰ্ৰ্ডছৱৰ্থৰ যি স্থান, অসমীয়া ৰমন্যাসবাদত চন্দ্ৰকুমাৰৰ যি স্থান, ফৰাচী কবিতাত লাৰ্মাটিনে সেই আসন পাবৰ যোগ্য।

লাৰ্মাটিনৰ পিছৰ উল্লেখযোগ্য কবি হ'ল আলফ্ৰেড দু ভিনয়ী (Alfred de Vigny)। এটা বিশেষ কাৰণত ভিনয়ী বিশেষভাৱে স্মৰণযোগ্য। ইংৰাজ কবি অ'ডেনে তেওঁৰ 'ভিনচেণ্ট ভেন গগৰ পত্ৰগুচ্ছ' শীৰ্ষক প্ৰবন্ধত ঊনৈশ শতিকাৰ ফৰাচী কবিতা সম্পৰ্কে কৈছে— 'The 19th century created the myth of the artist as a hero, the man who sacrifices his health and happiness to his art and in compensation claims. enemption from all social responsibilities and norms of behaviour.' যদিও ব্যাবোৰ (Riombound)ৰ ভাষাৰ এই 'গৌৰৱময় বিশৃংখলতা' ব্যাবোৰ সমসাময়িকসকলৰ ক্ষেত্ৰত বেছিকৈ খাটে, কবিতাত নিৰাশাবাদী হতাশাগ্ৰস্ত মনোভাৱ ৰোমাণ্টিক কবিসকলৰ ভিতৰত ভিনয়ীৰ কবিতাতে প্ৰথম প্ৰবলভাৱে ফুটি ওলাইছিল। ভিনয়ীয়ে ভাবে যে মানুহ এবিধ নিঃসংগ প্ৰাণী যাৰ দুখ-যন্ত্ৰণাৰ প্ৰতি বিশ্বপ্ৰকৃতিৰ ভ্ৰূক্ষেপ নাই। পুৰুষ আৰু নাৰী ইটোৱে-সিটোৰ সমব্যথী হ'ব নোৱাৰে। ভগৱানো আনকি নহয়। যিহেতু শোকে মানুহক শোভা নাপায়, মানুহে অপৰিবৰ্তনীয় ভাগ্যক এক ষ্টইকীয় অনুভূতিৰে বৰণ কৰি লোৱ'ৰ বাহিৰে উপায় নাই। মানুহৰ একমাত্ৰ আশা জ্ঞান আৰু বুদ্ধিমত্তাৰ উন্নতি। কিয়নো সত্য ভগৱান হৈছে ভাৱনাৰ ভগৱান। ভিনয়ীৰ ১৮২২ চনত প্ৰকাশিত হোৱা কবিতাবোৰত ৰোমাণ্টিক ভাবাদৰ্শ জিলিকি উঠিলেও তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশিত 'Les destiness'ৱেহে কবিৰ বিশেষত্ব আৰু মহত্ত্ব ব্যঞ্জিত কৰে 'Les destiness'ত এঘাৰটা কবিতা আছে। এই কবিতাবোৰৰ ৰচনাকাল 1834 চনৰ পৰা 1863 চনলৈকে। ভাগ্যচক্ৰৰ স'তে ব্যক্তিসত্তাৰ সংগ্ৰাম কবিতাবোৰৰ মুখ্য বিষয়। আত্মাৰ শুদ্ধিৰ বাবে এই ভাগ্যচক্ৰৰ পৰা ব্যক্তিসত্তা স্বাধীন হৈ যোৱাটো কবিয়ে বিচাৰে। ভিনয়ীৰ ভাষাৰে— 'I believe that destiny directs one half of . each mani life and that his character directs the other half.' কবিতা পুথিখনৰ প্ৰথম কবিতা 'The sheparads hut'ত কবিয়ে কৈছে যে কবিৰ কাৰ্য হোৱা উচিত ব্যক্তিসত্তাৰ উন্নতি সাধন আৰু তাকে কৰিবলৈ যাওঁতে মানুহে নিজৰ ভাগ্যচক্ৰক আওকাণ কৰিব লাগিব। 'The battle in the sea' নামৰ কবিতাটিত কবিয়ে কৈছে—

He smiles as he thinks that the tnagile battle will carry his thoughts and his name to some harbour. That he enlarges the earth by an unknown island; and that he nates a newstar, entrusting it to fate;

and that hold may very well aleow mad waters to destory ships, but not thoughts; and that with a flash, he has vanquished death. (মুকলি অনুবাদ)

এনে হতাশাগ্ৰস্ততা আৰু নিৰাশাবাদী মনোভাৱে ভিনয়ীৰ কবিতাবোৰত লগ নেৰিছিল। উত্থান আৰু পতনৰ দুৰ্বাৰ দ্বন্দ্বক ভিনয়ীয়ে এনে সহজাতভাৱে অংকিত কৰিছিল যে ফৰাচী কবিতাত পিছলৈ ই এক মূল সুঁতিয়েই হৈ পৰিল যিটো কোনো দেশৰ ৰোমাণ্টিক কবিতাৰ ইতিহাসত দেখা পোৱা নাযায়। ভিনয়ীৰ কবিতাত ব্যক্তিসত্তাৰ সমস্যাৰ উল্লেখ আছে, সমাধান নাই। 1857 চনত ভিনয়ীয়ে লেখক হোৱাৰ উদ্দেশ্য সম্পৰ্কে কৈছিল— 'I asked myself tonight why I was completing so few of the works & had begun. It is that I can only manage to apply myself to difficult problem. I only like amazing feats. I like it when ideas are pitted against the other; when there is no great struggle, I don't wish to enter the arena' ভিগনিৰ এই উক্তিৰ মাজতে ৰোমাণ্টিক কবি হিচাপে তেওঁৰ সফলতা আৰু বিফলতা লুকাই আছে।

1826 চনত ভিক্টৰ য়ুগোৰ 'Odes et Ballads'ৰ প্ৰকাশ উল্লেখযোগ্য ঘটনা। ভিনয়ী আৰু লাৰ্মাটিনৰ কবিতাত ৰোমাণ্টিচিজমৰ লক্ষণসমূহ ফুটি ওলালেও তাত ব্যাপ্তিৰ অভাৱ আছিল। য়ুগোৰ 'odes et Ballads'ত পোৱা যায় গতানুগতিকতা অতিক্ৰমি ছন্দৰ ওপৰত কৰা সাহসী পৰীক্ষা-নিৰীক্ষা, লাৰ্মাটিনৰ ভাবালুপ ৰূপ পৰিহাৰ কৰি নিজস্বতাৰ সন্ধানৰ চেষ্টা। অৱশ্যে ভিক্টৰ য়ুগোক অসমীয়া পাঠকে 'লে মিজাৰবেল' 'নটাই-চাম দু পাখী'ৰ দৰে প্ৰখ্যাত উপন্যাসৰ ৰচয়িতা হিচাপেহে জানে। অথচ বহুতৰ মতে তেওঁৰেই হৈছে ফৰাচী ৰোমাণ্টিক কবিতাৰ মুখ্য প্ৰতিনিধি।

কেতবোৰ গুৰুতৰ ব্যক্তিগত সমস্যাৰে ভাৰাক্ৰান্ত য়ুগোৰ জীৱনৰ প্ৰভাৱ তেওঁৰ কবিতাত পৰিছে। বুকুৰ মাজত তেওঁৰ অহৰহ এক দৈত্যই বাস কৰিছিল। সেই দৈত্যই তেওঁক শান্তিৰে উশাহ-নিশাহ ল'বলৈ নিদিছিল। এই অচেতন-চেতনৰ দ্বন্দ্বৰ লগত মোকাবিলা

**হতাশাগ্ৰস্ততা আৰু নিৰাশাবাদী মনোভাৱে ভিনয়ীৰ কবিতাবোৰত লগ নেৰিছিল। উত্থান আৰু পতনৰ দুবাৰ দ্বন্দ্বক ভিনয়ীয়ে এনে সহজাতভাৱে অংকিত কৰিছিল যে ফৰাচী কবিতাত পিছলৈ ই এক মূল সুঁতিয়েই হৈ পৰিল যিটো কোনো দেশৰ ৰোমাণ্টিক কবিতাৰ ইতিহাসত দেখা পোৱা নাযায়। ভিনয়ীৰ কবিতাত ব্যক্তিসত্তাৰ সমস্যাৰ উল্লেখ আছে, সমাধান নাই।**

কৰিবলৈ য়ুগোৱে কবিতাকে মুখ্য মাধ্যম হিচাপে বাছি লয়। য়ুগোৱে বিশ্বাস কৰিছিল যে কবিতাৰ স'তে আবেগ-অনুভূতিৰ বেছি ওচৰ সম্পৰ্ক। প্ৰথম কবিতা পুথিখনৰ পাতনিত তেওঁ মন্তব্য কৰিছিল—

'The domain of poetry is unlimited under the real world–there exists an real world, that serves itself..... to those who have been accus-tomed to see in things mare than the things themselves'

য়ুগোৱে আৰু ভাবিছিল— জীৱনৰ গভীৰতম ৰহস্যবোৰৰ স'তে মুখামুখি হোৱা নিশ্চয়েই এক অন্তৰ্দাহী অভিজ্ঞতা। সেয়েহে 1831 চনৰ 'descent into reverie' শীৰ্ষক বিখ্যাত কবিতাটিত তেওঁ সকীয়নি দিছিল—

Frineds donot dig down into your most
Cherished reveries
Donot go down beneath the flower covered fields
And when a tranquil ocean appears before your
Eyes
Swim on the surface or play along the water's
Edge
Because thought is dark;
An impersceptible slope
Goes down
From the real world to the invisible
sphere the spinal goes, deep, and when one goes down
Into it

1831 চনৰ পৰা 1840 চনৰ ভিতৰত তেওঁ চাৰিটা উল্লেখযোগ্য কবিতাৰ সংকলন প্ৰকাশ কৰি উলিয়ায়। কবিতা সংকলনকেইটাৰ মূল বিষয়বস্তু আছিল প্ৰকৃতি, প্ৰেম আৰু মৃত্যুৰ দৰে মহৎ ৰোমাণ্টিক বিষয়। চেতন-অৱচেতন মনৰ দ্বন্দ্ব কেইটামান কবিতাতহে ফুটি উঠিছিল। ইয়াৰ ভিতৰত 'A albert Durer' উল্লেখযোগ্য। কবিতাটোৱে আধুনিক সমালোচকৰো দৃষ্টি আকৰ্ষণ কৰিছে। এই কবিতাত তেওঁ অচেতন মনক ব্যাখ্যা কৰিবৰ বাবে 'Les desn archer's' ব্যৱহাৰ কৰা এক আওপুৰণি প্ৰতীকচক্ৰৰ সহায় লৈছে। সমুদ্ৰ আৰু পেৰিছৰ নিঃসংগ পথৰ নিচিনা প্ৰতীক পৰিহাৰ কৰি য়ুগোৱে অতীতৰ প্ৰতি সচেতনতাৰ, ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, উদাৰ ভাৱধাৰাৰ ইংগিত দাঙি ধৰিছে। য়ুগোৱে সেই কবিতাত লিখিছিল—

For you a farest is a hide-ous world
Where dream and reality intermingle
There are old pines and the huge elms
Whase twisted branches bend into a
hundred grotesque angles, lean
over as they dream

তাৰ পাছত সেই বৰ্ণনা অতিবাস্তৱবাদী হৈ পৰিছে— যেতিয়া সেই গছবোৰৰ অন্ধকাৰ শিপাবোৰে মাটিৰ তলতে ইটোৱে-সিটোক বিচাৰি গৈছে। এই হাবিয়ে সূচাইছে মানৱ-চেতনাক।

'After a reading of Dante' শীৰ্ষক কবিতাত য়ুগোৱে পুনৰ কৈছে যে যিমানেই হওক অৱচেতন মনৰ অন্ধকাৰ সত্যক অস্বীকাৰ কৰিব পৰা

নাযায়। তেওঁ ডান্টেক দুনয়নেৰে পোহৰেৰে আলোকিত তেওঁৰ পথ প্ৰদৰ্শক ভাৰ্জিলৰ পথ সততে অনুসৰণ কৰি থাকিবলৈ কৈছে, কাৰণ পোহৰ হৈছে যুক্তি, চেতনা আৰু বাহ্যিক পৃথিৱীৰ প্ৰথাগত প্ৰতীক। তাৰ পাছত য়ুগোৱে এনে বিপজ্জনক আভ্যন্তৰীণ গভীৰতাৰ পৰা আঁতৰি বাহ্যিক পৃথিৱীত কৰ্মক্ষম হ'বলৈ সংকল্পবদ্ধ হৈছে।

When he paints hell, he paints life
His life, a shadow facing before
Pursuing specters
A mysterious forest where his frightened steps
as aslray as the groupes his way for from the beaten path.

1855 চনত য়ুগোৰ জীয়েক আৰু জোঁৱায়েকৰ মটৰ দুৰ্ঘটনাত মৃত্যু হয়। কবি গভীৰভাৱে শোকাতুৰ হৈ পৰে। 1856 চনত প্ৰকাশ পোৱা এক অতি গুৰুত্বপূৰ্ণ কবিতাপুথি 'Les Contemplations'ত কবিৰ শোকাকুল হৃদয়ৰ প্ৰতিচ্ছবি ফুটি উঠা দেখা যায়। 'Les contemplation'ক দুটা ভাগত ভাগ কৰা হৈছে। 'পূৰ্বৰ' আৰু 'এতিয়া'। দুয়োটা তেওঁৰ জীয়েকৰ মৃত্যুৰ দ্বাৰা বিচ্ছিন্ন। প্ৰথমভাগ আকৌ তিনিটা উপভাগত বিভক্ত — 'The soul in Bloom', 'Struggles and dreams' আৰু 'Dawn'। প্ৰথম খণ্ডটিৰ মূল উপজীব্য হৈছে— যৌৱন আৰু ভালপোৱাৰ মধুৰতা আৰু নিৰুদ্বেগ ভাৱনা। 'My two daugher'— লিয় পেলডাইনৰ বাৰ বছৰ বয়সত লিখা এই কবিতাটি তাৰ সুন্দৰ উদাহৰণ।

One like a swan and the other like a done
Beautiful and both happy

আন এক কবিতাত কবিৰ মন যৌৱনৰ সোণালী স্মৃতিক ৰোমন্থন কৰি স্বপ্নাতুৰ হৈ পৰিছে।

With my arm around your delicate waist
Supple as a reed;
Your breast fluttered like the wing
Of a young bird.

এই খণ্ডটোত তথাপি য়ুগোৱে বাৰে বাৰে আমাক ধাৰণা দিবঁ খুজিছে যে জীৱনৰ ব্যাপ্তি আমি ভবাতকৈ বহুগুণে বেছি গভীৰ। 'The poetry at Teresa's' শীৰ্ষক কবিতাত কবিয়ে এক উৎসৱৰ বৰ্ণনা দিছে য'ত অতিথিসকলে দিনত ফুলৰ বাগিচাত নাটক উপভোগ কৰি সময় পাৰ কৰিছে অথচ ৰাতি হোৱাৰ লগে লগে তেওঁলোকে কৃত্ৰিম উদ্যানৰ বাতাৱৰণ এৰি হাবিত আশ্ৰয় লৈছেগৈ। য়ুগোৱে বিশ্বাস কৰে যে কৃত্ৰিম আৰু সামাজিক সম্পৰ্ক প্ৰোথিত দিনৰ পোহৰৰ জলমল জগতৰ বাহিৰেও আছে স্বাভাৱিক জ্ঞান থকা এখন জগত য'ত প্ৰকৃতি নিজৰ আলোকত প্ৰকাশিত হয়, যাৰ অবিহনে হয়তো জীৱন বন্ধ্যা হ'লহেঁতেন। এই স্বাভাৱিকতাক লুকুৱাই ৰাখিবলৈকে মানুহে চেষ্টা কৰে কাৰণ এই জগত বিষাদেৰে ভৰা।

দ্বিতীয় খণ্ডত এই দৰ্শন আৰু বিস্তৃত হৈ পৰিছে। আপোন সন্তানৰ মৃত্যুত মৰ্মাহত য়ুগোৱে এফালে ব্যক্তিগত ক্ৰোধৰ অকপট প্ৰকাশ কৰিছে, আনফালে মিষ্টিকৰ দৰে এই পৃথিৱীৰ সীমাৰেখা ভেদি উৰ্দ্ধলৈ গতি কৰাৰ বাসনা প্ৰকট কৰিছে। খণ্ডটোত থকা তিনিটা ভাগ যথাক্ৰমে 'A Few songs', 'On the way', 'On the edge of the infinite'এ প্ৰতিফলিত কৰিছে কবিৰ যুক্তিবাদৰ পৰা ৰহস্যবাদলৈ উত্তৰণ। 'At the window during the night' শীৰ্ষক কবিতাটোত এয়া গাঢ় হৈ উঠিছে। কবিয়ে আকাশৰ তৰা আৰু সিহঁতৰ অস্তিত্বৰ সিপাৰত দৃষ্টি প্ৰসাৰিত কৰিবলৈ চেষ্টা কৰিছে অথচ মানৱৰ সংকীৰ্ণতাই কবিক সততে উৎকণ্ঠিত কৰি ৰাখিছে আৰু এই বিষয়ে তেওঁ কোনো স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাই। তেওঁ পাঠকক সকীয়নি দি কৈছে যে সৃষ্টিকৰ্তা নিশ্চয় এক ভয়াবহ প্ৰাণী যি এতিয়াও আমি স্থিৰ বুলি ভবা প্ৰাকৃতিক আদেশসমূহত পৰিবৰ্তিত কৰাত লাগি আছে।

য়ুগোৰ পৰৱৰ্তী দুখন মহৎ কাব্যকৃতি আছিল 'Leges and chronicles of the ages' (1859) আৰু 'Satan redeemed'। দুয়োখন কাব্য সংকলনতে কবি মানৱতাৰ উৎসসমূহৰ সন্ধানত ব্ৰতী হৈ আছে। তেওঁ বাৰে বাৰে দোহাৰিছিল যে জীৱনত আমি 'ভাল' আৰু 'বেয়া'— এই দুয়োটাৰ মাজত 'ভাল' বাছি ল'ব পৰাৰ সক্ষমতা থাকিব লাগিব। তেওঁ কৈছিল যে এদিন নিশ্চয় 'বেয়া' ধ্বংস হ'ব, চকুপানী নাইকিয়া হ'ব; শোকৰ অস্তিত্ব ধূলিসাৎ হৈ পৰিব। অথচ সহজ আৰামদায়ক জীৱনৰ তেওঁ পক্ষপাতী নাছিল। তেওঁ কৈছিল যে মানুহক 'সকলো শুভ' বুলি সান্ত্বনাবাণী শুনোৱা কবিৰ কৰ্তব্য হোৱা অনুচিত। কবি হ'ব লাগে এখন ধুনীয়া হৰিৎ অৰণ্য য'ত চৰাই-চিৰিকটিৰ সুমধুৰ সংগীত আৰু ভালপোৱাৰ অনাবিল আস্বাদ এহাতে পোৱা যায়, আনহাতে হঠাতে সিংহৰ সন্মুখত পৰাৰ সম্ভাৱনীয়তাও নুই কৰিব পৰা নাযায়।

য়ুগো কোনো বিশেষ দাৰ্শনিক তত্ত্বৰ অনুগামী নাছিল। জীৱন সম্পৰ্কে তেওঁৰ আছিল মৌলিক ধাৰণা। বৰ্তমানতে আবদ্ধ নাথাকি ভৱিষ্যতলৈও সুদূৰপ্ৰসাৰী দৃষ্টি নিক্ষেপ কৰাৰ ধৈৰ্য তেওঁৰ আছিল। যুক্তিবাদী দৃষ্টিৰে অকল জীৱনৰ গভীৰতম ৰহস্যসমূহক বিশ্লেষণ কৰাৰ চেষ্টা তেওঁ কোনোদিনে কৰা নাছিল। সেইবাবে তেওঁৰ কবিতা ঊনৈশ শতিকাৰ হৈও সমসাময়িক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ।

Men is apprentice, sorrow is his master
And none many know himself as long as he has
not suffered

এনেদৰেই আৰম্ভ হৈছে আলফ্ৰেড দ্য ম্যুচে (Alfred de Musset) (1810-1857)ৰ বিখ্যাত কবিতা 'October night'ৰ। চিৰস্মৰণীয়, চুম্বকীয় এই পংক্তি। অথচ ম্যুচেই নিজেই চাগে জনা নাছিল যে তেওঁৰ কবিতাই তেওঁৰ জীৱনক কেনে সুন্দৰভাৱে ফুটাই তুলিছিল।

মাত্ৰ ১৯ বছৰ বয়সতে প্ৰকাশ পোৱা ম্যুচেৰ 'Tales of Spain and Italy' শীৰ্ষক কাব্যগ্ৰন্থখনে ফ্ৰান্সত ধুমুহাৰ সৃষ্টি কৰিছিল। এই কবিতা সংকলনখনত আছিল কিছুমান চমকপ্ৰদ ৰোমাণ্টিক নতুনত্ব যি সেই সময়ত ধ্ৰুপদীপন্থী আৰু ৰোমাণ্টিক দুয়ো মূলকে ভীষণভাৱে অসন্তুষ্ট কৰিছিল। সংকলনখনত অন্তৰ্ভুক্ত 'Irons from the fire' শীৰ্ষক কাব্য একাংকিকাখনৰ কথাকে ধৰা যাওক। কাব্য একাংকিকাখনৰ মূল বিষয় হৈছে এগৰাকী ইটালিয়ান পুৰোহিতৰ কাহিনী যি নায়কৰ ঈৰ্ষান্বিতা ৰক্ষিতা নৰ্তকীগৰাকীৰ ফুচুলনিত নায়কক হত্যা কৰে আৰু শেষত সেই নায়িকাৰ দ্বাৰা

নিদাৰুণভাৱে প্ৰত্যাখ্যাত হয়। ম্যুচেই ইয়াত 'মাইকী গাহৰি' 'পেট-ভাৰী', 'খেং-খেঙোৰা' আদিৰ শব্দ প্ৰয়োগেৰে আৰু 'The beautiful breast that wander about aimlessly' দৰে উপমাৰে কবিতাক আকাশী চাঙৰ পৰা নমাই সাধাৰণ কৰি তুলিছে। কিতাপখনৰ আন কবিতাবোৰো এনেকুৱা সাহসী পৰীক্ষা-নিৰীক্ষাৰে ভৰা। সম্ভৱতঃ আটাইতকৈ সাংঘাতিক হৈ-চৈৰ সৃষ্টি কৰিছিল ম্যুচেৰ 'Ballad to the Moon'এ। গীৰ্জাৰ চূড়াত ওলমি থকা জোনক ইংৰাজী i আখৰটোৰ ফুটটোৰ লগত তুলনা কৰাত সমসাময়িক পাঠক স্তম্ভিত হৈ পৰিছিল। এগৰাকী পবিত্ৰ আৰু শান্তদেৱী হিচাপে কল্পনা কৰি অহা জোনবাইৰ এই দশাত মানুহ স্তম্ভিত হোৱাটোৱেই স্বাভাৱিক। অৱশ্যে ছন্দ, বিষয়বস্তু, নৈতিকতা আদিবোৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীন হৈ ম্যুচেই ধ্ৰুপদীপন্থী আৰু ৰোমাণ্টিক কবিসকলক ইতিকিং কৰিছিলনেকি সেই বিষয়ে বিতৰ্কৰ অৱকাশ আছে। এনে দ্ব্যৰ্থবোধক ধাৰণা ম্যুচেৰ পিচৰ কাব্যকৃতিসমূহত অধিক তীব্ৰ আৰু ঘনসন্নিবদ্ধৰূপত ফুটি উঠিছে। কিন্তু এই কথাত সন্দেহ নাই যে কবিৰ 'স্বাধীনতা'ই কবিক সমসাময়িকসকলৰ মাজত যথেষ্ট অপ্ৰিয়ভাজন কৰি তুলিছিল, ফলত তেওঁৰ প্ৰতিভাৰ সঠিক বিচাৰ তেওঁৰ জীৱনকালত কোনোদিনে হ'বলৈ নাপালে।

'Tales of spain and Italy' আগ বয়সৰ ৰচনা বাবে কম পৰিপক্ক, অথচ আলফুলীয়া ভাৱনা, ব্যক্তিকেন্দ্ৰিকতাৰ গাঢ় অনুভূতিয়ে তেওঁৰ এই সংকলনখনক আনবোৰ কাব্যকৃতিৰ পৰা পৃথক কৰিছে।

1833 চনত ম্যুচেই জৰ্জ ম্যাদক লগ পায়। জৰ্জ ম্যাদ সেই সময়ৰ ফ্ৰান্সৰ প্ৰখ্যাত লিখিকা। জৰ্জ ম্যাদৰ স'তে সাক্ষাৎ ম্যুচেৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা। ম্যুচে উদভ্ৰান্তভাৱে তেওঁৰ প্ৰেমত পৰে। তেওঁলোকৰ জটিল, উদভ্ৰান্ত প্ৰেম মাত্ৰ দুবছৰ স্থায়ী হয়। ম্যাদৰ একো নহ'ল, কিন্তু ম্যুচেৰ জীৱন সেইসমুহূৰ্তৰ পৰা সম্পূৰ্ণভাৱে বদলি গ'ল। মহৎ সৃষ্টিৰ বাবে যন্ত্ৰণাৰ অভিজ্ঞতা প্ৰয়োজন। এই দৈৱিক মুখামুখিয়ে ম্যুচেৰ কবিতালৈ বোৱাই আনিলে পূৰ্বতে নথকা তৰংগময়তা, গভীৰ অনুভৱ আৰু প্ৰচ্ছন্ন বিষণ্ণতা।

ফৰাচী কাব্য সাহিত্যত ম্যুচেৰ নাম চিৰস্মৰণীয় হৈ থাকিব পাঁচোটি মুখ্য কবিতাৰ দ্বাৰা। 'Rolla' আৰু 'Nights'ৰ চাৰিওটি দশা (Phese)। পাঁচোটি কবিতা মূৰ্ত হৈ উঠিছে ইচ্ছা আৰু অনিচ্ছাৰ তুমুল দ্বন্দ্ব, কবি আৰু জীৱনৰ মাজত থকা সীমাৰেখাৰ যুক্তিযুক্ততা সম্পৰ্কে সন্দেহ আৰু মতদ্বৈধতাৰ অনুপম, ঝংকাৰিত প্ৰকাশেৰে। গভীৰ অনুভৱ, বিষণ্ণতাৰ নিবিড় জোকাৰে কবিতাবোৰক কৰি তুলিছে চুম্বকীয়। ম্যাদৰ লগত হোৱা বিফল প্ৰণয়ে কবিক মৰ্মান্তিক আঘাত দিছে আৰু সেই দিশৰ পৰা অনুভূত হোৱা এক অনন্য দুখবোধ, কৰুণতাই সৃষ্টি কৰিছে সমগ্ৰ ফৰাচী সাহিত্যৰেই কিছুমান চিৰস্মৰণীয় পংক্তি। ৰৌলাৰ মুখ্য বিষয়বস্তু হৈছে এক বিশ বছৰীয়া মদাহীৰ শেষ নিশা।

আনহাতে ই হৈছে 'শতিকাৰ বেমাৰ'ৰ কাৰণসমূহৰ ওপৰত ধ্যান-ধাৰণাৰ বিশ্লেষণ। পিচলৈ ই গভীৰভাৱে ম্যুচেৰ confessionত প্ৰকাশ পায়। কবিতাটো আৰম্ভ হৈছে আদিম আৰু ধ্ৰুপদী যুগৰ নৈতিক তথা শাৰীৰিক স্পষ্টতাৰ বাবে শোকাতুৰ অনুতাপেৰে—

Do you long for the time
when heaven on earth
Walked and breathed in a
population of Gods...
When, from north to south,
over creation
Hercules carried eternal
justice...

কবিতাত 'আশাহীন শতক' হিচাপে দেখুওৱা হৈছে ওঠৰ শতিকাক। ওঠৰ শতিকা বস্তুবাদী দাৰ্শনিকসকলৰ শতিকা, ভলটেয়াৰৰ যুগ, যাৰ 'গুপ্ত হাঁহি'য়ে ধৰ্মীয় আৰু ৰাজনৈতিক গাঁথনিকে চুৰমাৰ কৰি পেলালে, যাৰ ওপৰত মানৱীয় স্থায়িত্ব গঢ় লৈছিল।

সেই যুগৰ নিয়মানুসাৰে কবিতাটো বৰ দীঘল আৰু বহুবৰ্ণী। কিন্তু কিছুমান স্মৰণীয় মুহূৰ্তৰে কবিতাটো ভৰি আছে। ইয়াৰ মুখ্য চৰিত্ৰই পৌৰাণিক কাবাৰ নায়কৰ দৰে মহত্ত্ব আৰু ব্যঞ্জনা লাভ কৰিছে। কবিতাটোত ম্যুচেই 'Night' ব্যাপক বিস্তৃতি লাভ কৰা বহুবোৰ ব্যক্তিগত পাশৱিকতাৰ উপমা ব্যৱহাৰ কৰিছে। এজনী বনৰীয়া ঘোঁৰা যি মৰুভূমিত তৃষ্ণাৰ্ত হৈ হৈ মৃতপ্ৰায় হৈছেগৈ, অথচ তাইৰ এই কথা অজ্ঞাত যে কাৰভানবোৰ অনুসৰণ কৰিলেই তাই মহানগৰীত পানীৰ সন্ধান পাব। নতুনকৈ পাখি গজা ঈগল পোৱালি এটাই প্ৰথমবাৰৰ বাবে আকাশলৈ উৰি গৈছে আৰু নিজৰ পৰিচয়ত হৰ্ষ আৰু গৌৰৱ অনুভৱ কৰিছে। ম্যুচেৰ 'ৰাতিবোৰৰ' প্ৰতিটো খণ্ডই যদিও ম্যুচেৰ সেই আঢ়ৈ বছৰীয়া দশাটোৰ চাৰিটা বিভিন্ন চিত্ৰ আঁকিছে, যদিও সি ম্যুচেৰ তিনিটা প্ৰেম দশাৰ মনস্তাত্ত্বিক ঘটনাৱলীক সূচিত কৰে, তথাপি সাধাৰণতে ম্যুচেৰ ম্যাদৰ লগত জটিল সম্বন্ধৰ প্ৰভাৱেই 'ৰাতিবোৰৰ' মূল অনুপ্ৰেৰণাৰ উঁহ বুলি সমালোচকসকলে নিৰ্ণয় কৰিছে। সজ্ঞান-অজ্ঞানে এই ঘটনাই ম্যুচেৰ সাহিত্যিক জীৱনক নিয়ন্ত্ৰণ কৰিছিল। কিন্তু অকল ব্যক্তিগত সম্বন্ধৰ দৃষ্টিভংগীৰে কবিতাকেইটাক বিচাৰ কৰিবলৈ হ'লে কবিতাকেইটাৰ মহত্ত্বক অৱজ্ঞা কৰা হ'ব।

'ৰাতিবোৰ' আৰম্ভ হৈছে কবিৰ

কবিতাত 'আশাহীন শতক' হিচাপে দেখুওৱা হৈছে ওঠৰ শতিকাক। ওঠৰ শতিকা বস্তুবাদী দাৰ্শনিকসকলৰ শতিকা, ভলটেয়াৰৰ যুগ, যাৰ 'গুপ্ত হাঁহি'য়ে ধৰ্মীয় আৰু ৰাজনৈতিক গাঁথনিকে চুৰমাৰ কৰি পেলালে, যাৰ ওপৰত মানৱীয় স্থায়িত্ব গঢ় লৈছিল।

অ'ৰাধ্য কাব্য অধিষ্ঠাত্ৰী দেৱীৰ কবিক আকৌ গান গাবৰ বাবে কৰা উত্ৰাৱল মিনতিৰে। দেৱীৰ ইচ্ছা— কবিক মূক হৈ পৰিবলৈ বাধ্য কৰোৱা সেই অভিজ্ঞতাৰ খান্দৰ পৰা কবি উঠি আহক আৰু গান গাওক। শেষত বহুবোৰ আলোচনা-বিলোচনা আৰু সংঘাতৰ পাছত কবি সংকল্পবদ্ধ হৈছে পুৰণি চব ঘা আৰু বিশ্বাসযোগ্যতা পাহৰি যাবলৈ' আৰু দেৱীৰ চৰণত প্ৰেমেৰে নিজকে উছৰ্গা কৰিবলৈ।

'May Night' শীৰ্ষক কবিতাৰে 'ৰাতিবোৰ'ৰ পাতনি মেলা হৈছে। দেৱীয়ে কবিক আদেশ দিছে বাঁহীৰ ফু দি বসন্তক জগাই তুলিবলৈ। এই সময়ত মন-প্ৰাণ উত্তাল ইন্দ্ৰিয়জ ভাবনাৰে ভৰপূৰ। জন্তুৰ হাবিয়াহেৰে লালায়িত হয় সকলো।

1. Springtime is born this evening, the winds are catching fire;

And the wagtail, waiting for down to come

Is starting to alight on the first green bushes.

2. The wine of youth

Is founenting tonight in the lines of wod.

My bason is restless; desire weighls upon of,

And the hats dry winds have set my lips aflams.

কবিয়ে সেই অস্পষ্ট কণ্ঠস্বৰৰ প্ৰতি ক্ষীণ সঁহাৰি দিছে কাৰণ কবিয়ে সেই কণ্ঠস্বৰক ভ্ৰমাত্মক অৱস্থাত হোৱা জাগৰণ বুলি ভাবি লৈছে। অৱশেষত তেওঁ মৰমৰ কাব্যদেৱীক চিনি পাইছে যি তেওঁৰ জীৱনৰ একমাত্ৰ বিশ্বস্ত আৰু মৰমৰ সহচৰ, এহাতে তেওঁৰ পত্নী আৰু ভগ্নী।

'December night'ত কবিয়ে প্ৰশ্ন কৰিছে তেওঁৰ কাল্পনিক প্ৰতিমূৰ্তিক— 'Who are you then?... You are not my gurdian angel. You never come to warn one.' কবি গভীৰভাৱে 'Letters of the day before, loves of hair, debris of love....'। These rain of happy'ৰ সোঁৱৰণত শোকাৰ্ত। কবিৰ প্ৰতিবিম্ব বা কাল্পনিক প্ৰতিমূৰ্তি যেতিয়া কবিৰ কাষত আবিৰ্ভূত হৈছে, তেতিয়া কবি আঁতৰি আহিছে। সেই মূৰ্তিয়ে শেষত তেওঁক কৈছে যে ভগৱানে তেওঁক কবিৰ ভাতৃ আৰু হৃদয়ৰ নিৰাপত্তাৰক্ষী ৰূপে নিযুক্তি দিছে। তেওঁৰ দুখৰ মুহূৰ্তবোৰত সি সদায় তেওঁৰ কাষত থাকিব। কিন্তু

'I cannot touch your hand
Friend, I am loneliness

এই কবিতাত কাব্যদেৱী অনুপস্থিত। কবিৰ কাব্যতত্ত্বৰ প্ৰক্ষেপ হিচাপে এই কবিতাটি যেনেকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে, তেনেকৈ আটাইতকৈ কম নাটকীয় আৰু আটাইতকৈ ব্যক্তিগত আলেখ হিচাপেও কবিতাটিৰ বিশেষত্ব ফুটি উঠিছে।

1836 চনত প্ৰকাশ হোৱা 'August Night'ত কাব্যদেৱী ঘূৰি আহিছে। কাব্যদেৱীৰ প্ৰত্যাৱৰ্তনে কাব্য-সৃষ্টিৰ ধাৰণাটোকে কেন্দ্ৰীয় আৰু সংহত কৰি তুলিছে। ইয়াত তৰ্কৰ বিষয় হৈছে কলা আৰু জীৱনৰ মাজত সংঘাত, কাব্য সৃষ্টি আৰু প্ৰেমৰ মাজত দ্বন্দ্ব।

'August Night'ত কাব্যদেৱী এগৰাকী ঈৰ্ষাপৰায়ণা গাভৰু আৰু কবি গাভৰুৰ সলজ প্ৰেমিক। কবি প্ৰেমিকাৰ মিলন-আড্ডাৰ পৰা সঘনে অনুপস্থিত থকাত প্ৰেমিকা ঈৰ্ষাত জ্বলি-পকি মৰিছে। কবিতাটো আবেগ-অভিমানৰ হেঙুল-হাইতাল-তিতা-মিঠা ঘৰুৱা কমেডিৰে চপচপীয়া। তথাপিও তাত সন্তাপনিভাৱে বৈ আছে এক কৰুণ বিষণ্ণতাৰ নিজৰা।

কাব্যদেৱীয়ে কবিক সকীয়নি দি কৈছে যে আশাৰ স'তে কবিৰ বাৰম্বাৰ পৰীক্ষা-নিৰীক্ষাই আৰু ভালপোৱাৰ অভিজ্ঞতাৰ পুনঃ পুনঃ আহৰণে কবিৰ সৃষ্টিশীল প্ৰতিভাক নাশ কৰাৰ সম্ভাৱনা আছে। কিন্তু কবিয়ে উত্তৰ দিছে ফুলি থকা বনৰীয়া গোলাপৰ দৰে মানুহৰ প্ৰেম সতেজ অৱস্থাতেই আটাইতকৈ সুন্দৰ। কবিয়ে সেয়ে অলপতে সন্তান হেৰুওৱা চৰাইৰ দৰে নতুন আশাৰে উদ্দীপ্ত হৈ গান গাবলৈ চেষ্টা কৰিছে।

I love, and I will grow pale; I love and I will suffer;

I love, one far a kiss I would give up my genius

And I will recount and repeat incessantly

That after swearing cto line without mistress

I have made an oath to live and die far love...

After suffering, one most suffer again;

One must love incessanlly, after one has loved.

কলা আৰু জীৱনৰ মাজত সংঘাতৰ ফলত পোৱা আৰু হেৰুওৱাৰ সম্ভাৱনা আৰু আশংকাৰ দোদুল্যমান অৱস্থা সমস্ত জগতৰেই প্ৰতিফলক। কলা আঁকোৱালি লোৱা বাবেই তেওঁৰ অভিজ্ঞতা প্ৰিয়, আৰু অভিজ্ঞতা প্ৰয়োজন বাবেই তেওঁ দুৰ্দশাৰ বাবে উন্মুখ।

'Night's'ৰ সৰ্বশেষ চক্ৰ 'October Night'ত কবিতাৰ অধিষ্ঠাত্ৰী দেৱীয়ে আনহাতে কৈছে কবিক দুখক আগ্ৰহেৰে আঁকোৱালি ল'বলৈ কাৰণ একমাত্ৰ যন্ত্ৰণাৰ যোগেদি জীৱনক গভীৰভাৱে বুজা সম্ভৱ হ'ব পাৰে। জীৱনৰ লগতে কলাক মহৎ কৰিবলৈও যন্ত্ৰণাৰ সমানে প্ৰয়োজন।

Men is apprentice, sorrow is his master,

And none may know himself as long as he has not suffered

Would you love the flowers, the neadous and the trees.

The sonnets of petrach and the song of the birds,

Michelangelo and the arts, shakespeare and nature

If you didnot find in them some of your farmer tears.

কাব্য অধিষ্ঠাত্ৰী দেৱীয়ে আৰু কৈছে— তেওঁৰ ভাগ্য হয়তো কবি হোৱাটোৱেই আছিল। তেওঁৰ সান্ত্বনাবাণী শুনি কবিয়ে সকাহ পাইছে, তেওঁৰ মনলৈ পুনৰ আশা, জীৱনৰ লিপ্সা ঘূৰি আহিছে। শেষৰ কবিতাফাঁকিত কবিয়ে দেৱীক প্ৰেমৰ প্ৰবাহ পুনৰ সঞ্জীৱিত কৰিবলৈ আহ্বান জনাইছে।

'We will be reborn with her
In the first rays of the sun!'

এনেদৰেই 'Night's'ৰ সামৰণি পৰিছে সৃষ্টিতাড়নাক বাহাল ৰখাৰ দৃঢ় ঘোষণাৰ, ভৱিষ্য আৰু অৱশ্যম্ভাৱী দুখক সহজভাৱে গ্ৰহণ কৰি। সমালোচকে 'Night's'ৰ বিষয়ে এই বুলি মন্তব্য কৰিছে।

'Givesn russets habitual lucidity, It is difficult not to see the losing of the 'Night's cycle at least in part as a prophetic vision of that conflict between will and habit, between inteligence and pas-

***ব'দলে'ৰে ৰোমাণ্টিক কবিতাৰ বহু বঙ্কিতা আৰু পাৰনেছিয়ানসকলৰ শীতলতা দুয়োবিধকে বৰ্জন কৰিছিল। তেওঁৰ কবিতাত আছে ইন্দ্ৰিয়ক জাগৰিত কৰিব পৰা এক অপূৰ্ব সংগীতময়তা। চহৰীয়া জীৱনৰ মলিনতা, যন্ত্ৰণা আৰু নাগৰিক চঞ্চলতা ব'দলে'ৰৰ কবিতাত নিৰ্মমভাৱে পৰিস্ফুট হৈছে। ব'দলে'ৰৰ ধাৰণাত সকলোৰে মূলত আছে পাপৰ নিকৃষ্ট জগত।***

sion, between the critical sense and the creative urge, that was soon to endue into the celebrated idleness and legthy silences of his last fifteen years'

বোধকৰো ম্যুচেই ফৰাচী ৰোমাণ্টিক কবিতাৰ সৰ্বশেষ উল্লেখ্য প্ৰতিনিধি। অৱশ্যে ৰোমাণ্টিক আন্দোলনক সুস্থ আৰু সবল কৰি তোলাত গৌণ লেখকসকলেও কম গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা নাছিল। সৰু-বৰ সকলোধৰণৰ গছ-লতিকাৰ সম্মিলনতহে এখন অৰণ্যৰ সৌন্দৰ্য মহীয়ান হৈ পৰে।

ৰোমাণ্টিক আন্দোলনৰ ঘাই সুঁতিটোৰ ভিতৰতে থকা জেৰাৰ দু নেভ্‌লি (Gerad de werval)ৰ কবিতাত প্ৰতীকবাদৰ পূৰ্বলক্ষণসমূহ ফুটি উঠিছিল। তেওঁৰ জীৱনৰ সূৰ্যাস্তৰ সময়ছোৱাত তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যকৰ্ম ৰচিত হৈছিল। সেই সময়ত তেওঁ মানসিক ৰোগত ভুগি আছিল। ইংৰাজ কবি ক'লেৰিজৰ দৰে নেভলিৰ কবিতাত সপোন আৰু বাস্তৱৰ ছায়াময় সংমিশ্ৰণ ঘটিছে। গ্যেটেৰ 'ফাউষ্ট'ৰ অনুবাদক হিচাপে তেওঁৰ ওপৰত জাৰ্মান ৰোমাণ্টিচিজমৰ প্ৰভাৱ পৰিছিল। আত্মহত্যা কৰি কম বয়সতে জীৱন পাত নকৰা হ'লে তেওঁৰ পৰা ফৰাচী কবিতাই অধিক অৱদান লাভ কৰিলেহেঁতেন। তেওঁৰ কবিতাৰ এটা পংক্তি—

'কবৰৰ দৰে ৰাতিত সেয়া আছিলা
তুমি সেয়ে মোক সান্ত্বনা দিছিলা
মোক পাউচিলিপ আৰু ইটালিৰ
সাগৰ ঘূৰাই দিয়া,
ঘূৰাই দিয়া সেই ফুলটো যিটোৱে
মোৰ নিঃসংগ হৃদয়ক ইমান আনন্দ
দিছিল
আৰু সেই গোলাপে মেৰিয়াই থকা
আঙুৰ লতাৰ কুঞ্জ

(উত্তৰাধিকাৰ বঞ্চিত)
অনু ঃ অজিৎ বৰুৱা

নেভলিৰ বাহিৰেও ৰোমাণ্টিক আন্দোলনৰ দুগৰাকী গৌণ কবি হিচাপে নাম ল'ব লাগিব মৰিচ দু গুৱেৰিন (1810-1839) আৰু এলছিয়াছ ব্ৰাটাও (1807-1841)। তেওঁলোকৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ নহওঁতেই দুয়ো অকালতে মৃত্যুমুখত পৰে।

এমিলি ডেছচেম্পছ, চাৰ্লচ নডিয়েৰ, আৰু অন্যান্যসকলে গঠন কৰা বিভিন্ন চেলন (Salon) বোৰেও ৰোমাণ্টিচিজমৰ উত্থানত অৰিহণা যোগাইছিল। এমিলি ডেছচেম্পছে লিখা 'Eludes francuiseset etrangers (1828)'ত লিখা পাতনিক ৰোমাণ্টিক কবিতাৰ ইস্তাহাৰ হিচাপে গণ্য কৰা হয়। অৱশ্যে আটাইতকৈ সমাদৃত ৰোমাণ্টিক কবিতাৰ ইস্তাহাৰখন লিখা হৈছিল প্ৰথমতে থিয়েটাৰৰ বাবেহে, 'অমৰণ অভগন' ভিক্টৰ য়ুগোৰ দ্বাৰা। সেয়া হৈছে য়ুগোৰ নাটক 'cromwell'ৰ পাতনি।

## ৰোমাণ্টিচিজমৰ পাছত.... সেই সম্বন্ধে যৎকিঞ্চিৎ

ৰোমাণ্টিক কবি হিচাপে সাহিত্যিক জীৱন আৰম্ভ কৰা থিওফিল গটিয়ে'ৰ (Theophile Gautier) (1811-1872) কাব্য সংকলন 'Emaun et cameus (1852)এ' ফৰাচী কবিতাত পৰিৱৰ্তনৰ ধাৰা সূচিত কৰে। সংকলনখনে কবিতাত এক ঘনসন্নিবদ্ধ ফৰ্ম আৰু পেনপেননি-থেনথেননিৰ পৰা মুক্তিৰ পোষকতা কৰিছিল। থিয়ডৰ দু বেনভিলি (1823-1891), এ 'Les Cariatides' আৰু 'Les odes funanbulesques' (1857)ত মধ্যযুগীয় কবিতাৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল। এইবোৰ প্ৰচেষ্টা আছিল গ্ৰীক আৰু ৰোমান সভ্যতাৰ প্ৰতি নতুনকৈ গঢ়ি উঠা আগ্ৰহৰ আগলি বতৰা। এইসকল কবিক parnassian হিচাপে অভিহিত কৰা হয়। লেকণ্টি জে লিছলে এই থূলটোৰ মুখ্য প্ৰতিনিধি। হিন্দুধৰ্ম আৰু গ্ৰীক কলাৰ দ্বাৰা প্ৰভাৱান্বিত লিছলেৰ কবিতা সামাজিক সমস্যাসমূহৰপৰা আঁতৰি আহি পৌৰাণিক উত্তেজক বিষয়বস্তু আৰু প্ৰাকৃতিক নৈসৰ্গৰ চমৎকাৰ বৰ্ণনাৰে ভৰি পৰিল। 'Poemes antiques (1852)', 'Poemes barbares' (1862), 'Poemes traqiques' (1884) আদি কাব্য সংকলনবোৰৰ মুখ্য বিষয় হৈছে - বিশ্বৰ বিভিন্ন ধৰ্মৰ উত্থান আৰু পতন। জোছে মেৰিয়া দু হাৰাডিয়া আছিল আন এজন বিখ্যাত পাৰণাছিয়াৰ। তেওঁৰ 'Les Traphees' এ এশ ওঠৰটা চনেটৰ দ্বাৰা পুৰণি পৃথিৱী আৰু নৱ জাগৰণৰ পাণ্ডিত্যপূৰ্ণ চিত্ৰ আঁকিছে। 'কলাৰ বাবে কলা' ভাবাদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ কবিতা ৰচনা কৰিছিল।

গোটেই শতিকাটোৱে আটাইতকৈ শক্তিশালী কবি হৈছে শ্যাৰ্ল ব'দলে'ৰ (১৮২১-১৮৬৭)।। ব'দলে'ৰে ৰোমাণ্টিক কবিতাৰ বহু বঙ্কিতা আৰু পাৰনেছিয়ানসকলৰ শীতলতা দুয়োবিধকে বৰ্জন কৰিছিল। তেওঁৰ কবিতাত আছে ইন্দ্ৰিয়ক জাগৰিত কৰিব পৰা এক অপূৰ্ব সংগীতময়তা। চহৰীয়া জীৱনৰ মলিনতা, যন্ত্ৰণা আৰু নাগৰিক চঞ্চলতা ব'দলে'ৰৰ কবিতাত নিৰ্মমভাৱে পৰিস্ফুট হৈছে। ব'দলে'ৰৰ ধাৰণাত সকলোৰে মূলত আছে পাপৰ নিকৃষ্ট জগত। তেওঁ আৱিষ্কাৰ কৰিব খুজিছিল কদৰ্যতাৰ মাজতে, পাপৰ মাজতে সুপ্ত হৈ থকা সৌন্দৰ্যক, তেওঁ খান্দি উলিয়াব বিচাৰিছিল সকলো ধৰণৰ নচিতাক জয় কৰিব পৰা অপাৰ্থিৱতাৰে আলোকিত গূঢ়তম সত্য আৰু সৌন্দৰ্য। পাপ হৈছে সৌন্দৰ্যৰ এক অতিবিশিষ্ট অবিচ্ছিন্ন অংগ। সৌন্দৰ্য অকল স্বৰ্গীয় পৰিবেশৰ পৰাহে অনুভূত নহয়, নাৰকীয় পৰিবেশৰ মাজতো সৌন্দৰ্য লুকাই থাকে। সুন্দৰৰ সকলোতকৈ সুন্দৰ ৰূপ আছে চয়তানৰ মাজতেই।

ব'দলে'ৰে বিশ্বাস কৰিছিল কবিতা আৰু দৰ্শনৰ পৰা ব্যক্তিগত জীৱনৰ লগত অংগাংগী সম্বন্ধ আছে। পৃথিৱীৰ সমস্যা শব্দ, গন্ধ-স্পৰ্শ, বৰ্ণৰ মাজত কবিয়ে অনুভৱ কৰিছিল এক গভীৰ আত্মীয়তাৰ বান্ধোন। বিশ্বজগতৰ বিভিন্ন গভীৰতম ৰহস্যক কবি হিচাপে তেওঁ উন্মোচন কৰিব খুজিছিল। তেওঁ কৈছিল বিভিন্ন অনুভূতিৰ মাজত এক চিৰপ্ৰবাহমান যোগসূত্ৰ আছে। ব'দলে'ৰৰ এটা বিখ্যাত কবিতাৰ কেইশাৰীমান—

What does it matter to me that you are wise?
Be beautiful and be sad:
Tears and charm to the face
As the river does to the landscape

The storm rejurlenates the flower (Madrigal Triste)

'প'লভেলেন হৈছে বিশুদ্ধ ব্যক্তিগত আৱেগাত্মক কবিতাৰ কবি। তেওঁ আছিল এটা জটিল কবি সত্তাৰ অধিকাৰী— যুগপত মননশীল আৰু স্বতঃস্ফূৰ্ত, কেতিয়াবা অতি সৰল আৰু কেতিয়াবা অতি কুটিল। দেহ আৰু মনৰ বিৰোধত ভেলেন জৰ্জৰিত আছিল। এই পৰম্পৰাৰ বিৰোধিতাৰ ফলত তেওঁ প্ৰায়েই ৰোমাণ্টিকতালৈ ঘূৰি গৈছিল, অথচ তেওঁ কাব্যৰ নৈব্যক্তিকতাৰ তত্ত্বও জাহিৰ কৰিছিল।.... সৰল আবেগবিলাক অতি মূৰ্ত কল্পচিত্ৰত প্ৰকাশ কৰা হৈছে বেলে'নৰ কবিতাৰ এটা বিশেষত্ব। ... ধ্বনি আৰু সংগীত এই দুয়োই কবিতাৰ সকলো।'[১] ভেলেনৰ কবিতাত পাৰনাছিয়ান আংগিক আৰু ব'দলে'ৰৰ দৰ্শনৰ প্ৰভাৱ পৰিছে। ভেলেনৰ মতে গোপন, সূক্ষ্ম চেতনাক আভাসেৰেই প্ৰকাশ কৰাতেই কবিৰ মুখ্য কৃতিত্ব। মানুহৰ সুখ-দুখ, হাহাকাৰ যন্ত্ৰণাক হুবহুভাৱে ফুটাই তুলিব পৰাতেই কবিৰ সাৰ্থকতা নিহিত। ভেলেনৰ কবিতা ইমান অপূৰ্বভাৱে সংগীতধৰ্মী যে তাৰ অনুবাদ একপ্ৰকাৰ দুঃসাধ্য। ভেলেনে নিজেই কৈছিল 'De la musique avant toute chase' 'সকলোৰে ওপৰত সংগীত সত্য'। অথচ সেই সংগীতময়তা বজাই ৰাখিবলৈ যাওঁতে যাতে শব্দচয়ন আৰু বাক্য গাঁথনি শিথিল নহয় তাৰ প্ৰতি তেওঁ বিশেষ দৃষ্টি দিছিল। ভেলেনৰ বিখ্যাত কবিতা 'IL Pleure Dans Non Coeur' (মোৰ হৃদয়ত চকুপানী সৰে) তাৰ সুন্দৰ উদাহৰণ—

Tears fall in my heart
As rainupon the city
What is this languor
That pierees my heart?

Tears fall without reason
In this heart that is hisheartened
What? no betray?
This grief without reason.

প্ৰতীকবাদী কবিতা স্তেপান মালামেৰ (stephane Mallarme (1842-1898)ৰ ওচৰত ভীষণভাৱে ঋণী। তেওঁৰ কবিতাত আছিল এক চিত্ৰস্তনিত নগ্নতা, ভাষা নিৰলংকাৰ আৰু ঘন সন্নিবদ্ধ হোৱাৰ ওপৰত তেওঁ সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল ছবিত এক প্ৰতীক। নানা বৰণৰ সাজ পিন্ধি ছবিয়েপ্ৰকাশ কৰে এক ভাব বা আইডিয়াক। তেওঁ ব'দলে'ৰৰ 'পাপৰ ফুল'ক গভীৰ অন্তৰ্দৃষ্টিৰে চাই বুজিছিল যে সেয়াও যেন জীৱন তৰপে তৰপে চিত্ৰায়িত হোৱা এক ছবিৰ জগত। ইন্দ্ৰিয়ানুভূতিতকৈ গভীৰ বুদ্ধিৰ দীপ্তিৰে মালাৰ্মেৰ কবিতা প্ৰোজ্জ্বল।

মূৰৰ তলত মোৰ বগা সন্ধ্যা কুজমীয়া হয়
যেনেকৈ লোহাৰ বৃত্তই ঘেৰে ক্লিষ্ট পুৰণি কবৰ
মই ভ্ৰমো সপোনৰ পিচে পিচে অস্পষ্ট সুন্দৰ
বিশাল শ্ৰৱণে তাত চালি ধৰে পথাৰে পথাৰে
(পুনৰুজ্জীৱন RENOUVEAU
অনুঃ অজিৎ বৰুৱা)

উনৈশ শতিকাৰ সৰ্বশেষ উজ্জ্বল নক্ষত্ৰ হৈছে ফৰাচী কবিতাৰ 'আশ্চৰ্য বালক' আৰ্থাৰ ৰ‍্যাঁবো (১৮৫৪-১৮৯১) (Arthur Rimbund)। ১৯ বছৰ বয়সতে সাহিত্য চৰ্চা একেবাৰে ত্যাগ কৰা ৰ‍্যাবোৰ মহত্তম ৰচনাৱলী প্ৰকাশিত হৈছিল যোল্লৰ পৰা উনৈশ বছৰৰ ভিতৰত। ১৬ বছৰ বয়সতে ৰচনা কৰা 'মাতাল জাহাজ' (Le batean vivre) সমগ্ৰ ফৰাচী কাব্য সাহিত্যৰে মাষ্টাৰপিচ। প্ৰকৃতাৰ্থত প্ৰকৃত আধুনিকতাৰ যুগ আৰম্ভ হয় ৰ‍্যাবোঁৰ লিখনিৰ পৰাই। উনৈশ শতিকাৰ সত্তৰ দশকত প্ৰচিয়াৰ যুদ্ধত জাৰ্মানীৰ হাতত ফ্ৰান্সৰ পৰাজয়ে সৃষ্টি কৰা অপমানৰ ধুমুহাই তাৰ পটভূমি সৃষ্টি কৰিছিল। তেওঁৰ মহত্তম কবিতাবিলাক হ'ল পৰাদৃষ্টিসম্পন্ন (visionary) কবিতা। তেওঁৰ বন্ধু পল ডেমেনীলৈ লিখা চিঠিত ৰ‍্যাবোয়ে তেওঁৰ কাব্যতত্ত্ব সম্বন্ধে এই বুলি মন্তব্য কৰিছিল।

'কবি লোকোত্তৰ দৃষ্টিসম্পন্ন হ'ব লাগে। নিজকে লোকোত্তৰ দৃষ্টিসম্পন্ন কৰিব লাগে। সকলো ইন্দ্ৰিয়ানুভূতিৰ এটা বিশাল, দীৰ্ঘ আৰু যুক্তিপূৰ্ণ বিশৃংখলাৰ দ্বাৰা কবিয়ে নিজকে লোকোত্তৰ দৃষ্টিসম্পন্ন কৰে।' কবি কলাকাৰে নতুন পৰিস্থিতিৰ মাজত বিস্ময়ৰ উদ্ঘাটন আৰু নতুন আধ্যাত্মিকতাৰ বিচাৰ কৰিব লাগিব। 'এই অজ্ঞাত শক্তিৰ সন্ধান পাবলৈ হ'লে নিজকে আনুভূতিকভাৱে বিকৃত কৰিবলৈও কুণ্ঠিত হ'ব নালাগিব। সহজৰ পৰা ভয়াৱহলৈ সকলোধৰণৰ অভিজ্ঞতা কবিয়ে সাদৰি ল'ব পাৰিব লাগিব। তাৰ বাবে যদি তেওঁৰ মন তাড়নাত অধীৰ হৈ পৰে, সামূহিক পৰিজ্ঞানো যদি তেওঁৰ বিলুপ্ত হয় তথাপি সেই দুৰূহ অভিজ্ঞতাই তেওঁৰ কলাকাব্যক স্বীকৃতি দিব।'[২]

'মাতাল জাহাজ' লোকোত্তৰ দৃষ্টি আয়োগৰ এক সফল চেষ্টা। সমস্ত জগত পিতপিতকৈ ভ্ৰমণ কৰাৰ পাছত সমুদ্ৰগৰ্ভৰ ভৌতিক অধিভৌতিক, সুকুমাৰ ভয়াৱহ, সকলো সৌন্দৰ্য, সকলো তীক্ষ্ণ অভিজ্ঞতাৰে অভিভূত হোৱাৰ পাচত নাওখনে শান্তি বিচাৰিছে য়ুৰোপৰ কোনো এক নিশ্চল শীতল জলাশয়ত। কবিতাটোৰ মাতাল জাহাজখনক কবিৰ উচ্ছৃংখল জীৱনৰ প্ৰতীক হিচাপে ধৰি ল'ব পাৰি। আৰু সেই জাহাজ সকলোৰে জীৱনৰ লগত সম্পৃক্ত। ৰ‍্যাবোৰ 'The Drunken Beat' কবিতা প্ৰতীকবাদৰ এক অনন্য উদাহৰণ—

When the uproar ended with my towmen (dead)
the rivers let me drift as I willed
In the furious splashing of tides, I,
Lost winter, deafer than the brains of children,
sped; and unmoosed peninsulas;
Neues have I known more trimuparnt disorder

এই গৌৰৱময় বিশৃংখলতাৰ পিছত ফৰাচী কবিতাৰ ইতিহাস এক বৰ্ণোজ্জ্বল ইতিহাস, আবেদন আৰু পৰিপূৰ্ণতাৰ কল্লোলেৰে সুবাসিত, দেশ-কাল সীমাৰ পৰিধি ভেদি হৃদয়ত ঝংকাৰিত কৰা ইতিহাস। ■

## *সহায় লোৱা গ্ৰন্থপঞ্জী*


(1) Encyclopaedia Britanica
(2) Colliris encyclopaedia
(3) Encyclopaedia Americana
(4) Inropaian wilers– The Romantic Untury vol-6-9
(5) অজিৎ বৰুৱা অনূদিত নিৰ্বাচিত ফৰাচী কবিতা
(6) কবিতা দেশী-বিদেশী— ড° নিৰ্মলপ্ৰভা বৰদলৈ
(7) দিলীপ বৰুৱা— কবিতাৰ ভৱিষ্যৎ পঞ্চদশকৰ পৰম্পৰা।
*(8) নিৰ্বাচিত ফৰাচী কবিতা অনুঃ অজিৎ বৰুৱা পল ভেলেন*
*(9) দিলীপ বৰুৱা— 'আধুনিক সাহিত্যৰ স্বৰূপ' প্ৰবন্ধ*

# জীৱনৰ মোজেইক-মজিয়াত অনুভৱৰ টুকুৰা

ৰত্নোত্তমা দাস



"If you ask me about my conception of my life, I'll answer in evassive. And If I ask you, 'Why are you living'- I know you'll also be unable to give me the answer"

### *প্ৰসংগ ঃ জীৱন*

জীৱন সম্পৰ্কে এইটোৱেই মাথোঁ শেষ সত্য যে ইয়াৰ কোনো শেষ সত্য নাই। থাকিব নোৱাৰে। অথচ জীৱনক বুজিবলৈ, জীৱনৰ সত্যক জানিবলৈ, তাৰ বিশাল ৰহস্য ভাণ্ডাৰৰ কপাট মুকলি কৰিবলৈ সীমিত সামৰ্থ্যৰ নিঃকিন মানৱৰ কি যে সীমাহীন প্ৰয়াস! অৱশ্যেই নিষ্ফল।

আমি কৰোঁ কি? জীৱন-যাপন কৰোঁ, নে জীৱনৰ পিছে পিছে দৌৰোঁ? জীয়াই থাকোঁৱেই বা কিয়? আকৌ বাৰে বাৰে উঁক দি উঠে সেই পুৰণি প্ৰশ্নটো— 'আমি জীয়াই থাকিবৰ বাবে খাওঁ, নে খাবৰ বাবে জীয়াই থাকো?"

### *ভাত, কাপোৰ, ঘৰ আৰু....*

জীৱনৰ প্ৰথম সত্য নিশ্চয় ভোক। জীয়াই থকাৰ প্ৰথম চৰ্ত ভোকৰ নিবাৰণ। গাত এটুকুৰা কাপোৰ, মূৰৰ ওপৰত এখন চালি.... তাৰ পাছতহে আহে 'আৰু'বোৰ। জীৱনৰ গতি, গতিহীনতা, গতানুগতিকতা— এই গোটেইবোৰেইতো একাকাৰ হৈ যায় 'ভোক'ৰ আগত। পেটত গামোচা বান্ধি জানো সম্ভৱ প্ৰেমৰ বিলাস? গান-ছবি কবিতাৰ বিলাস? ভাতবিহীন মানুহে বুজি পায় কেৱল ভোকৰ ভাষা। বাকী সকলোবোৰ হৈ পৰে অৰ্থহীন বিলাস।

'কবিতাৰে সজাব পৰাহেঁতেন ভোকাতুৰ চুবুৰীত আকালৰ মেজি
মোৰ গাঁৱৰ মানুহে দাই আনিলেহেঁতেন কবিতাৰ আঘোণী ঠোক
আকাশতকৈও বেছি ওখকৈ সজালেহেঁতেন মানুহ
কবিতাৰ উপাসনা ঘৰ।
আকালৰ দেশত খাদ্য হ'ব পাৰে
মানুহৰ একান্ত সুহৃদ
তুমি খাব দিয়া, আমি তোমাৰেই জয়গান গাম
যাৰ পেটত জুই সি বুজিব পাৰে ভোকৰ কবিতা
তুমি যিবোৰ কোৱা
তাৰ বাবে সেয়া প্ৰয়োজনহীন বিলাস।'
('তোমালোকে যিমানেই নোকোৱা', ঃ কমল কুমাৰ মেধি)

এটুকুৰা ৰুটি, এডোখৰ কাপোৰ আৰু একোখন চালিৰ বাবেই মানুহৰ কি যে সংগ্ৰাম! জীয়াই থকাৰ কি যে তমোময় যুঁজ। জীৱনৰ হাতত হাত মিলাবলৈ মৃত্যুৰ বিৰুদ্ধে মানুহৰ জেহাদ চিৰন্তন। তথাপি আকালৰ উপত্যকাত গজি উঠে কাঙাল চোমালিয়া। নাঙঠ শৰীৰ আৰু শুকান পেটত বাঢ়ি আহে ভোকৰ চাহাৰা।

ভূপেন হাজৰিকাই দেখিছে, আপুনি বা ময়ো দেখিছোঁ— 'বহুতো গগণচুম্বী অট্টালিকাৰ শাৰী। তাৰ তলতেই দেখিছোঁ কতনা গৃহহীন নৰ-নাৰী....'

...: অথচ তথাপি জীৱন জী-বৰ বাবেই। Life is to live. এহাতে ওখ অট্টালিকাত প্ৰাচুৰ্যৰ অপচয় আৰু ইহাতে ডাষ্টবিনৰ ভাৱৰৰ মাজতো 'অমিবা'ৰ দৰে বাচি থাকে জীৱন।

**হায় জীৱন! তোৰ বাবেই মানুহৰ কি যে দুৰ্বাৰ লালসা! 'ৰক্তবীজ'ৰ দৰে জীয়াই থকাৰ কি দুৰন্ত হেঁপাহ!**

***নিঃসংগতা— জীৱনৰ অন্য এক সত্য ঃ***

আচলতে নিজ নিজানত আমি প্ৰত্যেকেই একোজন আলেকজেণ্ডাৰ ছেলকাৰ্ক। নিজৰ মাজত ৰিক্ত দুহাত মেলি থিয় দিলেই অনুভৱ হয়, 'I am the monorch of all I survey...' জীৱনত আমি কি পাওঁ, কি হেৰুৱাওঁ? যদি কিবা পাওঁ, সেয়া আন একো নহয়, মাথোঁ হু হু শূন্যতা। আৰু যদি হেৰুৱাও, সেয়া স্বয়ং জীৱন। এয়ে সত্য। অথচ নিৰ্বোধৰ দৰে এপিয়লা জীৱন পান কৰিয়েই তাৰ কাকিয়াদ-মাদকতাত ডুবি কুকুৰাৰ দৰে খুঁচৰি থাকোঁ অন্তহীন অভিযোগ। প্ৰেম, বিশ্বাস, বন্ধু অথবা শত্ৰু, অথবা আপোনজন, আনকি বিলাসী ঐশ্বৰ্য— সকলোবোৰ পোৱা-নোপোৱা, হেৰুওৱা অথবা পাই হেৰুওৱাৰ অযথা হিচাপেৰে দীঘলীয়া কৰোঁ অভিযোগৰ লিষ্টি। জীৱনৰ ৰাগিৰ কি যে অনৰ্থক অপচয়!

জীৱনত কাৰোবাক 'মোৰ' বুলি কোৱাটো কিমান দূৰ সমীচীন? নিজেই জানো সম্পূৰ্ণ নিজৰ? জীৱনত যদি কিবা 'নিজাকৈ' থাকে, সেয়া নিসংগতা, মাথোঁ নিসংগতা। কোন কাৰ বন্ধু হ'ব পাৰে? অথবা শত্ৰু? প্ৰকৃততে মানুহ ইমান নিসংগ, ইমান নিসংগ!

কেইচুঙা নিঃসংগতাৰে পূৰ হয় জীৱনৰ পিপা? .... আচলতে প্ৰত্যেকৰে বুকুজুৰি থাকে নিঃসংগতাৰ একোখন বিশাল সাগৰ...।

***জীৱনৰ সুখ-দুখৰ মুদ্ৰাটো***

'Happiness and sorrow come together. When one is sitting on your chair, remember, the other is lying on your bed.' (Khalil Zibran)

**আমি সুখৰ মৰীচিকাৰ পাছে পাছে দৌৰোঁ গোটেই জীৱনজুৰি। চাকি চাব বিচাৰো সুখৰ স্বাদ। অথচ আমি সহবাস কৰো দুখৰ স'তে। কোনবোৰ উপকৰণে সুখী কৰিব পাৰে জীৱন? এই সৰল অংকটোৰ** প্ৰথম খোজ আমি বাৰে বাৰে ভুল কৰি পেলাওঁ। সামান্য ভুল, অথচ অংকৰ উত্তৰ পোৱা অসম্ভৱ। অথচ চকুৰ সন্মুখতে থাকে দুখৰ সৰল সমীকৰণ। সহজে সমান হৈ থাকে তাৰ Right hand side–left hand sideৰ Value সমাধান কৰাৰ প্ৰয়োজনেই নহয়। দুখ, দুখ, মাথোঁ দুখ— জীৱনৰ সৰল সত্য। একে আষাৰে লিখি দিব পাৰি— Hence Proved. তথাপি আমি পাহৰি যাওঁ বুদ্ধৰ সেই অমোঘবাণী— 'সৰ্বং দুঃখম।' বাৰে বাৰে সুখৰ ৰহস্যময় সন্ধানত নামি পৰো অথচ হাত মেলিলেই আঙুলিত লাগি আছে টোপাটোপে দুখ।

ক'ত জানো পাইছিলো কথাষাৰ— পৃথিৱীত বোলে সেইজনেই একমাত্ৰ সুখী মানুহ, যি দিনজোৰা কামৰ অন্তত এমুঠি খাই ৰাতি শুই পৰে আৰু পুনৰ পুৱাতে কামলৈ ওলাই যায়। হয় জানো, তেওঁ সুখী? হয়তো হয়, হয়তো নহয়।

কিন্তু এইটো সঁচা যে আমি প্ৰায়ে সুখৰ বাবে হৈ পৰোঁ, উন্মাদপ্ৰায়। সুখ বিচাৰি প্ৰত্যেকেই একোজন চাৰ্বাক। 'ঋণং কৃত্বা ঘৃতং পীবেৎ...." তথাপি লাগে সুখ, সুখ— যাক নোপোৱাৰ হাহাকাৰত ডুবি মৰে মানুহ। কিন্তু সুখ আছে। নিজে নিজে আহি সি টোকৰ দিয়েহি জীৱনৰ দুৱাৰত , অথচ দুৱাৰ খুলি তাক সুমুৱাই বন্ধ কৰিব নোৱাৰি দুৱাৰ। সামান্য সুৰুঙাৰেই সি সৰকি ওলাই গুচি যায়, ঠিক যিদৰে আঙুলিৰ ফাঁকেৰে সৰকি পৰে সময়।

কিন্তু সুখ বা দুখৰো এলজেব্ৰা আমি কোনোদিনেই সম্পূৰ্ণকৈ শুদ্ধ কৰিব নোৱাৰো। আমি যাক সুখ বুলি সাবটি লওঁ, সেয়া প্ৰকৃততেই সুখ নে? জীৱনলৈ প্ৰকৃত সুখৰ পল আহে কেইটা? যাক আমি দুখ বুলি বিষাদ-মলিনতাত গোমা কৰো জীৱন, সেয়া সদায়ে দুখেই জানো হয়? আচলতে আমি বহুক্ষেত্ৰত দুখৰ বিলাস কৰোঁ, দুখৰ স'তে খেলো আৰু আপোন হৈ পৰে দুখৰ সংগ।

'মই দুখৰ স'তে খেলো
হাৰোৱেই বা জিকো, অবিচলিত মোৰ আনন্দ।'
('স্বপ্নৰ স'তে', ঃ হীৰেন ভট্টাচাৰ্য)

সুখ আৰু দুখ হাতত ধৰাধৰিকৈ সোমাই আহে। আমি প্ৰায়েই হেৰুৱাই পেলাওঁ সুখ-দুখৰ মাজৰ সীমাৰেখা। জীৱনৰ দবাখনৰ সন্মুখত বহি বিমূঢ় হৈ ভাবোঁ, এইমাত্ৰ আগবঢ়োৱা 'কৌশলটো কি আছিল? সুখৰ ঘোঁৰা নে দুখৰ নাও?

.... আৰু দেখা যায়, স্বয়ং জীৱনে সুখ-দুখৰ সেই মুদ্ৰাটো হাতত লৈ খেলি আছে চিৎ-পত। হেড নে টেইল... টেইল নে হেড...

আৰু কি হাঁহি উঠা সত্য— মুদ্ৰাটো আচলতে 'শ্বোলে' চিনেমাৰ অমিতাভৰ সেই বিখ্যাত মুদ্ৰাটোৱেই— যাৰ হেড অথবা টেইল— দুয়োটা একেই। খোট্টা চিক্কা!

***অপাৰ সম্ভাৱনাৰ আকৰ এই জীৱন ঃ***

জীৱনৰ অফুৰন্ত উজ্জ্বল সম্ভাৱনাক কোনে নুই কৰিব পাৰে! মহাৰ্ঘ এই জীৱন, জীৱনৰ আশীৰ্বাদ। হয়তো প্ৰত্যেকৰে বুকুত থাকে জীৱনৰ প্ৰতি সেই ৰাবীন্দ্ৰিক মোহ— 'মৰিতে চাহিনা আমি সুন্দৰ ভুবনে....।'

আমি অন্তিম বিন্দুলৈকে পান কৰিব খোজোঁ জীৱন পিয়লাৰ অমৃত সুধা। 'Drink, Oh, Drink to the last drop of the nectur of life.' (Jennyson) তাতোকৈ এঢাপ আগবাঢ়ি Ann Frankৰ দৰে ক'বৰ ইচ্ছাও জাগে— 'I want to go on living after death.'

**বিপুল সম্ভাৱনাৰে ভৰা এই জীৱন। যদিও জীৱনৰ পৰা নিঃসংগতা আৰু শূন্যতাৰ বাহিৰে আমি একোৱেই ল'ব নোৱাৰো,** তথাপি জীৱনে আমাক পাত্ৰ ওপচাই দিয়ে। অপাৰ সম্ভাৱনা, জীয়াই থকাৰ বৰ্ণিল আশা, অপূৰ্ব মাদকতা...

আহাঁ, আমি জীৱনক আদৰি লওঁ। আঁকোৱালি লওঁ জীৱনৰ সমস্ত সম্ভাৱনা, সমস্ত মাদকতা...

'জীৱনে দুই হাত অকুণ্ঠভাৱে মেলি দি
তোমাৰ সন্মুখত সকলো ধৰি আছে,
সুখ-দুখ, আনন্দ, বেদনা সকলো।
সুখো লোৱা, দুখো লোৱা।
আনন্দকো গবা মাৰি ধৰা
বেদনাকো আঁকোৱালি লোৱা।
সকলো তোমাৰ, নেৰিবা একো। ■

*(ড° মহেশ্বৰ নেওগ)*

বিশেষ নিবন্ধ



# নিম্নবৰ্গৰ ইতিহাস তত্ত্ব ঃ কিছু প্ৰাৰম্ভিক আলোচনা

**কমল কুমাৰ তাঁতী**

১৯৮২ চনত কেনবেৰাৰ অষ্ট্ৰেলিয়ান নেচনেল ইউনিভাৰচিটিৰ অধ্যাপক ৰণজিৎ গুহৰ সম্পাদনাত "Subaltern Studies; Writings on South Asian history" ৰ প্ৰথম খণ্ড প্ৰকাশ পায় আৰু বৰ্তমানলৈকে এই গ্ৰন্থমালাৰ দহটা খণ্ড প্ৰকাশিত হৈছে। Subaltern Studies ৰ প্ৰথম খণ্ডত ৰণজিৎ গুহ ৰচিত এটা প্ৰবন্ধ প্ৰকাশিত হয়, পিছলৈ সেই প্ৰবন্ধটোকে Subaltern historography বা নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ 'মেনিফেষ্ট" বুলি বহুতে অভিহিত কৰিবলৈ লয়। এই প্ৰবন্ধটোৰ প্ৰথম বাক্যটোতে কোৱা হ'ল, "ভাৰতীয় জাতীয়তাবাদী ইতিহাস ৰচনাত দীৰ্ঘদিন ধৰি ঔপনিবেশিক উচ্চবৰ্গ আৰু বুৰ্জোৱা জাতীয়তাবাদী উচ্চবৰ্গৰ আধিপত্য চলি আহিছে ।" নিম্নবৰ্গৰ ইতিহাস-তত্ত্বৰ আন এজন তাত্ত্বিক পাৰ্থ চট্টোপধ্যায়ে লিখিছে, "নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ উদ্দেশ্য হ'ল এই দুই ধৰণৰ উচ্চবৰ্গীয় আধিপত্যৰ বিৰোধিতা কৰা ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাৰ ক্ষেত্ৰত প্ৰায়ে অৱহেলিত নিম্নবৰ্গীয় বিভিন্ন শ্ৰেণী আৰু গোষ্ঠীৰ কণ্ঠস্বৰ ইতিহাসৰ পৃষ্ঠাত প্ৰতিষ্ঠাপিত কৰা এয়ে আছিল— এই ধাৰাৰ ইতিহাস-চৰ্চাৰ প্ৰাথমিক উদ্দেশ্য।

আশীৰ দশকৰ আৰম্ভণিতে ভাৰতত কেইগৰাকীমান নবীন-প্ৰবীণ ঐতিহাসিক আৰু সমাজবিজ্ঞানীৰ উদ্যোগত দক্ষিণ এছিয়াৰ ইতিহাস আৰু সমাজ-চৰ্চাৰ এক নতুন ঐতিহাসিক ধাৰাৰ সূত্ৰপাত হয়। তাৰ পাছত প্ৰায় দুটা দশকত নিম্নবৰ্গৰ ইতিহাস চৰ্চাক কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাৰ মহলবোৰত বেছ কিছু বাদ-প্ৰতিবাদ হৈছে। তাৰ লগে লগে সমাজবিজ্ঞান, ভাষা, সাহিত্য, শিল্পচৰ্চা আদিৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰিবলৈ লৈছে। ভাৰতবৰ্ষ আৰু দক্ষিণ এছিয়াৰ সীমা চেৰাই বিশ্বৰ প্ৰায় সমস্ত আঞ্চলিক ইতিহাস চৰ্চাৰ ক্ষেত্ৰ, বিশেষকৈ লেটিন আমেৰিকা, আফ্ৰিকা, দক্ষিণ-পূব এছিয়া আদিতো নিম্নবৰ্গৰ ইতিহাস চৰ্চাক কেন্দ্ৰ কৰি ঐতিহাসিক আৰু সমাজবিজ্ঞানীসকলৰ মাজত বিশেষ উৎসাহ পৰিলক্ষিত হৈছে। ভাৰতৰ ইতিহাস-চৰ্চাৰ নামত প্ৰচলিত ঔপনিবেশিক আৰু জাতীয়তাবাদী এই দুই ধৰণৰ " উচ্চবৰ্গীয়" বা "কুলীন"(elitist) ইতিহাস-তত্ত্বৰ সমালোচনাৰে আৰম্ভ হোৱা এই ইতিহাসতত্ত্ব আজি নিম্নবৰ্গৰ ইতিহাসতত্ত্ব (Subaltern historigraphy ৰূপে বিখ্যাত অথবা কুখ্যাত।

ঔপনিবেশিক আৰু উত্তৰ-ঔপনিবেশিক ভাৰতৰ ইতিহাস আৰু সমাজ-সংস্কৃতিৰ কিছুমান অৱহেলিত তথা অজ্ঞাত দিশৰ আলোচনাৰ ক্ষেত্ৰত স্বকীয় দৃষ্টিভংগী আৰু বিশ্লেষণাত্মক ইতিহাসবোধৰ জৰিয়তে যোৱা দুটা দশকত ৰণজিৎ গুহ, জ্ঞানেন্দ্ৰ পাণ্ডে, ডেভিদ হাৰ্ডমেন, শাহিদ আমিন, ডেভিদ আৰ্ণল্ড, পাৰ্থ চট্টোপধ্যায়, গৌতম ভদ্ৰ আদি গৱেষকসকলে নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ ধাৰাটোক পৰিপুষ্ট কৰি আহিছে।

যদিও আশীৰ দশকত নিম্নবৰ্গৰ ইতিহাস-তত্ত্বৰ আৰম্ভণি হয়, প্ৰকৃততে সাম্যবাদী দাৰ্শনিক আন্টোনিও গ্ৰামছিৰ দৰ্শনতেই ইয়াৰ প্ৰথম সূত্ৰপাত হয়। আন্টোনিও গ্ৰামছি এই শতিকাৰ সম্ভৱতঃ সৰ্বাগ্ৰগণ্য মাৰ্ক্সবাদী তাত্ত্বিক তথা দাৰ্শনিক। লেনিনৰ পিছতে মাৰ্ক্সবাদৰ মৌলিক আৰু সৃজনীশীল তাত্ত্বিক হিচাপে গ্ৰামছিৰ নাম উচ্চাৰিত হয়। গ্ৰামছি আছিল ইটালীৰ কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা তথা কৰ্ণধাৰ। ষাঠিৰ দশকত ইংৰাজীত গ্ৰামছিৰ ৰচনাৱলী প্ৰকাশ হোৱাৰ লগে লগে বিশ্বজুৰি তীব্ৰ আলোড়নৰ সৃষ্টি হয়। মাৰ্ক্সবাদৰ প্ৰচলিত ব্যাখ্যা, বিশেষকৈ তদানীন্তন ছোভিয়েট আৰ্হিৰ মতান্ধ ব্যাখ্যাৰ বিপৰীতে গৈ গ্ৰামছিয়ে মাৰ্ক্সবাদী বিশ্ব-বিখ্যাত কিছুমান নতুন সংযোজন, পৰিবৰ্ধন আৰু ব্যাখ্যা আগবঢ়োৱাত তুমুল বিতৰ্কৰ সূচনা হয়। ১৯৩৭ চনত বন্দী অৱস্থাতে মৃত্যুমুখত পৰা গ্ৰামছিয়ে নিৰ্যাতন, অপুষ্টি আৰু দুৰাৰোগ্য অসুখৰ মাজেৰে বিৰল সাহস আৰু নিষ্ঠাৰে মাৰ্ক্সবাদৰ এখন নতুন অধ্যায়ৰ সূচনা কৰে।

গ্ৰামছিয়ে "কাৰাগাৰৰ টোকাবহী" ত মাৰ্ক্সবাদৰ সলনি "অনুশীলনৰ দৰ্শন" (Philosophy of praxis) ব্যাখ্যাংশ ব্যৱহাৰ কৰিছে। এই টোকাবহীটোৰ গ্ৰামছিয়ে মাৰ্ক্সীয় আলোচনাৰ ক্ষেত্ৰত "নিম্নবৰ্গ" বা Subaltern শব্দটো প্ৰথমে ব্যৱহাৰ কৰে। গ্ৰামছিয়ে চেঞ্চৰক ফাঁকি দিবলৈ শোষিত শ্ৰেণীসমূহক বুজাবলৈ নিম্নবৰ্গ (Subaltern) শব্দটো ব্যৱহাৰ কৰিছে যদিও গ্ৰামছিৰ টোকাবহীত এই শব্দটোৱে আন কিছুমান অৰ্থও বহন কৰিছে। ইটালীয় 'ছুবলতেৰ্নো' শব্দৰ ইংৰাজী প্ৰতিশব্দ ছাবঅল্টাৰ্ন (Subaltern) শব্দটো গ্ৰামছিয়ে অন্ততঃ দুটা অৰ্থত ব্যৱহাৰ কৰিছে। তেওঁ বহুসময়ত প্ৰলেটাৰিয়েট (Proletariat) অৰ্থাৎ শ্ৰমিক শ্ৰেণীক বুজাবলৈ নিম্নবৰ্গ (Subaltern) শব্দটো পোনে পোনে ব্যৱহাৰ কৰিছে। পুঁজিবাদী সমাজব্যৱস্থাত নিম্নবৰ্গ শ্ৰেণী হৈছে শ্ৰমিকশ্ৰেণী। সামাজিক ক্ষমতাৰ এক বিশেষ ধৰণৰ বিন্যাস আৰু প্ৰক্ৰিয়াৰ মাজেৰে শ্ৰমিকশ্ৰেণী শোষিত আৰু শাসিত হয়। এই বিন্যাসত "নিম্নবৰ্গ" শ্ৰমিকশ্ৰেণীৰ বিপৰীত মেৰুত থাকে "হেগেমনিক" (hegemonic) শ্ৰেণী অৰ্থাৎ পুঁজিমালিকসকল। দ্বিতীয় যিটো অৰ্থত তেওঁ নিম্নবৰ্গ শব্দটো ব্যৱহাৰ কৰিছে, সেইটো প্ৰলেটাৰিয়েট(শ্ৰমিক শ্ৰেণী)ৰ সমাৰ্থক নহয়। গ্ৰামছিয়ে শ্ৰেণীবিভক্ত সমাজত অনা-আধিপত্যকামী (non-hegemonic) সামাজিক গোষ্ঠী কিছুমানক বুজাবলৈ নিম্নবৰ্গ শব্দটো ব্যৱহাৰ কৰিছে। শ্ৰেণীবিভক্ত সমাজৰ ক্ষমতাবিন্যাসক গ্ৰামছিয়ে এটা সামাজিক সম্পৰ্কৰ প্ৰক্ৰিয়াৰ মাজেৰে দেখুৱাব বিচাৰিছে, যাৰ এটা মেৰুত আছে প্ৰভুত্বৰ অধিকাৰী "ডমিনেণ্ট" (Dominant) শ্ৰেণী আৰু আনটো মেৰুত আছে যিসকল "ডমিনেণ্ট" শ্ৰেণীৰ অধীন, সেই শ্ৰেণীসমূহ। প্ৰভুত্বৰ অধিকাৰী শ্ৰেণীৰ বিপৰীত মেৰুত অৱস্থান কৰা এই অধীনস্থ শ্ৰেণীসমূহক বুজাবলৈ গ্ৰামছিয়ে নিম্নবৰ্গ বা ছাবঅল্টাৰ্ন শব্দটো ব্যৱহাৰ কৰিছে। গ্ৰামছিয়ে কাৰাগাৰত থকাৰ সময়ত গুৰুত্বসহকাৰে লক্ষ্য কৰিছিল যে মধ্যযুগৰ পৰা আধুনিক যুগলৈ ইটালীৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে বিভিন্ন প্ৰভুত্বকামী শ্ৰেণীৰ সৈতে ইটালীৰ বিভিন্ন নিম্নবৰ্গীয় শ্ৰেণী তথা গোষ্ঠীৰ সম্পৰ্কটো। এই সম্পৰ্কটো অধীনতাৰ হ'লেও এটা কথা লক্ষণীয় যে নিম্নবৰ্গীয় শ্ৰেণীসমূহৰ আশা-আকাংক্ষা, চিন্তা-চেতনাৰ এখন স্বতন্ত্ৰ জগত আছে আৰু এই স্বতন্ত্ৰ মানসিকতাৰ ভিত্তিতে প্ৰভাৱশালী গোষ্ঠী বা শ্ৰেণীৰ সৈতে তাৰ অধীনতা বা সংঘাত সম্পৰ্ক গঢ় লৈ উঠে। আধুনিক ইটালীৰ শাসক শ্ৰেণীৰ চৰিত্ৰ আৰু বুৰ্জোৱা ৰাষ্ট্ৰৰ স্বৰূপ বুজিবলৈ সেয়ে গ্ৰামছিয়ে নিম্নবৰ্গীয় গোষ্ঠীসমূহৰ ইতিহাস চৰ্চাত মনোনিবেশ কৰিবলৈ পৰামৰ্শ দিছিল। "কাৰাগাৰৰ টোকাবহী"ত গ্ৰামছিয়ে ইটালীৰ ইতিহাস সম্পৰ্কে কৰা এনে পৰ্যবেক্ষণৰ ভিত্তিতে ভাৰতত নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা উপলব্ধি কৰা হয়। ১৯৮০ৰ দশকত নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ বিকাশ আৰু তাৰো আগতে কেথলিন গগ্ এ আৰ. দেশাই আৰু সুমিত চৰকাৰ আদিৰ গৱেষণাই ভাৰতীয় ইতিহাস চৰ্চাৰ নতুন দিক মুকলি কৰিছিল। সুমিত চৰকাৰ আৰু ছাবঅল্টাৰ্ণ গোটৰ প্ৰধান বিষয় আছিল ভাৰতৰ স্বাধীনতা আন্দোলন। কেথলিন গগে দক্ষিণ ভাৰতীয় কৃষক সমাজৰ আন্তঃসম্পৰ্ক আৰু আন্তঃগাঁথনিৰ জটিলতা আৰু শ্ৰেণীধাৰণাৰ লগত ধৰ্মৰ জটিল সম্পৰ্কক স্পষ্ট কৰি দেখুৱাইছিল। দেশাইৰ সমাজতাত্ত্বিক গৱেষণাই গাঁৱৰ পটভূমি পৰিবৰ্তনৰ সূক্ষ্ম দিশবোৰক দাঙি ধৰিছিল। সুমিত চৰকাৰে History from below ধাৰণাৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ একঘেয়ামী আলোচনাৰ বিলোপ ঘটাইছিল। এওঁলোকৰ গৱেষণাৰ সময়তে ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থালৈ আহিছিল ব্যাপক পৰিবৰ্তন- ১৯৭৫ ৰ ইন্দিৰা গান্ধী চৰকাৰৰ জৰুৰীকালীন

অৱস্থা জাৰি, নক্সাল আন্দোলনৰ বিফল পৰিসমাপ্তি আৰু ক্ৰমান্বয়ে ভাৰতৰ বিভিন্ন প্ৰান্তত মূৰ দাঙি উঠা ৰাজ্যভিত্তিক ৰাজনীতি আৰু আন্দোলন। এইবোৰে ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থাৰ কাঠামোক পুনৰ আলোচনা কৰিবলৈ বাধ্য কৰাইছিল বহু সংখ্যক বুদ্ধিজীৱীক। ইয়াৰ এক ফল হ'লগৈ আজি ব্যাপকভাৱে আলোচিত নিম্নবৰ্গৰ ইতিহাস ৰচনা ধাৰাৰ আৰম্ভণি।

১৯৮৩ চনত প্ৰকাশিত হয় ৰণজিৎ গুহ ৰচিত "Elementary Contonial Aspects of peasant Insurgency in India" শীৰ্ষক গৱেষণাগ্ৰন্থখন। গুহই প্ৰধানতঃ দুটা বিষয়ৰ ওপৰত বিশদভাৱে আলোকপাত কৰে এই কিতাপখনত -- এক, ঔপনিবেশিক ভাৰতত উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ ৰাজনৈতিক ক্ষেত্ৰত থকা স্বতন্ত্ৰতা আৰু দুই, কৃষক চেতনাৰ স্বকীয় বৈশিষ্ট্য নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ আধাৰত ৰণজিৎ গুহই এই বিষয় দুটা দাঙি ধৰাৰ তুমুল বিতৰ্কৰ সূচনা হয়। যিহেতু এই ধাৰাৰ প্ৰবক্তাসকলৰ বহুতৰে ধ্ৰুপদী মাৰ্ক্সবাদৰ প্ৰতি প্ৰশ্নাতীত সেয়ে স্বাভাৱিক কাৰণতেই এই বিতৰ্কৰ প্ৰধান আলোচনাৰ বিষয় হৈ উঠে নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ বিশ্লেষণ পদ্ধতিৰ সৈতে মাৰ্ক্সীয় বিশ্লেষণ পদ্ধতিৰ সামঞ্জস্য বা অসংগতি।

প্ৰবন্ধটোৰ আৰম্ভণিতে এই কথা উল্লেখ কৰা হৈছে যে, "Subaltern Studies"ৰ প্ৰথম খণ্ডৰ প্ৰথম নিবন্ধটোক বৰ্তমান নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ "মেনিফেষ্টো" বুলি অভিহিত কৰা হয়। "On some Aspects of the historiography of Colonial India" শীৰ্ষক এই প্ৰবন্ধটো নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ মুখ্য প্ৰবক্তা ৰণজিৎ গুহই ভাৰতীয় জাতীয়তাবাদৰ ইতিহাস-তত্ত্বৰ সমালোচনা কৰি নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ৰূপৰেখা আগবঢ়াইছিল । গুহই লিখিছে যে ভাৰতীয় জাতীয়বাদৰ ইতিহাস-চৰ্চাত ইমানদিনে ঔপনিবেশিক আৰু বুৰ্জোৱা জাতীয়তাবাদী উচ্চবৰ্গৰ কৌলীন্যই প্ৰাধান্য পাই আহিছে। এই দুই ধাৰাৰ ইতিহাস-তত্ত্বৰ সৃষ্টি হৈছে বৃটিছ ঔপনিবেশিক শাসনৰ পৰা। এই দুই ধাৰাৰ ভাৰতীয় ৰাষ্ট্ৰীয়তা আৰু জাতীয়তাবাদৰ চেতনা উচ্চবৰ্গৰ একচেটিয়া সৃষ্টি।

ঔপনিবেশিকতাবাদী আৰু নব্য-ঔপনিবেশিকতাবাদী ঐতিহাসিকসকলৰ মতে, বৃটিছ শাসনৰ অভিঘাত [Stimuli) ৰ প্ৰতিক্ৰিয়া (response) হিচাপেই ভাৰতীয় জাতীয়তাবাদৰ বিকাশ ঘটিছিল। প্ৰকৃততে এই জাতীয়তাবাদ হৈছে বৃটিছ শাসন-নীতি আৰু প্ৰতিষ্ঠানৰ জৰিয়তে ভাৰতীয় শিক্ষিত শ্ৰেণীয়ে আয়ত্ত কৰা এক মতাদৰ্শ।

ইয়াৰ বিপৰীতে ভাৰতীয় বুৰ্জোৱা জাতীয়তাবাদী ঐতিহাসিকসকলৰ মতে, জাতীয়তাবাদ হৈছে ভাৰতীয় জনসাধাৰণৰ সমস্ত শোষণ-নিপীড়নৰ পৰা মুক্তিৰ প্ৰধান মতাদৰ্শ। পিছে এই মতাদৰ্শৰ প্ৰবক্তাসকল হৈছে বৃটিছৰ ছত্ৰছায়াত লালিত শিক্ষিত শ্ৰেণী আৰু জমিদাৰ, ভূস্বামীৰ দৰে উচ্চবৰ্গসকল। ভাৰতীয় জাতীয়তাবাদৰ এই ভাবধাৰাত ভাৰতীয় উচ্চবৰ্গৰ মানসিকতা, বৈপ্লৱিকতা আৰু সংগঠন ক্ষমতাক সততে আদৰ্শায়িত কৰা হৈ থাকে। এই ইতিহাস চৰ্চাত উচ্চবৰ্গৰ নেতৃত্বাধীন ভাৰতৰ জাতীয় সংগ্ৰামক নিঃস্বাৰ্থ-নিৰ্ভেজাল আদৰ্শবাদী চেহেৰা দিয়া হয়। তাৰ লগে লগে অৱশ্যে ভাৰতৰ ইতিহাস-চৰ্চাত মাৰ্ক্সবাদী পদ্ধতিও হৈ আহিছে। ড° ডি ডি কৌশ্বম্বী, দেবীপ্ৰসাদ চট্টোপধ্যায়কে প্ৰমুখ্যে কৰি বহুতে মাৰ্ক্সবাদী ইতিহাসবিদ আৰু সমাজতাত্বিকে ঔপনিবেশিক আমোলৰ আৰু প্ৰাচীন ভাৰতৰ ইতিহাস-চৰ্চাত বহুখিনি অৱদান আগবঢ়াইছে। ড° কৌশ্বম্বী ৰচিত "ভাৰতৰ ইতিহাস" এই ধাৰাৰ এখন উল্লেখযোগ্য গ্ৰন্থ।

ঔপনিবেশিক আৰু বুৰ্জোৱা জাতীয়তাবাদী--দুয়ো ধৰণৰ ইতিহাস-তত্ত্বক সমালোচনা কৰি ৰণজিৎ গুহই লিখিছে যে, এই দুই ধৰণৰ ইতিহাস-তত্ত্বত দেশৰ নিম্নবৰ্গীয় সাধাৰণ মানুহৰ ৰাজনৈতিক অভিজ্ঞতা আৰু জনসমাবেশৰ তাৎপৰ্য অস্বীকৃত। নিম্নবৰ্গৰ ইতিহাস তত্ত্বৰ অন্যতম লক্ষ্য হৈছে নিম্নবৰ্গ লোকৰ অভিজ্ঞতা আৰু জনসমাবেশৰ আলোকত জাতীয়তাবাদৰ স্বৰূপ আৰু জাতীয় আন্দোলনৰ অভিজ্ঞতা সমগ্ৰভাৱে উপলব্ধি কৰা। এই উদ্দেশ্যেৰেই উচ্চবৰ্গ ইতিহাস-তত্ত্বত অৱহেলিত হৈ থকা নিম্নবৰ্গৰ জীৱন-চৰাত সমস্ত দিশ অধ্যয়ন কৰি উচ্চবৰ্গৰ নিৰংকুশ নেতৃত্বৰ আদৰ্শবাদী ধাৰণাটো বাতিল কৰা গুহকে ধৰি এই গোষ্ঠীৰ ঐতিহাসিকসকলে জৰুৰী বুলি ভাৱে। তেওঁলোকে কৈছে নিম্নবৰ্গৰ চেতনা পৰাধীন হ'লেও তেওঁলোকৰ চেতন নিষ্প্ৰাণ নহয়। বুৰ্জোৱা ঐতিহাসিকসকলে কোৱাৰ দৰে তেওঁলোকে উচ্চবৰ্গৰ প্ৰখৰ চেতনাৰ দ্বাৰাই কেৱল চালিত হৈ নাথাকে। বিশেষকৈ বিদ্ৰোহৰ সময়ত নিম্নবৰ্গৰ লোকসকলে নিজস্ব ধৰণে সংগঠন (উদাহৰণস্বৰূপে অসমৰ ক্ষেত্ৰত "ৰাইজমেল"), সমাবেশেৰে প্ৰতিৰোধ গঢ়ি তুলিব পাৰে (পথৰুঘাটৰ কৃষক বিদ্ৰোহ)। অতি সংগত কাৰণতে নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ প্ৰথম পৰ্যায়ত কৃষকৰ স্বতন্ত্ৰ মানসিকতা আৰু ঔপনিবেশিক আমোলত উচ্চবৰ্গৰ সৈতে কৃষকৰ সংঘাত আৰু বিদ্ৰোহৰ বিষয়টোৱে বেছি প্ৰাধান্য পাইছে।

গ্ৰামছিৰ চিন্তাধাৰাক মূল হিচাপে লৈ নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ সূত্ৰপাত ঘটিছিল যদিও যোৱা দুটা দশক আলোড়িত কৰা নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ ধাৰাত কিছুমান গুৰুত্বপূৰ্ণ দিক্ পৰিবৰ্তন হৈছে। এই ঐতিহাসিক গোষ্ঠীয়ে গ্ৰামছিৰ চিন্তাৰ সূত্ৰ কৰি আৰু উত্তৰ-সংযুক্তিবাদী মিশ্বেল ফুকো নিৰ্গঠনবাদী জক দেৰিল এডৱাৰ্ড ছয়ীদৰ প্ৰাচ্যবাদ (Orientalism)ৰ আধাৰত দক্ষিণ এছিয়াৰ আধুনিক ইতিহাসৰ সমালোচনাত কিছুমান মাত্ৰা সংযোগ কৰিছে। তেওঁলোকে প্ৰকৃততে দক্ষিণ এছিয়াৰ নিম্নবৰ্গৰ সামূহিক চেতনাক এক স্বতন্ত্ৰ আধাৰ দিব বিচাৰিছে আৰু সেয়ে আইজাজ আহমেদ, সুমিত চৰকাৰ আদি মাৰ্ক্সবাদী সমাজবিজ্ঞানীয়ে নিম্নবৰ্গৰ খণ্ডিত ইতিহাস-চৰ্চাক উত্তৰ আধুনিকতাবাদী বিকৃতি বুলি সমালোচনা কৰিছে। আইজাজ আহমেদে অভিযোগ কৰিছে যে, সংযুতিবাদ (Structuralism) আৰু উত্তৰ-সংযুতিবাদ (Post-Structralism) আৰু এডৱাৰ্ড ছয়ীদৰ প্ৰাচ্যবাদ (Orientalism)ৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত, নিম্নবৰ্গ ঐতিহাসিক গোষ্ঠী তৃতীয় বিশ্বৰ, বিশেষকৈ ভাৰত উপমহাদেশৰ মুক্তি সংগ্ৰামৰ তাৎপৰ্য অনুধাৱনত ব্যৰ্থ হৈছে। ভাৰতীয় জাতীয়তাবাদ আৰু আধুনিকতাবাদৰ সমালোচনা কৰিবলৈ গৈ তেওঁলোকে ভগ্নাংশকে ইতিহাসৰ সৰ্বেসৰ্বা বুলি ভাবিছে। অৱশ্যে এনে অভিযোগৰ যথাৰ্থতা থাকিলেও, ঔপনিবেশিক আৰু উত্তৰ-ঔপনিবেশিক

ভাৰতীয় সমাজৰ কিছুমান দুৰ্বলতা আৰু বৈকৃতি উন্মোচনত এই ঐতিহাসিক গোষ্ঠীৰ দক্ষতা অস্বীকাৰ কৰিব পৰা নাযায়।

সামাজিক আৰু শ্ৰেণী অৱস্থানে এজন ইতিহাসবিদৰ চিন্তা-চৰ্চা অৰ্থাৎ সামগ্ৰিকভাৱে দৃষ্টিভংগীকেই নিয়ন্ত্ৰিত কৰে। ইতিহাসবিদজনৰ নিজস্ব মানসিকতা, একান্ত ব্যক্তিগত সংস্কাৰ আৰু মূল্যবোধ তথা বৌদ্ধিক প্ৰৱণতাই তেওঁৰ ইতিহাস-চৰ্চাক প্ৰভাৱিত কৰে। প্ৰকৃততে ইতিহাস-ৰচনাত ইতিহাসবিদৰ নিজস্ব ৰাজনৈতিক দৰ্শন আৰু বিশ্ববীক্ষা প্ৰতিফলিত হয়। সেয়ে ইতিহাস-ৰচনাৰ লগে লগে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰে ভাবাদৰ্শৰ প্ৰশ্নটো। প্ৰকৃততে ইতিহাসৰ ব্যাখ্যা সমসাময়িক ভাবাদৰ্শৰ ফল। গতিকে ভাৰতত কি পৰিস্থিতি আৰু পটভূমিত নিম্নবৰ্গৰ ইতিহাস ৰচনাৰ সূচনা আৰু বিকাশ হয়, কেনেবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন লৈ ইয়াৰ বিকাশ সাধন হয়, তাক বুজিবলৈ হ'লে, যোৱা শতিকাকেইটাত ভাৰতৰ ইতিহাস ৰচনাৰ ওপৰত পৰা সমকালীন ভাবাদৰ্শৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাটো নিতান্তই যুক্তিসংগত হ'ব।

ভাৰতত আধুনিক ইতিহাসচৰ্চা আৰম্ভ হয় অষ্টাদশ শতিকাৰ শেষৰ ফালে। অষ্টাদশ শতিকাৰ পৰা আৰম্ভ কৰি কুৰি শতিকাৰ প্ৰথম দশককেইটালৈকে ভাৰতৰ ইতিহাস ৰচনাৰ এই কালছোৱাত তিনিটা সুকীয়া ধাৰা লক্ষ্য কৰা যায়-(১) প্ৰাচ্যবাদী ধাৰা, (২) উপযোগিতাবাদী ধাৰা, (৩) জাতীয়তাবাদী ধাৰা।

ভাৰতৰ ইতিহাস-ৰচনাৰ ক্ষেত্ৰত ইউৰোপীয় পণ্ডিতসকলৰ যথেষ্ট অৱদান আছে। সংস্কৃত অধ্যয়নৰ মাজেৰে ভাৰতৰ প্ৰতি আগ্ৰহী হৈ উঠা এই পণ্ডিতসকলৰ মুখ্য অনুষ্ঠান আছিল "ৰয়েল এচিয়াটিক চোচাইটি। ইউৰোপৰ শিল্পবিপ্লৱৰ সম্পৰ্কে সন্দিহান এই পণ্ডিতসকলে প্ৰাচীন ভাৰতীয় সমাজ জীৱনত শান্তিৰ অনুসন্ধান কৰিছিল। এওঁলোকৰ লগত যোগ দিয়ে গোড়া হিন্দু-পন্থী পণ্ডিতসকলে। ভাৰতীয় ইতিহাস-ৰচনাৰ এই ধাৰাটোক প্ৰাচ্যবাদী ধাৰা বুলি কোৱা হৈছে।

উনৈশ শতিকাৰ আন এদল বৃটিছ পণ্ডিত-গৱেষকৰ দ্বাৰা ভাৰতীয় ইতিহাস-ৰচনাৰ উপযোগিতাবাদী ধাৰাৰ সৃষ্টি হয়। মূলতঃ ঔপনিবেশিক দৃষ্টিভংগীৰে ইতিহাস ৰচনা কৰি, বৃটিছ সাম্ৰাজ্যবাদৰ হৈ কাম কৰা এই বুদ্ধিজীৱীসকলে এই দৃষ্টিভংগীৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰিছিল-ভাৰতৰ বুকুত বৃটিছ সাম্ৰাজ্যবাদক গজগজীয়া কৰিবলৈ। জেমচ্ মিল আছিল ইয়াৰ প্ৰধান হোতা। (History of British India) নামৰ ইতিহাস গ্ৰন্থখনত মিলে ভাৰতবৰ্ষৰ ইতিহাসক পোনপ্ৰথমবাৰৰ বাবে হিন্দু যুগ, মুছলমান যুগ, আৰু বৃটিছ যুগত ভাগ কৰিছিল, যাৰ জৰিয়তে পৰৱৰ্তী কালত বহুচৰ্চিত দ্বিজাতি তত্ত্বৰ লগতে সাম্প্ৰদায়িক ইতিহাসচৰ্চাৰ ভেটি স্থাপন কৰা হৈছিল।

আন এচাম ইতিহাসবিদে বুৰ্জোৱা জাতীয়তাবাদী দৃষ্টিশক্তিৰে ইতিহাস ৰচনা কৰিছিল ভাৰতীয় মানুহৰ জাতীয় আশা-আকাংক্ষাক সংহত ৰূপ দিয়াৰ স্বাৰ্থত এই ইতিহাসবিদসকলে অতীত ভাৰতৰ গৌৰৱগাথা মহিমামণ্ডিত ৰূপত আৱিষ্কাৰ কৰাৰ পথ বাছি লৈছিল। এওঁলোকে ভাৰতীয় জাতীয়তা আৰু হিন্দু জাতীয়তাক একাকাৰ কৰি পেলাইছিল। প্ৰকৃততে জেমচ্ মিল প্ৰদৰ্শিত সাম্প্ৰদায়িক বিভাজন তত্ত্বৰ লগত এওঁলোকে যোগ দিছিল বুৰ্জোৱা দেশপ্ৰেম।

স্বাধীনোত্তৰ যুগৰ ভাৰতত ইতিহাস-চৰ্চা আৰু অধ্যয়নৰ কিছুমান গুৰুত্বপূৰ্ণ দিক্-পৰিবৰ্তন ঘটে। এনে দিক্-পৰিবৰ্তনৰ উৎস আছিল প্ৰখ্যাত ইতিহাসবিদ দামোদৰ ধৰ্মানন্দ কৌশাম্বী ৰচিত দুখন গ্ৰন্থ— 'In Introduction to the study of Indian History' আৰু 'The culture and civilization of Ancient India in Historical outline'। মানুহৰ ক্ৰমবিৱৰ্তনৰ ইতিহাসৰ চৰ্চা আৰু বিজ্ঞানসন্মত বিশ্লেষণে এটা কথা প্ৰতীয়মান কৰে যে— উৎপাদনকাৰী শ্ৰমজীৱী জনগণেই হৈছে ইতিহাসৰ সৃষ্টিকৰ্তা আৰু চালিকাশক্তি। পৃথিৱীৰ সমস্ত সম্পদ যাৰ তেজ আৰু ঘামৰ ফলত সৃষ্টি, সেই শ্ৰমজীৱী মানুহৰ জীৱনধাৰা, জীৱিকা, অস্তিত্ব আৰু সামগ্ৰিকতাই হৈছে ইতিহাস। এনে এক দৃষ্টিভংগীৰে ভাৰতৰ ইতিহাস ৰচনা আৰু চৰ্চা কৰি স্বাধীনোত্তৰ ভাৰতত ইতিহাস ৰচনা আৰু চৰ্চাৰ এক নতুন যুগৰ সূচনা কৰে কৌশাম্বীয়ে, যিয়ে গভীৰভাৱে বিশ্বাস কৰিছিল যে— ইতিহাসৰ প্ৰকৃত সত্তা লুকাই আছে নিৰক্ষৰ জনতাৰ অমোঘ শক্তিৰে চালিত সমাজ-জীৱনৰ বিভিন্ন অলিখিত ঘটনাৰাজিৰ মাজত। বহুমুখী গৱেষণা-পদ্ধতিৰ জৰিয়তে সমাজৰ ভৌগোলিক, নৃতাত্ত্বিক, পুৰাতাত্ত্বিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাৰ মৰ্মভেদী বিশ্লেষণ আগবঢ়াই ঐতিহাসিক সত্যক দাঙি ধৰাৰ এই বিজ্ঞানসন্মত ধাৰাই বৰ্তমান এক পূৰ্ণাংগ ৰূপ পাইছে। এই ধাৰাৰ গৱেষকসকলৰ ভিতৰত প্ৰাচীন ইতিহাস সম্পৰ্কে আলোকপাত কৰিছে— ৰামচৰণ শৰ্মা, ৰমিলা থাপৰ, ডি ডি কৌশাম্বী আদিয়ে। মধ্য আৰু আধুনিক যুগ সম্পৰ্কে গৱেষণা কৰিছে ক্ৰমে ইৰফাৰ হাবিব আৰু তেওঁৰ আলিগড় স্কুল আৰু বিপানচন্দ্ৰ, হৰবংস মুখীয়া আদি গৱেষকসকলে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, অসমৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত দৃষ্টিভংগী আৰু প্ৰগতিশীল চিন্তাধাৰাৰ বাটকটীয়া হ'ল ড° অমলেন্দু গুহ। অসমৰ ইতিহাসক প্ৰগতিশীল দৃষ্টিভংগীৰে বিচাৰ-বিশ্লেষণ কৰাৰ ক্ষেত্ৰত ড° হীৰেন গোহাঁইৰো গুৰুত্বপূৰ্ণ অৱদান আছে।

সত্তৰৰ দশকৰ আৰম্ভণিতে ভাৰতৰ ইতিহাস-চৰ্চাৰ আন এক গুৰুত্বপূৰ্ণ দিক পৰিবৰ্তন ঘটে। ইয়াৰ মূল কাৰণ আছিল— ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থালৈ অহা ব্যাপক পৰিবৰ্তন। নক্সাল আন্দোলনৰ বিফল পৰিসমাপ্তি আৰু তাৰ লগতে ক্ৰমে ক্ৰমে মূৰ দাঙি উঠা ৰাজ্যভিত্তিক ৰাজনীতি আৰু আন্দোলন আৰু এনেসময়তে, ১৯৭৫ চনত ইন্দিৰা গান্ধী চৰকাৰৰ জৰুৰীকালীন অৱস্থাৰ ঘোষণা— এই সকলোবোৰ মিলি নতুন দিক্-পৰিবৰ্তন অৱশ্যম্ভাৱী হৈ পৰে। ভাৰতীয় ৰাষ্ট্ৰব্যৱস্থাৰ কিছুমান গুৰুত্বপূৰ্ণ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক প্ৰশ্নক লৈ ভাৰতৰ বুদ্ধিজীৱীমহলৰ মাজত তীব্ৰ বিতৰ্কৰ সূচনা হয়। এই বিতৰ্কৰ আঁত ধৰিয়েই আশীৰ দশকৰ আৰম্ভণিতে সূচনা হয় এক নতুন ইতিহাস-চৰ্চাৰ ধাৰাৰ, যাক পৰৱৰ্তী সময়ছোৱাত 'নিম্নবৰ্গৰ ইতিহাসতত্ত্ব' বুলি আখ্যায়িত কৰা হৈছে।

বিশিষ্ট ইতিহাসবিদ আৰু নিম্নবৰ্গ ইতিহাস তত্ত্বৰ এজন মুখ্য প্ৰবক্তা পাৰ্থ চট্টোপাধ্যায়ে লিখিছে, '১৯৭০-ৰ দশকত ভাৰতৰ মাৰ্ক্সবাদী ৰাজনীতিবিদ-

বুদ্ধিজীৱীসকলৰ মাজত যি উত্তপ্ত বাদানুবাদ ঘটি যায়, সেই অসম্পূৰ্ণ বিতৰ্কৰ মাজতে 'ছাব অল্টাৰ্ণ ষ্টাডিজ'ৰ শিপা বিচাৰি পোৱা যাব।' কথাটো সম্পূৰ্ণ সত্য।

প্ৰধানতঃ দুটা বিষয়ক কেন্দ্ৰ কৰি সত্তৰৰ দশকৰ সেই বিতৰ্ক হয়। প্ৰথমটো বিতৰ্কৰ আলোচ্য বিষয় আছিল— ভাৰতবৰ্ষৰ কৃষি-অৰ্থনীতিত পুঁজিবাদী উৎপাদনৰীতিৰ উদ্ভাৱন। প্ৰধানতঃ অৰ্থনীতিবিদসকলে অংশ লোৱা এই বিতৰ্কত প্ৰথম পক্ষৰ বক্তব্য আছিল এনেধৰণ— ঔপনিবেশিক আমোলৰ শেষ পৰ্বৰপৰাই ভাৰতৰ কৃষি— উৎপাদন ব্যৱস্থাৰ এক আমূল পৰিবৰ্তন ঘটিছে। কৃষিপণ্যৰ বিশ্বব্যাপী বজাৰ আৰু বৃহৎ সংগঠিত অৰ্থলগ্নী ব্যৱস্থাৰ সৈতে সংগতি ৰাখি সকলো ধৰণৰ উৎপাদনেই এতিয়া পুঁজিবাদী উৎপাদন ৰীতি নিয়ম মানি চলিবলৈ ধৰিছে। আনটো পক্ষৰ মতে, কোনো বিশেষ বিশেষ অঞ্চলত সীমিত পৰিবৰ্তন ঘটিলেও ভাৰতবৰ্ষৰ বিস্তীৰ্ণ অঞ্চলত অৰ্ধ-সামন্ততান্ত্ৰিক কৃষি-উৎপাদন ব্যৱস্থা এতিয়াও অটুট আছে।

দ্বিতীয়টো বিতৰ্কৰ মূল আলোচ্য বিষয় আছিল— ঊনবিংশ শতিকাৰ বংগৰ তথাকথিত 'নৱজাগৰণ'। মূলতঃ ঐতিহাসিকসকলে অংশ লোৱা এই বিতৰ্কৰ সূচনা কৰি অশোক সেন, ৰণজিৎ গুহ, সুমিত চৰকাৰ আদিয়ে প্ৰশ্ন তুলিলে যে— ৰামমোহন ৰায়, বিদ্যাসাগৰ প্ৰভৃতি 'নৱজাগৰণ'ৰ মনীষীসকলৰ ঐতিহাসিক ভূমিকা প্ৰগতিশীল হয়নে? তেওঁলোকে মত প্ৰকাশ কৰিলে— এই মণীষীসকলৰ সংস্কাৰ-চিন্তাইতো ঔপনিবেশিক অৰ্থনীতি-ৰাজনীতিৰ সীমা অতিক্ৰম কৰিব পৰা নাছিল। ঔপনিবেশিক ভাৰতত ক্ষমতাৰ বিন্যাস লৈ তেওঁলোকে কোনো মৌলিক প্ৰশ্ন তোলা নাছিল, বৰং ব্ৰিটিছ শাসকৰ প্ৰগতিশীলতাৰ ওপৰত আস্থা ৰাখিয়েই তেওঁলোকে সামাজিক প্ৰগতি অনাৰ প্ৰচেষ্টা চলাইছিল; যি প্ৰচেষ্টা এসময়ত অনিবাৰ্যভাৱে ব্যৰ্থ হয়।

সত্তৰৰ দশকৰ এই বিতৰ্কৰ কিছুদিনৰ আগতে ভাৰতৰ বামপন্থী ৰাজনীতি আন এক বিতৰ্কত উত্তপ্ত হৈ উঠে, সি আছিল— ১৯৬৭ চনৰ নক্সালবাৰীৰ কৃষক-সংগ্ৰাম। যদিও নক্সালবাৰীৰ সংগ্ৰাম চাঞ্চল্য, ৰক্তক্ষয় আৰু ৰাজনৈতিক ব্যৰ্থতাৰ ইতিহাস, তথাপি এই সংগ্ৰামে ভাৰতীয় ৰাজনীতিৰ মঞ্চত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে, যাক উপেক্ষা কৰাটো অসম্ভৱ— সেয়া আছিল ভাৰতৰ ৰাষ্ট্ৰব্যৱস্থাৰ ক্ষমতাবিন্যাসৰ প্ৰশ্নটো। সত্তৰৰ দশকটো এই প্ৰশ্ন লৈ উত্তাল হৈ আছিল; বিভিন্ন সময়ত আৰু বিশেষকৈ আমি ওপৰত উল্লেখ কৰা দুই বিতৰ্ক আৰু বাক-বিতণ্ডাৰ সময়ত বিভিন্ন দিশৰ পৰা, বিভিন্ন দৃষ্টিভংগীৰপৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল।

এনেবোৰ অসম্পূৰ্ণ বাক-বিতণ্ডা আৰু বিতৰ্কৰ পটভূমিতে নিম্নবৰ্গৰ ইতিহাস তত্ত্বই নতুনকৈ ভাৰতৰ ৰাষ্ট্ৰব্যৱস্থাৰ ক্ষমতাবিন্যাসৰ প্ৰশ্নটি তুলি ধৰিবলৈ সক্ষম হয়। এই প্ৰশ্নটি তুলি ধৰাৰ পাছত নিম্নবৰ্গৰ ইতিহাস তত্ত্বক লৈ আলোড়নৰ সূচনা হয়, এই তত্ত্বৰ লক্ষ্য বা উদ্দেশ্য তথা বিভিন্ন প্ৰশ্নক লৈ বাক্-বিতণ্ডা আৰু বিতৰ্কৰ সূচনা হয়। বিতৰ্কৰ প্ৰধান আলোচ্য বিষয় হৈ উঠে মাৰ্ক্সীয় বিশ্লেষণ পদ্ধতিৰ সৈতে এই তত্ত্বৰ বিশ্লেষণ পদ্ধতিৰ সামঞ্জস্য বা অসংগতি।

এতিয়া কেনেবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন লৈ নিম্নবৰ্গৰ ইতিহাসতত্ত্বৰ বিকাশ সাধন হৈছে, সেই সম্পৰ্কে আলোচনা কৰাটো আলোচনা কৰাটো বোধহয় যুক্তিসংগত হ'ব। স্বাভাৱিকতেই প্ৰশ্ন উঠিব যে— মূলতঃ কি প্ৰয়োজনত 'উচ্চবৰ্গ/নিম্নবৰ্গ' ধাৰণাটিৰ উদ্ভৱ হৈছে! 'নিম্নবৰ্গৰ ইতিহাস'ৰ ভূমিকাত লিখিছে— প্ৰাক্-পুঁজিবাদী ব্যৱস্থাৰপৰা পুঁজিবাদী ব্যৱস্থালৈ 'আধুনিক' ভাৰতৰ ঐতিহাসিক বিৱৰ্তন প্ৰক্ৰিয়াটো ব্যাখ্যা কৰোঁতে সচৰাচৰ যি ধৰণৰ মাৰ্ক্সবাদী তত্ত্ব প্ৰয়োগ কৰা হৈ থাকে, তাৰ আধাৰ আৰু অৱলম্বন আছিল ঘাইকৈ পশ্চিম ইউৰোপৰ অভিজ্ঞতা। এই তত্ত্বৰ সাধাৰণ প্ৰতিপাদ্য আছিল, সামন্তশ্ৰেণীৰ আধিপত্য আৰু কৃষকশ্ৰেণীৰ অধীনতাক কেন্দ্ৰ কৰি উৎপাদন ব্যৱস্থাৰ সংকটৰ পৰিণতি স্বৰূপে কৃষি ক্ষেত্ৰত পুঁজিবাদী উৎপাদন পদ্ধতিৰ সূচনা হয়, ইয়াৰ লগে লগে কৃষকসকলৰ মাজতো পৃথকীকৰণ আৰু পুঁজিবাদী বিচ্ছিন্নতাৰ সূত্ৰপাত হয় আৰু ইয়াৰ মাজেৰেই গাঁৱে-চহৰে পুঁজিবাদৰ উদ্ভৱ আৰু বিকাশ তৰান্বিত হয়। পুঁজিবাদক কেন্দ্ৰ কৰি বুৰ্জোৱা শ্ৰেণীৰ আধিপত্যও দৃঢ় হৈ আহে। পুঁজিবাদী দৰ্শন, সাম্য-মৈত্ৰী, স্বাধীনতা, গণতান্ত্ৰিক আদৰ্শ, প্ৰতিনিধিত্বমূলক ৰাষ্ট্ৰব্যৱস্থাৰ জৰিয়তে বুৰ্জোৱা শ্ৰেণীৰ সামাজিক আধিপত্য ক্ৰমাৎ নিৰংকুশ হৈ পৰে। পশ্চিম ইউৰোপৰ অভিজ্ঞতাৰ আধাৰত ধৰি লোৱা হৈছিল যে— আধুনিক ভাৰতৰ ঐতিহাসিক বিৱৰ্তনৰ প্ৰক্ৰিয়াটোৰ এইটোৱেই বিশুদ্ধ ৰূপ; সুবিন্যস্ত, সু-সামঞ্জস্য আৰু নিৰ্দিষ্ট। পাৰ্থ চট্টোপাধ্যায়ে মত প্ৰকাশ কৰিছে এইবুলি— কিন্তু বিশ্বৰ যিবোৰ অঞ্চলত পুঁজিবাদৰ উদ্ভৱ যথেষ্ট বিক্ষিপ্তভাৱে হৈছে তেনেবোৰ অঞ্চল, অৰ্থাৎ মধ্য, পূব আৰু দক্ষিণ ইউৰোপ অথবা এছিয়া, দক্ষিণ আমেৰিকা আৰু আফ্ৰিকা আদিত ঐতিহাসিক বিৱৰ্তনৰ এনে সু-সামঞ্জস্য ৰূপ দেখা পোৱা নাযায়। এনে যিবোৰ অঞ্চলত, উদাহৰণস্বৰূপে ভাৰতবৰ্ষতো, পুঁজিবাদৰ এই ঐতিহাসিক বিকাশ সুবিন্যস্ত ৰূপত ঘটা নাই, তেনেবোৰ অঞ্চলৰ সামাজিক সম্পৰ্কৰ বিন্যাস আৰু বিৱৰ্তনত 'দ্বন্দ্বৰ অসম বিকাশে' প্ৰভাৱ বিস্তাৰ কৰিছে; ফলত এনেবোৰ অঞ্চলত শ্ৰেণী সংগ্ৰামৰ প্ৰক্ৰিয়ায়ো জটিল সামাজিক ৰূপ লৈছে। দ্বন্দ্বৰ অসম বিকাশৰ ফলত সুকীয়া তাৎপৰ্য লাভ কৰা এই ঐতিহাসিক বিৱৰ্তনৰ প্ৰক্ৰিয়াৰ আলোচনা মাৰ্ক্সৰ শেষ জীৱনৰ ৰচনা আৰু লেনিনৰ কিছুমান লিখনিতহে পোৱা গৈছে। গতিকে শ্ৰেণীদ্বন্দ্বৰ অসম বিকাশ পৰিলক্ষিত হোৱা এনেবোৰ অঞ্চলৰ বিশিষ্ট সামাজিক গাঁথনিৰ মাজত নিহিত সামাজিক সম্পৰ্ক নিৰ্ধাৰণ কৰাৰ বাবেই উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ সংজ্ঞা উদ্ভাৱন কৰা হৈছে। চট্টোপাধ্যায়ৰ মতে, উচ্চবৰ্গ— নিম্নবৰ্গৰ ধাৰণাটো ঐতিহাসিক বিৱৰ্তন বিশ্লেষণৰ ক্ষেত্ৰত শ্ৰেণীদ্বন্দ্বৰ অসম বিকাশক চিত্ৰিত কৰাৰ বাবে উৎপাদন সম্পৰ্কৰ পৰিপূৰক এটি ধাৰণা। প্ৰকৃততে, সামাজিক সম্পৰ্কৰ ক্ষমতাবিন্যাসৰ আধাৰতে এই সংজ্ঞা নিৰূপণ কৰা হৈছে।

যি নহওক, এটা কথা সত্য যে, শ্ৰেণীদ্বন্দ্বৰ এই অসম বিকাশৰ মাজতেই নিহিত হৈ থাকে সামন্ততান্ত্ৰিক সমাজৰ সামগ্ৰিক বিৱৰ্তনৰ সম্ভাৱনা। ফলত সামন্ততন্ত্ৰৰ ইতিহাস আলোচনাৰ ক্ষেত্ৰত প্ৰয়োজনীয় হৈ পৰে উচ্চবৰ্গ-নিম্নবৰ্গৰ চেতনাৰ বৈপৰীত্যক সঠিক ৰূপত চিনাক্ত কৰা। সেয়ে অতি সংগত কাৰণতে নিম্নবৰ্গৰ

ইতিহাস-চৰ্চাৰ প্ৰথম পৰ্যায়ত কৃষকৰ স্বতন্ত্ৰ মানসিকতা আৰু চেতনা আৰু ঔপনিৱেশিক আমোলত উচ্চবৰ্গৰ সৈতে কৃষকৰ সংঘাত আৰু বিদ্ৰোহৰ বিষয়টোৱে বেছি প্ৰাধান্য পাইছে। ৰণজিৎ গুহই 'Elementary Aspects of Peasant Insurgency in Colonial India' শীৰ্ষক গ্ৰন্থত উচ্চবৰ্গৰ নেতৃত্বৰ বাহিৰত সংগঠিত কৃষক বিদ্ৰোহ অধ্যয়নৰ জৰিয়তে কৃষকসকলৰ সামূহিক মনস্তত্ত্ব, তেওঁলোকৰ সংগঠন-সমাবেশৰ প্ৰতি ঔপনিৱেশিক শাসকবৰ্গ আৰু ভাৰতীয় উচ্চশ্ৰেণীৰ মনোভাৱৰ কৌতূহলোদ্দীপক দিশ কিছুমান দাঙি ধৰিছে।

অৱশ্যে উচ্চবৰ্গ-নিম্নবৰ্গ সম্পৰ্কৰ মাজত দুবিধ চেতনাৰ স্বতন্ত্ৰতা যিদৰে সত্য, উচ্চবৰ্গৰ প্ৰভুত্ব আৰু নিম্নবৰ্গৰ অধীনতাও ঠিক তেনেদৰেই সত্য। অৰ্থাৎ নিম্নবৰ্গৰ চেতনা স্বতন্ত্ৰ হোৱা সত্ত্বেও পৰাধীন। এই দ্বান্দ্বিক ৰূপটোক অৱলম্বন কৰিয়েই নিম্নবৰ্গৰ ইতিহাস ৰচনা আৰু বিশ্লেষণ কৰাটো সম্ভৱপৰ হৈ উঠে।

অধিকাংশ সময়তে নিম্নবৰ্গক দেখা যায় নিষ্ক্ৰিয়, ভয়াতুৰ, অনুগত এক জীৱ হিচাপে। একমাত্ৰ প্ৰকাশ্য ৰাজনৈতিক বিৰোধ, বিশেষকৈ বিদ্ৰোহৰ সময়তে শাসকগোষ্ঠীবোৰে নিম্নবৰ্গক শক্তিশালী প্ৰতিপক্ষ হিচাপে গণ্য কৰে। এই আপেক্ষিক স্বতন্ত্ৰতাৰ মাজতেই বিদ্ৰোহৰ উদ্দেশ্য, তাৰ অলীক চৰিত্ৰ আৰু ৰাজনৈতিক পৰিণতি হিচাপে তাৰ অনিবাৰ্য ব্যৰ্থতা এই সকলোবোৰৰ সপক্ষে যুক্তি বিচাৰি পোৱা যায়।

নিম্নবৰ্গৰ চেতনাৰ আপেক্ষিক স্বতন্ত্ৰতা, অৰ্থাৎ স্বতন্ত্ৰতা পৰাধীনতাৰ দ্বৈত চৰিত্ৰটো উদ্‌ঘাটন কৰাটো নিম্নবৰ্গৰ ইতিহাস ৰচনাৰ এটা উল্লেখযোগ্য দিশ হিচাপে ইতিমধ্যেই গৃহীত হৈছে।

ৰণজিৎ গুহৰ মতে, নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ উদ্দেশ্য হৈছে— ঔপনিৱেশিক আৰু বুৰ্জোৱা জাতীয়তাবাদী— এই দুই ধৰণৰ উচ্চবৰ্গীয় আধিপত্যৰ বিৰোধিতা কৰা। সেয়ে সাম্ৰাজ্যবাদী আৰু জাতীয়তাবাদী ইতিহাসৰ বিৰোধিতাক কেন্দ্ৰ কৰিয়েই নিম্নবৰ্গৰ ইতিহাসৰ প্ৰথম কৰ্মসূচী নিৰ্দিষ্ট কৰা হ'ল। এই কৰ্মসূচীত গুৰুত্বপূৰ্ণ হৈ উঠে দুটা বিষয়— এক, ঔপনিৱেশিক আৰু দেশীয়, এই দুই ধৰণৰ উচ্চবৰ্গৰ ৰাজনৈতিক উদ্দেশ্য আৰু পদ্ধতিৰ সৈতে নিম্নবৰ্গৰ ৰাজনীতিৰ পাৰ্থক্য। দুই, নিম্নবৰ্গীয় চেতনাৰ নিজস্বতা। প্ৰথম বিষয়টো অনুসৰণ কৰিবলৈ গৈ নিম্নবৰ্গৰ ইতিহাসবিদসকলে লক্ষ্য কৰিলে যে, প্ৰতিটো ক্ষেত্ৰতে নিম্নবৰ্গৰ ৰাজনৈতিক উদ্দেশ্য, পৰিকল্পনা আৰু পদ্ধতি উচ্চবৰ্গৰ তুলনাত পৃথক; অৰ্থাৎ জাতীয়তাবাদী ৰাজনীতিৰ ক্ষেত্ৰতো উচ্চবৰ্গৰ জাতীয়তাবাদৰ তুলনাত নিম্নবৰ্গৰ জাতীয়তাবাদে ভিন্ন ৰূপ লয়।

দ্বিতীয় বিষয়টোও প্ৰথমটোৰ সৈতে অংগাংগীভাৱে যুক্ত হৈ আছে। প্ৰকৃততে নিম্নবৰ্গৰ ৰাজনীতিৰ চৰিত্ৰ নিৰ্ধাৰিত হৈছে নিম্নবৰ্গৰ নিজস্ব চেতনাৰ ৰূপৰেখা অনুসৰি; এই চেতনা গঢ় লৈ উঠিছে অধীনতাৰ বিভিন্ন অভিজ্ঞতাৰ পৰা। নিম্নবৰ্গৰ চেতনাৰ সাক্ষ্য তেনে কোনো ঐতিহাসিক দলিলপত্ৰত পোৱা নাযায়, কিয়নো এইবোৰ তৈয়াৰী হয় উচ্চবৰ্গৰ দ্বাৰা। যি নহওক, উচ্চবৰ্গই তৈয়াৰ কৰা সাক্ষ্য প্ৰমাণৰ ভাণ্ডাৰত যদি নিম্নবৰ্গৰ চেতনাৰ সন্ধান কৰা হয়, সেয়া সকলোতকৈ স্পষ্টভাৱে পোৱা যাব বিদ্ৰোহ আৰু বিদ্ৰোহ দমনৰ ঐতিহাসিক দলিল-পত্ৰবোৰত। এনেবোৰ কাৰণতেই 'নিম্নবৰ্গৰ ইতিহাস-চৰ্চা'ৰ এটা বৃহৎ কৃষক-বিদ্ৰোহবোৰৰ ইতিহাসে দখল কৰি আছিছে। 'Subaltern Studies'ৰ সংকলনবোৰত আৰু অন্যান্য ঠাইত বিভিন্ন গৱেষণামূলক নিবন্ধ যোগেদি নিম্নবৰ্গৰ ইতিহাসবিদসকলে কৃষক বিদ্ৰোহৰ ইতিহাস অনুসন্ধান কৰিবলৈ ল'লে— বিদ্ৰোহী কৃষক চেতনাৰ পৰিচয় দাঙি ধৰাৰ বাবে প্ৰচেষ্টা চলালে। যিহেতুকে অতি সংগত কাৰণতেই এনে কৃষক বিদ্ৰোহ আৰু লগতে নিম্নবৰ্গৰ ইতিহাসবিদৰ প্ৰধান কাম হৈছে, প্ৰতিষ্ঠিত ইতিহাস ৰচনাৰ সমালোচনা কৰা। সেয়ে নিম্নবৰ্গৰ ইতিহাস সকলো সময়তে বিৰোধী ইতিহাস। Subaltern Studies-ৰ তৃতীয় খণ্ডৰ ভূমিকাত ৰণজিৎ গুহই লিখিছে, 'এজন সমালোচকে আমাক তিৰস্কাৰ কৰি কৈছে, আমি হেনো সকলোবোৰ প্ৰতিষ্ঠিত ইতিহাস-ৰচনা পদ্ধতিৰেই বিৰোধী। এই অভিযোগ সত্য। নিম্নবৰ্গ যে ইয়াৰ নিজৰ ভাগ্য নিয়ন্তা হ'ব পাৰে, এই কথা স্বীকাৰ নকৰোঁ বাবেই ইতিহাস আৰু সমাজবিজ্ঞান চৰ্চাৰ অধিকাংশ ৰীতি-নীতি-পদ্ধতিৰ আমি বিৰোধিতা কৰোঁ। এই বিৰোধিতাই আমাৰ প্ৰকল্পৰ চালিকাশক্তি।' প্ৰকৃততে উচ্চবৰ্গৰ আধিপত্য অস্বীকাৰ কৰি নিম্নবৰ্গৰ ঐতিহাসিক উদ্যমৰ বৰ্ণনা কৰিবলৈকে নিম্নবৰ্গৰ ইতিহাসবিদে বিৰোধী-ইতিহাস ৰচনা কৰে। নিম্নবৰ্গৰ ইতিহাসতত্ত্বৰ আন এজন প্ৰবক্তা তথা বিশিষ্ট ইতিহাসবিদ পাৰ্থ চট্টোপাধ্যায়ে লিখিছে, 'সেই ইতিহাসে কেতিয়াও পূৰ্ণাংগ জাতীয়-ইতিহাসৰ সামগ্ৰিকতা অৰ্জন কৰিব নোৱাৰে। নিম্নবৰ্গই কেতিয়াও গোটেই সমাজখনৰ হৈ কথা ক'ব নোৱাৰে। নিম্নবৰ্গৰ ইতিহাস সেয়ে অনিবাৰ্যভাৱে আংশিক, অসংলগ্ন, অসম্পূৰ্ণ।'

আশীৰ দশকৰ প্ৰথমভাগত নিম্নবৰ্গৰ ইতিহাস-চৰ্চাক কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ সমাজবিজ্ঞান আৰু ইতিহাস-চৰ্চাৰ মহলবোৰত বেছ কিছু বাদ-প্ৰতিবাদ হয়, ইয়াৰ উদ্দেশ্য আৰু স্বৰূপ লৈ তীব্ৰ সমালোচনা আৰম্ভ হয়। প্ৰধানতঃ জাতীয়তাবাদী আৰু মাৰ্ক্সবাদী- এই দুটি দৃষ্টিভংগীৰপৰা বিভিন্ন বহুকেইজন সমাজবিজ্ঞানী আৰু ইতিহাসবিদে নিম্নবৰ্গৰ ইতিহাস-চৰ্চা আৰু ইয়াৰ সামগ্ৰিক দৃষ্টিভংগীক আক্ৰমনৰ লক্ষ্য কৰি লয়। এই ইতিহাস চৰ্চাক কেন্দ্ৰ কৰি একেসময়তে আশংকা আৰু উচ্ছ্বাসে এইসময়ত এক সুস্থ বিতৰ্কৰ সূচনা কৰে।

মাৰ্ক্সবাদী আৰু জাতীয়তাবাদী -এই দুয়োটা মহলৰ প্ৰধান আপত্তি আছিল দুটা বিষয়ত - উচ্চবৰ্গৰ ৰাজনৈতিক ক্ষেত্ৰত পৃথকীকৰণ, দুই, নিম্নবৰ্গক চেতনাৰ ধাৰণাটো।

উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ ৰাজনৈতিক ক্ষেত্ৰৰ পৃথকীকৰণ বিষয়টোৰ ওপৰত সমালোচনা আগবঢ়াই, এই সমাজবিজ্ঞানী আৰু ইতিহাসবিদসকলে এইবুলি প্ৰশ্ন তোলে যে, প্ৰকৃততেই দুয়োটা ক্ষেত্ৰ পৃথকনে? অথবা, কোনো এক প্ৰাক্-জাতীয়তাবাদী আৰু প্ৰাক-ধনতান্ত্ৰিক ঐতিহাসিক অৱস্থাত ই পৃথক হৈ থাকিলেও, জাতীয়তাবাদী গণতান্ত্ৰিক আন্দোলনৰ প্ৰভাৱত দুয়োখন ক্ষেত্ৰই পৰস্পৰৰ সৈতে মিলি যোৱা নাইনে? উচ্চবৰ্গ আৰু নিম্নবৰ্গৰ ৰাজনীতিৰ পাৰ্থক্যৰ ওপৰত জোৰ দিয়াৰ কাৰণ কি? অথবা ইয়াৰ জৰিয়তে বিভেদকামী, বিচ্ছিন্নতাবাদী

ৰাজনীতিক পৰোক্ষভাৱে সমৰ্থন কৰা হৈছে নেকি?

প্ৰগতিশীল ইতিহাস চিন্তাৰ প্ৰথম উপপাদ্য হৈছে, মানৱচেতনাৰ বিকাশৰ চেতনাৰ প্ৰক্ৰিয়াটো ক্ৰমে অনুন্নত বা আদিম অৱস্থাৰ ক্ৰমান্বয়ে উন্নত চেতনাৰ পিনে অগ্ৰসৰ হোৱা হয়। শ্ৰেণীবিভক্ত সমাজত আৰ্থিক-সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক দিশৰ পৰা ক্ষমতাভোগী শ্ৰেণীৰ চেতনাৰ স্তৰ সাধাৰণতে উন্নত আৰু যদি এই শ্ৰেণী বা তাৰ কোনো এক অংশই যদি অগ্ৰগামী ভূমিকা লয় তেন্তে অন্যান্য শ্ৰেণীৰো চেতনাৰ মান ক্ৰমশঃ উন্নত হৈ উঠিব পাৰে। এনে দৃষ্টিভংগীৰ পৰা ইতিহাসবিদ আৰু সমাজতাত্ত্বিকসকলে নিম্নবৰ্গৰ ইতিহাসবিদ সকলে আৰোপিত কৰা 'নিম্নবৰ্গৰ চেতনাৰ স্বতন্ত্ৰতা'ৰ ধাৰণাটোত আপত্তি দৰ্শালে। তেওঁলোকে এইবুলি প্ৰশ্ন তুলিলে যে নিম্নবৰ্গৰ চেতনাৰ স্বতন্ত্ৰতাৰ বিষয়টো দাঙি ধৰি নিম্নবৰ্গৰ ইতিহাসবিদসকলে চেতনাৰ স্তৰভেদ, তাৰ ঐতিহাসিক ক্ৰমবিকাশ আৰু সামাজিক প্ৰগতিৰ ক্ষেত্ৰত উন্নত চেতনাৰ অধিকাৰী অগ্ৰগামী শ্ৰেণীৰ ভূমিকাক অস্বীকাৰ কৰিব কিয় বিচাৰিছে?

এনেবোৰ প্ৰশ্নই নিম্নবৰ্গৰ ইতিহাসচৰ্চাৰ বিস্তৰ সমালোচনাৰ বাট মুকলি কৰি দিয়ে। জাতীয়তাবাদী অৱস্থানৰ পৰা নিম্নবৰ্গৰ ইতিহাস ৰচনাৰ প্ৰস্তাৱক ঐক্যবদ্ধ জাতি-ৰাষ্ট্ৰৰ জীৱন বৃত্তান্তৰ পৰিপন্থী বুলি গণ্য কৰা হৈছিল। আকৌ প্ৰগতিবাদী বামপন্থী অৱস্থানৰ পৰা এই কথা স্পষ্ট কৰা হৈছিল— প্ৰকৃততে নিম্নবৰ্গৰ চেতনাৰ নিজস্ব বিকাশ আৰু তাৰ স্বতন্ত্ৰ ৰাজনৈতিক উদ্যমৰ ওপৰত জোৰ দিয়াৰ অৰ্থ হৈছে অগ্ৰগামী বুৰ্জোৱা-বুদ্ধিজীৱী গোষ্ঠী আৰু বৈপ্লৱিক পাৰ্টি সংগঠনৰ প্ৰগতিশীল ভূমিকাক অস্বীকাৰ কৰা।

নিম্নবৰ্গৰ ইতিহাসবিদসকলে এনে ন্যায্য প্ৰশ্নবোৰৰ কোনো বিশেষ সন্তোষজনক উত্তৰ দাঙি ধৰিব পৰা নাই; বৰং তেওঁলোকে কৈছে— 'নিম্নবৰ্গৰ অৱস্থানৰ পৰা জাতীয়তাবাদী আৰু প্ৰগতিবাদী-বামপন্থী ইতিহাসৰ কৰ্মসূচীত প্ৰকৃততেই যে নিম্নবৰ্গৰ কোনো স্বতন্ত্ৰ ঐতিহাসিক ভূমিকা নাই, সেই কথাটো প্ৰমাণ কৰাই নিম্নবৰ্গৰ ইতিহাসচৰ্চাৰ উদ্দেশ্য। সেয়েহে প্ৰতিষ্ঠিত ইতিহাস ৰচনাৰ সমালোচনা কৰি বিৰোধী বা ক্ৰিটিকেল ইতিহাস ৰচনাৰ আশ্ৰয় লৈছে এই ইতিহাসবিদসকলে।

Subaltern studiesৰ প্ৰথম পৰ্যায়ৰ কাম-কাজৰ সকলোতকৈ মৌলিক সমালোচনা দাঙি ধৰে গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকে; তেওঁৰ দুটা প্ৰবন্ধত ('subaltern studies : Deconstructing Historiography' আৰু 'can the subaltern speak?' শীৰ্ষক প্ৰবন্ধ দুটা ক্ৰমে ৰণজিৎ গুহ সম্পাদিত 'subaltern studies'ৰ চতুৰ্থ খণ্ড (১৯৮৫) আৰু কেৰী নেলচন আৰু লৰেঞ্চ গ্ৰছবাৰ্গ সম্পাদিত 'Marxism and Interpretation of Culture (1982)' শীৰ্ষক দুখন গ্ৰন্থ প্ৰকাশিত হৈছিল)

subaltern studiesৰ গৱেষণাৰ দুটা বৈশিষ্ট্যৰ কথা তেখেতে আঙুলিয়াই দিলে। প্ৰথম বৈশিষ্ট্য হৈছে, ঔপনিবেশিক শাসনযন্ত্ৰৰ যি পৰিধি, নিম্নবৰ্গৰ ৰাজনীতি তাৰ বাহিৰতো ঘটে, আকৌ ভিতৰতো ঘটে। বাহিৰত ঘটাৰ অৰ্থ হৈছে, নিম্নবৰ্গৰ ৰাজনীতি ঔপনিবেশিক ৰাষ্ট্ৰব্যৱস্থা অথবা ভাবাদৰ্শৰ তুলনাত স্বতন্ত্ৰ। আকৌ সেয়া ভিতৰতো ঘটে, কাৰণ বহুক্ষেত্ৰত দেখা গৈছে যে ঔপনিবেশিক ব্যৱস্থাৰ সৈতে নিম্নবৰ্গৰ ৰাজনীতিয়ে নিজকে খাপ খুৱাই লৈছে, তাক সুবিধামতে ব্যৱহাৰ কৰিছে অথবা একপ্ৰকাৰ আত্মস্থ কৰিছে।

এই গৱেষণাৰ দ্বিতীয় বৈশিষ্ট্য হৈছে, এফালে নিম্নবৰ্গীয় চেতনাৰ এটা বিশুদ্ধ আকৃতিৰ ধাৰণা আগবঢ়োৱা আকৌ আনফালে ঐতিহাসিক নথিপত্ৰত এই কথা বাৰম্বাৰ আৱিষ্কাৰ কৰা'— নিম্নবৰ্গৰ উপস্থিতি বিভিন্ন আকাৰত বিভিন্ন চেহেৰাৰ জৰিয়তে দেখা গৈছে।

গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকে প্ৰশ্ন কৰিছে— ইতিহাস ৰচনাৰ প্ৰতিটো উপাদানেই এই কথা দেখুৱাইছে যে নিম্নবৰ্গ মানেই 'কোনো এক আদৰ্শৰ পৰা বিচ্যুতি', তেনেস্থলত নিম্নবৰ্গৰ ইতিহাসবিদসকলে বিশুদ্ধ কৃষকচেতনা অথবা একান্তভাৱে স্বতন্ত্ৰ নিম্নবৰ্গৰ ৰাজনীতিৰ শ্ল'গান আওৰাই থাকিবলগীয়া হোৱাৰ কাৰণ কি? বুৰ্জোৱা ইতিহাস-ৰচনাত 'মানৱ' আৰু 'নাগৰিক' নামেৰে এক সাৰ্বভৌম কৰ্তাক অধিষ্ঠিত কৰা হৈছিল, আৰু নিম্নবৰ্গৰ ইতিহাসবিদসকলৰ মতে সেই কৰ্তাৰ প্ৰকৃত পৰিচয় হৈছে— সি উচ্চবৰ্গ।তেনেহ'লে আকৌ 'নিম্নবৰ্গ'ক আন এক সাৰ্বভৌম কৰ্তাৰ পোছাক পিন্ধাই ইতিহাসৰ নায়ক হিচাপে উপস্থাপন কৰাৰ প্ৰয়োজন কি? ইতিহাস ৰচনাৰ মাজেৰে নিম্নবৰ্গই নিজৰ কথা ক'ব, সেয়া আচলতে এক ভ্ৰান্তধাৰণা। প্ৰকৃততে এই ইতিহাসবিদসকলেই নিম্নবৰ্গক প্ৰতিনিধিত্ব কৰিছে।

সেয়ে গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকে প্ৰস্তাৱ দিলে— 'সকলোৰে ওপৰত নিম্নবৰ্গ সতে', এনে মন্ত্ৰ আওৰাই নাথাকি, নিম্নবৰ্গৰ ইতিহাসবিদসকলে চেষ্টা কৰা উচিত যে কেনেদৰে উচ্চবৰ্গৰ বিপৰীতে নিম্নবৰ্গৰ নিৰ্মাণ কৰা হয় আৰু এই 'নিৰ্মাণ'ৰ প্ৰক্ৰিয়াবোৰ কি কি হ'ব পাৰে— সেই সম্পৰ্কেহে নিম্নবৰ্গৰ ইতিহাসবিদসকলে গভীৰভাৱে অনুসন্ধান চলোৱা উচিত। ইতিহাসৰ মাজৰ পৰা নিম্নবৰ্গৰ নিজস্ব কণ্ঠস্বৰ বিচাৰি উলিওৱাটো আচলতে পণ্ডশ্ৰম। ইতিহাসৰ নথি-পত্ৰ, দলিল আদিত নিম্নবৰ্গৰ যি কণ্ঠস্বৰ শুনিবলৈ পোৱা যায়, সেয়া প্ৰকৃততে অন্যৰ নিৰ্মাণ। এই নিৰ্মাণৰ সামাজিক পদ্ধতিবোৰ কি কি প্ৰতিষ্ঠানৰ মাধ্যমেৰে এইবোৰে ব্যাপক সামাজিক স্বীকৃতি পায়, সেই প্ৰক্ৰিয়াবোৰ আৱিষ্কাৰ কৰাই আচলতে নিম্নবৰ্গৰ ইতিহাসবিদসকলৰ সকলোতকৈ গুৰুত্বপূৰ্ণ কাম।

পূৰ্বতেই উল্লেখ কৰা হৈছে যে subaltern studiesৰ পঞ্চম-ষষ্ঠ খণ্ডৰ পৰা নিম্নবৰ্গৰ ইতিহাসচৰ্চাৰ কিছুমান গুৰুত্বপূৰ্ণ দিক্ পৰিবৰ্তন হয়। নিম্নবৰ্গৰ ইতিহাস-গৱেষণাৰ ক্ষেত্ৰত এই সময়ত মূল প্ৰশ্নটো হৈ উঠে— 'নিম্নবৰ্গক কেনেদৰে ৰিপ্ৰেজেণ্ট কৰা হয়?' অথবা কেনেদৰে নিম্নবৰ্গৰ নিৰ্মাণ সম্ভৱপৰ হৈ উঠে?' পাৰ্থ চট্টোপাধ্যায়ে লিখিছে নিম্নবৰ্গৰ নিৰ্মাণ— এই প্ৰশ্নটোক সন্মুখত ৰখাৰ ফলত এইবাৰ ঔপনিবেশিক ভাৰতত আধুনিক জ্ঞান-বিজ্ঞান চৰ্চা আৰু আধুনিক সমাজ-প্ৰতিষ্ঠান গঢ়াৰ জটিল ইতিহাসৰ দলিলপত্ৰ এইবাৰ অন্য দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাই দেখা দিলে। ফলস্বৰূপে ঔপনিবেশিক শাসনযন্ত্ৰৰ প্ৰসাৰ, ইংৰাজী শিক্ষা, তথাকথিত নৱজাগৰণ, জাতীয়তাবাদৰ উন্মেষ এনেবোৰ বহুচৰ্চিত

**ঐতিহাসিকসকলে দেখিবলৈ পালে যে তেওঁলোকৰ গৱেষণাৰ উপাদানৰ ওপৰত বৃহত্তৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ গতি-প্ৰকৃতি সম্পৰ্কে বহুতো মৌলিক প্ৰশ্ন তোলাৰ সুযোগ ৰৈ গৈছে। সেয়ে 'নিম্নবৰ্গৰ ইতিহাসবিদসকলে ৰেডিকেল সামাজিক ইতিহাসচৰ্চাক কোনো এক নিৰ্দিষ্ট চাৰিসীমাৰ মাজত আবদ্ধ কৰি ৰাখিব নিবিচাৰিলে আৰু সেইবাবেই 'History from below' ইতিহাসচৰ্চা হিচাপেও নিম্নবৰ্গৰ ইতিহাসচৰ্চাই আলোড়নৰ সৃষ্টি কৰিলে।**

লৈও subaltern studiesত নতুনকৈ আলোচনা আৰম্ভ হ'ল। তাৰ লগে লগে চকুত পৰিল আধুনিক ৰাষ্ট্ৰ আৰু সমাজ ব্যৱস্থাৰ বিভিন্ন প্ৰতিষ্ঠানবোৰৰ ওপৰত, যাৰ মাধ্যমেৰে নতুন জ্ঞানবিজ্ঞান সঞ্চাৰিত মতাদৰ্শ আৰু আধুনিক ক্ষমতাতন্ত্ৰই ঔপনিবেশিক আৰু তাৰ পৰৱৰ্তী কালছোৱাত স্বাধীন ভাৰতবৰ্ষত তাৰ জাল বিস্তাৰিত কৰিছে। অৰ্থাৎ স্কুল-কলেজ, সংবাদপত্ৰ, প্ৰকাশন-সংস্থা, চিকিৎসালয়-ডাক্তৰ-চিকিৎসা ব্যৱস্থা, লোকপিয়ল, পঞ্জীয়ন পদ্ধতি, লাইচেন্স, আধুনিক শিল্প-উৎপাদনত দৈনন্দিন শ্ৰম সংগঠন, বিজ্ঞানসংস্থা, গৱেষণাগাৰ— এই সকলোবোৰ প্ৰতিষ্ঠানৰ বিশদ ইতিহাসো এইবাৰ 'ছাবঅল্টাৰ্ণ ষ্টাডিজ'ৰ বিষয় হৈ পৰিল।'

নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ প্ৰথম পৰ্যায়ৰ কাম-কাজ সম্পৰ্কত দুটামান গুৰুত্বপূৰ্ণ কথা এইখিনিতে উনুকিয়াই দিয়াটো উচিত হ'ব বুলি আমি বিবেচনা কৰোঁ।

'subaltern studiesৰ প্ৰথম পৰ্যায়ৰ কাম-কাজৰ মাজেৰে এক বিকল্প মতবাদ গঢ়ি উঠাৰ সম্ভাৱনা দেখা গৈছে। প্ৰধানতঃ কৃষক বিদ্ৰোহক কেন্দ্ৰ কৰিয়েই নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ সূচনা হয় আৰু এই গোষ্ঠীৰ ইতিহাসবিদসকলে দেখুৱাবলৈ যত্ন কৰে যে বিদ্ৰোহী কৃষক আচলতে এক স্বকীয়, সৃজনীশীল আৰু বিশিষ্ট চেতনাৰ প্ৰাধিকাৰী। ঔপনিবেশিক আৰু জাতীয়তাবাদী ইতিহাস-চৰ্চাৰ উচ্চবৰ্গীয় পক্ষপাতিত্বৰ বিৰোধিতা কৰাৰ বাবে এই পদ্ধতি উপযোগী আছিল। কৃষকপ্ৰধান দেশসমূহৰ ৰাজনীতি, সমাজনীতি আদিও কৃষকসমাজক লৈ সাধাৰণতে একধৰণৰ ৰোমাণ্টিকতাই অনবৰতে ক্ৰিয়া কৰি থাকে। সেয়ে ভাৰতবৰ্ষত ১৯৬০ আৰু ১৯৭০দশক দুটিৰ ৰাজনৈতিক বাদানুবাদ আৰু নক্সাল ৰাজনীতিৰ অভ্যুত্থান আৰু বিপৰ্যয়ৰ পটভূমিত, নিম্নবৰ্গৰ ইতিহাসচৰ্চা আৰু কৃষক বিদ্ৰোহৰ গৱেষণাই প্ৰায় অনিবাৰ্যভাৱেই একপ্ৰকাৰ নক্সাল ৰাজনীতিৰ ৰোমাণ্টিক ৰোমন্থন হিচাপে চিহ্নিত হৈ উঠে। নিম্নবৰ্গৰ ইতিহাসবিদসকলে স্বীকাৰ কৰিছে যে সেই গোষ্ঠীৰ একাধিক লেখকে প্ৰতিষ্ঠিত জাতীয়তাবাদী ইতিহাসচৰ্চাক সমালোচনা কৰিবলৈ গৈ এনেধৰণৰ এক বিকল্প ৰাজনৈতিক অৱস্থানত থিয় দিছিল; কিন্তু তেওঁলোকে এইবুলিও মত প্ৰকাশ কৰিছে যে পৰৱৰ্তীকালছোৱাত নিম্নবৰ্গৰ ইতিহাসচৰ্চাৰ ধাৰাই এনে ধৰণৰ ৰাজনৈতিক অৱস্থানৰ পৰা আঁতৰি আহিছে।

সত্তৰ-আশীৰ দশকত ইউৰোপত একধৰণৰ নতুন ইতিহাসচৰ্চা, জনপ্ৰিয় হৈ উঠে— সেয়া আছিল একধৰণৰ ৰেডিকেল সামাজিক ইতিহাস অথবা 'History from below'— তলৰ পৰা চোৱা ইতিহাস। ক্ৰিষ্টোফাৰ হিল, এডৱাৰ্ড টম্ছন, এৰিক হবছবাম আৰু ইংৰাজী মাৰ্ক্সবাদী ইতিহাসবিদসকলৰ বাট অনুসৰণ কৰি বহুতো ইতিহাসবিদে যন্ত্ৰসভ্যতা আৰু পুঁজিবাদৰ অগ্ৰগতিৰ ফলত বিস্মৃত হোৱা বিভিন্ন অৱহেলিত জনগোষ্ঠী আৰু সিহঁতৰ বৈচিত্ৰ্যময় জীৱনযাত্ৰাৰ বিষয়ে লিখিবলৈ আৰম্ভ কৰে। এইধৰণৰ ইতিহাসচৰ্চাৰ জৰিয়তে ইতিহাসবিদসকলে ইতিহাস ৰচনাত বাদ পৰি ৰোৱা অনেক ঘটনা, মতাদৰ্শ, স্মৃতি আদিক নতুন ৰূপত প্ৰতিষ্ঠা কৰে।

ইতিহাস চৰ্চাৰ এই আন্তৰ্জাতিক ধাৰাটো প্ৰচলিত হৈ থকাৰ সময়তে নিম্নবৰ্গৰ ইতিহাসচৰ্চাই ভুমুকি মাৰে। সেয়ে এই ধাৰাৰ প্ৰভাৱ 'ছাবঅল্টাৰ্ণ ষ্টাডিজ'ৰ ওপৰত পৰাটো অস্বাভাৱিক নাছিল। এই কথা স্বীকাৰ কৰি লৈও নিম্নবৰ্গৰ ইতিহাসবিদসকলে কৈছে যে এই দুই ধাৰাৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে। পশ্চিমীয়া বিশ্বত আধুনিক ধনতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত 'History from below' ধাৰণাৰ ইতিহাসচৰ্চাই এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়, এই ইতিহাস ৰচনা হৈ উঠে বিশদভাৱে বৰ্ণনাত্মক আৰু পৰিপূৰ্ণ। তাৰ ফলত এই ইতিহাস পৰিক্ৰমাৰ স্থায়িত্ব আৰু ঐতিহাসিক ন্যায্যতা সম্বন্ধে কোনো মৌলিক প্ৰশ্ন উঠাৰ কোনো সম্ভাৱনা নাছিল। কিন্তু ভাৰতবৰ্ষৰ দৰে দেশত য'ত পুঁজিবাদী বিকাশ সুষমভাৱে ঘটা নাই, তেনেবোৰ দেশৰ ক্ষেত্ৰত 'History from below' ইতিহাসচৰ্চাক কোনো এক নিৰ্দিষ্ট চাৰিসীমাৰ মাজত বান্ধি ৰখাটো সম্ভৱপৰ নাছিল। ভাৰতবৰ্ষৰ আধুনিক পুঁজিবাদী বিকাশৰ ইতিহাস লিখিবলৈ গৈ 'History from below' ইতিহাস চৰ্চাৰ ঐতিহাসিকসকলে দেখিবলৈ পালে যে তেওঁলোকৰ গৱেষণাৰ উপাদানৰ ওপৰত বৃহত্তৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ গতি-প্ৰকৃতি সম্পৰ্কে বহুতো মৌলিক প্ৰশ্ন তোলাৰ সুযোগ ৰৈ গৈছে। সেয়ে 'নিম্নবৰ্গৰ ইতিহাসবিদসকলে ৰেডিকেল সামাজিক ইতিহাসচৰ্চাক কোনো এক নিৰ্দিষ্ট চাৰিসীমাৰ মাজত আবদ্ধ কৰি ৰাখিব নিবিচাৰিলে আৰু সেইবাবেই 'History from below' ইতিহাসচৰ্চা হিচাপেও নিম্নবৰ্গৰ ইতিহাসচৰ্চাই আলোড়নৰ সৃষ্টি কৰিলে।

***গ্ৰন্থপঞ্জী ঃ***


(১) নিম্নবৰ্গেৰ ইতিহাস, সমালোচনা ঃ গৌতম ভদ্ৰ, পাৰ্থ চট্টোপাধ্যায়

(২) আন্টোনিও গ্ৰামছি— জীৱন সংগ্ৰাম তত্ত্ব, মুনীন বায়ন

(৩) Elementary Aspects of Peasant Insurgency in Colonial India– Ranajit Gulia

(৪) Writing social History– Sumit Sarkar

(৫) Subaltern studies, Vol I to IV, Edited by Ranajit Gulia

প্ৰবন্ধপঞ্জী ঃ

(১) কৃষকৰ ইতিহাস আৰু নিম্নবৰ্গৰ ইতিহাস ঃ কিছু প্ৰাৰম্ভিক চিন্তা— অৰূপজ্যোতি শইকীয়া ঃ ত্ৰৈমাসিক কলং, ৪ৰ্থ বৰ্ষ ৪ৰ্থ সংখ্যা, এপ্ৰিল-জুন।

অনুভৱ

# জীৱনৰ মাধুৰ্য

অধ্যাপক সুৰেশ কুমাৰ নাথ

মোৰ প্ৰতিভাশালী বন্ধু এজনৰ একান্ত ব্যক্তিগত উপলব্ধি যে, সময়ৰ চাকনৈয়াত পৰি হাবুডুবু খোৱা তেওঁৰ জীৱনটোত 'বুদ্ধত্ব-প্ৰাপ্তি'ৰ সময় এতিয়াও উঁকলি যোৱা নাই। জীৱনটোক প্ৰকৃতিদত্ত প্ৰতিভাৰে এক অৰ্থপূৰ্ণ ৰূপ প্ৰদান কৰিবলৈ তথা সুন্দৰৰ সাধনাৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ হয়তো তেওঁ 'নৈৰাশ্য' নামৰ চয়তানটোৰ কবলৰ পৰা আত্মোদ্ধাৰৰ পথৰ সন্ধান কৰি আহিছে; নিষ্ঠুৰ বাস্তৱতাৰ কদৰ্য ৰূপ প্ৰত্যক্ষ কৰিও তেওঁ স্থিতপ্ৰজ্ঞতাৰে পালন কৰি গৈছে দৈনন্দিন জীৱনৰ তুচ্চাতিতুচ্চ কৰ্তব্যবোৰ। নীৰৱতাৰে প্ৰবাহিত কৰি ৰাখিছে জীৱনত প্ৰজ্ঞাৰ এক নিৰলস সাধনা। শৈশৱতে উৰুৱা চিলাখনৰ দৰেই জীৱনৰ অতৃপ্ত বাসনাবোৰক সীমাহীন দিগন্তলৈ প্ৰসাৰিত কৰি স্বপ্নৰ ডেউকা মেলি নিৰ্লিপ্ত নয়নে তেওঁ আজিও অপেক্ষাৰত এটি সুদিনৰ মুহূৰ্তলৈ, য'ত তেওঁৰ প্ৰতিভাই প্ৰাণ পাব, প্ৰতিটোপাল ঘামৰ বিনিময়ত লব্ধ- প্ৰতিষ্ঠবোৰৰ তীক্ষ্ণধী কলমৰ পৰা থপ্‌থপ্‌কৈ সৰি পৰিব প্ৰশংসাসূচক, অবিশ্বাস্য অথচ সুৰীয়া সুৰীয়া শব্দবোৰ নতুন প্ৰজন্মই খিৰিকি খুলি জুমি জুমি উচ্ছ্বাসেৰে চাই ৰ'ব এই নৱোন্মেষ প্ৰতিভাৰ গৰাকীলৈ, তেওঁৰ ব্যক্তিগত জীৱনৰ খবৰবোৰ হৈ পৰিব সংবাদ মাধ্যমৰ এক বিপণনযোগ্য সামগ্ৰী। কিন্তু হায়! তেওঁৰ সুন্দৰী পত্নীয়ে প্ৰায়েই তেনে সম্ভাৱনাক একেকোবেই নস্যাৎ কৰি দি উচ্চস্বৰে মাতিবলৈ ধৰে সন্ধিয়া কৰিবলগীয়া বজাৰৰ তালিকাখন অথবা আৰম্ভ কৰে যোৱাৰাতিৰ টি.ভি. ছিৰিয়েলখনৰ কাহিনীটোৰ এক ৰাণিং কমেণ্ট্ৰি।

জীৱনৰ অপৰাহ্নত আমি অধিকাংশয়েই ক্ষোভ আৰু অনুশোচনাত দগ্ধহৈ এবাৰলৈ হ'লেও হয়তো হুমুনিয়াহ কাঢ়োঁ- সুশৃংখলভাৱে জীৱনটো পুনৰ এবাৰ যাপন কৰিব পৰাহেঁতেন। নিক্ষেপিত শৰৰ দৰেই ঘূৰাই লব নোৱাৰি আমাৰ সময়বোৰ, জীৱনটো। হিংসা-বিদ্বেষ, স্নেহ-অনাদৰ, প্ৰাপ্তি অপ্ৰাপ্তি, নিশ্চয়তা- অনিশ্চয়তা, হতাশা-প্ৰত্যাশাৰ সমাহাৰে আমাৰ জীৱনটোৱে কি অৰ্থ পৰিগ্ৰহণ কৰিছে তাৰ হয়তো কোনো নিৰূপিত ব্যাখ্যা নাই। কি ধৰণে, কেনেদৰে যাপন কৰাহেঁতেন আমাৰ আজন্ম আৰু আহৰিত গুণৰাজীয়ে জীৱনবোৰক 'পূৰ্ণতা' প্ৰদান কৰিলেহেঁতেন তাৰো কোনো নিৰ্দ্ধাৰিত সূত্ৰ নাই। অনুতাপ, অনুশোচনা, আত্মশ্লাঘাৰ ধাৰণাবোৰো নিশ্চয় আপেক্ষিক। জন্মগত প্ৰবৃত্তিসমূহৰ লগতে পৰিবেশৰ প্ৰভাৱৰ দমনীয় ৰূপটোৱেই হয়তো সম্প্ৰতি আমাৰ মাজত থকা মানসিক ব্যৱধানবোৰৰ সৃষ্টিৰ কাৰণ। 'প্ৰশান্তি' নামৰ মনস্তাত্বিক ধাৰণাটোৰ পৰিমাপবিহীনতা অথচ অদৃশ্য ৰূপটোৱেও সমগ্ৰ বিষয়বস্তুটোক অত্যন্ত ৰোমাঞ্চকৰ কৰি তুলিছে।

"জীৱনৰ মূল লক্ষ্য কি"? বা কি হোৱা উচিত; কেতিয়া কেনে পৰ্য্যায়ত কেনে মাপকাঠীৰে জীৱন এটিক সফল বুলি ক'ব পৰা যায়

অথবা 'সফল জীৱন' বুলি আত্মসন্তুষ্টি লাভ কৰিব পাৰে-- জাতীয় প্ৰশ্নবোৰৰ ক্ষেত্ৰত ইতিমধ্যে প্ৰকৃত উত্তৰ সমূহত আমি সম্পূৰ্ণ সন্তুষ্ট নহয়। এই উত্তৰবোৰৰ সাৰ্বজনীনতাই বা কিমান? সকলো কামৰ বাবে সকলোৰে বাবেই এই উত্তৰবোৰৰ গ্ৰহণযোগ্যতা আছেনে? উত্তৰ বোৰতেই পুনৰ প্ৰশ্নৰ অৱকাশ থাকি যায় নেকি? আমাৰ গুণাৱলী বা স্বভাৱজাত তথা আহৰিত দক্ষতা সমূহ সদায়েই নিজৰ সপক্ষে আমি সৰ্বোত্তম ৰূপত ব্যৱহাৰ কৰিব পাৰোনে? অথবা ব্যৱহাৰ কৰাটো সম্ভৱনে? প্ৰকৃতিয়ে আমাক প্ৰত্যেককেই যদি সংগ্ৰামেৰে বাচি থকাৰ উপকৰণ দি পঠিয়ায়েই বুলি ধৰি লওঁ--অকৃতকাৰ্য্যতা তথা প্ৰত্যাহ্বানবোৰত আমাৰ নিৰ্লজ্জ আত্মসমৰ্পনৰ বাবে দায়ীয়েই বা কোন? মোৰ বন্ধুৱে এনেদৰেও ভাবে যে, পাৰ হৈ যোৱা সময়বোৰক যদি এদিন ঘূৰাই আনি হাতত তুলি লৈ লিৰিকি-বিদাৰি চোৱাৰ সুবিধা পোৱা গ'লহেঁতেন; ভৱিষ্যতবোৰে যদি অতীতৰ গহ্বৰবোৰত কুঁচি-মুচি সোমাই থাকি আমাৰ জীৱনক এক নিশ্চয়তা, স্থিৰতা প্ৰদান কৰিলেহেঁতেন নাইবা যিদিনাখন সময়বোৰ আমি স্বইচ্ছাই সৃষ্টি কৰিব পাৰিম, তেতিয়াই হয়তো অতীতৰ স্বপ্নবোৰক 'বৰ্তমান' নামৰ গৱেষনাগাৰটোত ঠিক্-ঠাক কৰি আত্মসন্তুষ্টিৰে প্ৰাপ্তিৰ হাঁহিটো মাৰিব পাৰিলোহেঁতেন। অসফলতাৰ নাম গোন্ধ নাথাকিলহেঁতেন। সকলোৱে সুখী, সকলোৱেই সফল হৈ ইচ্ছা মৃত্যু বৰণ কৰিব পাৰিলেহেঁতেন! দুৰ্ভাগ্য যে আচিৰেই তেনে অৱস্থা প্ৰাপ্তিৰ কোনো লক্ষণ সম্প্ৰতি আমি দেখা নাই আৰু ষ্টিফেন হকিঙেও এতিয়ালৈ বিশেষ নিশ্চয়তাৰে এই বিষয়ে একো কথা কোৱা নাই।

সেইবাবেই হয়তো ভাবো, হাতত থকা জীৱনটোৰ বাকী দিনবোৰ অন্তত: যদি আকাংক্ষিতভাৱে কটাব পাৰিলোহেঁতেন! শংকু আকৃতিৰ ভৱিষ্যতৰ শেষবিন্দুটো অনুমান কৰি চিন্তাক্লিষ্ট হৈ বন্ধুৰ দৰেই ময়ো ততালিকে টেবুলখনৰ কাগজ-পত্ৰবোৰ চিজিল কৰি কিবা এটা লিখিবলৈ বহিছিলোহে মাথোন, হঠাতেই কলিং বেলটো বাজি উঠিছে। দুৱাৰ খুলি গম পালো ভাগিন ল'ৰাটোৰ স্কুটাৰ চুৰি হৈছে, ততালিকে থানালৈ যাব লাগে এজাহাৰ দিবৰ বাবে। মানসিক পৰিস্থিতিটো অত্যন্ত কঠোৰভাৱে নিয়ন্ত্ৰণলৈ আনি মই কাগজ-পত্ৰবোৰ সামৰি-সুতৰি পালোগৈনে থানা! তাৰ পিছত..........। কিয় এনে হয়। হিমালয়ৰ কোনো অস্পৰ্শ শৃংগত স্ব-নিৰ্বাসিন লৈ থকাহেঁতেন, এইবোৰৰ পৰা মই অৱশ্যে নিস্তাৰ পালোহেঁতেন। কিন্তু সেইটো সম্ভৱপৰনে? যদি নহয়, প্ৰাত্যহিক জীৱনৰ তুচ্ছ-তাচ্ছিল্যবোৰে আমিবোৰক এনেদৰে যদি সদায় গ্ৰাসেই কৰি ৰাখে, সংগোপনে, সযতনে শৈশৱৰে পৰা পুঁহি ৰখা বাসনাবোৰৰো অৱস্থা সেই পুৰণা কুঁজি থেকেৰাবোৰৰ দৰেই নহ'বগৈনে? অৱশ্যে হতাশাগ্ৰস্ত দিনবোৰত দুটুকুৰা উলিয়াই চুপিব পাৰিলোহেঁতেন!

## 'যোৱাৰাতি মহামতি বেঞ্জামিন ফ্ৰেংকলিনলৈ লিখা মোৰ সেই আধালিখা চিঠিখন—

প্ৰিয় বেঞ্জামিন, প্ৰাত্যহিক জীৱনত জীৱিকাৰ তাড়নাত অহৰ্নিশে কৰি অহা নিগনি-চঞ্চল লৰা-ঢপৰাবোৰৰ সকলেবোৰেইতো নিশ্চয় অৰ্থহীন নহয়। শৈশৱৰ সেই আকাশলঙঘী স্বপ্নৰ পিৰামিডবোৰ কিয়ইবা ধৰি ৰাখিব নোৱাৰিলোঁ। আহোমৰ শৌৰ্য-বীৰ্য আজি মৈদামত বিলীন হৈ থকাৰ লেখীয়াকৈ মোৰো সপোনৰ শিৱ-দৌলবোৰ ভাগি আহি পঞ্চাশ বছৰ বয়সৰ পাছত ভূমিৰ সমান্তৰাল হৈ জীয়াই থকা দিনবোৰলৈকে হয়তো ৰৈ থাকিব। সমাজত আজি পৰিচিত মোৰ প্ৰশান্ত প্ৰতিমূৰ্তিটোৰ পৰা নিগৰিত হোৱা উষ্ণ নিশ্বাসবোৰক মাজে মাজে সংগী দিয়া প্ৰচণ্ড হুমুনিয়াহবোৰৰ প্ৰকোপত মৈদামত সোমাই থকা সাপবোৰে মোকেই হয়তো খুঁটিবলৈ খেদি আহিব। মৃত্যুৰ সিপাৰৰ জীৱনে হয়তো এনে সমাধিত ভৰি দিবলৈও নাহিব। সৰুতে তৰ্জনী আঙুলিৰ মূৰত ঘূৰাই ঘূৰাই ৰাখিবলৈ চেষ্টা কৰিছিলো টাকুৰীটো। মোৰ নাতিদীৰ্ঘ জীৱনলৈ সুখো আহিছিল এনেদৰেই— চুই দিলেই পৰিতো যায়েই নতুবা নিৰ্দিষ্ট সময়ৰ অন্তত নিজেই স্তব্ধ হৈ যায় সেই ঘূৰ্ণীয়মান টাকুৰীৰ গতি। অনাবিল সুখৰ লাটুমটো, অনুভূতিটো মোৰ মনত ঘূৰি থকাৰ সময়ত প্ৰাপ্তিৰ প্ৰাচুৰ্যত মই ডুব যাওঁ।

বিগত যৌৱনৰ চৌত্ৰিশটা বসন্তৰ কেইটামান কথাহে মোৰ ভালদৰে মনত আছে। সৰুতে ভাবিছিলো ময়ো তোমাৰ দৰেই অলেখ কষ্ট স্বীকাৰ কৰি এখন ফিলাডেলফিয়াৰ সৃষ্টিকৰ্তা হ'ম; মোৰ প্ৰতিভাৰ বিচ্ছুৰণত সম্মোহিত হ'ব দেশ-বিদেশৰ অগণন জনতা; 'নতুন আমেৰিকা' এখনৰ মাটিত মোৰ দেশপ্ৰেমৰ তুলনা নেথাকিব। মোৰ ব্যক্তিত্ব তথা প্ৰজ্ঞাৰ আলোকত উদ্ভাসিত হ'ব নিষ্পেষিত জনগণৰ মনৰ বেদনা লগতে বেদনা প্ৰশমনৰ উপায়। ঘড়ীৰ কাঁটাত চালিত হ'ব মোৰ জীৱন; জীৱনৰ সুশৃংখল পৰিচালনাৰে তোমাৰ দৰেই স্ব-ঘোষিত নীতি কিছুমানেৰে মই মোক বান্ধি পেলাম আৰু পলে পলে কৰা কছৰতৰ যোগেদি মই হৈ পৰিম এক স্থিতপ্ৰজ্ঞ মনীষী। মোৰ প্ৰজ্ঞাক সমীহ কৰি কোনোবা দাৰ্শনিকে তোমাক The most dangerous man in America বুলি কোৱাৰ দৰেই মোৰ বাবেও হয়তো ঘোষণা কৰিব 'The most dangerous man in Indian Sub-continent.'

মোৰ মনৰ প্ৰশান্তিৰ বাবে আকাংক্ষা আৰু প্ৰাপ্তিৰ লক্ষণৰেখাডাল মই ইতিমধ্যেই টানি লৈছো। মোৰ চঞ্চল, অস্থিৰ মনটোক প্ৰলোভিত কৰিব পৰা সকলো উপকৰণৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে মই মোৰ মাজত এটি দুৰ্ভেদ্যগড়ৰ সৃষ্টি কৰিবলৈ বিচাৰিছিলো; বিবেকৰ দংশনৰ চিকাৰ নহ'বলৈ মই তোমাৰ উপদেশমমেই পাৰ বান্ধি যুঁজিছিলো; গ্ৰহণ কৰিছিলো মোৰ নাতিদীৰ্ঘ জীৱনলৈ অহা পানীপথৰ যুদ্ধবোৰৰ প্ৰত্যাহ্বান। সৰুতে দেউতাই কোনোবা প্ৰখ্যাত লেখকে লেখা জীৱনীখনৰ জৰিয়তে তোমাৰ স'তে পৰিচয় কৰি দিয়াৰ দিন ধৰি মই অকলশৰেই উপভোগ কৰি আহিছো তোমাৰ বিনয়ী সংগ। তথাপিও ভাবিছো মই এজন পৰাজিত সৈনিক। যুদ্ধ কৰাৰ মানসিকতাও মোৰ ক্ৰমাৎ স্তিমিত হৈ আহিছে। শত্ৰুৱে বিদীৰ্ণ কৰা শৰীৰটোৰ ঘাবোৰ নৌ শুকাওতেই মোৰ যেন যুদ্ধৰ দিনবোৰ পাৰ হৈ যায়। তুমি কৈছা— 'কৰ্কশ শব্দ প্ৰয়োগ কৰি কোনো কাৰো বন্ধু হ'ব নোৱাৰে ' শুনা, সেই ৰামো নাই, অযোধ্যাও নাই। মই হয়তো আজি এনেকৈহে ক'ম— 'কৰ্কশ শব্দ প্ৰয়োগ কৰি কোনো কাৰো শত্ৰু হ'ব নোৱাৰে'। বন্ধু আৰু সংগীৰ পাৰ্থক্যটো আজিলৈকে মই ধৰিব নোৱাৰিলো। মোৰ হৃদয়ৰ গোপন কোঠাবোৰৰ হীৰা-মুকুতাবোৰ বন্ধুবোৰক (!) মই বিলাই দি বাঃ বাঃ লৈ মই এতিয়া একেবাৰেই নিঃস্ব হৈ গ'লো। ৰাজপত্ৰিত (!) বিষয়া বাবে ক'ব পাৰা চল্‌তি ভাষাত 'গেজেটেড্ ভিখাৰী'। মোৰ জীৱিকাৰ পথ হ'ল শিক্ষকতা। এক অৰ্থত ধৰিলে— শিকোঁ আৰু শিকাওঁ। অসম্পূৰ্ণ, অপৰিপক্ক শিক্ষাৰে পৈণত শিক্ষা প্ৰদানৰ ধৃষ্টতা! মহাবীৰ আলেকজেণ্ডাৰক শিক্ষা প্ৰদান কৰিছিল জ্ঞানীসকলৰ গুৰু এৰিষ্টটলে, মইতো জ্ঞান হোৱাৰ দিন ধৰি জ্ঞানী হোৱাৰ লক্ষ্যৰেই আগবাঢ়িছিলো। একবিংশ শতিকাত বিশ্বত জাকে জাকে ধন ঘটিবলৈ ওলাই অহা আলেকজেণ্ডাৰসকলৰ দৌৰাত্মত এৰিষ্টটলসকলৰ আজি ত্ৰাহি মধুসূদন অৱস্থা। জীৱনযুদ্ধত পলৰীয়া সেনাৰ ভাও ল'বলৈ প্ৰস্তুত হোৱা আমিবোৰ আজি সীমাহীন সন্ত্ৰাসৰ বলি। তুমি প্ৰজ্ঞাৰ সাধনাৰ কথা কৈছা— লগতে কৈছা-চিন্তা কৰিবলৈ এৰা আৰু জীয়াই থাকিবলৈ এৰাৰ মাজত বিশেষ একো পাৰ্থক্য নাই।' মা-দেউতাৰ পূৰ্ণকৰ্তৃত্বৰ পৰা মই মোৰ দায়িত্ব লোৱাৰে পৰা ক্ষুদ্ৰ মগজুটোৱে এধানমানিও বিশ্ৰাম লৈ পোৱা নাই। হয়তো মোৰ মগজুৰ শক্তিৰ সীমাবদ্ধতাই মোৰ ব্যক্তিগত শান্তি, সুখ আৰু সমৃদ্ধি আহৰণত পৰ্যাপ্ত সহায় কৰিব পৰা নাই। এজন অত্যন্ত সংবেদনশীল, সহানুভূতিশীল ব্যক্তিৰ পৰা এজন স্বাৰ্থান্বেষী, অশিষ্টাচাৰী, অনুভূতিহীন ব্যক্তিলৈ হোৱা মোৰ ৰূপান্তৰত মোৰ চৌকাষৰ পৰিবেশটোৰ যথেষ্ট অৱিহণা আছে। মই এতিয়াও বুজা নাই যে মই পৰিবেশৰ সৃষ্টি নে পৰিবেশ মোৰ সৃষ্টি। আজি মোৰ মনৰ ক্ষুদ্ৰ জগতখনত যে হিংসা, বিদ্বেষ, দুৰাকাংক্ষাৰ প্ৰাচুৰ্য্য, তাৰ কাৰণ কি কেৱল ময়েইনে? হয়তো নহয়। এটি জটিল যুগসন্ধিক্ষণত মই বিশ্ববিজয়ী আলেকজেণ্ডাৰ হ'ব পৰা নাই। মই কেৱল মাথোঁ এজন মোৰ পৰিয়াল আৰু স্বাৰ্থপৰতাৰে ভৰপূৰ আশা-আকাংক্ষাৰ দ্বীপটোৰহে অধিপতি। বিশ্ববিজয়ৰ অভিপ্ৰায় মোৰ আৰু

এতিয়া মাষমূৰ হৈ গৈছে। চাতুকাৰ সংগীসকলক আপ্যায়ন কৰাত অথবা বৈষয়িক সা-সামগ্ৰীবোৰ আহৰণ কৰি সম্প্ৰদায়টোৰ 'বৰ-মানুহ' বুলি লেবেল লগাবলৈ কৰা অৰ্থহীন কাৰ্যবোৰৰ মাজতেই মোৰ দিনটোৰ সময়বোৰ পাৰ হৈ যায়। যুক্তিৰ চকুটো বন্ধ কৰি মই বৰ্তমান কেৱল কিছুমান অন্ধবিশ্বাস আৰু খাম-খেয়ালিৰ হিচাপ-নিকাচেৰেই পৰিচালিত। ঔচিত্য-অনুচিত্যৰ বিচাৰ বৰ্তমান মোৰ বাবে ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল— মোৰ মতে মোৰ পৃথিৱীখন চলিছেনে নাই। ভীৰুতা তথা সৎসাহসৰ অভাৱ ঢাকিবলৈ মই প্ৰায়েই সেনাপতিৰ ভূমিকা পালন কৰো। বহু সময়ত মই মোৰ আৰ্জিত তথা সঞ্চিত শব্দভাণ্ডাৰেৰে মোৰ দুৰ্বল শত্ৰুবোৰক কটাক্ষ কৰি পাশৱিক তৃপ্তি লাভ কৰিছোঁ অথবা নেতৃত্বৰ সুনিপুণ অভিনয়েৰে তোষামোদকাৰীৰ অন্তৰ জয় কৰিছো। ক্ষমতাশালীবোৰৰ স'তে চাতুৰ্য্যৰে সু-সম্পৰ্ক বজাই ৰখাৰ বাবে মই ব্যৱহাৰ কৰো মোৰ অনুপম চাতুকাৰিতা। মই ভালদৰেই জানিছো যে তোষামোদ গ্ৰহণৰ পৰা কোনোৱেই আজি মুক্ত নহয়। মই বাস কৰা চহৰখনটো আৰু ফিলাডেলফিয়া নহয় যে তোমালোকৰ মই সংঘটোৰ সদস্যসকলৰ সুন্দৰ পৰামৰ্শবোৰ ফিলাডেলফিয়াৰ অধিবাসীসকলে গ্ৰহণ কৰাৰ দৰে ইয়াতো গ্ৰহণ কৰিব। এইখন গুৱাহাটী। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে থকা কেইবা শতিকাবৃদ্ধ এই চহৰখনত পোতা তামোল বিক্ৰী কৰা বজাৰখনৰ দৰেই এটা দুৰ্গন্ধময়তা ইয়াতো সদায় বিৰাজ কৰে যদিও মানুহবোৰ অত্যন্তই ইয়াৰ স'তে অভ্যস্ত, অনুভূতিহীন। তথাকথিত শিক্ষিতবোৰ আৰু এখোপ চ'ৰা। চাহৰ কাপত ধুমুহা তোলাত তেওঁলোক ওস্তাদ। পৰচৰ্চাই তেওঁলোকৰ অৱসৰ বিনোদনৰ উপায়, মনোৰঞ্জনৰ আশ্ৰয়। নিজৰ বিবেকবোৰ তেওঁলোকে এই যান্ত্ৰিক যুগতো কোনোবা ধৰ্মগুৰুৰ ওচৰত বন্ধকীত থৈ দি স্বাৰ্থান্বেষণৰ বাবে কিন্তু পৰুৱাৰ দৰে কাম কৰে। তোমালোকৰ আমেৰিকাত অলপতে দুজনী অত্যন্ত ধনী পৰিয়ালৰ দুহিতাৰ মৃত্যুৰ খবৰ পালো। তেওঁলোকে হেনো আত্মহত্যা কৰাৰ আগতে আনলৈ টোকা এটিও লিখি থৈ গৈছে যে 'আমাৰ জীৱনত উপভোগ কৰিবলৈ আৰু একো বাকী নাই; মৃত্যুৰ আমেজ ল'বলৈয়েই আমি আত্মহত্যা কৰিলো। শুনি খুব ভাল লাগিছে যে পৃথিৱীত মানুহে এনে চৰম উত্তেজনা মৃত্যুৰ জৰিয়তে অনুধাৱন কৰিব পাৰে আৰু সুখপ্ৰাপ্তিৰ এভাৰেষ্ট স্পৰ্শ কৰিব পাৰে। আমাৰ চহৰখনৰ মানুহবোৰে সমাজসেৱাৰ নামত আত্মসেৱাই কৰে। কাৰণ পুঁজিবাদী চিন্তাবোৰৰ লগত জড়িত বিভিন্ন ধ্যান-ধাৰণাবোৰৰ নিজা নিজা সংজ্ঞা তেওঁলোকে উলিয়াই লৈছে। ব্যক্তিগত সুখ-স্বাচ্ছন্দ্যয়েই যে সামাজিক সুখ-সমৃদ্ধি কঢ়িয়াই আনিব সেইটো তেওঁলোকে আন্তৰিকাৰে বিশ্বাস কৰিছে।

তুমি যে 'Poor Richard almanac' খনত জীৱনধাৰণৰ সুখ শান্তিৰ বাবে নিৰ্দেশনাবোৰ দিছিলা, তেনেদৰে নহ'লেও আন প্ৰকাৰে হয়তো কিছুমান এলেহুৱা কেলেহুৱা মানুহে দাৰ্শনিক দাৰ্শনিক ভাৱত দুই এটা দৰকাৰী দৰকাৰী যেন লগা কথা কৈ তোলপাৰ লগাই থাকে। সযতনে পুহি নোদোকা কৰি ৰখা তোষামোদকাৰী, চাতুকাৰসকলে সেইবোৰকে জীৱনৰ শেষবাণী বুলি প্ৰচাৰ কৰিবলৈ বাতৰি-কাকতবোৰ, আলোচনীবোৰ ব্যৱহাৰ কৰে আৰু ভোকাতুৰ কুকুৰে উচ্ছিষ্টৰ সোৱাদ লৈ আনন্দতে নেজ জোকাৰি থকাৰ দৰে এচামে ৰাজহুৱা বক্তৃতাবোৰত তাৰেই উদ্ধৃতি দি দি বাঃহ বাঃহ লৈ সন্তুষ্ট থাকে। খুবেই মজা লাগে কাৰবাৰটো। জাতীয়তাবাদী আৰু দেশপ্ৰেমৰ সংজ্ঞাবোৰ যে কাৰ কাৰণে কি কি ভাবিলেই আচৰিত লাগে। সমাজ চাফা কৰাত ব্যস্ত থকাসকলে ঘৰৰ আবৰ্জনা ৰাস্তাত দলিয়াবলৈ কাম কৰা লগুৱাবোৰক নিৰ্দেশ দিয়ে। অনাহাৰী, দুৰ্বলী তথা দৰিদ্ৰ শ্ৰমিকবোৰৰ পৰা ঘৰ্মাক্ত পৰিশ্ৰম আৰু সততা বিচাৰি বিচাৰি অট্টালিকা আৰু উচ্চ-পদবীৰ মালিকসকলে অসমতা, অনৈক্যৰ বাবে শ্ৰমিকবোৰকে দায়ী কৰিছে। দুৰ্ধৰ্ষ কয়দীবোৰক ৰাজনৈতিক বন্দীৰ মৰ্যাদা দিয়াৰ উপৰি হাজোতৰ পৰাই নিৰ্বাচনত জিকাই আনি মানুহবোৰে গণতন্ত্ৰক কবৰ দিছে। সমাধিৰ ফলকবোৰত এতিয়া কেৱল বিশেষণৰ প্ৰাচুৰ্য্য।

তোমালোকৰ আমেৰিকাত এতিয়া আৰু তোমাৰ দিনৰ আমেৰিকা হৈ থকা নাই। বিপদ সৃষ্টি কৰি বিপদৰ বন্ধু হৈ ত্ৰাণকৰ্তাৰ ভূমিকাৰে আমেৰিকা সমৃদ্ধ কৰাৰ গোপন অভিসন্ধিটো তোমালোকৰ দেশৰ মুৰব্বীসকলে বেছিদিন ৰাখিব নোৱাৰিলে। অৱশ্যে লোকৰ দেশৰ উৎকৃষ্ট মগজুবোৰে কি বিচাৰে তেওঁলোকে ভালদৰে জানে বাবেই বহু ভাল মগজু তাতেই থূপ খাইছে। স্বাচ্ছন্দপূৰ্ণ অৰ্থনৈতিক জীৱনৰ প্ৰতিশ্ৰুতিৰে এই ভেড়াদল পুহি ৰাখিব পাৰিছে বাবে আনদেশবোৰৰ অৱস্থা তথৈবচ। অৱশ্যে দুই একে কথাষাৰ এনে ধৰণেৰেও কৈছে যে 'It is better to have brain-drain then to have brains in the drain.' হয়। মগজুবোৰ নলা-নৰ্দমাত পৰি থকাতকৈ মগজুবোৰ নলাৰে গৈ তোমালোকৰ তাতেই পৰকগৈ। যিবোৰ গৈছে সেইবোৰে কেতিয়াবা কেতিয়াবা মূল শিপা বিচাৰি আহে যদিও

*পুৱা মাদক দ্ৰব্য নিবাৰণী সভাত বক্তৃতা দি আবেলি বিলাতীসুৰাৰ দোকানৰ দ্বাৰ উদ্ঘাটন কৰা নিপোটল গাহৰি সদৃশ নেতাসকলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়বোৰৰ পদাৰ্থবিজ্ঞানৰ অধ্যাপকবোৰৰ 'বিশ্বকৰ্মা পূজা' পতাৰ ধুম কি নেচাবা। এতিয়া সম্প্ৰতি 'জ্যোতিষশাস্ত্ৰ'ক বিজ্ঞানৰ বোখা পিন্ধোৱা আৰম্ভ হোৱাৰ লগতে ধীৰেন্দ্ৰ ব্ৰহ্মচাৰী, চন্দ্ৰস্বামী, ৰাজনীশৰ অনুগামী তথা কিৰোইয়ং, খনাৱতীসকলৰ অৰ্থোপাৰ্জন বাৰুকৈয়ে বাঢ়িছে।*

আমাৰ গাঁও-চহৰবোৰৰ বোকা, গেলা-পঁচাবোৰ দেখি পুনৰ ঘূৰি যায়গৈ। ধৰ্ম আৰু সাম্প্ৰদায়িক মিছিলবোৰে এক উন্মাদনাৰ জন্ম দি আত্মধ্বংসযজ্ঞৰ প্ৰস্তুতি চলাইছে। সুবিধাবোৰ গ্ৰহণ কৰি এচাম চালাক-চতুৰে নেতৃত্বৰ অভিনয় সুকলমেই পালন কৰিছে। সকলো দেখি-শুনি ভাবিছো যে ভগৱানে হয়তো প্ৰতিভাহীনসকলকেই চয়তানৰ ৰাজ্যৰ সন্তানৰূপে ইয়ালৈ পঠিয়ালে। সিহঁতৰ দপ্‌দপনি এতিয়া কি নেচাবা। চবজান্ত্ৰ সিহঁত। আঁঠুকাঢ়ি, প্ৰতাৰণা কৰি পদবী লোৱাৰ পিচত সিহঁতৰ দৌৰাত্মত সৎ, প্ৰতিভাশালীসকলৰ নাজল নাথল অৱস্থা। সিহঁত বক্তা, বাকীবোৰ অৱধাৰিতভাৱেই শ্ৰোতা, হুকুমপালনকাৰী। কিছুমানে শামুকৰ দৰে খোলাটোৰ ভিতৰত মূৰ সুমুৱাই ফৰকাল বতৰলৈ বাট চাইছে। চয়তানৰ যৌৱন হয়তো বৰ দীঘলীয়া। নপুংসকসকলে সুবিধা বুজি দুই-এচেলেক মাৰি সুখৰ সোৱাদ লৈছে যদিও প্ৰৌঢ়সকলে 'আমাৰ দিনবোৰ মোটামুটি ভালদৰেই চলি গ'ল বুলি আত্মসন্তুষ্টি লভিছে। ভেনামাখিৰ কোলাহলৰ লেখীয়া গোটেই কাৰবাৰটো। ইটোৰ ওপৰত সিটো। হিপ'ক্ৰেটসকলে আজিকালি আনৰ হিপক্ৰেচীৰ কথা কৈ কৈ পৰিবেশটো বৰ ৰসাল কৰি তুলিছে। পুৱা মাদক দ্ৰব্য নিবাৰণী সভাত বক্তৃতা দি আবেলি বিলাতীসুৰাৰ দোকানৰ দ্বাৰ উদঘাটন কৰা নিপোটল গাহৰি সদৃশ নেতাসকলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়বোৰৰ পদাৰ্থবিজ্ঞানৰ অধ্যাপকবোৰৰ 'বিশ্বকৰ্মা পূজা' পতাৰ ধুম কি নেচাবা। এতিয়া সম্প্ৰতি 'জ্যোতিযশাস্ত্ৰ'ক বিজ্ঞানৰ বোৰ্খা পিন্ধোৱা আৰম্ভ হোৱাৰ লগতে ধীৰেন্দ্ৰ ব্ৰহ্মচাৰী, চন্দ্ৰস্বামী, ৰাজনীশৰ অনুগামী তথা কিৰোইয়ং, খনাৱতীসকলৰ অৰ্থোপাৰ্জন বাৰুকৈয়ে বাঢ়িছে। তোমাৰো যে কাম নাছিল! বিজুলী-চেৰেকণিৰ পৰা বিদ্যুৎ উৎপাদন কৰাৰ লেখীয়া অদ্ভুত কামবোৰৰ মাজেদি হয়তো তুমি প্ৰমিথিউচৰ ভূমিকা লৈছিলা। শোষিত, নিষ্পেষিত জনগণৰ হকে তুমি কাম কৰিছিলা যদিও তেনেবোৰ জনগণৰ ঘৰত আজিও বিজুলীবাতি নজ্বলিল। নৈশ আলোক-সজ্জাৰে আমাৰ চহৰবোৰ পৰীৰ দেশ যেন লাগে যদিও আমাৰ সমাজৰ মুৰব্বী নেতাসকলৰ অন্তৰৰ বিজুলীবাতিবোৰ আজিকোপতি নজ্বলিল আৰু জ্বলাৰ আশাও নাই। দুৰ্ভিক্ষ, দুৰ্নীতি আৰু ব্যক্তি স্বাধীনতাৰ আকাংক্ষাই ছোভিয়েট ৰাছিয়াখন চূৰমাৰ কৰাৰে পৰা পুঁজিবাদীসকলৰ হাতোৰা আৰু সবলহে হৈ উঠিছে। আজিকালি হেনো সাম্যমৈত্ৰীৰ নায়ক গৰ্বাচেভে তোমালোকৰ ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ত 'ভিজিটিং প্ৰফেচ'ৰ হিচাপে 'অৰ্থনীতি, সমাজনীতি'ৰ ওপৰত ভাষণ দি ফুৰে! বুদ্ধিটো ভাল লাগিল কেৱল আলফ্ৰেড নোবেলৰ। ধনো ঘটিলে, নামটোও ৰাখি থৈ গ'ল। মিকিয়ে বোলে মাজতে মাউচ বিলাকক কৈছে— 'হেৰা মৰমৰ নিগনিহঁত, জীৱনত কাৰ্যকৰী উপদেশ ল'ব খুজিছা যদি মানুহৰ জগতৰ পৰা অন্ততঃ এজনৰ পৰা ল'ব পাৰা, সেইজন হ'ল বেঞ্জামিন ফ্ৰেংকলিন।' শুনি ভাল লাগিছে তোমাৰ ভাই-ভনীবোৰে তোমাৰ পৰা একো নিশিকিলেও নিগনিহঁতৰতো অন্ততঃ কিবা এটা উপকাৰ হ'ব।

জীৱনটো বৰ জটিল। আইনষ্টাইন, গান্ধী, মাদাৰ টেৰেছাই বৰ বেয়াকৈ দিনবোৰ কটালে। তেওঁলোকৰ কাৰুকাৰ্যবোৰ দেখি-শুনি জীৱনটোৰ প্ৰতি দিনে দিনে এক প্ৰচণ্ড বিতৃষ্ণাৰ ভাবৰ সৃষ্টি হৈছে। সম্পত্তি আহৰণৰ বাবে গান্ধীজাতীয়সকলৰ বুদ্ধি-বৃত্তি, চালাকী বৰ বেছি নাছিল বাবেই হয়তো দুনিয়াত একঠা চাউল খাবৰ বাবে তেওঁলোকে 'অভিজাত ভিখাৰী'ৰ পোছাক পিন্ধিলে। অৱশ্যে এইবোৰ মোৰ ব্যক্তিগত ধাৰণাহে। নহ'বও পাৰে। অৱশ্যে ভালেই কৰিছিল— মানুহবোৰেও ব্যতিক্ৰম বুলি ভাবি তেওঁলোকক আদৰিছিল।

মানুহবোৰক ধনী আৰু দুখীয়া বা স্বাধীন, পৰাধীন বুলি সকলোৰে ভাগ কৰাৰ পাচত এতিয়া কিন্তু ধৰ্মীয় বিভাজনবোৰকে মানুহে অধিক পছন্দ কৰিছে। ৰাজনীতি আৰু ধৰ্মক একাকাৰ কৰি সন্ত্ৰাসবাদৰ ৰসগোল্লাবোৰ তৈয়াৰ কৰি নতুন প্ৰজন্মক গিলিবলৈ দিয়া হৈছে। পুৰণা গৃহস্থৰ দৰে ভাৰতে সহনশীলতা, ধৈৰ্য শান্তি আৰু সম্প্ৰীতিৰ ভাব প্ৰদৰ্শন কৰি আহিলেও কেতিয়াবা ধৈৰ্যৰ বান্ধ সুলকিব ধৰে যেন লাগে। অৱশ্যে আমাৰ ইয়াত শ্ল'গানবোৰ আগৰদৰেই 'সৰ্বধৰ্ম সমন্বয়'ৰ লেখীয়া হৈ আছে। আমিবোৰেও জন্মতে লৈ অহা ধৰ্মটো সাৱটি উৎসৱে-পাৰ্বনে জাত-পাতবোৰ বিচাৰ কৰি কেনেবাকৈ চলি আছো। অৱশ্যে ভাৰতীয়ত্ব মানেই হিন্দুত্ব বুলি কৈ আমিবোৰে মৌলবাদীৰ দাগ লগাই লোৱা নাই। তোমালোকৰ পূৰ্বপুৰুষ মানে ব্ৰিটিছসকলৰ ক্ৰিকেট খেলটোত আমি বাৰুকৈয়ে মজিলো। কেতিয়াবা ৰাজনীতিয়ে দিগদাৰ নকৰিলে শ্বাৰজাহত ভাৰত-পাকিস্তানৰ মাজৰ ক্ৰিকেটৰ যুদ্ধখনৰ হৰা-জিকাৰ মুহূৰ্তবোৰ খুব জমে। তোমালোকৰ বহুজাতিক কোম্পানীবোৰৰ বিজ্ঞাপনবোৰে আমাক আমাৰ দৈনন্দিন প্ৰয়োজনীয়তাবোৰৰ সম্পৰ্কে শিক্ষা দিয়েই থাকে। তোমালোকৰ দেশে আমাৰ মাটি-পানীত ডাঙৰ হোৱাবোৰক লৈ গৈ খুবেই ভাল কৰিছে। ইয়াত থাকি হৰতাল কৰি হুলস্থূল কৰি থকাতকৈ তাতে তোমালোকৰ কাম কৰি, খাই বৈ, পা-পৰিয়ালেৰে দিন কটাইছে ভাল কথা। সিহঁতক লাগিলে আমি সময়ত পাম নিশ্চয় ব্লাডবেংকৰ নিচিনাকৈ সিহঁতবোৰ আমাৰ বাবে 'brain-bank'— আপদ উদ্ধাৰকাৰী। অলপতে এজনে কৈছে যে তথ্য আহৰণৰ প্ৰতিযোগিতাত হেৰাই গৈছে জ্ঞানান্বেষণৰ স্পৃহা, প্ৰজ্ঞাৰ সাধনা হৈ ৰৈছে স্থবিৰ। জীৱন-নিৰ্বাহৰ দুৰন্ত প্ৰতিযোগিতাত হেৰাই গৈছে জীৱনৰ অনাবিল অনুভূতি, মাদকতা। বিজ্ঞানীৰ লক্ষ্য এতিয়া আৰু কৃচ্ছ সাধন নহয়। এতিয়া ফৰ্মূলা এটাই আৱিষ্কাৰ কৰা আৰু ধন ঘটা। বিশ্ববাণিজ্যত, অৰ্থনীতিত 'পেটেণ্ট' নামৰ ভূতটোৰ সন্ত্ৰাস। চৰক, সুশ্ৰুতৰ দিনৰে পৰা থকা আয়ুৰ্বেদিক ঔষধ, উপকৰণ, বনৌষধিবোৰৰ ওপৰত পেটেণ্টৰ চাব-মোহৰ পৰিছে। মোৰ ঘৰৰে বাৰীখনৰ নিমপাতবোৰ, আদা-হালধিবোৰ, জালুক, চাহপাতবোৰ, বাছমতি চাউলবোৰৰ মালিক নিশ্চয় এদিন তোমালোকৰ দেশৰ কোনোবাহে হ'বগৈ। তোমালোকৰ দেশে যে চাৰিটা প্ৰকাণ্ড দৈত্য পুহি ৰাখিছে তুমি জানানে? ৱৰ্ল্ড বেংক, আই এম এফ আৰু ডব্লিউ টি ও— এই তিনিটা দৈত্যৰ লগতে আনটোৰ নাম ৰাষ্ট্ৰসংঘ! আমাৰ ইয়াতে গাঁৱত 'বীৰা' মেলি দিয়'ৰ দৰে এই চাৰিটাৰ কবলৰ পৰা কাৰো নিস্তাৰ নাই। নহ'লে অৱশ্যে কিছুমানক চম্ভালিব নোৱাৰি! ক'ফি আন্নান বোলাজনে যেতিয়া ৰাষ্ট্ৰসংঘৰ পৰা শান্তিৰ কপৌকেইটা উৰুৱাই দিয়ে, উৰি আহি আফগানিস্তানত পৰাৰ লগে লগে সিহঁতে গুলীয়াই মাৰি ভোজ ৰান্ধি পাকিস্তানকো হেনো খাবলৈ মাতে। চেচনিয়া, বচনিয়া, ছুডান, ছমালিয়া আদিৰ কথা নক'ৱেই। মুঠতে প্ৰচণ্ড প্ৰতিযোগিতাৰ হাৱা চাৰিওফালে। এই প্ৰতিযোগিতা ধৰ্ম আৰু ধৰ্মৰ মাজত, ধনী আৰু দুখীয়াৰ মাজত, উত্তৰ আৰু দক্ষিণৰ মাজত, পুঁজিবাদী আৰু সমাজবাদীৰ মাজত, উচ্চবৰ্ণ-নিম্নবৰ্ণৰ মাজত, ক'লা আৰু বগাৰ মাজত, স্বাধীন আৰু পৰাধীনৰ মাজত, পোৱা-নোপোৱাৰ মাজত, বেছিকৈ থকাসকলৰ মাজত, পাহাৰ আৰু ভৈয়ামৰ মাজত, ভাষা আৰু ভাষাৰ মাজত। মুঠতে শ্ৰেষ্ঠত্বৰ বাবেই অহৰ্নিশে চলিছে এই প্ৰতিযোগিতাবোৰ। আয়ুসৰ সীমাবদ্ধতা আছে বাবেই স্বস্তি। তথাপি ক্ষুধাতুৰ বিজ্ঞানীসকলৰ উৎপাতত ক্লনিঙৰ কাৰবাৰ চলিছে ক্ষণভংগুৰ মানৱীজনমক অক্ষয়, অনন্ত ৰূপ প্ৰদানৰ দিহা চলিছে। ভাবিছো যে এই আজৱ কাণ্ড-কাৰখানাবোৰ সম্পাদন কৰাৰ পদ্ধতিসমূহ আমাৰ এই মুলুকত সুলভ হৈ নৌপৰোতেই আমাৰ দৰে নিশকতীয়া, অপদাৰ্থ, অজীৰ্ণবোৰে বিদায় মাগিব পাৰিলেই ভাল পাম। আন প্ৰকাৰেও ভাব হয়, এই যুগ পৰিবৰ্তনকাৰীসকলৰ, বিনন্দীয়া পৃথিৱীখনৰ ধ্বংসযজ্ঞৰ পূজাৰীসকলৰ, আত্মঘাতী সন্ত্ৰাসবাদীসকলৰ, কাৰোৱেইতো বুদ্ধিদীপ্ততা, মস্তিষ্কৰ উৰ্বৰতা কম নহয়। কোনে মগজু ক'ত খটুৱাইছে সেইটো আন এটা ব্যাপাৰ। মহা মস্তিষ্কৰ অধিকাৰী আইনষ্টাইনৰ দৰে ময়ো ভাবিছো 'To many people the creator gave brains by mistake– the spinal cord would have been amply sufficient"!' তেতিয়া অন্ততঃ পৃথিৱীখন ৰক্ষা পৰিলেহেঁতেন নোকি!

হতাশাত, বিৰক্তিত, স্ফূৰ্তিত, অৱসৰত কিবোৰ যে লিখিলো বেঞ্জামিন! অসংলগ্ন হৈ আহিছে চিন্তা-চৰ্চা, কৰ্ম, বিভ্ৰান্ত হৈ পৰিছে জীৱনৰ উদ্দেশ্য, হেৰাই গৈছে জীৱনৰ ছন্দময়তা, নৈৰাশ্যই ঢাকি ধৰিছে মনাকাশ আৰু কত যে কি! থওঁ দিয়া। বাহিৰখন অন্ধাকাৰাচ্ছন্ন। ভয়ো লাগে বাবে নিগনিৰ কলিজাটো মুঠি মাৰি ভালকৈ এঘুমটি মাৰি লোৱাই ভাল! ■

## পৃথিৱীৰ বাবে এটা কবিতা

**প্ৰশান্ত কুমাৰ বৰুৱা**

ৰাতি ৰাতি কথা পাতো তোমাৰ স'তে
পাৰ হৈ যাওঁ
তোমাৰ শাওণীয়া সকলো ৰজঃস্বলা বাট
আঘোণীয়া পথাৰৰ সকলো সোণালী হাঁহি
হেঁপাহ আৰু আকুলতাৰে ডিল মেলি ওলাই
মোৰ সমস্ত বাখৰুৱা গান

সপোন দেখিও পাহৰিবৰ চেষ্টা কৰি
কোনোদিন কোনো সুখী হ'ব নোৱাৰে বাবেই
পুৱতি নিশা হাজাৰবাৰ পৰিভ্ৰমণ কৰো তোমাক

শাৰী শাৰী সপোনৰ পাক্ষী
টোপনিতো দিঠকতো মুদি থওঁ চকু
তোমাৰ সুগন্ধত
মতলীয়া হৈ পৰে উশাহ
তপত হৈ পৰে বতাহ
কপাহ, কপাহৰ শুধ বগাৰে
বাৰে বাৰে লীন যাওঁ তোমাত
তোমাৰ দীঘলীয়া সুহুৰীত
শিলৰ মূৰ্তি এটা হৈ সাৰ পাওঁ হঠাৎ
কান্দো, হিয়া উজাৰি কান্দো-- পৃথিৱী

হৈ পৰো এজোপা নিৰুদ্বেগ গছ
তোমাৰ ওচৰৰ সমৰ্পণ কৰিব নোৱাৰা বাবেই
প্ৰতিটো পুৱা শীতল হৈ পৰে শিতান
কাঢ়ি লৈ যোৱা তুমি চিকুণ দিন

তোমাৰ বাবে পৃথিৱী
কেৱল তোমাৰ বাবে আমি
নদীবোৰ তৰাং হ'ল বুলি
ভুলতে ভাবিছা পৃথিৱী তুমি
সাগৰ নীলা পানী
পাহাৰ ভাঙি নামি অহা কামেং

আবেলিৰ ডুব যোৱা বেলি চাই
ৰাতি তই কিনো ভাল পাব
তুমি স্পৰ্শ কৰা এবাৰ
বেলিৰ বিষাদ অৰণ্য
বুকুৰ হেঙুলীয়া ঢালি স্বচ্ছ কৰি তোলা
ৰাতিৰ আন্ধাৰ
ৰাতিবোৰ যেন দুখৰেই ষ্টেপেজ

আহ দুখ
দুয়ো এক হৈ
উজাগৰে থাকো ওৰে ৰাতি
চলাথ কৰো আপেক্ষিকতাৰ সকলো সংজ্ঞা

কাইলৈ পুৱা পৃথিৱী তুমিও ক'বা
আস! কি নিৰ্মল ৰ'দ

## কবিতা

**ডিম্পল কুমাৰ চহৰীয়া**

হৃদয়ৰ কোন গছত বাহ সাজিছিলা
মই নাজানো

মোৰ দুচকুৰ সেউজীয়া খুঁটি
সেউজীয়া তোমাৰ ওঁঠ

আৰু ক্ৰমাৎ
হালধীয়া মোৰ যন্ত্ৰণাৰ সোঁত

হোৰ আগতেই অ' মোৰ লাহীলতা
কিয় সিঁচি দিলা বেদনাৰ আখৰোট

## তোমাৰ বাবে এটা কবিতা

**কনক সাগৰ**

আজি ৰাতি মই তোমাৰ বাবে এটা ধুনীয়া কবিতা লিখিম
প্ৰিয় ফুলতকৈ ধুনীয়া, নিজানৰ গানতকৈয়ো সুৰীয়া এটা ধুনীয়া কবিতা

নৈৰ নিবিড় সকৰুণ গতিৰ দৰে নামি অহা এই নিশা
তুমি মোৰ বুকুত ৰজনীগন্ধা হৈ মলঙিছা
কলডিলৰ দৰে লাহে লাহে থোঁৰ মেলিছা

সৰীসৃপৰ দৰে তুমি মোক মেৰিয়াই ধৰিছা
মোৰ অবিন্যস্ত চুলিত তোমাৰ লিহিৰিপতীয়া আঙুলি

কলপাতৰ সিৰেৰে টোপা টোপে সৰিছে মোৰ চকুপানী
তোমাৰ ঘন ক'লা চুলি মোৰ চকুৰে মুখে হাঁহি আৰু হাঁহি
কবিতাৰ সেমেকা গধূলি তোমাৰ চকুত তিৰবিৰ তুলসী তলৰ চাকি।

## খ

**ৰূপ চৌধুৰী**

ন্ধিপত্ৰত স্বাক্ষৰ কৰাৰ লগে লগে
মেয়িকভাৱে শান্ত হয় আন্তঃবিপ্লৱ।

থবোধক এনেদৰে বৈ থাকিবলে দিলে
মাৰ অন্তৰ উপত্যকাৰ মাজেৰে সেই
ল নৈৰ গভীৰ বুকুৰে
নীল নৈ সম্প্ৰতি
ত্যেক ঋতুতেই ৰ'ব বুলি
হঁতে দাবী সাব্যস্ত কৰে
ই দাবীত হয়ভৰ দিলেই
প্লৱী বেদনাই অশ্ৰু সমৰ্পণ কৰে।

নে একো একোখন
ন্ধিপত্ৰত স্বাক্ষৰ কৰি উঠি
মাৰ লেৰেলা কলমটো ভাগৰি পৰে
াগৰি সি শুই থাকে কিছুপৰ
টা প্ৰশ্নবোধকৰ ভংগীমাত
াৰু সি সপোন দেখি শংকিত হয়
ইৰে আবৃত এক জলন্ত আঙঠাপিণ্ডৰ
গৰণ সি জানে আগন্তুকে ফু দিলেই তাত
াকৌ জ্বলি উঠিব বিপ্লৱ!
নাগত বেদনাই মাৰণাস্ত্ৰ তুলি যদি শ্ল'গান দিয়ে
এই উপত্যকা আমাৰ জন্মভূমি
আমাৰ জন্মস্বত্ব অধিকাৰ; তেন্তে?

ন্ধিপত্ৰত স্বাক্ষৰ কৰাৰ লগে লগে
য়তো সাময়িকভাৱে শান্ত হ'ব আন্তঃবিপ্লৱ

কিন্তু তেনেকৈয়ো যে অন্য এক সংগ্ৰামৰ সূত্ৰপাত হয়
াৰম্ভ হয়
ন্তৰ আৰু বিবেকৰ আজীৱন গুলীয়াগুলি
নিৰপৰাধ কলিজাত অবাধ ৰক্তক্ষৰণ।

ন্ধিপত্ৰত স্বাক্ষৰ কৰাৰ লগে লগে
ামায়িকভাৱে শান্ত হয় আন্তঃবিপ্লৱ।

## গ্যেটেৰ সৈতে কাল্পনিক সাক্ষাৎ

**দিগন্ত শইকীয়া**

আমি এতিয়া ক'ত
টাইটানিকত

ক'লৈ গৈ আছো
কুঁৱলীলৈ

ভৱিষ্যৎ মানে কি
আইচবাৰ্গ

সময়
আটলাণ্টিক

কথাবোৰ সঁচানে
মই এতিয়া তিনি গিলাচ সোণাৰুৰ নিচাত

## বহু আগৰে পৰা তেওঁ

**বিজয় শংকৰ বৰ্মন**

আমি যোৱাৰ বহু আগৰে পৰা
তেওঁ তাত আছিল

ভূমিকম্পৰ সেই ৰাতি
আমাৰ শৰীৰত পাহাৰ আৰু
সাগৰৰ সৃষ্টি হৈছিল

আচহুৱা যদিও উত্তেজনাময় আছিল
পিছৰ দিনবোৰ
পাহাৰৰ পৰা জঁপিয়াই সাগৰ
আকৌ সাগৰৰ পৰা পাহাৰৰ চূড়া
কি যে প্ৰাচুৰ্য যৌৱন!

তাৰ পিছত
এদিন
ভয়ংকৰ ধুমুহা
বালিৰ পাহাৰে পুতি পেলায় সাগৰ

আমি আশ্ৰয় ল'লো তাত
য'ত
বহু আগৰে পৰা আছিল তেওঁ

## শীত

**দিব্যজ্যোতি বৰা**

পাহাৰৰ অত্যুচ্চ চূড়াত মেজি ভোজৰ ধোঁৱা
মোৰ দুচকুৰ পানীৰে
খিৰিকীৰ
কাঁচ তিতে
আত্মাক মুচৰিলেহি

হঠাৎ
সেই
পকা টেপৰ টেপৰ গোন্ধে
উ কি য়া ই
মাতে মোক
মাতে মোক কি
দুঃসহ-সুমিষ্ট গোন্ধে
বাঁহৰ চাঙৰ আৰু
ফটা কঁথাৰ ভুহালৰ
পকা আওঠাৰ আৰু
পোৰা মাছৰ আলুপিটিকাৰ

মাতে মোক
পিৰালিত উবুৰিখোৱা
এজাক টিলিকা-ৰ'দে
যি স্মৃতিৰ স্পৰ্শ কিবা এক অদ্ভুত কোমল আশ্চৰ্য শিহৰণ
প্ৰিয় নাৰীৰ মুখৰ দৰে কাণি-মুনি আন্ধাৰৰ
আৰু এক দুৰ্বিবহ অনুভৱ ইন্দ্ৰিয়াতীত ৰক্তাক্ত বিষাদৰ

কত বাট হেৰুৱালো কত বাট নতুনকৈ পালো
কিমান কত যে জমা-খৰচৰ ভুল নকৰিলো
তেওঁ
মাতে মোক

মোৰ শৈশৱে
ই না ই বি না ই

মাতে মোক
শীত আহিলে

শতবৰ্ষ স্মৰণ

# মাণিক চন্দ্ৰ বৰুৱা আৰু কটন কলেজ

ড° পবিত্ৰ কুমাৰ পাটোৱাৰী

১৯০১ চনৰ ২৭ মে'। এই শুভদিনটোতে গুৱাহাটীৰ মাজ-মজিয়াত জন্ম হ'ল অসমৰ জনগণৰ অতি হেঁপাহৰ শিক্ষানুষ্ঠান কটন কলেজ। কিন্তু এই হেঁপাহৰ আৰু আদৰৰ শিক্ষানুষ্ঠানৰ জন্ম আন্দোলনৰ কাহিনী বৰ সুখৰ নাছিল। অসমীয়া মানুহৰ মাজতেই হৈছিল বিভাজন, মতানৈক্য, বাদানুবাদ— অসমত কলেজ লাগে নে নালাগে? বহুতে বিচাৰে অসমত উচ্চ শিক্ষাৰ অনুষ্ঠান কলেজ লাগে। আন বহুতে কলেজৰ কোনো প্ৰয়োজন নাই বুলি কয়। তদুপৰি বহুতে গুৱাহাটীত কলেজ বিচাৰিছিল, আন বহুলোকে গুৱাহাটী কলেজৰ বাবে উপযুক্ত ঠাই নহয় বুলি স্পষ্টভাৱে ব্যক্ত কৰিছিল। এনেদৰে হোৱা মতানৈক্য, বাদানুবাদ যুক্তিৰে খণ্ডন কৰি অসমৰ মধ্য অঞ্চল গুৱাহাটীয়েই একমাত্ৰ কলেজৰ উপযুক্ত স্থান বুলি দাবী কৰি ব্ৰিটিছ চৰকাৰৰ ওচৰত আবেদন কৰা একমাত্ৰ সাহসী, দেশহিতৈষী ব্যক্তিগৰাকী তথা কটন কলেজ নামকৰণৰ আঁৰৰ ব্যক্তিগৰাকীয়েই হ'ল মাণিক চন্দ্ৰ বৰুৱা।



এইজনা মহাপুৰুষ, অসমপ্ৰাণৰ জন্ম হৈছিল ১৮৫১ চনৰ ৪ ছেপ্টেম্বৰ তাৰিখে নগাঁও চহৰত। পিতৃ হৰিৰাম বৰুৱাৰ তৃতীয় সন্তান মাণিক চন্দ্ৰ বৰুৱা। হৰিৰাম বৰুৱাই নগাঁৱত চিৰস্তাদাৰ পদত চাকৰি কৰিছিল। পাছত তেওঁ নগাঁৱৰ পৰা গুৱাহাটীলৈ বদলি হৈ আহে আৰু গুৱাহাটীৰ উজানবজাৰত মাটি কিনি ঘৰ-দুৱাৰ সাজি লয়। গতিকে মাণিক চন্দ্ৰই আগতেই শিক্ষাজীৱন আৰম্ভ কৰিলে। সেই সময়ত অসমত প্ৰথম ইংৰাজী শিক্ষাৰ অনুষ্ঠান আছিল গুৱাহাটী ছেমিনাৰী (বৰ্তমান কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়)। এই ছেমিনাৰীতেই মাণিক চন্দ্ৰই শিক্ষা জীৱন আৰম্ভ কৰি ১৮৬৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা এণ্ট্ৰেন্স পৰীক্ষা (Entrance Examination) সুখ্যাতিৰে পাছ কৰে আৰু তাৰ পাছতেই কলকাতা (পূৰ্বৰ কলিকতা)লৈ নগৈ গুৱাহাটী ছেমিনাৰীতেই কলেজ শ্ৰেণী থকা বাবে এফ এ শ্ৰেণীত নামভৰ্তি কৰিলে।

ইপিনে যোৰহাটৰ পৰা আহি জগন্নাথ বৰুৱাই (বি এ জগন্নাথ) মাণিক চন্দ্ৰ বৰুৱাৰ সহপাঠী হয়। এফ এ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই বৃত্তি লাভ কৰে আৰু সেয়ে উচ্চ শিক্ষাৰ বাবে দুয়ো বন্ধু কলকাতা লৈ গৈ বিখ্যাত প্ৰেছিডেন্সি কলেজৰ স্নাতক শ্ৰেণীৰ কলা শাখাত নামভৰ্তি কৰে। কিছুদিন কলেজত অধ্যয়ন কৰাৰ পাছত মাণিক চন্দ্ৰক অসুখ-বিসুখে আগুৰি ধৰিলে। কলকাতাৰ জলবায়ু তেওঁৰ কাৰণে অসহনীয় হ'ল। সেয়ে তেওঁ বন্ধু জগন্নাথ বৰুৱাক কলকাতাতে এৰি পাটনা চহৰৰ কুকিপুৰ কলেজত নামভৰ্তি কৰিলে। পাটনাৰ জলবায়ুৱে মাণিক চন্দ্ৰক কোনো অসুবিধাত নেপেলালে। স্বাস্থ্যৰ কোনো অৱনতি নঘটিল। কলেজৰ শ্ৰেণীত উপস্থিত নিয়মিতভাৱেই চলি থাকিল। কিন্তু কিছুদিন এইদৰে অতিবাহিত হোৱাৰ পাছতেই মাণিকচন্দ্ৰৰ পৰিয়ালত ডাঙৰ অঘটন ঘটিল। তেওঁৰ পিতৃ হৰিৰাম বৰুৱাই চিৰদিনৰ বাবে ইহলীলা সম্বৰণ কৰিলে। পিতৃৰ শোকত মাণিকচন্দ্ৰৰ শৰীৰৰ অৱস্থা বেয়াৰ ফালে ঢাল খাবলৈ ধৰিলে। সেয়েহে শিক্ষাৰ প্ৰতি প্ৰবল হেঁপাহ থকা সত্ত্বেও শাৰীৰিক অসুস্থতাৰ বাবে পুনৰ ঘূৰি আহিল মাণিক চন্দ্ৰ অসমলৈ। লগে লগে পৰিসমাপ্তি ঘটিল মাণিক চন্দ্ৰ বৰুৱাৰ কলেজীয়া শিক্ষা, যিহেতু সেই সময়ত অসমত কলেজীয়া শিক্ষানুষ্ঠান নাছিল। আনহাতে তেওঁৰ বন্ধু জগন্নাথ বৰুৱাই প্ৰেছিডেন্সি কলেজৰ পৰা বি এ পাছ কৰি অসমলৈ ঘূৰি আহিল।

সেই সময়ৰ ব্ৰিটিছ চৰকাৰে মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাক ছাব-ডেপুটি কলেক্টৰ পদবী যাচিছিল। কিন্তু তেওঁলোকৰ দুয়োৰে মন আছিল স্বাধীনচিতীয়া ব্যৱসায় কৰা। সেয়ে এনে সন্মানীয় পদবী তেওঁলোক দুয়োৰে প্ৰত্যাখ্যান কৰিলে। জগন্নাথ বৰুৱাই উজনি অসমলৈ গৈ চাহ খেতিত মনোনিৱেশ কৰিলে আৰু মাণিক চন্দ্ৰই ব্যৱসায়ৰ মূলমন্ত্ৰ শিকিবলৈ গুৱাহাটীত জাহাজ কোম্পানীত সহায়ক হিচাপে যোগদান কৰিলে। কিছুদিন পাছত মাণিক চন্দ্ৰই এই পদ ইস্তফা দিয়ে আৰু ব্ৰিটিছ চাহ খেতিয়ক বেইনব্ৰিজৰ (Bainbridge) লগতে ব্যৱসায়ত নামিল। কিছু বছৰ পাছত বেইনব্ৰিজে সেই ব্যৱসায়ৰ পৰা অব্যাহতি লয়। মাণিক চন্দ্ৰই এইবাৰ এজন অভিজ্ঞ অসমীয়া চাহ খেতিয়ক জয়নাথ বৰদলৈৰ লগ লাগে আৰু চাহ ব্যৱসায়ত কিছু অভিজ্ঞতা লৈ আনন্দৰাম ঢেকীয়ালফুকনৰ পুত্ৰ অন্নদাৰাম ঢেকীয়ালফুকনৰ লগত 'বৰুৱা-ফুকন ব্ৰাদাৰ্ছ কোম্পানী' নামৰ প্ৰতিষ্ঠান এটা খুলিলে। এই প্ৰতিষ্ঠানৰ জৰিয়তে চাহ আৰু কাঠৰ ব্যৱসায় আৰম্ভ কৰিলে আৰু ব্যৱসায়ত যথেষ্ট উন্নতি কৰিবলৈ ধৰিলে। আনহাতে ব্যৱসায়ত বেছি সময় দিবলগীয়া হোৱা বাবে দুৰ্বল স্বাস্থ্যৰ মাণিক চন্দ্ৰ বৰুৱাৰ দেহৰ ক্ষতি হ'বলৈ ধৰিলে। সেয়ে স্বাস্থ্যৰ উন্নতি আশা কৰি কিছুদিন ব্যৱসায়ৰ কৰ্মস্থলৰ পৰা আঁতৰি থাকি বিশ্ৰাম কৰাৰ মানসেৰে ১৮৮০ চনত কলকাতালৈ যায়। তাত কিছুদিন থকাৰ

পাছত দুৰ্বল স্বাস্থ্যৰ কিছু উন্নতি দেখি মাণিক চন্দ্ৰই পুনৰ অসমলৈ ঘূৰি আহে। ১৮৮১ চনত সেই সময়ৰ প্ৰখ্যাত হাকিম লক্ষ্মীলাল বৰুৱাৰ জীয়ৰী শৰৎ কুমাৰীক মাণিক চন্দ্ৰই বিয়া কৰায়। প্ৰথম অৱস্থাত তেওঁলোকৰ বৈবাহিক জীৱন অতি সুখেৰেই পাৰ হৈছিল। কিন্তু ব্যৱসায় দিশত তেওঁৰ যথেষ্ট ক্ষতি হ'ল। কেৱল লোকচানেই লোকচান। ইপিনে 'বৰুৱা-ফুকন ব্ৰাদাৰ্চ কোম্পানী'ৰ অংশীদাৰ অন্নদাৰাম ঢেকীয়াল ফুকনৰ অকাল মৃত্যু ঘটিল। তেওঁৰ মন ভাগি পৰিল। পাছত এই কোম্পানী নিজৰ নামলৈ আনি পুনৰ ব্যৱসায়ত মনোনিবেশ কৰিলে আৰু আগৰ লোকচানৰ ক্ষতিপূৰণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবলৈ ধৰিলে। আনহাতে পলাশবাৰীত থকা 'ইনলেণ্ড ফ্লচিল' নামৰ কোম্পানীৰ পাণবজাৰত থকা অফিচত মাণিকচন্দ্ৰই এজেণ্ট হিচাপে কাম কৰিবলৈ ধৰিলে আৰু চাহপাত কঢ়িয়াবলৈ এখন পানীজাহাজ কিনিলে। নাম বাহাদুৰ। কিন্তু কিছুদিন পিছত এদিন দুৰ্ঘটনাত পতিত হ'ল বাহাদুৰ।

মাণিক চন্দ্ৰ বৰুৱাৰ জীৱনত কৰ্মৰ উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা ব্যক্তি আছিল ককায়েক ফটিক চন্দ্ৰ বৰুৱা। কিন্তু হঠাতে এদিন ককায়েকে ইহলীলা ত্যাগ কৰিলে। তেওঁ অতি মৰ্মাহত হৈ পৰিল।

১৮৮৭ চনত মাণিক চন্দ্ৰ বৰুৱাই 'গুৱাহাটী বৰফ কোম্পানী' খুলিলে আৰু এই ব্যৱসায়তো আয়ৰ পৰিবৰ্তে কেৱল লোকচানৰ পৰিমাণহে বৃদ্ধি পাবলৈ ধৰিলে। অৱশেষত তেওঁ এই কোম্পানী সম্পূৰ্ণ বন্ধ কৰি দি পুনৰ কাঠৰ ব্যৱসায়ত মনোনিবেশ কৰিলে। কাঠৰ ব্যৱসায় মেঘালয়ৰ গাৰোপাহাৰৰ দামৰা অঞ্চলৰ পৰাই তেওঁ আৰম্ভ কৰিলে আৰু গোৱালপাৰালৈ কাঠৰ সৰবৰাহ কৰিলে। এই ব্যৱসায় বেছ ভালেই চলিছিল। কিন্তু হঠাতে গাৰোপাহাৰ আৰু গোৱালপাৰাত কলাজ্বৰে দেখা দিয়াত বহু কৰ্মীৰ মৃত্যু ঘটিল আৰু বহুতে মৃত্যু ভয়ত কাম এৰি যেনি-তেনি পলাই গুচি গ'ল। ইপিনে মাণিক চন্দ্ৰ বৰুৱাৰ ব্যৱসায়ত মেনেজাৰ হিচাপে কাম কৰা সম্পৰ্কীয় ভাতৃ ভোলানাথ বৰুৱাই কিবা কাৰণত তেওঁৰ লগত সকলো লেনদেন ছেদ কৰি স্বাধীনভাৱে ব্যৱসায় কৰিবলৈ গুচি গ'ল কলিকতালৈ। মাণিক চন্দ্ৰ বৰুৱাৰ টকা-পইচাৰ বৰ নাটনি হ'ল আৰু ব্যৱসায়ত সহায় কৰা বন্ধুবৰ্গয়ো তেওঁৰ ব্যৱসায়ৰ লোকচানৰ হিচাপ-নিকাচ অনুভৱ কৰি আগতীয়াকৈ পূৰ্বৰ ধন-বিত ঘূৰাই বিচাৰিলে। তেওঁ উপায়বিহীন হ'ল। টকাৰ নাটনিৰ বাবেই তেওঁৰ লগত থকা সৰহ চাহ বাগিচা বিক্ৰী কৰি দিলে। ধাৰ পৰিশোধৰ বাবে আনকি অতি প্ৰয়োজনীয় সম্পত্তিও বিক্ৰী কৰিবলৈ বাধ্য হ'ল তেওঁ। শুনিলে আচৰিত লাগিব যে ধাৰৰ পৰা মুক্তি পাবলৈ তেওঁ তেওঁৰ পত্নীৰ অলংকাৰপাতিও বিক্ৰী কৰিব বিচাৰিছিল।

মাণিক চন্দ্ৰ বৰুৱাক বিপদে এৰা দিয়া নাছিল। ১৮৯৭ চনত বৰভূঁইকঁপত উজানবজাৰত থকা তেওঁ দুমহলীয়া বাসভৱনটোও বাগৰি পৰিল। পাছত তেওঁ সেই ঠাইতে এটা একমহলীয়া ঘৰ সাজি থাকিবলৈ ল'লে। কিন্তু বিধিৰ বিপাক, হঠাতে এদিন তেওঁৰ সহধৰ্মিণী শৰৎ কুমাৰী চিৰদিনৰ বাবে তেওঁৰ পৰা আঁতৰি গ'ল সিপুৰীলৈ।

পঢ়া দিনৰে পৰাই মাণিক চন্দ্ৰ বৰুৱাৰ জীৱনত বহুতো বিপদ-আপদ, বাধা-বিঘিনি ঘটি গ'ল। সেয়েহে হয়তো তেওঁক একোৱে টলাব পৰা নাছিল। তেওঁ আছিল নিৰ্বিকাৰ। তেওঁৰ আত্মবল আৰু ধৈৰ্যবল অশেষ। তেওঁ বিভিন্ন ব্যৱসায়ত হাত দিছিল, কিন্তু ক'ৰবাত কেৰোণ লাগিছিল আৰু ফলত সম্পূৰ্ণ কৃতকাৰ্যতা লাভ কৰিব পৰা নাছিল। সেয়েহে তেওঁৰ জীৱনযাত্ৰাৰ পথ সুগম নাছিল। তেওঁৰ জীৱনৰ শেষ সম্বল আছিল খাৰঘুলীত থকা সৰু চাহ বাগিচা আৰু কেইটামান ভাড়াঘৰ। এনেদৰেই জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল মাণিক চন্দ্ৰ বৰুৱাই। তেনে সময়তেই ব্ৰিটিছ চৰকাৰে মাণিক চন্দ্ৰ বৰুৱাক 'অনাৰেৰী মেজিষ্ট্ৰেট' পদ যাচিলে। বহু গুণাগঁথা কৰি এইবাৰ এই পদ সাদৰেৰে গ্ৰহণ কৰিলে মাণিক চন্দ্ৰই আৰু সকলো ব্যৱসায় সম্পূৰ্ণভাৱে বাদ দি জীৱন-যাপন কৰিবলৈ ধৰিলে।

মাণিক চন্দ্ৰ বৰুৱাই লাহে লাহে গুৱাহাটীৰ সামাজিক কাম-কাজত নিজকে জড়িত কৰিব বিচাৰিলে। সমাজৰ প্ৰতি তেওঁৰ মনোযোগ দিনে দিনে বাঢ়িবলৈ ধৰিলে। তেওঁ লাহে লাহে অনুভৱ কৰিছিল যে অসমত কলেজ নথকাৰ বাবে তেওঁৰ দৰে হয়তো আন বহুতৰেই কলেজীয়া জীৱনত প্ৰৱেশ নঘটিব। ১৮৯৪ চনত মাণিক চন্দ্ৰ বৰুৱাই গুৱাহাটীৰ কালিৰাম বৰুৱাৰ সহযোগত 'আসাম' নামৰ এখন দ্বি-ভাষিক (ইংৰাজী আৰু অসমীয়া) সাপ্তাহিক বাতৰি কাকত প্ৰকাশ কৰিছিল আৰু ইংৰাজী অংশ সম্পাদনা কৰিছিল মাণিক চন্দ্ৰ বৰুৱাই নিজে। ১৮৯৫ চনৰ ২২ জুলাই তাৰিখে এই কাকতত অসমত কলেজ পতাৰ বিপক্ষে বিশেষকৈ গুৱাহাটীত কলেজ নেলাগে, কলেজৰ প্ৰয়োজনীয়তা নাই বুলি অসমৰ এগৰাকী ব্যক্তিয়ে চিঠি এখন লিখিছিল। চিঠিত মত প্ৰকাশ কৰি কৈছিল যে যিহেতু ব্ৰিটিছ চৰকাৰে অসমৰ ল'ৰাক কলিকতাত পঢ়িবলৈ বৃত্তি দিয়ে, গতিকে অসমত কলেজৰ কোনো প্ৰয়োজন নাই। তেওঁ যুক্তি দাঙি ধৰিলে যে উচ্চ শিক্ষাৰ স্নায়ুকেন্দ্ৰ কলিকতাত অধ্যয়ন কৰিলে ল'ৰাৰ জ্ঞানৰ পৰিধি বৃদ্ধি পাব। যিজন ল'ৰাই অসমত চাৰি বছৰ পঢ়ি জ্ঞান লাভ কৰিব পাৰিব সেইখিনি কলিকতাত অধ্যয়ন কৰিলে এবছৰতে আয়ত্ত কৰিব পাৰিব। গতিকে অসমত কলেজৰ কোনো প্ৰয়োজন নাই। পত্ৰকাৰৰ আৰু যুক্তি হ'ল— গুৱাহাটীত থকা-মেলাৰ বাবদ যি খৰচ পৰিব সেই একে খৰচতে অতি আৰামেৰে এজন ল'ৰাই পঢ়া-শুনা সমাপ্ত কৰি অসমলৈ উভতি আহিব পাৰিব। এনে ধাৰণা বহু লোকে পোষণ কৰিছিল। কাকতৰ এনে মন্তব্য আৰু দুই-এজন জনসাধাৰণৰ মনৰ গতি বুজি ব্ৰিটিছ চৰকাৰেও অসমত কলেজ নপতাৰ সুৰুঙা বিচাৰি পাইছিল। কাৰণ তেওঁলোকে অসমলৈ আহিছে ধন ঘটিবলৈ। গতিকে এনে হিচাপ-নিকাচ কৰাটো তেওঁলোকৰ পক্ষে স্বাভাৱিক। কাৰণ হিচাপ-নিকাচ কৰি দেখা পাইছিল যে অসমত কলেজ পাতিলে বহু খৰচৰ কথা আছে, যেনে— ঘৰ-দুৱাৰ নিৰ্মাণ, শিক্ষক-কৰ্মচাৰীৰ মাহিলি বেতন ইত্যাদি। ইয়াৰ পৰিবৰ্তে যদি বৃত্তিৰ সংখ্যা বৃদ্ধি আৰু টকাৰ নিৰিখ বৃদ্ধি কৰা হয় তেনেহ'লে কম খৰচতে অসমৰ ল'ৰাক উচ্চ শিক্ষা গ্ৰহণ কৰাৰ সুবিধা দিব পৰা যাব। এনে উপলব্ধিৰে ব্ৰিটিছ চৰকাৰে জনগণৰ কাকুতি-মিনতিৰ প্ৰতিও সঁহাৰি দিয়া নাছিল। বহুসংখ্যক বাইজ চৰকাৰৰ

> ***অসমৰ চীফ কমিছনাৰ ছাৰ হেনৰী ষ্টেডমেন কটনৰ উদাৰ মনোভাৱ আৰু অসমৰ প্ৰতি থকা স্নেহৰ স্বীকৃতি হিচাপে কলেজখনৰ নামকৰণ কৰিলে কটন কলেজ। আৰু এই কটন কলেজ নামকৰণৰ প্ৰথম প্ৰস্তাৱ দিওঁতা মানুহজনেই হ'ল মাণিক চন্দ্ৰ বৰুৱা।***

সপক্ষে আছিল আৰু কলেজ পতাৰ বিপক্ষে আছিল। গুৱাহাটীৰ বাহিৰেও শিৱসাগৰৰ গংগাগোবিন্দ ফুকন, অসমীয়া জজ আব্দুল মজিদ আৰু জগন্নাথ বৰুৱায়ো অসমত কলেজ পতাৰ বিপক্ষে মাত মাতিছিল। অৱশ্যে বহু ব্যক্তি কলেজ পতাৰ সপক্ষেও আছিল। তেওঁলোকৰ ভিতৰত শিৱসাগৰৰ ৰায়বাহাদুৰ ফণীধৰ চলিহা, ডিব্ৰুগড়ৰ বেণুধৰ ৰাজখোৱা আদি ব্যক্তিসকলে অসমত কলেজ লাগে বুলি মত প্ৰকাশ কৰিছিল। ১৮৯৯ চনত কলিকতাত থকা প্ৰবাসী অসমীয়া জ্ঞানদাভিৰাম বৰুৱাই সদানন্দ বৰুৱা ছদ্ম নামেৰে অসমত কেনেকৈ কলেজ পাতিব পাৰি যুক্তি দেখুৱাই এখন চিঠি লিখি 'আসাম' কাকতলৈ পঠিয়াইছিল।

'আসাম' কাকতৰ বাদানুবাদৰ ওৰ পেলাবলৈ ১৮৯৯ চনৰ ২৮ মাৰ্চ তাৰিখে মাণিক চন্দ্ৰ বৰুৱাই অসমত কলেজ পতাৰ বিপক্ষে থকা যুক্তিসমূহ খণ্ডন কৰি কলেজ পতাৰ সপক্ষে যুক্তি দি সেই সময়ত অসমৰ চীফ কমিছনাৰ ছাৰ হেনৰী ষ্টেডমেন কটনৰ ওচৰত এখন আবেদন কৰিছিল। সেই আবেদনত তেওঁ লিখিছিল যে ভাৰতবৰ্ষৰ ভিতৰত অসমেই এখন ৰাজ্য য'ত উচ্চ শিক্ষাৰ বাবে কলেজ নাই। অসমত এখন কলেজ পাতিব লাগে আৰু এই কলেজৰ অধ্যক্ষ পদ চৰকাৰে ব্ৰিটিছৰাজৰ এজন বিশিষ্ট শিক্ষাবিদক দিলে অসমৰ জনগণে কোনো আপত্তি নকৰে। গুৱাহাটী অসমৰ মধ্য অঞ্চলত অৱস্থিত। গতিকে গুৱাহাটীত কলেজ পাতিলে গোটেই অসমবাসীৰে সুবিধা হ'ব। গুৱাহাটী কলাজ্বৰৰ দ্বাৰা আক্ৰান্ত আৰু অস্বাস্থ্যকৰ, গুৱাহাটীত কলেজ হ'ব নালাগে বোলা কথাবোৰৰ উত্তৰ দি মাণিক চন্দ্ৰ বৰুৱাই লিখিছিল যে সম্প্ৰতি উজনি অসমো কলাজ্বৰৰ দ্বাৰা আক্ৰান্ত হ'বলৈ ধৰিছে। গতিকে এনে যুক্তিৰ কোনো অৰ্থ নাই। গতিকে গুৱাহাটীতেই কলেজ হ'ব লাগে। যদি চৰকাৰৰ গুৱাহাটীত কলেজ পতাৰ ইচ্ছা নাই, তেনেহ'লে কলিকতাত অসমৰ ল'ৰাৰ বাবে এটি হোষ্টেল পাতিব লাগে। লগতে বৃত্তিৰ সংখ্যা বৃদ্ধি আৰু টকাৰ পৰিমাণো বৃদ্ধি কৰিব লাগে বুলি মাণিক চন্দ্ৰ বৰুৱাই আবেদনত উল্লেখ কৰিছিল। ছাৰ হেনৰী ষ্টেডমেন কটনেও গুৱাহাটীত কলেজ নাপাতি কলিকতাত হোষ্টেল পতাৰ কথা ভাবিছিল। পাছত মাণিক চন্দ্ৰ বৰুৱাৰ আবেদন খুব ভালদৰে অধ্যয়ন কৰি আৰু তেওঁৰ মনৰ ক্ষোভ বুজি কলিকতাত হোষ্টেল পতা অথবা অসমত কলেজ স্থাপনৰ কোনো সিদ্ধান্ত নিজে নলৈ ছাৰ হেনৰী কটনে ১৮৯৯ চনৰ ২০ জুনত চৰকাৰী গোহাৰি এটি দি ৰাইজৰ পৰা জানিব বিচাৰিলে— কলিকতাত হোষ্টেল স্থাপন অথবা অসমত কলেজ স্থাপন। লগে লগে ছাৰ হেনৰী কটনে অসমৰ ৰাইজৰ পৰা কলিকতাত হোষ্টেলৰ পৰিবৰ্তে গুৱাহাটীতে কলেজ লাগে বুলি যথেষ্ট সঁহাৰি পালে। এনে সঁহাৰি পাই ছাৰ হেনৰী কটনে ১৮৯৯ চনৰ ২৯ ছেপ্টেম্বৰত আসাম গেজেটৰ জৰিয়তে গুৱাহাটীত এখন কলেজ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই চনৰে ৩ নৱেম্বৰত গুৱাহাটীত এখন ৰাজহুৱা সভা পাতে আৰু এই সভাত ছাৰ হেনৰী কটনে 'বাবু মাণিক চন্দ্ৰ বৰুৱা আৰু ৰাইজ' বুলি সম্বোধন কৰি কয় যে ৰাইজৰ সঁহাৰি পাই কলিকতাত হোষ্টেল পতাৰ পৰিবৰ্তে গুৱাহাটীতে কলেজ পতাৰ সিদ্ধান্ত লৈছে তেওঁ। তাৰ পাছত ছাৰ হেনৰী কটনে ভাৰত চৰকাৰৰ অনুমোদন বিচাৰি চিঠি লিখে আৰু ১৯০০ চনৰ ২৮ জুনত অসমত অৰ্থাৎ গুৱাহাটীত কলেজ পতাৰ অনুমোদন লাভ কৰে ভাৰত চৰকাৰৰ পৰা।

তাৰ পাছত ছাৰ হেনৰী কটন বৈ থকা নাই। অলপো সময় নষ্ট নকৰি তেওঁ চীফ ইঞ্জিনীয়াৰ মিঃ হুইটক গুৱাহাটীত মাটি বাছনি কৰিবলৈ পঠাই দিলে। কিন্তু ছাৰ হেনৰী কটনে গুৱাহাটীত কলেজ পতাৰ সিদ্ধান্ত লোৱাৰ পাছতো অসমৰ আন এটা বিৰোধী চক্ৰই কলেজ কেনেকৈ পাতিব পৰা নাযায়, চিন্তা-চৰ্চা কৰি আছিল। গতিকে মিঃ হুইট অহাৰ লগে লগে গুৱাহাটীত উপযুক্ত ঠাইৰ অভাৱ বুলি কৈ তেওঁক শ্বিলঙলৈ ঘূৰাই পঠালে। এই খবৰ তৎমুহূৰ্তে পালে মাণিক চন্দ্ৰ বৰুৱাই। তেওঁ সেই সময়ৰ গুৱাহাটীৰ বিশিষ্ট নাগৰিক ৰায় বাহাদুৰ ভুবনৰাম দাসৰ লগত শ্বিলঙলৈ গুচি গ'ল আৰু গুৱাহাটীতে উপযুক্ত স্থান আছে বুলি কৈ আহিল। পুনৰ মিঃ হুইট গুৱাহাটীলৈ আহিল। এইবাৰ ভুবনৰাম দাস আৰু মাণিক চন্দ্ৰ বৰুৱাই কলেজৰ বাবে বৰ্তমানৰ কটন কলেজৰ ৰসায়ন বিজ্ঞান ভৱনৰ ঠাই টুকুৰা মিঃ হুইটক দেখুৱাই দিলে আৰু এই ঠাইতে সেই সময়ত গড়কাপ্তানি বিভাগৰ সহকাৰী ইঞ্জিনীয়াৰ শুভ্ৰেন্দু মোহন গোস্বামীৰ তত্বাৱধানতেই প্ৰথম ভৱনটো সাজি উলিওৱা হ'ল আৰু এই ভৱনতে জন্ম হ'ল— কটন কলেজ। কলেজৰ আনুষ্ঠানিক প্ৰতিষ্ঠা দিৱস পতাৰ আগতে অসমৰ ৰাইজে ৰাজহুৱা সভা পাতি অসমৰ চীফ কমিছনাৰ ছাৰ হেনৰী ষ্টেডমেন কটনৰ উদাৰ মনোভাৱ আৰু অসমৰ প্ৰতি থকা স্নেহৰ স্বীকৃতি হিচাপে কলেজখনৰ নামকৰণ কৰিলে কটন কলেজ। আৰু এই কটন কলেজ নামকৰণৰ প্ৰথম প্ৰস্তাৱ দিওঁতা মানুহজনেই হ'ল মাণিক চন্দ্ৰ বৰুৱা।

গুৱাহাটীত সকলো ব্যৱসায়-বাণিজ্য বাদ দি অনাৰেৰী মেজিষ্ট্ৰেট পদত অধিষ্ঠিত হোৱাৰ পাছৰ পৰাই মাণিক চন্দ্ৰ বৰুৱাই অসমৰ জনসাধাৰণৰ বাবে জনহিতকৰ কামত ব্ৰতী হ'বলৈ ধৰিলে। গুৱাহাটীত কটন কলেজ স্থাপন হোৱাৰ পাছত গুৱাহাটীলৈ মানুহৰ সমাগমো বেছি হ'ল আৰু সেয়ে বিভিন্ন সামাজিক কামৰ বাবে সভা-সমিতিও স্থাপন হ'ল। এই সভা-সমিতিৰ সৰহভাগতেই হয়তো সভাপতি অথবা সদস্যপদ গ্ৰহণ কৰিবলগীয়া হৈছিল মাণিক চন্দ্ৰ বৰুৱাই। এনেদৰে বিভিন্ন ৰাজহুৱা কামত জড়িত হৈ ৰাইজৰ হিতৰ বাবে কৰিবলগীয়া কামৰ বাবে ভাবিবলৈ সময় উলিয়াই লৈছিল তেওঁ আৰু সকলো কাম সুচাৰুৰূপে সম্পাদনা কৰিছিল মাণিকচন্দ্ৰই।

মাণিক চন্দ্ৰ বৰুৱা আছিল প্ৰকৃততে সমাজ সচেতক, সমাজসেৱক আৰু শিক্ষাবিদ। কটন কলেজ প্ৰতিষ্ঠাৰ গুৰি ধৰাৰ উপৰি তেৱেঁই অনুভৱ কৰিছিল যাতে অসমৰ ল'ৰা-ছোৱালীয়ে অসমতে আইন পঢ়িবলৈও সুবিধা লাভ কৰে আৰু সেয়ে কেনেকৈ এখন আইন কলেজ প্ৰতিষ্ঠা কৰিব পৰা যায় তেনে চিন্তাতে ব্যস্ত আছিল মাণিক চন্দ্ৰ আৰু এদিন 'আৰ্ল ল' কলেজ স্থাপিত হ'ল তেওঁৰ আশাশুধীয়া প্ৰচেষ্টাতেই। সেইদৰে 'কাৰ্জন হল' (বৰ্তমান নবীন চন্দ্ৰ বৰদলৈ পুথিভঁৰাল) তেওঁৰেই চেষ্টাৰ ফল বুলি অসমৰ ৰাইজে স্বীকাৰ কৰিছে।

এইজনা স্থিতপ্ৰজ্ঞ, দেশহিতৈষী মাণিক চন্দ্ৰ বৰুৱাৰ ১৯১৫ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে জীৱনাৱসান ঘটে। কিন্তু তেওঁৰ কৰ্মৰাজীয়ে অসমৰ ৰাইজৰ মনত সদায় চিৰস্মৰণীয় হৈ থাকিব— বিশেষকৈ অসমৰ ৰাইজৰ প্ৰতি হেঁপাহৰ কটন কলেজৰ প্ৰতিষ্ঠাৰ গুৰি ধৰোঁতা হিচাপে। বহু বছৰৰ পাছত হ'লেও এইজনা মহান পুৰুষৰ স্মৰণাৰ্থে কটন কলেজৰ নৱনিৰ্মিত ভৱন তেওঁৰ নামেৰে 'মাণিক চন্দ্ৰ বৰুৱা প্ৰশাসনীয় ভৱন' নামকৰণ কৰা হৈছে আৰু ১৯৭৯ চনৰ পৰা প্ৰতিবছৰে ছেপ্টেম্বৰ মাহত কটন কলেজৰ ছাত্ৰ সন্থা আৰু শিক্ষক গোটৰ সহযোগত ৰাষ্ট্ৰীয় পৰ্যায়ত অথবা উত্তৰ-পূৰ্বাঞ্চল পৰ্যায়ত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় তেওঁৰ নামেৰেই— 'Manik Chandra Barooah Memorial Debating Competition'।

কটন কলেজৰ জন্ম শতবাৰ্ষিকী সমাৰোহ চলি থকা বৰ্তত এইজনা মহান পুৰুষৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম জনাইছো। ■

গল্প

# দাহিতা

প্ৰাঞ্জল শৰ্মা বশিষ্ঠ

সকলো শিল-টোপনিত পৰাৰ পাছতো বহু পৰলৈকে কামিনী সাৰে থাকে। দুহাত দূৰৈৰ চাংখনত মাক বকুলী গছ পৰাদি পৰি থাকে। মাকে হঠাতে সাৰ পাই তাইক মন কৰি থাকিব পাৰে বুলি ভাবি তাই ভয় খায়। মাকলৈ পিঠি দি তাই বেৰৰ জলঙাৰে বাহিৰলৈ চাই থাকে অধীৰভাৱে। বাহিৰত আন্ধাৰ। যেন ঘন ক'লা কাপোৰ এখন গায়ে-মূৰে লৈ বাৰীখনো টোপনিত! মনৰ চকুৰেই তাই দেখা পায়— বাৰীৰ পাছৰ বাঁহনিখন সোঁ সোঁ বতাহত সাৰ পাই উঠিছে আৰু হিয়ালি-জিয়ালি হৈ কান্দিবলৈ আৰম্ভ কৰিছে। এটা সময়ত বাঁহনিডৰাৰ মাজত ভমককৈ জুই একুৰা জ্বলি উঠে আৰু নুমায়। ধনগুলৈ? যি সামান্য সময়ৰ বাবে জুইকুৰা জ্বলি ৰয়; সেইখিনি সময়তে কেইবাটাও শিখা নাচি নাচি উঠে। যেন মানুহ এজনে হাত বাউল দি কাৰোবাক আকুলভাৱে কাষলৈ মাতিছে! তাইকে মাতে নেকি জুইকুৰাই? ভাবি ভাবিও তাই পাৰ নাপায়। লাহে লাহে তাইৰ তন্দ্ৰা লাগি আহে। এটা সময়ত ক'ব নোৱাৰাকৈয়ে তাই টোপনিত পৰে। জুইকুৰালৈ তাইৰ ভয় নালাগে। বৰং কেতিয়াবা জুইকুৰা জ্বলি নুঠিলে তাইৰ বেয়াহে লাগে। কেইবাঘৰো মানুহৰ বস্তিৰ সিমূৰকেইটা লগ লগা ঠাইতে বাঁহনিডৰা। আগতে তাতে হেনো মৰা মানুহ খৰি দিয়া হৈছিল। তাই এনেয়ে তালৈ নাযায়। বাৰীৰ খালত গা ধুবলৈ যাওঁতে ঔটেঙা দুটামান বুটলি আনি কুটি খোৱাৰ হেঁপাহ গা কৰি উঠিলে তাই মাজে মাজে অৱশ্যে বাঁহনিডৰাত নোসোমোৱাকৈ নাথাকে। বাৰীখনৰ কথা বহুতে বহুতধৰণে কয়। তাই কিন্তু সেইবোৰলৈ অতদিনে কাণ কৰা নাছিল। তথাপি ঘন বাৰীখনত ঔটেঙা বুটলি ফুৰোতে তাইৰ কেতিয়াবা ভাব হৈছিল—

মৰা মানুহবোৰৰ আত্মাবোৰ ক'লৈ গুচি যায় বাৰু। আছেনে সেইবোৰ আত্মা এই বাৰীখনতে? কোনোবা ডেকা ল'ৰাক যদি ইয়াতে খৰি দিয়া হৈছিল, তাৰ আত্মাটোৱে মনৰ মানুহজনীৰ কাৰণে হামৰাও নাকাঢ়েনে? এখন কাপোৰৰ মেঠনি মাৰি যোৱা কামিনীক অকলশৰে দেখি তাৰ বাৰু পিছল খাবৰ মন নাযায়নে? এইবোৰ কথা মনলৈ আহিলে সিদিনালৈকে তাইৰ তেইছ বছৰীয়া বুকুখনত ঢেঁকীয়ে ধান বানিবলৈ আৰম্ভ কৰিছিল। লৰ মাৰি তাই খালৰ পাৰ পাইছিলহি। তথাপি বাৰীখনৰ প্ৰতি অজান এটা মায়াই তাইৰ মন-মগজুক বাৰেপতি খোঁচা-বিন্ধা কৰি থাকিছিল। বাৰীখন তাইৰ ক্ৰমাৎ আপোন আপোন লাগি আহিছিল। আৰু কেইমাহমানৰ আগতে যি দুখদায়ী ঘটনা ঘটি গ'ল, সেই ঘটনাই বাৰীখনক তাইৰ বেছি কাষ চপাই আনিলে। ঘটনাটোৰ পাছত তাইৰ মুখৰ মাত পাবলৈকে নোহোৱা হ'ল। সুবিধা পালেই তাইৰ মনটোৱে বাৰীখনত বিচৰণ কৰি থাকেগৈ। বাঁহনিডৰালৈ চকু গ'লেই তাই চকু ঘূৰাব নোৱৰা হয়। একেথৰে চাই থাকে— তেহেঁলে বাহিৰত পোহৰেই হওক বা আন্ধাৰ।

ৰাতিৰ আন্ধাৰ ক্ৰমাৎ কোমল হৈ ঈষৎ বেঙুনীয়া বৰণ ধৰোঁতেই কাউৰী-কেতেকীয়ে মধুৰ আঝও ধৰে। বকুলীয়ে তেতিয়াই স'ৰ পায়। কামিনীয়ে তেতিয়া অদ্ভুত ভংগিমাৰে শুই থাকে। বাহী চোতাল সাৰি উঠিহে বকুলীয়ে কামিনীক জগাই দিয়ে। পুৱৰ মনোলোভা টোপনিখিনি হেৰুৱাই সিদিনালৈকে তাই গোমোঠা মাৰিছিল। এতিয়াতো তাইৰ মুখৰ আন্ধাৰ কোমল নোহোৱাই হৈছে। ৰাতিৰ নৈমিত্তিক ঘটনা মনলৈ আহে, জলঙাৰে জুমি তাই বাঁহনিডৰালৈ চায়। অনেক চৰাইৰ মিশ্ৰিত আৱাৰে তাইৰ কাণত মৌ হৈ বৰষিব নোৱাৰে। মাকক কথাবোৰ কৈ দিব নেকি তাই? কিন্তু তাই ঠিক কৰে নকয়। ভূতে লম্বা বুলি সন্দেহ কৰি হাঁহে-বিয়েখন জুৰিব মাকে! আই ধৰতকৈ বাইধৰ চাৰহে হ'বগৈ। আগতেও তাইৰ তেনে অভিজ্ঞতা হৈছিল। গাঁৱত সমূহীয়া কালী পূজা। আঁউসী ৰাতিৰ আন্ধাৰ ফালি গাঁৱৰ মাজভোখৰতে থকা পূজাৰ থলীলৈ তাই মাকৰ লগত খোজ দিছিল। মাকৰ হাতৰ টিপ চাকিটো বতাহত ইতিমধ্যেই নুমাইছিল। আধা বাটতে কিবা এটাত তাইৰ হাতখন লাগি গ'ল। যেন কুকুৰ এটাৰ পিঠিখন! আতংকত মাক-জীয়েক দুয়ো চিঞৰি উঠিল। ওচৰতে দুজনে কথা পাতি আছিল। চিঞৰ শুনি এজনে টৰ্চ লাইট এটা জ্বলাই ধৰিলে। ক'তো একো নাই। নাই যে নাই একেবাৰেই নাই! ভ্ৰম? সকলোৱে তাকেই ক'লে। বঠি ধোৱা পানী খোৱাৰে পৰা আৰম্ভ কৰি বেজৰ মাদুলি, সৰিয়হ জৰা এইবোৰ ৰাতিয়েই আৰম্ভ হৈ গ'ল। তাইৰ বা মাকৰ কাৰো আৰু কালী পূজা চোৱা নহ'ল। কালী পূজাখন চাবলৈ দুয়োৰে বৰ হেঁপাহ আছিল। যিটো পঠা ছাগলী বলি দিবৰ কাৰণে অনা হৈছিল, দিনতে তাই সেইটো দেখিছিল। পঠাটোৱে নিৰিষ্টচিত্তে ঘাঁহ খাই আছিল। এবাৰ তাই দেখিছিল— মাৰি পেলোৱাৰ পাছত এটা পঠা ছাগলীৰ ডিঙিত সি খোৱা আঁহত পাত এটা প্ৰায় অক্ষত ৰূপত লাগি ৰৈছিল। সাত-আঠ বছৰীয়া এপাল সমনীয়াৰ মাজত তায়ো আছিল পঠা মৰা চায়। তাইৰ দুখ লাগিছিল। কালী পূজাৰ বাবে অনা পঠা ছাগলীটো দেখি দহ-বাৰ বছৰীয়া কামিনীৰ মনত পৰি গৈছিল বিয়াত মৰা পঠাটোলৈ। কালী পূজাৰ ক'লা পঠাটোক তাই মনতে সেৱা এটা কৰিছিল। দেৱতাৰ ভোগৰ বস্তু। ৰাতি সেইটোক বলি দিব। কটা মূৰটো পুৰোহিতজনাই অলপ দূৰৈত চিকুণাই থোৱা ঠাই এটুকুৰাত ভোগৰূপে এৰি থৈ আহিব। উভতি আহোঁতে লগত যোৱা মানুহবোৰে হেনো ঘূৰি নাচায়। কালী গোসাঁনীয়ে সেইখিনি সময়ত ভোগত ধৰে! তাই মনতে পাঙি থৈছিল— তায়ো যাব মানুহবোৰৰ লগত, ঘূৰি আহোতে চাব মাকালীৰ ভোগ গ্ৰহণ পৰ্ব! সেই কল্পনাতে ছোৱালীজনীৰ মনটো ভৰি আছিল। কিন্তু পূজা চাবলৈ যোৱাৰ বাটত ঘটি যোৱা ঘটনাটোৱে বিধি-পথালি দিলে। ঘৰলৈ ঘূৰি ঘৰৰে গোসাঁইঘৰত সোমাই তাই আৰু তাইৰ মাকে সেৱা কৰিছিল। গোসাঁইঘৰটোত গোসাঁই বা গোসাঁনীৰ কোনো প্ৰতিমূৰ্তি নাছিল। মাটিৰে টিপ সাজিহে থোৱা আছিল। মাটিৰ টিপটোত সেৱা কৰি তাই ভাবিছিল— একো অমংগল নহয়তো! পাছত পিতাকে অণুমিস্ত্ৰিৰ হতুৱাই থাপনা এখন সজাই দিছিল আৰু তাত কেইবাগৰাকীও গোসাঁই-গোসাঁনীৰ মূৰ্তি স্থাপন কৰিছিল। কালী পূজাৰ ঘটনাটোৰ দিনা তাইৰ পিতাক ঘৰত নাছিল। ঘৰলৈ আহিয়েই তেওঁ ঘটনাটো জানিবলৈ পাইছিল। তেওঁ সত্যনাৰায়ণ পূজা এভাগৰ মানস কৰিছিল। সত্যনাৰায়ণৰ পূজা চলি থাকোতে তাইৰ মনটো কালী গোসাঁনীৰ মূৰ্তিটোতহে নিবিষ্ট হৈ আছিল। আঁউসী ৰাতিৰ ঘন আন্ধাৰৰ দৰে গাৰ বৰণ, টিকটিকীয়া ৰঙা জিভা, বিবস্ত্ৰ শৰীৰ, ডিঙিত নৰমুণ্ডৰ মালা! ভয় আৰু শ্ৰদ্ধাৰ যুগপৎভাৱে তাইৰ মনটোত ক্ৰিয়া কৰিছিল। সেইদিন ধৰি তাই গোসাঁনীজনাৰ একান্ত ভক্ত হৈ উঠিছিল। তেতিয়াই আচৰিত হৈ তাই আৱিষ্কাৰ কৰিছিল–– তাইৰ মাকো ভক্ত হৈ উঠিছিল গোসাঁনীজনাৰ।!

মাক-বাপেকে কিয় ঘটনাটো ইমান গুৰুত্ব দি লৈছিল সেই কথা তাই তেতিয়াই বুজি উঠিছিল। তাইৰ বাপেক হোজা মানুহ আছিল। গাঁৱৰে বৰকথীয়া মানুহবোৰে তেওঁৰ চোতালখনকেই গল্প-গুজৱৰ স্থান হিচাপে ধৰি লৈছিল। মানুহবোৰক চাহ-জলপান যোগোৱাৰ ভাৰ পৰিছিল কামিনী আৰু মাকৰ ওপৰত। কথাৰ মহলা মাৰি মানুহবোৰে ৰাতি গহীন হোৱালৈকে ঘৰখন মুখৰ কৰি ৰাখিছিল। টোপনি ধৰিলেও মাকক সহায় কৰি দিয়াৰ দায়িত্বটো থকা কাৰণেই কামিনী শুব পৰা নাছিল। মানুহবোৰৰ কথাবোৰে তাইৰ মন-প্ৰাণ উৰাই ৰাখিছিল। বেছিভাগ কথাই আছিল হয় পৰচৰ্চা নহয় কোনো মুখৰোচক গল্প। অৱশ্যে তাইক বেছিকৈ আকৰ্ষণ কৰিব পাৰিছিল ভূত সম্পৰ্কীয় কথাবোৰেহে। ভূতৰ কথা ওলালেই তাই কুঁচি-মুচি মাকৰ বুকুত সোমাই পৰিছিল। উৎকণ্ঠিত, সন্দিগ্ধ চাৱনিৰে মাকৰ বুকুৰ মাজৰ পৰা তাই মানুহবোৰলৈ চাই ৰৈছিল। মানুহবোৰৰ কথা-বাৰ্তাৰ লগে লগে তেওঁলোকৰ মুখবোৰো বেঁকা-বেঁকি হৈ পৰিছিল। তেওঁলোকো যেন একো-একোটা ভূত! কাহিনীবোৰে প্ৰায়েই তাইক সপোনত আমনি কৰিছিল। এবাৰ প্ৰসন্ন বুঢ়াই এখন বিয়া খাই



মাজৰাতি যেতিয়া ঘূৰোঁতে ভূতৰ মুখামুখি হৈছিল। বিশালাকায় এজোপা আঁহত গছ আঁউসী ৰাতিৰ ঘন অন্ধাৰৰ মাজত কিবা আশ্চৰ্য শক্তিৰে শক্তিৱান হৈ জিলিকি আছিল। দূৰৈৰ পৰাই তেওঁ দেখিবলৈ পাইছিল— বগলী বগা ধুতী-চোলা পিন্ধি কোনোবা এজন স্বাস্থ্যৱান পুৰুষে তেওঁৰ আগে আগে গৈ গছজোপাৰ তল পাইছেগৈ। মানুহজনৰ মূৰৰ পাগুৰিটো, হাতৰ লাখুটিডাল আৰু কান্ধত পেলাই লোৱা চাদৰখন দূৰৈৰ পৰাই তেওঁ স্পষ্টকৈ দেখিবলৈ পাইছিল। বুঢ়া ডাঙৰীয়া? হয়! হয় মানে হয়েই। নহ'লে ইমান ৰাতি কোনে এনেদৰে অকলশৰে ঘূৰি ফুৰিব? প্ৰসন্ন বুঢ়াই ভয় খাইছিল, কিন্তু উপস্থিত বুদ্ধি হেৰুওৱা নাছিল। মানুহে কোৱাকুই কৰা তেওঁ আগতে শুনিছিল— বুঢ়া ডাঙৰীয়াই হেনো একো অনিষ্ট নকৰে। ৰাম নাম জপ কৰি বুঢ়া আহি থাকিল। এটা সময়ত তেওঁ গছজোপা পাৰ হৈ আহিল, কিন্তু ডাঙৰীয়াই তেওঁৰ কোনো অনিষ্ট নকৰিলে। যতীন বুঢ়াৰো এনেকুৱাই এটা অভিজ্ঞতা হৈছিল। গাঁওখন নৌপাওঁতেই পোৱা বহল পথাৰখনৰ মাজত এজোপাই গছ। কেন্দু গছ। গছজোপাৰ কাষতে থকা পিটনিখনৰ পাৰতে প্ৰকাণ্ড গা-গাঁৰিৰে, কোনোবা এজন জুপুকা মাৰি বহি আছিল। তেওঁ কিছু দূৰৈত থাকোতেই হঠাতে সেইটোৱে মূৰ তুলি চালে। মূলাৰ দৰে দীঘল দীঘল দাঁত আৰু মাটি কঁঠালৰ পাতৰ দৰে দীঘল দীঘল নখকেইটা। দেখিয়েই তেওঁ গম পাইছিল— সেইটো এটা দ'ত। দ'তবোৰে মানুহৰ তেজ শুহি খাবলৈ বৰ ভাল পায়। ডিঙিৰ সিৰত দাঁত বহুৱাই সি মানুহৰ সমস্ত তেজ শুহি খায় আৰু তেজহীন হৈ মানুহজন শেঁতা পৰি গ'লে তাতেই মানুহজনক মাৰি থৈ যায়। কথাটো মনত পৰাত সৰ্বাংগ ভয়ত কাতৰ-কম্পিত হৈ পৰিছিল যতীন বুঢ়াৰ আৰু সেই কম্পিত হাতেৰেই তেওঁ ভাগ্যক্ৰমে জেপত বিচাৰি পাইছিল এটা জুইবাহ। বিড়ি এটা জ্বলাই যতীন বুঢ়াই পুনৰ বাট ধৰিলে। তেওঁক জ্বৰ-ঘামেহে যেন ধুৱাই নিছিল! গোটেই বাটটো দ'তটোৱে তেওঁৰ পাছ লৈছিল। বিড়িৰ পাছত বিড়ি জ্বলাই তেওঁ যেতিয়া গাঁৱত সোমাইছিল, তেতিয়াহে দ'তটোৱে তেওঁৰ পাছ এৰিছিল। বিড়িৰ জুইখিনিৰ বাবেই ইচ্ছা থকা সত্ত্বেও ভূতটোৱে তেওঁৰ একো অনিষ্ট কৰিব নোৱাৰিলে। ৰসেশ্বৰ দোকানীয়ে আকৌ বাঁক এটাক লগ পাইছিল। বাৰিষা নামিছিল দেখি মাছৰ উজান উঠিছিল। গাঁৱৰ মানুহে দিনৰ দিনটো লগে-ভাগে মাছ মাৰিছিল। দুৰ্ভাগ্যবশতঃ ৰসেশ্বৰ দোকানী সেইদিনা গাঁৱত নাছিল। গাঁৱলৈ ঘূৰি তেওঁ মাছ ধৰাৰ আজন্ম নিচাত ঘৰৰ পৰা ওলাইছিল ৰাতিৰ আন্ধাৰ ফালি। গাঁৱৰ ৰাস্তাৰে আহি থাকোতে হঠাতে তেওঁ মন কৰিলে কোনোবা এটা কুঁ কুঁ শব্দ কৰি কান্দি আছে। তালৈ মন নকৰি তেওঁ আগবাঢ়ি গৈ থাকিল আৰু দেখা পালে— কান্দোনটো য'ৰপৰা আহিছে, তাতে এজোপা মজগছৰ লিৰলিৰিয়া পুলি এটা ৰাস্তাতে পথালিকৈ পৰি বাট ভেটি আছে। বাঁক! বাঁকে এনেদৰে মানুহলৈ ফান্দ পাতে! ৰসেশ্বৰ দোকানী ক্ষণিকৰ বাবে কিংকৰ্তব্যবিমূঢ় হৈ তাতে থিয় দি থাকিল। গছ পুলিটো দাঙি ধৰি তলেৰে পাৰ হ'ব খুজিলে বাঁকে হেঁচা মাৰি ধৰে যদি! আৰু দেই পাৰ হৈ যাব খুজিলে উচাল মাৰি আছাৰি পেলায় যদি! হঠাতে তেওঁৰ বুদ্ধি এটা মনত পৰিল। তেওঁ সেইমতে এচলু পেচাব গছজোপালৈ মাৰি পঠিওৱাৰ লগে লগে গছজোপা দাংখাই গ'ল। প্ৰস্ৰাৱ মাৰি পঠিওৱাত বাঁক পলাই যোৱা দেখি তেওঁ যথেষ্ট সাহসী হৈ উঠিল আৰু আন এচলু প্ৰস্ৰাৱ গায়ে-মূৰে ছটিয়াই ল'লে। গাত প্ৰস্ৰাৱ ছটিওৱাৰ সাহস বুকুত বান্ধিয়েই



ওৰে ৰাতি তেওঁ মাছ মাৰি থাকিল। কঁকালৰ খালৈটো পুৱালৈ মাছেৰে ভৰি উঠিল। ৰাতিৰ ৰাতিটো অকলে পায়ো তেওঁক বাঁকে নধৰিলে। সচৰাচৰ শুনিবলৈ পোৱামতে বাঁকে মাছ মাৰি থকা মানুহৰ পৰা মনে মনে মাছ চুৰ কৰি, বা কেতিয়াবা দেখাদেখিকৈয়ে কাঢ়ি নি টকালি পাৰি পাৰি খায়। মাছমৰীয়া মানুহক বাঁকে ৰাতি-বিয়লি অকলশৰে পালে মূৰটো তললৈ বোকাত পুতি থয়। সিদিনা খটোৱা সেই বুদ্ধিটোৰ কাৰণেই অকলশৰে পায়ো বাঁকে ৰসেশ্বৰ দোকানীৰ পৰা কিবা ক্ষতি কৰিব পাৰিলে, না মাছকেই খাব পাৰিলে।

পিছদিনাৰ পৰা অৱশ্যে ৰসেশ্বৰ দোকানীয়ে ৰাতি-বিয়লি মাছলৈ নোলোৱা হ'ল। বুদ্ধিটো বা সদায় খাটে নে নাখাটে! বাঁকৰ ভয়ত তিনিবাৰকৈ কোনোবাই নমতালৈকে তেওঁ ৰাতি মানুহক ঘৰৰ পৰা ওলাই এষাৰ মাতো নিদিয়ে। কিজানি বাঁকে মানুহৰ মাত ধৰি তেওঁক মাতিছে আৰু বাহিৰলৈ মাতি নি জালত পেলোৱাৰ চক্ৰান্ত কৰিছে! ৰসেশ্বৰ দোকানীৰ ধনলিপ্সু মনত অৱশ্যে এটা অপূৰণ বাসনা থাকি গ'ল। তেওঁ যে বাঁকক পায়ো বাঁকৰ জোলোঙাটো হাত কৰিব নোৱাৰিলে! বাঁকটোৰ গাত জালখনেৰে খেও এটা মাৰি দিলেই বন্দী হৈ গ'লহেঁতেন সি— আৰু বাঁকৰ জোলোঙা সৰিয়হৰ ভুলীত ভৰাই থৈ তেওঁ হ'ব পাৰিলেহেঁতেন প্ৰভূত সম্পত্তিৰগৰাকী! প্ৰসন্ন বুঢ়া, যতীন বুঢ়া, ৰসেশ্বৰ দোকানীকে আদি কৰি বেছিভাগ মানুহেই ভূতৰ এনে ভয়লগা কাহিনী কৈছিল, অৱশ্যে দুই-এজনে ভয় লগা কথাবোৰৰ উপৰি হাঁহি উঠা কথা কিছুমানো কৈছিল মাজে মাজে। পৰমা পুৰোহিতে হেনো ক'ৰবাত সত্যনাৰায়ণ পূজা কৰি ঘৰলৈ ঘূৰিছিল। যতীন বুঢ়াই কোৱা কেন্দু গছজোপা পাওঁ পাওঁ হওঁতেই কেইটামান ভূতে তেওঁক আগচি ধৰিলে। পৰমা পুৰোহিতৰ হাতত পূজা পতা গিৰিহঁতে এটোপোলা প্ৰসাদ দি পঠাইছিল। প্ৰসাদৰ আমোলমোল গোন্ধে ভূতবোৰক আকৃষ্ট কৰিছিল। নানা কথা কৈ ভূতবোৰে পৰমা পুৰোহিতৰ মন ভুলাবলৈ চেষ্টা কৰিছিল আৰু প্ৰসাদ খোজা আৰম্ভ কৰিছিল। উপায়ান্তৰ নেদেখি পৰমা পুৰোহিতে অনিষ্ট নকৰা ভূতকেইটাক প্ৰসাদ দিহে কেলকেলনিৰ পৰা ৰক্ষা পালে। তাৰ পাছত অকলে অকলে আহি থাকোঁতে বুঢ়াৰ ভাব হ'ল— আন এদল ভূতে যদি এইবাৰ প্ৰসাদ খোজে! তেওঁ আছিল উপস্থিত বুদ্ধিসম্পন্ন মানুহ, গতিকে তেওঁ আৰু পলম নকৰিলে। কেইবাদিনৰো আগৰে পৰা তেওঁ আমাশয়' হৈ আছিল। আনকি সেইখিনি সময়তো তেওঁৰ বৰপানী চুবৰ মন গৈ আছিল। ৰাস্তাটোৰ কাষত বহি লোটাটোতে তেওঁ কামফেৰা কৰিলে আৰু আহি থাকিল। তেওঁ যি ভাবিছিল সেয়াই হ'লগৈ। আন এদল ভূতে তেওঁক আগচি ধৰি প্ৰসাদ খুজিলে। লোটাটো কঢ়া-আঁজোৰা কৰি শেষ কৰি উঠি ভূতবোৰে ক'লে— 'আতা, প্ৰসাদতো আমি আগতেও বেলেগ

বামুণৰ পৰা খাইছোঁ, আজি কিন্তু প্ৰসাদৰ সোৱাদ বেলেগ বেলেগ লাগিছে।' পৰমা পুৰোহিতে ক'লে— 'আজি এনেকুৱাই প্ৰসাদ।' এনেকুৱা দুই-এটা পাতল ধৰণৰ গল্প কথিত হ'লেও কিশোৰী কামিনীয়ে মন কৰিছিল— ভয় লগা কাহিনীবোৰৰ জনপ্ৰিয়তাৰ হেঁচাই এনেকুৱা গল্পবোৰক ভালকৈ উশাহ ল'বলৈকে দিয়া নাছিল।

ভূতৰ কাহিনী কোৱা মানুহবোৰে সঁচাকৈয়ে ভূত দেখক-নেদেখক, প্ৰত্যেকেই কিন্তু দাবী কৰিছিল ভূতে কোনোদিনে তেওঁলোকক নলভাব কাহিনী! তেওঁলোকৰ বুদ্ধি, সাহস আৰু ধৈৰ্যৰ গুণত ভূত নিৰস্ত হৈ পৰিছিল। তেওঁলোকৰ মাজৰেই কিছুমান অৱশ্যে ভূতে লম্ভা মানুহৰ কথাও মাজে মাজে উনুকিয়াইছিল। ভূতে মানুহক হেনো এনেয়ে নধৰে। কোনো কথাত ছিদ্ৰ ধৰিব নোৱাৰিলে যেনেদৰে মানুহৰ গাত শনি লম্ভিব নোৱাৰে, তেনেদৰে নোৱাৰে ভূতেও। দিন-কাল বেয়া হ'লে এই অশৰীৰী প্ৰাণীবোৰক জয়াল ঠাইত মানুহে লগ পায়। এই প্ৰাণীবোৰে নিজৰ ৰূপ ধাৰণ কৰি চলা-ফিৰা কৰাৰ সময়ত কোনো মানুহ সিঁহতৰ কাষেৰে পাৰ হৈ গ'লে তেওঁক ভূতে লম্ভে। এই অশৰীৰী প্ৰাণীবোৰ সাধাৰণতে পিটনি, পানী, জুনবত্তি, অকলশৰে থকা ডাঙৰ গছ আদিত থাকে। এইবোৰ ঠাইত জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক, সৰুপানী, বৰপানী চুলে বা গচকিলে ইহঁতে ছল পায় আৰু সেই ছলতেই ইহঁতে মানুহৰ গাত প্ৰৱেশ কৰে। ভূতে লম্ভিলে মানুহবোৰ সাধাৰণতে পঁয়া লগাৰ দৰে হৈ পৰে যদিও চাউলপুৰীয়াৰ দৰে হৈ কাঁহীয়ে কাঁহীয়ে ভাত খায়! ভাতবোৰ আচলতে ভূতে খায়। মানুহজনৰ মুখৰ কথা হেৰাই যায় আৰু তীব্ৰকঁপে উঠা জ্বৰত ভোগে। কোনো আধুনিক চিকিৎসাৰ দ্বাৰা ভূতক হেনো খেদাব নোৱাৰি। বেজৰ বেজালিয়েই হেনো ভূত খেদোৱাৰ একমাত্ৰ পন্থা। বেজবোৰে সাধাৰণতে আচৰিত ধৰণৰ কাম কিছুমান কৰি ভূত খেদা আৰম্ভ কৰে। ডাঙৰ ডাঙৰকৈ অবোধ্য ভাষাত তেওঁলোকে মন্ত্ৰ মাতে আৰু তাৰ লগে লগে সৌকা বা কোনো মজবুত গছৰ ঠানিৰে মানুহজনক পাশৱিকভাৱে কোবায়। কেতিয়াবা আকৌ হয় শনিবাৰে নহয় মঙলবাৰে ভূত ধৰা মানুহজনৰ ঘৰত চয়তানৰ পূজা পাতে। ভূতে মানুহজনক এৰি গ'লে কিবা বস্তু, যেনে— গছৰ ডাল, ঘৰৰ দুৱাৰ-খিৰিকী আদি ভাঙি থৈ যায়। ভূত যে গ'ল, সেয়া হেনো তাৰেই চিন! ভূতে এৰা দিয়াৰ পাছত ভূতে লম্ভা মানুহজন অচেতন হৈ ঢলি পৰে আৰু তাৰ পাছত যেতিয়া জ্ঞান পায়, তেতিয়াহে তেওঁ সুস্থ হৈ উঠে। মানুহে কোৱাকুই কৰা বেজালিৰ বিভিন্ন পদ্ধতিয়ে কামিনীৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাই থৈ গৈছিল। তাই নিজেও এবাৰ দেখিছিল ভূতে ধৰা মানুহ এজনক। গভীৰ ৰাতি অকলে বাৰী ফুৰিবলৈ যাওঁতে তেওঁ হেনো ভূতৰ ছাঁ



গচকিছিল। এনেয়ে ভূতৰ ছাঁ নাথাকে বুলিয়েই কোৱা হয়, কিন্তু মিছা ছাঁ দেখুৱাই ভূতে হেনো কেতিয়াবা মানুহক ধৰেও! সেই তেতিয়াৰে পৰা মানুহজন বলিয়াৰ দৰে হ'ল। অসংলগ্ন বহু কথা-বতৰাই তেওঁৰ মুখত ভিৰ কৰিবলৈ ল'লে। তীব্ৰকঁপে উঠা জ্বৰটোও হেনো দিনক দিনে বাঢ়িহে যাবলৈ ধৰিলে! দূৰ-দূৰণিৰ পৰা বেজ অনা হ'ল, কিন্তু সকলো মিছা। কোনোৱে তেওঁক ভাল কৰিব নোৱাৰিলে। এবাৰ এগৰাকী বেজ আহিল আৰু দাবী কৰিলে যে তেওঁ মানুহজনক ভাল কৰিব পাৰিব। ওচৰৰ গাঁওবোৰৰ পৰা বেজালি চাবলৈ অহা মানুহেৰে ঠাই ভৰি পৰিল। সকলোৰে চকুৰ আগতে বেজে বেজালি আৰম্ভ কৰিলে। মানুহজনক চাৰি এখনত শুৱাই লৈ বেজে বেল গছৰ ঠানি এটাৰে উধাই-মুধাই কোবাবলৈ আৰম্ভ কৰিলে। এপাকত জালুক, জলকীয়া আৰু সৰিয়হ একেলগে তেলত পুৰি সেই তেল মানুহজনক শুঙোৱা হ'ল আৰু গায়ে-মূৰে সানি দিয়া হ'ল। আৰু সকলোকে আচৰিত কৰি মানুহজনৰ গাৰ সমস্ত সঞ্চালন বন্ধ হৈ গ'ল, মৃগী ৰোগীৰ দৰে মুখেৰে ফেন ওলাবলৈ ধৰিলে। এনেতে পদূলিমুখৰ পাতবাহাৰজোপা সশব্দে মাজতে ভাগি পৰিল। তাৰ লগে লগে মানুহজন নিথৰ হৈ পৰিল! বেজে সদম্ভে ঘোষণা কৰিব ধৰিলে— ভূত গ'ল! আৰু সঁচাকৈয়ে কিছুপৰৰ পাচত মানুহজনে জ্ঞান ঘূৰাই পালে। তেওঁৰ গাত তেতিয়া অসুস্থতাৰ কোনো লক্ষণেই নাছিল! মানুহজনৰ গাৰ পৰা ভূত খেদোৱা এই ঘটনাটো মনলৈ আহিলেই তাইৰ মনটো ঘূৰি যায় কালী পূজাৰ ৰাতিৰ সেই ঘটনাটোলৈ! কি আছিল সেয়া? হঠাতে নোহোৱা হৈ গৈছিল! সৰুৰে পৰা শুনি অহা ভালেমান ভূত-প্ৰেতৰ একোটা কাল্পনিক প্ৰতিমূৰ্তিয়ে কামিনীক কঁপাই থৈ যায়। কি আছিল সেয়া? টেলেকা-টেলেক চকু আৰু দীঘল-পাখল দাঁত-নখেৰে এটা পিশাচ? বুকুত টেলেকা-টেলেক চকুৰে এটা মুণ্ডহীন কান্ধ? শ্মশানৰ পৰা আত্মা আনি আখেজ পূৰণৰ কাৰণে পোহা বীৰা? তাই একো থিৰ কৰিব নোৱাৰে। ভাগ্য ভাল, কালী গোসাঁনীৰ কৃপাত কোনেও সিদিনা তাইৰ একো অনিষ্ট কৰিব নোৱাৰিলে।

ভূত-প্ৰেতৰ সেইবোৰ কাহিনী শুনি শুনি কামিনীয়ে পোনতে বৰ ভয় খাইছিল। সাজ লাগিলেই ঘৰৰ বাহিৰ নোলোৱা হৈছিল। সৰুপানী চুবলগীয়া হ'লেও মাকে টিপচাকি জ্বলাই অদূৰতে থিয় দি থাকিবলগীয়া হৈছিল। কৈশোৰৰ সেই ভয় ডাঙৰ হৈ অহাৰ লগে লগে পাতলি আহিবলৈ ধৰিলে। এটা সময়ত ভয়টো প্ৰায় নোহোৱাই হৈ পৰিল। গা ধুবলৈ গৈ ঔটেঙা বুটলিবলৈ বিনাদ্বিধাই বাৰীত সোমাব পৰা হ'ল। ডংডঙীয়া গাভৰু ছোৱালীজনীৰ ভয়-ভীত নোহোৱাকৈ বাহিৰলৈ গ'লে লাহে লাহে মাকৰহে ভয় লাগি আহিবলৈ ধৰিলে। এইহেন দুৰ্দিনত কোন সতেৰেনো তেওঁ ছোৱালীজনীক অকলে বাহিৰলৈ ওলাবলৈ দিব পাৰে এই ৰাতিখন? গতিকে টিপচাকি লৈ পৰ দিয়াৰ অভ্যাসটো জীয়েকৰ অনেক আপত্তিৰ পাছতো থাকিয়েই গ'ল বকুলীৰ। জীয়েকে আপত্তি কৰিলে তেওঁৰ অঁকৰা খং এটা উঠে। টানকৈ এবাৰ শুনাইহে তেওঁ ক্ষান্ত হয়। অৱশ্যে আজি কেইদিনমানৰ পৰা তাইৰনো কিয় মুখৰ মাত প্ৰায় হেৰাই গ'ল! তেওঁ মাথোঁ সন্দেহহে কৰিব পাৰিছে। কামিনীৰ কৰ্ম-কাণ্ডবোৰো কিবা আচহুৱা হৈ পৰিছে। হলৌ হলৌ খোজ দি তাই চকুৰ আৰে ঘেৰা ঠাইখিনি পায়গৈ; মাকে পাছে পাছে আহিলেও একো নোকোৱা হ'ল। মাকে মাতি থাকিলেও তাই ওভোতনি খোজ দিয়াৰ নামকে নলয়। একেথৰে বাঁহনিডৰালৈ চাই থাকে। আৰু

জীয়েকক তেনেকুৱাকৈ দেখিলেই বকুলীৰ গাটো সিৰিক্‌কৈ উঠে। কামিনীয়ে একেথৰে চাই থকা ঠাইখিনিতে আজি কিছুদিনৰ আগেয়ে মহীকান্ত মহাজনৰ পুতেকটোক খৰি দিয়া হৈছিল। বকুলীৰ ভয় লাগিবলৈ ধৰে। মৰণত শৰণ দি বকুলী আগুৱাই যায় আৰু জোৰকৈ জীয়েকক ঘৰলৈ ঘূৰাই আনে। 'কি হৈছে তোৰ ক'চোন, বধ দিছোঁ'— বুলি তাইক সোধে মানে সোধে, উত্তৰ হ'লে একো নাহে। জীয়েকৰ মূৰত হাত দি তেওঁ গিৰীয়েকৰ পৰা তাহানিতেই শিকি থোৱা শীতলা দেৱীৰ মন্ত্র এটা ফাহা-ফুহাকৈ মাতিব ধৰে। বিছনাখনত কামিনী তেতিয়া থৰ লাগি বহি থাকে। তাইৰ চকু দুটা জ্বলি থাকে ট টকৈ। মাজতে বকুলীয়ে ওজা এজনৰ পৰা আদা জৰাই আনিও জীয়েকক খুৱালে। জৰা সৰিয়হ আনি তাই গম নোপোৱাকৈ তাইৰ চাঙৰ তলত পুতিও থ'লে। কিন্তু তাইৰ আও-ভাওৰ একো সলনি নহ'ল। কি হ'ল তাইৰ? মহীকান্ত মহাজনৰ পুতেকৰ আত্মাই তাইৰ কেনেবাকৈ কিবা অনিষ্ট কৰিব খুজিছে নেকি? তায়েইনো সেই ঘটনাটোৰ পাছত ইমানকৈ সলনি হৈ গ'ল কিয়? দুয়োৰে মাজত কিবা সম্বন্ধই গা কৰি উঠিছিল নেকি? জীয়েকৰ সম্ভাব্য অনিষ্টৰ আশংকাত বকুলী বিতত হৈ পৰে তাইৰ একো অঘটন নঘটক— এই কামনাৰে কালী গোসাঁনীক সভক্তিৰে সেৱা এটি কৰে বকুলীয়ে।

কিন্তু বকুলীৰ মনোকামনা এইবাৰ সিদ্ধি হোৱাৰ লক্ষণ দেখা যাওক চাৰি সিদ্ধি নোহোৱাৰ লক্ষণহে দেখা যাবলৈ ধৰিলে। বকুলীয়ে ভাবিবই পৰা নাছিল— জীয়েকৰ মানসিক অৱস্থা যে ইমান বেয়াৰ ফাললৈ ঢাল খাইছে। বকুলীয়ে এনেয়ে ৰাতি উঠিবলগীয়া নহয়, জীয়েক বাহিৰলৈ গ'লেহে তেওঁ বিছনাৰ পৰা উঠে। কিন্তু সিদিনা ভৰ ৰাতি বকুলীয়ে হঠাতে সাৰ পাই গ'ল নিজে নিজেই। টোপনি আনিবলৈ চেষ্টা কৰি থাকোতে জীয়েকৰ কথা তেওঁ মনলৈ আহিল আৰু দুহাত দূৰৈৰ চাংখনত শুই থকা বিছনাখনলৈ সন্ধানী দৃষ্টিৰে চালে। কামিনী নাই তাত! বকুলী উঠি বহিল। ক'লৈ গ'ল কামিনী? বকুলী ক্ষিপ্র গতিৰে বিছনাৰ পৰা নামিল। সেয়া— দুৱাৰখন কাণী দুৱৰীকৈ খোলা! তাৰ মানে তাই বাহিৰলৈ ওলাইছে? নৰতীজনী উঠিবলগীয়া হ'লে অকলে উঠে কিয়? খং আৰু অস্থিৰতাৰ ভাবে তেওঁৰ বুকুখনত খুন্দা মাৰি ধৰিলে! বাহিৰলৈ ওলায়েই তেওঁ ইফালে-সিফালে চালে। কৃষ্ণা চতুৰ্দশীৰ নামমাত্র জোনৰ শেঁতা পোহৰত তেওঁ দেখিলে— নিমিষ নেপেলোৱাকৈ কামিনীয়ে চাই আছে বাৰী পাছৰ বাঁহনিডৰালৈ। চোতালৰ চুকলৈকে উধাতু খাই দৌৰি গৈ বকুলীয়ে চেপা মাতেৰে কামিনীৰ নাম ধৰি মাতিলে। অদূৰত থিয় হৈ থকা কামিনীৰ যেন তেতিয়াহে সম্বিৎ ঘূৰি আহিল। এখুজি-দুখুজিকৈ তাই ওভোতনি খোজ ল'লে। জ্বলি উঠা জুই একুৰা দেখিহে তাই বোলে ওলাই গৈছিল বাহিৰলৈ! জ্বলি উঠা জুই? মহীকান্ত মহাজনৰ পুতেকৰ আত্মাই ধনগুলৈৰ ৰূপ লৈ আহুদি কৰা নাইতো? ভাবনা-চিন্তাত বকুলীৰ সেই ৰাতি টোপনি নাহিল। চাংখনত ইকাতি-সিকাতিকৈ থাকি তেওঁ বাপ-মৰীয়া ছোৱালীজনীৰনো কি হ'ল তাকেই ভাবি-গুণি ৰাতিটোকে গধুৰ কৰি তুলিলে। পাছদিনাৰ গোটেই দিনটোতে বকুলীক সেই চিন্তাই হেঁচা মাৰি ধৰি থাকিল। মহীকান্ত মহাজনে তাইক কিছু লাচনি-পাচনি কৰি দিবলৈ মাতিছিল। কৃষ্ণা চতুৰ্দশীৰ জোনটোৰ দৰেই শীৰ্ণ আৰু অনুজ্জ্বল দেহাটোৰে দিনৰ দিনটো কাম কৰি থাকি বকুলীৰ বৰ ভাগৰ লাগিছিল। কিন্তু সদায়েইতো এনেদৰে চলি আহিছে! কেইবছৰমানৰ



আগতে যেতিয়া কামিনীৰ দেউতাকক কোনোবাই ঔষধ কৰি মাৰিলে, তেতিয়া বকুলীয়ে দিনতে আউসীৰ আন্ধাৰ দেখিবলৈ পাইছিল। শুকাই-খীণাই যোৱা মানুহজনক দেখি তেওঁক শুকানীহাৰা কৰা বুলিও অনেকে কোৱাকুই কৰিছিল। বেজৰ মতে কিন্তু তেওঁক কোনেও শুকানীহাৰা কৰা নাছিল, ভাতৰ লগত অখাদ্য খুৱাই ঔষধ কৰা কাৰণেহে হেনো তেওঁৰ তেনেকুৱা অৱস্থা হৈছিল। বেজে তেওঁৰ বেজালি খটুওৱাৰ দুদিন পাছতেই মানুহজন ঢুকাই থাকিল। বেজে মানুহজনৰ বাউসীত মাদুলি এটা বান্ধি দিছিল। কিন্তু আচৰিতভাৱে মাদুলিটো মানুহজনৰ গাৰ পৰা আপোনা-আপুনি অন্তৰ্হিত হৈ পৰিছিল। বেজে কোৱামতে ঘৰৰ মানুহেই হওক বা পৰৰ মানুহেই হওক, অশুচি গাৰে স্পৰ্শ কৰা বাবে মাদুলিটো নিজগুণে অন্তৰ্হিত হৈ পৰিছিল,আৰু সেই কাৰণেই হেনো বেজজনৰ বেজালি কোনো কামত অহা নাছিল।

জমা ধন নোহোৱাকৈ কোনোমতে চলি থকা ঘৰখনৰ অৱস্থা দিনকদিনে বেয়াৰ ফাললৈ ঢাল খাইছিল মানুহজন নাইকিয়া হোৱাৰ পাছত। সাঁচতীয়া লাম-লাকটু হয় বেছি নহয় বন্ধকত দি ঘৰখন আৰু কিমানদিন চলিব? সোনকালেই বকুলীয়ে ঘৰে ঘৰে কাম কৰি ফুৰিবলৈ ধৰিলে। লাহে লাহে কামিনীও ডাঙৰ হৈ উঠিল আৰু তাইৰ পৰা তেওঁ পালে সহায়, সহৃদয়তা আৰু যত্নৰ হাত। মাক-জীয়েকৰ মিলিত কাম-কাজে দুজনীয়া সংসাৰখন কোনোমতে চলাই নিবলৈ ধৰিলে। জীয়েকৰ মনটো অথিৰ হৈ থকা কাৰণে বকুলীয়ে অৱশ্যে যোৱা কেইদিনমানৰ পৰা তাইক কামলৈ যাব দিয়া নাই। মহীকান্ত মহাজনৰ ঘৰলৈ আহোঁতে ঘৰত অকলশৰে থকা জীয়েকৰ লগত লাগি থাকিবলৈ কাষৰে ছোৱালী ফুলক বকুলীয়ে কৈ আহিছে। কিন্তু বেলি হালি অহাৰ লগে লগে ঘৰলৈ ঘূৰিবলৈ বকুলী উত্রাৱল হৈ উঠিল। মহীকান্ত মহাজনে তাইৰ মনৰ ভাব বুজি সুধিলে— 'আজিনো তোমাৰ হ'ল কি? ঘৰত কিবা আয়োজন আছে যেন পাওঁ।' বকুলীয়ে যে জীয়েকৰ কাৰণেহে চিন্তা কৰিছে, তাক জনাৰ পাছত মহাজনৰ চকুৱে-মুখে প্রশ্নবোধক ভাব ফুটি উঠিল। বাধ্য হৈ বহু কথাই ভাঙি-পাতি ক'বলগীয়া হ'ল বকুলীয়ে। বকুলীয়ে মহাজনক কামিনীয়ে দেখা জুইকুৰাৰ কথা পৰ্যন্ত ক'লে, কিন্তু তেওঁ যে মহাজনৰ পুতেকৰ আত্মাই কিবা আহুদি কৰিব পাৰে বুলি ভয় খাই আছে, সেই কথা নক'লে। ক্ষন্তেক তভক মাৰি থাকি মহাজনে অভয় দিয়াৰ সুৰত ক'লে— 'তাৰ কাৰণেনো তই মুজুৰা পৰিব লাগেনে? ধনগুলৈ সেয়া। শ্মশানত ধনগুলৈ ওলায়েই আৰু কেতিয়াবা ধন-সোণ গুপুতে পুতি থোৱা ঠাইতো ওলায়। ভয় খাব নালাগে। তাইক বুজাবা। মন্নো বাৰু এপাক গৈ তাইক বুজাই থৈ আহিমগৈ।'

বকুলীৰ বুকুলৈ অলপ সাহস আহিল। ঘৰলৈ ঘূৰোঁতে বাটে বাটে তাই ভাবি থাকিল কথাবোৰ আৰু ঠিক কৰিলে— মহাজন আহক-নাহক, সিখন গাঁৱৰ বেজক মাতি থৈ আহিব তেওঁ। ক'বতো নোৱাৰি ধনগুলৈয়ে তাইৰ কিবা অনিষ্ট কৰিবও পাৰে। কিন্তু সন্ধিয়া হোৱাৰ ক্ষন্তেক পাছতেই বকুলীয়ে নাহিবই চাগৈ বুলি ভবা মহীকান্ত মহাজন তেওঁৰ ঘৰ পালেহি। ধনগুলৈ কি, ক'ত ওলায়, কিয় ওলায়— সকলো কথা নিৰহ-নিপানীকৈ বুজাই গ'ল কামিনীক। কোনো অপূৰণ লিপ্সা পূৰণ কৰাৰ উদ্দেশে বা মৰমৰ কোনো মানুহক এবাৰ চাই লোৱাৰ উদ্দেশেও যে ভূত-প্ৰেতে ধনগুলৈ হৈ দেখা দিব পাৰে, সেই কথাও ক'বলৈ নাপাহৰিলে। কথাখিনি কোৱাৰ সময়ত থৰ লাগি কামিনীয়ে মাটিলৈ চাই ৰ'ল। 'মৰমৰ কোনো মানুহক এবাৰ চাই ল'বলৈ' বুলি কওঁতে কামিনী যেন জিকাৰ খাই উঠিল। সেই মুহূৰ্তত বকুলীয়ে চালে মহাজনৰ চকুলৈ— তেৰোঁ বুজিছে নেকি তাইৰ মনৰ ভাব। কিন্তু সহৃদয়তাৰ চাৱনিৰ পৰিৱৰ্তে মহাজনৰ চকুত তেতিয়া কামনাৰ ধনগুলৈ। সেই ধনগুলৈয়ে কামিনীৰ শৰীৰটো এফালৰ পৰা পুৰি নিব খুজিছিল। বকুলী অস্থিৰ হৈ উঠিল। যাবৰ পৰত মহাজনে বকুলীক পিৰালিতে বিৰবিৰাই কৈ উঠিল গোপন এটি কথা। কামিনী আৰু তেওঁৰ পুতেকৰ মাজত বোলে সম্বন্ধ এটি গঢ়ি উঠিছিল। তেওঁ হেনো কামিনীৰ হাতে বোৱাৰীভাত খোৱাৰ কথাও চিন্তা কৰিছিল। সন্দেহ সঁচা প্ৰমাণিত হোৱাত বকুলী ভিতৰি ভিতৰি ঘামি উঠিল। মহাজনৰ পুতেকৰ আত্মাই কামিনীৰ অনিষ্ট কৰিবই নেকি? মহাজনে যে ক'লে ধনগুলৈ হৈ ভূতে মৰমৰ মানুহক চাবলৈ অহাৰ কথা। আঁউসী ৰাতিৰ আন্ধাৰৰ মাজেৰে মহাজন গৈ চাগৈ ঘৰ সোমালগৈ, বকুলী কিন্তু পিৰালিৰ আন্ধাৰতেই থিয় দি থাকিল বহু সময়। বোৱাৰী কৰি নিব খুজিছিল মহাজনে কামিনীক? তেতিয়াহ'লে মহাজনৰ চকুত জ্বলি উঠা সেই ধনগুলৈৰ অৰ্থ কি? মহাজন মানুহজন ভাল নহয় বুলি এনেয়েও দহজনে কোৱাকুই কৰে। একমাত্ৰ পুতেকটো পানত থাকোতে ঘৰপোৰা জুইত আধা পোৰা হ'ল আৰু দুদিন পাছতে মৰি থাকিল। কিন্তু আচৰিতভাৱে মহাজনে বিশেষ একো ভাবান্তৰ নেদেখুৱালে। ৰাইজখনে কোৱা-মেলা কৰামতে মহাজনে কিবা কাৰণত নিজেই হেনো পুতেকক মৰোৱাইছে। হ'ব পাৰে নেকি কথাবোৰ এনেকুৱা? ভাবি ভাবিও একো থিৰ কৰিব নোৱাৰিলে বকুলীয়ে।

ইপিনে ৰাতি হৈ আহিছিল। যদি ধনগুলৈ ওলায়, আজি ৰাতিও ওলাই যাব নেকি তাই মনে মনে? বাৰেপতি হাক দি থাকিও বকুলী আশ্বস্ত হ'ব নোৱাৰিলে। চাঙত পৰিও সেই হাক-বচন দোহাই দোহাই আওৰালে বকুলীয়ে। তেওঁ ভাবিলে— কালিলৈ ক'লৈকো যাব নালাগে কাম কৰিবলৈ, গতিকে আজি টোপনি নগ'লেও হ'ব, কাইলৈ টোপনি পূৰাই ল'ব পৰা যাব। তেওঁ জাগি থাকিবলৈ চেষ্টা কৰিলে। কিন্তু আগ ৰাতি টোপনি খতি কৰা কাৰণেই হওক বা দিনৰ প্ৰচণ্ড শাৰীৰিক শ্ৰমৰ বাবেই হওক, ক'ব নোৱাৰাকৈয়ে বকুলী টোপনিত ঢলি পৰিল। মাকলৈ পিঠি দি বাগৰি থকা কামিনীৰ পাছে চকুৰ পতাই জাপ নাখালে। বেৰৰ জলঙাৰে তাই বাহিৰলৈ চাই থাকিল ধনগুলৈ ওলোৱালৈ। জুইকুৰাই অতদিনে তাইক গভীৰভাৱে আকৰ্ষণ কৰি আহিছিল। ই ক্ৰমাৎ বাঢ়ি যোৱা বাবেই কিছুদিনৰ পৰা মাকে নজনাকৈ তাই বাহিৰলৈ ওলাই যোৱা আৰম্ভ কৰিছিল আৰু অপলক নেত্ৰে চাই আছিল চোতালৰ চুকৰ পৰা। কালি মাকে সেই কথা গম পাই ভয়ত বিতত হ'ল। কামিনীৰ পাছে একো ভাবান্তৰ নহ'ল। ধনগুলৈটোৱে তাইক মাতে নেকি? মহাজনে কৈ গ'ল— ধনগুলৈৰ ৰূপ ধৰি মৰা মানুহৰ আত্মাই মৰমৰ মানুহ চাবলৈ অহাৰ কথা! কোন মানুহৰ আত্মা সেয়া? ৰতিকান্তৰ? ৰতিকান্তৰ কথা মনলৈ অহাৰ লগে লগে তাইৰ কলিজা বিষাই উঠিল। মহাজনৰ পুতেক ৰতিকান্তৰ ল'গত তাইৰ সম্বন্ধ এটা গঢ়ি উঠিছিল। ৰতিকান্তই পৰম মমতাৰে কৈছিল তাইক— তাৰ জীৱনৰ বহু কথা, আৰু তাৰ জীৱনৰ বহুতো সপোনৰ কথাও। সিহঁতৰ সম্বন্ধটো মহাজনে বুজি উঠিছিল আৰু আন কোনোবাই তাক জানিবলৈ পোৱাৰ আগতেই সম্বন্ধটো ছিঙি পেলাবলৈ হেনো ৰতিকান্তক জোৰ কৰিছিল। তাৰ দিনচেৰেক পাছতেই ৰতিকান্তক জুয়ে পুৰিলে। ছাই হৈ ৰ'ল ৰতিকান্ত বাঁহনিডৰাৰ মাজত। সেই ৰতিকান্তৰ আত্মাই ৰূপ লৈছে নেকি ধনগুলৈৰ? ভাবনাৰ সোঁতত উটি-ভাহি পাৰ হৈ গ'ল বহু সময় আৰু এটা সময়ত বাঁহনিডৰাৰ মাজত দেখা গ'ল ধনগুলৈ। বহুকেইখন হাতে তাইক হাত বাউল দি মাতিছে কাষলৈ! বৰকৈ মন যোৱা সত্ত্বেও মাকে দিয়া হাক-বচন মানি তাই চাঙতে পৰি থাকিল। তাইৰ দুচকু পানীৰে ভৰি পৰিল। জুইকুৰা নুমাই যোৱাৰ পাছত এয়া সময়ত তাই শোৱাৰ আয়োজন কৰিলে। ৰতিকান্তই যে কৈছিল— ভূত-প্ৰেত এইবোৰ সকলো মিছা! ভয়েই হেনো ভূত আৰু ভয় খোৱাটো হেনো মনৰ ভাবহে। কিবা দেখি কিবা বুলি ভাবি ভয় খোৱা মানসিকভাৱে বোলে দুৰ্বল হৈ পৰে আৰু সেয়াই হেনো 'ভূতে লম্ভা মানুহ'! 'ভূতে লম্ভা মানুহ'ৰ হেনো চিকিৎসা সম্ভৱ! হয় জানো কথাবোৰ? জোৰকৈ দুচকু জপাই দিলে কামিনীয়ে। ঠিক এনে সময়তে তাইৰ চকুৰ পতাৰ ভিতৰখন ৰঙা হৈ উঠিল। বাহিৰত জুই? চকু মেলি দিলে তাই। *হয় খালৰ পাৰতে সেইকুৰা! ধনগুলৈ ওচৰ চাপি আহিল! ৰতিকান্ত* ওচৰ চাপি আহিল! উঠি বহিল কামিনী চাঙতে। জুইকুৰাৰ কাষতে কোন সেইজন? ৰতিকান্ত? কামিনী আৰু ৰ'ব নোৱাৰিলে। হাতত সাৰে ভৰিত সাৰে চাঙৰ পৰা নামি তাই দুৱাৰৰ ডাঙত হাত দিলে আৰু ভৰ আঁউসীৰ ঘন আন্ধাৰত মিলি গ'ল।

শেষ ৰাতি খালৰ পাৰত আৱিষ্কৃত হ'ল আধাপোৰা কামিনীৰ মৃতদেহ। আধা ৰাতিৰ পাশৱিক শৰীৰী অত্যাচাৰত ক্লান্ত হৈহে যেন তাই শুই আছিল। ধানখেৰৰ জোঁৰ এটা আধাপোৰা হৈ অলপ দূৰতে পৰি আছিল। ধনগুলৈয়ে পুৰি গ'ল তাৰ মৰমৰ মানুহজনীক? নে পুৰি গ'ল মহাজনৰ চকুৰ সেই ধনগুলৈয়ে। আধাপোৰা জোঁৰটোৱে নিষ্পন্দ আৰু কণ্ঠৰুদ্ধ বকুলীৰ তৰাংগায়িত মনত স্পষ্ট কৰি তুলিলে সকলো। সমাজত শৰীৰী ৰূপত বাস কৰা তেনে অপকাৰী ভূত-প্ৰেতক কোনে আঁতৰাব? কথাটো মনলৈ আহিল বকুলীৰ আৰু হঠাতে প্ৰতিশোধৰ একুৰা ধনগুলৈ জ্বলি উঠিল বকুলীৰ মনত দাউদাউকৈ। ভূতে ধৰাৰ ভয়ত একোখনকৈ দা-কটাৰি লৈ আহিছিল মানুহবোৰে। কোনেও টলকিবই নোৱাৰিলে— কি আশ্চৰ্য ক্ষিপ্ৰতাৰে শীৰ্ণ মানুহজনীয়ে সাতজনী বাঘিনীৰ সমান বলেৰে ধাৰাল দা এখন আঁজুৰি ল'লে মানুহ এজনৰ পৰা আৰু তেজ তৃৰ্যাত কালী গোসাঁনীৰ দৰে সাইলাখ একে ৰূপ ধৰি ঢাপলি মেলিলে বাৰীয়ে বাৰীয়ে। ঘটনাৰ আকস্মিকতাই থৰ লগোৱা মানুহখিনিয়ে এই কথাও কোনোপধ্যে অনুমান কৰিব নোৱাৰিলে যে ঈষৎ বেঙুনীয়া পুৱাটোৰ মাজেৰে মানুহজনীয়ে যি ৰণচণ্ডী ৰূপ ধৰি চোঁচা মাৰি গ'ল, সেয়া মহীকান্ত মহাজনৰ বিশাল ঘৰটোত কাল আঁউসী নমোৱাৰ আয়োজনৰ বাহিৰে আন একো নহয়। ■

*(কাহিনীৰ জঁকাটো লোক-কথা আশ্ৰিত— লেখক)*



**প্ৰাচীন কীৰ্তিচিহ্নসমূহ বিলুপ্ত হোৱা মানেই অতীত বুৰঞ্জী বিলুপ্ত হোৱা। এই প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ জৰিয়তেই আমি এটা জাতিৰ অতীত জীৱনৰ সভ্যতা-সংস্কৃতি, শিল্পকলা ইত্যাদিৰ বিষয়ে জানিব পাৰো। কাৰ্লাইলে কৈছিল যে যি জাতিৰ ইতিহাস নাই সেই জাতিৰ ভৱিষ্যৎ নাই। গতিকে প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ উচিত মূল্য বুজি সংৰক্ষণ কৰা উচিত।**

# অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন ঃ সংৰক্ষণ আৰু ভৱিষ্যৎ

ৰঞ্জনজ্যোতি বেজবৰুৱা

(১)

প্ৰাচীন কীৰ্তিচিহ্নসমূহে কোনো এটা জাতিৰ কোনো এক নিৰ্দিষ্ট সময়ত গঢ় লৈ উঠা সভ্যতা-সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্মীয় বিশ্বাস, শৈল্পিক প্ৰতিভা ইত্যাদিৰ বিষয়ে নানাধৰণৰ তথ্য প্ৰকাশ কৰে। প্ৰাচীন কীৰ্তিচিহ্নসমূহে এটা জাতিৰ গৌৰৱৰ ধ্বজা বহন কৰাৰ লগতে ঐতিহ্যৰ অনুৰণন ঘটায়। প্ৰাচীন কীৰ্তিচিহ্নই প্ৰাচীন ঐতিহ্যসম্বলিত যিকোনো সম্পদ-সংস্কৃতি, স্থাপত্য, ভাস্কৰ্য, মঠ-মন্দিৰ, দেৱ-দেৱীৰ মূৰ্তি, শিলালিপি, সাঁচিপতীয়া পুথি, শিলৰ সাঁকো ধ্বংসাৱশেষ ইত্যাদিক বুজায়।

অসমীয়া জাতিৰ ইতিহাস সমন্বয়ৰ ইতিহাস। সময়ে সময়ে বৃহত্তৰ অসমত বিভিন্ন ৰাজবংশই ৰাজত্ব কৰি বিভিন্ন ধৰণৰ কীৰ্তিচিহ্ন এৰি গৈছে। কিন্তু এই সকলো ৰাজবংশৰ ভিতৰত আহোমসকলৰ অৱদান সকলোৰে ঊৰ্ধত। ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, জয়দৌল, শিৱদৌল আদিয়ে গৌৰৱৰ বিজয় ধ্বজা উৰাই আছে। আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰি যোৱা এই ঘৰ আৰু দৌল আমাৰ দেশৰ পুৰণি কীৰ্তিচিহ্ন আৰু বৰ্তমান গৌৰৱৰ সম্পদ। এইবোৰৰ দৰেই দ-পৰ্বতীয়াৰ শিলৰ দুৱাৰ তোৰণ, বামুণী পাহাৰ, সূৰ্যপাহাৰ আদিৰ পুৰণি ধ্বংসাৱশেষ, ন-নাথৰ পোৰামাটিৰ ভাস্কৰ্য, নীলাচলৰ কামাখ্যা মন্দিৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱ আদিকে কৰি মন্দিৰসমূহ, ডিমাপুৰৰ প্ৰাচীন ৰাজহাউলিৰ চিহ্ন, অসমৰ ঠায়ে ঠায়ে থকা প্ৰাচীন সত্ৰসমূহ, সময়ে সময়ে উদ্ধাৰ কৰা শিলালিপিসমূহ ইত্যাদি আলেখ সম্পদ আমাৰ অসমৰ লগতে সমগ্ৰ দেশৰে গৌৰৱৰ বস্তু। এই প্ৰাচীন কীৰ্তিচিহ্নসমূহে প্ৰাচীন অসমৰ বহুতো লিখিত আৰু অলিখিত ইতিহাস দাঙি ধৰে। অসমৰ কেইটামান উল্লেখযোগ্য কীৰ্তিচিহ্নৰ বিষয়ে চমু পৰিচয় দাঙি ধৰা হ'ল।

আহোম স্বৰ্গদেউসকলৰ ছশবছৰীয়া ৰাজত্বকালত অসমৰ ঠায়ে ঠায়ে নানা ধৰণৰ মন্দিৰ, দৌল, পুখুৰী, শিলালিপি আদিৰ নিৰ্মাণ হয়। শিৱসাগৰ জিলাৰ ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, জয়দৌল, শিৱদৌল, নামদাঙৰ শিলৰ সাঁকো ইত্যাদি অকল অসমৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰে গৌৰৱৰ সম্পদ। ৰংঘৰ স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দ্বিতীয় পুত্ৰ প্ৰমত্ত সিংহই ১৭৪৬ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰে। ইয়াৰ পৰা স্বৰ্গদেউ প্ৰমুখ্যে অন্যান্য বিষয়বৰীয়াই নানা ধৰণৰ ৰং-ধেমালি উপভোগ কৰিছিল। এই ঘৰটো দুমহলীয়া। তাৎপৰ্যপূৰ্ণভাৱে, ইয়াৰ বেৰসমূহত সুন্দৰ সুন্দৰ ফুল আৰু নানা ধৰণৰ অৰ্থব্যঞ্জক দৃশ্য খোদিত কৰা হৈছিল। কিন্তু বৰ্তমান ইয়াৰ অৱস্থা শোচনীয়। ইয়াৰে ফুলসমূহ সমান কৰি দিয়া হৈছে আৰু কাৰুকাৰ্যসমূহ দিনক দিনে জহি-খহি গৈ আছে। তলাতল ঘৰটো সাতমহলীয়া। ওপৰত তিনি আৰু মাটিৰ তলত চাৰিমহল আছে। ১৭৬৫ খ্ৰীষ্টাব্দত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ইয়াক নিৰ্মাণ কৰাইছিল। ইয়াৰ তলেদি যাবপৰাকৈ সুৰংগৰ ব্যৱস্থা আছিল। ইয়াৰ একালেদি গৈ কাৰেংঘৰত আৰু অন্যকালে গৈ দিখৌ নৈত ওলাবগৈ পাৰিছিল। এই পকীঘৰবোৰৰ গাত ফুল-পাত, দেৱ-দেৱী, জীৱ-জন্তু, নৰ-নাৰী আদিৰ ছবি অংকন কৰা হৈছিল। পৰিতাপৰ কথা, বৰ্তমান এই তলাতলঘৰৰ চিনস্বৰূপে সামান্য ভগ্নাংশহে আছে। গড়গাঁৱৰ কাৰেংঘৰটোও সাত মহলীয়া। ইয়াৰ বেৰত দুটা কংকালেৰে তৈয়াৰ কৰা ড্ৰেগনৰ ছবিও দেখা যায়। শিৱসাগৰ পুখুৰীৰ পাৰত অৱস্থিত শিৱদ'লটোৰ বেৰ এশ ত্ৰিশ হাত আৰু উচ্চতা উনসত্তৰ হাত। স্বৰ্গদেউ শিৱসিংহই সজোৱা এই দ'লটোৰ মূধত এটা সোণৰ কলচি আছে। এই দ'ল— গৰ্ভগৃহ, গোপুৰম, মণ্ডপ আৰু তোৰণৰ অনুপম সৃষ্টি। শিখৰ নাগৰকৰ প্ৰকাৰ ভেদ। ইয়াৰ মূল শিখৰৰ উপৰি চাৰিওকাষে উপশিখৰ কিম্বা উৰমঞ্জীৰ সংযোজিত চকুতলগা। দেৱী দৌল শিৱসিংহই তৈয়াৰ কৰে। ইয়াৰ বেৰ আশী হাত আৰু উচ্চতা চল্লিশ হাত। ইয়াত কোনো মূৰ্তি নাই। বিষ্ণুদ'লৰ আকাৰ দেৱী দ'লৰ সমপৰ্যায়ৰ। বিষ্ণুদ'লৰ শিখৰত সৰু সৰু বৰ্গক্ষেত্ৰ আৰু তাৰ মাজত সুদৰ্শন চক্ৰৰ যি অলংকৰণ দেখা যায় সি কলাসম্মত। জয়সাগৰ পুখুৰীৰ পাৰত অৱস্থিত জয়দ'লৰ কাষতে এটা সূৰ্যমন্দিৰ আৰু এটা গণেশ মন্দিৰ আছে। দ'লবিলাকৰ ভিতৰত জয়দ'ল ভাস্কৰ্য আৰু গাঁথনিত সৰ্বশ্ৰেষ্ঠ আৰু শিৱদ'ল আটাইতকৈ বৃহৎ। আহোম যুগত নিৰ্মিত শিলসাঁকোৰ ভিতৰত নামদাং, দৰিকা, দিজৈ এই তিনিখন নৈৰ শিলসাঁকো এতিয়াও অক্ষত অৱস্থাত আছে। ডিমৌ, বহলৈ, নাফুক, হাঁহচৰা, জয়সাগৰ আদিত নিৰ্মিত ভালেমান সাঁকো ধ্বংস হ'ল। নামদাঙৰ শিলৰ সাঁকোখনৰ নিৰ্মাণ প্ৰণালী সঁচাকৈয়ে আশ্চৰ্যজনক। চটীয়া শিল গাঁঠি, তাত শলখা মাৰি সাঁকো তৈয়াৰ কৰা হৈছিল। নামদাঙৰ সাঁকোত কেইটামান মূৰ্তিও কটা আছে। হাঁহচৰাৰ শিলসাঁকোৰ ভগ্নাৱশেষত ফুল-পাত-লতা কটা মিহি ভাস্কৰ্য থকাৰ উপৰি কেইবাটাও নাৰীমূৰ্তি থকাৰ কথাও জনা যায়। শিৱসাগৰত কেতবোৰ ভাস্কৰ্যৰ সা-সঁজুলি তাৰ বৰপুখুৰীৰ পৰা উদ্ধাৰ হোৱা বুলি জনা যায়। এই পুৰণি কীৰ্তিচিহ্নসমূহ পুখুৰীৰ পাৰৰ কোনো বিষ্ণুমন্দিৰৰ ভগ্নাৱশেষ বুলি অনুমান কৰা হৈছে। ভাস্কৰ্য সম্পদবোৰৰ ভিতৰত গজলক্ষ্মী, বৰাহ অৱতাৰ, কামদেৱ, সৰস্বতী, অগ্নি আৰু মুনিৰ মূৰ্তি উল্লেখযোগ্য। আহোম যুগত নিৰ্মাণ কৰা শিল-ইটাৰ মৈদামসমূহ স্থাপত্যৰ অনুপম নিদৰ্শন। হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পূৰ্বে আহোমসকলে মৃতকৰ শৰীৰ বিশেষ পদ্ধতিৰে পুতি থৈছিল অৰ্থাৎ মৈদাম দিছিল। এই মৈদামবোৰৰ নিৰ্মাণ-পদ্ধতিয়ে উচ্চমানবিশিষ্ট কলাৰ নিদৰ্শন দাঙি ধৰে।

প্ৰাগ্ ঐতিহাসিক যুগৰ বলি-বাণৰ বীৰত্বৰ কাহিনীৰে মণ্ডিত, উষা-অনিৰুদ্ধৰ প্ৰেম-কাহিনী বিজড়িত চিত্ৰলেখাৰ মায়াৰে চমকৃত, আৰিমত্ত, হৰ্জৰ বৰ্মা আদিৰ কীৰ্তিৰে গৌৰৱান্বিত, কছাৰী, কোচ, আহোম ৰজাৰ পৰা ব্ৰিটিছৰ শাসন গৰকি যোৱা এই সুদীৰ্ঘ কালত হেজাৰজনৰ অকৃত্ৰিম অৱদানেৰে পৰিপুষ্ট অতীতৰ শোণিতপুৰ আৰু বৰ্তমানৰ তেজপুৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ সবাতোকৈ ইতিহাসমণ্ডিত এখন নিকা আৰু বিতোপন চহৰ। তেজপুৰৰ এমাইল পূবৰ বামুণী পাহাৰত সিঁচৰতি হৈ থকা ভাস্কৰ্য, তিনি মাইল পশ্চিমৰ দ-পৰ্বতীয়াৰ তোৰণ, গুপ্তকাশী বিশ্বনাথ ক্ষেত্ৰ, মহাভৈৰৱ, ভৈৰৱী, নাগশংকৰ, গুপ্তেশ্বৰ আদি অসংখ্য দ'ল-দেৱালয়, চ্যৱন মুনি আৰু ঋষ্যশৃংগ মুনিৰ পদৰজেৰে পবিত্ৰ ভোমোৰাগুৰি আৰু শিঙৰি পৰ্বত, হৰ্জৰ বৰ্মাৰ স্মৃতিবিজড়িত তেজপুৰ নগৰৰ উত্তৰ-পশ্চিমৰ হজৰাপুখুৰী ইত্যাদি আলেখ সম্পদেৰে গৌৰৱান্বিত তেজপুৰ। তেজপুৰ চহৰত আৰু ইয়াৰ আশে-পাশে বহুতো শিল পৰি আছে। ইয়াৰে কিছুমানত নিপুণ শিল্পীয়ে কটা ভাস্কৰ্য; বিভিন্ন শিল্পকৰ্ম দেখিবলৈ পোৱা যায়। বহুতো শিল্পৰ ভাস্কৰ্যত সূৰ্য দেৱতাক দেখা পোৱা যায়। তেজপুৰ চহৰৰ দাঁতিতে থকা দ-পৰ্বতীয়াৰ গাঁওখনত থকা তোৰণখনৰ বৰ্তমানৰ অৱস্থা শোচনীয়। এই তোৰণখন কোনো প্ৰাচীন মন্দিৰত লগোৱা শিলত কটা দুৱাৰ-তোৰণ বুলি ঠাৱৰ কৰা হৈছে। তোৰণখনত গংগা-যমুনাৰ উপৰি শিল্পশাস্ত্ৰমতে দুৱাৰ-তোৰণত থাকিবলগীয়া অনেক ভাস্কৰ্য আছে। মূৰ্তিবোৰৰ সুকুমাৰ গঠন নিৰ্মাণ বৈশিষ্ট্যৰ ফালৰ পৰা পণ্ডিতসকলে এই তোৰণখন গুপ্তযুগৰ বুলি ঠাৱৰ কৰিছে। এই তোৰণখন গুপ্তযুগৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তিচিহ্ন। কিন্তু এনে এটি

মূল্যৱান সম্পদকো মানুহে ধৰ্মৰ নামত অন্ধ হৈ পূজা-সেৱা কৰিবলৈ গৈছে আৰু তেল, সেন্দূৰ লগাই নষ্ট কৰি পেলাইছে। ১৯০৬ চনত তেজপুৰত জিলাৰ উপায়ুক্তৰ কাৰ্যালয়টো সাজিবৰ কাৰণে কৰা খনন কাৰ্যত সেই ঠাইডোখৰৰ উপৰি কেথলিক মিছনৰ চৌহদত কাৰুকাৰ্যখচিত শিলৰ বহুতো ভগ্নাৱশেষ ওলাইছিল। তেজপুৰৰ বামুণী-পাহাৰৰ ভগ্নাৱশেষবোৰো মন কৰিবলগীয়া। ভগ্নাৱশেষবোৰৰ পৰা পণ্ডিতসকলে অনুমান কৰিছে যে একেখন চোতালতে সাতোটা মন্দিৰ আছিল। এই ভগ্নাৱশেষ অষ্টম-নৱম শতিকাৰ কীৰ্তিচিহ্ন বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। উল্লেখ্য যে তেজপুৰ আৰু ইয়াৰ আশে-পাশে সময়ে সময়ে অনেক প্ৰাচীন কীৰ্তিচিহ্ন উদ্ধাৰ কৰা হৈছে।

ডিমাপুৰ বৰ্তমানে সুকীয়া ৰাজ্য নগাভূমিৰ অন্তৰ্গত হ'লেও সাংস্কৃতিক ক্ষেত্ৰত ডিমাপুৰৰ স্থাপত্য-ভাস্কৰ্য ব্ৰহ্মপুত্ৰ সভ্যতাৰ অৱদান। এসময়ত ডিমাপুৰ আছিল কছাৰী সভ্যতাৰ কেন্দ্ৰ। বৰ্তমানেও ডিমাপুৰত প্ৰাচীন ৰাজ-হাউলিৰ ধ্বংসাৱশেষ পোৱা যায়। ইয়াৰ বিজয়স্তম্ভবোৰ মন কৰিবলগীয়া।

অসমৰ প্ৰাচীন কীৰ্তিচিহ্নসম্বলিত তথা স্থাপত্য-ভাস্কৰ্যৰ গৌৰৱময় নিদৰ্শন মদন-কামদেৱ। কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ পৰা তিনি কিলোমিটাৰ দক্ষিণ-পূবত দিৱানগিৰি বা মদন-কামদেৱ পৰ্বত। এই দিৱানগিৰিতেই অৱস্থিত মদন-কামদেৱ দেৱালয়। মদন-কামদেৱলৈ যোৱাৰ পথত এখন বিভিন্ন মৈথুন চিত্ৰ খোদিত তোৰণ। তোৰণখন দেৱালয়ত থকা বিভিন্ন স্থাপত্যৰ আৰ্হিত নৱনিৰ্মিত। দিৱানগিৰিৰ দক্ষিণ-পশ্চিম প্ৰান্তত প্ৰতিষ্ঠিত ধ্বংসপ্ৰাপ্ত জৰাজীৰ্ণ টিনৰ চালিৰ এটি শৈলমন্দিৰ। মদন-কামদেৱ পৰ্বতত এনে এডোখৰ ঠাই নাই য'ত এটি মন্দিৰৰ ধ্বংসাৱশেষ নাই। দেৱালয় তথা ইয়াৰ চৌপাশে ধ্বংসস্তূপত পৰিণত হোৱা এনে এচপৰা শিল নাই য'ত শিল্পীৰ হাতৰ পৰশ পৰা নাই। কোন শিল্পীয়ে কাৰ পৃষ্ঠপোষকতাত এই মন্দিৰৰ নগৰী নিৰ্মাণ কৰিছিল সেই সম্পৰ্কে ইতিহাস নিমাত। এতিয়ালৈকে খননযোগে যিবোৰ শিল্প-ভাস্কৰ্য মাটিৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছে সেইবোৰ লৈ এক বিৰাট চাঞ্চল্যৰ সৃষ্টি হৈছে। এই অঞ্চলত অতীতত যে এক বিশাল সভ্যতাৰ সৃষ্টি হৈছিল আৰু ইয়াৰ যে এক গৌৰৱময়



ইতিহাস আছিল তাৰ স্বাক্ষৰ বহন কৰিছে খননকাৰ্যত উদ্ধাৰ হোৱা অসংখ্য শিলামূৰ্তি, কাৰুকাৰ্যখোদিত শিলাখণ্ড আৰু তাতোকৈ আশ্চৰ্যকৰ পোষ্কৰটা শিৱ মন্দিৰৰ ভগ্নাৱশেষ। প্ৰতিটো মন্দিৰৰ গঠন পদ্ধতি সুকীয়া। প্ৰায়বোৰ নগৰশৈলীৰ যদিও কোনো কোনোটোত দক্ষিণ ভাৰতীয় শৈলীও লক্ষ্য কৰা যায়। বৰ্তমান কোনোধৰণৰ লিপি উদ্ধাৰ নোহোৱাত পুৰাতত্ত্ব বিভাগে একাদশ-দ্বাদশ শতিকাৰ পালবংশীয় ৰজাসকলৰ দিনৰ সৃষ্টি বুলি অনুমান কৰিছে। উল্লেখনীয় যে মদন-কামদেৱৰ ভাস্কৰ্যশৈলীৰ লগত খাজুৰাহোৰ ভাস্কৰ্যশৈলী উপস্থাপনৰ যথেষ্ট সাদৃশ্য আছে। পৰিতাপৰ বিষয় যে এনে এখন প্ৰাচীন ঐতিহ্যসম্বলিত ঠাই চৰকাৰৰ দ্বাৰা বৰ্থখনি অৱহেলিত। মূল মন্দিৰটো হৈ নুঠাৰ পৰাই অনুমেয় ইয়াৰ প্ৰতি চৰকাৰৰ গুৰুত্ব কিমান। তদুপৰি উপযুক্ত ৰক্ষণা-বেক্ষণৰ অভাৱত বহুতো মূৰ্তি তথা অন্যান্য ভাস্কৰ্য জহি-খহি গৈছে। তদুপৰি প্ৰাকৃতিক দুৰ্যোগৰ ফলত বহুতো ভাস্কৰ্য মাটিৰ তলত পোত খাই আছে। উপযুক্ত ব্যৱস্থা হাতত ল'লে মদন-কামদেৱ ভাৰতবৰ্ষৰ অন্যতম শ্ৰেষ্ঠ পৰ্যটনস্থলীলৈ ৰূপান্তৰিত হ'ব।

কামৰূপ জিলাত মদন-কামদেৱৰ বাহিৰেও অন্য বহুতো ঠাইত অলেখ প্ৰাচীন কীৰ্তিচিহ্ন উদ্ধাৰ কৰা হৈছে। বিশেষকৈ গুৱাহাটী মহানগৰীত বহুতো কীৰ্তিচিহ্ন উদ্ধাৰ কৰা হৈছে। এই কীৰ্তিচিহ্নসমূহ বহুতো ঠাইত সিঁচৰতি হৈ আছে। গুৱাহাটীৰ ৰিজাৰ্ভ বেংক আৰু কটন কলেজৰ ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ সময়ত বহুতো প্ৰাচীন সামগ্ৰী উদ্ধাৰ কৰা হয়। খনন কাৰ্যত পোৱা পুৰণি ইটা, দেৱ-দেৱীৰ মূৰ্তি, মাটিৰ পাত্ৰ, শিলত খোদিত নক্সা, চীনা মাটিৰ পাত্ৰ, পোৰামাটিৰ মোহৰ আদিয়ে ভাৰতীয় প্ৰাচীন সংস্কৃতিৰ বহু কথাৰ সম্ভেদ দিয়ে। গুৱাহাটীত বহুতো শিলালিপি উদ্ধাৰ কৰা হৈছে। ইয়াৰ কিছুমানৰ পাঠোদ্ধাৰ কৰা হৈছে আৰু কিছুমানৰ হোৱা নাই। এই শিলালিপিৰ পৰা বহুতো প্ৰাচীন বুৰঞ্জীৰ সম্ভেদ পাব পাৰি। এই শিলালিপিসমূহৰ ভিতৰত 'কানাই বৰশী বোৱা শিলালিপি', 'সমুদ্ৰপালৰ আমবাৰী-শিলালিপি', 'সুৰেন্দ্ৰ বৰ্মাৰ উমাচলৰ শিলালিপি' আদি উল্লেখযোগ্য। তদুপৰি গুৱাহাটীত বহুতো তামৰ ফলি আৰু আহোম আৰু কোচ ৰজাৰ বহু মুদ্ৰা উদ্ধাৰ কৰা

হৈছে। এইসমূহৰ উপৰি বিভিন্ন ৰাজবংশৰ পৃষ্ঠপোষকতাত নির্মিত প্রাচীন মূর্তি আৰু ভাস্কর্যকলাৰ নিদর্শনসূচক স্মৃতিচিহ্ন উদ্ধাৰ কৰা হৈছে। ইয়াৰে বহুতো লুপ্ত হৈছে আৰু কিছুমান লুপ্তপ্রায় অৱস্থাত আছে। বশিষ্ঠাশ্রম, নৱগ্রহ মন্দিৰ, কামাখ্যা মন্দিৰ, ভূৱনেশ্বৰী মন্দিৰ, শুক্রেশ্বৰ মন্দিৰ, উমানন্দ মন্দিৰ, উর্বশী মন্দিৰ, ছত্রাকাৰ মন্দিৰ, দীর্ঘেশ্বৰী মন্দিৰ, জনার্দন দেৱালয়, বানেশ্বৰ দেৱালয়, ৰুদ্রেশ্বৰ দেৱালয়, আউনীআটী সত্র, মাছখোৱা বুঢ়া মছজিদ, আমবাৰীৰ বুঢ়া জামে মছজিদ ইত্যাদি অলেখ প্রাচীন কীর্তিচিহ্নই অসমৰ প্রাচীন ইতিহাস দাঙি ধৰে। দুখৰ বিষয় মানুহে ধর্মৰ নামত অন্ধ হৈ প্রায়বিলাক কীর্তিচিহ্নকে ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। প্রাকৃতিক দুর্যোগ যেনে- ভূমিকম্প, জলবায়ু, বানপানী আদিয়ে প্রাচীন কীর্তিচিহ্নসমূহৰ যিমান ক্ষতিসাধন কৰিছে মানুহে জানি-বুজি তাতোকৈ বহু বেছি ক্ষতিসাধন কৰিছে। কিছুমান মূল্যৱান সম্পদ অধিক মূল্যৰ বিনিময়ত বিদেশত বিক্রী কৰাৰো সম্ভেদ পোৱা গৈছে।

কামৰূপ জিলাৰ ব্রহ্মপুত্রৰ উত্তৰপাৰে অৱস্থিত হাঁজো অসমৰ ঐতিহ্যমণ্ডিত ঠাইসমূহৰ ভিতৰত অন্যতম। মহাকাব্য আৰু পুৰাণৰ সময়ৰ পৰাই বিখ্যাত এই ঠাইখনক পঞ্চতীর্থ বুলি কোৱা হয়। এই পঞ্চতীর্থকেইখন হ'ল হয়গ্রীৱ-মাধৱ, কেদাৰেশ্বৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ। হয়গ্রীৱ-মাধৱ বিষ্ণুমন্দিৰ। এইখন বৌদ্ধ-তীর্থ বুলিও প্রবাদ আছে। সেইদৰে পোৱামক্কা তীর্থ মুছলমানসকলৰ পবিত্র স্থান। শ্রীশ্রীদুর্গামন্দিৰ হাজোৰ এখন বিখ্যাত শক্তিপীঠ। হয়গ্রীৱ-মাধৱৰ শিল্পকলা অতি অনুপম। ইয়াৰ শিল্পকর্মৰ লগত উত্তৰ-ভাৰতীয় শিল্পৰ মিল থকা দেখা যায়। মন্দিৰৰ আৰ্হিৰ লগত ইলোৰাৰ কৈলাস গুহা মন্দিৰৰ সাদৃশ্য আছে। মন্দিৰৰ বেৰৰ চাৰিওফালে ভালেমান ডাঙৰ ডাঙৰ মূর্তি আছে। মন্দিৰৰ চাৰিওফালে অসংখ্য পুৰাকীর্তি ভগ্নাৱস্থাত সিঁচৰতি হৈ পৰি আছে। হয়গ্রীৱ-মাধৱ ভাৰতবর্ষৰ ভিতৰতে অন্যতম শ্রেষ্ঠ তীর্থস্থান হ'লেও ইয়াৰ পুৰাকীর্তিসমূহৰ সংৰক্ষণৰ ক্ষেত্রত বিশেষ ব্যৱস্থা হাতত লোৱা হোৱা নাই। উপযুক্ত ৰক্ষণাবেক্ষণৰ অভাৱত বহুতো পুৰাকীর্তি লুপ্তপ্রায় অৱস্থাত আছে।

বর্তমানৰ গোৱালপাৰা জিলাৰ শ্রীসূর্য পাহাৰৰ ভাস্কর্যই বহুতো প্রাচীন সভ্যতাৰ নিদর্শন দাঙি ধৰিছে। খননৰ জৰিয়তে বৃহৎ আকাৰৰ এটা পকীঘৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। ইয়াত থকা এটা কম এক লাখ শিৱলিংগ ব্যাসদেৱে খোদিত কৰোৱা বুলি প্রবাদ আছে। তদুপৰি দ্বাদশভূজা মনসামূর্তি (?), চন্দ্রদেৱতাৰ মূর্তি, শ্রীসূর্যৰ মূর্তি, জৈন তীর্থংকৰ আদিনাথৰ মূর্তি, বিভিন্ন স্থানত থকা গণেশ মূর্তি, বুদ্ধমূর্তি আদিয়ে প্রাচীন ভাস্কর্যৰ স্বাক্ষৰ বহন কৰি আছে। উল্লেখযোগ্য যে শ্রীসূর্যপাহাৰত এটা প্রকাণ্ড আকাৰৰ সূর্যচক্র উদ্ধাৰ কৰা হৈছে। তদুপৰি সেই ঠাইতে পিছত এখন বিস্ময়কৰ বেদী উদ্ধাৰ হৈছে। শ্রীসূর্যপাহাৰত যিটো 'চন্দ্রচক্র' আছে সেইটো সংৰক্ষণৰ অভাৱত ক্ষয়প্রাপ্ত হৈছে। শ্রীসূর্যপাহাৰৰ ভাস্কর্যসমূহ কোন সময়ত নির্মিত সেই বিষয়ে যথেষ্ট বাদানুবাদ আছে যদিও বিভিন্নজনে এই ভাস্কর্যসমূহ পালশৈলীৰেই নিদর্শন বুলি ক'ব খোজে। অসমৰ আন আন ভাস্কর্যসমূহৰ দৰে ইয়াৰ ভাস্কর্যসমূহো অৱহেলিত। তদুপৰি পুৰাতত্ত্ব বিভাগে শ্রীসূর্য পাহাৰৰ দাঁতিকাষত আৰু খননকার্য চলালে বহুতো প্রাচীন কীর্তিচিহ্ন উদ্ধাৰ হ'ব বুলি বিভিন্নজনে মতামত দিছে। পৰিতাপৰ কথা, পুৰাতত্ত্ব বিভাগে শ্রীসূর্য পাহাৰৰ ভাস্কর্যৰ সংৰক্ষণৰ নামত ল'বলগীয়া পদক্ষেপ লোৱা নাই। শ্রীসূর্য পাহাৰক পর্যটকৰ বাবে আকর্ষণীয় কৰি তোলাৰ ক্ষেত্রত বিশেষ ব্যৱস্থা হাতত লোৱা হোৱা নাই।

উপৰোক্ত প্রাচীন কীর্তিচিহ্নসমূহৰ উপৰি ন-নাথৰ পোৱামাটিৰ ভাস্কর্য, শদিয়াৰ প্রাচীন স্থাপত্য-ভাস্কর্য, অসমৰ ঠায়ে ঠায়ে সিঁচৰতি মঠ-মন্দিৰ আদি অলেখ কীর্তিচিহ্ন অকল অসমৰে নহয় সমগ্র ভাৰতবর্ষৰে গৌৰৱৰ সম্পদ। অসমত ইমান পুৰাকীর্তিসম্বলিত সম্পদ আছে যে সেই সকলোবোৰকে ইয়াত সামৰি লোৱাটো সম্ভৱপৰ নহয়।

প্রাচীন কীর্তিচিহ্নসমূহৰ সংৰক্ষণ অতি প্রয়োজনীয়। এইসমূহ বিলুপ্ত হোৱা মানেই অতীত বুৰঞ্জী বিলুপ্ত হোৱা। এই প্রাচীন কীর্তিচিহ্নসমূহৰ জৰিয়তেই আমি এটা জাতিৰ অতীত জীৱনৰ সভ্যতা-সংস্কৃতি, শিল্পকলা ইত্যাদিৰ বিষয়ে জানিব পাৰো। কার্লাইলে কৈছিল যে যি জাতিৰ ইতিহাস নাই সেই জাতিৰ ভৱিষ্যৎ নাই। গতিকে প্রাচীন কীর্তিচিহ্নসমূহৰ উচিত মূল্য বুজি সংৰক্ষণ কৰা উচিত। আমি সকলোৱে আমাৰ সম্পদসমূহক লৈ কেৱল গৌৰৱৰ ধ্বজা উৰুৱাই থাকিলেই নহ'ব, সংৰক্ষণৰ বাবে যথোপযুক্ত ব্যৱস্থা ল'ব লাগিব। চৰকাৰৰ অৱহেলাতে হওক, অথবা মানুহৰ অত্যাচাৰৰ বাবেই হওক, বর্তমানে অসমৰ বহুতো পুৰাকীর্তি ধ্বংসৰ গৰাহত। এনেকুৱা অৱস্থা আৰু বেছিদিনলৈ চলিলে আমাৰ গৌৰৱ কৰাৰ থলো নোহোৱা হ'ব। আমি কেতিয়াও পাহৰি যোৱা উচিত নহয় যে আমাৰ জাতিটোৰ ধর্মীয় আচাৰ-ব্যৱহাৰ, শৈল্পিক বিকাশ, জাতীয় পৰম্পৰা আমাৰ হেৰাই যোৱা সংস্কৃতি এই প্রাচীন কীর্তিচিহ্নতে নিহিত হৈ আছে। গতিকে আমি জানি-বুজি এইসমূহক ধ্বংসৰ গৰাহলৈ ঠেলি দিব নোৱাৰো। প্রকৃতিত কোনো বস্তুৱেই স্থায়ী হৈ থাকিব নোৱাৰে। তথাপি বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি এইসমূহৰ সংৰক্ষণ কৰিব পৰা যায়। অসমৰ সেমেকা জলবায়ু, বানপানী, ভুঁইকঁপ, বতাহ-বৰষুণ, দিনকদিনে ভয়ংকৰভাৱে বাঢ়ি যোৱা প্রদূষণ, বনাঞ্চল ধ্বংসকৰণ ইত্যাদি সমস্যাই প্রাচীন কীর্তিচিহ্নসমূহ সংৰক্ষণ কৰাত বাধাৰ প্রাচীৰ হিচাপে থিয় দিছে। উল্লেখনীয় কথাটো হ'ল ইয়াৰে প্রায়ভাগ সমস্যাই মানুহে নিজে সৃষ্টি কৰি লোৱা। সি যিয়েই নহওক প্রাচীন কীর্তিচিহ্নসমূহ সংৰক্ষণৰ জৰিয়তে এট জাতি বিভিন্ন দিশত লাভৱান হ'ব পাৰে এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে মন্দিৰ, সত্র, তীর্থস্থান, স্মৃতিসৌধ আদিয়ে মানুহৰ মন জয় কৰি জাতীয় পৰম্পৰ অক্ষুণ্ণ ৰাখে আৰু মানুহক আধ্যাত্মিক দিশত সবল কৰি ৰাখে। অনস্বীকার্য যে সামাজিক জীৱনত প্রাচীন কীর্তিচিহ্নসমূহে এক সুগভী স্থান দখল কৰিছে। এইসমূহৰ জৰিয়তে মানুহৰ জাতীয়তাবোধ বাঢ়ে আৰু ধর্ম প্রতি আগ্রহ জন্মে। প্রাচীন কীর্তিচিহ্নসমূহ জৰিয়তে প্রচুৰ অর্থ উপার্জন কৰিব পাৰি প্রাচীন কীর্তিচিহ্ন থকা ঠাইসমূহ পর্যটক বাবে আকর্ষণীয় কৰি গঢ়ি তোলা উচিত ইমান ন ন প্রযুক্তিবিদ্যা আৱিষ্কাৰ হৈছে এইবিলাকৰ প্রয়োগৰ জৰিয়তে প্রাচী কীর্তিচিহ্নসমূহ আৰু কেইবাশ বছৰ সংৰক্ষণ কৰাটো সম্ভৱপৰ। ■

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক পাৰিমণ্ডলত এক জাগৰণ সৃষ্টিকাৰী, অসমৰ শুক্লা দ্বিতীয়া, কটন কলেজত চলিত বৰ্ষত এখন বাৰ্তালোচনী প্ৰকাশ কৰা হৈছিল— সম্পাদক কটনিয়ানৰ উদ্যোগত— নাম দিয়া হৈছিল 'কটন কলেজ'। বিভিন্ন (বিশেষতঃ অৰ্থ সংক্ৰান্তীয়) কাৰণত মাত্ৰ দুটা সংখ্যা প্ৰকাশৰ পিচত অদম্য ইচ্ছা থকা সত্ত্বেও প্ৰকাশ বন্ধ কৰিবলগীয়া হোৱা এই বাৰ্তালোচনীৰ জৰিয়তে আমি কলেজৰ বিভিন্ন দিশৰ ওপৰত দৃষ্টিপাত কৰিবলৈ যথাসাধ্য চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

মহাবিদ্যালয়ৰ শতবৰ্ষ আৰু নৱাগত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণ দুয়োটা অনুষ্ঠানতে আমি এই পত্ৰিকা প্ৰকাশ কৰি উলিয়াইছিলো। তাৰেই খণ্ডচিত্ৰ— এই সংখ্যা কটনিয়ানত।

— সম্পাদক



# বিষয়ঃ কটন কলেজ

*উত্তৰ-পূৰ্বাঞ্চলৰ উৎকৰ্ষতাৰ প্ৰাণকেন্দ্ৰ— অসমৰ বৌদ্ধিক তথা বিদ্যায়তনিক দিশৰ এটা অন্যতম প্ৰতিষ্ঠান 'কটন কলেজ'— যাক লৈ মানুহৰ আগ্ৰহৰ অন্ত নাই, স্বপ্নৰ শেষ নাই— কিমান সাউদৰ পুতেকৰ কিমান নষ্টালজিয়া নিহিত হৈ আছে এই 'কটন কলেজ'ত। এশ বছৰ পূৰ্ণ কৰা এই গৌৰৱোজ্জ্বল প্ৰতিষ্ঠানক লৈ বিভিন্ন সময়ত বিভিন্নজনে লিখা 'কটন কলেজ' শীৰ্ষক এলানি ছন্দশিল্প আগবঢ়োৱা হ'ল মহাবিদ্যালয় শতবৰ্ষ বিশেষ সংখ্যাৰ 'কটনিয়ান'ত— সম্পাদক*

## কটন কলেজলৈ

ড° অমলেন্দু গুহ

লাজতে লুকালোঁ ল'ৰালিকালৰ ঘুমলীয়া জলছবি
লাহৰী হাতেৰে সাবটি ধৰিলা যিদিনা আদৰি লৈ,
তোমাৰ চকুৰ দাপোণত যেন নিজকে পালোহি চিনি,
একোটি দীঘল চুমাত, গাভৰু, জনালা পুৰুষ মই।

যৌৱনে মোৰ পাহি মেলি দিলে পদুম ফুলৰ দৰে,
দীঘলীৰ বুকু ব'ঠাৰ কোবত ছেদেলিভেদেলি কৰি,
লুইতৰ টান কোবাল সোঁতত জাপ দিলো একে লৰে
তোমাৰ মধুৰ প্ৰেৰণা, গাভৰু, হৃদয়ত তুলি ধৰি।

হৃদয়-হ্ৰদত সিদিনা কিমান থৌকিবাথৌ ঢৌ,
দৃপ্ত, সবল প্ৰতি খোজে খোজে গেলেৰী গুম্‌গুমাই
ইযৰৰ পৰা সিঘৰলৈকে কতবাৰ যোৱা অহা
সিদিনাৰ কথা, জানোচা গাভৰু, মনত আছে নে নাই?

'চুড়মাৰ্চন' হলত নিতৌ হৃদয়ৰ বিনিময়ঃ
তুমিয়ে শিকালা আভুৱাৰে ভৰা কিতাপৰ পাতখিলা,
ওৰে দেশ যদি সজাত বন্দী, যদি যন্ত্ৰণাময়
প্ৰাণ কোঁচ খায় বুটৰ তলত, ন্যায়ৰ শাসন ঢিলা।

তিৰিশ বছৰৰ বয়সত আজি জীৱনৰ মাজুলীত
থিয় দি সুধিছো, গাভৰু, তোমাৰ মনত আছে নে নাই,
তোমাৰ কাৰণে ছিঙিছিলো মই এজোপা হাচনাহানা
নিষেধৰ বেৰ, বাধাৰ ভ্ৰূকুটি, কাটি তাৰ আঁতৰাই!

কটা আঙুলিৰ তেজেৰে ৰাঙলী সিজোপা হাচনাহানা
শুকাব নোৱাৰে। আজিও কিজানি তোমাৰ ফুলদানীত
বিচাৰিলে পাবা এডোখৰ লিখা— 'হুয় ডিচেম্বৰ'
সময়ৰ দুখ উজলাই থকা যেন এটি বনগীত।

মোৰ শোণিতক [illegible] সিচিনা নচুৱাব পৰা নাই
কোনেও এনেকৈ [illegible] কলেজ, টেনিচ পথাৰ এৰি
মই উঠি গ'লো জনতা-সোঁতত— পোহৰবলিয়া ডেকা—
কণ্ঠত মোৰ চেৰিনেড হ'ল বলিয়া প্ৰভাতফেৰী।

চিৰ যৌৱনা কটন কলেজ, তিৰিশৰ ভালপোৱা
নালাগে তোমাক, চিৰ ওঠৰৰ লগত তোমাৰ প্ৰেম।
আজিও তোমাৰ দুৱাৰডলিত ওঠৰৰ অহা-যোৱা
আজিও তোমাৰ হাঁহিয়ে ভাঙিছে শুকান তপৰ ভেম।

তথাপি তোমাৰ পুৰণিকলীয়া স্মৰণৰ দাপোণত
বাৰে বাৰে কঁপে ফুকনৰ মাত, বাণী কাকতীৰ হাঁহি
বাৰে বাৰে কঁপে মোৰো মুখখনি, লাজকুমলীয়া মুখ
— তোমাৰ খোপাৰ পদুমকলিৰ খহিপৰা এটি পাহি।

তুমি অসমৰ দৃপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি-জুই,
তোমাৰ নাচৰ ছেৱে ছেৱে ফুল আশাৰ পাপৰিবোৰ—
উঠি-অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া,
লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ!

# কটন কলেজ ঃ ২০০১

ইছমাইল হোছেইন

জোনাকী পৰুৱা খেদি ফুৰা ল'ৰালিৰ দিনবে পৰা
তোমাৰ প্ৰেমত পৰিছিলো কটন কলেজ, হে প্ৰিয়তমা ঃ
সৃষ্টি আৰু সুন্দৰৰ ৰঙীণ ভাৱনা।

যৌৱনপ্ৰাপ্তি হ'লেই ল'ৰাবোৰ তোমাৰ প্ৰেমত পৰে
ষোড়শী গাভৰু হ'লেই ছোৱালীবোৰ তোমাৰ প্ৰেমত পৰে
তোমাৰ প্ৰেমৰ কি যে ৰাগিনী, কি প্ৰেম দিব জানা তুমি
জন্মতেই যৌৱনময় কটন কলেজ, তুমি চিৰন্তন যৌৱনা ঃ
প্ৰেম আৰু চেতনাৰ চিৰন্তন ভাৱনা।

সেউজীয়া পোছাক পিন্ধা তুমি কোন কাননৰ সুদৰ্শন পখিলা
তোমাৰ চুমাৰ পৰশত পথাৰবোৰ ঋতুমতী হয়, নদীয়ে গতি সলায়।

চোৱা, তোমাৰ পথাৰত ধানে থোঁৰ মেলিছে, টুনীয়ে বাহ সাজিছে
চোৱা, তোমাৰ চকুত নাহৰফুল ফুলিছে, ওঁঠত সপোন সৰিছে
চোৱা চোৱা, সপোন এটাক ডেকা গাভৰুবোৰে খেদি ফুৰিছে
চোৱা চোৱা, সপোনটো তোমাৰ কোলাত লুকাই কান্দিছে
তুমি সপোনৰ ৰাণী হৈ নিচুকাইছা তাক।

তুমি সপোনৰ মাতৃ ঃ তোমাৰ স্তনত সপোনৰ পিয়াহ
তুমি সপোনৰ পিতৃ ঃ তোমাৰ বুকুত সপোনৰ হিয়া
তুমি সপোনৰ ভগ্নী ঃ তোমাৰ চকুত সপোনৰ চাৱনি
তুমি সপোনৰ ভাতৃ ঃ তোমাৰ তেজত প্ৰেম আৰু বিদ্ৰোহৰ অগনি।

কটন কলেজ ঃ হে মোৰ আজলী সোণ, শিশুৰ নুফুটা মাত
কটন কলেজ ঃ হে মোৰ সোণালী সপোন, বসন্তৰ কুলিৰ মাত।

ক'ব পাৰানে তোমাৰ উপত্যকাৰে কিমান জুৰি বৈ গ'ল, কিমান নদী
ক'ব পাৰানে তোমাৰ বালিচৰত কিমান মৰুদ্যান, কিমান মৰুভূমি
ক'ব পাৰিবানে কিমানটা বসন্ত গৰকিলে যৌৱনপ্ৰাপ্ত হয় মানুহ
কিমানটা ফাগুণৰ অন্ততঃ মৃত্যুৱে গঢ়কে জীৱন, হেৰাই যায় সপোন।

এটা সপোনৰ অন্বেষণত তোমাৰ প্ৰেমিকবোৰ দৌৰিছে, তুমি আহি আছা
এটা সপোনৰ নৃত্যত প্ৰেমিকবোৰ নীল নদীত বুৰ মাৰিছে, তুমি চাই আছা
বিদ্ৰোহীবোৰে তোমাৰ পথাৰত সিঁচিছে বিপ্লৱৰ বীজ, তুমি ছাঁ দি আছা
যৌৱনবোৰ পকি সৰিবলৈ ধৰিছে, তুমি বুটলি আছা

কটন কলেজ ঃ হে মোৰ ঊনৈছ শ একৰ প্ৰিয়তমা
কটন কলেজ ঃ হে মোৰ দুহেজাৰ একৰ চিৰযৌৱনা
কাৰ বাবে গাইছা তুমি গান, জীৱনৰ জয়গান!!

# কটন কলেজ

প্ৰণৱ কুমাৰ বৰ্মন

তোৰ তামবৰণৰ দৃশ্যমান দেৱালত
কোনে কাটিছিল বেলিমুখী অজস্ৰ খিৰিকিৰ নক্সা
বোধিবৃক্ষৰ ছাঁ বিচাৰি উৰি যায়
হাইতাল বৰণৰ স্বপ্নাতুৰ এজাক চৰাই

ময়ো আছিলো তেনেকুৱা ফিনিক্স এটা
ফিজিক্সৰ ক্লাছত টোপোনিয়াই, টোপোনিয়াই
উপজিছিলো নিজৰে ছাইৰ পৰাই
উৰুৱাই আছিলো তোৰ বুকুত প্ৰেম আৰু যুদ্ধৰ পতাকা
তই কি দিলি মোক ভাল পোৱাৰ শেষ উপহাৰ
মৃত্যুৰ অন্তৰ্লীন চেতনা

লাইব্ৰেৰীৰ এন্ধাৰত কঁপি উঠা সহস্ৰ ঘণ্টা ধ্বনিৰ ঝংকাৰ
জীৱনেৰে শুজিম মই তোৰ এই সংবেদী ধাৰ
আৰু আছে ক'বলৈ- সোমবাৰ, দেওবাৰ
সোমবাৰে চিৰিবোৰ বগাওঁতে তোৰ বুকুৰ
অন্ত নাছিল বাসন্তিক উলাহৰ মোৰ

দত্ত চাৰৰ প্ৰদত্ত হ্যামলেটৰ প্ৰলাপ
কিমান অ'ফেলিয়া গুচি গ'ল নহতিয়াই মোৰ উদ্যান
মই ৰিফুউজী হ্যামলেট খেতিয়কৰ সবল সন্তান পৰি ৰ'লো
একোণৰ তোৰ
প্ৰেমৰ কি জ্যামিতিক হাৰ

আৰু আছে ক'বলৈ- শুক্ৰবাৰ
নতুন চিনেমাৰ পোষ্টাৰ– ক্লাছ খতি অসমীয়াৰ
কবিতা পঢ়ি কি হ'ব–জীৱন নিলিখা কথাৰ সমাহাৰ
জীৱন মানে উন্মাদনা আৰু নিঃসঙ্গতা
সন্ধিয়া আৰু ৰাতিৰ পাণবজাৰ

থাৰ্ডমেছৰ চল্লিছ নং কোঠাত
বৰগোহাঞিয়ে তাচৰ আড্ডাত লিখিছিল সাপ
চি.পি. এছে ভাটি খুৱাইছিল ৰেলিঙত আৰ্চী থৈ
অৰুণাচলী দৰ্জিয়ে দি. এচ.ৰ চাদত শিকিছিল ক, খ, গ, ঘৰ পাঠ
তোৰ মাখন গালত পৰা নাই, পৰা নাই সময়ৰ চাপ

আঁচোৰা নাই নখাল হাতোৰাই তোক
তই যেন চিৰ সেউজ মোৰ গাঁৱৰ খেতিপথাৰ
তই যেন প্ৰাচীন বোধিবৃক্ষৰ মমতাময় ছাঁ
মই বুদ্ধ, লৈ আহিছোঁ মৃত্যু আৰু জড়াৰ বিৰুদ্ধে যৌৱনৰ প্ৰস্তাৱ

এদিন তোৰ এই বুকুৱেদি হটঙা খোজেৰে
চুদমাৰ্চন আহিছিল
এদিন মাণিকলাল, হেন্‌ৰি কটনৰ কান্ধত হাত থৈ
বাণীকান্ত, নৱকান্ত-- তই যে কি নিলিখা বুৰঞ্জী
বুৰঞ্জী উমলগা গোন্ধ, সময়ৰ সুদৃশ্য যাদুঘৰ
তই যে কি দৰে প্ৰৰোচিত কৰ
উদ্‌যাপন কৰিবলৈ জীৱনৰ উৎসৱ
আৰু শিকাৰ আত্মদাহৰ বৰ্ণমালা

কটন কলেজ, কটন কলেজ
তোৰ স'তে থাকিব পাৰে মোৰ কি আখেজ
তোৰ স্বপ্নৰ উদ্যানত মই বুণেৱা, শ্বাহৰুখ, লিয়েণ্ডাৰ পেজ।

# কটন কলেজ

**ভাস্কৰজ্যোতি গগৈ**

যি সেন্দূৰীয়া বাটেৰে এদিন মই নামি আহিছিলো
এটা শিল হৈ এতিয়া সি তোমাৰ বাবেই উচুপি আছে

তোমাৰ মূৰৰ ওপৰত শূন্যতাৰ হাহাকাৰ
গণ্ডা চিলনীৰ ডেউকাৰ উলম্বত মোৰ সুদীৰ্ঘ জীৱনৰ আয়তন
ধানখেৰৰ উম বিচাৰি হালধীয়া হোৱা
হেমন্তৰ অনুজ্জ্বল বিষাদ
আইৰ আধলিৰ ঝনঝননি
দেউতাৰ মেটমৰা আশীৰ্বাদ

এদিন দুহাত মেলি নদীখন তুমিয়েই মোৰ বুকুলৈ যোৱাই আনিছিলা
এতিয়া মই হেঁপাহ উজাৰি তোমাৰ গানত তিতিব পাৰো
বিশ্বাসৰ ডাঙৰি কঢ়িয়াই কঢ়িয়াই
কুঁজা কৰিব পাৰো মোৰ আকাশ
প্ৰকৃততে মই দুৰন্ত প্ৰেমিক
বুকুলৈকে ডুবিব পাৰো পানীত

তোমাৰ বুকুত শইচৰ সপোন বিচাৰি
খিৰিকীৰ কাষৰ পৰা
যিদিনা মই ৰৈ ৰৈ চাইছিলো
যিদিনা এটা অনুচ্চাৰিত শব্দত ধূসৰ হৈছিল।
মোৰ বুকুৰ উদং উদ্যান
সিদিনাও মোৰ ভাবনাই এজোপা গছক
বৰ আকুলভাৱে মেৰিয়াই ধৰিছিল
মই উপৰ্যুপৰি বৰষুণ বুটলিছিলো

তুমি মোলৈ ৰ' লাগি চাইছিলো

মই উজনিৰ গাঁৱলীয়া ল'ৰা
আইটিৰ মেলা চুলিৰ সুবাস
গঞাৰ কঠিন হাতৰ ব্যাসাৰ্ধ
বাঁহীৰ সুৰৰ ওপৰেদি বৈ অহা অন্ধকাৰৰ এটা গুমুনিযাহ
এটা দীঘল পথৰ আবেলি
এদিন তোমাৰ উঠন বুকুৰ সমতলত হাউলি পৰিছিলো মই
ক'ত এৰি থৈ আহিলো মই মোক
ধানৰ থোকত ওলমি ৰোৱা
আইৰ হালধিসনা দুহাতৰ উদাস উচুপনি
সৰিয়হ ফুলৰ সাগৰ
বৰশীত লগা তেজে ফুটো ফুটো বেলি
ৰবাবৰ গোন্ধ
পথাৰ গেৰুৱা কৰা নৰাৰ বাঁহী
সেইখন আকাশ

এতিয়া মই পুনৰ 'শেৰালিজোপাৰ' দৰে
তোমালৈ [illegible]থৰে চাই আছো
তুমিয়ো [illegible] চাই আছা
সম্মুখত [illegible] পথৰ পৰিক্ৰমা
তোমাকচোন বিশ্বাসৰ বাহিৰে একোৱেই দিব নোৱাৰি

তোমাৰ দীৰ্ঘতম আয়ুসৰ সমতলত
সপোন বিভোৰ মোৰ নিদ্ৰাৰ পৃথিৱী
নিজক বিচাৰি [illegible] জীৱনজোৰা পথ
ছাঁ-পোহৰৰ মা[illegible]ত
আমি ইজনে-সিজ[illegible]ৰা বহু আঁতৰত

চোৱাচোন চোৱা অ' মোৰ হেঁপাহৰ কটন কলেজ
তোমাৰ মূৰৰ ওপৰতো এখন প্ৰেমৰ পৃথিৱী
কামধেনুৰ সাতোটা ৰং তোমাৰ বুকুত
তোমাৰ সাগৰৰ ব্যাপ্তচাত
আৰম্ভ নোহোৱা কিছুমান উৰুলিৰ স্বৰলিপি
হয়তো কোনো নীৰৱ কবিৰ আধালি[illegible] কবিতা
গোধূলি এটা মোক দিলা
আৰু জোনটো বিহাৰ আঁচলত বান্ধি তুমি গুচি গ'লা

এইদৰেই এদিন সকলো গান গোৱা মানুহ
তোমাৰ আকাশ চিৰাচিৰ কৰি গুচি যাব
মই মোৰ মাজলৈ উভতি যোৱাৰ বাট বিচাৰিম
বৰষুণজাকে বতাহত উলংগ হৈ নাচিব
তুমি বৰষুণত তিতিবা

এদিন তোমাৰ তেজৰ সেওঁতাৰে নামি আহিছিলো মই

গল্প

# ছাঁ-পোহৰৰ খেল

মণিকা দেৱী



এক

## সুমন্ত

সন্ধ্যা মোৰ ফাবৰ পৰা উছাট মাৰি গুচি গ'ল। মোক মাত লগাই থৈতো নগ'লেই, আনকি মোৰ পিনে এবাৰ উভতিও নাচালে। আৰু বহু পৰলৈ মই ভাবি থাকিলো এই যেন সন্ধ্যাই উভতি চাব। আৰু এটা খোজ দিয়েই যেন তাই মোৰ পিনে মুখ ঘূৰাব। সন্ধ্যাৰ খোজৰ গতি বাঢ়িহে গ'ল। এটা সময়ত তাই আঁহত জোপা'ৰ গুৰি পালেগৈ আৰু কেঁকুৰিটো ঘূৰি নেদেখা হৈ পৰিল। বতাহত হালি-জালি সন্ধ্যাৰ চুলিকোছাক জোকাই জোকাই তাইৰ ঠিক পিচে পিচে গৈ থকা আঁচলটোও মোৰ চকুৰ আঁৰ হ'ল। তেতিয়াহে মই বুজি পালো সন্ধ্যাই মোৰ লগত ধেমালি কৰা নাই। তাইৰ খং উঠা কথাটো একেবাৰে সঁচা। মই বৰ আচৰিত হ'লো। মোৰ এনে কি কথাতনো সন্ধ্যাৰ ইমান খং উঠিল! তাইক লগ পোৱাৰ পিচত এই সময়খিনি আমিনো কি কি কথা পাতিলো। মই প্ৰথমৰ পৰা ভাবি চালো। নাই বিশেষ কোনো কথাই মোৰ মনত পৰিব নুখুজিল। আচলতে এই গোটেই সময়খিনিয়েই মই অন্যমনস্ক হৈ আছিলো— ঠিক ভৰ দুপৰীয়া পাঠশালাবোৰত নেওতা পঢ়াৰ সমবেত বিষণ্ণতাৰ মাজত ৰাস্তাৰ গাড়ী চাই অন্যমনস্ক হোৱা ল'ৰাটোৰ দৰে। কাৰণ সন্ধ্যাৰ বাওঁগালৰ ঠিক সোঁমাজত থকা সেই তিলটো আনদিনাতকৈ বেছি উজ্জ্বল হৈ জিলিকি আছিল আজি।

বহুদিনৰ মূৰত আজি আমি একেলগ হৈছিলো। সন্ধ্যাই খুব চিন্তা কৰি আছিল। দুদিন পিচত তাইৰ প ীক্ষাৰ ৰিজাল্ট ওলা তাকে লৈ তাইৰ মনত চিন্তাৰ ভিৰ। কথাটো মোৰ একেবাৰে ভাল লগা নাছিল। পৰীক্ষা দিলে এদিনতো ৰিজাল্ট ওলাবই, আৰু যি হ'বলগীয়া আছে সেয়াতো এনেয়ো হ'বই। মিছা-মিছি কথাত সেই সুন্দৰ সময়খিনি নষ্ট কৰিবলৈ মোৰ অকণো ইচ্ছা নাছিল।

গোমোঠা হৈ পৰা সময়খিনিৰ লগত সন্ধ্যাৰ মুখখন মিলি যাওঁ যাওঁ হৈছিল নেকি— মই তাইৰ মুখলৈ চালো। আৰু সঁচা কথা ক'বলৈ হ'লে তাইৰ বাওঁ গালৰ হাঁহিৰ টোল পৰাখিনিৰ সোঁমাজত জিলিকি থকা সেই তিলটোৰ বাহিৰে মই আন একো নেদেখিলো। মুখ ভৰ্তি বিষণ্ণতাৰ চাকনৈয়াত হাবু-ডুবু খাই থাকিও তিলটোৱে মোৰ পিনে চকু টিপিয়াবলৈ পাহৰা নাছিল। যিয়েই নহওক লাগিলে তিলটো সদায় মোৰেই ফলীয়া, মই ভাবিছিলো । আৰু ঠিক তেতিয়াই

বনৰীয়া কচুফুলৰ নিষিদ্ধ গোন্ধৰ দৰে মতলীয়া ইচ্ছা এটা মোৰ মাজলৈ উজাই আহিছিল।

" তোমাৰ সেই তিলটো চুই চাওঁ দিয়ানা। মাত্ৰ এবাৰ।"— বিশেষ একো নভবাকৈ মই মোৰ ইচ্ছাৰ কথা সন্ধ্যাক কৈছিলো।

'এই অসভ্যালিবোৰ বাদ দিয়াচোন। মোৰ অকণো ভাল নালাগে।"— সন্ধ্যাই লগে লগে উত্তৰ দিছিল।

'অসভ্যালি, কোনেকৈ অসভ্যালি হ'ল এয়া। চোৱা, মই মাথোঁ তোমাৰ তিলটো চুবহে খুজিছোঁ। মোৰ আঙুলিৰে তিলটো দেও দি দি নামি আহিব, হাতৰ তলুৱাত জঁপিয়াই জঁপিয়াই খেলিব আৰু চাবা খেলি খেলিও ভাগৰি নপৰা তিলটো তোমাৰ গাললৈ উভতিবই নুখুজিব।"

আৰু মোৰ ঠিক এইখিনি কথাতেই সন্ধ্যাৰ খং উঠিছিল। হয়, হয় ঠিক এইখিনি কথাই আছিল। খঙৰ নিচাত সন্ধ্যা যি উঠি গুচি গ'ল, মোলৈ এবাৰো উভতি নাচালে। আৰু মই বৈ থাকিলো এই যেন সন্ধ্যাই উভতি চাব, আৰু এটা খোজ দিয়েই যেন তাই মোৰ পিনে মুখ ঘূৰাব....।

সন্ধ্যা গুচি যোৱাৰ পিচত আকাশলৈ জোনটো উঠি আহিছে। মই বৈ থকা ঠাইডোখৰত এজোপা নাৰিকল গছ আছে। বতাহে উচটাই দিয়াত নাৰিকলজোপাৰ পাতবোৰে দীঘল আঙুলি মেলি জোনটো চুবলৈ আগবাঢ়ি গৈছে। আগবাঢ়ি গ'লেই হ'বনে একো নভবা-নিচিন্তাকৈ। নোৱাৰে, পাতবোৰে কেতিয়াও জোনটো চুবগৈ নোৱাৰে। মই জানো এইটো একেবাৰে সঁচা কথা।

## দুই

### সন্ধ্যা

সুমন্তৰ পিনে এবাৰো নোচোৱাকৈ মই কেঁকুৰিটো পাৰ হৈ আহিলো। মই ভালদৰেই জানো তেওঁ যে বৈ থাকিব মই এবাৰ উভতি চোৱাৰ আশাত; কিন্তু মোৰ খং উঠিছিল। খং নুঠিবনে? মই আছো কিহৰ চিন্তাত আৰু তেওঁ ভাবিছে কি! কিবা এটা কথা যদি গভীৰভাৱে ভাবিলে হয়; নাই, কেৱল ওপৰে ওপৰে পানীত ওপঙি থকা কলমৌৰ ঠাঁৰিহে যেন। আগ নাই গুৰি নাই 'তোমাৰ তিলটো চুই চাওঁ দিয়ানা'। খং নুঠিবনে? হেজাৰবাৰ উঠিব। সেইপিনেদি কত মানুহৰ আহ-যাহ। কোনোবাই দেখা হ'লে! ভালেই হ'ল উঠি যে আহিলো।

এতিয়া ঘৰ গৈ পাওমানে পলমেই হ'ব। আইৰ আগত কৈছিলো মিনতিহঁতৰ ঘৰলৈ যাম বুলি। আয়ে চাগৈ পদূলিলৈ তাঁত-বাটি কাঢ়িবলৈ আৰম্ভ কৰিছে! ইফালে সৌৱা নাৰিকলজোপাৰ পাতৰ মাজেৰে জোন উঠিলেই।

ইমান খৰধৰকৈ আহিও এতিয়াহে মই এইখিনি পাইছোহি। এইখিনিৰ আনাৰসৰ খেতিডৰা পাৰ হৈ নাৰিকল কেঁইজোপাৰ সৈতে বিলখন, তাৰপৰা অলপ গৈয়েই সেয়া নামঘৰটো আৰু নামঘৰটোৰ ওচৰে-পাঁজৰে আমাৰ গোহালিৰ পৰা উটি অহা জগাৰ নাকত ধৰি যোৱা গোন্ধ।

আনাৰসডৰা পাৰ হওঁতে কাঁইটীয়া পাতবোৰ মোৰ কাপোৰত লাগি ধৰিছে। আৰু মোৰ কমি অহা খোজৰ অচিলা লৈ জোনটো নাৰিকলজোপাৰ পাতৰ আগলৈ উঠি আহিছে। নাই নাই জোন চাই থকাৰ মোৰ একেবাৰে সময় নাই। তুলসী তলত চাকি জ্বলাবলৈ অহা আইৰ চকু কিজানি বাৰে বাৰে পদূলিৰ ফালে গৈছে।

ৰাজহুৱাকৈ কৰা আনাৰসৰ খেতিডৰা ভাল হৈছে। আনাৰসৰ গাবোৰ লাহে লাহে ডাঠ আৰু খহটা হ'বলৈ ধৰিছে। সুমন্ত আৰু মোৰ বিয়া হ'লে আমাৰ জীৱনটোও আনাৰসৰ বাকলিবোৰৰ দৰেই হ'ব নেকি— খহটা, খহটা। বিয়াৰ পিচত কেতিয়াবা যদি সুমন্তক কওঁ 'ঘৰত খাবলৈ একো নাই, বজাৰলৈ যোৱাচোন', 'তেওঁ ক'ব— 'বাদ দিয়া আজি সকলো খোৱা-বোৱা। বাহিৰত ইমান ধুনীয়া জোনাক। ৰাতিটো কথা পাতিয়েই কটাই দিওঁ ব'লা।'— মই জানো সুমন্তই এনে ধৰণৰেই কিবা এটা ক'ব; মোৰ খং উঠি যোৱাকৈ। কি যে সংসাৰ হ'ব আমাৰ সেইখন!

আনাৰসৰ পাতবোৰৰ বাধা আঁতৰাই বিলখনৰ ওচৰ পাওঁহি মানে বহু সময় পাৰ হৈ গৈছে। বিলৰ কজলা পানী এতিয়া নিমাওমাও হৈ আছে। বিলখনৰ পিনে মই পিচে এবাৰো চোৱা নাই। ওখোৰা-মোখোৰা পাৰটোৰে খোজকাঢ়ি আহি থাকোতে মই বৰ চিন্তিত হৈ পৰিছো। আইৰ কিজানি খঙেই উঠিছে। মোক বিচাৰি ভাইটিক মিনতিহঁতৰ ঘৰলৈ নপঠিয়ালেই ৰক্ষা। উস্ মিছামিছি কথাত শেষ হৈ গ'ল আজিৰ আবেলিপৰটো।

বিলখনৰ শান্ত পানীত হঠাৎ ঢৌ উঠাৰ শব্দ হৈছে। ডাঙৰ মাছ-তাছ হ'ব পাৰে। মই উভতি পানীলৈ চাইছো। নহয়, নহয় ডাঙৰ মাছ নহয়। নাৰিকলজোপাৰ পাতৰ মাজৰ পৰা জোনটোহে পানীত সৰি পৰিছে। আৰু চিৰিলি-চিৰিলি পাতবোৰে দীঘল দীঘল আঙুলি মেলি পানীত হাহাকাৰ কৰি খেপিয়াই ফুৰিছে জোনটোক।

এতিয়া মই কোনসতে ঘৰলৈ গুচি যাওঁ— নাৰিকল পাতবোৰে জোনটোক বিচাৰি নোপোৱাকৈ, শেষ নোহোৱাকৈ সিহঁতৰ লুকা-ভাকু খেল। আজি উঠে যদিও উঠক আইৰ খং, ভাইটিক পঠিয়ালেও পঠিয়াওক মোক বিচাৰি! ইয়াতে মই নৰ'লেই যেন নহয় অলপপৰ!

পাৰ হৈ বাটটোৰ পিনে মই আকৌ এবাৰ চাইছোঁ। এই বাটেৰেই সুমন্তও আহে যদি আহক; ৰাতিপুৱা-গধূলি চৌকাৰ জুই বঢ়াই দিয়াৰ পৰা ঢেঁকীৰ খুন্দলিত ধান বঢ়াই দিয়ালৈ বিভিন্ন কৌশল আয়ত্ত কৰি ক্লান্ত হৈ পৰা মোৰ দুয়োখন হাতত ধৰি সুমন্তই কওক— 'ইমান সুন্দৰ তোমাৰ দুহাতৰ নক্সা।'

আৰু নাৰিকল পাতৰ দীঘল আঙুলিবোৰে পানীত ডুবি যোৱা জোনটোক বিচাৰি পাওঁ পাওঁ যেন হওঁতেই, পৃথিৱীৰ মানুহবোৰে কোনেও কাৰোপিনে নেচাওঁতেই সুমন্তই যদি চুই চাব খোজে মোৰ তিলটো, মই অকণো আপত্তি নকৰো, কেতিয়াও নকৰো। এৰি থৈ অহা বাটটোৰ পিনে সেয়ে মই উভতি উভতি চাইছোঁ। আহে যদি এতিয়াই আহক সুমন্ত ছাঁ আৰু পোহৰৰ এই অপৰূপ খেলালৈ! ■

# নাট্যবিধি (১৯) ১৮৭৬ঃ শাসকীয় নাট্য দৰ্শনৰ এক দলিল

ড° সীতানাথ লহকৰ

*সচতুৰ শাসকে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে দেশৰ দাসত্বৰ বিৰুদ্ধে জাতীয় ক্ষোভৰ উদ্‌গীৰণ নাটকৰ মাজেৰেও উঠলি উঠিবলৈ আৰম্ভ কৰিছে। এই জ্বালামুখ (নাটক) যিহে ভয়ংকৰ, তাক কোনো উপায়ে বন্ধ কৰাটো নিতান্ত প্ৰয়োজন।*

শাসক-শাসিত। দুই শ্ৰেণী-দুই সংস্কৃতি। নিৰন্তৰ দ্বন্দ্ব, সংঘাত আৰু সংস্কৃতিৰ। ৰজাঘৰীয়া সংস্কৃতি সদায় স্থিতাৱস্থাৰ প্ৰবক্তা তথা সংৰক্ষক, প্ৰতিক্ৰিয়াশীল। আনহাতে শাসিত সংস্কৃতি সদায় প্ৰতিবাদী-বৈপ্লৱিক। শাসিত জনগণৰ সংস্কৃতিত যেতিয়াই হয় পুঞ্জীভূত ক্ষোভৰ প্ৰকাশ, যেতিয়াই ই কঢ়িয়াই আনে প্ৰতিবাদৰ জ্বালাময়ী ভাষা, তেতিয়াই শাসক শ্ৰেণীয়ে ইয়াৰ ওপৰত চলায় নানা ঘৃণ্য আক্ৰমণ; আইন-শৃংখলাৰ দোহাই দিয়ে, চেপ্পৰশ্নিপৰ ক'লা জাল তৰে। তাতো কাবু কৰিব নোৱাৰিলে প্ৰতিবাদী, বিপ্লৱী সংস্কৃতিৰ কণ্ঠৰোধ কৰিবলৈ ৰচনা কৰে নানা ক'লা কানুন।

নাট্য পৰিবেশন বিধি (১৯), ১৮৭৬ [Dramatic Performance Act (19) 1876] তেনে এখন ক'লা কানুন। সময় তেতিয়া সাম্ৰাজ্যবাদী শাসন-শোষণৰ বিৰুদ্ধে দেশৰ জনগণৰ মাৰ বন্ধাৰ সময়। কেউফালে প্ৰতিবাদ, প্ৰতিৰোধ, বিক্ষোভ-বিদ্ৰোহ। দেশৰ বতাহেই যেন বিক্ষুব্ধ! নাটক যিহেতু সমাজৰ দাপোণ, গতিকে তেতিয়াৰ নাটকতো প্ৰকাশিত হ'বলৈ ধৰিলে দেশৰ দায়ত্বৰ বিৰুদ্ধে মুক্তিকামী জনতাৰ শৃংখল ছিঙাৰ আৱাজ। চতুৰ ব্ৰিটিছ শাসকে ভালদৰে জানে, নাটকৰ যাদুকৰী শক্তি আছে। শক্তিশালী ৰাজনৈতিক হাতিয়াৰ হ'ব পৰা ধাতুৰে নিৰ্মিত হয় একোখন যুগোত্তীৰ্ণ নাটক। সেয়ে নাটকত প্ৰকাশিত হ'বলৈ ধৰা গণৰোষে গোটেই দেশতে জুই জ্বলাই ব্ৰিটিছ শাসন নিশ্চিহ্ন কৰাৰ আগতে নাটকৰ কণ্ঠৰোধ কৰাটো যে অতীৱ প্ৰয়োজনীয় তাক সাম্ৰাজ্যবাদী ব্ৰিটিছ শাসকক কোনেও কৈ দিয়াৰ প্ৰয়োজন নহ'ল। গতিকে ভাৰতীয় জনগণৰ মুক্তি চেতনাক অৱদমিত কৰিবলৈ ৰচিত হ'ল নাট্য ইতিহাসৰ এক কলংকিত অধ্যায়,—নাট্য পৰিবেশন বিধি (১৯) ১৮৭৬। এই বিধি শাসকচক্ৰৰ হাতত গণ চেতনাৰ স্ফুৰণক বাধা দিবলৈ এনে এক জঘন্য অস্ত্ৰ হৈ পৰিল যে নাটকৰ মাধ্যমত প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰাটো খৰ্ব কৰিবলৈকে স্বাধীনতাৰ ইমান বছৰ পিছতো বিভিন্ন ৰাজ্যত এই বিধি কাৰ্যকৰী কৰি ৰখা হৈছে।

এই ক'লা আইনখনৰ অংকুৰণ হৈছিল ১৮৭৫ চনৰ মাজভাগত। লৰ্ড নৰ্থব্ৰুক তেতিয়া ভাৰতৰ গৱৰ্ণৰ জেনেৰেল। এদিনাখন বাতৰিকাকতত অসমৰ চাহ বনুৱাসকলৰ দুৰ্গতিৰ ওপৰত লিখা নাটক 'চা-কৰ দৰ্পণ'ৰ অনুবাদ পঢ়ি তেওঁৰ চকু কপালত উঠিল। অভিজ্ঞ আৰু চতুৰ প্ৰশাসক ব্ৰুকে সহজেই বিচাৰি পালে ব্ৰিটিছ শাসকৰ বিৰুদ্ধে নাটখনৰ প্ৰোথিত ক্ষোভৰ বীজ। ইয়াক চলিবলৈ দিয়া মানেই ব্ৰিটিছ প্ৰভুত্বৰ কবৰ খন্দা। গতিকে এডভোকেট জেনেৰেলক নিৰ্দেশ দিয়া হ'ল প্ৰচলিত আইনৰ কোনো ধাৰাৰ অধীনত নাটকখনৰ প্ৰদৰ্শনী বন্ধ কৰাৰ লগতে নাট্যকাৰৰ বিৰুদ্ধে মোকৰ্দ্দমা চলাব পাৰি নেকি তাক যুকিয়াই চাবলৈ। কিন্তু কোনোটো ধাৰাই সুবিধাজনক পোৱা নগ'ল। সেয়ে আইনসভাৰ সদস্য 'হব হাউছে' (Hob House) নাট্য আইন 'বিল'ৰ প্ৰস্তাৱ তোলে। 'বিল'ৰ প্ৰস্তুতি চলি থাকিল। বিভিন্ন মহলৰ (শাসন যন্ত্ৰৰ) মতামত বিচৰা হ'ল। শাসনযন্ত্ৰ ইমানেই আতংকিত হৈছিল যে অন্তৰ্বৰ্তী কালছোৱাত এখন অধ্যাদেশ জাৰি কৰা হ'ল ১৮৭৬ চনৰ ২৯ ফেব্ৰুৱাৰীৰ দিনা— "... Empowring the Lt. Governor of Bengal to prohibit by order dramtic performances which are scandalous, defamatory, seditious and obscene or otherwise prejudicial to the public insterest."

মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে নাটক এখন কুৎসাজনক, অপবাদজনক, ৰাষ্ট্ৰবিদ্বেষী আৰু অশ্লীল অথবা জনস্বাৰ্থবিৰোধী হয়নে নহয় তাৰ বিচাৰ হ'ব শাসকে নিৰ্ধাৰণ কৰা মাপকাঠীৰেহে, অৰ্থাৎ প্ৰচলিত ৰাজনীতিৰেহে। সাম্ৰাজ্যবাদী বিদেশী শাসকে সংজ্ঞা দিয়া জনস্বাৰ্থ কিমান জনহিতকৰ হ'ব, তাক বুজাই কোৱাৰ প্ৰয়োজন নাই নিশ্চয়। যি কি নহওক অধ্যাদেশখন জাৰি কৰাৰ পিছদিনাখনেই তাক অমান্য তথা বিদ্ৰূপ কৰি পৰিবেশন কৰা দুখন নাটকে অধ্যাদেশখন প্ৰয়োগ কৰাৰ চূড়ান্ত সুযোগ আনি দিলে। তাৰে এখন আছিল ৰাষ্ট্ৰবিদ্বেষী 'সুৰেন্দ্ৰ বিনোদিনী নাটক' আৰু আনখন আছিল আয়ুক্ত হুৱাৰ্ট হগ আৰু পুলিচ অধীক্ষক লেম্পক বিদ্ৰূপ কৰি লিখা ব্যংগ নাটক 'The Police of pig and sheep'। অশ্লীলতাৰ অভিযোগত প্ৰথমখন নাটক নিষিদ্ধ কৰা হয়, গ্ৰেপ্তাৰ কৰা হয় নাট্যকাৰ পৰিচালকক। কিন্তু ১৮৭৬ৰ ২০ মাৰ্চত আদালতে সকলো অভিযোগ খণ্ডন কৰি তেওঁলোকক মুক্তি দিয়ে। আদালতৰ এই কাৰ্যই শাসনযন্ত্ৰক অধিক অস্থিৰ কৰি তোলে— সুখ নিদ্ৰাত ব্যাঘাত জন্মায়।

ইয়াৰ পিছতে বংগৰ লেফটেনেণ্ট গৱৰ্ণৰে 'নীল দৰ্পণ' (The Mirror of Indigo), 'চা-কৰ দৰ্পণ' (The Mirror of Tea), 'গাই কোঁৱৰ নাটক' (Trial of Gaekwad) আৰু 'গজানন্দ আৰু ৰাজকুমাৰ' (Gajanand and the prince) নাটকৰ উল্লেখ কৰি ১৮৭৬ চনৰ ১৩ জুন তাৰিখে তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে এনেদৰে— "It is remarkable that in all these instances ... not only is there libel orgainst individuals or classes, but what is even more important, a design to excite ill– feeling against the British name and nation, against the tendency of British civilization and institutions and against the result of British rule."

সচতুৰ শাসকে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে দেশৰ দাসত্বৰ বিৰুদ্ধে জাতীয় ক্ষোভৰ উদ্‌গীৰণ নাটকৰ মাজেৰেও উঠলি উঠিবলৈ আৰম্ভ কৰিছে। এই জ্বালামুখ (নাটক) যিহে ভয়ংকৰ, তাক কোনো উপায়ে বন্ধ কৰাটো নিতান্ত প্ৰয়োজন। সেয়ে নাট্যবিধিক বাস্তৱ কৰাৰ প্ৰক্ৰিয়া ত্বৰান্বিত হয় আৰু ১৮৭৬ চনৰ ১৭ ডিচেম্বৰত অধ্যাদেশৰ ঠাইত সৃষ্টি হয় নাট্য বিধি (১৯) ১৮৭৬ [Dramatic Performance Act (19) 1876]

এই বিধিৰ দ্বাৰা সমস্ত ক্ষমতা

কাৰ্যপালিকাৰ ওপৰত এনেদৰে ন্যস্ত কৰা হয় যাতে আদালতৰ কাম নচপাকৈয়ে বা কোনো শুনানি নোহোৱাকৈয়ে ৰাজদ্ৰোহিতা বা অশ্লীলতাৰ অভিযোগ নাটক আৰু নাট্যকৰ্মীৰ ওপৰত সাব্যস্ত কৰিব পাৰে। কিন্তু ইমান ততাতৈয়াকৈ এনে এখন কঠোৰ, ক'লা আইন প্ৰণয়ন কৰিলে কিয় ব্ৰিটিছ প্ৰশাসনে? দৰাচলতে ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পিছত ব্ৰিটিছে ভাৰতত নিজৰ শাসন অধিক সুসংহত, অধিক কপকপীয়া কৰিলে যদিও জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ৰমবৰ্ধমান ৰাজবিদ্বেষ নানা প্ৰকাৰে প্ৰকাশিত হ'বলৈ ধৰিলে। মুক্তি চেতনাজনিত এই ৰাজবিদ্বেষ চন্তালিবলৈকে ব্ৰিটিছ প্ৰশাসনে ৰাজদ্ৰোহ আৰু অশ্লীলতাৰ ধাৰা সমন্বিতে ভাৰতীয় দণ্ডবিধি (IPC) ১৮৬০, ব্ৰিটিছৰাজৰ বিৰুদ্ধে সৃষ্টি হোৱা বিপুল জনমতক দমাই ৰাখিবলৈ 'ভাৰ্ণেকুলাৰ প্ৰেছ এক্ট ১৮৭৮, (Vernacular Press Act, 1878), মোকৰ্দ্দমাত হাকিমক সাক্ষীৰ সাক্ষ্য বৰ্জন কৰাৰ ক্ষমতা দি 'প্ৰেছিডেন্সি মেজিষ্ট্ৰেটছ বিল' (Presidency Magistrates Bill) 'আৰ্মছ এক্ট' আদি বিভিন্ন জনবিৰোধী আইন প্ৰণয়ন কৰিব লগা হয়। নাট্যবিধি (১৯) ১৮৭৬ উক্ত ৰাজনৈতিক প্ৰেক্ষাপটে জন্ম দিয়া আন এক ক'লা আইন। দৰাচলতে নাট্য নিবেদনে সৃষ্টি কৰা ব্ৰিটিছৰাজ বিৰোধী আবেগ আবেদনে শাসন যন্ত্ৰটোকে সম্ভৱ নিৰাপত্তাহীনতাত ভোগাইছিল। সেয়ে ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক নাট্যচৰ্চাৰ জাতীয় নাট্যমঞ্চখনক দমন কৰাৰ বাবেই সৃষ্টি কৰা হ'ল নাট্যবিধি (১৯), ১৮৭৬।

অসমত নাট্যবিধি প্ৰয়োগ হয় ১৯০৮ চনত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী ৰচিত 'বন্দিনী ভাৰত' নাটকৰ ওপৰত, ব্ৰিটিছৰ বিৰোধিতা তথা দেশৰ মুক্তিপণেই নাটকৰ বিষয়বস্তু হোৱা হেতুকে তাক বিদ্ৰোহাত্মক আখ্যা দি ব্ৰিটিছে নাটকখনৰ প্ৰকাশ বন্ধ কৰে। আকৌ নলবাৰীৰ তৰুমাথাৰ হৰপতি মহাজনৰ যাত্ৰাৰ 'আকালৰ দেশ' আৰু নৰোৱাৰ 'শংকৰ সংঘ অৰুণ নাট্য সমিতি'ৰ 'কৃষক শক্তি' পালাও নিষিদ্ধ কৰে। 'কৃষক শক্তি' নাটকখন বাজেয়াপ্ত কৰাৰ লগতে শিল্পীসকলক ঢিঙৰ লাল গুদামত বন্দী কৰি ৰাখিছিল। নাটক দুখন বাংলামূলৰ আছিল বুলি ধাৰণা কৰা হয়।

স্বাধীনতাৰ পিছত স্বাভাৱিকতেই আশা কৰা হৈছিল যে ব্ৰিটিছে নিজৰ শাসন-শোষণ কায়েম কৰিবলৈ প্ৰণয়ন কৰা বহু দমনমূলক আইনৰ লগতে নাট্যবিধিও দেশৰ পৰা উঠি যাব। কিন্তু পাৰিতাপৰ কথা যে নাগৰিকৰ সংবিধানপ্ৰদত্ত মৌলিক অধিকাৰ খৰ্ব কৰা এই দমনমূলক আইনখন পঞ্চাশৰ দশকৰ মাজভাগলৈকে হুবহু একেইধৰণে চলি আছিল। পৰিবৰ্তনৰ ভিতৰত কেৱল 'Provincial' শব্দটোৰ স্থান হৈছিল 'State' শব্দটোৱে। তাৰ পিছত বিভিন্ন ৰাজ্য চৰকাৰে কেন্দ্ৰীয় নাট্যবিধিখন বাতিল কৰি অথচ মূল বিষয়বস্তু একেই ৰাখি, ভিন ভিন নামকৰণেৰে ৰাজ্যিক নাট্যবিধি প্ৰণয়ন কৰে। কোনো কোনো ৰাজ্যিক নাট্যবিধিত শাস্তিমূলক চূড়ান্ত পদক্ষেপ লোৱাৰ আগতে শুনানিৰ ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ল। তাৰ ভিতৰত Rajashan Dramatic Performace and Entertainment rules, 1955 আৰু Madhyapradesh Dramatic Performance Act 1961 উল্লেখযোগ্য। কিন্তু বিপজ্জনক কথাটো হৈছে এয়ে যে বোম্বে নাট্যবিধি (D.P.A. 1950)কে আদি কৰি সকলো ৰাজ্যৰ নাট্যবিধিতে পুলিচক পৰ্যাপ্ত ক্ষমতাৰ অধিকাৰী কৰাৰ উপৰি আগতে কাৰ্যবাহী দণ্ডাধীশৰ (Magistrate) হাতত থকা সকলো ক্ষমতা পুলিচৰ হাতত ন্যস্ত কৰা হ'ল।

পশ্চিমবংগত স্বাধীনতাৰ অব্যৱহিত পিছতে ১৯৪৯ চনত ভাৰতীয় গণ নাট্যসংঘ (IPTA) আৰু প্ৰগতিশীল লিখক সংঘ (PWA)ৰ বিৰুদ্ধে দেশৰ চৰকাৰে পদে পদে নাট্যবিধি (DPA. 1876) ব্যৱহাৰ কৰি মঞ্চ আৰু লিখনিৰ যোগেদি প্ৰকাশিত ৰাজনৈতিক মতাদৰ্শৰ ভিন্নতাক মষিমূৰ কৰিব বিচাৰিছিল। 'গণতান্ত্ৰিক' চৰকাৰে কিমান অগণতান্ত্ৰিকভাৱে নাগৰিকৰ মৌলিক তথা সাংস্কৃতিক অধিকাৰ খৰ্ব কৰি প্ৰতিবাদ প্ৰতিৰোধৰ কণ্ঠ চেপি ধৰিছিল তাৰ প্ৰমাণ দিয়া জাননী (Circular)খন হ'ল— "It is likely that some organisations, such as the All India peoples Theatre Association and All India Progressive writers, Association with communist affiliatons and leanings may be organising public dramatic performances, songs etc.... any attempt.... made by them.... should be stopped by the district Magistrates as far as possible by the use of Dramatic performances Act, 1876... No previous referance need be made to the provincial Government."

দেশৰ গণতান্ত্ৰিক চৰকাৰ এখনে গণতন্ত্ৰক হত্যা কৰাৰ ইয়াতকৈ ডাঙৰ উদাহৰণ আৰু কি লাগে? এই ঘটনাই আন এটা তাৎপৰ্যপূৰ্ণ কথাও স্পষ্ট কৰে যে স্বাধীনতাই কেৱল দেশৰ শাসকৰ গাৰ ৰংহে সলনি কৰিলে আন সকলো একেই থাকিল।

১৯৫৩ চনত ত্ৰিবাকুঁৰ-কোচিন (কেৰালা) চৰকাৰে 'You made me communist' নাটকখন নিষিদ্ধ কৰে। কিন্তু এক আবেদনমৰ্মে উক্ত আদালতে কাৰ্যবাহী দণ্ডাধীশৰ উক্ত নিষিদ্ধকৰণ আদেশ বানচাল কৰে। সেই বছৰতে কলিকতা পুলিচ আয়ুক্তই এক জাননীযোগে ভাৰতীয় গণনাট্য সংঘৰ পশ্চিমবংগ শাখাৰ সম্পাদকক নাট্যবিধি, ১৮৭৬ৰ ৭নং ধাৰামৰ্মে ৫৪খন নাটকৰ পাণ্ডুলিপি জমা দিবলৈ নিৰ্দেশ দিয়ে। লগতে সংযক সকীয়নি দিয়া হয় এই বুলি— "Non submission will result in legal action under section 1876 of the IPC."

আশ্চৰ্যৰ কথা যে ৫৪খন নাটকৰ তালিকাত 'নীল দৰ্পণ' (১৮৬৪) নাটকখনো আছিল, যাৰ বিষয়বস্তু হ'ল নীল খেতিয়কৰ ওপৰত ব্ৰিটিছৰ শোষণ-অত্যাচাৰ। তালিকাৰ আন এখন নাটক আছিল বিজন ভট্টাচাৰ্যৰ 'নৱান্ন' যাক ভাৰতৰ প্ৰগতিশীল নাট্যধাৰাৰ প্ৰথমখন নাটক বুলি ক'ব পাৰি। ১৯৪৩ চনৰ বংগৰ দুৰ্ভিক্ষৰ ওপৰত ৰচিত 'নৱান্ন' ১৯৪৪ চনত মঞ্চস্থ কৰা হৈছিল আৰু তেতিয়া কিন্তু ব্ৰিটিছে নাটকখন নিষিদ্ধ কৰা নাছিল। ভাৰতীয় শাসক চক্ৰটো ব্ৰিটিছ সাম্ৰাজ্যবাদৰ কিমান নৈষ্ঠিক প্ৰতিনিধি তাক এই নিলৰ্জ্জ প্ৰয়াসেই প্ৰমাণ কৰে। পিছে ইমানতে শেষ নহয়। ১৯৫৩ চনতে মুন্সী প্ৰেমচন্দৰ 'ঈদগাহ' লক্ষ্ণৌ চহৰত মঞ্চস্থ কৰাৰ অপৰাধত তাৰ কাৰ্যবাহী দণ্ডাধীশে ভাৰতীয় গণনাট্য সংঘৰ সদস্য ৰাজিয়া ছাজ্জাদ জাহিৰ, অমৃতলাল নাগৰ, বাবুলাল বাৰ্মা আৰু গকুলচান্দ ৰাস্তগীৰ বিৰুদ্ধে নাট্যবিধি, ১৮৭৬ৰ ৩নং ধাৰাৰ অধীনত মোকৰ্দ্দমা চলায়। এই 'ঈদগাহ' নাটকখনেই ১৯৫৬ চনৰ বিখ্যাত এলাহবাদ বিচাৰ (Allahabad Judgement of 1956)ৰ উপলক্ষ্য আছিল। ন্যায়াধীশ চতুৰ্বেদী আৰু ন্যায়াধীশ মোল্লাই সেই ঐতিহাসিক ৰায় দিছিল এইদৰে— "Merley because person preaches or advocates by stagging a play, a political ideology different from the ideology of party in power, a prohibitory order under section 3 is unjustified.". ইয়াৰ লগতে দিয়া ন্যায়াধীশদ্বয়ৰ

মন্তব্য আৰু অধিক গুৰুত্বপূৰ্ণ— "The dramatic performance Act, in the absence of a reasonable procedure to enforce its substantive provisions is uttra vires of the constitution, since in its operation it places unreasonable restrictions on the rights of a citizen guaranteed under Article 19 of the constitution."

এই গুৰুত্বপূৰ্ণ ৰায়ৰ পিছত সংবিধানৰ ১৯নং দফা উলংঘা কৰাৰ দায়ত পঞ্জাবত নাট্যবিধিৰ আওতাত তৰা দুটাও মোকৰ্দ্দমা ১৯৫৮ আৰু ১৯৬১ চনত বাতিল কৰা হয়। কিন্তু তাৰ পিছতে বেছিভাগ ৰাজ্যতে নতুনকৈ নাট্যবিধি বলবৎ কৰা হয় আৰু নাট্য নিষিদ্ধকৰণ কাৰ্য পূৰ্ণগতিত চলি থাকে। পঞ্চাশ আৰু ষাঠিৰ দশকৰ ডি কে (D.K.) আৰু ডি. এম. কে. (D.M.K.) পক্ষীয় নাটক 'কীমায়ানম' (Keemayanam), 'কহিতা পূ' (Kahita poo, Paper Flower) আৰু 'প'ৰবাল' [Porval (battle sword)] নিষিদ্ধ কৰা হয়। কিন্তু তেতিয়া ১৯৬৭ চনত ডি এম কে ক্ষমতালৈ আহিল তেতিয়া ডি এম কে বিৰোধী নাটকবোৰ নিষিদ্ধ কৰা হয়; অথচ সেই নাটকবোৰ তেনে কোনো উচ্চমান বিশিষ্ট বা গুৰুত্বপূৰ্ণ নাছিল।

নাট্যবিধি ১৮৭৬ৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ সম্ভাৱনা আছিল যদিও গণনাট্য সংঘই পঞ্চাশৰ দশকৰ আৰম্ভণিৰ পৰাই উক্ত বিধি সম্পূৰ্ণ বাতিল কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী চলাই গৈছিল। কিন্তু পশ্চিমবংগৰ বাহিৰে আন ক'তো এই সংগ্ৰামে কাংক্ষিত ব্যাপ্তি আৰু তীব্ৰতা লাভ কৰিব নোৱাৰিলে। ৰাজ্যখনৰ শিল্পী আৰু নাট্যকৰ্মীৰ ঐক্যবদ্ধ প্ৰতিবাদে পশ্চিমবংগৰ চৰকাৰক ১৯৬২-৬৩ চনত প্ৰস্তাৱিত নাট্যবিধি সম্পৰ্কীয় 'বিল' (Bill) প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰে। ফলত আজি নাট্যবিধি বুলি কোনো আইন পশ্চিমবংগত নাই।

পিছে নাট্যবিধিৰ অনুপস্থিতিয়ে পশ্চিমবংগ চৰকাৰক প্ৰচলিত অন্য কানুন ব্যৱহাৰৰ পৰা বিৰত কৰিব পৰা নাই। ভাৰতীয় দণ্ডবিধি ১৮৬০ (IPC1860)ৰ ১২৪এ (124A) তেনে এক কানুন যাৰ দ্বাৰা নাট্যবিধিতকৈও বেছি ফলপ্ৰসূভাৱে নাটক আৰু নাট্যকৰ্মীক অৱদমিত কৰিব পৰা যায়। কিয়নো এই ধাৰাত কোৱা হৈছে— "Whoever by words either spoken or written or by signs or by visible representation or otherwise, brings or attempts to bring into hatred or contempt, or excites or attempts to excite disaffection towards the government established by low in India shall be punished with imprisonment for life to which fine may be added or with impresionment which may be extended to three years, to wh ch fine may be added or with fine."

ইয়াৰ লগতে আছে ভয়ংকৰ 'ডিফেন্স অব ইণ্ডিয়া' ৰুল [Defence of India rule (DIR)] যাৰ দ্বাৰা চৰকাৰে বিচাৰিলেই কোনো ব্যক্তিক 'শাসন' কৰাটো ভাতৰ লগত পানী খোৱা কথা। এই আইনৰ অধীনতেই ১৯৫৬ চনত ভাৰতীয় থিয়েটাৰৰ কিংবদন্তি উৎপল দত্তক তেওঁৰ 'কল্লোল' নাটকৰ বাবে ছমাহ কাৰাদণ্ড বিহা হৈছিল। কিন্তু পৰিহাসৰ কথাটো হৈছে এয়ে যে 'কল্লোল' নাটকৰ বিষয়বস্তু আছিল 'ৰয়েল ইণ্ডিয়া নেভী' (Royal Indian Navy)ৰ 'ৰেটিং' (Rating)সকলে ১৯৪৬ চনত ব্ৰিটিছৰ বিৰুদ্ধে কৰা নৌবিদ্ৰোহ। নাটকখনত অৱশ্যে আলোচিত হৈছে বিদ্ৰোহ মষিমূৰ কৰাত ব্ৰিটিছক সহায় কৰা কংগ্ৰেছৰ নিৰ্লজ্জ ভূমিকা। সেয়ে কলকাতাত নাটকখন প্ৰদৰ্শন কৰোতে অভিনেতা-অভিনেত্ৰীক ভীতি প্ৰদৰ্শন, নাটকৰ প্ৰদৰ্শনী বন্ধ কৰি দিয়াৰ ধমকি, বাতৰি কাকতৰ সমস্ত প্ৰচাৰ বৰ্জন কৰাৰ ভাবুকি আদি বিভিন্ন সমস্যা সৃষ্টি কৰা হৈছিল। তথাপি সং নাট্যকৰ্মী আৰু সমৰ্থক, শুভাকাংক্ষীৰ তীব্ৰ প্ৰতিবাদৰ বাবে নাটকৰ প্ৰদৰ্শনী বন্ধ হোৱা নাছিল আৰু উৎপল দত্তক গ্ৰেপ্তাৰ কৰাৰ পিছতো প্ৰেক্ষাগৃহ ঠাহখোৱা দৰ্শকৰ সন্মুখত বহু ৰজনী অভিনীত হৈছিল 'কল্লোল'।

ইতিমধ্যে দেশৰ আন দুই-এঠাইতো নাট্যবিধি বাতিল কৰা দাবী উত্থাপিত হৈছিল। ১৯৭২ চনত নাট্য ব্যক্তিত্ব হবীৰ তনবীৰে ৰাজ্য সভাৰ সদস্য হৈ থাকোতে নাট্যবিধি (১৯), ১৮৭৬ বাতিল কৰাৰ বাবে ব্যক্তিগত সদস্যৰ বিধেয়ক এখন উত্থাপিত কৰিছিল। কিন্তু তেওঁৰ কাৰ্যকালত সি আৰু বিতৰ্কৰ বাবে সদনৰ মুখ নেদেখিলে। ১৯৭৪ চনত দিল্লীৰ 'মাৰ্চ গ্ৰুপ' (The March Group) নামৰ সংগঠন এটাই মনোৰঞ্জন কৰ (Entertainment Tax) আৰু নাট্যবিধিৰ বিৰুদ্ধে এক সংগ্ৰাম আৰম্ভ কৰিছিল। ৰাজনীতিক মধুলিমায়েও এই সংগ্ৰামত যুক্ত হৈছিল। পিছে তেওঁ নাট্য বিধিৰ এক সংশোধনী আইনহে পক্ষপাতী আছিল। কিয়নো তেওঁৰ ধাৰণা আছিল যে নাট্য বিধিখন সম্পূৰ্ণ বাতিল কৰিবলৈ চৰকাৰ সন্মত নহ'ব। পিচে কোনো ফালেই ফল একো নহ'ল।

১৯৭৪ চনত বিদ্ৰোহী শিল্পী উৎপল দত্ত আকৌ জেললৈ যাব লগা হয় তেওঁৰ 'দুঃস্বপ্নেৰ নগৰী'ৰ বাবে। এই নাটকৰ বাবে ১২৪এ (124A) ধাৰাত তেওঁৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহিতাৰ অভিযোগ অনা হৈছিল। নাটকখনত তেতিয়াৰ কলিকতাৰ পুলিচৰ অত্যাচাৰ-উৎপীড়নৰ এক নিখুঁত ছবি দাঙি ধৰা হৈছিল। উল্লেখযোগ্য যে ব্ৰিটিছে বিদ্ৰোহী কবি কাজী নজৰুল ইছলামকো ৰাষ্ট্ৰদ্ৰোহিতাৰ অভিযোগত অভিযুক্ত কৰিছিল এই একেই ১২৪এ (124A) ধাৰাৰ অধীনত। দুই শাসকগোষ্ঠীৰ চৰিত্ৰৰ কি নিৰ্ভেজাল মিল! স্বাধীন দেশৰ চৰকাৰৰ পুলিচে 'দুঃস্বপ্নেৰ নগৰী'ৰ বিৰুদ্ধে অনা অভিযোগবোৰেও একেই সত্যতাকে দাঙি ধৰে। অভিযোগবোৰ হ'ল—

(i) The play attacks capitalists

(ii) The play attacks police

(iii) The play attcks the ruling party etc. etc.

যিতমানে দোষ পুঁজিবাদী শোষক আৰু শাসক দলক আক্ৰমণ কৰা বাবেহে! কংগ্ৰেছ চৰকাৰৰ (তেতিয়া বংগত কংগ্ৰেছ চৰকাৰ) শ্ৰেণীস্বাৰ্থৰ মেকুৰীটো জোলোঙাৰ পৰা ওলাই পৰিবলৈ আৰু বাকী থাকিলনে? বগা চাহাবৰ চৰকাৰ আছিল নিজেই পুঁজিবাদী আৰু স্বাধীন দেশৰ ক'লা চাহাবৰ চৰকাৰ হ'ল পুঁজিবাদীৰ স্বাৰ্থবাহী দালাল। যি কি নহওক চৰকাৰ আৰু চৰকাৰী দলৰ ৰোষত পৰি 'দুঃস্বপ্নেৰ নগৰী'ৰ উত্তৰ কলকাতাত চলি থকা প্ৰদৰ্শনী বাধ্য হৈ বন্ধ কৰিব লগা হয়। ভীতি, ভাবুকি দিয়াৰ উপৰি প্ৰেক্ষাগৃহলৈ বোমা পৰ্যন্ত নিক্ষেপ কৰা হৈছিল। শেষত নাটকৰ প্ৰদৰ্শনী দক্ষিণ কলিকতালৈ স্থানান্তৰিত কৰা হয় আৰু তাত পাৰ্টি কৰ্মীয়ে জাগ্ৰত সৈনিকৰ দৰে পহৰা দি প্ৰদৰ্শনী ৰক্ষা কৰিছিল। ইতিমধ্যে 'দুঃস্বপ্নেৰ নগৰী'ৰ প্ৰদৰ্শনীৰ ওপৰত কৰা গুণ্ডামি আৰু উৎপল দত্তৰ বিৰুদ্ধে লোৱা ব্যৱস্থাৰ বিৰুদ্ধে সমগ্ৰ পশ্চিমবংগৰ নাট্যকৰ্মী ক্ষোভত ফাটি পৰে। শিল্পীৰ ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজনত হেজাৰ হেজাৰ শিল্পী ৰাজপথলৈ ওলাই আহে। ইফালে পুলিচে দত্তৰ ৰাষ্ট্ৰদ্ৰোহিতাৰ কোনো নিৰ্ভৰযোগ্য প্ৰমাণ দাখিল কৰাত

ব্যৰ্থ হয়। শেষত বাধ্য হৈ চৰকাৰে মোকৰ্দ্দমাটো প্ৰত্যাহাৰ কৰে। কিন্তু চৰকাৰ সফল হোৱা হ'লে উৎপল দত্তৰ দৰে প্ৰতিভাধৰ বিপ্লৱী শিল্পী গোটেইটো জীৱন জে'লত পচিব লাগিলহেঁতেন।

ভাৰতৰ অন্য প্ৰদেশতো শাসক চক্ৰটোক আঘাত কৰিব পৰা নাটক নাট্য বিধিৰ ক'লা হাতোৰাৰ পৰা সাৰি যোৱা নাই। ১৯৭৮ চনত কেৰালা নাট্য আইন, ১৯৬২ৰ অধীনত তাৰ চৰকাৰে নিষিদ্ধ কৰে 'নাথু গড্ডিগা' "Nathu gaddiga" নাটক। একেই আইনৰ বলত সৌ সিদিনা ১৯৮৭ চনত কেৰালা চৰকাৰে নিষিদ্ধ কৰে এণ্টনীৰ 'দি চিক্সথ্ উণ্ড অৱ যেছাছ খ্ৰাইষ্ট' (The sixth wind of Jesus Christ)

নাট্যবিধিৰ উপৰি থিয়েটাৰৰ কণ্ঠৰোধ কৰিব বিচৰা আন দুখন আইন হ'ল 'মনোৰঞ্জন কৰ আইন' আৰু মহানগৰীৰ বাবে প্ৰণীত 'পুলিচ আইন'। পঞ্চাশৰ দশকতে ভাৰতীয় গণ নাট্য সংঘই ইয়াৰে প্ৰথমখন আইন বাতিল কৰাৰ বাবে চৰকাৰ তথা কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছিল। ১৯৭৪ চনত কৰ্ণাটক, পশ্চিমবংগ আৰু অন্ধ্ৰপ্ৰদেশে পঞ্জীয়নভুক্ত থিয়েটাৰ দলবোৰক 'মনোৰঞ্জন কৰ আইন'ৰ পৰা ৰেহাই দিয়ে। উত্তৰ প্ৰদেশৰ এই একেখন আইন দিল্লীতো বলৱৎ আছিল যদিও তাত কিন্তু পঞ্জীয়নভুক্ত দলবোৰ কৰ্তৃপক্ষৰ ওচৰত ৰেহাইৰ বাবে দৰখাস্তৰ লগতে নাটকৰ পাণ্ডুলিপিও জমা দিব লাগিছিল। নাট্যকৰ্মীসকলে ১৯৬৮ চনৰেপৰা এই ব্যৱস্থাৰ বিৰোধিতা কৰি আহিছিল। ১৯৭৫ চনত "ভাৰতীয় নাট্য সংঘ" (BNS), "দিল্লী নাট্যসংঘ" (DNS) আৰু মাৰ্চ গ্ৰুপ'ৰ নেতৃত্বত হোৱা আন্দোলনে কৰ্তৃপক্ষক নাটকৰ পাণ্ডুলিপি জমা দিয়াৰ নিয়ম (Pre-Censorship) উঠাই ল'বলৈ আৰু ১৮৬০ চনৰ পঞ্জীয়ন বিধিৰ অধীনত পঞ্জীয়নভুক্ত নাট্য দলসমূহক এবছৰ এবছৰকৈ (Year to year basis) মনোৰঞ্জন কৰ ৰেহাই দিবলৈ বাধ্য কৰে। কিন্তু সেই বছৰেই দেশত জৰুৰীকালীন অৱস্থা প্ৰৱৰ্তন কৰাত নাটক মঞ্চস্থ কৰাৰ আগতে পাণ্ডুলিপি জমা দিয়াৰ নিয়ম পুনৰ প্ৰচলিত হয়। সেয়া অৱশ্যে গোটেই দেশৰে পৰিস্থিতি, তেতিয়া আমাৰ অসমৰো। পিছে ভাৰতীয় নাট্যসংঘ আৰু দিল্লী নাট্যসংঘৰ উদ্যোগত দিল্লীৰ নাট্যকৰ্মীসকলে ১৯৮১ৰ ৭ এপ্ৰিলৰ পৰা এবছৰীয়া ভিত্তিত মনোৰঞ্জন কৰ আইনৰ পৰা ৰেহাই পোৱাৰ লগতে পাণ্ডুলিপি জমা দিয়া নীতিৰ পৰাও মুক্ত হয়। তাতে পিছে এটা ধাৰা ৰাখি থোৱা হ'ল-যাৰ বলত কৰ্তৃপক্ষই এখন উপদেশক সমিতি (Monitoring committee) গঠন কৰিব পাৰিব। এই সমিতিয়ে যদি কোনো নাটকৰ প্ৰদৰ্শনী অশ্লীল,ইতৰ,কদৰ্য ৰুচিৰ তথা আপত্তিজনক বুলি ভাৱে, (finds the performance obsune, vulgar, indecent and of objectionable nature) তেন্তে ৰেহাই প্ৰত্যাহাৰ কৰিব পাৰে। তদুপৰি প্ৰেক্ষাগৃহ পাবলৈ হ'লে পঞ্জীয়নভুক্ত দলসমূহে মনোৰঞ্জন কৰ আযুক্তৰ পৰা ৰেহাই শংসাপত্ৰ (exemption certificate) লোৱা নিয়ম বলৱৎ থাকিল। পঞ্জীয়নভুক্ত নোহোৱা দলৰ বাবে এই ক্ষেত্ৰত কোনো স্থান নাই। প্ৰেক্ষাগৃহ পাবলৈ কৰ আযুক্তৰ পৰা শংসাপত্ৰ লোৱা নিয়মটো আমাৰ অসমতো প্ৰচলিত যদিও বহু ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ নহয়।

ইয়াৰ উপৰি মুম্বাই (বোম্বে), চেন্নাই (মাদ্ৰাজ), আৰু দিল্লী মহানগৰীত পুলিচকে সংস্কৃতিৰ হৰ্তা- কৰ্তা-বিধাতা কৰা হ'ল সত্তৰ দশকৰ দ্বিতীয়াৰ্দ্ধত। নাট্য-বিধি প্ৰয়োগৰ দায়িত্বও তেওঁলোকৰ ওপৰতে ন্যস্ত কৰা হ'ল। বোম্বে এক্টখনকে ১৯৭৮ চনত দিল্লীলৈকে সম্প্ৰসাৰিত কৰা হয়। এই আইনৰ ফলত চিনেমাৰ বাহিৰে আন ৰাজহুৱা স্থানত অনুষ্ঠান বা প্ৰদৰ্শনী পাতিবলৈ কৰ্তৃপক্ষৰ পৰা অনুমতি ল'বলগীয়া হ'ল। কিন্তু কদৰ্যতা, কোনো বিশেষ ব্যক্তি, জাতি সম্প্ৰদায় আৰু ধৰ্ম-বিশ্বাসীৰ বিৰুদ্ধে থকা অপৰাধপ্ৰৱণতা, ৰাষ্ট্ৰদ্ৰোহিতা আৰু বিভিন্ন শ্ৰেণীৰ মাজত বিদ্বেষ সৃষ্টিৰ প্ৰৱণতাৰ অভিযোগত অনুজ্ঞা পত্ৰ প্ৰত্যাহাৰ কৰিব পৰা ক্ষমতাও কৰ্তৃপক্ষৰ হাততে থাকিল। দলসমূহে নাটক এখন পৰিবেশনৰ উপযোগী বুলি শংসাপত্ৰ পাব লাগিলে প্ৰদৰ্শনীৰ দুমাহ আগতে পুলিচ আৰু সংস্কৃতিৰ 'গৰাকী'সকলেৰে গঠিত এক সমিতিৰ ওচৰত নাটকৰ পাণ্ডুলিপি দাখিল কৰিব লগা হ'ল। সমগ্ৰ দিল্লী নাট্য কৰ্মী এই নিয়মৰ বিৰুদ্ধে জ্বলি উঠিল আৰু তেওঁলোকৰ তীব্ৰ প্ৰতিবাদৰ মুখত পৰি দিল্লীৰ উপ-ৰাজ্যপালে ১৯৮৯ চনৰ ৭ অক্টোবৰত উক্ত আইন বাতিল কৰে। কিন্তু তাৰ পিছতো পঞ্জীয়নভুক্ত দলকহে ৰেহাই দিয়াৰ নিয়ম চলি থাকিল। অৱশ্যে এই ৰেহাইৰ বাবে টকা ৫ টা ভৰিবলগীয়া হৈছিল। কিন্তু পঞ্জীয়নভুক্ত নোহোৱা দলবোৰে তেতিয়াও ৰেহাই পোৱা নাছিল। তাৰ প্ৰমাণ হ'ল 'ৰুচিকা থিয়েটাৰ' দল। ১৯৮১ চনত তেওঁলোকৰ আই.এচ. জহৰ (J.S. Johar) কৃত 'ভূট্টো' নাটকৰ বাবে অনুমতি দিয়া হোৱা নাছিল। ইয়াৰ প্ৰতিবাদত 'ৰুচিকা থিয়েটাৰ' উচ্চ আদালতৰ ওচৰ চাপে আৰু ১৯৮৫ চনত এই মোকৰ্দমাৰ ৰায় তেওঁলোকৰ সপক্ষে যায়।

কিন্তু ক্ষোভ আৰু আশ্চৰ্যৰ কথা যে আজিও পুলিচৰ হাততে আছে নাট্য- নিয়ন্ত্ৰণৰ চাবি-কাঠী। কিয়নো ৰাজনৈতিক প্ৰতিবাদৰ প্ৰতীকস্বৰূপ পথ নাটকৰ কণ্ঠৰোধ কৰিবলৈ পুলিচৰ হাতত বিদ্যমান এনে এক আইন য'ত লিখা আছে —"No person shalin contravention of any regulation made by the commissioner of police.(a) exhibit any mimetic, musical or other performance of such a nature as may attract crowds."

পথ নাটকক আইন-শৃঙ্খলাৰ সমস্যা বুলি গণ্য কৰা দৃষ্টিভংগীৰ আধাৰতে ৰচিত উক্ত আইন। এই আইনৰ বলতে তামিলনাডু, অন্ধ্ৰ-প্ৰদেশ, উৰিষ্যা, উত্তৰ প্ৰদেশ, দিল্লী আদিৰ ৰাজনৈতিক নাট্য কৰ্মীৰ ওপৰত কত যে উৎপীড়ন, অত্যাচাৰ চলিল। ভাৰতৰ পথ-নাটকৰ পুৰোধা ছফদৰ হাছমীতো নাটক কৰি থাকোঁতেই ৰাজপথত খুন হ'ল প্ৰশাসনৰ পৰোক্ষ সহায়ত। যেতিয়াই ৰাষ্ট্ৰশক্তিয়ে দেশৰ নাট্য প্ৰয়োগৰ মাজত ৰাষ্ট্ৰনীতিৰ সমৰ্থনৰ অভাৱ দেখা পায়, তেতিয়াই সেই নাট্য-ক্ৰিয়া দমন কৰিবলৈ শাসকগোষ্ঠী স্বৈৰাচাৰী হৈ উঠে। এই প্ৰয়াসত অসহযোগিতা, কুৎসিত সমালোচনা আদিৰ সহায় লয়। তাত সফল কাম হ'ব নোৱাৰিলে- আইন কৰি নাটক বাজেয়াপ্ত বা প্ৰদৰ্শনী বন্ধ কৰে। আৰু তাতো যদি প্ৰতিবাদী নাট্য-ক্ৰিয়া নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেন্তে আশ্ৰয় লয় - বল প্ৰয়োগৰ। ছফদৰ হাছমীৰ দৰে বিপ্লৱী মনীষা এই বল প্ৰয়োগৰ চিকাৰ।

আজি 'বিনোদিনী নাটক' (১৮৭৬)ৰ পৰা আৰম্ভ কৰি এলাহাবাদ উচ্চ আদালতৰ ৰায় (১৯৫৬) তথা 'ভূট্টো' নাটকৰ (১৯৮১) ঘটনাৰাজিৰ আলোকত এইটো প্ৰতীয়মান যে যন্ত্ৰণাদায়কভাৱে দীঘলীয়া সময় লাগিলেও, শক্তি আৰু ধৈৰ্যৰ অগ্নিপৰীক্ষাৰ মাজেৰে হ'লেও, নাট্য বিধি প্ৰয়োগৰ বিৰুদ্ধে বিচাৰ বিভাগীয় প্ৰতিকাৰ অসম্ভৱ নহয়। কিন্তু এই প্ৰক্ৰিয়াৰ মাজেৰে ক'লা আইনখন নাইকিয়া হৈ নাযায়। এলাহাবাদ উচ্চ আদালতৰ বিচাৰপতিৰ সেই ঐতিহাসিক ৰায় আজি বিস্মৃতিৰ গৰ্ভত। সেয়ে 'নাট্য পৰিৱেশন বিধি' ক'লা আইনখন সমগ্ৰ দেশতে বাতিল কৰাৰ দাবীত নাট্যকৰ্মী, সমূহ শিল্পী-সাহিত্যিক তথা শুভবুদ্ধিসম্পন্ন মানুহৰ এক ঐক্যবদ্ধ সংগ্ৰামৰ অতীব প্ৰয়োজনত: বিতৰ্কৰ উৰ্দ্ধত। ■

ভিন্ন গদ্য

# এজন নক্সালৰ ডায়েৰীত অনিন্দিতা গোস্বামী

হিমাংশু প্ৰসাদ দাস

অনিন্দিতা গোস্বামী সমীপেষু

পৃথিৱীৰ কোনো আৰ্চিচ গ্যালেৰীত নথকা
এলিজাবেথ বেৰেটৰ দুশাৰী কবিতাৰে
তোমাৰ বাবে নিউ ইয়েৰৰ এখন স্পেচিয়েল কাৰ্ড
থাটি ফাষ্টৰ উজাগৰী ৰাতি
হোষ্টেলৰ নিজান কোঠাত
বুকুৰ টোপ টোপ আৱেগেৰে আঁকা এখন ছবি
সূৰ্য যেন উদয় হৈছে
উৰি গৈছে যেন এজাক চৰাই
তুমিটো নাজানা সোণ
ময়ো যে তোমাৰ প্ৰেমত কিলিঙ্গপখী এটি।

ইমান উৎসাহেৰে কাৰ চিঠি পঢ়িছ
এজাক জোনাকে আহি যেন ভিৰ কৰিছেহি তোমাৰ স্ফুত
নে তুমি পঢ়ি আছা পঢ়ি আছা
মই লিখা যৌৱনৰ উচ্ছ্বাসবোৰ।

কিমান দিন যে কৰা নাই তোমালৈ ফোন
ডায়েল কৰিব ওলায়ো ৰৈ যাওঁ ছিক্স থ্ৰি থ্ৰি ....
আছিল নে দিন এনেকুৱাও কেতিয়াবা
তোমাৰ বুকুৰ গুন-গুননিটো শুনিবৰ বাবেই
ফোনৰ ৰিচিভাৰত গাইছিলো জীৱনৰ নিলিখা অলেখ কবিতা।

মই যেন ডায়েল কৰা নাছিলো
বুলাইছিলো মোৰ আঙুলি তোমাৰ পনিয়ল বৰণীয়া ওঁঠত
নিজান ঘূমটিৰ পৰা চকামকাকৈ সাৰ পাই যেন ক'বা
ইমান আকুলতাৰে কি চাইছা
কিয় ইমান অস্থিৰতা---ব্যগ্ৰতাৰ হাহাকাৰ।

কিনো লয়লাসে চাই থাকা তুমি---চাই থাকা
মোৰ ভাল নালাগে জীৱন ডাউকাৰ কেমেৰাত বন্দী
তোমাৰ আৰ্টিফিছিয়েল হাঁহি।

আকৌ যেন লতাশিলৰ বিহুত হেৰাব তোমাৰ গ্ৰেছলেট
ভিৰ থেলি যেন আমি বিচাৰি যাম
ভগাই খাম এটা ক'ল্ড ড্ৰিংকছ
এখন জীৰ্ণ ৰিক্সাত পৰিভ্ৰমণ কৰিম
আকৌ যেন বিচাৰিম দইটকাৰ ধাৰ
২০ মাৰ্চত বাৰ্থডেত লৈ যাম এটা ক্যাডবেৰিজ চকলেট
আকৌ যেন তুমি মোক শিকাবা ভালপোৱাৰ ব্যাকৰণ
অথচ তুমি জানা, মই যে অবাধ্য মাতাল প্ৰেমিক চৰাই।

### সুখৰ একো স্মৃতি নাথাকে
### স্মৃতি থাকে কেৱল দুখৰ ঃ

সেইদিনা তুমি মোক কৈছিলা তোমাৰ সেই গ্ৰী টিংছ কাৰ্ডখন মই এতিয়াও সযতনে থৈছো। যেতিয়াবা সেইখন দেখিলেই তোমালৈ মনত পৰে। বহুত ধুনীয়াকৈ বনাইছিলা সেইখন। সেইদিনা মাইনীবায়েও কৈছিল তোমাৰ কথা। তুমি আজিকালি কোন নকৰা হ'লা। কেতিয়াবা যাবাচোন আমাৰ তাত। তোমাৰ গ্ৰীটিংছ কাৰ্ডখন দেখিলেই বহুকথা মনত পৰে.........



মই জানো অনিন্দিতা এদিন এনেকুৱাই হ'ব মোৰ স্মৃতি বৈ যাব কেৱল সেই বাহ্যিকতাত। যদি মই নিজেই বাহ্যিকতা ভাল নাপাওঁ, বিচাৰো অন্তৰৰ অভিব্যক্তি, তথাপি নৱবৰ্ষৰ শুভেচ্ছা জনাই, তোমালৈ এটা ৰাতি উজাগৰে থাকি সেই কাৰ্ডখন বনাইছিলো। মই বিচাৰিছিলো মোৰ সন্তুষ্টিৰ বাবে সেই ব্যাহ্যিকতা গ্ৰহণ কৰাটো। এদিন হয়তো তোমাৰ আত্মাত মোৰ তিলমাত্ৰ উপস্থিতিও নাথাকব, কিন্তু থাকি যাব পাৰে সেই বাহ্যিকতা।

হায়! কি নিদাৰুণভাৱে সিয়েই যে আজি সঁচা হ'ল। চোৱা আমি কিমান নিৰুপায় আৰু অসহায়। 'আত্মাৰ অৰণ্য বগুৱা বাই পাৰ হৈ যায় কঁত হেঙুলীয়া ৰাতি।' কাষে কাষে উটি আহে সপোনৰ লোভলগা ঋতু, কিহৰ বাবে ৰাতি আৰু কিহৰ বাবে দিন? কাৰ ঋ... কোন? সকলো গুচি যাব। সকলো থাকি যাব। সকলো বৈ য... সকলো বৈ যাব.......

পাৰ হৈ যোৱা স্বপ্নৰ প্ৰগল্‌ভা অৰণ্য।

অনিন্দিতা I love you– I miss you. তুমি আজি অতীত স্বপ্ন বিষাদগাঁথা। মোৰ আৱেগৰ ৰক্তৰে ৰঞ্জিত স্মৃতিৰ আধালিখা এটা কৰুণ কবিতা।

### ফ্লেচবেক ঃ চোৰ চোৰ ধান চোৰ----ধান চোৰ

শৈশৱত লেহেৰি বুটলিবলৈ গৈ ধান চোৰ নাম পাইছিলো। বামুণ ভুলি পথাৰত মই হেৰুৱাইছিলো শৈশৱৰ কিছু আনন্দ আৰু যাপন কৰিবলৈ বাধ্য হৈছিলো এটা-দুটা নিৰ্মম ঋতু। সেউতাৰ চেকনিৰ ক্ষুব্ধ দাগ মচ খোৱা নাছিল বহুদিনলৈ। মানুহবোৰে জুমা- জুমি হৈ মোলৈ চাইছিল। কোনোবাই কৈছিল চাগৈ চোৰ! ধান চোৰ! আচলতে

কথাটো তেনেকুৱা নাছিল। আমি কেইজনমান সমনীয়াই জুলিৰ পথাৰ, কাঁহিগংগাৰ পথাৰ আদিত লেছেৰি বোটলোতে পোৱা ধান বিক্ৰি কৰি এটা ভোজখোৱাৰ পৰিকল্পনা কৰিছিলো। প্ৰতিদিনে ৰাতিপুৱা আৰু গধূলি নৰাৰ খোঁচ খাই খাই আমি বৰ কষ্টৰে লেছেৰি গোটাইছিলো।.......... আৰু অলপ, আৰু অলপ হ'লেই যেন খুব ধুনীয়াকৈ আঁটি যাব আমাৰ ভোজ। কিন্তু কোনে জানো সেয়া কৰিলে— অধিক ধান পোৱাৰ আশাত পথাৰত কাটি থৈ যোৱা ডাঙৰি উঠাই লৈ গ'ল আমাৰ লগৰে কেইজনমানে। লাহে লাহে সকলোৱে গম পাই গ'ল সেই কথা। গা ধুই গৈছিলো। তিতি আছিলো মই। সেই তিতি থকা গাতে দেউতাই কেঁচা চেকুৰা আৰু চেকনীৰে মোক কোবাইছিল। দেউতাই ভাবিছিল ময়ো সিহঁতৰ লগত ধান চোৰ কৰিছিলো। মোৰ সৰু গাঁওখনৰ গোটেই বাটে বাটে দেউতাই কোবাইছিল আৰু মানুহবোৰে চাইছিল। তাৰ পিচত মই বহুদিনলৈ সিহঁতৰ ওচৰলৈ যোৱা নাছিলো আৰু মই এটা নাম পাইছিলো চোৰ! ধান চোৰ।

কিন্তু কি জানা অনিন্দিতা, যি বদনামক এদিন মই শৈশৱত ঘিণ কৰিছিলো, তাকেই আজি মই কৰিব বিচাৰো। কিন্তু চোৰ নহয়। মই কাঢ়ি আনিব বিচাৰো জমিদাৰৰ চন্দুকবোৰ। কৃষকৰ ভাগ্যলিপি জমিদাৰৰ ভঁৰালত উফন্দুফাই থাকে অযুত কৃষকৰ হাহাকাৰ। দ্বাৰ ভাগি যেন এদিন বৈ আহিব ভন্না অথবা হোৱাংহো হৈ। সেয়ে মই বন্দুক তুলি ল'ব বিচাৰো। জমিদাৰৰ ভঁৰাল ভাগি বিলাই দিব বিচাৰো ভোকাতুৰ মানুহবোৰৰ সোণগুটি সপোন.......

## এটা বিদ্ৰোহী সপোন আৰু অনিন্দিতা গোস্বামী ঃ

ভোকত বেশ্যা হোৱা তিৰোতাবোৰক মই দেখিছো। মই জানো সেই ৰাতিবোৰৰ কথা, পাগলাদিয়াত কেনেকৈ উটি যায় যৌৱন যৌৱন সপোনবোৰ। কেনেদৰে জলফাইৰঙী বাংকুকুৰৰ গেৰেপনী মৰা শব্দত খহি পৰে চিখলাবোৰৰ লাজৰ আচল। সেয়ে গুচি যাব খোজো কেতিয়াবা। হাতত বন্দুক এটা লৈ গুলীয়াই যাব বিচাৰো সেই জাতি-ধৰ্ম-আত্মীয়তাহীন মানুহবোৰক। ইমান বঞ্চনা-ইমান অত্যাচাৰ। কেনেকৈ সহিব পাৰো আমি। শিকলি ছিঙাৰ সপোন দেখো সেয়ে। ৭০ দশকৰ নক্সাল হৈ মম জ্বলাই পঢ়ি যাও বলিভিয়াৰ ডায়েৰী, কাৰ্লমাৰ্ক্সৰ ডাচ কেপিটেল।

এই পৃথিৱীখন সলনি কৰাটো খুবেই প্ৰয়োজন অনিন্দিতা। জানা অনিন্দিতা, মাও-চে-তুঙে এষাৰ কথা কৈছিল— 'যিয়ে পৃথিৱীখন সলনি কৰিব বিচাৰে, সেইটো তেওঁলোকৰ দোষ নহয়, অপৰাধহে।' মই চকুমুদি থাকিব নোৱাৰো। এখন শ্ৰেণীহীন সমাজ বিচাৰো। য'ত কোনো কাৰো গোলাম নহয়, নহয় কোনো কাৰো মালিক। প্ৰেমেই হ'ব একমাত্ৰ আইন। প্ৰেম কেৱল প্ৰেম। য'ত ভালপোৱাৰ আবেগক যুক্তিৰ শৰেৰে বিদ্ধ কৰা নহয়। মই গুচি যাম, অনিন্দিতা, তেনেকুৱা এখন পৃথিৱীৰ সন্ধানত। য'ত তোমাক মই ভাল পাব পাৰিম, তুমি মোক। ভাঙি চূৰ-মাৰ কৰি দিব খোজো অপ্ৰেমী এই পৃথিৱী। এদিন নহয় এদিন আমি সাহসেৰে সাজিম কেৱল ভালপোৱাৰ পৃথিৱী। তাৰ বাবে যদি মোৰ ঠিকনা অৰণ্যও হয়, তথাপি মই ত্যাগ কৰিব নোৱাৰো মোৰ সেই নক্সালাইট সপোন।

গাঁৱৰ বন্ধু কেইজনমানৰ স'তে সেয়ে এটা সশস্ত্ৰ কমিউনিষ্ট পাৰ্টিৰ গঠন কৰাৰ পৰিকল্পনা কৰিছো। নাম দিছো কমিউনিষ্ট মুক্তিবাহিনী। তাৰ আগতে গাঁৱে গাঁৱে প্ৰগতিশীল এক সাংস্কৃতিক বিপ্লৱৰ আয়োজন কৰিব বিচাৰিছো। ভিতৰুৱা দুৰ্গম গাঁওবোৰত মুক্তাঞ্চল গঠন কৰি চহৰ ঘেৰাও কৰাৰ গেৰিলা যুদ্ধৰ কৌশলবোৰ শিকিব বিচাৰিছো। স্বাধীন অৰ্থনীতিৰ স্বাধীন ৰাষ্ট্ৰ এখন গঠন কৰাৰ সপোন দেখিছো। কৃষকবোৰৰ হাতত যাঠি, শ্ৰমিকবোৰৰ হাতত কাৰখানাবোৰ তুলি দিব বিচাৰিছো আৰু বহুতো বহুতো পৰিকল্পনা।

তুমিও বিচাৰানে, মানুহবোৰে এদিন প্ৰাণখুলি হাঁহক। গোলামীৰ যুঁৱলি দলিয়াই এদিন সূৰ্যৰ পিনে চাই কওঁক— আঃ জীৱন ইমান সুন্দৰ! বিচাৰানে অনিন্দিতা— বিচাৰানে?

## আকৌ আহক আমাৰ ঠিকনা হওঁক নক্সালবাৰী

নক্সালবাৰী। ভাৰতবৰ্ষৰ বিপ্লৱী জনতাৰ এটা প্ৰেৰণাৰ নাম। ১৯৬৭ চনৰ ২ মাৰ্চ তাৰিখে পশ্চিমবংগত শপতগ্ৰহণ কৰিছিল ১৪ দলীয় তথাকথিত কমিউনিষ্ট যুক্তফ্ৰন্ট চৰকাৰে। ভূমি আৰু ৰাজহ বিভাগৰ তেতিয়াৰ মন্ত্ৰী আছিল কৃষক নেতা চি পি আই (এম)ৰ হৰেকৃষ্ণ কোঁৱাৰ। তেওঁ শপত গ্ৰহণ কৰিয়েই ঘোষণা কৰিলে যে প্ৰকৃত ভূমিহীন কৃষকক ভূমি দিয়া হ'ব। কিন্তু সেয়া আছিল চূড়ান্ত ধাপ্পাবাজী। ক্ষমতাৰ ৰাগীত ৰাতিক দিন বোলা এইবোৰ নেতাই ভালদৰে জানিছিল যে ভাৰতবৰ্ষৰ দৰে এখন নব্য উপনিবেশত য'ত সামন্তবাদী ব্যৱস্থা এটা এতিয়াও বৰ্তি আছে জমিদাৰৰ স্বাৰ্থ ব্যাহত হ'ব পৰা কোনো আইন ৰচনাই হ'ব নোৱাৰে। সেই সময়তে উত্তৰবংগৰ বৰীয়ান কমিউনিষ্ট নেতা মজুমদাৰে শিলিগুৰি অঞ্চলত তেওঁৰ সমৰ্থকসকলক লৈ এই প্ৰতিশ্ৰুতি মিছা, ঠগবাজী তাক মেহনতী ৰাইজক বুজাই দিছিল। অতদিনে জমিদাৰৰ শোষণ-নিপীড়নত অতীষ্ঠ হৈ থকা ৰাইজৰ বাবে এই বাতৰি আছিল জ্বলা জুইত ঘিঁউ ঢলা কথা। চাৰু মজুমদাৰৰ দৰেই এজন ডেকা কমিউনিষ্ট নেতা জাগল চাওতালেও ৰাইজক বুজাই দিছিল চৰকাৰৰ তথাকথিত ধাপ্পাবাজীৰ কথা।

আনপিনে তিৰকি নামৰ জোটদাৰ এজনে বিগল কিষাণ নামৰ আধিয়াৰ এজনক মাটিৰ পৰা উচ্ছেদ কৰে। কিষাণে ইয়াৰ বিৰুদ্ধে আদালতৰ কাষ চাপিলে। বিচাৰত কিষাণ জয়ী হয়। সময়ত কিষাণ গ'ল মাটি চহাবলৈ। তাতেই জোটদাৰৰ ভাৰাতীয়া গুণ্ডাই কিষাণক আক্ৰমণ কৰি মূৰ দুফাল কৰি দিয়ে। এজন প্ৰত্যক্ষদৰ্শীয়ে দৌৰি গৈ খবৰ দিয়ে জাগল চাওতালে মিটিং কৰি থকা অঞ্চলত। খবৰ পোৱাৰ লগে লগে চাওতালৰ নেতৃত্বত শ শ কৃষক পথাৰলৈ দৌৰি আহি আক্ৰমণ কৰে জোটদাৰৰ গুণ্ডা বাহিনীক। এজন দৰিদ্ৰ কৃষকৰ তেজেৰে ৰাঙলী হৈ পৰা পথাৰৰ ওপৰত থিয় হৈ হেজাৰ হেজাৰ কৃষকে সমবেত কণ্ঠত গৰ্জন দিলে 'নাঙল যাৰ মাটি তাৰ।' খবৰ পাই ধুমুহা বেগত ঘটনাস্থলীত উপস্থিত হয় চাৰু মজুমদাৰ আৰু লগত ১৫-২০ হেজাৰ কৃষক যিসকল কৃষক অধিকাৰ ভিক্ষা মাগি লোৱাৰ পক্ষপাতী নাছিল। যিসকলে অধিকাৰ কাঢ়ি ল'ব বিচাৰে।

২৫ মে' ১৯৬৭ চনৰ এই দিনটোৰ পৰাই সাম্ৰাজ্যবাদৰ ভৃত্য আৰু সামন্ত শ্ৰেণীৰ স্বাৰ্থৰক্ষাকাৰী তথাকথিত কমিউনিষ্ট চৰকাৰ এখনৰ ছত্ৰছাঁয়াত সিদ্ধাৰ্থ ৰায়, জ্যোতি বসুহঁতৰ নেতৃত্বত শ শ কৃষক-মজদুৰক জেললৈ পঠোৱা হ'ল, দৈহিক নিৰ্যাতন, পুলিচৰ দ্বাৰা ঘৰবাৰী লুট কৰা হ'ল। ১৮ জন কৃষক মহিলা, পুৰুষ আৰু শিশুক বেয়নটেৰে খুচি হত্যা কৰি বিপ্লৱী কৃষক আন্দোলন খতম কৰিব বিচাৰিছিল। কিন্তু শত্ৰু এইবাৰ বাৰুকৈয়ে পৰাজিত হ'ল। নক্সালবাৰীৰ এই কৃষক বিদ্ৰোহ বনজুইৰ দৰে বিয়পি পৰে ভাৰতবৰ্ষৰ প্ৰান্তৰে প্ৰান্তৰে। নক্সালবাৰীৰ বিপ্লৱৰ এই ৰঙা জুই কুৰাই কাঢ়ি লৈ যায় শাসক শ্ৰেণীৰ ৰাতিৰ টোপনি। যিকুৰা ৰঙা জুইক মহাচীনৰ কমিউনিষ্ট চৰকাৰে জনাইছিল লাল চালাম। তেওঁলোকে যেন সঠিকভাৱেই কৈছিল এয়া যেন ভাৰতৰ মাটিত বসন্তৰ বজ্ৰ নিনাদ।

পুলিচৰ লকআপত হত্যা কৰা হৈছিল মহান নক্সালবাৰী আন্দোলনৰ নেতা কমৰেড চাৰু মজুমদাৰক। ভাৰতৰ শাসক আৰু শোষক শ্ৰেণীৰ বিশিষ্ট সেৱক কংগ্ৰেছ আছিল এই হত্যাৰ মূল কাণ্ডাৰী। প্ৰত্যক্ষ সহযোগী আছিল চি পি আই ৰাজনৈতিক সহযোগী আছিল চি পি এম আৰু অন্যান্য সংসদী দল। আজিৰ তাৰিখলৈ কোনো চৰকাৰেই এই কাপুৰুষোচিত হত্যাকাণ্ডৰ বিচাৰ কৰাৰ প্ৰয়োজন বোধ নকৰিলে। কেৱল চাৰু মজুমদাৰেই নহয়, সৰোজ দত্তসহ হেজাৰ হেজাৰ কমিউনিষ্ট বিপ্লৱীৰ হত্যাকাৰীয়েও শাস্তি নাপালে। সেয়ে আজি দেশৰ জনগণে বিচাৰিছে সমস্ত হত্যাকাণ্ডৰ জবাব।

## স্বাধীনতাক আদৰিবলৈ আহিবা অনিন্দিতা

যাৰ জোনাক নিৰুদ্দিষ্ট হৈছিল
অকালৰ চুবুৰীত তেওঁলোকৰ বাবে
যাৰ পিঠিত খোদিত
অত্যাচাৰী ৰজাৰ চাবুকৰ ভূগোল
যাৰ আচল গুচাই
বিচৰা হৈছিল ৰজাৰ অবাধ্য প্ৰজাক।

যশ শোষণত ক'লা পৰে ছাল
যাৰ স্কুল নাই বেমাৰত ঔষধ
নাই ঘৰ ভোকত এখন ৰুটি
শীতত এডোখৰ কাপোৰ
তেওঁলোকৰ বাবে আহা
আমি নিজকে সাজো যোদ্ধা
এদিন আইৰ আচলত আহি জিৰাবহি
তোমাৰ প্ৰিয় স্বাধীনতা
হয়তো সিদিনা তুমি নাথাকিবা
নাথাকিম মই আৰু বহুতো স্বাধীনতাৰ প্ৰেমিক চৰাই
তথাপিতো আমি যুঁজিম
শেষ উশাহলৈ যুঁজিম আৰু যুজিম
জীৱনতকৈয়ো প্ৰিয় স্বাধীনতাৰ
স্বাধীনতাক আদৰিবলৈ
ভুমুংবুথৰৰ পাৰে পাৰে সমবেত
আজি অযুত যৌৱন।
স্বাধীনতাক আদৰিবলৈ
তুমিও আহিবা অহাটো উচিত
মোৰ মৰমৰ অনিন্দিতা।

## এজন মাতালৰ আত্মকথা

প্ৰিয় পাঠক, আত্মকথা ক'বলৈ ওলাইছো— ৰ'ব ৰ'ব জপাই নথ'ব। মই জানো আপোনাৰ মূল্যৱান সময়ৰ নষ্টৰ বিনিময়ত এই লিখকৰ আত্মকথা শুনাৰ আপুনি প্ৰয়োজনবোধ নকৰে আৰু ময়ো নাভাবো কিবা প্ৰয়োজন থকা বুলি। কিন্তু মই কোন? মই কেৱল ময়েই নে? আপুনি কেৱল আপুনিয়েইনে? মই কেৱল মই হৈ থাকিব পাৰোনে? আপুনি একা? আপুনি কেৱল কি আপুনিয়েই। যিটো ৰাতিত আপোনাৰ দেউতাই আপোনাক খোদিত কৰিছিল আপোনাৰ মাৰ গৰ্ভত, সেই ৰাতিটো কি আপোনাৰ পৰা বিচ্ছিন্ন। যদি জন্মৰ পিচতে আপোনাক আৱিষ্কাৰ যন্ত্ৰ হোৱা নাছিল চহৰৰ ডাষ্টবিনত, যদি আপোনাৰ জন্মৰ সময়তে আপোনাৰ মাৰ মৃত্যু হোৱা নাছিল, তেনেহ'লে আপুনি নিশ্চয় মাৰ স্তনত মুখ গুজিয়ে পাৰ কৰিছিল জীৱনৰ প্ৰথম ভোকৰ ৰাতিবোৰ। আপুনি নিশ্চয় মোৰ এই লেখাটো পঢ়ি থকা অৱস্থাত দেহক ঢাকিবলৈ কাপোৰ পিন্ধি আছে, সেই কাপোৰবোৰ যি কাৰখানাত বনোৱা হৈছে, তাত কামকৰা শ্ৰমিকবোৰ, ভোকত খোৱা ভাতমুঠি, যি কৃষক সকলোৱে ফচল, জীৱনত যাৰ মুখত প্ৰথম অশ্লীল শব্দবোৰ শুনিছিল আৰু শিকিছিল, আৰ্তজনৰ চিৎকাৰ শুনিয়ো, যিবোৰ ওচৰ চুবুৰীয়াই খিৰিকী জপাই গীতা বচন মুখস্থ কৰি আছিল, সেই মানুহখিনিৰ পৰা আপুনি কি বিচ্ছিন্ন? যদি আপুনি ভাবিছে আপুনি কেৱল আপুনি? তেনেহ'লে ভুল। কাৰণ আপোনাৰ গাৰ মঙহ আপোনাৰ নহয়, আপোনাৰ তেজ আপোনাৰ নহয়, আপুনাৰ জোতা-চেণ্ডেল, কলম যদিও আপুনি ক্ৰয় কৰিছে সেয়া আপেনাৰ নহয়। এই যে আপোনজনৰ বিয়োগত কান্দিছে, এই যে জয়ী হোৱাৰ আনন্দত হাঁহিছে, আপোনাৰ প্ৰিয় ফুলদানিডাল ভাঙি পেলোৱাত আপোনাৰ যে খং উঠিছে, এই সকলোবোৰ আপোনাৰ নহয়। ই এটা পৰম্পৰাৰ চিৰন্তন অভ্যাস এই ঈশ্বৰ— আপুনি যে ব্ৰত ৰাখিছে জীৱনৰ মংগল চিন্তাত এইবোৰ আপোনাৰ নহয়। কোনো ৰাইট ভাতৃদ্বয়ে এৰোপ্লেন আৱিষ্কাৰ কৰা নাই, মেক্সিম গৰ্কীয়ে লিখা উপন্যাসখন কেৱল মেক্সিম গৰ্কীৰ নহয়, ৰবীন্দ্ৰনাথৰ কবিতাবোৰ কেৱল ৰবীন্দ্ৰ নাথৰ...

সেয়ে যদিও মই আত্মকথা ক'ম সেয়া কেৱল মোৰ কথা নহয়। যদি আপুনিও বিচ্ছিন্ন নহয় যৌৱনৰ নিদাৰুণ অভিঘাতৰ পৰা, যিদৰে মই বিচ্ছিন্ন নহয় মোৰ অতীতৰ পৰা, মোৰ প্ৰেম ভালপোৱাৰ পৰা ঠিক তেনেদৰে অনিন্দিতা— অনিন্দিতা গোস্বামীৰ পৰা।

## ভালপোৱা মোৰ হৃদয়ৰ চিৰন্তন দুৰ্বলতা ঃ

অনিন্দিতা এদিন তোমাক মই ভাল পাইছিলো। কাৰণ মই ভাল পাব খুজিছিলো এই পৃথিৱীক, শইচ চপোৱাৰ আনন্দৰে তোমাক আঁকোৱালি লোৱাৰ মোৰ যে আছিল কিমান হেঁপাহ। বুকুৰ মাজত বৰ অলফুলে, বৰ আলফুলে সাঁচিছিলো মৰম কেৱল মৰম। চকুপানী নুটুকাঁকৈ উচ্চাৰিত নোহোৱাকৈ কোনো শব্দ মই যে তোমাৰ মুখত বুকু ঢাকুৰিয়াই কান্দিবলৈ সাজু আছিলো। মই যে মোৰ সহজ দোষৰ চিকাৰ হৈছিলো তোমাক লৈ সাজিছিলো কল্পনাৰ কাৰেং। আকাশ, বতাহ, সাগৰ, নদী, সূৰ্য সকলোৰে পৰা মই কেৱল তোমাক বিচাৰিছিলো তোমাক। কিমান যে অবুজন আছিলো মই বুজা নাছিলো হৃদয়ৰ সম্বন্ধতো যে থাকে জ্যামিতিক নিয়ম। হায়! কেনেকৈ যে ভাগে হিয়া, নেভাগিলে যে বুজা নাযায়।

অনিন্দিতা, তুমি মোৰ সহজ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিলা। তুমি কৈছিলা তুমি উচ্চবংশৰ ছোৱালী, তুমি গোঁসাই ছোৱালী আৰু মই....। তুমি মোক ভালপোৱা নাছিলা, কাৰণ তুমি কেৱল তুমি নাছিলা। তুমি বিচ্ছিন্ন নাছিলা তোমাৰ মা-দেউতা, পৰিয়াল, চুবুৰীয়া, সমাজ, অতীত পৰম্পৰাৰ পৰা। তুমি যি অনিন্দিতাই মোৰ প্ৰস্তাৱত সন্মতি জনোৱা নাছিলা, সেই অনিন্দিতা সেই অতীতেৰে গঢ়া, যি অতীতে বাৰে বাৰে কয় না না তুমি উচ্চ— উচ্চ তেওঁ নীচ নীচ। তুমি কিয় নতজানু হ'লা কিছুমান ভুল পৰম্পৰাৰ ওপৰত। কিয় মানি ল'লা এই অনিয়মবোৰ। কিয় কিয়! তুমিতো আজিৰ ছোৱালী অথচ....। আধুনিকতা মানেতো নহয় কম্পিউটাৰ চেটিং, ভিডিঅ' গেম, ৰেষ্টোৰা, ৰেভ লন। আধুনিকতা মানে যে স্থবিৰতাৰ বিৰুদ্ধে গতিশীলতাৰ জেহাদ।

## ভালপোৱা দিক্‌টো বাটেৰে আহা যদি অনিন্দিতা ঃ

অনিন্দিতা, তোমাক ঠেহ খং অভিমানেৰে যিবোৰ কথা ক'লো সেইবোৰ কোনোদিনে আচল কথা নাছিল। তোমাক যিবোৰ কথা কোৱা নহ'ল কোনোদিনেই সেইবোৰহে আচল কথা আছিল। বহুদিন তোমাক আমনি কৰিছো। অযথা অধিকাৰ দাবী কৰিলো, অযথা ঠেহ কৰিলো সেইবোৰ আৰু একো নকৰোঁ। মাথোঁ আশা কৰিম.... অলপমান মৰম ৰাখিবা, অলপমান গুৰুত্ব দিবা অনাগত জীৱনত। আকৌ স্বাৰ্থপৰৰ দৰে আশা কৰিছোঁ কাৰণ আনৰ মৰম তথা ভালপোৱা নহ'লে মই যে জীয়াই থাকিব নোৱাৰো অনিন্দিতা।

তথাপি, তথাপি অনিন্দিতা, তোমাক যে কিছুমান কথা ক'বই লাগিব। মই বিচাৰো তুমি মুক্ত হোৱা ভ্ৰান্তি বিলাস চেতনাৰ পৰা। তুমি দলিযাই পেলাই দিয়াটো উচিত অযুক্তিকৰ এটা পৰম্পৰাৰ জিঞ্জিৰি। ই যে মানৱতাৰ প্ৰতি চূড়ান্ত অৱমাননা। তুমি কিয় হাৰি যাবা এই অন্যায় নিয়মৰ ওচৰত। কিয়? কিয়? জয় পৰাজয় কোনোদিনেই ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল ওপৰলৈ উঠিব চেষ্টা কৰাতে আমি কিমান বাধা অতিক্ৰম কৰিব পাৰিছো। এটা সুস্থিৰ লক্ষ্য আগত ৰাখি সৎভাৱে জীৱনক পৰিচালিত কৰি একাণপতীয়া প্ৰচেষ্টাৰে যুঁজি থকাতে জীৱনৰ সাৰ্থকতা লুকাই থাকে। ইয়েই অৰ্থপূৰ্ণ কৰি তুলিব পাৰে জীৱন। তুমিও বুজাটো উচিত যুগৰ বতাহে কি গান গাইছে বাস্তৱৰ কঠিন শিলত ঠেকা খায় খায়। তুমি পাৰিবা অনন্দিতা পাৰিবা। এই অপ্ৰেমী পৃথিৱীত উৰুৱাবানে ভালপোৱাৰ সেউজীয়া নিচান। তুমি মোৰ নহ'লেও অন্তৰৰ অন্তস্থলৰ পৰা আশা কৰিম তুমি এগৰাকী এনেকুৱা অনিন্দিতা হোৱা, যি নতজানু নহয় নিষ্ঠুৰ সময়ৰ বলিয়া ধুমুহাজাকৰ ওচৰতো। যিয়ে অবিশ্বাসৰ পৃথিৱীত গাব পাৰে বিশ্বাসৰ এটি গান। অনিন্দিতা, তোমাক কমৰেড বুলি মাতিব পাৰিলেই মই সুখী হ'ম। সেইদিনাই তোমাক জনাম লালচালাম। অনিন্দিতা মোৰ মৰমৰ অনিন্দিতা।

## চাৰু মজুমদাৰৰ আঙুলিত ধৰি আগবাঢ়ি যাওঁ ব'লাঃ

ব'লা অনিন্দিতা, চাৰু মজুমদাৰৰ তৰ্জনী আঙুলিটো খামোচি ধৰো। এই অত্যাচাৰৰ পৃথিৱীৰ বিৰুদ্ধে আমি ঘোষণা কৰো আমাৰ তেজৰ জেহাদ। যদি চয়তানৰ তাৰীখানাত বেশ্চ হৈ পৰি থাকে ঈশ্বৰ, যদি থমকি ৰ'ব খোজে মানুহৰ হেঁপাহৰ চিলা, যদি শইচ গোন্ধোৱা সপোনবোৰ নিৰুদ্দিষ্ট হয় দুখৰ অৰণ্যত, তুমিও কি আত্মসমৰ্পণ কৰিবা। নুপুংসকইতৰ ওচৰত। তাতকৈ ব'লা আমাৰ বঞ্চনাৰ বেদনাৰে শত্ৰু ধ্বংসৰ বজ্ৰ নিৰ্মাণ কৰো। আহা অনিন্দিতা চাৰু মজুমদাৰৰ আঙুলিত ধৰি আমি পাৰ হওঁ নিৰন্ন দিন আৰু দুখৰ ঋতুবোৰ। কমৰেড, ভয় নাথাবা ৰাতি যিমানেই জয়াল হয়, প্ৰভাত সিমানেই মধুৰ হয়। চোৱা, চোৱা, পূব আকাশত ফেঁহুজালি। ■

অনুবাদ গল্প

# ছিয়েষ্টা

**মূলঃ গেব্রিয়েল গাৰ্চিয়া মাৰ্কুৱেজ**
**ভাষান্তৰ ঃ দিগন্ত শইকীয়া**



শিলৰ সুৰংগটোৰ পৰা ৰে'লখন ওলাই আহি শাৰী শাৰীকৈ ৰোৱা বিস্তৰ কলগছৰ বাগানখন অতিক্ৰম কৰিবলৈ আৰম্ভ কৰিলে। চৌদিশৰ বায়ু সেমেকি উঠিল। এতিয়া তেওঁলোকে সাগৰীয় বায়ুৰ অস্তিত্ব পাহৰি গ'ল। ধোঁৱাৰ এটা শ্বাসৰুদ্ধকাৰী সোঁত খিৰিকিৰে সোমাই আহিল। ৰে'লৰ আলিটোৰ সমান্তৰালভাৱে থকা ঠেক ৰাস্তাটোৰ ওপৰত কিছুমান গৰুগাড়ীত কেঁচাকল বোজাই কৰি থোৱা আছিল। ৰাস্তাটোৰ সিপাৰে ঠায়ে ঠায়ে দেখা ছনপৰা মাটিবোৰত বিজুলী পাংখাৰে সৈতে কিছুমান দপ্তৰ, ৰঙা ইটাৰে সজা পকীঘৰ আৰু ওখ ঢাপবোৰত থকা বগৰী আৰু গোলাপফুলৰ জোপোহাবোৰৰ মাজত সৰু সৰু চকী-টেবুলেৰে সৈতে আবাসগৃহবোৰ দেখা গৈছিল। তেতিয়া ৰাতিপুৱা এঘাৰ বাজিছিল আৰু তেতিয়ালৈকে বেলিটোৱে খাওঁ খাওঁ মূৰ্তি ধাৰণ কৰা নাছিল।

"খিৰিকিখন বন্ধ কৰি দিয়াই ভাল হ'ব, নহ'লে তোৰ চুলিবোৰ ধূলিৰে ভৰি পৰিব।"— তিৰোতাগৰাকীয়ে ক'লে।

ছোৱালীজনীয়ে চেষ্টা কৰিও খিৰিকিখন লৰচৰেই কৰিব নোৱাৰিলে, কাৰণ মামৰে ধৰি সেইখন অচল হৈ পৰিছিল।

তৃতীয় শ্ৰেণীৰ দবাটোত তেওঁলোক দুগৰাকীয়েই আছিল একমাত্ৰ যাত্ৰী। খিৰিকিখনেৰে ৰে'লৰ ইঞ্জিনৰ ধোঁৱা অহৰহ সোমাই থকাৰ বাবে ছোৱালীজনীয়ে লগত নিয়া বস্তুকেইপদ হাতত লৈ সেই আসনৰ পৰা উঠি গ'ল। তেওঁলোকে লগত নিয়া বস্তুকেইপদৰ ভিতৰত আছিল খোৱাবস্তু ভৰাই নিয়া এটা প্লাষ্টিকৰ মোনা আৰু খবৰ কাগজেৰে মেৰিয়াই নিয়া এথোপা ফুল। খিৰিকিখনৰ পৰা আঁতৰি তাই আগৰ আসনখনৰ বিপৰীতে মাকৰ মুখামুখিকৈ বহিল। মাক-জীয়েক দুয়ো পৰিধান কৰা ফটা-ছিটা, মলিয়ন কাপোৰবোৰেই তেওঁলোকৰ আৰ্থিক দিশটো উদঙাই দিছিল।

বাৰ বছৰীয়া ছোৱালীজনীয়ে জীৱনত প্ৰথমবাৰৰ বাবে ৰে'লত উঠিছে। তিৰোতাগৰাকীৰ কৃশাংগী দেহত আছিল এযোৰ জলহ সাজ। চকুৰ পতাত জিলিকি থকা ৰক্তশিৰাবোৰ আৰু ক্ষীণ-মীন শৰীৰত জলহ সাজযোৰেৰে সৈতে তেওঁক সমূলি ছোৱালীজনীৰ মাক যেন লগা নাছিল। তেওঁৰ কোলাত আছিল এটা সৰু চামৰাৰ বেগ।

তেতিয়া দিনৰ বাৰমান বাজিছিল। আৰু গৰম পৰিবলৈ আৰম্ভ কৰিছিল। কোনোবা এঠাইত ৰে'লখন দহ মিনিটৰ বাবে পানী ভৰাবলৈ ৰ'ল। ঠাইখন বৰ আচহুৱা আছিল। বাহিৰৰ গছ-গছনিবোৰত আচৰিত নিস্তব্ধতা বিৰাজ কৰিছিল। তেতিয়ালৈকে দবাটোৰ ভিতৰত আবদ্ধ হৈ থকা বতাহখিনিত কেঁচা চামৰাৰ গোন্ধৰ দৰে এটা গোন্ধ মিহলি হৈ আছিল। ৰে'লখন মন্থৰ গতিৰে আগবাঢ়িছিল। উজ্জ্বল ৰং লগোৱা, কাঠেৰে নিৰ্মিত অসংখ্য ঘৰৰ মাজে মাজে গৈ ৰে'লখন অনুৰূপ দুটা ঘৰেৰে নিৰ্মিত এটা ষ্টেচনত ৰৈ পৰিছিল। তিৰোতাগৰাকীৰ টোপনি আহিছিল। সেয়েহে বাৰে বাৰে মূৰটো তললৈ দোঁ খাই গৈছিল। ছোৱালীজনীয়ে জোতাযোৰ খুলি তাইৰ হাতত থকা ফুলৰ থোপাটোত অকণমান পানী দিবৰ বাবে স্নানাগাৰৰ ফালে সোমাই গৈছিল।

মাকে কিবা খাবৰ বাবে তাই অহালৈ বাট চাই আছিল। তাই আহি মাকক এটুকুৰা চীজ আৰু আধাডোখৰ ভজাপিঠা প্লাষ্টিকৰ মোনাটোৰ পৰা উলিয়াই দিলে আৰু নিজেও সমানে ল'লে। তেওঁলোকে খাই থাকোতে ৰে'লখন ধীৰগতিৰে এখন লোহাৰ দলং আৰু আগতে এৰি অহা নগৰ দুখনৰ দৰে আন এখন নগৰো পাৰ হৈ আহিছিল। সেই চোকা ৰ'দতে এজন মানুহে বেণুত এটা মধুৰ সুৰ বজাই আছিল।

তিৰোতাগৰাকীয়ে খোৱা বন্ধ কৰি জীয়েকক ক'লে ঃ

— 'তোৰ জোতাযোৰ পিন্ধি ল।'

তাই বাহিৰলৈ চাই এখন পৰিত্যক্ত ঠাই দেখা পালে। ঠিক সেইখিনিৰ পৰাই ৰে'লখনৰ বেগ আৰু দ্ৰুত হৈ পৰিল। তাই খাবলৈ বাকী থকা পিঠাডোখৰ মোনাটোত ভৰাই থৈ লৰালৰিকৈ নিজৰ জোতাযোৰ পিন্ধি ল'লে। মাকে তাইক এখন ফণি দি ক'লে ঃ 'চুলিখিনি ফণিয়াই ল।'

তাই চুলিখিনি ফণিয়াই থাকোঁতে ৰে'লখনৰ উকি পৰিল। তিৰোতাগৰাকীয়ে ডিঙি আৰু মুখত বিৰিঙি উঠা ঘামবোৰ হাতেৰে মোহাৰি ল'লে। ছোৱালীজনীৰ মূৰ ফণিয়াই হোৱাৰ লগে লগে ৰে'লখন নগৰ এখনৰ উপকণ্ঠত থকা ঘৰ কিছুমান অতিক্ৰম কৰি যাবলৈ ধৰিলে। এই ঘৰবোৰৰ আকাৰ আগতে এৰি অহা ঘৰবোৰতকৈ কিছু ডাঙৰ আছিল।

'তোৰ যদি কিবা কৰিবলৈ আছে তেন্তে এতিয়াই কৰি ল। পিচত পিয়াহত টেঁটু শুকাই গ'লেও ক'তো পানী খাবলৈ নিবিচাৰিবি। সমূলি কন্দা-কটা নকৰিবি।'— তিৰোতাগৰাকীয়ে ক'লে।

তাই মূৰ দুপিয়ালে। এছাটি শুকান, তপত বতাহ খিৰিকিৰে সোমাই আহিল। তিৰোতাগৰাকীয়ে বাকী থকা খোৱাবস্তুখিনি প্লাষ্টিকৰ মোনাটোৰে মেৰিয়াই হাতত লৈ থকা চামৰাৰ বেগটোত ভৰাই ল'লে। এক মুহূৰ্তৰ বাবে সেই আগষ্ট মাহৰ উজ্জ্বল মঙলবাৰটোৰ এখন সম্পূৰ্ণ ছবি খিৰিকিৰে দেখা গৈছিল। ছোৱালীজনীয়ে ফুলৰ থোপাটো এখন খবৰ কাগজেৰে মেৰিয়াই লৈ খিৰিকিৰ কাষৰ পৰা অলপমান আঁতৰি গৈ মাকৰ মুখলৈ চাই আছিল। কিছুপৰৰ পিচত ৰে'লখন ৰৈ গ'ল।

ষ্টেচনটোত মানুহ-দুনুহ নাছিল। গোটেই নগৰখন বেলিটোৱে উতলাই পেলাইছিল। মাক-জীয়েক দুয়ো ৰে'লখনৰ পৰা নামি সেই পৰিত্যক্ত ষ্টেচনটো খোজকাঢ়ি পাৰ হৈ আহিলে।

তেতিয়া প্ৰায় দুই বাজিছিল। গোটেই নগৰখন টোপনি গধুৰ হৈ পৰিছিল। আৰু ঘন্টেকৰ বাবে ছিয়েষ্টাত মগ্ন হৈছিল। এঘাৰ বজাতেই নগৰৰ দপ্তৰবোৰকে ধৰি স্কুল আৰু দোকান-পোহাৰবোৰো বন্ধ হৈ পৰিছিল। আৰু ৰে'লখন ঘূৰি যোৱাৰ কিছুপৰ আগলৈকে অৰ্থাৎ চাৰি বজাৰ কিছুপৰ আগলৈকে এইবোৰ খোলা হোৱা নাছিল। সেই সময়ত ষ্টেচনৰ পোনে পোনে থকা হোটেলখন আৰু টেলিগ্ৰাফ দপ্তৰটোহে খোলা আছিল। পথৰ কাষে কাষে থকা ঘৰবোৰৰ দুৱাৰবিলাক ভিতৰৰ পৰা বন্ধ কৰা আছিল। ইয়াৰে কিছুমান ঘৰৰ ভিতৰবোৰ ইমানেই গৰম হৈ উঠিছিল যে তাৰ কিছুমান সদস্যই বাহিৰৰ বাৰাণ্ডাত বহি তেওঁলোকৰ দুপৰীয়াৰ আহাৰ লৈছিল। আন কিছুমানে আকৌ ৰাস্তালৈ চকী এখোখন উলিয়াই আনি দেৱালৰ কাষৰ গছৰ ছাঁত বহি বহিয়েই সময়খিনি অতিবাহিত কৰিছিল।

গছৰ ছাঁয়ে ছাঁয়ে গৈ মাক-জীয়েক দুয়ো সেই ছিয়েষ্টাত মগ্ন নগৰখনক কোনো আমনি নকৰাকৈয়ে তাৰ বুকুতে সোমাই পৰিছিল। তেওঁলোকে পোনে পোনেই খ্ৰীষ্টীয় পুৰোহিতজনৰ ঘৰলৈ গৈ দুৱাৰত টুকুৰিয়াই তেওঁলোক অহাৰ উমান দিলে। গৃহস্থৰ কোনো সঁহাৰি নাপাই অলপ পৰ ৰৈ পুনৰ দুৱাৰত টোকৰ দিলে। এখন ইলেক্ট্ৰিক পাংখা ভিতৰৰ কোঠাটোত লাহে লাহে ঘূৰি আছিল। তেওঁলোকে ভিতৰত কাৰো পদশব্দ শুনা নাপালে বৰং ভিতৰৰ দুৱাৰ এখনহে খোলাৰ শব্দ শুনা গ'ল। লগে লগে এটা কণ্ঠস্বৰ ভাহি আহিল— 'কোন'?

'মই পুৰোহিতজনক বিচাৰিছো।'— তেওঁ ক'লে।

'তেখেতে এতিয়া বিশ্ৰাম লৈছে।'— ভিতৰৰ পৰা উত্তৰ আহিল।

'তেখেতক লগ পোৱাটো বৰ দৰকাৰী আছিল'— তেওঁ একপ্ৰকাৰ জিদ্ কৰি কোৱাৰ দৰে ক'লে। কথাবোৰ শান্তভাৱে কৈছিল যদিও তাতেই তেওঁৰ মনৰ দৃঢ়তা ফুটি উঠিছিল।

দুৱাৰখন অলপমান খোল খাই গ'ল। লৌহ বৰণৰ চুলি আৰু শেঁতা শৰীৰৰ এগৰাকী তিৰোতা ওলাই আহিল। তেওঁৰ চছমাৰ ডাঠ কাঁচ দুখনৰ মাজেদি চকু দুটা নিচেই সৰু দেখা গৈছিল। দুৱাৰখন দুফালকৈ খুলি দি তেওঁ ক'লে— 'সোমাই আহা'

ফুলৰ মৃদু সুবাসেৰে সুবাসিত এটা কোঠাৰ ভিতৰলৈ তেওঁলোক সোমাই গ'ল। তিৰোতাগৰাকীয়ে তেওঁলোকক এখন কাঠৰ বেঞ্চৰ ওচৰলৈ আগবঢ়াই নি তাতে বহিবলৈ ইংগিত দিলে। ছোৱালীজনী তাত বহি পৰিল। মাকে হাতত সেই সৰু বেগটো খামুচি ধৰি



অন্যমনস্ক হৈ থিয় হৈ থাকিল। মূৰৰ ওপৰৰ ইলেক্ট্ৰিক পাংখাখন কোনো কোলাহল নকৰাকৈ লাহে লাহে ঘূৰি থাকিল।

কেইমুহূৰ্তমানৰ পিচত সেই তিৰোতাগৰাকীয়ে কোঠাটোৰ সিটো মূৰত থকা দুৱাৰখনেৰে ভুমুকি মাৰি ক'লে ঃ

'তেওঁ পাঁচ মিনিটমানৰ আগতে বিছনাত বাগৰ দিছেহে মাথোঁ, সেয়েহে তোমালোকক তিনি বজাৰ পিচত আহিবলৈ কৈছে।'

'চাৰে তিনি বজাত আমাৰ ফালে যোৱা ৰে'লখন এৰে'— উত্তৰটো একেবাৰে চমু আৰু এনেহে আছিল যেন তেওঁ কথাষাৰ নিজেই নিজকে আশ্বাস দিবলৈহে কৈছে। তথাপি কথাষাৰ কওঁতে তেওঁৰ কণ্ঠস্বৰ অনুচ্চ আৰু শুৱলা আছিল। সিগৰাকী তিৰোতাই প্ৰথমবাৰৰ বাবে তেওঁলৈ চাই এটা মৃদু হাঁহি মাৰি ক'লে ঃ

'ঠিক আছে'

দূৰৰ দুৱাৰখন পুনৰ বন্ধ কৰি তিৰোতাগৰাকী ভিতৰ সোমাই গ'ল।

দুৱাৰখন বন্ধ হৈ যোৱাৰ লগে লগে জীয়েকৰ কাষতে কাঠৰ বেঞ্চখনত মাকো বহি পৰিল। তেওঁলোক বহি থকা কোঠাটো বেছ আটোমটোকাৰি আছিল। কাঠৰ বেৰখনৰ ইপাৰে (যিখন বেৰে কোঠাটো দুভাগ কৰিছে) পানী নসৰকা কাপোৰ পাৰি থোৱা এখন মেজৰ ওপৰত এটা পুৰণিকলীয়া টাইপৰাইটাৰ। তাৰ কাষতেই এটা কলহৰ দৰে দানিত কিছুমান ফুল সজাই থোৱা আছে। ওপৰত সেই গীৰ্জাৰ অধীন সকলো মানুহৰ জন্ম-মৃত্যু-বিবাহৰ লিখিত বিৱৰণী এখন বহীত লিপিবদ্ধ কৰা আছে। এই সৰু আটোমটোকাৰি কোঠাটো দেখিলে এনে ভাব হয় যেন কোনোবা গাভৰুৱেহে কোঠাটো নিয়াৰিকৈ সজাই-পৰাই ৰাখিছে।

দূৰৰ দুৱাৰখন হঠাৎ খোল খাই গ'ল। ৰুমালেৰে চছমাৰ কাঁচ দুখন মোহাৰি মোহাৰি পুৰোহিতজন ওলাই আহিল। চছমাযোৰ তেওঁ পিন্ধাৰ পিচত তেওঁৰ মুখৰ আকৃতি সেই দুৱাৰ খুলি দিয়া তিৰোতাগৰাকীৰ লগত ইমানেই মিলি পৰিল যে তেওঁলোক দুয়ো ককাই-ভনী যেন অনুমান হ'ল।

ঃ আপোনাক কেনেকৈ সহায় কৰিব পাৰো?'— তেওঁ সুধিলে।

ঃ মোক কবৰখানাৰ দুৱাৰৰ চাবিপাত লাগে।'— তিৰোতাগৰাকীয়ে ক'লে।

ছোৱালীজনীয়ে ভৰি দুটা এটা পুৰণ চিনৰ আকৃতি দি বেঞ্চখনৰ তললৈ সুমুৱাই কোঁচত ফুলৰ থোপাটো লৈ বহি আছিল। পুৰোহিতজনে এবাৰ তাইলৈ চাই পিচত এবাৰ তাইৰ মাকলৈও লক্ষ্য কৰিলে। তাৰপিচত খিৰিকিৰ ফাঁকেৰে ফৰকাল আকাশখনলৈ এবাৰ চালে।

ঃ এতিয়া বৰ গৰম। তুমি অন্ততঃ বেলি পৰালৈকে বাট চাব লাগিছিল।— তেওঁ ক'লে।

তিৰোতাগৰাকীয়ে মুখেৰে এটা শব্দ নকৰি মাথোঁ মূৰটো ঘূৰালে। পুৰোহিতজনে কাঠৰ বেৰখনৰ সিপাৰৰ সৰু কোঠাটোলৈ সোমাই গৈ কাপোৰেৰে মেৰিয়াই থোৱা এখন টোকাবহী, কলম সুমুৱাই থোৱা এটা কাঠৰ বাকচ আৰু এটা চিয়াঁহী দোৱাত উলিয়াই আনি টেবুলৰ কাষত বহি পৰিল। তেওঁৰ হাত দুখনত অতিৰিক্তভাৱে নোম আছিল। মূৰত চুলি আছিল বৰ পাতল।

ঃ আপুনি কোনটো মৰিশালি দৰ্শন কৰিবলৈ বিচাৰিছে?'— তেওঁ সুধিলে।

ঃ 'কাৰ্লছ কেণ্টেন'ৰ মৰিশালিটো'— তিৰোতাগৰাকীয়ে ক'লে।

ঃ কাৰ?

ঃ কাৰ্লছ কেণ্টেন'ৰ— তিৰোতাগৰাকীয়ে দোহাৰিলে। তেতিয়ালৈকে তেওঁ কাৰ মৰিশালি দৰ্শন কৰিবলৈ বিচাৰিছে পুৰোহিতজনে সঠিকভাৱে ধৰিবই পৰা নাছিল।

ঃ সি এটা চোৰ আছিল। যোৱা সপ্তাহত মৰা পৰিছে আৰু মই তাৰ মাক!'— তিৰোতাগৰাকীয়ে একেটা সুৰতে গোটেই কথাখিনি কৈ পেলালে।

পুৰোহিতজনে তিৰোতাগৰাকীৰ মূৰৰ পৰা ভৰিলৈকে ভালকৈ এবাৰ লক্ষ্য কৰিলে। তেৰোঁ সম্পূৰ্ণ আত্মসংযমেৰে পুৰোহিতজনৰ মুখলৈ ব্যগ্ৰভাৱে চাই ৰ'ল। অপৰিচিত তিৰোতাগৰাকীৰ অপলক দৃষ্টিত পুৰোহিতজনৰ মুখখন ৰঙা পৰি গ'ল। তেওঁ তলমূৰকৈ কিবা লিখাত ব্যস্ত হৈ পৰিল। এটা পৃষ্ঠা সম্পূৰ্ণকৈ লিখি উঠাৰ পিচত তেওঁ তিৰোতাগৰাকীক নিজৰ পৰিচয় ব্যক্ত কৰিবলৈ ক'লে। তিৰোতাগৰাকীয়ে নিজৰ বিষয়ে ইমানেই নিঃসংকোচে আৰু অনৰ্গলভাৱে কৈ গৈছিল যে তেওঁ যেন আগতে লিখি ৰখা কিছু কথা সলসলীয়াকৈ পঢ়িহে গৈছিল। পুৰোহিতজন ঘামিবলৈ আৰম্ভ কৰিছিল। ছোৱালীজনীয়ে তাইৰ বাওঁভৰিৰ জোতাপাত খুলি ভৰিটো বতাহ পাবৰ বাবে মুকলি কৰি দি বেঞ্চখনৰ তলৰ চিৰিডালত থ'লে। অলপ পৰৰ পিচত তাই সেইদৰে সোঁভৰিৰ জোতাপাতো খুলি পেলালে।

... এই গোটেই ঘটনাটো আৰম্ভ হৈছিল যোৱা সোমবাৰে ৰাতি তিনি বজাত সেই ঠাইৰ পৰা কিছু দূৰত। ৰেবেকা নামৰ অকলশৰীয়া বিধৱাগৰাকী এটা জৰাজীৰ্ণ ঘৰত বাস কৰে। সেইদিনা ঘৰৰ চালত কিন্‌কিন্‌কৈ বৰষুণ পৰি আছিল। সমুখৰ দুৱাৰখন বাহিৰফালৰ পৰা কোনোবাই মেলিবলৈ জোৰ প্ৰয়োগ কৰা যেন তেওঁ অনুমান কৰিলে। ঘপ্‌কৰে তেওঁ বিছনাৰ পৰা উঠি ভিতৰৰ কোঠাটোলৈ ৰিভলভাৰটো বিচাৰি গ'ল। সেই আওপুৰণি ৰিভলভাৰটো

তেওঁৰ পূৰ্বপুৰুষ কৰ্ণেল অ'ৰেলিয়েন' বিউণ্ডিয়াৰ দিনৰ পৰা সেইদিনালৈকে কোনেও ব্যৱহাৰ কৰা নাছিল। তেওঁৰ সেই আঠাইশ বছৰীয়া নিঃসংগ জীৱনটোত লাহে লাহে বাঢ়ি অহা আতংকৰ দৰে সেই কোঠাটোৰ দুৱাৰত ক্ৰমান্বয়ে বাঢ়ি অহা শব্দবোৰৰ প্ৰতি কোনো কাণসাৰ নিদিলে। ঘৰটোৰ কোনখিনিত দুৱাৰখন আছে সেই কথাই নহয় ঠিক কোনখনিত দুৱাৰৰ তলাটো আছে সিমানপৰ্যন্ত তেওঁ মনতে হিচাপ-নিকাচ কৰি ঠাইটুকুৰা অনুমান কৰি থৈছে। দুয়োহাতে তাই ৰিভলভাৰটো খামুচি ধৰি চকু দুটা মুদি লৈ তৎক্ষণাত ঘোঁৰাটো' টিপি দিলে। এয়াই তেওঁ জীৱনত প্ৰথমবাৰৰ বাবে বন্দুক চলাইছে। গুলীটো ৰিভলভাৰৰ পৰা ওলাই যাওঁতে কৰা শব্দটোৰ পিচত কিনকিনীয়া ৰৰযুণজাক টিনত পৰি হোৱা মৃদু শব্দটোৰ বাহিৰে আন কোনো শব্দ তেওঁৰ কৰ্ণগোচৰ নহ'ল। অলপ পিচতে তেওঁ পকী বাৰাণ্ডাখনৰ ওচৰত এটা ক্ষীণ গেঙনিৰ লগতে এটা অনুচ্চ কণ্ঠস্বৰ শুনিবলৈ পালে—'আ' মা'

পিচদিনা ৰাতিপুৱা ঘৰটোৰ সমুখত মানুহজন মৃত অৱস্থাত উদ্ধাৰ হৈছিল। তেওঁৰ নাকটো ফাটি চিৰাচিৰ হৈছিল। আঁক-বাঁক ফ্লেনেল কাপোৰৰ এটা চোলা, সাধাৰণ এটা পেণ্ট আৰু পেণ্টটো ধৰি ৰাখিবৰ বাবে এডাল ৰছী কঁকালত আঁতি আঁতি বান্ধি থৈছিল। খালীভৰিৰে পৰি থকা সেই মানুহজনক নগৰখনৰ কোনেও চিনি পোৱা নাছিল।

ঃ তেওঁৰ নামেই আছিল কাৰ্লছ কেণ্টেন'— লিখা শেষ কৰি পুৰোহিতজনে ভোৰভোৰাই উঠিল।

ঃকেণ্টেন আয়ালা, তেৱেঁই আছিল একমাত্ৰ পুত্ৰ সন্তান—তিৰোতাগৰাকীয়ে ক'লে।

পুৰোহিতজন পুনৰ ভিতৰৰ কোঠাটোলৈ সোমাই গ'ল। কোঠাটোৰ ভিতৰফালে দুৱাৰখনৰ ওপৰত মামৰে ধৰা দুটা ডাঙৰ চাবি ওলমাই থোৱা আছিল। ছোৱালীজনীয়ে চাবি দুটাৰ কথা মনতে গুণা-গঁথা কৰিছিল। তাইৰ মাক যেতিয়া তাইৰ বয়সৰ আছিল আৰু সেই পুৰোহিতজন এটা সৰু ল'ৰা আছিল তেতিয়া হয়তো তেওঁলোকেও বিশ্বাস কৰিছিল যে সেই দুটা ছেইণ্ট পীটাৰৰ চাবি। চাবি দুটা তেওঁ নমাই আনি মেলি থোৱা টোকাবহীখনৰ ওপৰত ৰাখিলে আৰু তিৰোতাগৰাকীলৈ অলপপৰ আগতে লিখি উলিওৱা পৃষ্ঠাটোৰ ফালে আঙুলিয়াই কৈ উঠিল ঃ

ঃ ইয়াত চহী কৰা।

— তিৰোতাগৰাকীয়ে হাতত লৈ থকা সৰু চামৰাৰ বেগটো কাষলতিৰ তললৈ সুমুৱাই লৈ পৃষ্ঠাটোৰ এচুকত নিজৰ নামটো আঁক-বাঁককৈ লিখিলে।

ঃ তুমি তাক শুদ্ধ পথলৈ আনিবলৈ কোনো দিনেই চেষ্টা কৰা নাছিলানে?— পুৰোহিতজনে দুখ প্ৰকাশৰ সুৰত সুধিলে।

ঃ 'সি খুব ভাল ল'ৰাই আছিল।'— তিৰোতাগৰাকীয়ে চহী কৰি হোৱাৰ পিচত ক'লে।

পুৰোহিতজনে প্ৰথমে তিৰোতাগৰাকীলৈ আৰু তাৰপিচত ছোৱালীজনীলৈ দৃষ্টি নিক্ষেপ কৰি আচৰিত হৈ পৰিছিল যে মাক-জীয়েক দুয়োৰে এজনীৰো চকুত একবিন্দুও চকুলো বিৰিঙি উঠা নাছিল। মাকে পুনৰ একেই সুৰতে কৈ উঠিল—

ঃ মই তাক কোনো মানুহৰ খোৱাবস্তু চুৰি কৰিবলৈ মানা কৰিছিলো। আৰু সি সেই কথা শুনিছিল। আগতে যেতিয়া সি বক্সিং খেলিবলৈ লৈছিল তেতিয়া ঘোচাত ধৰাশায়ী হৈ সপ্তাহটোৰ তিনি-চাৰি দিন সি বিছনাত শুই-বহিয়েই কটাবলগা হৈছিল।

ঃ তাৰ গোটেই দাঁতবোৰ উভালিবলগীয়া হৈছিল।'— তেওঁলোকৰ কথাৰ মাজতে ছোৱালীজনীয়ে কৈ উঠিল।

ঃ ওঁ, সঁচাকৈ— মাকেও তাইৰ কথাত হয়ভৰ দি ক'লে— 'সেই কেইদিন মই খোৱা প্ৰতি গৰাহ আহাৰত প্ৰতি শনিবাৰে ৰাতি সি সহ্য কৰিবলগা হোৱা মাৰকিলবোৰৰ সোৱাদ পাইছিলো।'

ঃ ঈশ্বৰৰ ইচ্ছা কি বিচিত্ৰ'— পুৰোহিতজনে কথাকেইটা কওঁতে তেওঁক এনেহে লাগিছিল যেন তিৰোতাগৰাকীৰ কথাত তেওঁ সম্পূৰ্ণৰূপে পতিয়ন যোৱা নাই। ইয়াৰো দুটা কাৰণ আছে। প্ৰথমে, তেওঁৰ জীৱনত আৰ্জিত অভিজ্ঞতাই তেওঁক কিছু সন্দেহবাদী কৰি তুলিছে। দ্বিতীয়তে সেইদিনা আছিল প্ৰখৰ ৰ'দ। সূৰ্যৰ প্ৰখৰ তাপৰ পৰা ৰক্ষা পাবলৈ তেওঁ মাক-জীয়েকক তেওঁলোকৰ মূৰবোৰ কাপোৰেৰে ঢাকি ল'বলৈ ক'লে আৰু কাৰ্লছ কেণ্টেন'ৰ মৰিশালিটো কোনখিনিত আছে বুজাই দিলে। ঘূৰি আহি তেওঁলোকে পুনৰ দুৱাৰত টুকুৰিয়াব নালাগে। চাবি দুৱাৰখনৰ ভিতৰফালে আগৰ ঠাইত থৈ, যদিহে তেওঁলোকৰ সামৰ্থ্য আছে গীৰ্জাৰ বাবে সামান্য আৰ্থিক অনুদান আগবঢ়াই যাব পাৰিব। তেওঁৰ নিৰ্দেশবোৰ কাণপাতি শুনাৰ পিচত তিৰোতাগৰাকীয়ে গহীন স্বৰেৰে ধন্যবাদ জ্ঞাপন কৰিলে।

পুৰোহিতজনে বাহিৰৰ পৰা কোনোবাই ভিতৰলৈ চাই থকা যেন অনুমান কৰিলে। দুৱাৰখন খুলি দিয়াৰ আগেয়ে তেওঁ বাহিৰলৈ জুমি চাব পৰা দুৱাৰৰ ফুটাটোৰে এবাৰ জুমি চাই বাহিৰত এজাক ল'ৰা-ছোৱালী দেখা পালে। দুৱাৰখন খোলাৰ লগে লগে ল'ৰা-ছোৱালীবোৰ যেনি-তেনি সিঁচৰতি হৈ পৰিল। সাধাৰণতে সেই দুপৰীয়া সময়ত বাটে-পথে মানুহ প্ৰায় দেখাই নাযায়; কিন্তু সেইদিনা সৰু ল'ৰা-ছোৱালীয়েই নহয় ডাঙৰ মানুহ কিছুমানো বাদাম গছবোৰৰ তলত দেখা গৈছিল। প্ৰখৰ ৰ'দত উত্তপ্ত হৈ থকা ৰাস্তাটোত পুৰোহিতজনে ভালকৈ চকু ফুৰাই চায়েই বুজি পালে। পুনৰ লাহেকৈ তেওঁ দুৱাৰখন জপাই দিলে।

ঃ খন্তেক ৰ'বা'— তিৰোতাগৰাকীলৈ নোচোৱাকৈয়ে তেওঁ ক'লে।

কোঠালৈ সোমাই যোৱা দুৱাৰখনৰ সমুখত এযোৰ নৈশ সাজৰ ওপৰত এটা ক'লা জেকেট পৰিধান কৰি তেওঁৰ ভনীয়েক থিয় দি ৰ'লহি। তেওঁৰ চুলিবোৰ কান্ধৰ ওপৰলৈকে বৈ পৰিছিল। নীৰৱে তেওঁ পুৰোহিতজনলৈ চাই আছিল।

ঃ 'কি হ'ল?'— পুৰোহিতজনে সুধিলে।

ঃ 'মানুহবোৰে দেখিলে'— ভনীয়েকে মুখৰ ভিতৰতে ভোৰভোৰাই উঠিল।

ঃ 'তুমি দুৱাৰেৰে সমুখৰ বাৰাণ্ডালৈ ওলাই যোৱাটোৱেই ভাল হ'ব।'— পুৰোহিতজনে ক'লে।

ঃ 'তাতো একেই, প্ৰতিজন মানুহ খিৰিকিৰ কাষত বৈ আছে।'— ভনীয়েকে ক'লে।

তিৰোতাগৰাকীয়ে তেতিয়ালৈকে একো বুজিবই পৰা নাছিল যেন অনুমান হয়। তেওঁ দুৱাৰৰ ফুটাৰে বাহিৰলৈ জুমি চোৱাৰ প্ৰয়াস কৰিলে। তাৰপিচত জীয়েকৰ হাতৰ পৰা ফুলৰ থোপাটো লৈ দুৱাৰৰ ফালে আগবাঢ়িল। জীয়েকেও তেওঁৰ পিচ ল'লে।

ঃ 'বেলি পৰালৈকে ইয়াতে থাকা।'— পুৰোহিতজনে ক'লে।

ঃ 'ৰ'দত তুমি ভেই-পুৰি যাবা, ৰ'বা মই তোমাক এটা ছাতি দিওঁ'— আগৰ ঠাইতে দমকা মাৰি বৈ থকা পুৰোহিতজনৰ ভনীয়েকে ক'লে।

ঃ 'হ'ব হ'ব। আমি এনেকৈয়ে ঠিকে আছো।'— এইদৰে কৈ জীয়েকক হাতত ধৰি তেওঁ ৰাস্তাত খোজ পেলালে। ■

# বিহঙ্গম দৃষ্টিত অষ্টাদশ-ঊনবিংশ শতিকাৰ ইংৰাজী উপন্যাস আৰু ঔপন্যাসিক

বিদ্যুৎ বৰুণ শৰ্মা

উপন্যাস প্ৰকৃত অৰ্থত এক আধুনিক সাহিত্য। সম্প্ৰতি সকলো দেশীয়, সকলো ভাষাৰ সাহিত্যতে উপন্যাস লিখা হয় যদিও প্ৰকৃততে উপন্যাস হৈছে মূলতঃ ইংৰাজী সাহিত্যৰ অতুলনীয় অৱদান। উপন্যাস লিখকৰ পূৰ্ণ স্বাধীনতাৰ বাবেই উপন্যাস কালজয়ী হ'বলৈ সক্ষম হৈছে তথা জনপ্ৰিয়তাৰ সৰ্বোচ্চ শিখৰত আৰোহণ কৰিছে।

যদিও ষষ্টদশ, সপ্তদশ শতিকাৰ পৰাই উপন্যাসসদৃশ কিছুমান ৰচনা লিখা হৈছিল, প্ৰকৃতপক্ষে আধুনিক উপন্যাসৰ জন্ম হয় অষ্টাদশ শতিকাতহে। চেমুৱেল ৰিচাৰ্ডছন নামৰ চিত্ৰকৰ এজনৰ হাতত অতি আকস্মিকভাৱে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সাহিত্য শাখা উপন্যাস জন্ম লাভ কৰে।

অৱশ্যে প্ৰায়ে ডেনিয়েল ডিফ' (১৬৬১(?)-১৭৩১)ক প্ৰথম ইংৰাজী ঔপন্যাসিক বুলি অভিহিত কৰা হয়। কিন্তু এইটো যথেষ্ট বিতৰ্কিত বিষয়। তেওঁৰ 'ৰবিনছন ক্ৰুছ'(১৭১৯) ক প্ৰথম ইংৰাজী উপন্যাস হিচাপেই সাধাৰণতে অধ্যয়ন কৰা হয়। প্ৰকাশৰ দিনৰে পৰা আজিলৈকে ই এখন জনপ্ৰিয় গ্ৰন্থ তথা অন্তহীন আকৰ্ষণৰ বস্তু। ডিফ'ই আলেকজেণ্ডাৰ চেলকাৰ্কৰ জুৱান ফাৰ্নাণ্ডেজ দ্বীপত কটোৱা নিৰ্বাসিত জীৱনৰ আলমত এইখন ৰচনা কৰিছিল বুলি কোৱা হয়। কিন্তু ডেনিয়েল ডিফ'ই দাবী কৰে যে চেলকাৰ্কৰ প্ৰত্যাৱৰ্তনৰ আগতেই ১৭০৮ চনত তেওঁ এইখন লিখি উলিয়ায়। আনহাতে চেলকাৰ্কে প্ৰত্যাৱৰ্তন কৰিছিল ১৭০৯ চনত আৰু এই বিষয়ে The Englishman কাকতত বাতৰি প্ৰকাশ পাইছিল। ডিফ'ৰ আন আন তথাকথিত উপন্যাসৰ ভিতৰত উল্লেখযোগ্য আছিল 'কেপ্টেইন চিংগল্টন'(১৭২০), 'কৰ্ণেল জেক'(১৭২২), 'মল ফ্লেণ্ডাৰছ'(১৭২২), 'ৰক্সানা'(১৭২৪),ইত্যাদি।

কিন্তু ভালেমান সমালোচকৰ মতে ডেনিয়েল ডিফ' প্ৰকৃততে প্ৰথম ইংৰাজী ঔপন্যাসিক নহয়; কাৰণ তেওঁৰ ৰচনাত উপন্যাসৰ প্ৰকৃত চৰিত্ৰ প্ৰকাশ পোৱা নাই। ডেভিদ ডাইচিছ (David Daiches)ৰ ভাষাত - "Defoe's interest in characters was minimal, and the novel only grew up when it learned to combine Defoe;s sense of social and material reality with some awareness of the complexities of human personality and of the tensions between private moral and public social forces, between morality and gentility. With the novels of Samuel Richardson (1689-1761) we first find this combination."

এনেদৰে চাবলৈ গ'লে চেমুৱেল ৰিচাৰ্ডচনেই হৈছে প্ৰথম আধুনিক ইংৰাজী ঔপন্যাসিক। ইয়াৰ গভীৰলৈ যোৱাৰ আগেয়ে ইংৰাজী সাহিত্যত Novel (নভেল) ৰূপে খ্যাত উপন্যাসৰ আৰু কিছু কথা আলোচনা কৰা হওক।

ইংৰাজীত উপন্যাস বুজোৱা শব্দটো আহিছে ইটালিয়ান শব্দ 'Novella' (নভেলা)ৰ পৰা যাৰ অৰ্থ a little new thing (সৰু এক নতুন বস্তু), যি সাধাৰণ এটা সৰু গদ্য কাহিনী।

ঘটনাবহুল আৰু জটিল অষ্টাদশ শতিকা বিখ্যাত আছিল তথাকথিত ধ্ৰুপদী সাহিত্যৰ ৰাজত্ব, ৰোমাণ্টিক কবিতাৰ পুনৰুত্থান আৰু উপন্যাস নামৰ নতুন আৱিষ্কৃত সাহিত্যৰ বাবে। ইয়াৰ অন্তিমবিধেহে সৰ্বাধিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল আৰু সাহিত্যৰ এক অতীৱ প্ৰয়োজনীয় উপাদান হৈ দেখা দিছিল। এইক্ষেত্ৰত ইংৰাজী সাহিত্যৰ গৌৰৱৰ বিষয় এই যে বিশ্ব-সাহিত্যলৈ

"A NOVEL IN PARTICULAR HAS ROUSED A THOUSAND ORDINARY HUMAN FEELINGS IN ITS PROGRESS. TO DRAG IN ART IN SUCH A CONNECTION SEEMS PRIGGISH AND COLD- HEARTED..... THERE IS NOTO CRITIC ALIVE NOW WHOWILL SAY THATO NOVEL IS A WORK OF ART AND THAT AS MUCH HE WILL JUDGE IT."

—— *Virginia Woolf*

ইংৰাজী সাহিত্যৰ প্ৰকৃত মৌলিক অৱদান আছিল উপন্যাস। বাকীবোৰ আছিল ধাৰ কৰা ধৰণৰ।

উপন্যাসৰ আৰম্ভণি ক'ত বুলি প্ৰশ্ন কৰিলে উত্তৰ দিয়াটো টান। উপন্যাস এনে এক সাহিত্য য'ত জীৱনৰ কথা ক'বলৈ, জীৱনৰ ক্ষুদ্ৰাতি ক্ষুদ্ৰ সমস্যা, ঘটনা, দুৰ্ঘটনা ব্যক্ত কৰিবলৈ কল্পনা আৰু বৌদ্ধিকতাৰ সংমিশ্ৰণ ঘটোৱা হয়। কল্পনা ইয়াত সদায় বৌদ্ধিকতাৰ দ্বাৰা পৰিচালিত আৰু শাসিত হয়।

ইংৰাজী উপন্যাসৰ জন্মলগ্নত বহুতো ঘটনা, পৰিঘটনা, বহুতো ভিন্ন সুঁতিৰ লিখনিৰ প্ৰভাৱ আছিল। এলিজাবেথান গদ্য কাহিনী, সাধাৰণ ভৃত্য শ্ৰেণীক প্ৰতিনিধিত্ব কৰা কাহিনী, নগৰীয়া অন্ধকাৰ জগতক প্ৰতিনিধিত্ব কৰা কাহিনী ৰচকসকলে চৰিত্ৰ-অংকনত সপ্তদশ শতিকাতে মনোবৈজ্ঞানিক চৰিত্ৰ-চিত্ৰ অংকনৰ কৌশলৰ উন্নতি সাধন কৰিছিল। ইয়াৰ প্ৰমাণ এডিচন, ষ্টীল আদিৰ সৃষ্ট চাৰ ৰেজাৰ দ্য কভাৰলী, চাৰ এণ্ড্ৰিউ ফ্ৰীপৰ্ট, উইল হানিকম্ব আদিত পোৱা যায়। পোনপটীয়াকৈ লিখা বানিয়নৰ 'দ্য পিলগ্ৰিমচ্ প্ৰগ্ৰেছ' আদিৰ দৰে বৰ্ণনাত্মক ভংগীৰ লিখনি ডিফ'ৰ সাংবাদিকতা সদৃশ কৃত্ৰিম আত্মজীৱনীমূলক (Pseudo Autobiographical) লেখাই পূৰ্ণ বিকশিত তথা গ্ৰহণীয় আৰু সমাদৃত উপন্যাস সৃষ্টিত অৰিহণা যোগাইছিল। ডিফ'ৰ লেখা, চুইফটৰ (Swift)গালিভাৰচ্ ট্ৰেভেলচ্ আদি ৰচনাই উপন্যাস সৃষ্টিত প্ৰভূত ৰবগুণি যোগাইছিল আৰু ইয়াতেই সম্প্ৰতি উপন্যাস বুলিলে যি বুজা যায় তাৰো আৰম্ভণি হয়।

আধুনিক উপন্যাসৰ প্ৰথম সৃষ্টিকৰ্তা ৰিচাৰ্ডচন আছিল লণ্ডনৰ এজন চিত্ৰকৰ। একাৱন্ন বছৰ বয়সত হঠাতে তেওঁ উপন্যাস লিখিবলৈ মন মেলে। সেই সময়ত তেওঁ যিবিলাক অশিক্ষিত মানুহলৈ চিঠি আহিলে প্ৰত্যুত্তৰ দিবলৈ অপাৰগ তেওঁলোকৰ বাবে নানা ধৰণৰ চিঠি কিছুমানৰ চানেকী প্ৰস্তুতকৰণত ব্যস্ত আছিল। ১৯৩৯ চনত তেওঁ এই কামটোত ব্যস্ত থাকোতে আৰু সম্ভৱতঃ 'A Father to a Daughter in service, on hearing of her Master's attempting her virtue' শিৰোনামৰ ১৩৮ নং চিঠিখন লিখি থাকোতে সেই চিঠিখনৰ আলমত উপন্যাস এখন লিখিবলৈ মন মেলে। তেওঁৰ মনত ইতিমধ্যে তেনে এক সঁচা কাহিনী সঞ্চিত আছিল আৰু তাকে লৈ চিঠিৰ খেলখন সামৰি দুমাহৰ ভিতৰতে ১৭৪০ চনত 'পামেলা' নামে উপন্যাসখন লিখি উলিয়ায়। এই উপন্যাসখন যদিও লোক বিষয় বস্তুৰ (Folk theme) আছিল, নিৰ্মাণ কৌশল লোক সাহিত্যৰ পৰা যথেষ্ট পৃথক আছিল। ৰিচাৰ্ডচনৰ উপন্যাসৰ মূল বিষয় আছিল সামাজিক মৰ্যাদাতকৈ গুৰুতৰ ব্যক্তিগত সমস্যাৰাজি, ব্যক্তিগত কাৰ্যকলাপ যিয়ে উপন্যাসখনৰ সম্পূৰ্ণ গঠন প্ৰণালীক এক ব্যংগাত্মক সমালোচনাৰ আধাৰ দিছিল। উপন্যাসখন সম্পূৰ্ণৰূপে নায়িকা 'পামেলা'ই মাক-বাপেকলৈ লিখা চিঠিৰ মাধ্যমত সমাপ্ত হৈছিল। এইখিনিতে ইংৰাজী সাহিত্যৰ প্ৰথম উপন্যাসখনৰ কথা কিছু আলোচনা কৰা হওক।

কাহিনীভাগত 'স্কোয়াৰ বি'ৰ মাকে 'পামেলা'ক চাকৰণী হিচাপে নিজৰ ঘৰত নিয়োগ কৰে। কিন্তু স্কোয়াৰ বি য়ে প্ৰথমে পামেলাক শাৰীৰিক উৎপীড়ন চলাই মূৰ্ছিত অৱস্থাত সংগমত লিপ্ত কৰায়। যদিও সেই ঘটনাৰ পাছত পামেলাক মাক-বাপেকৰ ঘৰলৈ পঠিয়াই দিয়া হয়, কিন্তু পামেলাই তাৰ পৰা স্বেচ্ছাই স্কোয়াৰ বি-ৰ ঘৰলৈ ঘূৰি আহে আৰু ঘৃণাৰ পৰিৱৰ্তে স্কোয়াৰ বিক শ্ৰদ্ধা আৰু ভাল পোৱা প্ৰদান কৰিবলৈ ধৰে। পামেলাৰ মৰম আৰু শ্ৰদ্ধাত স্কোয়াৰ বি ইমানেই অভিভূত হৈ পৰে যে অৱশেষত তেওঁ পামেলাক বিয়াৰ প্ৰস্তাৱ দিবলৈ বাধ্য হয়।

এনেদৰে 'পামেলা'ত দেখা যায় যে যৌন বাসনা প্ৰেমলৈ উন্নীত হৈছে। ৰিচাৰ্ডচনে দাবী কৰিব খোজে যে তেওঁ এই উপন্যাসৰ জৰিয়তে চৰিত্ৰ এটাৰ সংশোধনৰ চিত্ৰ এখন দাঙি ধৰিছে। যাৰ বাবেই হয়তো উপন্যাসখনক চৰিত্ৰটোৱে লাভ কৰা 'পুৰস্কাৰ'ৰ ভিত্তিত 'Virtue Rewarded' (ভাৰ্চু ৰিৱৰ্ডেড্) নামেৰেও নামাংকিত কৰা হয়। পামেলা প্ৰকাশ পাইছিল দুটা খণ্ডত আৰু ১৭৪২ চনত প্ৰকাশ পোৱা ২য় খণ্ডৰ সৈতে প্ৰথম খণ্ডক যুক্ত কৰা হয়।

ৰিচাৰ্ডচনৰ আন এখন উপন্যাস আছিল 'ক্লেৰিচা' যিখন ১৭৪৮ চনত আঠটা খণ্ডত প্ৰকাশ পায়। 'ক্লেৰিচা' পামেলাতকৈ অধিক কলাসন্মত আৰু গভীৰ ধৰণৰ আছিল আৰু এইখনকে সাধাৰণতে তেওঁৰ মহত্তম সৃষ্টি বোলা হয়। ক্লেৰিচাক The History of a Young Lady (দ্য হিষ্ট্ৰী অব্ এ' ইয়ং লেডী) নামেৰেও জনা যায় যিখন প্ৰকৃততে এখন ভাবগ্ৰাহী (sentimental) উপন্যাস আছিল পাছত তেওঁ সাতটা খণ্ডত 'চাৰ চাৰ্লছ গ্ৰেণ্ডিচন' নামে আন এখন উপন্যাস ১৭৫৪ চনত প্ৰকাশ কৰে। সম্পৰ্কজনিত নৈতিক দ্বন্দ্বৰ অনুপস্থিতিয়ে এইখনক পূৰ্বৰ উপন্যাসবোৰতকৈ কম জনপ্ৰিয় কৰি তুলিছিল।

ৰিচাৰ্ডচন সামাজিক প্ৰসংগক লৈ খুবেই সতৰ্ক আছিল। সকলো বস্তুৱে বাস্তৱ অৱস্থাটোৰ প্ৰতিহে তেওঁ গুৰুত্ব দিছিল। তেৱেঁই আছিল প্ৰথম ইংৰাজ লেখক যিয়ে মৌলিক নৈতিকতা সম্পৰ্কীয় সমস্যাবোৰ বহল দৃষ্টিভংগীৰে সামাজিক পটভূমিত আলোচনা কৰিছিল। 'সম্পৰ্কবোৰে'ই (Relations) তেওঁৰ উপন্যাসৰ প্ৰধান তথা প্ৰথম প্ৰয়োজনীয় উপাদান আছিল। তেওঁ এই সকলোবোৰ উপন্যাস চিঠিৰ মাধ্যমত অৰ্থাৎ epistolary method-ত লিখিছিল। ই 'আধুনিক' উপন্যাসৰ Stream of consciousness ধাৰাটোক যথেষ্ট পৰিমাণে প্ৰতিনিধিত্ব কৰিছিল।

অষ্টাদশ শতিকাৰ লিখক হিচাপে তেওঁৰ উপন্যাসসমূহত সেই যুগৰ স্বাভাৱিক চৰ্চাৰ বিষয় 'ভদ্ৰতা' (gentility) আৰু 'সদ্‌গুণ' (virtue) বিদ্যমান আছিল, যি স্থলত 'আধুনিক' উপন্যাসৰ মূল চৰ্চিত বিষয় হ'ল নিঃসংগতা আৰু প্ৰেমৰ মাজৰ সম্পৰ্ক।

ৰিচাৰ্ডচনৰ পাছত আৰ্বিভাৱ হয় হেনৰী ফিল্ডিংছ (১৭০৭-৫৪)ৰ। প্ৰথমে তেওঁ কমেডী লিখিছিল, ওকালতি কৰিছিল আৰু সাংবাদিকতা কৰিছিল। তেওঁৰ প্ৰথম উপন্যাস আছিল 'যোচেফ এনড্ৰিউছ্' (১৭৪২) যিখনক পামেলাৰ পেৰডী বুলিব পাৰি। দ্বিতীয় উপন্যাস আছিল তেওঁৰ 'জনাথান ৱাইল্ড' যাক কোৱা হয় 'The story of a rogue, which suggests *Defoe's* narrative'। আনহাতে 'টম জ'নচ্' (১৭৪৯) আছিল তেওঁৰ শ্ৰেষ্ঠ কৃতি। ১৭৫১ চনত তেওঁ 'আমেলিয়া' নামে এখন উপন্যাস লিখিছিল।

টম জ'নচ্‌ত নৈতিকতা আৰু ধেমালিৰ সংমিশ্ৰণ ঘটিছে। অতি নিপুণতাৰে নিৰ্মিত হৈছে ইয়াৰ পটভূমি। প্ৰকৃততে এইখন উপন্যাস আঠখন কিতাপৰ সমষ্টি। কাহিনীভাগত টম জ'নচ্ এজন ত্যাজ্য পুত্ৰ যি নিজকে এদিন নিশা ধনী, সৎ আৰু পৰোপকাৰী মি. অলৱৰ্থীৰ ঘৰৰ বিছনাত আৱিষ্কাৰ কৰে। মি. অলৱৰ্থীয়ে তেওঁক থকাৰ আৰু শিক্ষা গ্ৰহণৰ সুবিধা দিয়ে। কিন্তু কিছুদিন পাছত তেওঁ এইটো কৰিবলৈ অস্বীকাৰ কৰে। তেওঁৰ অস্বীকাৰকৰণৰ কাৰণ বহুতো আছিল। প্ৰথমতে, টম আছিল উদাৰ আৰু মানৱীয় গুণসম্পন্ন কিন্তু ইয়াৰ

অতিমাত্ৰাৰে তেওঁ এনে এজন যুৱক আছিল যি নিজৰ উপকাৰীক অসন্তুষ্ট কৰি তুলিছিল চিকাৰৰক্ষক (game-keeper)ৰ জীয়েক মলি ছী গ্ৰীমৰ প্ৰেমত পৰি। তাৰ পাছত পুনৰ টম সুন্দৰী চফিয়া, যিজনী স্কোয়াৰ ৱেষ্টাৰ্ণ নামৰ চিকাৰী এজনৰ জীয়ৰী, তেওঁৰ প্ৰেমত পৰে। চফিয়াই ব্লিফিলৰ লগত বিয়াত বহিবলৈ সাজু হৈ আছিল সেই সময়ত। কাহিনীৰ পিচৰফালে টমে নিজৰ পণ্ডিত শিক্ষক থোৱেকুম (Thwackum) আৰু তেওঁৰ সহকৰ্মী ভণ্ড দাৰ্শনিক স্কোয়াৰৰ মনত শত্ৰুতাভাৱ জগাই তোলে। তদুপৰি টম ধূৰ্ত ডেকা ব্লিফিলৰো ৰোষৰ বলি হয় যিয়ে চাফিয়াক বিয়া কৰাবলৈ খুজিছিল আৰু টমক ঘিণ কৰিছিল।

টম ভ্ৰমণৰ বাবে ওলায় স্কুল শিক্ষক পাৰ্ট্ৰিজৰ লগত যি এজন সৰল, মৰমিয়াল পুৰুষ আছিল। সেই ভ্ৰমণতে চফিয়া, যিয়ে টমক ভাল পাইছিল, সেই চফিয়াই দেউতাকে ব্লিফিলৰ লগত জোৰ কৰি পাতিব খোজা তাইৰ বিয়াখনৰ পৰা মুক্তি বিচাৰি নিচেছ অনাৰ নামৰ চাকৰণী এজনীৰ লগত ঘৰৰ পৰা পলাই লণ্ডনৰ জনৈক সম্পৰ্কীয়ৰ ঘৰলৈ যায়। কাহিনীৰ পিছৰফালে টমে নিজকে অলৱৰ্থীৰ ভনীয়েক ব্ৰিডগেটৰ ল'ৰা বুলি আৱিষ্কাৰ কৰে, ব্লিফিলৰ চক্ৰান্ত ধৰা পৰে আৰু চফিয়াই টমে কৰা বিশ্বাসঘাতকতাৰ বাবে ক্ষমা কৰে আৰু সকলো সুখেৰে সমাপ্ত হয়।

টম জ'নচ্ উপন্যাসখন ইয়াৰ চৰিত্ৰসমূহৰ উন্নত অংকনশৈলী আৰু জাকজমকতাৰ বাবে বিখ্যাত। অষ্টাদশ শতিকাৰ সামাজিক পৰিয়াল এটাক প্ৰতিনিধিত্ব কৰা কাহিনী বৰ্ণিত হৈছে ইয়াত। স্কোয়াৰ ৱেষ্টাৰ্ণ হ'ল ইয়াত অষ্টাদশ শতিকাৰ স্কোয়াৰ সমাজৰ প্ৰতিনিধিস্বৰূপ। ফিল্ডিঙে ইয়াতে নিজকে পট-স্থাপত্যবিদ (plot architect) হিচাপে প্ৰমাণ কৰিছে জীৱনটো ছাঁ-পোহৰৰ খেল হিচাপে অংকন কৰি। কাহিনী, ৰচনাভংগী, গতিশীলতা আদিৰ উৎকৃষ্টতাই উপন্যাসখনক উৎকৃষ্ট উপন্যাসৰ শাৰীলৈ উত্তৰণ ঘটাইছে।

ফিল্ডিঙতকৈ কম বয়সীয়া সমসাময়িক ঔপন্যাসিক আছিল টবিআছ্ স্ম'লেট (১৭২১-৭১)। তেওঁ Picaresque tradition-ত লিখিছিল। 'ৰডাৰিক ৰেণ্ডম' (১৭৪৮) আছিল তেওঁৰ প্ৰথম উপন্যাস। ইয়াৰ পটভূমিটো episodic (প্ৰাসংগিক) আছিল আৰু ঘটনাবোৰ ধৰতকীয়াকৈ ইটোৰ পাছত সিটো ঘটিছিল। তেওঁৰ দ্বিতীয় উপন্যাস আছিল 'দ্য এডভেঞ্চাৰছ্ অব প্ৰেৰেগ্ৰীণ পিকল্' (১৭৫১) যিখন তেওঁৰ সবাতোকৈ দীঘল উপন্যাস। আনহাতে তেওঁৰ সৰ্বাধিক জনপ্ৰিয় আৰু আকৰ্ষণীয় উপন্যাস আছিল 'হামফ্ৰি ক্লিংকাৰ' (১৭৭১)। এইখন চিঠিৰ মাধ্যমত (epistolary) লিখা উপন্যাস আছিল। ইয়াত প্ৰকৃততে কোনো নিৰ্দিষ্ট পটভূমি, কোনো নিৰ্দিষ্ট কাহিনী নাছিল। চিঠিসমূহ ইয়াত ইংলেণ্ড আৰু স্কটলেণ্ডৰ মাজেৰে ৱেলছ্ পৰিয়াল এটাই কৰা ভ্ৰমণৰ ক্ষেত্ৰত লিখিত। পৰিয়ালটোৰ পাঁচজন সদস্যই ভিন ভিন ঠাইলৈ যায় আৰু ইজনে সিজনলৈ লিখা চিঠিৰ মাধ্যমত উপন্যাসখনৰ সমাপ্তি ঘটে।

১৮ শতিকাৰ আন এজন ঔপন্যাসিক আছিল লৰেঞ্চ ষ্টাৰ্ণ (১৭১৩-৬৮)। তেওঁৰ উপন্যাস 'লাইফ এণ্ড অপিনিয়নছ অব ট্ৰিষ্ট্ৰাম শেন্দী' প্ৰকাশ পায় নটা খণ্ডত ১৭৫৯ আৰু ১৭৬৭ চনৰ মাজত। এয়া আছিল সম্পূৰ্ণ এক ভিন্ন ধৰণৰ ভাবগ্ৰাহী কমেডী (sentimental comedy) ধৰণৰ লেখা। ইয়াৰ জৰিয়তে তেওঁ যৌনতাক হাস্যাস্পদ (ridiculous) আৰু কণমান দুখ (a little sad) দুয়ো ধৰণে চিত্ৰিত কৰিছে। তেওঁৰ বাবে মানুহেই absurd (অসঙ্গত) আৰু "nothing is absurd than his sexual behaviour"। তেওঁৰ ২য় উপন্যাস আছিল 'এ চেণ্টিমেণ্টেল জাৰ্ণি থ্ৰু ফ্ৰান্স এণ্ড ইটালী' (১৭৬৮)।

এই সময়ৰে আন এজন উল্লেখযোগ্য ঔপন্যাসিক আছিল অলিভাৰ গল্ডস্মিথ। তেওঁ 'দ্য ভাইকাৰ অব ৱেকফিল্ড' লিখিছিল ১৭৬৬ চনত। এইখনৰ জৰিয়তে ইংৰাজী উপন্যাসে এক নতুন মোৰ লাভ কৰে। এইখন সেই সময়ৰ উপন্যাসসমূহৰ ধাৰাটোৰ হোতা স্বৰূপ আছিল আৰু সকলোৰে দ্বাৰা সমাদৃত হৈছিল। আন চাৰিজন সেই সময়ৰ ক্লাছিকেল লেখকৰ ৰচনাক বাদ দি এইখনেই আছিল সেই সময়ৰ সৰ্বাধিক জনপ্ৰিয় উপন্যাস।

'দ্য ভাইকাৰ অব ৱেকফিল্ড'ৰ কাহিনীভাগ মুখ্য চৰিত্ৰ ড° প্ৰাইমৰ'জৰ এডভেঞ্চাৰৰ দ্বাৰা আৰম্ভ হৈছে যাৰ দুৰ্ভাগ্যই নিজকে গাঁৱত ধৰ্মোপদেশক হ'বলৈ বাধ্য কৰায়। গল্ডস্মিথে ড° প্ৰাইমৰ'জৰ সৎ চৰিত্ৰৰ উপৰি নিজৰ পৰিয়ালৰ চৰিত্ৰ, ব্যৱহাৰ, আত্মোৎসৰ্গতা, নিৰ্দোষিতা আদিৰ চিত্ৰও অংকন কৰিছে।

'দ্য ভাইকাৰ অব ৱেকফিল্ড' হ'ল প্ৰথম আত্মজীৱনীমূলক উপন্যাস। প্ৰকৃততে গল্ডস্মিথে ইয়াত নিজৰ জীৱনৰ কাহিনীকে বৰ্ণনা কৰিছে।

হোৰেচ ৱালপ'লে (১৭১৭-১৭) 'দ্য কাচ্‌ল্ অব অটৰেণ্ট' লিখিছিল ১৭৬৫ চনত যিখন এখন Gothic novel বা Novel of terror আছিল। এই ধৰণৰ উপন্যাসৰ আলনত নানা উপন্যাস লিখা হৈছিল। মহিলা ঔপন্যাসিক ক্লাৰা ৰীভ, চাৰ্লট স্মিথ, চফিয়া লী আদিয়ে এই ধৰণৰ উপন্যাস লিখিছিল।

১৭৬৮ চনত বেকফ'ৰ্ডে 'বাথেক' উপন্যাসখন লিখিছিল যিখন প্ৰকৃততে ফৰাচীৰ পৰা অনুবাদ কৰা হৈছিল। ইয়াক Gothic উপন্যাসৰ ভিতৰত প্ৰথম উল্লেখযোগ্য উপন্যাস বুলি কোৱা হয়। কিন্তু এই ধৰণৰ উপন্যাসৰ সবাতোকৈ সফল ঔপন্যাসিক আছিল মিচেছ এনি (Anne) ৰেডক্লিফ (১৭৬৪-১৮২৩) যিয়ে 'দ্য মিষ্টৰিচ্ অব উদলফো' (১৭৯৪) আৰু 'দা ইটালিয়ান' (১৭৯৭) নামে দুখন উপন্যাস লিখিছিল।

এই ধৰণৰ Novel of terror-ৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক আছিল ফেনী বাৰ্ণী (১৭৫২-১৮৪০) যিয়ে 'এভেলিনা' (১৭৭৮), 'চেচিলিয়া' (১৭৮২) আদি উল্লেখযোগ্য উপন্যাস লিখিছিল। 'এভেলিনা'খন তেওঁৰ উৎকৃষ্ট ৰচনা আছিল যাৰ বিষয়বস্তু আছিল সহজ-সৰল শিক্ষিত ছোৱালী এজনীয়ে ৰমক্-জমক্ পৃথিৱীত (world of fashion) পদাৰ্পণ কৰি হতাশাগ্ৰস্ত হোৱাৰ দুখলগা কাহিনী যিয়ে শেষত সুখ-শান্তি লাভ কৰিবলৈ সক্ষম হয়।

আন এক মহিলা ঔপন্যাসিক মিচ মাৰিয়া এগৱৰ্থে (Edgeworth) (১৭৬৭-১৮৪৯) প্ৰথমবাৰৰ বাবে আইৰিচ সমাজৰ চৰিত্ৰৰে 'কাচ্‌ল ৰেকৰেণ্ট' (১৮০০) আদি চিৰিয়াছ উপন্যাস লিখিছিল।

সেই সময়ৰ আন জনপ্ৰিয় ঔপন্যাসিকৰ ভিতৰত আছিল 'জীন ফ্ৰানকইচ মাৰমেণ্টেল', 'হেনৰী মাকেনজী' আদি উল্লেখযোগ্য।

ইয়াৰ পাছত আহে ঊনবিংশ শতিকাৰ ৰচনাসমূহ। ইংৰাজী সাহিত্যত ঊনবিংশ শতিকাৰ আদি ভাগ অৰ্থাৎ ১৮০০ৰ পৰা ১৮৫০ চনলৈ এই সময়ছোৱাক ৰোমাণ্টিক যুগ আখ্যা দিয়া হয়। এই কালছোৱাত ভালেকেইজন ৰোমাণ্টিক ঔপন্যাসিকৰ আৰ্বিভাৱ হয়। তাৰ ভিতৰত উল্লেখযোগ্য প্ৰথম ভাগৰ এজন আছিল 'মেথিউ গ্ৰেগৰী লেৱিচ' (১৭৭৫-১৮১৮) যিয়ে ভৌতিক কাহিনীৰ উপন্যাস লিখি জনপ্ৰিয়তা অৰ্জন

কৰিছিল। তেওঁ "এমব্ৰচিয়া অৱ দ্য মংক' 'দ্য কাচল অৱ স্পেকটাৰ', আদি উপন্যাস লিখিছিল। ১৮ আৰু ১৯ শতিকাৰ ক্ৰমে আদি আৰু শেষ ভাগত প্ৰকাশিত তেওঁৰ উপন্যাসসমূহে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁৰ ৰচনা কৌশল বিশেষতঃ অপৰিপক্ক আৰু অসঞ্জাতী আছিল আৰু ভৌতিক কাহিনীবোৰ অভিৰঞ্জনৰ শীৰ্ষ বিন্দুত আৰোহণ কৰিছিল। আতংক ইয়াত ন্যূনতম যুক্তি নিষ্ঠতাহীনভাৱে উধামুধাকৈ আবিস্কৃত।

চাৰ্লছ ৰবাৰ্ট মেটাৰিন (১৭৮২-১৮২৪) আছিল ৰোমাণ্টিক যুগৰ এনে ভৌতিক কাহিনীৰ ঔপন্যাসিকসকলৰ ভিতৰত অধিক মৌলিক আৰু ফলদায়ক লেখক যিয়ে 'মেলমম, দ্য ৱেণ্ডাৰৰ'ত অধিক সাফল্যৰে মিচেছ ৰেডক্লিফৰ পৰম্পৰা অক্ষুণ্ণ ৰখাত সফল হৈছিল। ৰহস্য কাহিনীৰে তেওঁ সুন্দৰভাৱে পাঠকক কাহিনীৰ শেষলৈ ভৌতিক সন্দেহ (suspense)ৰ বশৱৰ্তী কৰি ৰাখিব পাৰিছিল। তেওঁৰ অলৌকিকতাৰ প্ৰতি অনুৰাগ লেৰিচ কিম্বা মিচেছ ৰেডক্লিফতকৈ অধিক গভীৰ। তেওঁৰ আন আন উপন্যাস আছিল 'দ্য ৱাইল্ড আইৰিচ বয়', 'দ্য মাইলজিয়াম (milesian) চিফ' আৰু 'দ্য আলবিজেনচেচ'।

কিন্তু এই যুগৰ এনে ধৰণৰ উপন্যাসৰ ভিতৰত আটাইতকৈ সফল আছিল মিচেছ শ্যেলীৰ 'ফ্ৰাংকেনষ্টেইন'। মিচেছ শ্যেলী বিখ্যাত কবি পি বি শ্যেলীৰ পত্নী আছিল। তেওঁ ৰহস্যৰ সৈতে দৰ্শনক যুক্ত কৰি নিজৰ লেখাসমূহ কৌশলপূৰ্ণভাৱে এক সুস্পষ্ট উন্নত স্তৰলৈ লৈ গৈছিল। তেওঁ বিজ্ঞানৰ পৰা মানৱ সমাজে লাভ কৰা অধিক শক্তিৰ ফলত হ'ব পৰা অমংগলজনক পৰিণতিৰ বিষয়ে ইংগিত দিছিল লেখাৰ জৰিয়তে।

এই যুগতে চাৰ ৱাল্টাৰ স্কট (১৭৭১-১৮৩২)ৰ ঐতিহাসিক (Historical) উপন্যাসসমূহে পাঠকক নতুন সোৱাদ দিবলৈ সক্ষম হৈছিল। তেওঁ ৰেডক্লিফ আৰু তেওঁৰ উত্তৰসূৰীসকলে ৰচনা কৰা ভৌতিক কাহিনী বোকোচাত বান্ধি ধূসৰ অতীতৰ ইতিহাসলৈ ইয়াৰ গৌৰৱ, জেউতি আৰু প্ৰাণদায়িনী শক্তি বিচাৰি উভতি গৈছিল আৰু উপন্যাসৰ উপাদানসমূহ ইংলেণ্ড আৰু নিজ জন্মভূমি স্কটলেণ্ডৰ পৰা আহৰণ কৰিছিল। তেওঁৰ উল্লেখযোগ্য উপন্যাসমূহ আছিল 'ৱেভাৰলী' (১৮১৪), 'গাই মেনাৰিং' (১৮১৫), 'দ্য এণ্টিকুৱাৰী' আৰু 'অ'ল্ড মৰ্টেলিটি' (১৮১৬) যি কেইখন তেওঁ তড়িৎ সফলতাৰে লিখি উলিয়াইছিল। আন আন উপন্যাসসমূহ আছিল 'ৰব ৰয়', 'ইভানহো', 'দ্য হাৰ্ট অৱ মিডল ঠিয়ান', 'দ্য পাইৰেট', 'দ্য মনাচটাৰী' আদি উল্লেখযোগ্য।

স্কটক ইংৰাজী উপন্যাসৰ জগতত এজন নিৰ্মাতা হিচাপে অভিহিত কৰা হয়। তেওঁৰ উপন্যাসসমূহ মূলতঃ স্কটলেণ্ডৰ ইতিহাসৰ সৈতে জড়িত আছিল। কিন্তু তেওঁৰ উপন্যাসসমূহে এক নতুন পৰম্পৰাৰ সূচনা কৰে। তেওঁৰ ঐতিহাসিক উপন্যাসসমূহে সদায় জীৱনৰ প্ৰতি ট্ৰেজিক দৃষ্টিভংগী কঢ়িয়াই আনিছিল। তেওঁৰ শক্তিশালী বৰ্ণনাভংগী আৰু ঐতিহাসিক দৃষ্টিয়ে এক চিত্ৰসদৃশ আবেদনৰ সৃষ্টি কৰিছিল। তেওঁৰ উপন্যাসসমূহ যথেষ্ট দীঘল হোৱা সত্ত্বেও ৰোমাণ্টিক আচৰণৰ ক্ষেত্ৰত সেইবোৰ উৎকৃষ্ট হিচাপে পৰিগণিত হৈছিল।

এই যুগৰ আটাইতকৈ উল্লেখযোগ্য ঔপন্যাসিকজন আছিল এগৰাকী মহিলা ঔপন্যাসিক জেন অষ্টিন (১৭৭৫-১৮১৭) যিয়ে অতি কম বয়সৰ পৰাই লিখিবলৈ লৈছিল। তেওঁৰ লিখাৰ ধৰণ আৰু দৃশ্যসমূহত এক luminous clarity (উজ্জ্বল স্বচ্ছতা) আছিল। এইটো প্ৰায়েই মন্তব্য দিয়া হয় যে যদিও অষ্টিনৰ লিখকৰ কেৰিয়াৰ গঠনৰ সময়ত নেপোলিয়নিক (Nepoleonic) যুদ্ধ চলি আছিল, তেওঁ সেই বিষয়ে কিন্তু কোনো বৰ্ণনা আনকি উল্লেখ পৰ্যন্ত তেওঁৰ উপন্যাসত কৰা নাছিল। সৈনিকসকল মাথোঁ নাৰী চৰিত্ৰৰ প্ৰেমিক, সংগী ইত্যাদিৰ ৰূপতহে উপন্যাসত ভূমুকি মাৰিছিল। তেওঁৰ উপন্যাসসমূহ ৰচনাৰ বহুবছৰ পাছতহে প্ৰকাশ পায় যাৰ বাবে কিমানবাৰ সেইবোৰ পুনৰ লিখন কৰা হৈছিল কোৱা অসম্ভৱ। তেওঁৰ প্ৰথম উপন্যাস আছিল 'চেন্স এণ্ড চেন্সিবিলিটি' (১৮১১), যিখন 'এলিনৰ এণ্ড মেৰিয়েন' নামেৰে বহুবছৰ আগেয়েই প্ৰকাশ পাইছিল। তেওঁৰ দ্বিতীয় উপন্যাস আছিল 'প্ৰাইড এণ্ড পিজুডিচ' (১৮১৩)। এইখনো প্ৰথমে ১৭৯৭ চনত 'ফাৰ্ষ্ট ইম্প্ৰেছনচ' নামে প্ৰকাশ পাইছিল। প্ৰথমে এইখন প্ৰকাশ কৰিবলৈ প্ৰকাশক অমান্তি হোৱাত 'চেন্স এণ্ড চেন্সিবিলিটি' লিখি প্ৰকাশ কৰে। 'নৰ্থেংগৰ এবি (Abbey) প্ৰথম প্ৰকাশ পাইছিল 'পাৰ্চুৱেশ্যন'ৰ লগত ১৮০৩ চনত। অষ্টিনৰ এই উপন্যাসত ৰোমাণ্টিক নায়িকাসকলক 'সামান্যৰূপে হাস্যাস্পদ (slightly ridiculous) কৰি দেখুওৱা হৈছে।

জেন অষ্টিনৰ সৰ্বাধিক জনপ্ৰিয় উপন্যাস আছিল 'প্ৰাইড এণ্ড প্ৰিজুডিচ'। তেওঁ ইয়াৰ প্ৰসংগত কৈছে— "... is rather too light, and bright and sparkling: it wants shade", হয়তো ইয়াৰ জনপ্ৰিয়তাৰ কাৰণো এয়াই। তেওঁ এই উপন্যাসসমূহত ইংৰাজ সমাজখনক সমগ্ৰ মানৱ সমাজৰ প্ৰতিনিধি হিচাপে ব্যৱহাৰ কৰিছে। তেওঁৰ আন এখন অধিক জটিল উপন্যাস য'ত 'পোহৰ আৰু এন্ধাৰ'ৰ আধিক্য সেয়া হ'ল 'মেনচফিল্ড পাৰ্ক' (১৮১৪)। ইয়াৰ নায়িকা ফেনী যদিও কোনো পুণ্যাত্মা (Saint) অথবা বীৰ ছহিদ (Martyr) নহয়, তথাপি নৈতিকভাৱে ফেনীয়েই তেওঁৰ উপন্যাসসমূহৰ নায়িকাবোৰৰ ভিতৰত আটাইতকৈ শক্তিশালী; তাইৰ ভীৰুতা, লাজকুৰীয়া স্বভাৱ আৰু সামাজিক জ্ঞানৰ অভাৱ থকা সত্ত্বেও। জ্ঞান ইয়াত নিজেই নিৰপেক্ষ। তেওঁৰ আন এক উপন্যাস 'এমা' (Emma) (১৮১৮) য'ত ambiguities of selfishness-ক প্ৰতীকৰ দ্বাৰা ব্যৱহাৰ কৰা হৈছে আৰু সেইটোৱেই সাধাৰণতে তেওঁৰ উপন্যাসসমূহৰ এক প্ৰধান বৈশিষ্ট্য তথা বিষয়।

অৱশ্যে তেওঁৰ সৰ্বাধিক জনপ্ৰিয় উপন্যাস তথা প্ৰভাৱশালী উপন্যাস 'প্ৰাইড এণ্ড প্ৰিজুডিছ' এখন অতি সৰল উপন্যাস। এইখন লিখাৰ সময়ত অষ্টিনৰ বয়স মাথোঁ ২১ (একৈশ) বছৰ। তেওঁ কোনো আচৰিত ঘটনা অথবা গধুৰ ভাৱগ্ৰাহিতালৈ নগৈ সাধাৰণ সমাজজীৱনৰ চৰিত্ৰৰে এইখনক এখন সামাজিক উপন্যাস হিচাপে লিখিবলৈ চেষ্টা কৰিছিল। এইখনক এখন সামাজিক কমেডীৰূপে আখ্যা দিয়া হয়। ইয়াৰ বিষয়বস্তু আছিল প্ৰেম আৰু বিবাহ, টকা-পইচা আৰু সামাজিক মৰ্যাদা আৰু আন আন অতি চিনাকি উপাদান। ইয়াত সংঘটিত ঘটনাবোৰৰ কোনো উচপ খাবলগীয়া পৰিণতি অথবা উত্তেজনাপূৰ্ণ কোনো পৰিস্থিতি নাই। ইয়াত মাথোঁ মানুহ এজনৰ গৰ্ব আৰু তেওঁৰ গৰ্বৰ বিপৰীতে মহিলা এগৰাকীৰ বিদ্বেষভাৱ আৰু তেওঁলোকৰ প্ৰেম আৰু বিবাহৰ কথাহে বৰ্ণিত হৈছে। উপন্যাসখনত অষ্টিনে প্ৰেমৰ জয় আৰু শক্তি তথা পাৰম্পৰিক বিশ্বাসৰ ওপৰত জোৰ দিছে যিয়ে তেওঁৰ মতে সকলো অসুখ, অশান্তি, নিৰাশাৰ বিৰুদ্ধে অস্ত্ৰ তুলি ল'ব পাৰে।

এই যুগৰ আন এজন ঔপন্যাসিক আছিল 'পীকক'। তেওঁৰ উপন্যাসসমূহ সংলাপ প্ৰধান আছিল। 'হেডিং হল', 'মেলিন ক'ৰ্ট', 'নাইটমেয়াৰ এবি' আৰু 'মেইড মেৰিয়েন' আছিল তেওঁৰ উল্লেখযোগ্য

উপন্যাস।

তদুপৰি এই যুগৰ মহিলা ঔপন্যাসিকৰ ভিতৰত আন কেইগৰাকীমান উল্লেখযোগ্য আছিল 'মিচ মিটিফৰ্ড', 'মিচেছ এমেলিয়া অ'পি' (১৭৬৯-১৮৫৩) ইত্যাদি।

নিচেছ মিটিফৰ্ডৰ উল্লেখযোগ্য উপন্যাস আছিল 'আৱাৰ ভিলেজ ঃ স্কেট্‌চেছ অৱ ৰুৰেল লাইফ, কেৰেকটাৰ এণ্ড চিনাৰী'। মিচেছ এমেলিয়া অ'পিৰ উল্লেখযোগ্য উপন্যাস আছিল 'ফাদাৰ এণ্ড ডটাৰ' (১৮০১), 'মাদাৰ এণ্ড ডটাৰ (১৮০৪) আদি। তদুপৰি জন গাল্ট (১৭৭৯-১৮৩৯), ডি এম মহ'ৰ আদি ঔপন্যাসিকেও কিছুমান জনপ্ৰিয় উপন্যাস ৰচনা কৰি ৰোমাণ্টিক যুগক সমৃদ্ধ কৰি তুলিছিল।

ঊনৈশ শতিকাৰ শেষভাগ অৰ্থাৎ ১৮৫০-১৯০০ চনলৈ এই সময়ছোৱাক ইংৰাজী সাহিত্যত ভিক্টোৰীয়ান যুগ আখ্যা দিয়া হয়। এই যুগৰ প্ৰথমজন লেখত ল'বলগীয়া ঔপন্যাসিক আছিল চাৰ্লছ ডিকেন্স (১৮১২-৭০)। তেওঁ সাংবাদিকতা আৰু মেল'ড্ৰামাক উপন্যাসৰ স'তে জড়িত কৰি উপন্যাসক এক নতুন জীৱন দিবলৈ সক্ষম হৈছিল। তেওঁৰ উল্লেখযোগ্য উপন্যাসসমূহ আছিল 'পিক্‌বিক্ পেপাৰছ' (১৮৩৬-৩৭), 'অলিভাৰ টুইষ্ট' (১৮৩৭-৩৯), 'নিক'লাছ নিকলবী' (১৮৪০-৪১) আদি। অৱশ্যে তেওঁৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ তথা বহুতৰ মতে মহত্তম সৃষ্টি হৈছে 'ডেভিড কপাৰফিল্ড' (১৮৪৯-৫০)। এই খন যদিও আত্মজীৱনীমূলক তথাপি ই কলাত্মকভাৱে নান্দনিক স্তৰলৈ উন্নীত হৈছে। তেওঁৰ আন উপন্যাসসমূহ হৈছে 'ব্লিক হাউছ' (১৮৫২-৫৩), 'হাৰ্ড টাইমছ' (১৮৫৪), 'লিটল ডৰিট' (১৪৫৫-৫৭), 'গ্ৰেট এক্সপেক্টেচনছ' (১৮৬০-৬১), 'আৱাৰ মিউচুৱেল ফ্ৰেণ্ড' (১৮৬৪-৬৫), 'এ টেল অৱ টু চিটিজ' (১৮৫৯) আৰু 'দ্য মিষ্ট্ৰী অৱ এডৱিন ড্ৰুদ' (১৮৭০ অসমাপ্ত)।

'ডেভিড কপাৰফিল্ড'খনক ডিকেন্সৰ ওৰণি লোৱা (Veiled) আত্মজীৱনী বোলা হয়। কাৰণ উপন্যাসত ডিকেন্সে কম-বেছি পৰিমাণে নিজৰ কথাকে লিখা বুলি কোৱা হয়। 'ডেভিড কপাৰফিল্ড'ৰ নায়ক ডেভিড ইয়াত যথেষ্ট পৰিমাণে ধৈৰ্যশীল প্ৰতিমূৰ্তিৰ বাবে স্পৰ্শকাতৰ চৰিত্ৰ। কাৰণ কাহিনীভাগত বৰ্ণিত মতে তেওঁৰ জন্ম হৈছে 'ভদ্ৰতা' আৰু 'আনন্দ'ৰ মাজত, সেইহে তেওঁ সেই পৰিবেশ পাহৰিব নোৱাৰে। এইটো তেওঁৰ দুৰ্কপাল যে মাৰ্দষ্টন নামৰ মানুহ এজনে তেওঁৰ জীৱনত প্ৰৱেশ কৰে আৰু 'ধনী' আৰু কাল্পনিক ইডেন (Eden)ৰ মানুহৰ পৰা বাস্তৱ অৱস্থাৰ জ্বলন্ত প্ৰকাশলৈ তেওঁ ৰূপান্তৰ হয়। ডেভিড এনেদৰে ১৯ শতিকাৰ প্ৰতিনিধি এজন হৈ পৰিছে যাৰ বাবে কাল্পনিক, আধ্যাত্মিক, আদৰ্শৰ জগতখন বাস্তৱধৰ্মী, বাণিজ্যিক আৰু প্ৰকৃত বাস্তৱ জগতখনৰ দ্বাৰা বিলুপ্ত। আৰু নিৰ্ধাৰণৰ ঠাইত তেওঁ এক প্ৰতিনিধি আদৰ্শ গ্ৰহণ কৰে যি এক আত্ম-আনন্দসূচক দৃঢ়তা ক্ষতিপূৰণৰ ভাৰগ্ৰাহীতাৰে পৰিশোধিত। ডেভিডে নিজৰ হৃদয়ক থানথিত লগাব (discipline) লাগে। এনেদৰে উপন্যাসখন জীৱনৰ প্ৰতি আত্মশ্লাঘী পদক্ষেপহে। কিন্তু উপন্যাসখন ইয়াত কেন্দ্ৰীয় চৰিত্ৰক আঘাত কৰাৰ ক্ষেত্ৰত ব্যংগাত্মক নহয়। অথবা ডেভিডৰ সিদ্ধান্তসমূহৰ সমালোচনাও নহয়। আনহাতে ই তেওঁলোকৰ পক্ষে এক গভীৰ বেদনা।

ডেভিড কপাৰফিল্ডৰ বেদনাৰ সুৰটো ৰচিত হৈছে ইয়াৰ তিক্ত-মধুৰ স্মৃতিৰে। এই স্মৃতি হ'ল পৰাজয়ৰ এনে এখন পৃথিৱীত যিখন ইতিমধ্যে হেৰুওৱা হৈছে। ডেভিডৰ যি আনন্দৰ পৰা দুখলৈ প্ৰত্যাৱৰ্তন সেয়া পূৰ্বৰ দুটা শতিকাৰ (১৭ আৰু ১৮) কেন্দ্ৰীয় ভাগৰ অভিজ্ঞতা। ডেভিডে কঠোৰ শ্ৰম কৰিছে উপন্যাসখনক পৰিণাম, অবিশ্বাস, নিয়মানুবৰ্তিতা, দৃঢ় আৰু অকল্পনীয় ব্যৱহাৰ আৰু সাধাৰণ বোধশক্তিৰ চূড়ান্ত অৱস্থালৈ নিবলৈ। এইটোও উপন্যাসখনৰ মহত্ব আৰু ডেভিডৰ দুখৰ এটা কাৰণ যে তেওঁ এই প্ৰমূল্যসমূহ গ্ৰহণ কৰোঁতে কঠিন পথেৰে আগুৱাবলগীয়া হৈছে। কাৰণ সেই প্ৰমূল্যৰ অভাৱ আৰু অনাদৰৰ বাবে সেইবোৰ বাবে বাবে ডেভিডে পোষণ কৰিবলগীয়া হৈছে।

ডিকেন্সৰ সমসাময়িক উইলিয়াম মেকপিচ থেকাৰে (১৮১১-৬৩) আছিল এক প্ৰখ্যাত ঔপন্যাসিক। তেওঁৰ উপন্যাসসমূহ আছিল 'পেদেনিছ' (১৮৫০), 'হেনৰী এছমণ্ড' (১৮৫২), 'দ্য নিউকামছ' (১৮৫৫), 'দ্য ভাৰজিনিয়া' (১৮৫৯) আদি। তাৰে ভিতৰত 'হেনৰী এছমণ্ডখনক যদিও আটাইতকৈ নিখুঁত উপন্যাস বোলা হয় কিন্তু তেওঁৰ 'ভেনিটি ফেয়াৰ' (১৮৪৭-৪৮) খনেই আটাইতকৈ বিখ্যাত আৰু সম্ভৱতঃ জনপ্ৰিয় উপন্যাস।

ভেনিটি ফেয়াৰখন দুগৰাকী মহিলা ক্ৰমে বেকী শাৰ্প আৰু এমেলীয়া চেদলীৰ জীৱনক লৈ লিখা হৈছে। বেকী শাৰ্প এনে এগৰাকী তিৰোতা যিয়ে নিজৰ মেধা আৰু শাৰীৰিক আকৰ্ষণেৰে নিজৰ পতি আৰু সামাজিক মৰ্যাদা লাভ কৰিবলৈ বিচাৰে। আনকি নিজৰ উত্তগুলি স্বভাৱ আৰু দোষেৰে জীৱনৰ বস্তুবাদিতা লাভ কৰিবলৈ বিচাৰে। আনগৰাকী মহিলা এমেলিয়া শান্ত, দৃঢ়প্ৰতিজ্ঞ আৰু মৰমিয়াল। এমেলিয়া নিজৰ পতি জৰ্জ অচব'ৰ্ণৰ প্ৰতি গভীৰভাৱে তথা সম্পূৰ্ণৰূপে উৎসৰ্গিত যদিও তেওঁৰ মৰমৰ বাবে সম্পূৰ্ণ অযোগ্য। সেইহে ডবিন নামৰ মানুহ এজনে নিঃস্বাৰ্থভাৱে এমেলিয়াক ভাল পায়। অৱশেষত ৱাটাৰলুৰ যুদ্ধত অচব'ৰ্ণৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পাছত বেকীয়ে এমেলিয়াক জানিবলৈ দিয়ে যে অচব'ৰ্ণৰ স'তে বেকীৰ সম্পৰ্ক আছিল। তেতিয়া এমেলিয়াই ডবিনৰ ওচৰলৈ গুচি যায় যদিও ইতিমধ্যে ডবিনৰ তেওঁৰ প্ৰতি থকা প্ৰেম ভালেখিনি হ্ৰাস পাইছে। বেকীয়ে নিজে নিজৰ কৰ্মৰ দ্বাৰা শিক্ষা পায়। তেওঁ সফলতা লাভ কৰে যদিও কিছুক্ষেত্ৰত, অসুখী হৈ ৰয়। অৱশেষত বেকী বৃত্তিভোগিনী বিধৱা হিচাপে মৃত পতিৰ সম্পত্তিৰে জীৱন কটাবলগীয়া হয়।

থেকাৰেই এই উপন্যাসৰ জৰিয়তে ভিক্টোৰিয়ান সমাজৰ জটিলতাসমূহ দেখুৱাবলৈ খুজিছে ইয়াৰ উচ্চাকাংক্ষা, প্ৰতিবাদ, অধঃপতনৰ স'তে সংগত কৰি। এনেদৰে তেওঁ সমাজৰ শুদ্ধ চিত্ৰ এখন অংকন কৰাত সক্ষম হৈছে। তেওঁ ইয়াৰ দ্বাৰা সামাজিক তথা ব্যক্তিগত জীৱনৰ অসাৰতা, শূন্যতা আদি সুন্দৰকৈ দেখুৱাইছে।

জৰ্জ এলিয়ট আছিল এই যুগৰ এক প্ৰখ্যাত ঔপন্যাসিক যাৰ প্ৰকৃত নাম 'মেৰি আন ইভানছ' (১৮১৯-৮০)। তেওঁৰ উপন্যাসসমূহ আছিল 'চিনছ (Scenes) অৱ ক্লাৰিকেল লাইফ', 'আদাম বেদে', 'মিল অন দ্য ফ্লছ' ৰিকেইখন ১৮৫৮ৰ পৰা ১৮৬১ৰ ভিতৰত প্ৰকাশ হৈছিল। আন উপন্যাসসমূহৰ ভিতৰত আছিল 'ৰ'ম'লা' (১৮৬২-৬৩), 'ফেলিক্স হল্ট' (১৮৬৬), 'মিডলমাৰ্চ (১৮৭১-৭২), 'ডেনিয়েল ডেৰণ্ডা' (১৯৭৬) আদি। তাৰে ভিতৰত জৰ্জ এলিয়টৰ মহত্তম সৃষ্টি হৈছে 'মিডলমাৰ্চ'। ইয়াত এলিয়টে দুটা ভিন্ন কাহিনী সংযোগ কৰিছে। এটা পটভূমিত ভিন্‌চি, লিডগেটক লৈ আৰু আনটো পটভূমিত ডৰথি আৰু কচ'বনক লৈ কাহিনী দুটা আৰম্ভ হৈছে। দৃশ্যসমূহ অংকিত হৈছে মিডলমাৰ্চ নামৰ প্ৰদেশীয় চহৰ এখনত আৰু সময়টো আছিল ১৯ শতিকাৰ প্ৰথম ভাগ। ঘটনাটো (২য়) মূলতঃ ডৰথি ব্ৰুকৰ স'তে জড়িত, যিগৰাকী উচ্চ আদৰ্শ সম্পন্না

ছোৱালী। তেওঁ নিজকৈ ভাঙৰ বিদ্যাভিমানী মিঃ কচ'বনক ' ঃ কৰায় যাক তেওঁ অনুভৱ কৰে— 'the reverence of a neophyte entering on a higher degree of initiation' হিচাপে। বিবাহ অৱশ্যে সুখকৰ নহ'ল। মিঃ কচ'বনে বিয়াৰ পাছৰ ১ম মাহ নিজৰ সম্পৰ্কীয় ভায়েক উইল লেডিছ্‌ল'ই কোৱা তেওঁৰ (নিজৰ) 'ভেঁকুৰা অনৰ্থকতা' (Mouldy futilities)ৰ সন্ধানতে কটায় আৰু ডৰথিক সহানুভূতিৰ পৰা বঞ্চিত কৰে। তেতিয়া হঠাতে মিঃ কচ'ৱনৰ মনত পত্নীৰ উইল লেডিছ্‌লৰ প্ৰতি আদৰৰ বাবে সন্দেহ ওপজে। আৰু তেওঁৰ মৃত্যুৰ আগেয়ে নিজৰ ইচ্ছাপত্ৰৰ লগত আৰু এখন ক্ৰোড়পত্ৰ যোগ কৰে যাৰ দ্বাৰা ডৰথিয়ে লেডিছ্‌ল'ক বিয়া কৰালে নিজৰ ভাগ্যাক (সম্পত্তি?) বাজেয়াপ্ত কৰা হ'ব বুলি ঘোষণা কৰে। যি কি নহওক, শেষত ডৰথি আৰু লেডিছ্‌লৰ মিলন হয়।

সমান্তৰালভাৱে আনটো পটভূমিত টাটিআছ্, লিভগেট নামৰ বিজ্ঞানৰ আৱিষ্কাৰ আৰু চিকিৎসাবিজ্ঞানৰ সংশোধনৰ দ্বাৰা উৎসাহী, উচ্চাকাংক্ষী ডাক্তৰ এজনৰ লগত ৰ'জামণ্ড ভিনচী নামৰ সুন্দৰী এগৰাকীৰ সম্পৰ্কৰ কথা আলোচিত হৈছে যাৰ বস্তুবাদিতাই লিভগেটৰ আশাত চেঁচাপানী ঢালে।

উপন্যাসখনে বহুতো ভাল চৰিত্ৰ সামৰি লৈছে। হাঁহি উঠাধৰণৰ নাৰী মিচেছ কেদৱালাদাৰৰ পৰা প্ৰদেশীয় ইংৰাজ ভদ্ৰলোক চাৰ জেমছ চেট্টাম, ডৰথিৰ খুড়াক মিঃ ব্ৰুক যি এজন মানুহ 'of acquiescent temper, miscellaneous opinions and uncertain vote' আৰু ধৰ্মীয় প্ৰতাৰক মিঃ বালষ্টৰ্ড লৈ নানা চৰিত্ৰই ইয়াত ভিৰ কৰিছেহি। এই উপন্যাসখনত এলিয়টে চৰিত্ৰসমূহ অন্তঃভাৱে আৰু বহিঃভাৱে দুয়োধৰণে বৰ্ণনা কৰিছে। ঔপন্যাসিকাই চৰিত্ৰবোৰৰ দোদুল্যমান অৱস্থাত সিদ্ধান্ত গ্ৰহণৰ বাবে নিজস্ব মতামত আগবঢ়াইছে। উপন্যাসখন কাল্পনিক ধাৰণাটোৰ বাবে উল্লেখযোগ্য। যি কল্পনাই ইয়াক এক নিৰ্দিষ্ট গঢ়ত সজাইছে। সুন্দৰ নিখুঁত প্ৰতীকে উপন্যাসখনৰ বোৱন প্ৰক্ৰিয়া যথেষ্ট উন্নত কৰি তুলিছে।

এই যুগত এনেদৰে বহুতো ঔপন্যাসিকে সুবিখ্যাত উপন্যাস ৰচনা কৰাৰ উপৰি কিছুমান নামনাচ (Minor) ঔপন্যাসিকেও নানা জনপ্ৰিয় আৰু বিখ্যাত উপন্যাস ৰচনা কৰি সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল। নামনাচ হ'লেও তেওঁলোকৰ গুৰুত্ব কোনে গুণে কম নাছিল। তেনে এগৰাকী লেখত ল'বলগীয়া ঔপন্যাসিক আছিল থমাছ হাৰ্ডি (১৮৪০-১৯২৯)। তেওঁৰ ব্যংগ মানুহৰ অহংভাৱৰ প্ৰতি প্ৰত্যক্ষভাৱে নিক্ষেপিত নাছিল যদিও সেই বাণ মানৱ সত্তাৰ অস্তিত্বৰ প্ৰতি সদায়েই নিক্ষেপিত আছিল। হাৰ্ডিৰ জীৱনৰ প্ৰতি দৃষ্টিভংগী আছিল মৌলিক আৰু নিজেই যুঁজ দিছিল ইয়াৰ স'তে। গাঁৱলীয়া সমাজ, নৈঃসৰ্গিক দৃশ্যাৱলী, লোক সংস্কৃতি, সামাজিক ৰীতি-নীতিৰ সঘন উপস্থিতি দেখা যায় হাৰ্ডিৰ উপন্যাসত। পাৰ্থিৱতা আৰু কাল্পনিক সত্যৰ যুগলবন্দীয়েই হৈছে তেওঁৰ উপন্যাসৰ আটাইতকৈ মনোগ্ৰাহী গুণ। ভালেমান সময়ত প্ৰাকৃতিক উপাদানো তেওঁৰ উপন্যাসত চৰিত্ৰৰূপে দেখা দিছে।

তেওঁৰ উপন্যাসসমূহ হৈছে 'আণ্ডাৰ দ্য গ্ৰীণউদ ট্ৰী' (১৮৭২), 'ফাৰ ফ্ৰম দ্য মেডিং ক্ৰাউড' (১৮৭৪), 'দ্য ৰিটাৰ্ণ অৱ দ্য নেটিভ' (১৮৭৮), 'দ্য মেয়ৰ অৱ কেষ্টাৰবিজ' (১৮৮৬), 'দ্য উডলেণ্ডাৰছ' (১৮৮৭), 'জুড দ্য অৱছ্কিউৰ' (১৮৯৬), 'টেছ অৱ দ্য ডা আৰ বাৰভাইলছ্ (১৮৯১) আদি। ইয়াৰ ভিতৰত 'টেছ অৱ দ্য ডা' আৰবাৰভাইলচ'ক বিয়োগাত্মক উপন্যাসসমূহৰ ভিতৰত সৰ্বাধিক উচ্চাকংক্ষী চৰিত্ৰৰ বোলা হয়। অৱশ্যে 'জুড দ্য অৱছ্কিউৰ'খনো কোনোগুণে কম নহয় আৰু এইখনক তেওঁৰ আটাইতকৈ অসাধাৰণ উপন্যাস আখ্যা দিয়া হয়।

এইখন আছিল হাৰ্ডিৰ শেষ উপন্যাস। ইয়াত তেওঁ শৰীৰ আৰু আত্মাৰ মাজৰ দ্বন্দ্ব এখনৰ কথা বৰ্ণনা কৰিছে। তেওঁ কেনেকৈ জুড ফঅলি নামৰ চাউঁথ ৱেছেক্সৰ মানুহ এজনৰ, পৰিস্থিতিৰ দাস, চৰিত্ৰহীন, ইন্দ্ৰিয়সুখাকাংক্ষী হোৱা বাবে বৌদ্ধিক উচ্চাকাংক্ষাৰ ব্যাঘাৎ জন্মে তাৰ কাহিনী বৰ্ণনা কৰিছে। জীৱনৰ আদি কালছোৱাত যেতিয়া জুডে শিলকটা কাম কৰিছিল আৰু নিজৰ 'অনুৰাগ'ক পোহপাল দিছিল তেতিয়াই আৰবেলা ডন নামৰ ছোৱালী এজনীৰ স'তে যি লেখকৰ ভাষাত 'a mere female animal', প্ৰণয়পাশত আবদ্ধ হয় আৰু বিয়া কৰাবলগীয়াত পৰে। আৰবেলাই জুডক এৰি থৈ যায়। জুডে পুৰোহিত হ'বলৈ মন মেলে। কিন্তু নিজৰ দূৰ সম্পৰ্কীয় চু (Sue) ব্ৰাইডহেড নামৰ বুদ্ধিমতী স্কুল শিক্ষয়িত্ৰী এগৰাকীৰ প্ৰেমত পৰে। চুয়ে স্কুল শিক্ষক ফিলোটচনক বিয়া কৰায়। যদিও জুডে চুৰ প্ৰতি থকা আকাংক্ষা দমন কৰে, তথাপি চুৰ সান্নিধ্য বিচাৰে। চু শাৰীৰিকভাৱে বিতুষ্ট হৈ ফিলোটচনক এৰি জুডৰ ওচৰলৈ ঢাপলি মেলে আৰু সিহঁতৰ 'অপৰাধী সম্পৰ্কই পুৰোহিত হোৱাৰ জুডৰ আশা প্ৰতিৰোধ কৰে। পাছত যদিও সিহঁত দুয়োৰে পূৰ্বৰ বিবাহ বিচ্ছেদ কৰি বিয়া কৰাবলৈ মুক্ত হয় চু এই পদক্ষেপৰ পৰা পিচ হোঁহকে। সামাজিক অসন্মতিয়ে এনে কৰিবলৈ বাধ্য কৰায় আৰু সিহঁত নামানিলে গুচি যায়। সিহঁতৰ সন্তানৰ দুৰ্ভাগ্যবশতঃ মৃত্যু হয় আৰু অনুতাপ আৰু হীনমন্যতাৰ বেদনাত চু, ফিলোটচনৰ ওচৰলৈ উভতি যায়। জুডে আৰবেলাৰ প্ৰলোভনত পৰে আৰু মদ খাবলৈ ধৰি অতি কষ্টেৰে মৃত্যুবৰণ কৰে।

উপন্যাসখনক হাৰ্ডিয়ে এক উচ্চ পৰ্যায়ৰ ট্ৰেজেদীলৈ উত্তৰণ ঘটাইছে। তেওঁ ইয়াত প্ৰকৃত বাস্তৱ চিত্ৰ অংকন কৰিছে আন সমসাময়িক ঔপন্যাসিকসকলতকৈ অধিক সুন্দৰভাৱে। উপন্যাসখনৰ শাৰীৰিক হা-হুতাহৰ দাসত্বৰ বিৰুদ্ধে আৰু বস্তুবাদী পৃথিৱীখনৰ বিৰুদ্ধে বৌদ্ধিক আহ্বানৰ কাহিনী। এই কাহিনীয়ে আমাক চুৰ চৰিত্ৰত এনে এজনী ছোৱালীৰ প্ৰতিমূৰ্তি প্ৰদান কৰিছে যি গভীৰ জ্ঞানেৰে পুষ্ট আৰু যাৰ অন্তৰ্দ্বন্দ্ব চলে নিজৰ মগজু আৰু পাশৱিক জ্ঞানৰ মাজত যি জটিলতাৰ ঐশ্বৰ্যৰে পৰিপূৰ্ণ।

হাৰ্ডিৰ উপৰি আন কিছুমান নামনাচ ঔপন্যাসিকৰ বিষয়েও চমু আলোচনা আগবঢ়োৱা হ'ল।

এন্থনি ট্ৰ'ল'প (১৮১৫-৮২) আছিল এই যুগৰ আন এক প্ৰখ্যাত ঔপন্যাসিক। তেওঁৰ উপন্যাসসমূহ আছিল 'বাৰচেষ্টাৰ টাৱাৰছ' (১৮৫৭), 'ডক্টৰ থ'ৰ্ণ' (১৮৫৮), 'ফিনিচ ফিন' (১৮৬৯), 'দ্য প্ৰাইম মিনিষ্টাৰ' (১৮৭০), 'ৰবাৰ্ট ফাৰ্ম' (১৮৬৩), 'দ্য ক্লেভাৰিংছ' (১৮৬৭), 'দ্য ইউছটেচ ডায়মণ্ডছ' (১৮৭৩), 'দ্য ৱে উই লিভ নাও' (১৮৭৫) আৰু 'ইজ হি পপেনজয়?' (১৮৭৮) ইত্যাদি। তেওঁ পঞ্চাশতকৈ অধিক উপন্যাস লিখিছিল। মহান ঔপন্যাসিকৰূপে খ্যাত হ'ব নোৱাৰিলেও তেওঁৰ কল্পনা, কাৰিকৰী কৌশল, মানুহ আৰু সম্পৰ্ক (Relations) সম্পৰ্কীয় জ্ঞান আদিৰ উৎকৃষ্টতাই পাঠকক আকৰ্ষণ কৰিব পৰা পৃথিৱী এখন গঢ়াত বৰঙণি যোগাইছিল আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এক নতুন গতি সৃষ্টিত তেওঁ অৰিহণা যোগাইছিল।

চাৰ্লছ ৰিড (১৮১৪-৮৪) আছিল আন এজন ভিক্টোৰিয়ান ঔপন্যাসিক যিয়ে

সমসাময়িক ঘটনাৰাজিক নাটকীয় ভংগীত উপস্থাপন কৰিছিল তেওঁৰ 'ইট ইজ নেভাৰ টু লেইট টু মেণ্ড' (১৮৫৬), 'হাৰ্ড কেশ' (১৮৬৩), 'দ্য ক্লয়ষ্টাৰ এণ্ড দ্য হাৰ্থ' (১৮৬১) আদি উপন্যাসত।

উইলকি ক'লিনছ (১৮২৪-৮৯) আছিল ৰহস্যকাহিনীৰ পিতৃৰূপে খ্যাত ঔপন্যাসিক। তেওঁৰ অপৰাধ আৰু আৱিষ্কাৰ সম্পৰ্কীয় উপন্যাসমূহ আছিল 'দ্য উঁইমেন ইন হোৱাইট' (১৮৬০), 'দ্য মুনষ্টন' (১৮৬৮) আদি।

মিচেছ এলিজাবেথ ক্লেগ'ৰ্ণ (Cleghorn) গাস্কেল (১৮১০-৬৫)ৰ উপন্যাসসমূহ আছিল সমসাময়িক ঘটনাৰ বৰ্ণনা, মনস্তাত্ত্বিক বিশ্লেষণ আৰু মানৱীয় ভাৱনাৰে সংস্পৃক্ত। 'মেৰী বেৰটন' (১৮৪৮), 'নৰ্থ এণ্ড ছাউথ' (১৮৬৫), 'ক্রেনফৰ্ড' (১৮৫৩), 'ৱাইভচ্ এণ্ড ডটাৰছ' (১৮৬৬ অসমাপ্ত) আছিল তেওঁৰ উপন্যাস।

চাৰ্লছ' কিংছলি (১৮১৯-৭৫)য়ে উপন্যাস ৰচনা কৰিছিল 'the condition of england question'ৰ আলোচনাৰ মাধ্যম হিচাপে। 'ঈষ্ট' (yeast), (১৮৪৮), 'এলন ল'ক' (১৮৫০) আৰু 'ৱেষ্টৱাৰ্ড হো' (১৮৫৫) আছিল তেওঁৰ উপন্যাস। শেষৰখন আছিল ঐতিহাসিক উপন্যাস।

বেঞ্জামিন ডিজৰেইলি (১৮০৪-৮১)ৰ ৰাজনৈতিক উপন্যাসসমূহ আছিল 'কনিংছবি' (১৮৪৪) আৰু 'চাইবিল' (১৮৪৫) আদি। তেওঁ উপন্যাসসমূহত এক আভিজাত্যিক সুৰ দিছিল।

ৱাল্টাৰ স্কটৰ দ্বাৰা আৰম্ভ হোৱা ঐতিহাসিক (Historical) উপন্যাস ১৯ শতিকাত বহুতে লিখিবলৈ লয়। লৰ্ড লিটনে (১৮০৩-৭৩) 'পেলহাম অৰ দ্য এডভেঞ্চাৰছ অৱ এ জেণ্টলমেন' (১৮২৮), 'দ্য লাষ্ট ডেজ অৱ পম্পী' (১৮৩৪), 'ৰেইনজী' (১৮৩৫), 'হেৰল্ড, দ্য লাষ্ট অৱ দ্য চেক্সনছ' (১৮৪৮) আদি ঐতিহাসিক উপন্যাস লিখিছিল। তেওঁ সময়ৰ ভিন্নস্বাদৰ কথা সুঁৱৰি সকলো উপাদান উপন্যাসত ব্যৱহাৰ কৰা বাবেই সাহিত্যৰ ছাত্ৰৰ বাবে তেওঁ বিশেষ ঔপন্যাসিকত পৰিণত হৈছিল।

আন এজন এই সুঁতিৰ লিখক আছিল উইলিয়াম হেৰিছন আইন্সৱৰ্থ (১৮০৫-৮২) যিয়ে এক সন্মানীয় শাৰীত অৱতীৰ্ণ হৈছিল তেওঁৰ চল্লিশতকৈ অধিক উপন্যাসেৰে।

জি পি আৰ জেমছে (১৮০১-৬০) তেওঁৰ পঁয়ষষ্ঠিখন উপন্যাসত ইউৰোপ আৰু ইংলেণ্ডক সামৰি লৈছিল।

এজন আৰ এছ চুৰটীছ (১৮০৩-৬৪) নামৰ ঔপন্যাসিকে 'জৰকছ (Jorrock's) জওণ্টছ এণ্ড জলিটিছ' (১৮৩৮), 'হেণ্ডলি ক্ৰছ' (১৮৪৩), 'মি. স্পঞ্জছ (Sponge's) স্পৰ্টিং টুৰ' (১৮৫৩) আৰু 'আস্ক মাম্মা' (১৮৫৮) উপন্যাসত এক হাস্যৰসৰ সৃষ্টি কৰিছিল।

চাৰ্লছ লিভাৰে (১৮০৬-৭২) 'দ্য কনফেচ্ছানছ অৱ হেৰি লৰেকুৰেৰ' (১৮৩৯), 'চাৰ্লছ অ' মেলি' (১৮৪১), 'দ্য অ'ডনগ (O' Donoghue)' (১৮৩৯) আদি উপন্যাসত আইৰিছ জীৱনৰ কাহিনী বৰ্ণনা কৰিছিল।

চেমুৱেল লাভাৰে (১৭৭৯-১৮৬৮) আইৰিছ ধৰণেৰে বৰ্ণনা কৰিছিল 'ৰ'ৰি অ'ম'ৰ (১৮৪৭) আৰু 'হেণ্ডি এণ্ডি' (১৮৪২)।

আৰ ডি ব্লেকম'ৰ (১৮২৫-১৯০০)ৰ 'ল'ৰনা ডুন' (১৮৬৯), 'দ্য মেইড অৱ স্কাৰ' (১৮৭২) আৰু 'স্প্রিং হাৱেন' (১৮৮৭) আছিল তেওঁৰ চৈধ্যখন উপন্যাসৰ ভিতৰত উল্লেখযোগ্য উপন্যাস।

আন এক ঔপন্যাসিক আছিল লুইচ কেৰল যি 'চি এল ডজ্জচন' (১৮৩২-৯৮)ৰ ছদ্মনাম আছিল। তেওঁৰ বিশ্বখ্যাত উপন্যাস আছিল 'এলিচ'ছ (Alice's) এডভেঞ্চাৰছ ইন ৱণ্ডাৰলেণ্ড' (১৮৬৫) আৰু 'থ্ৰু দ্য লুকিং গ্লাছ' (১৮৭১) যি দুখন প্ৰকৃততে শিশু উপন্যাস আছিল।

ডব্লিউ এইচ হাডচন (১৮৪১-১৯২২)ৰ 'গ্ৰীণ মেনছনছ, এ' ৰোমান্স অৱ দ্য ট্রপিকেল ফ'ৰেষ্ট' আছিল উল্লেখযোগ্য উপন্যাস।

চেমুৱেল বাটলাৰ (১৮৩৫-১৯০২)ৰ উল্লেখযোগ্য উপন্যাস আছিল 'এৰহন' (১৮৭২) আৰু 'দ্য ৱে অৱ অল ফ্লে'শ' (১৯০৩)।

ভিক্টোৰিয়ান ঔপন্যাসিক ৰবাৰ্ট লুই ষ্টিভেনচন (১৮৫০-৯৪)ৰ উল্লেখযোগ্য উপন্যাসসমূহ আছিল 'এন ইনলেণ্ড ভয়েজ' (১৮৭৮), 'ট্ৰেভেলছ উইথ এ' ডংকি' (১৮৭৯), 'ট্ৰেজাৰ আইলেণ্ড' (১৮৮৩), 'ড° জেকিল এণ্ড মিঃ হাইদ' (১৮৮৯), 'কিডনেপড্' (১৮৮৬) আদি। তেওঁ প্ৰথম 'ট্ৰেজাৰ আইলেণ্ড'খন লিখি ঔপন্যাসিক হিচাপে খ্যাত হয়।

চাৰ্লট ব্ৰণ্ট (১৮১৬-৫৫)ৰ আটাইতকৈ খ্যাত উপন্যাস আছিল 'জেন আয়াৰ' (১৮৪৭) যিখন বহুতো ভুল-ত্ৰুটিৰে প্ৰেম আৰু ঘৃণাৰ এক সুন্দৰ অধ্যয়ন আছিল যিয়ে ঔপন্যাসিকৰূপে তেওঁক খ্যাতি দিছিল। আন উপন্যাসৰ ভিতৰত বিখ্যাত আছিল 'শাৰ্লেলী' (১৮৪৯) আৰু 'ভিলেট' (১৮৫৩)।

এই যুগৰ আন এক প্ৰখ্যাত ঔপন্যাসিক আছিল 'ৰুডয়াৰ্ড কিপ্লিং' (১৮৬৫-১৯৩৬)। তেওঁৰ প্ৰভুত্ববাদ আছিল সাধাৰণ এক স্কুলীয়া ছাত্ৰৰ প্ৰভুত্ববাদ। তেওঁৰ ভাৰতত থকা ব্ৰিটিছসকলকলৈ লিখা 'প্লেইন টেলছ ফ্ৰম দ্য হিলছ' (১৮৮৮) এখন বিখ্যাত উপন্যাস। ইংৰাজ সমাজক লৈ লিখা 'কিম' (১৯০১), 'পূকছ্ হিল' (১৯০৬) আদি আছিল উল্লেখযোগ্য উপন্যাস। তেওঁ অধিকাংশ উপন্যাসতে বিভিন্ন দেশত নিয়োজিত সৈন্যবাহিনীসকলৰ সুখ-দুখৰ কাহিনী বৰ্ণনা কৰিছিল। তেওঁৰ উপন্যাসসমূহে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল।

**উপসংহাৰ ঃ** এনেদৰে অসংখ্য খ্যাত-অখ্যাত ঔপন্যাসিকে খ্যাত-অখ্যাত অজস্ৰ উপন্যাসেৰে ইংৰাজী সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল। ইংৰাজী উপন্যাসৰ জগতখন ইমান বিশাল আৰু বাৰেবহণীয়া যে এই ঠেক পৰিসৰত সেই সকলোবোৰ আনকি মাথোঁ অষ্টাদশ আৰু উনবিংশ শতিকাৰো সকলো উপন্যাসৰ খুটি-নাটি আলোচনা কৰাটো অসম্ভৱ। তথাপি 'ভুৰুকাত হাতী ভৰোৱা'ৰ প্ৰয়াসেৰে এক চমু আলোচনা আগবঢ়োৱা হ'ল। ইংৰাজী উপন্যাসৰ বিস্তৃতি আৰু পৰিসৰ দিনক দিনে বাঢ়ি গৈছে যাৰ বাবে সম্প্ৰতি নতুন নতুন বিষয়, নতুন নতুন শৈলীৰ উপন্যাস ৰচিত হৈছে আৰু আজিকোপতি ইংৰাজী উপন্যাসৰ জয়যাত্ৰা অব্যাহত আছে। আৰু ই জীৱন সম্পৰ্কে, জগত সম্পৰ্কে ন ন দৃষ্টিভংগীৰ, ন ন চিন্তাৰ উন্মেষ ঘটাইছে। ■

## *সহায়ক গ্ৰন্থ*


১। A Critical History of English Literature– DAVID DAICHES
২। English Literature– William J. Long.
৩। The Making of Literature– R. A Scott. James.
৪। The History of English Literature– K. N. Dutta
৫। English Fiction– A.K. Sinha
৬। A short History of English Literature– A. Sanders (Oxford)

*আকাশলৈ এখন চিঠি ঃ*

২৭ ছেপ্টেম্বৰ/৯৮

আকাশ,

**মৰমৰ**

সেই একেদৰে থাকি আজিকালি আৰু ভাল নলগা হৈছে। সঁচাই আকাশ, বুকুখনত যেন এসোপা শিল বান্ধি মই জীয়াই থাকিব লৈছো। বহুত গভীৰ হৈ আহিছে ইয়াৰ চাৰিসীমা। গহীন বুকুখন দাঙি দাঙি মই ভাগৰি পৰিছো আকাশ। কেনেকৈ যে কটাইছিলো যোৱা আঠটা বছৰ। মই যেন সংকল্পবদ্ধ হৈছিলো, অহৰ্নিশে মই মোৰ বুকুৰ বিষটো বুকুতে সাবটি লৈ ফুৰিম, মৃত্যুৰ প্ৰেমত গভীৰ হৈ যোৱা মোৰ বিষয়টো। মৃত্যুঞ্জয় মোৰ হৃদয়ৰ আন এটা নাম হৈ পৰিছিল। চাৰিওফালে মই যেন কেৱল সপোনবোৰকেই উৰি ফুৰা দেখিছিলো। মই কেৱল তাৰবাবেই জীয়াই থাকিব লৈছিলো। মই যেতিয়া তাৰ প্ৰেমত স্বপ্নাতুৰ আছিলো মোৰ লগৰবোৰে মোক সুধিছিল— 'তই পাগল হোৱা নাইতো'' মোৰ খুব দুখ লাগিছিল, আকাশ। কিয় তাহাঁতে তেনেদৰে ক'ব লাগে, মৃত্যুঞ্জয়তো বেয়া ল'ৰা নহয়, অন্ততঃ মোৰ বাবে। তাক মই ভালদৰে জানো। আমিতো সৰুৰে পৰা একেলগেই ডাঙৰ হৈছো। একেই আমাৰ শৈশৱৰ নাম একেই কৈশোৰ, একেই যৌৱন। প্ৰত্যেকটো মুহূৰ্তত সি আৰু মই অভিন্ন হৈ পৰিছিলো। তাহাঁমি মৃত্যুঞ্জয় আৰু মই যেতিয়া চিৰালকটা ৰ'দত বহি নৈৰ পাৰত বালিঘৰ সাজিছিলো, ভাঙিছিলো, বালিমাহীৰ কণী বিচাৰি যেতিয়া নৈৰ গৰা ভাঙি ভাঙি যুনুটিয়াই ফুৰিছিলো, নাৰিকলৰ শুকান খোলত খুদ চাউল ভৰাই যেতিয়া-সৰু সৰু মিহামাছ ধৰিছিলো, সদায় অহাৰ দৰে আয়ে কাপোৰ মেলা ডাঁৰডালৈলৈ আমাক বিচাৰি আহিলে ঝাওবনৰ মাজত যেতিয়া আমি লুকাই পৰিছিলো, তেতিয়াতো অৱশ্যে ভবাই নাছিলো আমি ইজনে আনজনৰ বাবে জীয়াই থকাৰ মন্ত্ৰ হ'ব লাগিব। যি সময়ত মৃত্যু মোৰ কোন সেই কথাটো মই কোনো অনুভৱ কৰা নাছিলো সেইসময়ত মৃত্যু মোৰ হৈ থকা নাছিল আৰু যেতিয়া অনুভৱ কৰিছিলো তেতিয়াতো ভবাই নাছিলো মৃত্যুঞ্জয়ক যে সদায় মই মৃত্যুৰ কোলাত এৰি দিব লাগিব। মই সপোনৰ মালা গাঁথিছিলো আকাশ। অনেক ৰঙৰ সপোনবোৰ গোটোৱাত সিয়ো মোক সহায় কৰিছিল। এসোপা সোণবৰণীয়া ফুলাম সপোনৰ জিকমিকিয়া মালাডাল যেতিয়া গাঁথা হ'বৰ উপক্ৰম হৈছিল, তেতিয়াযে সি মোৰ পৰা চিৰদিনৰ বাবে হেৰাই গ'ল। মই কি লৈ জীয়াই থাকিম আকাশ? মোৰচোন জীয়াই থকাৰ ঠিকনাই হেৰাই গ'ল। জোনাৰেই সকলো বুলি ভাবিবলৈ তাইৰ লগতচোন তাৰ একোৰেই সম্পৰ্ক নাই। জোনাতো আমাৰ প্ৰত্যেকৰে সন্তান নহয় জানো আকাশ? সি মোক মানা কৰিছিল লৈ আনিব। কিন্তু তাই অহাৰ পিচতযে আমি সকলো তাইকেই কেন্দ্ৰীভূত কৰি এখন ঘৰৰ সদস্য হৈ পৰিছিলো।

# আকাশ, মই আৰু এনিশা

হিৰণ্ময়ী মেধি



মোৰ জীয়াই থাকিবৰ আৰু অকণো হেঁপাহ নাই আকাশ। মৃত্যুৰেই মোৰ বাবে একমাত্ৰ আশা আছিল জীয়াই থকাৰ, যাৰ তেজ বিয়পাই দিবৰ কথা আছিল জোনাৰ দেহত। মোৰ জীয়াই থকাৰ আশায়েই যে হেৰাই গ'ল। নাভাবো মোক আৰু কেতিয়াবাকৈ দেখিবলৈ পাবিনে নাই। এতিয়া নিশাও গভীৰ হৈ আহিছে। মই কাইলৈ যামগৈ আকাশ, একেবাৰে মৃত্যুৰ ওচৰলৈ। উশাহ ল'বলৈয়ো যে ইয়াত মোৰ বাবে বতাহৰ অভাৱ হৈছে। মোক আৰু কেতিয়াও বিচাৰি নাপাবি, বিচাৰিবলৈ যত্নও নকৰিবি। মোক মনত ৰাখিবি বুলি জোৰ নকৰো। কিন্তু ইচ্ছা কৰি যাতে নাপাহৰ। মনত ৰাখিবি আকাশ, এজনী নাৰীৰ এখন হৃদয় আছিল, জীৱনৰ কৈফিয়ৎ তলবীৰ অংক কৰা তত্তাপোছ এখনৰ দৰে এখন হৃদয়, এঙাৰৰ দাগেৰে আবৃত।

আৰু নিলিখো আকাশ। অইনদিনাৰ দৰে বিশেষ দ্ৰষ্টব্যৰ বুকুত আৰু এখন চিঠিৰ জন্মও নিদিওঁ। মোৰ এন্ধাৰলৈ এতিয়া মাথোঁ এক পৃষ্ঠা বাকী, মোৰ জীৱন কিতাপখনৰ শেষ পৃষ্ঠা। মোৰ শেৱালিজুপি আৰু আমাৰ মৰমৰ জোনাকীজনীৰ তৰেই যত্ন লবি। অ' মৃত্যুৱে জোনাকীক পিতৃত্বৰ স্বীকৃতি দিয়াৰ কথা আছিল। তাই বুজা হ'লে তাইৰ দেউতাকৰ নাম 'মৃত্যুঞ্জয়' বুলি কবি আৰু মাতৃ মই।

ইতিত সংগ্ৰামী সতীৰ্থ
মৃত্যুঞ্জয়-এনিশা

(২)

## *জোনাকী মেলত আকাশ ঃ*

'As long as there are fools in the world there will hope...'

সঁচাই আশাই যে মানুহক কেনেদৰে জীয়াই ৰাখিব পাৰে। আশাবোৰ মিলি মিলিয়েই যেন জীৱনৰ প্ৰবাহ।

নীলাভ শুভ্ৰতাৰ বুকুত খুব আলফুলে নিজকে এৰি দি আকাশে যেন জীৱনৰ নিমিলা অংকৰ সূত্ৰবোৰ এফালৰ পৰা ফালি গৈছে। ফেৰফেৰিয়াকৈ বলা বতাহজাকেও যেন তাৰ তেজৰ প্ৰবাহে প্ৰবাহে জীয়াই থকাৰ বিৰুদ্ধে শ্লোগান আৰম্ভ কৰিছে। চিৰিটোৰ শেষৰ ষ্টেপটোত বৰ আলস্যভাৱে সি বহি পৰিল। জোনাক ভৰা আকাশ। সেমেকা বতাহৰ লগত অহা অনামী সৌৰভটো আজি তাৰ ভাল নালাগিল।

ঃ আকাশ মামা'— কাৰোবাৰ আলফুলীয়া স্পৰ্শই আকাশৰ দুকান্ধ জোকাৰি পেলালে। হয়, সেয়া জোনাকী, যাৰ বুকুত অবিশ্ৰান্তভাৱে লৱৰি ফুৰাৰ কথা আছিল মৃত্যুঞ্জয়-এনিশাৰ তপত তেজ, যাৰ ছিদ্ৰহীন গভীৰ এন্ধাৰৰ দৰে চুলিটাৰিত মেলি দিয়াৰ কথা আছিল সিহঁতে গাঁথা সপোনবোৰ, সেইজনী জোনাকী, যি গাভৰু হোৱাৰ ফুল ফুলাইছে এদপ্-দুদপ্‌কৈ, এয়া আকাশৰ ওচৰত। জোনাকীৰ দুবছৰ থাকোতেই মৃত্যু আৰু এনিশাই গতাই দিছিল তাক। এবাৰ অপাৰেচন এটাত যাওঁতে বাটৰ দাঁতিত পানীকেঁচুৰাৰ কান্দোন শুনি হঠাৎ বৈ গৈছিল এনিশা। সদায় দন্ত মাৰি কোৱা গ্ৰেনাইটৰ হৃদয়খন সিদিনা মৰমৰ, তেজ-মঙহৰ হৃদয়লৈ পৰিৱৰ্তন হৈছিল। বহুত মানা কৰা সত্ত্বেও তাই লৈ আহিছিল কেঁচুৱাটোক। তাৰ পিচত অভাৱনীয়ভাৱেই তাই যে ফুটুকী হৰিণৰ দৰে দেওপাৰি ফুৰিছিল সিহঁতৰ কোলাই-বোকোচাই। এনিশাৰ বহুত মৰমৰ হৈ পৰিছিল কণমানিজনী।

এনিশাৰ চিঠি পোৱাৰ পিচদিনা আকাশে তাইক বিচাৰি পাইছিল তিনিদিন আগতে মৃত্যুক সাবটি লোৱা মৃত্যুঞ্জয়ৰ সমাধিৰ বুকুত। এসোঁতা তেজ বৈ অহাৰ শুকান চিনটো নিশাৰ মুখত তেতিয়াও জিকমিকাই আছিল। (যেন সিহঁতহালে ৰচা সপোনবোৰ।) মৃত্যু-নিশাৰ হৃদয়ৰ জোনাকবোৰ যেতিয়া জোনাকীৰ দুচকুৰে গোটেই ঘৰখনতে বোৱাই দিবৰ আয়োজন কৰিছিল সিহঁতহালেতো কল্পনাও কৰা নাছিল এদিন জোনাকীও অকলশৰীয়া হ'ব। আকাশে সেইদিনা নিশা আৰু মত্যুৰ সমাধিৰ পৰা মাটি অলপ তুলি জোনাৰ কপালত ঘঁহি দিছিল।

ঃ 'আকাশ মামা, তোমাৰ কি হৈছে কোৱানা। মইতো এতিয়া সেই জোনাকী পৰুৱা যেদি ফুৰা জোনাকীজনী নহওঁ। মই অন্ততঃ তোমাৰ কথা বুজিব পৰা হৈছো। তুমি এনেদৰে থাকিলে মোৰ যে অকণো ভাল নালাগে। মোক কোৱানা আকাশমামা।'

খুব আশাৰে জোনাকীয়ে বাট চাই ৰ'ল যেন আকাশে কিবা এটা ক'ব। কিন্তু সি একো নক'লে। তাইৰ হাতখনত ধৰি বহুৱাই দিলে তাৰ ওচৰত। মূৰটোত আলফুলে হাত বুলাই নিজৰ কোলাত



শুৱাই দিলে জোনাক জোনাক স্নিগ্ধ মুখখনি আৰু এন্ধাৰ ঘন চুলিটাৰি।

কিমান সময় তেনেদৰে আছিল আকাশে গমেই নাপালে। তাৰ হাতখনবে কেতিয়া জোনাৰ কপালত স্তব্ধ হৈ পৰিছিল সি লক্ষ্যই কৰা নাছিল। হঠাৎ সি উপলব্ধি কৰিলে জোনাই উচুপি আছে। আকাশৰ গোটেই দেহটো সিৰসিৰাই গ'ল।

ঃ এই জোনা, চাওঁ তোমাৰ আকৌ কি হ'ল?— সি আগ্ৰহেৰে সুধিলে।

ঃ 'আগতে কোৱা তোমাৰ কি হৈছে?'— জোনাই উচুপি উচুপি ওলোটাই তাক সুধিলে।

ঃ 'মোৰ?'— আকাশে জোৰকৈ হাঁহিটো মুখত ফুটাই ক'লে— 'মোৰ তোমাক মৰম কৰি কৰি টোপনি নিয়াবৰ মন গৈছে। উঠা শোওগৈ ব'লা। বহুত ৰাতি হ'ল।' কিবা এটা বুজি উঠাৰ আগতেই সি জোনাক ভিতৰলৈ লৈ গ'ল।

(৩)

## *জোনাকীৰ আত্মকথা ঃ*

এয়া আকাশ মামাৰ কাষত নির্ভয়ে শুই আছো মই জোনাকী। নাজানো আকাশ মামাই কেতিয়াবা কেতিয়াবা কিয় এনেদৰে মন মাৰি থাকে। মোৰ যে কেনেকুৱা লাগে কেনেকৈ বুজাম। কেতিয়াবা মোৰ ভাব হয় ময়েই যেন আকাশ মামাৰ সকলো দুখৰ কাৰণ। মোৰ নিজকে মাৰি পেলাবৰ মন যায়। মই নাজানো মই মোৰ মা-দেউতাক ক'ত কেনেকৈ হেৰুৱালো। মামায়েতো মোক একো'ৱেই নকয়। তেৱেঁই মোৰ সকলো। তেওঁ নিজৰ বিষয়েও কেতিয়াও কোৱা নাই। তেওঁ মোৰ কি হয়, তেওঁৰ ঘৰৰ আন আন পৰিয়ালবোৰেই বা ক'ত মই নাজানো। মই ইয়াকো নাজানো মোৰ মা-দেউতাই কি চুক্তিত কেনেদৰে মোক তেওঁৰ হাতত তুলি দিছিল। অনুমান হয় মামা চাগে মোৰ বা দেউতাৰ কোনোবা আপোন যাৰবাবে মোৰো তেওঁ বহুত মৰমৰ। অকল সেয়েইনে? নাই নাই। মই একো ধৰিব নোৱাৰো, মোৰ মনটোৱেযে একো আঁতেই বিচাৰি পোৱা নাই। ইতিমধ্যে 'আকাশ' নামটোযে মোৰ তেজে তেজে লিখা হৈ গৈছে। মই এতিয়া সেই কণমানি জোনাকীজনী নহওঁ। 'আকাশ মামায়েই মোৰ মা-দেউতা লগতে মোৰ আটাইতকৈ প্ৰিয়জন।

আন্ধাৰতে মই আকাশ মামাৰ গোমোঠা মুখখন চাবলৈ চেষ্টা কৰিলো। তেওঁৰ বুকুৰ মাজত মুখ গুজি নির্ভয়ে শুবৰ মন গ'ল মোৰ।

ঃ 'আকাশ মামা...'— হৃদয়ৰ বহুত তলৰ পৰা মোৰ মাতটো উজাই আহিল। মই খেপিয়াই চালো মোৰ কাষত শুই থকা মোৰ আটাইতকৈ প্ৰিয় মানুহজনক। কিন্তু ই কি! ইমান সময়ে মই গমেই পোৱা নাছিলো যে মই অকলে অকলে শুই আছিলো। পাগলৰ দৰে গোটেই বিছনাখন খেপিয়াই ফুৰিছো মামাৰ অস্তিত্বৰ সন্ধানত। নাই। ক'ত গ'ল তেওঁ? দুখ আৰু ভয়ে কোঙা কৰি পেলাইছে মোৰ মনটো।

কানি দুৱাৰখন অলপ মেলি বাহিৰলৈ চালো ... 

কানি দুৱাৰিকৈ থকা দুৱাৰৰ ফাঁকেৰে অলপ জোনাক আহি মজিয়াত পৰিছেহি। 'আকাশ মামা'— নাজানো মোৰ মাতটো ওলালনে নাই। তেওঁৰ কোনো সঁহাৰি পোৱা নগ'ল। মোৰ এধানিমান হৃদয়খনে দ্ৰুতগতিত উঠা-নমা কৰিবলৈ ধৰিলে। উঠি আহি দুৱাৰখন অলপ মেলি বাহিৰলৈ চালো। গোটেই জোনাকে টৌৱাই তুলিছে চাৰিওদিশ। চিৰিটোৰ শেষত কিবা এটা দেখি ভয়ে ভয়ে আগবাঢ়ি গ'লো। আৰে, এয়া দেখোন মামা! শেষৰ ষ্টেপত ভৰি দুখন মেলি শেৱালিজুপিৰ গাত মূৰটো আঁউজাই মামা দুৰ্ঘোৰ টোপনিত।

'আকাশ মামা'— মোৰ মাতটো কঁপি উঠিল। তেওঁৰ কিন্তু কোনো সাৰ-সুৰ নাই। ময়ো মাটিতে বহি মামাৰ কোলাত মূৰটো এৰি দিলো। কিবা এটা নাম নজনা চৰায়ে চিক্‌চিক্‌কৈ চিঞৰি গ'ল। হয়তো পোহৰ হ'বলৈ আৰু বেছি সময় নাই।

তন্দ্ৰালস অৱস্থাত অনুভৱ কৰিলো সোঁকাণত এটা লাহি স্পর্শই সুৰসুৰাই আছে। আলফুলে খেপিয়াই চালো দুপাহ শেৱালি, যেন মামাৰ কোলাত সপোনৰ ফুল বাছিছিল। ফুল দুপাহক মোৰ মা-দেউতা যেন ভাব হ'ল। মই ফুল দুপাহ তুলি আনি বুকুৰ মাজত জোৰেৰে সাবটি ধৰিলো।

(৪)

উপসংহাৰ

## *আকাশৰ ভাষাৰে ঃ*

কেতিয়াবা কেতিয়াবা কিয় জানো মোৰ মনটো ভাগি যাব খোজে। কালিও তেনেকুৱাই কিবা এটা হৈছিল। মোৰ মন মৰা অৱস্থা দেখিলে জোনায়ে খুব দুখ পায়। সেয়ে মই তাইৰ পৰা পলাই ফুৰিব বিচাৰো। সদায় ৰোৱাৰ দৰে আজিও যেতিয়া ৰাতিপুৱা শুই উঠি শেৱালিজোপাৰ তলত বৈছিলো। তেতিয়া যেন সুৰসুৰকৈ বলা বতাহজাকে মোৰ কাণে কাণে কৈ গ'ল— 'জোনাকীক তই নিজৰ কৰি পেলাবি আকাশ, তোৰ নিজৰ। সেয়া কাৰ মাত, নিশাৰ, নিশাৰ? নিশাৰ নহয়তো। নিশা— সর্বশৰীৰত এক অজান শিহৰণ অনুভৱ কৰিলো।

'জোনাকী'— কিযে মৰমৰ, মিঠা শব্দটো। মোৰ গোটেই শৰীৰতেই যে মই তাইৰ স্পর্শ কঢ়িয়াই ফুৰো। সেই কণমানি আঙুলিকেইটাৰে লিৰিকি-বিদাৰি মোক সাবটি ধৰা শৈশৱৰ জোনাকী, মই খং কৰিলে ঠেহ পাতি শুই থকা কৈশোৰৰ জোনাকী, আৰু এতিয়াৰ জোনাকী যৌৱনৰ জোনাকী মোৰ বহুত মৰমৰ। 'জোনাকীক মই বহুত মৰমেৰে ৰাখিম নিশা' মই বিৰবিৰাই উঠিলো। তাইক যদি ময়েই মৰমেৰে নাৰাখো তেতিয়া কোনে ৰাখিবনো? তাইৰতো মাক-দেউতাকৰ পৰিচয়ো মই নাজানো। আনকি নিশাইতেও নাজানিছিল। আন কোনোবাই যদি জোনাক সেই লৈ তিৰস্কাৰ কৰে। তাইক ইমান এটা নিষ্ঠুৰ আঘাত দিব নোৱাৰি। নাই নাই জোনা মই তোমাক আনৰ পৰিহাসৰ পাত্ৰ কৰি নোতোলো। মই তোমাক খুব মৰমেৰে ৰাখিম। আজীৱন তুমি মোৰ লগতেই থাকিবা তোমাক মোৰ একেবাৰে নিজৰ কৰি ৰাখিম জোনা, একেবাৰে নিজৰ।'

এতিয়া ৰাতি গভীৰ হৈ আহিছে। শেৱালিজুপিৰ তলত বহি মই যেন তাৰেই প্ৰতিজ্ঞা কৰিছো। জোনা উঠি অহা গম পালো। চকু দুটা মুদি নিঃসাৰ হৈ পৰি থকাৰ ভাও জুৰিলো। তাইক মোৰ বহুত ডাঙৰ ছোৱালী যেন ভাব হ'ল। তাই মাতিলে— 'আকাশ মামা, মই কোনো প্ৰতিক্ৰিয়া নেদেখুৱালো।' নহয় নহয় জোনা মই তোমাৰ কোনো মামা নহয়। কোনে তোমাক শিকালে মোক মামা বুলি মাতিবলৈ? মই তোমাৰ 'আকাশ' জোনা তুমি মোক আকাশ বুলি মাতা। মই মনে মনে কৈ উঠিলো। জোনা মোৰ কোলাত শুই পৰিল। মই নজনাকৈয়ে মোৰ হাতখন জোনাৰ মেঘালী চুলিটাৰিৰ মাজত কিহবাৰ সন্ধানত হেৰাই যাব ধৰিলে। ■

শতবৰ্ষ স্মৰণ—



# কটন কলেজৰ পুথিভঁৰাল আৰু ড° সূৰ্য কুমাৰ ভূঞা

*কটন কলেজৰ পুথিভঁৰালৰ প্ৰতিষ্ঠা, ইয়াৰ জন্ম-যন্ত্ৰণা আৰু বিভিন্ন পৰিস্থিতি আদিৰ ক্ষেত্ৰত নিমোহ বিশ্লেষণ আৰু ড° সূৰ্যকুমাৰ ভূঞাৰ অৱদান সন্দৰ্ভত মননশীল লেখা আগবঢ়াইছে—*

**ড° নন্দিতা ভট্টাচাৰ্য গোস্বামীয়ে**

মানৱ সভ্যতাৰ বিকাশৰ বাবে যিবিলাক অনুষ্ঠানে বিশেষভাৱে অৰিহণা যোগাইছে তাৰ মাজত পুথিভঁৰাল অন্যতম। পৃথিৱীৰ প্ৰথমখন গ্ৰন্থাগাৰ নিৰ্মাণ কৰিছিল ছুমেৰীয়সকলে। ২৭৩০ খ্ৰীষ্টপূৰ্বাব্দত টেলো নামে এটা ঠাইত নিৰ্মিত গ্ৰন্থাগাৰত ৩০,০০০ মাটিৰ ফলিৰ সংৰক্ষণ হৈছিল। ভাৰতত গ্ৰন্থাগাৰ নিৰ্মিত হৈছিল দুহেজাৰমান বছৰৰ পূৰ্বতে। মন্দিৰ, বৌদ্ধবিহাৰ, আশ্ৰম আদিতেই। ভাৰতীয় গ্ৰন্থাগাৰ প্ৰথমতে অপৰিকল্পিতভাৱে স্থাপিত হৈছিল। বিখ্যাত নালন্দা বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ আছিল সুপৰিকল্পিত। ইয়াৰ তিনিটা অট্টালিকাত ঠাহ খাই আছিল গছৰ ছাল, পাত আদিত লিখিত পাণ্ডুলিপিৰাজি। অসমত প্ৰথম গ্ৰন্থ সংৰক্ষণৰ চিন্তা কৰিছিল আহোম ৰজাই। গ্ৰন্থ প্ৰণয়ন আৰু গ্ৰন্থ সংৰক্ষণৰ বাবে তেওঁলোকে 'কাকতী' বোলা বিষয়াক নিযুক্তি দিছিল। আহোম ৰজাসকলে প্ৰধানতঃ বুৰঞ্জী পুথি লিখোৱাইছিল আৰু সেইবিলাক সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। সত্ৰ, নামঘৰ আদিত পুথি প্ৰণয়ন আৰু সংৰক্ষণৰ নিয়ম আছিল। পুথিবোৰ সাঁচিপাতত লিখিত হৈছিল। গোমূত্ৰ, শিলিখাৰ ৰস আদিৰে তেতিয়া চিয়াঁহী প্ৰস্তুত কৰিছিল। লিখিবৰ বাবে খাগৰি বা পাখি কলমৰ ব্যৱহাৰ প্ৰচলিত আছিল। অতঃপৰ কটন কলেজৰ জন্মক্ষণতে ভূমিষ্ঠ হৈছিল ইয়াৰ পুথিভঁৰালটোও। এইখনেই অসম তথা গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক পৰিমণ্ডল সৃষ্টিকৰ্ত্তা আধুনিক অসমৰ গঢ় দিওঁতা এটি সুপৰিকল্পিত পুথিভঁৰাল।

কটন কলেজৰ শতবৰ্ষপূৰ্তিৰ লগে লগে এইখন এতিয়া বহু তথ্যসমৃদ্ধ ঐতিহ্যমণ্ডিত কটন পৰিয়ালৰ এটি সম্পদ। এখন পুথিভঁৰাল অবিহনে কোনো বিদ্যায়তনে পূৰ্ণাৱয়ৱ লাভ কৰিব নোৱাৰে। এই দিশৰ পিনে লক্ষ্য ৰাখিয়েই কলেজৰ প্ৰথমটো গৃহ নিৰ্মাণ হৈছিল। এই গৃহতেই বৰ্তমানে অৱস্থিত ৰসায়ন বিভাগ। ইয়াত তিনিটা আহল-বহল, বতাহ চলাচল কৰিব পৰা আৰু যথেষ্ট পোহৰ থকা ঘৰত শ্ৰেণীবোৰ বহিছিল। তাৰ বাহিৰে এইটো গৃহত আছিল অধ্যক্ষৰ বাবে নিৰ্দিষ্ট এটা ঘৰ, এটা অফিচৰ বাবে আৰু দুটা বিশালাকাৰ ঘৰ— যাৰ এটা বক্তৃতা আদিৰ বাবে আনটো পুথিভঁৰালৰ বাবে নিৰ্দিষ্ট। কলেজৰ

পাঁচ বছৰ সমাপ্ত হোৱাৰ পিছত অসম আৰু পূৰ্ব বংগৰ তদানীন্তন ডি পি আই মিঃ এইচ চাৰ্পে দাখিল কৰা প্ৰতিবেদনত (১৯০১-১৯০২ৰ পৰা ১৯০৬-১৯০৭) উল্লিখিত তথ্য পৰিবেশিত হৈছিল।[১] সদা প্ৰসূত হ'লেও পুথিভঁৰালটো আছিল যথেষ্ট উন্নতমানৰ। কলেজৰ পঞ্চবৰ্ষকালত ইয়াত আছিল ২০০০ খন কিতাপ। এইবিলাক আছিল প্ৰয়োজনীয় আৰু সুনিৰ্বাচিত। পুথিভঁৰালৰ কিতাপ ব্যৱহাৰ কৰিবলৈ তেতিয়া ধন জমা দিয়াৰ প্ৰথা নাছিল। ইয়াৰ দ্বাৰা কিতাপৰ অবাধ ব্যৱহাৰৰ কথাকে সূচাইছিল। পুথিভঁৰালৰ শিশুকালৰ সুন্দৰ আৰু সুস্থ চিত্ৰ প্ৰথিত হৈছে চাৰ্পৰ প্ৰতিবেদনত। ইয়াত কৈছে ঃ 'The library of the Cotton College. Gauhati is well adapted to its requirements. In addition to many of the latest standard works in Science, History and other subjects it contains a large number of books of a higher character suited to the reading capacities of the students. These have proved highly popular and are widely read. It is always difficult to make libraries attractive to Indian students, but the problem seems to have been successfully solved in the Cotton College. and it is this particular feature of that College which attracted the special attention of the University Commissioners."[২]

১৯০৯-১৯১০ চনত কটন কলেজ প্ৰথম শ্ৰেণীভুক্ত বুলি ঘোষিত হয়। তেতিয়া দুই হেজাৰতকৈ অধিকসংখ্যক কিতাপ পুথিভঁৰালত আছিল। দ্বিতীয় পঞ্চবাৰ্ষিক প্ৰতিবেদনৰ (১৯০৭-১৯১২) মতে এই সময়কালত পুথিভঁৰাল স্থানান্তৰিত হয়। কলেজগৃহৰ পূব দিশত অৱস্থিত তেতিয়াৰ 'কাৰ্জন হল' চৰকাৰে অধিগ্ৰহণ কৰে আৰু উক্ত হলত পুথিভঁৰালৰ স্থিতি হয়। ড° সূৰ্য কুমাৰ ভূঞাৰ A Cottonian's Reminiscences, 1909-II নামৰ নিবন্ধত উক্ত বিষয়ৰ উল্লেখ পোৱা যায়। তেওঁ তাত লিখিছিল ঃ 'Our library was situated in the new Physics Laboratory to the east of the old one."[৩] ওপৰত উল্লিখিত প্ৰতিবেদনত আৰু কৈছিল যে তেতিয়া আৰু গ্ৰন্থাগাৰো অসমত আছিল। কিন্তু কটন কলেজৰ পুথিভঁৰাল অধিক সমাদৃত হৈছিল। ছাত্ৰসকলে এইবোৰৰ যথেষ্ট ব্যৱহাৰ কৰিছিল। তেতিয়া পুথিভঁৰালত আছিল সৰ্বমুঠ ২১০০ খন কিতাপ, এই কালছোৱাত পুথিভঁৰালৰ প্ৰতি মনোযোগ দিয়া হৈছিল। পোনপ্ৰথমবাৰৰ বাবে এজন গ্ৰন্থগাৰিকৰ নিযুক্তি দিছিল। তেওঁক সহায় আগবঢ়াবলৈ এখন পুথিভঁৰাল পৰিচালনা কমিটী গঠিত হৈছিল। তেতিয়া ১৯১৩ চন। ১৯১৫ চনত গ্ৰন্থসংখ্যা হৈছিল ৫০০০ খন। ১৯১৬-১৯১৭ চনৰ পৰিচালনা কমিটীৰ যিসকল সদস্য আছিল তেওঁলোকৰ নাম পোৱা যায়। তেওঁলোক হ'ল— ড° থমছন (সভাপতি), মৌলবী আবদুল্লা আবু চৈয়দ (সম্পাদক), সদস্যসকল— মিঃ ব্ৰাউন, মিঃ ৰবাৰ্ট, মিঃ গফিন, বাবু আশুতোষ চাটাৰ্জী, বাবু বনমালী চক্ৰৱৰ্তী, বাবু বিজয়চন্দ্ৰ সেন আৰু বাবু হৰ্ষনাথ সেন।[৪] কমিটীৰ তত্ত্বাৱধানত পুথিভঁৰালৰ মান উত্তৰোত্তৰ বৃদ্ধি পাইছিল। পুঁজিৰ বণ্টন, পঢ়ুৱৈৰ লগত নিবিড়তৰ সম্পৰ্ক, পুথিৰ সুযোগ্য ব্যৱহাৰ আদিৰ সংস্কাৰ সাধিত হৈছিল।[৫] ১৯১৭ চনত কলিকতা ইউনিভাৰ্চিটি কমিছনৰ (ছেডলাৰ কমিছন) পৰিদৰ্শনভিত্তিক প্ৰতিবেদনত কৈছিল যে কটন কলেজৰ পুথিভঁৰালটো আকাৰত বৰ বেছি ডাঙৰ নহ'লেও অন্যান্য পুথিভঁৰালতকৈ ভালদৰে সংগঠিত আছিল। ছাত্ৰসকলৰ ব্যৱহাৰৰ মাত্ৰাও সন্তোষজনক বুলি উল্লেখিত হৈছিল।

এনেদৰে অধ্যক্ষ চুদমাৰ্চনৰ অধীনত কটন কলেজৰ অন্যান্য দিশৰ লগত পুথিভঁৰালটো ক্ৰমোন্নতিৰ পথত বলিষ্ঠ পদচাৰণাৰে আগবাঢ়িছিল। ইয়াৰ মান বৃদ্ধিৰ বাবে সততে চিন্তিত অধ্যক্ষবৰে ১৯২৪ চনত এটি নতুন নিয়ম প্ৰৱৰ্তন কৰে। সেইবাবে পঢ়ুৱৈৰ সুবিধাৰ্থে গ্ৰন্থসম্ভাৰ মুকলি কৰি দিয়া হ'ল। এই 'open self' পদ্ধতিৰ সুযোগত ছাত্ৰসকলে লাগতিয়াল কিতাপখন উলিয়াই আনি পঢ়িব পৰাৰ ক্ষমতাৰ অধিকাৰী হয়। কিন্তু নবন্যস্ত নিয়মে সুফলতকৈ কুফলেই প্ৰসৱ কৰিলে। প্ৰথম বছৰতেই এখন কিতাপ নোহোৱা হয়। অধ্যক্ষ কিন্তু অবিচল। ছাত্ৰহিতৈষী এই মানুহজন শিক্ষা বিস্তাৰৰ বাবে প্ৰৱৰ্তিত পৰীক্ষা-নিৰীক্ষাৰ পৰা পিছুৱাই আহিব নিবিচাৰিলে। ক'লে-- '... anyth ng is better than the cabining of books against use– it seems a survival of the dark ages."[৬] কিন্তু পৰিতাপৰ বিষয় যে পৰৱৰ্তী বছৰত কিতাপৰ সঘন অন্তৰ্ধানে 'open self' পদ্ধতিক অনতিপলমে বন্ধ কৰি দিবলৈ বাধ্য কৰিলে। প্ৰাপ্ত তথ্যমতে ১৯২৫ চনৰ পূজাৰ বন্ধৰ পিছৰ পৰা আকৌ পুৰণি নিয়ম প্ৰচলিত হৈ গৈছিল।

ক্ৰমে বাগৰি গ'ল এটি এটিকৈ কেইবাটাও বছৰ। কিতাপ ক্ৰয় কৰাৰ বাবে চৰকাৰৰ পৰা প্ৰাপ্ত বছৰেকীয়া অনুদানেৰে ইতিমধ্যে পুষ্টতৰ হৈছে পুথিভঁৰালৰ গ্ৰন্থসম্পদ। ১৯২০ চনত কিতাপৰ সংখ্যা হ'লগৈ ৮,০০০ খনতো অধিক আৰু ১৯৩৯-৪০ চনত ১৬,৮৯১ খন। ইতিমধ্যে প্ৰতিষ্ঠাপক অধ্যাপক চুডমাৰ্চনে অৱসৰ লৈ গুচি যায়। কটন কলেজৰ চুকে-কোণে বিসাৰিত নহ'ল আৰু তেওঁৰ 'কুসুমাদপি কোমলানি বজ্ৰাদপি কঠোৰানি' প্ৰশাসনিক নিয়মৰাজি। কটন কলেজৰ জ্ঞান বিতৰণযজ্ঞৰ অগ্নিকুণ্ডৰ শিখা হ'ল লেলিহান সন্দেহ নাই। কিন্তু অন্তৰ্লীন দৌৰ্বল্য ঢাক খাই থাকিল তাৰে প্ৰভাপ্ৰকোপৰ কবলত। সেই দৌৰ্বল্যৰ আংশিক প্ৰতিফলন ঘটিছিল পুথিভঁৰালত। ১৯৪২ চনত তদানীন্তন অধ্যক্ষ এইচ এন সেন মহোদয়ৰ মন্তব্য প্ৰসংগত উল্লেখ্য ঃ 'The College Library is most terribly congested. The main room is very dark and presents a most gloomy appearence. It looks more like a godown of books than college library." ফলত গ্ৰন্থ সম্পদত গৰীয়ান হ'লেও পুথিভঁৰালটো অৰ্ধ শতাব্দীৰ প্ৰাক্কালতে কিতাপৰ বোজাত হৈ পৰিছিল ভাৰাক্ৰান্ত। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজন হৈ পৰে ইয়াৰ বাবে এখন বিজ্ঞানসন্মত গৃহৰ। যিখন পুথিভঁৰাল আৰম্ভণিৰ পৰা হৈছিল কলেজৰ এটি মোহনীয় অংগ, যিখন পুথিভঁৰালৰ প্ৰশংসাৰে উচ্ছ্বসিত হৈছিল পৰিদৰ্শক বিশেষজ্ঞসকল সিখনেই ক্ৰমাৎ গ্ৰস্ত হৈ পৰিল সীমাহীন দুৰ্দশাৰ এন্ধাৰত।

অৱস্থাৰ গুৰুত্ব উপলব্ধি কৰিছিল অধ্যক্ষ সূৰ্য কুমাৰ ভূঞাদেৱে। কটন কলেজৰ লগত তেওঁৰ সম্পৰ্ক আছিল সুদীৰ্ঘ আঠত্ৰিশ বছৰকাল।[৮] ১৯০৯ চনৰ পৰা ১৯১১ চনলৈ দুবছৰ কাল তেওঁ ইয়াৰ ছাত্ৰ আছিল। ১৯১৮ চনৰ ৪ জুলাইৰ পৰা ১৯৪৭ চনলৈ ভূঞাদেৱে এই কলেজত ইংৰাজী বিভাগত অধ্যাপনা কৰে। তাৰে মাজত উচ্চ শিক্ষাৰ বাবে তেওঁ বিলাতলৈ যাত্ৰা কৰে (১৯৩৬-১৯৪০), ইন্সপেক্টৰ অব স্কুলছ (১৯৪১-১৯৪২), প্ৰভিজনেল অৰগানাইজাৰ অব ওৱাৰ ফ্ৰণ্ট (১৯৪৩-৪৫) ইত্যাদিৰ



দায়িত্বভাৰ লৈ থকা বাবে কিছুকাল এৰা-ধৰাকৈ কটন কলেজৰ পৰা আঁতৰি আছিল। ১৯৪৬ চনৰ ২ জানুৱাৰীত পুনৰ তেওঁ কটন কলেজলৈ উভতি আহে। সেই বছৰৰে ২২ জুনৰ পৰা ১৬ আগষ্টলৈকে কটন কলেজৰ অস্থায়ী অধ্যক্ষ নিযুক্ত হয়। কলেজত অধ্যাপনা কৰাৰ কালতেই গ্ৰন্থাগাৰৰ দুৰৱস্থাই তেওঁক চিন্তাকুল কৰি তুলিছিল। তাতে ইন্ধন যোগাইছিল 'কটন কলেজ লাইব্ৰেৰী' শিতানত 'দৈনিক অসমীয়া' নামৰ বাতৰি কাকতত[১] লিখা এখন চিঠিয়ে।[১০] ইয়াত পুথিভঁৰালৰ শোচনীয় অৱস্থাৰ আভাস দিছিল। লিখিছিল যে ইয়াত কিতাপবিলাক সুশৃংখলভাৱে ৰক্ষিত হোৱাৰ বা প্ৰদৰ্শিত হোৱাৰ কোনো উপায়েই নাছিল। নাছিল মুকলি বতাহ বা পোহৰ সোমাবলৈ কোনো অৱকাশ। আলমাৰীবিলাক লগালগিকৈ থোৱা হৈছিল। ছাত্ৰ বা অধ্যাপকে বহি পঢ়িবলৈ অতি কম ঠাই অৱশিষ্ট আছিল। চিঠিখনৰ জৰিয়তে তদানীন্তন শিক্ষামন্ত্ৰীলৈ পুথিভঁৰালৰ উন্নতিৰ বাবে আবেদন জনাইছিল। এটি প্ৰশস্ত পুথিভঁৰালৰ বাবে প্ৰয়োজন অন্ততঃ ১০০ ফিট দীঘ আৰু ৬০ ফিট প্ৰশস্ত আয়তনৰ দুমহলীয়া এটি গৃহ। ছাত্ৰক আকৰ্ষণ কৰিবপৰা সকলো ব্যৱস্থা ইয়াত গ্ৰহণ কৰিব লাগে। দ্বিতীয়তঃ চিঠিত গুৰুত্ব আৰোপ কৰিছিল open self পদ্ধতিত। তাৰ বাবে প্ৰয়োজন প্ৰশাসনীয় গাঁথনিৰ দৃঢ়তা। যথেষ্ট কৰ্মচাৰী নিয়োগ কৰাৰ ওপৰতো জোৰ দিছিল। ইয়াত লিখিছিল যে গ্ৰন্থাগাৰিকৰ শিক্ষাগত অৰ্হতাৰ বাহিৰেও থাকিব লাগিব এটি সংবেদনশীল মন। ছাত্ৰই কি কিতাপ বাছিব পঢ়িবলৈ তাতেও দৃষ্টি ৰখা আৰু সহায় কৰা গ্ৰন্থাগাৰিকৰ কৰ্তব্য। অধ্যক্ষ পদত আসীন হৈ সূৰ্য কুমাৰ ভূঞাদেৱে কলেজৰ সাৰ্বিক উন্নতিৰ বাবে প্ৰচেষ্টা চলাইছিল আৰু ১৯৪৬ চনৰ ৩ মে' তাৰিখৰ উক্ত চিঠিখনৰ প্ৰতি আকৃষ্ট হৈছিল ভূঞাদেৱ। সুপৰিকল্পিত এটি পুথিভঁৰালৰ সপোন দেখিছিল তেওঁ। তাৰে ফলশ্ৰুতিত ১৩ আগষ্ট ১৯৪৬ চনত কিছুমান পৰামৰ্শ আগবঢ়াই তেতিয়াৰ শিক্ষাধিকাৰীলৈ প্ৰেৰণ কৰে এখন আবেদন। এই আবেদনৰ মূল অংশখিনি— 'The writer points out the disadvantages and inconveniences of the present Cotton College Library, arising chiefly out of its unsatifactory situation and lack of proper facilisation for taking out books and reading them, as well as the unathentic methods of storing and displaying the books, An appeal is made to the Hon'ble Sjt Gopinath Bordoloi, the Prime Minister of Assam and Minister of Education, Assam, to improve the library and erecting a specious two storyed building where books will be placed in open selves and by appointing properly educated personal to conduct the affairs of the library. The librarian... should be an officer of qualification of a professor who will be able to help students in their selection and study of books.

either of three sites mentioned below may be selected.

(i) The land bounded on the south by the New Arts Block of the Cotton College, North by Telegraph office... east by the Sudmersen Hall, and on the east Guwahati Shillong Road....

(ii) The land to the east of the Administrative Block of the Cotton College and to the west of the Principal's quarter and compound.... The site will place the library close promimity to the college Hostels which is very advantagious.

(iii) The land situated on the north of Nabin Ch Bordoloi Road, between the Cotton College, Administrative Block and, Christ Church Guwahati.

Sites 1 and 2 are College property, only 3rd belongs to the Govt. of Assam....

In appointing the staff we should select men to represent the different branches of learning and various languages, for example, there should be one man proficient in science, another in Arts, another in Sanskrit, another in Arabic and Persian. So that a man may be readily found in the library staff to be able to deal with matters in a particular subject.'[১১] সূৰ্য কুমাৰ ভূঞাৰ এনে প্ৰকল্প কাগজ-কলমৰ মাজতেই বন্দী হৈ থাকিল। তবে অতঃপৰ পুথিভঁৰালৰ বাবে যে চিন্তা হোৱা নাই তাক ক'ব নোৱাৰি। কাৰণ ইতিমধ্যে open self পদ্ধতি আকৌ কাৰ্যকৰী হৈছিল। হীৰক জয়ন্তী সংখ্যাত (পৃষ্ঠা ১৪) এই কথাষাৰ স্পষ্ট উল্লেখ কৰি লিখিছিল ঃ 'The open self system was reintroduced again several years ago and has now become a permanent feature of the library service.' ইয়াৰ পৰা বোধ হয় যে অন্ততঃ ১৯৬১ চনলৈকে এই পদ্ধতি প্ৰচলিত আছিল। পদ্ধতিটো যে কেতিয়াৰ পৰা আকৌ বন্ধ হ'ল তাৰ কোনো তথ্যসূত্ৰ নাই।

বছৰৰ পিছত বছৰ পাৰ হৈ গ'ল। পুথিভঁৰালৰ পিছত নামকৰণ হ'ল শ্ৰীসূৰ্য কুমাৰ ভূএগ পুথিভঁৰাল। এই নামকৰণৰ পৃষ্ঠভূমিৰ বিষয়ে সবিশেষ জানিবলৈ তলৰ উদ্ধৃতিটো ইয়াত উপস্থাপিত হ'ল— 'শতবৰ্ষৰ দুৱাৰডলিত ভৰি দিয়াৰ প্ৰাক্কালত এই অনুষ্ঠানটোৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণকামী পৰিকল্পনা যুগুতাই থকা হৈছে, পৰ্যায়ক্ৰমে ভালেখিনি উন্নয়নমূলক কামৰ অগ্ৰগতিও লক্ষ্য কৰা হৈছে। পৰিবেশ সৃষ্টিৰ উদ্দেশ্য আগত ৰাখি কলেজখনৰ প্ৰশাসনীয় ভৱন পুথিভঁৰাল, প্ৰেক্ষাগৃহ সমন্বিতে ছাত্ৰাবাস, ছাত্ৰীনিবাসসমূহৰ পুৰণি ফলি গুচাই নতুন নামকৰণ কৰা হৈছে, সেয়াও আকৌ কলেজখনৰ লগত জড়িত আৰু অসমৰ শৈক্ষিক, বৌদ্ধিক, ভাষা-সাহিত্য, সংস্কৃতি, শিল্পকলা আৰু জাতীয় জীৱনলৈ বৰঙণি আগবঢ়োৱা বিশেষ ব্যক্তিসকলৰ নামত।'[১২] প্ৰাপ্ত তথ্যসূত্ৰমতে নতুন গণ পৰিষদ চৰকাৰ গঠিত হোৱাৰ লগে লগে কটন কলেজ ছাত্ৰ সন্থাই মহাবিদ্যালয়খনৰ বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি বাইশ দফীয়া দাবী চনদৰ এখন স্মাৰকপত্ৰ চৰকাৰৰ ওচৰত প্ৰদান কৰিছিল। এই দাবীকেইটা ১৯৮৫-৮৬ চনমান কালত পূৰ্ণ কৰে। আৰু তেতিয়াৰ পৰা পুথিভঁৰাল সূৰ্য কুমাৰ ভূএগ পুথিভঁৰাল নামে পৰিচিত হয়।[১৩]

ইতিমধ্যে ভিন্ন সময়ত প্ৰয়োজন সাপেক্ষে বিশেষতঃ পঢ়ুৱৈৰ সুবিধাৰ ফালে গুৰুত্ব আৰোপ কৰি খোলা হৈছিল ওপৰিঞ্চি শাখা, সাময়িকী শাখা, সচৰাচৰ শাখা, গৱেষণা শাখা, অধ্যয়ন কোঠা, ছেমিনাৰ আদি বিভাগ। কালক্ৰমে শাখা পুথিভঁৰাল পৰিচালনাৰ প্ৰথা আৰু প্ৰৱৰ্তিত হ'লৈ আৰম্ভ হ'ল। খোমনাৰ শাখাৰ দায়িত্ব ন্যস্ত হৈছে সংশ্লিষ্ট বিভাগৰ ওপৰত। গ্ৰন্থাগাৰৰ গ্ৰন্থৰ অনুদান লৈ সংস্কৃত বিভাগীয় পুথিভঁৰাল পাতনি মেলিছে। বঙলা বিভাগত গ্ৰন্থৰ দান-বৰঙণিৰে গঢ় লৈছে এটি পুথিভঁৰাল। এনেদৰে প্ৰায় সকলো বিভাগতেই আছে পুথিৰ সংগ্ৰহ। সেয়া এক ভিন্ন ইতিহাস।

কটন কলেজ তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰেই এই পুথিভঁৰালৰ পৰা সিঞ্চিত জ্ঞান ৰসেৰে বিগত এশ বছৰ ধৰি পুষ্ট হৈছে সন্দেহ নাই। কিন্তু সাৰ্বিক দুৰ্দশাৰ অন্ত নপৰিল। তাৰে এটি বিষাদঘন চিত্ৰ ফুটি উঠিছে বৰ্তমানৰ সহকাৰী গ্ৰন্থাগাৰিক জেবিন আহমেদৰ বাণীৰূপত। তাৰে একাংশৰ উদ্ধৃতি দিয়া হ'ল— 'বিয়াল্লিশৰ'[১৪] ঘোপমৰা অন্ধকাৰ এতিয়াৰ ঘৰটোত প্ৰাচীন অন্ধকাৰত পৰিণত হৈছে, সেই লোকাচ্ছন্ন এতিয়া হৈ পৰিছে আৰু অধিক বিষাদময়, বৰ্ণনা কৰিবলৈ বেহেলাৰ কোনো কৰুণ সুৰ তাত নাখাটে। এতিয়া কিতাপৰ ঠাকবোৰ বহল নহৈ আকাশৰফালে বাঢ়ি নাৰিকল গছ হ'ল..... বিয়াল্লিশৰ আগেয়েই সৃষ্টি হোৱা কিতাপৰ গুদামটো এতিয়াও আছে, ক্ৰমাৎ ভাৰী হৈ গৈ আছে। তাত কিতাপৰ টিকনি নোপোৱা অৱস্থা, পৰ্বতত কাছ কণীও কিজানি কম আয়াসতে ওলায়। মূলতঃ ঠাইৰ অভাৱত কোনো কাম নিয়াৰিকৈ কৰিব নোৱাৰি। আপুৰুগীয়া পুথিবোৰ দিনকদিনে অধিক ৰুগীয়া হৈ পৰিছে, সংৰক্ষণৰ কোনো ব্যৱস্থা নাই, অৰ্থৰ নাটনি। কেতবোৰ কিতাপ ইমান নমনীয় হৈ পৰিছে যে চুলেই ভাগি যায়। .... ছাত্ৰই কিতাপ ভালদৰে চুবলৈ নোপোৱাৰ বাবে ব্যৱহাৰিক সমস্যাৰ সৃষ্টি হৈছে। .... পিছে, বৰ্তমানৰ পুথিভঁৰালৰ বহুতৰ আওকাণ গৈছে।.... কিন্তু আমাৰ পুথিভঁৰালটোৱে আজিও পুৰণিকলীয়া প্ৰথাৰে কিতাপ দিয়া আৰু লোৱাত ব্যস্ত হৈ আছে....'[১৫] বস্তুতঃ ব্ৰিটিছৰাজৰ তত্ত্বাৱধানত পুষ্ট এটি পুথিভঁৰাল মৃতকল্প হৈ পৰিছে আমাৰ হাতত পৰি। প্ৰয়োজনীয় কৰ্মচাৰী নিযুক্তি, আৰ্থিক অনুদান, অত্যাধুনিক সঁজুলি আদি পুথিভঁৰালৰ অৱস্থাৰ অৱনতিৰ বাবে দায়ী। তবে মুখ্য প্ৰতিবন্ধীৰ ভূমিকা গ্ৰহণ কৰিছে শতাব্দীপ্ৰাচীন গৃহটো। শ্ৰীপ্ৰণৱ তালুকদাৰে তাৰে উল্লেখ কৰি লিখিছিলঃ 'দুৰ্লভ পুথিৰে পুষ্ট আৰু চহকী বুলিয়েই উত্তৰ-পূৱ ভাৰতত ইয়াৰ সমাদৰ আছে যদিও আওপুৰণি ঘৰটিয়ে সকলোৰে আশাত চেঁচাপানী ঢালি দিয়ে। সেয়ে পুথিভঁৰালটো ৰক্ষা কৰিবলৈ আৰু ইয়াৰ পূৰ্ণ ব্যৱহাৰ কৰিবলৈ এটি সৰ্বাধুনিক পুথিভঁৰাল গৃহ বিশেষজ্ঞৰ পৰামৰ্শমতে বান্ধিবলৈ লোৱাটো প্ৰথম কাম বুলি গণ্য কৰা ভাল।'[১৬]

১৯৯২ চনটো কটন কলেজৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ বছৰ। কিয়নো এই বছৰতে ইয়াতে পদাৰ্পণ কৰিছিল ভাৰতৰ তৎকালীন ৰাষ্ট্ৰপতি শ্ৰীশংকৰদয়াল শৰ্মা মহোদয়ে। 'উৎকৰ্ষতাৰ কেন্দ্ৰ' বুলি ঘোষণা কৰিছিল আৰু নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা পুথিভঁৰাল ভৱনৰ আধাৰশিলা স্থাপন কৰি যায়। আকৌ সুদীৰ্ঘ ৭-৮ বছৰকাল বাগৰি গ'ল। পুথিভঁৰালৰ ধন বাঢ়িল। অৱসৰপ্ৰাপ্ত অধ্যক্ষা প্ৰীতি কাকতীয়ে এটি আলমাৰী দান কৰে। বিদেশৰ Wylde নামৰ ঠাইত নিবাসী জেউতি বৰাই আগবঢ়াইছে আন এটি আলমাৰী। মাটিত পৰি থকা কিতাপৰ কেইটিমান হ'লেও আটিব এই আলমাৰীত— এই আশাৰে এই দান-বৰঙণি। পুথিভঁৰাল চহকী হৈছে ক্ৰমে জেৰক্স মেচিন আৰু কম্পিউটাৰেৰে। ১৯৯৭ চনলৈ পোৱা তথ্যমতে কিতাপৰ সংখ্যা প্ৰায় ১,৫০,০০০ খন।



ইতিমধ্যে কটন কলেজত আৰম্ভ হয় শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি। অকল কটন পৰিয়ালেই নহয় গোটেই অসমজুৰি উঠিল যেন এক নৱজীৱনৰ হিল্লোল। অসম চৰকাৰে শিক্ষাবিভাগৰ পৰা ৪/৮/১৯৯২ তাৰিখত অনুমোদিত একত্ৰিশ লাখ আঠ হেজাৰ টকা (৩১,০৮০০০) মুকলি কৰি দিলে পুথিভঁৰালৰ তিনিটা মহলাৰ প্ৰথম আৰু দ্বিতীয়

**যিখন পুথিভঁৰালৰ সপোন দেখিছিল সূৰ্য কুমাৰ ভূঞাদেৱে, পুথিভঁৰালৰ যিখন পৰিকাঠামোগত চিত্ৰ আঁকি গৈছিল তেওঁ তাৰে বাস্তৱ ৰূপায়ণত অৱসান ঘটিল সকলো হতাশাৰ। অচিৰ কালতেই সূৰ্য কুমাৰ ভূঞা পুথিভঁৰাল উঠি আহিব নৱনিৰ্মিত ভৱনলৈ। কটন কলেজৰ শতবৰ্ষপূৰ্তিৰ অৱসৰত প্ৰাৰ্থনা কৰোঁ নতুন ইতিহাস ৰচনা কৰক এই ঐতিহ্যমণ্ডিত পুথিভঁৰালটোৱে।**

মহলা নিৰ্মাণৰ বাবে। কিন্তু উক্ত পৰিমাণৰ অৰ্থেৰে সকলোখিনি নিৰ্দিষ্ট কাম সম্পন্ন নহ'ল। পিছত ভাৰত চৰকাৰ নন লেপেবল চেন্ট্ৰেল পুল ৰিচোৰ্ছ ফৰ দ্য ইয়াৰ ১৯৯৯-২০০০ ফাণ্ডৰ পৰা পোৱা গ'ল ১০৪,৮৭,০০০.০০ টকাৰ এটি অনুদান। তাৰে ভৱনটোৰ বহুখিনি কাম আৰু প্ৰৱেশদ্বাৰৰ পৰা ভৱনলৈ অহা ৯০ মিঃ দীঘল ৰাস্তাৰ নিৰ্মাণকাৰ্য সমাপ্ত হয়। ভৱনটোৰ অৱশিষ্ট কামৰ বাবেও ভাৰত চৰকাৰৰ পৰা আৰু এটি অনুদান লাভৰ বাবে যো-জা সম্পূৰ্ণ হৈছে। ইতিমধ্যে ৫৬৬ বৰ্গ মিঃ আয়তন বিশিষ্ট প্ৰথম মহলা আৰু ৬১৬ বৰ্গ মিঃ আয়তনবিশিষ্ট দ্বিতীয় মহলাৰ এই ভৱনৰ নিৰ্মাণ কাৰ্যৰ দায়িত্ব ন্যস্ত হৈছিল গুৱাহাটীৰ পি ডব্লিউ ডিৰ বিল্ডিং বিভাগৰ ওপৰত। এই কামত বিশেষভাৱে সংশ্লিষ্ট আছিল এ চি বৰদলৈ (এক্সিকিউটিভ ইঞ্জিনীয়াৰ), জ্যোতিষ কুমাৰ শৰ্মা, জে কে শৰ্মা, বি পাঠক (এ চি ইঞ্জিনীয়াৰসকল) আৰু অফিচকৰ্মী অজয় বৰদলৈ প্ৰমুখ।[১৬] অসমৰ মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ মহোদয়ে ভৱন উন্মোচন কৰে ২৯/৫/২০০১ তাৰিখত।

যিখন পুথিভঁৰালৰ সপোন দেখিছিল সূৰ্য কুমাৰ ভূঞাদেৱে, পুথিভঁৰালৰ যিখন পৰিকাঠামোগত চিত্ৰ আঁকি গৈছিল তেওঁ তাৰে বাস্তৱ ৰূপায়ণত অৱসান ঘটিল সকলো হতাশাৰ। অচিৰ কালতেই সূৰ্য কুমাৰ ভূঞা পুথিভঁৰাল উঠি আহিব নৱনিৰ্মিত ভৱনলৈ। কটন কলেজৰ শতবৰ্ষপূৰ্তিৰ অৱসৰত প্ৰাৰ্থনা কৰোঁ নতুন ইতিহাস ৰচনা কৰক এই ঐতিহ্যমণ্ডিত পুথিভঁৰালটোৱে। নিঃশেষ জাড্যবিনাশিনী বাগদেৱীৰ আশীৰ্বাদধন্য হৈ শুভযাত্ৰা হওক আমাৰে জ্যোতিৰ্মাগলৈ ঃ

ওঁ তৰুণশকলমিন্দোৰ্বিভ্ৰতী শুভ্ৰকান্তিঃ
কুচভৰণ মিতাংগী সন্নিষণ্ণা সিতাব্জে।
নিজকৰকমলোদ্যল্লেখনী পুস্তকশ্ৰীঃ
সকলবিভৱসিদ্ধ্যৈ পাতু বাগদেৱতা নঃ।। ■

*তথ্যসূত্ৰ*

১। কটন কলেজ সুবৰ্ণ জয়ন্তী সংখ্যা (ক. ক. সু জ. স.), পৃষ্ঠা ৩১।
২। তদেৱ।
৩। তদেৱ।
৪। ইতিহাসৰ দাপোণত চিৰ সেউজীয়া কটন কলেজ. দিলীপ কাকতী, পৃষ্ঠা ৪০।
৫। ক. ক. সু. জ. স পৃষ্ঠা ৫৪।
৬। তদেৱ, পৃষ্ঠা ৫৫।
৭। সূৰ্য কুমাৰ ভূঞাই নিজেই লেখিছিল — 'My connection with Cotton College, Gauhati, spreals over a period of thirty eight years.' তদেৱ, পৃষ্ঠা ৮৮।
৮। দৈনিক অসমীয়া, সংখ্যা ৯৬, ৩/৫/১৯৪৬, পৃষ্ঠা ৬।
৯। চিঠিখনৰ ইংৰাজী অনুবাদৰ বাবে দ্ৰষ্টব্য—A Cottanian Reminiscences, 1909-1911. By Dr. S. K. Bhuyan, Bijoy Kumar Bhuyan (for Suryya Kumar Bhuyan Memorial Trust), Guwahati, 21st May, 2001, পৃষ্ঠা ১৩-১৫।
দ্ৰষ্টব্য ঃ 'ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি' গ্ৰন্থ অন্তৰ্ভুক্ত, লক্ষ্মীধৰ চৌধুৰী লিখিত 'সূৰ্য কুমাৰ ভূঞা' নামৰ ৰচনা, পৃষ্ঠা ১২-১৩।
১০। ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি, কটন কলেজ ছাত্ৰ সন্থা ১৯৯২, পৃষ্ঠা ৯৩-৯৪।
উক্ত চিঠিখনৰ নং আছিল ২০০৬ আৰু বিষয় আছিল— Improvement of c.c. Library. এই চিঠিৰ লগত অধ্যক্ষ ভূঞাদেৱে 'দৈনিক অসমীয়া' নামৰ কাকতৰ উল্লেখিত চিঠিৰ ইংৰাজী অনুবাদ সংলগ্ন কৰি দিছিল।
এই তথ্যসূত্ৰ পোৱা গৈছে ভূঞাদেৱৰ পুত্ৰ শ্ৰীভৱানী কুমাৰ ভূঞাৰ পৰা।
১১। ব্যক্তি আৰু ব্যক্তিত্বৰ সুৰভি, প্ৰাক্‌কথন।
১২। দ্ৰষ্টব্য ঃ তদেৱ, সম্পাদকীয়ৰ পৰিবৰ্তে হীৰক জয়ন্তী ঃ কটনিয়ান, ১৯৮৫-১৯৮৬, সম্পাদক শ্ৰীকেশৱ গগৈ (সাধাৰণ সম্পাদকৰ প্ৰতিবেদন দ্ৰষ্টব্য)এ পৃষ্ঠা ১৩২-১৩৩।
১৩। 'বিয়াল্লিশ' বুলি ইয়াতে অধ্যক্ষ এইচ এন সেনৰ দিনৰ কথা উল্লেখিত হৈছে। দ্ৰষ্টব্য ওপৰৰ ৭নং টোকাৰ সংশ্লিষ্ট উদ্ধৃতি।
১৪। কটনিয়ান, সম্পাদক শ্ৰীঅখিল গগৈ, ১৯৯৪-৯৫।
১৫। ভৱন নিৰ্মাণ সম্পৰ্কীয় তথ্য সংগৃহীত হৈছে পি ডব্লিউ ডিৰ পৰা

*সহায়ক গ্ৰন্থ ঃ*

১। গ্ৰন্থৰ ইতিহাস, হৰিচৰণ দাস, অৰণ্য প্ৰকাশ, গুৱাহাটী, ১৯৯৮।
২। সূৰ্য কুমাৰ ভূঞা, নন্দ তালুকদাৰ, ১৯৮৪।

গল্প

# নিলয়

অংগনা চৌধুৰী

কইচমকামান আন্ধাৰ গাত সানি লৈ কমলিনী ঘৰমুৱা হ'ল। ডুবিবলৈ ধৰা সূৰ্য্যৰ পোহৰত তেওঁৰ আগফালে অবিন্যস্ত থকা পকা চুলিকেইডাল কেঁচা সোণ বৰণৰ যেন দেখা গ'ল। লত ডাঙৰকৈ লোৱা সেন্দূৰৰ ফোঁটটোও নাকলৈকে বৈ ইছে। খোজেপতি লৰি আছে তেওঁৰ কঁকালৰ মেদ আৰু ওলমি ৰা কাণৰ লতিত থুৰিয়াযোৰ। বতৰটো থেনথেনীয়া। মাজে মাজে ত পানীৰ ডোঙা। আগদিনাৰ বৰষুণৰ। কেঁকুৰিটো পাৰ হোৱাৰ হতহে ৰক্ষা। অন্ততঃ ঘৰটো পালেহি। গে'টখন খুলিয়েই দেখিলে এন্ধাৰ। কাম কৰা ছোৱালীজনীয়ে কেঁচুৱাটোক কোলাত লৈ াণ্ডাত ঘূৰি আছে। ল'ৰা-বোৱাৰী কামৰ পৰা উভতিবলৈ এতিয়াও তো বহুত দেৰি। হাতত প্ৰসাদৰ টোপোলাটো লৈ হেফাই-ফাঁহি তেওঁ পোনেই কলৰ পাৰলৈ গ'ল। ভৰিকেইটা পানীত খচি কল অলপ সময়। প্ৰসাদৰ টোপোলাটো পিছফালৰ বাৰাণ্ডাত থকা ভত থৈ ভিতৰলৈ আহোতে একেবাৰতে মেলি থোৱা কাপোৰবোৰো াই আনিলে। ধূনা মলাটো হাতত লৈ কমলিনী নিজৰ কোঠাত মাল। কোঠাটোত তেওঁ সদায় ব্যৱহাৰ কৰা বনফুল তেলৰ ফুৰীয়া গোন্ধ। খোলা খিৰিকিৰে কিনকিনীয়া বেঁকা বৰষুণ আহি তৰ সোমাইছেহি। মম নজ্বলোৱাকৈয়ে তেওঁ কোঠাটোৰ একোণলৈ কাপোৰখিনি সলাই ল'লে। কোনোমতে কাঁটা দুডাল মাৰি ৰখাই াৰা সৰু খোপাটোও খুলি দিলে তেওঁ। কান্ধলৈকে বৈ থকা ধোঁৱা ণীয়া চুলিখিনি এবাৰ আলফুলে চুই চাই আন্ধাৰতে খেপিয়াই পিয়াই তেওঁ গোসাঁইৰ ফটোখনৰ ওচৰলৈ গ'ল। মূৰ দোঁৱাই ঠ দেখে চাৰিওফালে পোহৰ। কাষৰ কোঠাটোৰ পৰা টি ভিৰ দ ভাহি আহিছে। লগতে কেঁচুৱাৰ কান্দোন। ইহঁত অফিচৰ পৰা থনিতে আহি পালে চাগে। পুৱাৰে পৰা সৰুপোনাক সুধিম ধিমকৈ থকা কথাটোৱে কমলিনীৰ ভিতৰখনত উকমুকনি লগাবলৈ ৰিলে। তেওঁ নিজৰ কোঠাৰ পৰা ওলাই আহি কাষৰ আধা খোল াৰা দৰ্জাৰ ফাঁকেৰে সিটো কোঠালৈ ভুমুকিয়াই চালে। বোৱাৰীয়েকে হুলাত বাগৰি কেঁচুৱাটোক ওমলাই আছে। গাত পাতল নীলা উচকোট। কাষতে বহি থকা পোনায়ো একান্তমনে টিভিৰ ৰিম'টটো পিক-টাপাক কৰি আছে। কঁকালত ৰঙাৰ ওপৰত ক'লা ড্ৰেগন কা টাৱেলখন মাত্ৰ। চুলি তিতা। হয়তো এইমাত্ৰ গা ধুই উঠিছে। মলিনী দৰ্জাখনৰ ওচৰৰ পৰা দুখোজ পিছুৱাই আহিল। সিহঁতৰ কাঠাত এতিয়াই সোমাই যোৱাটো ঠিক নহ'ব। তেওঁ পিছফালৰ ৰাণ্ডাখনতে অহা-যোৱা কৰি থাকিল। কেঁচুৱাৰ বাবে গৰমপানী বলৈ আহোতে এপাকত কাম কৰা ছোৱালীজনীয়ে সুধিও লহি— 'আইতা, অকলে অকলে কি কৰিছেনো?' তেওঁ হাঁহি টা মাৰি কৈ থ'লে— 'অলপ বতাহ লৈছো ব'।' সৰুপোনাই ফানত কাৰোবাৰ লগত কথা পাতিছে। এটা-দুটা নুবুজা শব্দ উফৰি াহিছে বাহিৰলৈ। কমলিনীয়ে খুঁটাটোত ভেঁজা দি সন্মুখলৈ চাই 'ল। নিজৰ ল'ৰাটোক কিবা এটা সুধিবলৈকো কিয় জানো কিবা টা যেন দিগদাৰি লাগে আজিকালি। সময়-সুবিধা চাই থাকোতে নটোৱেই পাৰ হৈ যায়। কিমানদিন যে তাক ওলাই যাবৰ পৰত ৰত হাত ফুৰাই দিয়া নাই। পাগঘৰলৈ সোমাই গ'ল কমলিনী, কি ৰান্ধিছ কাঞ্চা?' প্ৰশ্নটোও এনেয়ে সুধি পেলালে। 'আইতা, মাছৰ তৰকাৰী,'— সি ঢাকোন উদঙাই উত্তৰ দিলে। 'দে মই লৰাই দিওঁ।' কাঞ্চাক ইটো-সিটো উপদেশ দি তেওঁ সময়খিনি পাৰ কৰিবলৈ চেষ্টা কৰিলে।

খোৱামেজত তেওঁ ভাতকেইটা লিৰিকি-বিদাৰি থাকিল আৰু পোনাই অফিচত ঘটা কিবা হাঁহি উঠা কথা কৈ আছে। তেওঁ একো বুজি পোৱা নাই, মাথোঁ মূৰ দুপিয়াই আছে। বোৱাৰীয়েকে



মাজে মাজে কৈ আছে " মাছ লওক মা। আপুনিচোন খোৱাই নাই একো।" তেওঁ মগুদাইলখিনিৰে ভাতখিনি সানি সানি হঠাতে এবাৰ সুধি পেলালে "শুনচোন সৰুপোনা, অথনিৰে পৰা কথা এটা সুধিম সুধিম বুলি ভাবি আছিলো। বৰপোনাযে কালি অহাৰ কথা আছিল....।' 'অ', কালিলৈ আহিব বুলি ফোন কৰিছিল দেখোন।' তেওঁৰ প্ৰশ্নটো

শেষ হোৱাৰ আগতেই সৰুপোনাই উত্তৰটো দি ৰঙাকৈ ভজা পটল এটুকুৰা ল'বলৈ হাত মেলিলে। কমলিনীৰ আচল কথাটো সুধিবলৈকে থাকি গ'ল। ভিতৰখনত আকৌ উচপিচনি লাগিল। তেওঁৰ অসহায় অৱস্থাটো বোৱাৰীয়েকে মেজৰ সিটো কোণৰ পৰা লক্ষ্য কৰি থকা যেন লাগিল। কমলিনীয়ে পুনৰ সাহস গোটালে— 'সৰুপোনা, দেউতাও আহিবনে তাৰ লগত?' সৰুপোনাই যেন চৰচৰণি খাইহে গ'ল। মাছৰ টুকুৰা এটা মুখৰ পৰা ছিটিকি মজিয়াত পৰিলগৈ। তেওঁ উঠি গৈ পিঠিত হাত ফুৰাবলৈ লৈ দেখে বোৱাৰীয়েকৰ লাহি ৰঙা নখৰ হাতখন তাৰ পিঠিত। আনহাতেৰে তাই লাহে লাহে সৰুপোনাক পানী গিলাচ খুৱাই দিছে। তেওঁ কোঁচ খাই আহিল। আচল কথাটো তেতিয়াও জানিব নোৱাৰাত মনটোৱে হাহাকাৰ কৰি উঠিল। পিচে অলপ পিচত বেচিনত মুখ ধুই ধুই বোৱাৰীয়েকে কাম কৰা ছোৱালীজনীক কৈ থকা শুনিলে— 'বহা কোঠাৰ বিচনাখনত ধোৱা বিছনাচাদৰ এখন পাৰি থবিচোন। কাইলৈ দেউতাও আহিব নহয়।' কথাষাৰ শুনি কমলিনীয়ে সকাহ পালে। লৰালৰিকৈ নিজৰ কোঠালৈ আহি গোসাঁইৰ ফটোখনৰ আগত হাতযোৰ কৰিলে। কাইলৈৰ বাবে কি কি ৰান্ধিব লাগিব কাণ্ঠাক তেতিয়াই গৈ কৈ আহিবলৈ মন গৈছিল। কিন্তু নগ'ল। বোৱাৰীয়েকহঁতে বা কি ভাবে! যদি কয়, শাহুৱেকজনী হৈ কেনেকুৱাখন কৰি আছে! এই বুঢ়া বয়সতো!

ৰৰপোনাই বাগানত চাকৰি কৰে। ছয়-সাত মাহৰ মূৰে মূৰেহে ছুটী পালে আহে। কমলিনীৰ আৰু পোনাহঁতৰ দেউতাকৰ বেলেগে বেলেগে থকাৰ সিদ্ধান্তটো লোৱা বহুদিনেই হ'ল। ল'ৰাহঁতে বিয়া পতাৰ পাচত কিছুমান পৰিস্থিতি দেখি কমলিনীয়ে নিজেই কৈছিল বেলেগে থকাৰ কথা। সৰুপোনাৰ তাত বুঢ়া-বুঢ়ী দুয়োটা থাকিলে বেছি বোজা পৰা যেন হয়। কথাটো কোনেও মুখ ফুটাই নক'লেও যেন লাহে লাহে কমলিনীয়ে অনুভৱ কৰিব পাৰিছিল। কিন্তু মানুহজনক ওচৰত দেখি নাথাকিলে কেনেকুৱা যে খালী খালী লাগে! কেতিয়াবা লাখুটিত ধৰি ধৰি পুৱা একেলগে ফুৰিবলৈ, গাটো জ্বৰ জ্বৰ লাগিলে কপালত হাতখনৰ পৰশ পাবলৈ, গধূলি পৰত আগফালে ওচৰতে বহি পুৰণা দিনৰ কথাবোৰ সুঁৱৰিবলৈ কিমান যে অসহনীয়ভাৱে মন যায়!

খিৰিকিখন বন্ধ কৰি কমলিনী বিছনাত পৰিল। তথাপি কোনোবাফালেদি জোনাক সোমাই গাৰ অ'ত-ত'ত ছিটিকি পৰিছে। চকুৰ আগত অগা-দেৱা কৰিবলৈ ধৰিলে টুকুৰা-টুকুৰ কিছুমান ছবি। যোৱা চল্লিশটা বছৰৰ। বিয়াৰ পৰা এতিয়ালৈকে। সুখৰ-দুখৰ আৰু সীমাহীন হাঁহি উঠা মুহূৰ্তৰ।

পিছদিনাখন ঘৰত পুৱাৰ পৰা হুলস্থূল লাগিল। ৰৰপোনা, বোৱাৰী, সিহঁতৰ ড্ৰাইভাৰ, কাম কৰা ল'ৰা, নাতি-নাতিনীৰে গোটেইখন উখল-মাখল। অযাইটং নাতিটো ইফালৰ পৰা সিফাললৈ দৌৰি ফুৰিছে, নাতিনীয়ে লগাইছে টেপটো। ৰৰপোনাই বিছনাত বহি টিভি চাইছে। নুঠতে চিঞৰত ইটোৱে-সিটোৰ কথা নুশুনা হৈছে। পোনাহঁতৰ দেউতাকক চকনকাকৈ এবাৰহে দেখা পালে কমলিনীয়ে। ওচৰত গৈ অলপ সময় বহিবলৈকো পাগঘৰৰ পৰা ওলাবই নোৱাৰা হ'লচোন। ৰৰপোনাই আহি চিৰিটোত উঠিয়েই ক'লে— 'মা, আজি তোৰ হাতৰ মাছৰ টেঙা খাম বুলিয়েই আহিছো।' ৰৰবোৱাৰীয়েও বোলে তেওঁৰ হাতৰ মাংস আৰু ফলডিলৰ মিহলি ভাজিখন বহুদিনৰ পৰা খাম খাম বুলি ভাবি আছে। নাতিটোৱেতো গাড়ীৰ পৰা নামিয়েই ডিঙিত ওলমি ক'লেই 'অ' আইতা, তুমিযে এবাৰ আমাৰ তাত পায়স আৰু গোলাপজামু কৰি খুৱাইছিলা, এইবাৰো বনোৱানা।'

কমলিনীৰ গা ধোওঁতে তিওৱা চুলিখিনি এতিয়াও শুকোৱা নাই। তাৰ ফাঁকে ফাঁকে কামবোৰ বৈ আহিছে। কাণ্ঠাই মচলা পিচাৰ পৰা অনবৰতে কিবা নহয় কিবা এটা সুধিয়েই আছে। কমলিনীয়ে তাৰ কথাত কাণ নিদি এপাকত খোৱামেজখন ঠিক কৰিবলৈ বহা কোঠালৈ গ'ল। দুৱাৰডলিত বৈ তেওঁ ভিতৰলৈ জুমি চালে। বহল চোফাখনত গাটো এৰি দি পোনাহঁতৰ দেউতাকে খিৰিকিৰে বাহিৰলৈ চাই আছে। গাত পাতল পাঞ্জাৰী চোলা এটা আৰু শুদ্ধ বগা ধুতি। চুলিখিনি ৰূপোৱালী। কমলিনীৰ ডিঙিলৈ ভিতৰৰ পৰা এমুঠিমান শোক উজাই আহিল। হাতত লৈ অহা পানীৰ গিলাচ দুটা মেজত থৈ তেওঁ টুপুককৈ পোনাহঁতৰ দেউতাকক সেৱা এটা কৰি পেলালে। তেওঁ অবাক হৈ কমলিনীলৈ চালে। গধুৰ ক'লা ফ্ৰেমৰ চছমাৰ মাজেদি তেওঁৰ চকুপানীখিনি গাললৈ বৈ আহিল। তেওঁ কমলিনীক কাষত বহিবলৈ ইংগিত দিলে। 'ঠিকে আছেনে আপুনি? দৰৱবোৰ সময়মতে খাইছে জানো?'— কথমপি মাতটো ওলাল কমলিনীৰ। তেওঁ মাথোঁ মূৰ দুপিয়ালে। 'মোৰ ইয়াতে অনবৰতে আপোনালৈ চিন্তা লাগি থাকে। সদায় একেলগে থাকিব পৰাহেঁতেন!' কমলিনী থমকি গ'ল লাজতে জীৱনত কেতিয়াও নোকোৱা কথাষাৰ আজি কেনেকৈয়ে নিজে কৈ পেলালে। তেওঁ কমলিনীৰ কপাললৈ এবাৰ চাই হুমুনিয়াহ কাঢ়ি ক'লে— 'নিজাকৈ ঘৰ এটাওতো সাজিব নোৱাৰিলো। ভাড়াঘৰে ভাড়াঘৰে ঘূৰি ফুৰোতেই জীৱনটো গ'ল। তোমাক নিজা ঘৰত থকা সুখকণো দিব নোৱাৰিলো।' 'ইচ, তেনেকৈ কিয় কৈছে? নাপায়।' কমলিনীয়ে তেওঁৰ মুখত হাত দিলে। তেওঁ বহুদিনৰ আগতে মৰা সৰু ল'ৰাৰ দৰেই হাঁহিটো মাৰি আচৰিত এক সৰলতাৰে কমলিনীক কৈ উঠিল— 'শুনিছা, দূৰৰ ক'ৰবাত চাংঘৰ এটাকে কৰি থাকোগৈ ব'লা।' 'আমি ভাত কেতিয়া খাম মা? যাবৰেই হ'বচোন।'— ৰৰপোনাহঁত বহা কোঠালৈ সোমাই আহিল। 'দিছো ৰ'। বহচোন তহঁতি।' স্মিত হাঁহি এটা মাৰি কমলিনী লাহেকৈ সেইখিনিৰ পৰা উঠি গ'ল।

সকলোৱে ভাত খাই থকাৰ সময়তে কমলিনী এবাৰ নিজৰ কোঠালৈ সোমাই আহিল। দৰ্জাখন ভিতৰৰ পৰা বন্ধ কৰি তেওঁ গোসাঁইৰ ফটোখনৰ আগত হাতযোৰ কৰিলে— 'হে প্ৰভু, দিনটো আৰু অলপ দীঘল কৰি দিয়া। গধূলি হ'বলৈ নিদিবা আজি প্ৰভু!

কিন্তু হাতত সাৰে ভৰিত সাৰে ক'ব নোৱাৰাকৈয়ে নামি আহিল গধূলিটো। ৰৰবোৱাৰীয়ে আইনাৰ সন্মুখত বৈ পিন্ধি থকা শাৰীখন ঠিক-ঠাক কৰি লৈছে। ড্ৰাইভাৰে গাড়ী উলিয়ালেই। আগৰ চিটত বহিবলৈ নাতি-নাতিনী দুটা সমানে সমানে দৌৰ মাৰিলে। ৰৰপোনা আহি কমলিনীৰ ভৰি চুলে— 'আহিছো মা।' কমলিনীয়ে মূৰত হাত ফুৰাই তাৰ পাছফালে বহি থকা ৰূপোৱালী চুলিৰ মানুহজনলৈ চালে। পোনাহঁতৰ দেউতাক। তেওঁৰ মেজৰ পৰা নিজৰ চছমা আৰু ৰুমালখন সামৰি-সুতৰি হাতত লৈছে। গেটৰ মুখলৈকে সকলো আগুৱাই গ'ল তেওঁলোকক বিদায় দিবলৈ। সৰু বোৱাৰীয়ে ঘৰত কৰা নাৰিকল লাডুৰ টিফিন বাকচ এটা ৰৰবোৱাৰীৰ হাতত তুলি দিছে। অলপপৰ মাতবোল দি হৈ-হুলস্থূল কৰাৰ পাছত গাড়ীখন ষ্টাৰ্ট দিয়াৰ শব্দ হ'ল। কমলিনীয়ে বহা কোঠাৰ খিৰিকিৰ কাষত বৈ বাহিৰলৈ জুমি চালে। গাড়ীৰ দৰ্জা মৰাৰ আগতে পোনাহঁতৰ দেউতাকেও খিৰিকিখনৰ ফালে চাই পঠিওৱাত তেওঁ পৰ্দাখন পেলাই দিলে। সশব্দে খিৰিকি দুখন এবাৰ জাপ খাই আকৌ মেল খাই গ'ল। বাহিৰত চাগে খুব বতাহ মাৰিছে। সৰু পোনাহঁতে চাগে হাত জোকাৰিছে আৰু বগা মাৰুতিখন লাহে লাহে আঁতৰি গৈছে গৈয়ে আছে, কমলিনীয়ে নিজৰ মুখখন সাজোৰে চেপি ধৰিলে ছিঃ কন্দা বুলিলে ইহঁতে কি ভাবিব বাৰু! এই বুঢ়া বয়সতো.... কিন্তু কি কৰিব, তেওঁ কোৱা দূৰণিৰ চাংঘৰটো চকুৰ আগত বেঁ গাঢ় হৈহে আহিছে, তীব্ৰ হৈ আহিছে। বিৰিণাৰ মাজত দুয়োৰে নতুনকৈ হেৰুৱাই পোৱাৰ হেঁপাহ, ৰূপোৱালী ৰঙক সেউজীয় কৰাৰ প্ৰয়াস! ■

দৃষ্টিকোণ

# সৌন্দৰ্য প্ৰতিযোগিতাৰ মতাদৰ্শ বনাম আমাৰ কৰণীয়

মানস প্ৰতিম শৰ্মা

সৌন্দৰ্য প্ৰতিযোগিতাৰ কথা ক'বলৈ গ'লে আমাৰ মনত স্বাভাৱিকতেই অন্য এটা প্ৰশ্নই ক্ৰিয়া কৰিব পাৰে। সেয়া হ'ল সৌন্দৰ্যনো প্ৰকৃততে কি? এয়াৰ সংজ্ঞাই বা কি? প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ মই এটা কাহিনী উদ্ধৃত কৰিব খুজিছো।

লিন য়ুটাঙ আছিল এজন বিখ্যাত লেখক। চীনা-বংশোদ্ভূত যদিও তেওঁ লেখা-মেলা কৰিছিল ইংৰাজী ভাষাতহে। তেওঁ The wisdom of China আৰু The Wisdom of India নামৰ দুখন বিখ্যাত গ্ৰন্থৰ ৰচয়িতা।তেওঁ এখন ৰচনাত এটা কথা বৰ জোৰ দি কৈছে যে তেওঁ জীৱনত যিমানবোৰ ধুনীয়া মানুহ লগ পাইছে সেইসকলৰ ভিতৰত আটাইতকৈ ধুনীয়া মানুহ হ'ল জি. কে. চেষ্টাৰটন। জি. কে. চেষ্টাৰটন আছিল ঊনৈশ শতিকাৰ এজন বিখ্যাত ইংৰাজ লেখক । লিন য়ুটাঙে ইমান ধুনীয়া বুলি কোৱা মানুহজন দৰাচলতে কেনেকুৱা আছিল জানেনে? এদিন তেওঁ লণ্ডনত বাছেৰে গৈ আছিল। পুৰুষৰ আসন খালী নথকাত তেওঁ মহিলাসকলৰ সংৰক্ষিত বেঞ্চ এখনতে বহি পৰিছিল। পিছৰ কোনোবা এটা আস্থানত তিনিগৰাকী মহিলা উঠাত তেওঁ থিয় দিলে। যিখন আসনত কেৱল চেষ্টাৰটনহে বহিব পাৰিছিল সেইখন আসনত তিনিগৰাকী মহিলা অনায়াসে বহিব পাৰিছিল। যিজন মানুহৰ গাটো তিনিগৰাকী মহিলাৰ সমান শকত আৰু যাৰ পেটটো টেকেলিৰ লেখীয়া মুখখন চৰ্বিৰে ওলমি থকা সেইজন মানুহক বাৰু ধুনীয়া বুলিব পাৰিনে? কিন্তু য়ুটাঙটো বিকৃত মগজৰ ব্যক্তি নাছিল । য়ুটাঙৰ মতে যিটো বস্তুৱে মানুহক সুন্দৰ কৰি তোলে সেইটো হ'ল বুদ্ধিৰ দীপ্তি আৰু আবেগৰ লাৱণ্য, যিটো স্বাভাৱিকতেই তেওঁ বিচাৰি পাইছিল চেষ্টাৰটনৰ মুখত। মুখমণ্ডলৰ উজ্জ্বলতা আৰু দীপ্তিয়ে বিলোৱা সৌন্দৰ্যৰ লগত দৰাচলতে কোনো সৌন্দৰ্যৰ তুলনা নহয়।

সৌন্দৰ্যৰ এই বিশুদ্ধ ধাৰণা আৰু আজিৰ সমাজৰ ধাৰণাৰ মাজত আকাশ-পাতাল প্ৰভেদ। সৌন্দৰ্যক আমি ক'ম এক মাৰ্জিত কলা বুলি। সামাজিক বিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তা-চৰ্চা বৃদ্ধি-বাঢ়িছে বুলি কোৱা হৈছে যদিও কেতবোৰ সাম্প্ৰতিক কাৰ্যাৱলীয়ে এই ধাৰণাক ভুল বুলি প্ৰমাণিত কৰিব খোজে। সাম্প্ৰতিক সময়ত সৌন্দৰ্যৰ বস্তুবাদকৰণ আৰু যৌনতাৰ লগত সৌন্দৰ্যক একাকাৰ কৰি পেলোৱাৰ নীচ প্ৰচেষ্টাই স্খলিত কৰিব খোজে শ্ৰেষ্ঠত্বৰ দম্ভ। বস্তুবাদী সভ্যতাৰ মাতাল টোৱে ছুই যোৱা তৰুণ যুৱতীয়ে 'লিন্ য়ুটাঙৰ সৌন্দৰ্য আহৰণ কৰিব নিবিচাৰে, বিচাৰে সিহঁতৰ অৰ্ধাভৰণ দেহ প্ৰদৰ্শন কৰিবলৈহে। সিহঁতৰ মুখত পোৱা নাযায় চেষ্টাৰটনৰ সেই দীপ্ততা। সেয়া হ'ল আমাৰ সমাজৰ সৌন্দৰ্যৰ ধাৰণা। এই নিকৃষ্ট ধাৰণাৰ ভেটিতেই গঢ়ি উঠিছে সৌন্দৰ্য প্ৰতিযোগিতাৰ বিষাক্ত বীজ।



সৌন্দৰ্য প্ৰতিযোগিতাৰ দৰে আধুনিক যুগৰ নৈতিকতাহীন কামবোৰক হয়তো নাৰীসকলে সম অধিকাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ বুলি ভাবিবলৈ লৈছে। অৱশ্যে ইয়াৰ কাৰণো নথকা নহয়। পুঁজিবাদী ৰাষ্ট্ৰযন্ত্ৰই নাৰী অধিকাৰৰ বিকৃত ধাৰণা আগবঢ়াই নাৰীসমাজক বিপথে পৰিচালিত কৰি নিজৰ মুনাফা লুটাৰ প্ৰয়াস কৰিছে। তৰুণ প্ৰজন্মই ভাবিবলৈ লৈছে যে নাৰী স্বাধীনতা মানে নাৰীয়ে যৌন আবেদনময়ী পোছাক পৰিধান কৰা বা এটা মুক্ত যৌন জীৱন-যাপন কৰা। কিন্তু তেওঁলোকে জনা উচিত যে এনেবোৰ কাৰ্যই নাৰী স্বাধীনতাৰ উত্থান নঘটায় বৰং নাৰীৰ মৰ্যাদাক দুগুণে স্খলিতহে কৰে। নাৰী স্বাধীনতাক উত্থান ঘটাবলৈ নাৰীয়ে বৌদ্ধিক বা ৰাজনৈতিক আদি ক্ষেত্ৰতহে নিজক পুৰুষৰ সমান বা আগবঢ়া কৰিবলৈ যত্ন কৰা উচিত।

কেইবছৰমানৰ পৰা সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ হাৰ ব্যাপক মাত্ৰাত বৃদ্ধি পাব ধৰিছে। সৌ বিদেশৰ পৰা আহি আহি এতিয়া সৌন্দৰ্য প্ৰতিযোগিতা আমাৰ বৰমজিয়া পালেহি। ইয়াক বাধা দিবলৈ কোনো নোলাল। বহুতো ৰূপৱতীক 'বিশ্ব সুন্দৰী', 'ব্ৰহ্মাণ্ড সুন্দৰী' আদি আখ্যাৰে বিভূষিত কৰা হ'ল। তেওঁলোকে হয়তো সামাজিক মৰ্যাদাও পালে। কিন্তু আমি প্ৰশ্ন কৰিব খোজো জন্মতে লৈ অহা ৰূপৰ ভিত্তিত মানুহৰ মাজত প্ৰতিযোগিতা পতাটো কিমান সমীচীন? তেনেহ'লে আমি আশা কৰিম নেকি যে জন্মগত কণা, খোৰা আদিৰ মাজতো প্ৰতিযোগিতা হওক? বিসদৃশ লাগিলেও কিন্তু দুয়োটা কথা সমাৰ্থক। গতিকে সৌন্দৰ্য প্ৰতিযোগিতা মানুহৰ বিকৃত ৰুচিবোধৰ ফল নহয়নে? •

সঁচা অৰ্থত সৌন্দৰ্য প্ৰতিযোগিতা পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থাই তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ ওপৰত কৰা এটা নিকৃষ্ট ষড়যন্ত্ৰ। এটা কথা আমি বুজিব পৰা হৈছো যে সুন্দৰী প্ৰতিযোগিতা'ৰ সুন্দৰীসকলক তৃতীয় বিশ্বৰ দেশসমূহৰ পৰাই বাছনি কৰা হয়। আমি এইটো ভাবিলে ভুল কৰা হ'ব যে দৰাচলতে পৃথিৱীৰ সুন্দৰীসকল এনেবোৰ দেশতেই আছে। আমাৰ ভাৰতবৰ্ষই ইতিমধ্যে কেইবাবাৰো এনে খিতাপ জিনিছে। ভাৰতৰ

**এগৰাকী আগশাৰীৰ ভাৰতীয় মডেলৰ মতে 'ইফ আই হেভ বিউটী, হোৱাই চুড্ আই নট শ্ব'ইট।' প্রশ্ন হয় বিউটী মানে নতুন প্রজন্মই কি বুজি পায় বাৰু? বিউটী মানে অর্ধনগ্ন দেহ নেকি?**

**সৌন্দর্য চর্চা ধনী শ্রেণীৰ বাহিৰে আনে কল্পনা কৰিব নোৱাৰে। কিন্তু এটা কথা ঠিক যে সুন্দৰীসকলকৰ সমকক্ষ হ'ব পৰাকৈ বহুতো যুৱতী আমাৰ গাঁওবোৰৰ চুকে-কোণে পোৱা যাব। গতিকে এনেবোৰ প্রতিযোগিতা নিশ্চয়কৈ ধনী শ্রেণীৰ মাজত আবদ্ধ প্রতিযোগিতা।**

জীয়ৰী সুস্মিতা সেন, ঐশ্বর্য ৰায়, ডায়েনা হেডেন, যুক্তা মুখী আদিয়ে আমালৈ গৌৰৱ (?) কঢ়িয়াই আনিছে। কিন্তু ইয়াৰ নেপথ্যৰ কথাবোৰ আমি বুজিবলৈ যত্ন নকৰো। প্রকৃততে বহুজাতিক কোম্পানীসমূহে ভাৰতত বা তেনে তৃতীয় বিশ্বৰ দেশসমূহত এখন সুবিধাজনক আৰু লাভজনক বজাৰক্ষেত্র আৱিষ্কাৰ কৰিছে। ভাৰতৰ বিশাল জনসংখ্যা, ভৌগোলিক গাঁথনি ইত্যাদিয়ে এনে দিশবোৰক অধিক লাভজনক দিশলৈ ত্বৰান্বিত কৰিছে। কোম্পানীয়ে বুজিব পাৰিছে যে এনেবোৰ দেশৰ কোনোবা সুন্দৰীক মডেল হিচাপে ব্যৱহাৰ কৰিব পাৰিলে কোম্পানীৰ উৎপাদিত বস্তুবোৰ আনকি বৰ্দ্ধিত মূল্যতো এই দেশত বিক্ৰী কৰিব পৰা যাব। এনেবোৰ কামেৰেই কোম্পানীয়ে কোটি কোটি টকা লুটিবলৈ সুবিধা পাইছে। আনহে নালাগে বিজ্ঞাপন প্রতিষ্ঠানবিলাকেই মিলিয়নৰ হিচাপে ধন লাভ কৰিছে। ভাৰতত 'হিন্দুস্থান-থম্পছন এছ'চিয়েটছ'ৰ বছৰেকীয়া আয় ৩১২৩.০৭ মিলিয়ন। 'লিণ্টাছ ইণ্ডিয়া'ৰ ৩০১৭.৭৭ মিলিয়ন ইত্যাদি। কোনেও ভাবি নাচায় যে দৰ্শাচলতে সুন্দৰীৰ খিতাপ জিনা মানেই কোম্পানীৰ হাতৰ পুতলাত পৰিণত হয় তেনে যুৱতী, কোম্পানীৰ হাতোৰাত বন্দী হয় সমাজ। কোম্পানীৰ হাতোৰাত বন্দী হৈ দেশে আমদানি কৰিব লগা হৈছে ইয়াৰ উৎপাদিত সামগ্রী। স্বাভাৱিকতেই অপব্যয় হৈছে দেশৰ ধন। যি দেশত আধাতো বেছি লোক দাৰিদ্র্য সীমাৰেখাৰ তলত বাস কৰে সেই দেশত এনেদৰে কোটি কোটি টকা অপব্যয় কৰাটো যুক্তিসংগত হ'ব নোৱাৰে। 'দুখীয়া দেশত বিলাস' সুস্থ ভাৰতীয় সমাজ গঠনৰ পৰিপন্থী।

বর্তমান দেখা গৈছে যে যিকোনো ক্ষেত্রতে নাৰীদেহৰ উপস্থাপন বাঢ়িব লাগিছে। বিজ্ঞাপনবোৰতো অর্ধনগ্ন নাৰীদেহৰ প্রদর্শন এটা সাধাৰণ কথাৰ নিচিনা হৈ পৰিছে। নিৰ্বিদ্বিধাই যুৱতীসকল আগবাঢ়ি গৈছে এনেবোৰ কামৰ বাবে। যুৱ সমাজৰ মাজত এনেবোৰ বিকৃত ৰুচিয়ে দেখা দিছে। এগৰাকী আগশাৰীৰ ভাৰতীয় মডেলৰ মতে 'ইফ আই হেভ্ বিউটী, হোৱাই চুড্ আই নট চো ইট'। প্রশ্ন হয় বিউটী মানে নতুন প্রজন্মই কি বুজি পায় বাৰু? বিউটী মানে অর্ধনগ্ন দেহ নেকি? বিউটী মানে যৌন আবেদনময়ীতা নেকি? তৰুণ প্রজন্মই কিন্তু এনেদৰেই ভাবিবলৈ লৈছে। তাৰেই ফলশ্রুতিত যুৱ মানস পশ্চাদগামী হ'বলৈ লৈছে। এতিয়া যুৱতীসকলে সামাজিক ক্ষেত্রতো যিকোনো পোছাক পৰিধান কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। এনেবোৰ কাৰকে স্বাভাৱিকতেই বিপাঙত পেলাইছে মধ্যবিত্ত অভিভাৱকক। আনহাতে কুঠাৰঘাত হৈছে নাৰী মর্যাদাত।

এনেবোৰ প্রতিযোগিতাত মেধাশক্তি জোখাৰ নামত কেতবোৰ নগণ্য প্রশ্ন সুধি এখন ভেঁকোভাওনা কৰাৰ বাহিৰে আন একো নহয়। ইতিমধ্যে বহুতে এনেবোৰ প্রশ্নৰ ভুল উত্তৰ দিও এনেবোৰ খিতাপ জিনিছে। গতিকে ই নিশ্চয় ভেঁকোভাওনাৰ বাহিৰে আন একো নহয়। ইপিনে সৌন্দর্য চর্চা ধনী শ্রেণীৰ বাহিৰে আনে কল্পনা কৰিব নোৱাৰে। কিন্তু এটা কথা ঠিক যে সুন্দৰীসকলক সমকক্ষ হ'ব পৰাকৈ বহুতো যুৱতী আমাৰ গাঁওবোৰৰ চুকে-কোণে পোৱা যাব। গতিকে এনেবোৰ প্রতিযোগিতা নিশ্চয়কৈ ধনী শ্রেণীৰ মাজত আবদ্ধ প্রতিযোগিতা।

আমাক আচৰিত কৰি তোলে চৰকাৰ আৰু গণ মাধ্যমসমূহৰ ভূমিকাই। এওঁলোকৰ নিৰ্লিপ্ত ভূমিকাই আমাক আচৰিত কৰি তোলে। দূৰদর্শনৰ দ্বাৰা প্রচাৰিত অনুষ্ঠানসমূহত বৃদ্ধি পাব লাগিছে নাৰীদেহৰ প্রদর্শন। গীত এটা শুনাতকৈ যেন গীত এটা দেখাটো বেছি গুৰুত্বপূর্ণ। যিটো সময়ত এই সামাজিক ব্যাধিসমূহৰ বিপক্ষে গণ মাধ্যমসমূহে প্রবল জনমত গঢ়ি তুলিব পাৰিব লাগিছিল সেই সময়ত তেওঁলোক নিৰ্লিপ্ত হৈ থকাটো আশ্চর্যজনক নহয়নে? ইপিনে চৰকাৰৰ ভূমিকাও ধৃতৰাষ্ট্ৰৰ দৰে। মুঠতে আটাইবোৰেই বণিকগোষ্ঠীৰ স্বাৰ্থতেই উঠা-বহা কৰি আছে বুলিয়েই বুজিব পৰা গৈছে।

এই যুগত আমি এনেয়ে চিঞৰ-বাখৰ কৰি থকাটো কিমান সমীচীন সেয়াও চিন্তাৰ বিষয়। কিন্তু সামাজিক অৱক্ষয় ৰোধৰ বাবে আমি নিশ্চয়কৈ আৰু যোগাত্মকভাৱেই কিবা এটা কৰা উচিত। এই ব্যাধিসমূহ সমাজৰ পৰা আঁতৰ কৰিবলৈ হ'লে প্রথমেই পদক্ষেপ ল'ব লাগিব গণ মাধ্যমসমূহে। বাতৰি কাকত, আলোচনী আদিয়ে এনেবোৰৰ বিপক্ষে প্রবল, শক্তিশালী জনমত গঢ়ি তুলিব পাৰিব লাগিব। গতিকে স্বাভাৱিকতেই এইক্ষেত্রত বুদ্ধিজীৱী বা লেখকসকলৰ অৰিহণা উল্লেখযোগ্য হ'ব লাগিব। বিখ্যাত লেখকৰ লিখনিয়ে সমাজত বৃহৎ বৃহৎ বিপ্লৱৰ সূচনা কৰাৰ কথা ইতিহাসত যথেষ্ট পোৱা যায়। গতিকে নিশ্চয়কৈ ইয়াৰ বিপক্ষেও লিখনিয়ে জনমত গঢ়িব পাৰিব।

দ্বিতীয়তে ভূমিকা ল'ব লাগিব দুই শক্তিশালী গণমাধ্যম ৰেডিঅ' আৰু টিভিয়ে। অশিক্ষিত লোকৰ মাজৰ জনমত আনিবলৈ লিখনি হয়তো সফল নহ'ব। গতিকে টিভি বা ৰেডিঅ'ই এই অভাৱ পূৰাব পাৰিব লাগিছিল।

ছাত্র শক্তি দেশৰ প্রধান বৃহৎ শক্তি। যিকোনো সামাজিক বিপ্লৱৰ সূচনা কৰাৰ ক্ষেত্রত ছাত্রৰ ভূমিকা নিশ্চয়কৈ গুৰুত্বপূর্ণ। গতিকে এনেবোৰ কাম বন্ধ কৰিবলৈ ছাত্র-ছাত্রীয়ে আগভাগ ল'ব লাগিব। সমাজক নিকা কৰিবলৈ তেওঁলোকে নিদ্বিধাই ওলাই আহিব লাগিব। ছাত্র সমাজৰ মাজত মানৱতাবাদী দৃষ্টিভংগী গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব শৈক্ষিক অনুষ্ঠানে অর্থাৎ শিক্ষকসকলে। আনহাতে ল'ৰা-ছোৱালীৰ মাজত এনেবোৰ ভাব সৃষ্টি কৰিবলৈ প্রথম কমাৰশাল হ'ব লাগিব ঘৰখন, ঘৰৰ অভিভাৱক। ঘৰতেই ৰোপিত হ'ব লাগিব নৈতিকতাৰ বীজ।

দৰাচলতে সকলোৰে সন্মিলিত প্রচেষ্টাৰহে এনেবোৰ প্রথা বন্ধ কৰিব পাৰিম। আনহাতে চৰকাৰেও এইবোৰ ক্ষেত্রত ধৃতৰাষ্ট্র হ'লে নহ'ব। তেওঁলোক দৃঢ় হোৱা উচিত। দূৰদর্শন আদিৰ কাৰ্যসূচী প্রণয়ন কৰোতে চৰকাৰে তীক্ষ্ণ দৃষ্টি ৰখা উচিত। এনেবোৰ কাৰ্যসূচী হাতত ল'লে আমি নিশ্চয় সফল হ'ব পাৰিম। অচিৰেই আমি নিশ্চয় সফলতাৰ সেউজ সংকেত পাম নহ'লে সমাজত 'প্রগতি' সদায়েই ভুৱা হৈয়েই ৰ'ব। ■

# কেনভাছত জীৱনতৃষ্ণা

**জয়ন্ত বৰ্মন**



নৈখন খুব ডাঙৰ যদিও জাৰকালি বাবে এতিয়া শুকাই তেনেই নিশকতীয়া হৈ পৰিছে। তাৰ ওপৰত থকা পুৰণি কাঠৰ দলংখন জোনাকৰ পোহৰত এক ৰহস্যময় ছবিৰ দৰে দেখা গৈছে। দলঙৰ ৰেলিঙত আঁউজি ওখ, ক্ষীণকায় এজন আদবয়সীয়া মানুহ। মূৰত পুৰণি টুপী এটা। অপৰিচ্ছন্ন ডাঢ়িকোছাৰে তিৰ্‌বিৰিয়া চকুযুৰিৰে মানুহজনক শিল্পী যেন দেখা গৈছে। মানুহজনৰ বাওঁকাষে ৰেলিঙত বহি আন এজন কিছু শকত চাপৰ মানুহ। এই মানুহজনৰ মূৰৰ সন্মুখভাগ টকলা। টকলা মূৰটোৱে জোনাক প্ৰতিফলিত কৰিছে। মুখত কৌতূহল মিশ্ৰিত উদ্বিগ্নতাৰ ভাব স্পষ্ট। শিল্পীৰ মুখমণ্ডলতো কিছু চিন্তাৰ আৱেশ।

'তাৰপিছত?' চাপৰ মানুহজনে যথেষ্ট উদ্বিগ্নতাৰে প্ৰশ্ন কৰিলে। এনেতে হঠাৎ এজাক চেঁচা বতাহ আহিল। শিল্পীয়ে হাত দুখন কোটৰ জেপত ভৰালে।

'মই কমলাটেঙাৰ বাগিচাখনৰ একাষত কেনভাছখন ষ্টেণ্ড কৰাই ছবি আঁকিব ল'লো। সেই ঠাইৰ পৰা দেখা পোৱা আমাৰ চহৰখনৰ লেণ্ডস্কেপ এটা। মোৰ কেনভাছত লাহে লাহে প্ৰাণ পাই উঠিল মোৰ চহৰখনৰ কাৰখানা ঘৰ, নদীখন, টিলাটো, ঘৰবোৰ, ঘৰৰ আগৰ বাগিচাবোৰ, কমলাটেঙাৰ বাগিচাখন। সুন্দৰ পাৰস্পেক্টিৰ ওপৰত নিৰ্মল ৰ'দালি আকাশ। এনেতে...'

'এনেতে কি হ'ল?'— চাপৰ মানুহজনে জঁপিয়াই ৰেলিঙৰ পৰা নামিল আৰু শিল্পীৰ কান্ধখন ব্যগ্ৰভাৱে জোকাৰি দিলে।

'এনেতে হঠাতে ঠাইখন আন্ধাৰ হৈ পৰিল।' শিল্পীৰ কথাত ছিৰিয়াছনেচ স্পষ্ট। আকাশৰ ফালে আঙুলি টোঁৱাই শিল্পীয়ে ক'বলৈ ধৰিলে— 'আকাশত এক বিদ্যুৎ চমকনিয়ে দেখা দিলে। আৰু ধোঁৱাৰ মাজতে আকাশৰ পৰা উৰি আহিল এক স্বৰ্গীয় দেৱদূত। মোৰ ওচৰত অৱতৰণ কৰি মোলৈ চাই এক ৰহস্যপূৰ্ণ হাঁহি মাৰি ক'বলৈ ধৰিলে। 'হে শিল্পী, ৰ'বা ক্ষন্তেক, তোমালোকৰ বাবে আনিছে বিপদ সংকেত। অহা মাহৰ তৃতীয় তাৰিখ সোমবাৰ, সেইদিনাই হ'ব ছাৰখাৰ চহৰ তোমাৰ। মহাপ্ৰলয়ংকৰী ভূমিকম্প হ'ব সিদিনা, সকলোফালেই হ'ব মাথোঁ মৃত্যু বিভীষিকা। তাৰ পাছত মোৰ অসহায় কিংকৰ্তব্যবিমূঢ়তাৰ ফালে লক্ষ্য কৰি দেৱদূতে পুনৰ ক'ব ধৰিলে, 'দ্বিতীয় তাৰিখ দেওবাৰ, সৌ নদীখনৰ পূব পাৰ। থাকিব স্বয়ংচালিত নাও এখন তাত তুমি উঠিবা, লগত ল'বা তোমাৰ আত্মীয়কেইজনমান নাও গৈ গৈ পাব এক নিৰ্জন দ্বীপ। তাতেই গঢ়িবা তোমাৰ নতুন চহৰ। অন্যথা মৃত্যু জানিবা নিশ্চয়।'

'তাৰ পাছত?'— টকলা মানুহজনৰ হৃদস্পন্দন দ্ৰুতগতিত বৃদ্ধি হোৱা শুনা গ'ল।

'তাৰ পাছত দেৱদূত অদৃশ্য হ'ল। যোৱাৰ আগতে সেউজীয়া ৰং এটা মোক দি গ'ল। গোটেই ঘটনাটো ইমানেই আকস্মিক আৰু অপ্ৰত্যাশিত আছিল যে মই শিলৰ মূৰ্তি এটাৰ দৰে নিথৰ হৈ মাথোঁ শুনি গৈছিলো মায়াময় দেৱদূতৰ কথা। তাৰ পিছত পুনৰ সূৰ্য ওলাল। চৌদিশ জলমলাই উঠিল। আপোন পাহৰা হৈ মই পুনৰ ছবিখন সম্পূৰ্ণ কৰাত লাগিলো। অলপ আগতে অসাৱধানতাবশতঃ হয়তো ভয়তে ছবিখনৰ ওপৰত পৰা ডাঠ ক'লা ৰংবোৰো মই দেৱদূতপ্ৰদত্ত সেউজীয়া ৰংটোৰে নিশ্চিহ্ন কৰাত লাগিলো।'— কথাখিনি শেষ কৰি শিল্পীয়ে এটা চিগাৰেট জ্বলাই ল'লে।

'কাইলৈ সেই দেওবাৰ। পৰহি মহাপ্ৰলয়। তই এতিয়া কাক কাক তোৰ সহযাত্ৰী কৰিব খুজিছ?' টকলা বন্ধুৱে যথেষ্টভাৱে গম্ভীৰতাৰে সুধিলে। কথাত এক আনুনয়িক সুৰ।

"ভাবিছো।"— শিল্পীৰ চুটি উত্তৰ।

"চা বন্ধু। মই তোৰ বহুদিনীয়া সংগী।"

"তোকটো নিমেই।"

"বাৰু বন্ধু, মোৰ লগততো মোৰ পত্নী আৰু কন্যা দুজনী ওলাবই।"— পুনৰ আনুনয়িক সুৰ টকলা বন্ধুৰ কথাত।

"ঠিক আছে। তাতকৈ নবঢ়াবি কিন্তু। সুবিধা সীমিত।"

"বাৰু বন্ধু, মই এতিয়া যাওঁগে। ঘৰত সিহঁতক জনাওঁগে। তই খুব মহান বন্ধু। শুভৰাত্ৰি।"—উত্তৰলৈ অপেক্ষা নকৰি টকলা বন্ধুৱে দৌৰ মাৰিলে। নিসংগ শিল্পী পুনৰ চিন্তাত মগ্ন হ'ল। "আত্মীয়"— শব্দটো অলপ আহুকলীয়া, সংজ্ঞাহীন বুলি শিল্পীয়ে ভাবিলে। সি বাৰু কাক কাক তাৰ উদ্ধাৰকাৰী নাৱত সহযাত্ৰী হিচাপে ল'ব! কাক এৰি যাব নিশ্চিত ধ্বংসৰ মুখত। প্ৰথমে তাৰ মনলৈ আহিল তাৰ মাক- দেউতাকৰ মুখ। মাক- দেউতাকৰ লগত সি তাৰ ককায়েক, ভনীয়েক, খুড়াক, ভতিজাক সকলোকে ল'ব। তাৰ ভাগিনীয়েক,মোমায়েক, জেঠাক......সি বাৰু তাৰ সম্বন্ধীয় আটাইখিনিকে ল'ব। তাৰ শিক্ষাগুৰুকেইজন, ওঁহো তেখেতসকলক এৰি যাব নোৱাৰি। তাৰ পোছাক চিলোৱা সেই অমায়িক মুচিজন, হাঁহিমুখীয়া নাপিতজন,— এই আটাইকে সি ল'ব তাৰ উদ্ধাৰ যাত্ৰাত। কেনেকৈ বাৰু মৰিব দিব সেই ৰাস্তাই ৰাস্তাই বাঁহী বজাই বাঁহীৰ সুৰেৰে সকলোকে আপ্লুত কৰি তোলা অঘৰী বাঁহীবাদকজনক! উজ্জ্বল উজ্জ্বল চকুৰে সেই স্কুলখনৰ শিশুবোৰক বাৰু পাৰিবনে সি দেখিব ৰক্তাক্ত আৰ্তনাদৰ মাজত। অ', তাৰ ভনীয়েকৰ যে বেমাৰত ৰক্তদান কৰিছিল সেই ল'ৰাটো যে, কি নাম আছিল জানো- তাক এৰিব নোৱাৰি। মন্দিৰৰ সেই ভক্তিপৰায়ণ পূজাৰীজন, সিহঁতৰ চহৰৰ সেই যে গীৰ্জাটো, সি যে মন বেয়া লাগিলে গৈ কথা পাতে সেই ফাদাৰগৰাকী, মছজিদটোৰ মৰমিয়াল মৌলবীজন- এই আটাইবোৰেইতো তাৰ হিয়াৰ আপোন। ডাক্তৰ খুড়া, ইঞ্জিনিয়াৰ খুড়া, ৰহমত দোকানী— এওঁলোককটো ল'বই লাগিব, সিহঁতৰ ঘৰৰ ওচৰত থকা নানকেইগৰাকীকো ল'ব লাগিব । এনেতে নদীত এটা শব্দ হ'ল। সি তললৈ চাই পঠিয়ালে। জোনৰ স্নিগ্ধ পোহৰ নদীৰ বুকুত সৰিছে। নদীৰ সেইটো ঘাটতে সিহঁতে ল'ৰালিত সাঁতুৰি-নাদুৰি গা-ধুইছিল শংকৰ, কমল,ডেভিদ, ইছনাইলহঁতৰ লগত। শংকৰৰ মাকজনী ইমান সাদৰী আছিল! ডেভিদৰ ভনীয়েকেতো তাক কিমান ভাল পাইছিল। ক'ত বাৰু সিহঁত এতিয়া? সিহঁতক সি বচাবই লাগিব।

আৰু কিছুসময় চিন্তা কৰাৰ পাছত শিল্পীৰ উদ্ধাৰ তালিকাত আৰু বহুতো মানুহ সোমাই পৰিল।

পিছদিনা ৰাতিপুৱা শিল্পীয়ে অশেষ কষ্ট কৰি তালিকাবদ্ধ সকলোকে খবৰ দি অনালে। নিৰ্দ্দিষ্ট সময়ত নিৰ্দ্দিষ্ট ঘাটত এক বৃহদাকায় নাৱৰ আবিৰ্ভাৱ ঘটিল। জীয়াই থকাৰ তাড়নাত আটাইবিলাক প্ৰাণপণে নাৱত উঠিল। উত্তেজনাত মানুহবোৰ কঁপিছে। কাইলৈ মহাপ্ৰলয় হ'ব। নিশ্চিহ্ন হৈ যাব এক উন্নত চহৰ, জৰজৰকৈ খহি পৰিব এক সভ্যতা। নিজৰ কেন্‌ভাছ, ৰং, ব্ৰাছ প্ৰভৃতি লৈ শিল্পী গৈ নাৱৰ যথাস্থানত উঠাৰ লগে লগে স্বয়ংচালিত নাও ঢাপলি মেলিলে নিৰ্দ্দিষ্ট জীৱন দ্বীপটোলৈ। উত্তেজনাত, শিহৰণত শিল্পীয়ে চকু মুদি দিলে। নাও গৈ যথাস্থানত উপস্থিত হ'ল। মানুহবিলাক ব্যস্ত হৈ পৰিল আন এক নব্য সভ্যতাৰ সৃষ্টি প্ৰক্ৰিয়াত। হঠাৎ শিল্পীৰ মনত পৰিল কাৰোবালৈ,— কোনোবা এক আত্মীয়ক যেন এৰি অহা হ'ল ধ্বংসতব্য চহৰখনত। হয়, শিল্পীৰ মৰমৰ কুকুৰটো, যাত্ৰাসংগী ঘোঁৰাটো আৰু মেকুৰীজনীক অনা নহ'ল। অসন্তুষ্ট শিল্পী আত্মীয়ত্ৰয়ক আনিবলৈ মায়াবী নাৱত উঠি মৃত্যু চহৰত উপস্থিত হ'ল। তিনিওটাক আনিব খোজোঁতেই ঘোঁৰাটোৱে মাত লগালে, "প্ৰভু, আত্মীয়গণক ইয়াত এৰি, মই বাচি থাকিব নোখোজো।"- ঘোঁৰাৰ কথাত কুকুৰ, মেকুৰী আনকি বেৰত বগাই থকা শিল্পীৰ পৰিচিত জেঠীটোৱেও হয়ভৰ দিলে। "তৎক্ষণাত সিহঁতকো ইয়ালৈ লৈ আনা। সময় বৰ কম।"— শিল্পীয়ে দস্তুৰমত সম্মতি জনালে। জন্তুকেইটাই চেকুৰ মেলিলে। সেই সুযোগতে বচাব নোৱাৰাৰ অপৰাধবোধত দগ্ধ শিল্পীয়ে চহৰখনত বাকী থকা ধ্বংসমুখী প্ৰাণীকেইটালৈ চাই আচৰিত হৈ উঠিল। ইতিমধ্যে চহৰখনত ভূমিকম্পৰ মৃদু কম্পন অনুভূত হৈছিল। আগ্নেয়গিৰি এটাই প্ৰাণ পাই উঠিছিলহি। দ্বীপত উঠিয়েই শিল্পীয়ে বুজি পাইছিল কিয় চহৰখনত জনপ্ৰাণী এটাও নাছিল। আত্মীয়তাৰ স্ব-শৃংখল — আত্মীয়তাৰ শৃংখল। শিল্পীয়ে আওৰাইছিল। আত্মীয়তাৰ স্ব-শৃংখল গঠন ধৰ্মই চহৰখনৰ আটাইকে বান্ধি জীৱন দ্বীপটোলৈ লৈ আহিছিল।

ইতিমধ্যে দ্বীপটোত সূৰ্যোদয় হৈছিল। এক উজ্জ্বল প্ৰভাতৰ আলোকত জলমলাই উঠিছিল চৌদিশ। স্বপ্নহীন দ্বিধাগ্ৰস্ত মানুহবোৰৰ মুখত জলমলাই উঠিছিল জীৱনতৃষ্ণা। সকলো মানুহ ব্যস্ত হৈ পৰিছিল এখন নতুন পৃথিৱীত— নতুন ঘৰ — নতুন পৰিচয়ৰ সন্ধানত। জীৱনৰ সুখানুভূতিত সিহঁত উত্তেজিত হৈ পৰিছিল। গায়কবোৰে গান গাবলৈ আৰম্ভ কৰিছিল। বাঁহীবাদকবোৰে বাঁহীত ওঁঠ বুলাইছিল। চিত্ৰকৰবোৰে ছবি আঁকিব আৰম্ভ কৰিলে। সন্তুষ্ট মনেৰে শিল্পীয়ে উলিয়াই ল'লে ৰং, ব্ৰাছ, কেন্‌ভাছ। নিৰ্মীয়মান চহৰখনক লৈ এক ছবি অঁকাৰ তীব্ৰ হেঁপাহ হৈছিল শিল্পীৰ মনত । আঁকি গৈছিল এক উজ্জ্বল ছবি — ৰৌদ্ৰস্নাত এক চহৰৰ সৃষ্টি প্ৰক্ৰিয়া। ওচৰত নৃত্যৰত সাগৰ।

এনেতে আচম্বিতে পুনৰ সেই স্বৰ্গীয় দেৱদূত আহি শিল্পীৰ ওচৰত পদাৰ্পণ কৰিলে। শিল্পীয়ে সম্ভাষণ জনালে। গদ-গদ কণ্ঠেৰে দেৱদূতে ক'লে —"হে শিল্পী, দৰদী হিয়া। বিপৰ্যস্ত হৈছে দ্বীপৰ বহন ক্ষমতা। ক্ষুব্ধ হৈছে সমুদ্ৰ। যি কোনো প্ৰাণী এটা সাগৰত কৰা বিসৰ্জন, নহ'লৈ ধ্বংস হ্‌ব এই দ্বীপ অনতিপলমে। শুনা সেয়া সমুদ্ৰৰ ক্ষুব্ধ আস্ফালন, শীঘ্ৰে হ'ব এই দ্বীপত মহাপ্লাৱন। সময় নাই শিল্পী নকৰা বিলম্বন, শীঘ্ৰে সমুদ্ৰত এক প্ৰাণী দিয়া বলিদান।"দেৱদূত অদৃশ্য হ'ল। উদাসভাৱে শিল্পীয়ে জীৱন দ্বীপৰ এই নিৰ্মীয়মান চহৰখনলৈ চাই পঠিয়ালে সেয়া সকলোতে প্ৰাণ-প্ৰাচুৰ্য উৎবৰ্ত্তনৰ সংগ্ৰাম। সাপৰ পৰা জেঠীলৈ, চৰাইৰ পৰা পখিলালৈ সকলো ব্যস্ত জীৱন সংগ্ৰামত। নাতিদূৰত সেয়া শিল্পীৰ টকলা বন্ধু। পত্নী-কন্যাৰ লগত ব্যস্ত— এক নতুন জীৱন শৈলীৰ লগত অভিযোজনত । চিন্তিত শিল্পীয়ে ক্ৰমাৎ উত্তাল হ'ব ধৰা সাগৰলৈ এবাৰ চালে— দৃষ্টিত ক্ষোভ নে হতাশা নে আশাবাদ ধৰিব পৰা নগ'ল। তাৰ পাছত চালে হাতত থকা ব্ৰাছডাল, ৰংবোৰ, কেন্‌ভাছখন, মানুহবোৰ আৰু আস্ফালনৰত সমুদ্ৰলৈ। শিল্পীয়ে সাগৰখনলৈ চাই কিবা এটা ভাবিলে— টকলা বন্ধুজনক ইংগিতেৰে কাষলৈ মাতিলে —হাতত তুলি দিলে ৰং আৰু ব্ৰাছ, আঙুলিয়াই বন্ধুক আগবঢ়াই দিলে অৰ্ধসমাপ্ত কেন্‌ভাছখন...। তাৰ পাছত নিজৰ জোতাযোৰ সাগৰলৈ দলিয়াই দিলে— মানুহবোৰলৈ চাই হাত দাঙি কিবা এটা ক'লে— সাগৰৰ গৰ্জনত শব্দটো তল পৰি থাকিল। তাৰ পিছত হৰ্‌হৰাই সমুদ্ৰত নামি গ'ল। ■

*(উৎসৰ্গ ঃ অনুৰ হাতত)*

চিন্তন

# স্বতন্ত্ৰ অৰ্থনীতিৰ সপক্ষে একলম

অনন্ত চহৰীয়া

সত্তৰৰ দশকৰ শেষভাগৰ ফালে উমি উমি জ্বলা আৰু আশীৰ দশকৰ আৰম্ভণিতে পূৰ্ণতা লাভ কৰা, স্বাধীনতাৰ পিছৰ কালছোৱাত ভাৰতবৰ্ষৰ অংগৰাজ্য অসমত উদ্ভৱ হোৱা 'বিদেশী বহিষ্কৰণ' আন্দোলনে ক'বলৈ গ'লে সমগ্ৰ ৰাজ্যখনকে জোকাৰি থৈ গ'ল। ক'বলৈ গ'লে সেই জোকাৰণি এতিয়াও মাৰ যোৱা নাই। শোধনাগাৰ, কেইটামান প্ৰকল্প আৰু 'কলাক্ষেত্ৰ' জাতীয় কেইটামান প্ৰতিষ্ঠানৰ বাহিৰে এই আন্দোলনে অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ মাজত (খিলঞ্জীয়া শব্দটোৰ দ্বাৰা অসমীয়াভাষী আৰু কেইবাপুৰুষৰ পৰা অসমত বাস কৰি অহা অনা-অসমীয়া (ভাৰতীয়) সকলোকে বুজোৱা হৈছে) অবিশ্বাস, সংশয় ইত্যাদিৰ বাহিৰে আন কিবা দি থৈ যোৱা বুলি ক'লে বিশ্বাস নহয়। ক'বলৈ গ'লে 'অসম আন্দোলনে' অসমলৈ সঁচাকৈয়ে অপৰিসীম পৰিবৰ্তন আনিলে। শিক্ষা ব্যৱস্থা বহি গ'ল। অবাধ হাৰত নকলৰ পয়োভৰ ঘটিল। যদিও পূৰ্বতে অসমৰ শিক্ষা আৰু সামাজিক গাঁথনি যথেষ্ট সবল আছিল, তথাপি অসম আন্দোলনে শিক্ষা ব্যৱস্থা আৰু সামাজিক আন্তঃগাঁথনিত যি এক মাধমাৰ শোধালে তাৰ ফল অসমৰ বৰ্তমান প্ৰজন্মই আৰু আগন্তুক কেইটা প্ৰজন্মই ভোগ কৰিব লগা হ'ব তাক সময়েহে ক'ব। জাতীয়তাবাদী শিবিৰসমূহো কোনোবা কোনোবাই কোৱা ধৰণে তিনিটা শিবিৰত ভাগ হৈ ৰ'ল। লক্ষণীয়ভাৱে এই তিনিটা শিবিৰৰেই জন্ম এক গৰ্ভৰ পৰা অৰ্থাৎ অসম আন্দোলনৰ পৰাই। আন্দোলনৰ পৰৱৰ্তীকালত অসমত আঞ্চলিক-ৰাজনীতিৰ ধ্বজাবাহক অগপ আনহাতে নৰমপন্থীসকলৰ কাম-কাজত বিতুষ্ট হৈ অন্য পথেৰে পৰিবৰ্তন আনিব বিচৰাসকল (সঃ মুঃ বাঃ অঃ) আৰু বৰ্তমান অসমত জাতীয়তাবাদী ছাত্ৰ শক্তিসমূহ যিয়ে অসমৰ ৰাজনীতিত 'প্ৰভাৱগোষ্ঠী'ৰ দৰেই ভূমিকা পালন কৰি এক সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰি আহিছে।

বৰ্তমান অসমৰ ক্ষয়িষ্ণু ৰাজনীতিক মূল্যবোধ, অৰ্থনৈতিক দুৰৱস্থা আৰু শিথিল সামাজিক আন্তঃগাঁথনিৰ অৱস্থাৰ বাবে থূলমূলকৈ ক'বলৈ গ'লে উপৰোক্ত কথাখিনিৰ অৱতাৰণা নিতান্তই আৱশ্যকীয়। কিয়নো সমগ্ৰ



অসমেই সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক পৰিৱৰ্তনৰ সন্মুখীন হৈছে।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৰ্তমানে ভাৰতৰ অংগৰাজ্যৰূপে পৰিচিত অসম ক'বলৈ গ'লে আদিতে সামাজিকভাৱে মিশ্ৰিত জাতি-জনজাতিৰে গঠিত, ৰাজনৈতিকভাৱে স্বাধীন আৰু অৰ্থনৈতিকভাৱে স্বাধীন এক নিৰ্দিষ্ট ভূখণ্ড আছিল। কিদৰে আৰু কেনে পৰিস্থিতিত অসম ভাৰত সংঘৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল তাক পুনৰায় অৱতাৰণা নকৰোঁ।

কিন্তু বৰ্তমান অসমৰ প্ৰধান তিনিটা জাতীয়তাবাদী শিবিৰৰ ভিতৰত অন্যতম শিবিৰ নিষিদ্ধঘোষিত সংগঠন আলফাৰ উত্থানৰ কাৰণ আৰু লক্ষ্য, উদ্দেশ্যৰ সৈতে এই কথাখিনিৰ যথেষ্ট সম্পৰ্ক আছে। সঃ মুঃ বাঃ অসমে অসমক ভাৰতৰাষ্ট্ৰৰ উপনিবেশ বুলিয়েই কয়। কিন্তু উপনিবেশ বুলি কৈ থৈয়েই সামৰি থ'লে কথাটো ঠিক নহ'ব বুলি ভাবোঁ। যিকোনো উপনিবেশতে আচলতে দুটা ভিন্ন মতাদৰ্শই অনবৰতে সংযুক্ত হৈ থাকে। উপনিবেশ আৰু উপনিবেশিকতাবাদীসকলৰ মাজত সেই নিৰ্দিষ্ট অঞ্চলৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এই সংঘাত অনবৰতে প্ৰত্যক্ষ কৰিব পাৰি। প্ৰত্যক্ষভাৱে নহ'লেও অসমত এই সংঘাত লক্ষণীয়। অসমীয়া সমাজখন বিভিন্ন জাতি-জনজাতিৰে গঠিত হোৱা বাবে ইয়াত বিভিন্নতা আগৰপৰাই আছে। বৰ্তমানেও এই বিভিন্নতাৰ ফাঁকবোৰ বহল হৈ গৈ আছে। ইয়াৰ কাৰণ হিচাপে এই সংঘাতলৈ আঙুলিয়াব পাৰি। উপনিবেশিক প্ৰক্ৰিয়াটো চলাই নিয়াৰ স্বাৰ্থত প্ৰত্যেক উপনিবেশিকতাবাদীয়েই উপনিবেশৰ জনসাধাৰণৰ থলুৱা স্বাৰ্থ ব্যাহত কৰাটো প্ৰয়োজন বুলি ভাবে। অসমতো সেইটোৱেই হোৱা দেখা গৈছে। প্ৰাকৃতিক সম্পদেৰে চহকী অসম আজিও কিয় অৰ্থনৈতিকভাৱে ইমান পিছপৰা তাৰ কাৰণে উপৰোক্ত কথাখিনিৰ যথেষ্ট তাৎপৰ্য আছে বুলি আমাৰ বিশ্বাস হয়। তদুপৰি এই অৰ্থনৈতিক দুৰৱস্থাৰ ক্ষয়িষ্ণু প্ৰক্ৰিয়াও আগবঢ়াই নিছে 'অসম আন্দোলন'ৰ পিছৰ পৰা আৰম্ভ হোৱা আঞ্চলিকতাবাদৰ নামত ক্ষমতালৈ অহা ৰাজনৈতিক দল আৰু তেওঁলোকৰ সমৰ্থন থকা দুৰ্নীতিগ্ৰস্ত প্ৰশাসনে। অলপতে 'দি উইক' নামৰ আলোচনীয়ে চলোৱা সমীক্ষামতে অসমৰ অৰ্থনৈতিক দুৰৱস্থাৰ অন্যতম হেতু হ'ল এই দুৰ্নীতিগ্ৰস্ত প্ৰশাসন। এতিয়া আমাৰ কথা যদি অসমৰ প্ৰশাসনযন্ত্ৰ সঁচাকৈয়ে নিকা আৰু নিস্বাৰ্থ হ'লহেঁতেন

আৰু জনসাধাৰণো সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন হৈ অৰ্থনৈতিক দুৰৱস্থাৰ পৰা মুক্তিৰ বাবে লাগিলহেঁতেন তেনেহ'লে বৰ্তমান অসমৰ এই অৱস্থা নহ'লহেঁতেন। তদুপৰি অনীতিয়ে গ্ৰাস কৰা অসমীয়াৰ দ্বাৰা পৰিচালিত শোষণৰ হাতিয়াৰ স্বৰূপ এই প্ৰশাসনক ব্যক্তিস্বাৰ্থত ব্যৱহাৰ কৰাসকলক নিৰ্মূল কৰা হ'লহেঁতেন বা প্ৰচেষ্টা চলাই থকা হ'লহেঁতেন তেন্তে অসমৰ এই অৱস্থা নহ'লহেঁতেন।

শ্ৰেণীবৈষম্যই গা কৰি উঠা অসমৰ বৰ্তমান অৱস্থা ইমানেই তথৈবচ যে এই সমস্যাসমূহৰ সমাধান সম্ভৱ হ'লেও ই দীৰ্ঘম্যাদী হ'ব বুলি ভাবিব পৰা নাযায়। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ হেমাহি, শোষণনীতি আৰু থলুৱা স্বাৰ্থক ব্যাহতকৰণ কৰাৰ বাবে আৰু বিশ্বায়নৰ ধাৰণাই সেই অৱস্থা অসমলৈ পুনৰায় কাঢ়িয়াই আনিব। সেয়ে এক স্বাধীন দৃষ্টিকোণৰ পৰা অসমৰ অৰ্থনীতিৰ পৰ্যালোচনা নকৰিলে আৰু সামাজিক আৰু অৰ্থনৈতিক চেতনা জাগ্ৰত নহ'লে অসমৰ বৰ্তমান স্থিতাৱস্থা সদায় বাহাল থাকিব, পৰিবৰ্তন কেতিয়াও নহয়। জাতীয় মেৰুদণ্ড পোন কৰি বিশ্ববাসীৰ সন্মুখত নিজৰ পৰিচয় দাঙি ধৰিবলৈ হ'লে সম্পদ, উৎপাদনৰ আহিলা, দ্ৰব্যমূল্য, বিতৰণ আৰু অৰ্থনীতিৰ অন্যান্য ক্ষেত্ৰসমূহৰ নিজাববীয়াকৈ চূড়ান্ত সিদ্ধান্ত ল'ব পৰা সিদ্ধান্তৰো আৱশ্যক। এইখিনিতে উল্লেখ কৰি থোৱা আৱশ্যক যে সকলো সমাজৰে মধ্যভোগী আৰু মধ্যবিত্ত শ্ৰেণীটোৱে সুযোগ-সুবিধাসমূহ ভোগ কৰি থাকিলে সদায় স্থিতাৱস্থা বাহাল থকাটোকেই কামনা কৰে আৰু সেয়েহে প্ৰতিপক্ষয়ো এই শ্ৰেণীটোৰ সুখ-সুবিধাৰ প্ৰতি দৃষ্টি ৰাখে আৰু সেই শ্ৰেণীটোৰ এক চাকৰিমুখী আৰু পৰজীৱী সুঁতিত চানিল কৰি দিয়ে আৰু শ্ৰেণীটোৰ স্বাধীন ভাবধাৰাৰ ওপৰত মাধমাৰ শোধায়। এইক্ষেত্ৰত সহায় হয় প্ৰচলিত শিক্ষা ব্যৱস্থা। বৰ্তমান অসমৰ শিক্ষাব্যৱস্থাই তাকেই দেখুৱায়। বহু পুৰণি আৰু চাকৰিমুখী প্ৰৱণতা থকা এই শিক্ষা ব্যৱস্থা এতিয়াও বাহাল ৰখা হৈছে কাৰ স্বাৰ্থত? এই শিক্ষাব্যৱস্থাটোৱে ইতিমধ্যে অসমীয়া মানৱীয়তাক এনেভাৱে পৰমুখাপেক্ষী কৰি গঢ় দিছে যে অসমৰ সৰ্বসাধাৰণ ৰাইজে নিয়মীয়া আয়ৰ উৎস হিচাপে চৰকাৰী চাকৰি আৰু অন্যান্যধৰণৰ চাকৰিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। অলপ দকৈ গমি চালেই দেখা যায় এই শিক্ষাব্যৱস্থা কেৱল এক নিবনুৱা উৎপাদন কৰা যন্ত্ৰৰ বাহিৰে অন্য একো হৈ থকা নাই। ইয়াৰ উপৰি প্ৰতিপক্ষই নিবিচাৰে যে জনসাধাৰণক সজাগ আৰু সচেতন কৰি তোলা এক শিক্ষাব্যৱস্থাৰ প্ৰৱৰ্তন হওক। মানৱ সম্পদৰ পূৰ্ণ ব্যৱহাৰ হ'ব পৰা এক শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰাটো বৰ্তমান অসমৰ বাবে অতিকৈ জৰুৰী। সুপৰিকল্পিত আৰু মধ্যশ্ৰেণীৰ সুখ-সুবিধাকেই প্ৰতিনিধিত্ব নকৰা আৰু বিশ্বমুখী ভাবধাৰাৰ লগতে অসমৰ জাতীয় সমস্যাসমূহৰ হকে মাত-মাতিব পৰা মনোভাব জন্ম দিয়াৰ পৰা সচেতনতাৰ উত্তৰণ ঘটাব পৰা এক শিক্ষাব্যৱস্থা গঢ় লৈ উঠিবলৈ দিয়াটো নিতান্তই প্ৰয়োজনীয়। এই সকলোবোৰ সম্ভৱ হ'ব কেৱল স্বাধীন দৃষ্টিকোণৰ পৰা কথাবিলাকৰ বস্তুনিষ্ঠ বিশ্লেষণৰ পৰা।

এইখিনিতে দুটামান কথা উল্লেখনীয়। অত্যাধুনিক জীৱন যাপনৰ অবাধ আৰু অলাগতিয়াল পণ্যসামগ্ৰীয়ে বৰ্তমান অসম প্ৰায় ভৰি পৰিছে। যি সময়ত সাম্ৰাজ্যবাদী বহুজাতিক কোম্পানীসমূহে নিজৰ হাতোৰাৰে সমগ্ৰ বিশ্বক ছানি ধৰিছে, সেই সময়ত অসমৰ মানুহৰ আত্মচেতনা প্ৰায় ধূসৰ হৈ পৰিছে। ই এক দুৰ্ভাগ্যজনক ভয়ংকৰ সত্য। তদুপৰি চাউলৰ পৰা নিত্য নৈমিত্তিক পণ্য সামগ্ৰীলৈ সকলোবোৰেই আমদানিৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে অসমীয়াসকলৰ মাজত উৎপাদনমুখী মনোভাৱো স্তিমিত হৈ যোৱা দেখা গৈছে। কেৱল খাৰুৱা তেল আৰু কয়লাৰ আবেগিক শ্লোগানেৰে যদি অসমৰ অৰ্থনীতিলৈ পৰিৱৰ্তন আহিব বুলি ভবা যায় তেন্তে সেয়া অসমীয়া সকলৰ মূৰ্খতা। ঠিক একেদৰেই ঋণ আৰু অনুদানৰ বাবে কেন্দ্ৰ আৰু বিত্তীয় প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীল ৰাজ্য এখনৰ প্ৰশাসনেও নোৱাৰে। উৎপাদনৰ বৃদ্ধিৰ বাবে ক্ষেত্ৰ আৰু পৰিৱেশ নাথাকিলে কেৱল তেল আৰু চাহৰ আবেগৰ শ্লোগানে পৰিৱৰ্তন আনিব নোৱাৰে। গতিকে অৰ্থনীতিৰ এক স্বাধীন আৰু নিৰপেক্ষ পৰ্যালোচনা কৰিব যোৱাৰ আগতে অসমীয়াসকলৰ নৈতিকতা আৰু উৎপাদনমুখী মনোভাৱৰ আমূল পৰিৱৰ্তন সাধন কৰিব হ'ল। এই প্ৰক্ৰিয়াত সহায় কৰিব এক পৰিশোধিত পূৰ্বে উল্লেখ কৰা শিক্ষাব্যৱস্থাই।

যদিহে অসমীয়াই 'ঋণ লৈ ঘিঁ খোৱা' মনোবৃত্তি পৰিহাৰ কৰিব নোৱাৰে, কৰ্মবিমুখিতাৰে বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ তথাকথিতsystemৰ ভিতৰতেই সোমাই থাকিব বিচাৰে তেতিয়াহ'লে মেৰুদণ্ড পোন কৰি থাকিব নোৱৰাটো স্বাভাৱিক কথা। তদুপৰি আকৌ উল্লেখ কৰা প্ৰয়োজন যে অসমত ছানি থকা দুৰ্নীতিৰ বাবেই মণিপুৰ আৰু মিজোৰামতকৈ কম ৰাজনৈতিক অস্থিৰ ভুগি থকা সত্ত্বেও কেৱল মাত্ৰ নিকা প্ৰশাসন ব্যৱস্থাৰ বাবেই তুলনামূলকভাৱে অসমতকৈ যথেষ্ট উন্নতি কৰিব পাৰিছে। অস্থিৰ ৰাজনৈতিক বাতাবৰণ, দুৰ্বল সামাজিক আন্তঃগাঁথনি আৰু সচেতনতাৰ অভাৱেই অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ ছবি তেনেই পুতৌলগা কৰি তুলিছে।

একপক্ষীয় পৰিসাংখ্যিক তথ্যৰ আলম লৈ অসমৰ অৰ্থনৈতিক আলোচনাসমূহ কৰি অহা বাবে অসমৰ অৰ্থনীতিৰ ব্যাপক সম্ভাৱনীয়তাসমূহৰ বিষয়ে এক স্বাধীন আৰু নিৰপেক্ষ আলোচনাৰ পৰিৱেশ গঢ় লৈ উঠাতো যথেষ্ট বিলম্ব হৈছে। তথাপি অসমৰ অৰ্থনীতিৰ বিভিন্ন সম্পদ আৰু সম্ভাৱনীয়তাসমূহলৈ লক্ষ্য ৰাখিলে বহু কথাই স্পষ্ট হৈ পৰে। দৰাচলতে কোন কাৰ ওপৰত নিৰ্ভৰশীল? অসম আনৰ ওপৰত নে আন কোনোবা অসমৰ ওপৰত? এইখিনিতে এটা কথা কিছুমান কথাৰ প্ৰমাণ চাব পাৰি-- ভাৰতৰাষ্ট্ৰ আৰু অসমৰ মাজত থকা পণ্যসামগ্ৰী আমদানি আৰু কেঁচামাল ৰপ্তানি এই প্ৰক্ৰিয়াটো বেচ্ কিছুদিনৰ বাবে বন্ধ কৰি। এই পৰীক্ষা হ'ব অসমৰ মানুহৰ উৎপাদনক্ষমতাৰ পৰীক্ষা । ৰপ্তানিজাত চাউল- পিঁয়াজৰ পৰা গাত ঘঁহা চাবোনডোখৰলৈকে নিজে উৎপাদন কৰি চোৱাৰ প্ৰয়াস। ক'বলৈ গ'লে বেচ্ কিছুদিনৰ বাবে যদি এই প্ৰক্ৰিয়াটো চলোৱা হয় তেনেহ'লে হয়তো অসমৰ বৰ্তমানৰ বহুতো ক্ষুদ্ৰ উদ্যোগসমূহ লাভৱান হ'লহেঁতেন যিবোৰ নেকি বহুজাতিক কোম্পানীসমূহৰ হেঁচাত নিজৰ উৎপাদিত সামগ্ৰীৰ বহুল প্ৰচলন ঘটাব পৰা নাই। এইটি পদক্ষেপ গ্ৰহণ কৰিব বাবে শক্তিশালী জনমত, দক্ষ প্ৰশাসন আৰু স্বাধীন মনোভাৱ লাগিব।

অসমৰ অৰ্থনীতিক এক স্বকীয় দৃষ্টিকোণৰ পৰা বিচাৰ আৰু পৰ্যবেক্ষণ কৰি চোৱা পৰাগ কুমাৰ দাসে কৈছিল যে অসম আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত পণ্যসামগ্ৰী আৰু কেঁচামাল আমদানি আৰু ৰপ্তানি ব্যৱস্থাৰ মাজত অন্যতম সুঁতি "শ্ৰীৰামপুৰ গেট"খন



বন্ধ কৰিলে নিত্য-নৈমিত্তিক সামগ্ৰীৰপৰা জীৱন ধাৰণৰ বাবে লাগতিয়াল খাদ্য-দ্ৰব্যলৈকে(চাউল-পিঁয়াজ) সকলোবোৰ তেতিয়া নিজে তৈয়াৰ কৰি ল'ব। যদিহে তেলজাতীয়, মাহজাতীয় শস্যৰপৰা পিঁয়াজলৈকে সকলোবোৰৰ বাবে অসমে গুজৰাট, মহাৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলৈ বিচাৰে তেন্তে কথাটো ইমানতে সামৰা ভাল। কিন্তু যদিহে নিবিচাৰে তেন্তে পৰীক্ষাটো নিশ্চয় আদৰণীয়।

**শক্তিশালী অৰ্থনৈতিক ভেটি কিদৰে গঢ়ি উঠিব ঃ**

অসমৰ প্ৰায় ৭৫শতাংশ জনসংখ্যা কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ দৰে এখন কৃষি প্ৰধান দেশৰ অৰ্থনৈতিক পুনৰ্গঠন প্ৰক্ৰিয়া কৃষিক্ষেত্ৰত গাঁথনিগত সংস্কাৰ আৰু আধুনিকীকৰণৰ দ্বাৰাই আৰম্ভ কৰিব লাগিব। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন, তথ্য অনুসৰি ৮ম পৰিকল্পনাৰ খচৰাত অসমৰ কৃষিগত দুৰৱস্থাৰ হেতু চিহ্নিত হৈছিল এনেদৰে (১) অৰ্থনৈতিকভাৱে অক্ষম ক্ষুদ্ৰ কৃষিগোটৰ সংখ্যা বৃদ্ধি, (২) শস্য উৎপাদনৰ কম প্ৰাচুৰ্য শক্তি (৩) পুৰণিকলীয়া প্ৰযুক্তি (৪) আন্তঃগাঁথনিৰ অভাৱ (৫) বান সমস্যা (৬) অবৈজ্ঞানিক পদ্ধতি। কিন্তু প্ৰশ্ন হ'ল এই সমস্যাসমূহৰ সুসংহত সমাধান আজিকোপতি কিয় সম্ভৱ নহ'ল?

অসমৰ অৰ্থনৈতিক পুনৰ্গঠন প্ৰক্ৰিয়াত সুন্দৰ বৰঙণি আগবঢ়াব পৰা অন্য ক্ষেত্ৰৰ ভিতৰত অন্যতম হ'ল মীনপালন, উদ্যান শস্য, পশুপালন। কিন্তু দুৰ্ভাগ্য এইবোৰৰ আজিকোপতি কোনো ক্ষেত্ৰতেই অসমৰ অৰ্থনীতিলৈ শক্তিশালী বৰঙণি দেখা নগ'ল।

কৃষিয়ে বিশেষ অৱলম্বন দিব নোৱৰা অসমৰ ঔদ্যোগিক ক্ষেত্ৰৰো অৱস্থা তেনেই তথৈবচ। কিয়নো ঔদ্যোগিকৰণৰ বাবে ভাৰত ৰাষ্ট্ৰই হাতত লোৱা বিভিন্ন উচ্চাভিলাষী আঁচনি আৰু পৰিকল্পনাত অসমৰ স্থান প্ৰায় ঔদ্যোগিক কেঁচামালৰ বজাৰ হিচাপেহে চিহ্নিত কৰি থোৱা হ'ল।

ভাৰতৰাষ্ট্ৰৰ বৈদেশিক পুঁজিৰ অন্যতম লাভজনক উৎস হ'ল চাহ খেতি। দৰাচলতে নিজৰ স্বাৰ্থতেই চাহখেতিৰ ধাৰণাটোক জনপ্ৰিয় কৰাৰ বাবে ভাৰতৰাষ্ট্ৰই যি এক জনপ্ৰিয় ধাৰণাৰ সৃষ্টি কৰিছিল সেয়া হ'ল 'ক্ষুদ্ৰ চাহ খেতি'। কিন্তু মাধমাৰ পৰিছে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ মূৰতেই। বৃহৎ চাহ কোম্পানীসমূহে (যাৰ মূল কাৰ্যালয় অসমৰ বাহিৰত) ক্ষুদ্ৰ চাহ খেতিয়কসমূহক চাহ খেতিৰ বাবে উৎসাহ দিয়ে ঠিকেই কিন্তু উৎপাদনৰ পিছৰ পৰ্যায়ত সেইবিলাকৰ আচল পৰিচয় ওলাই পৰে। নিজৰ ফেক্টৰী আৰু বজাৰ নথকাৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কসকলে নামমাত্ৰ দামতেই বিক্ৰী কৰিব লগা হয় সমগ্ৰ চাহপাত। কেইদিনমান আগতে অসমত ক্ষুদ্ৰ চাহ খেতিয়কে উৎপাদিত চাহপাত নদীৰ পাৰত পেলাই দিয়াৰ কথা ফটোসহ বাতৰি কাকতত প্ৰকাশ পাইছিল।

গতিকে জলবায়ুগত সুবিধা আৰু মাটিৰ বৈশিষ্ট্যৰ বাবে অসমে চাহখেতি সম্প্ৰসাৰিত কৰাটো দৰকাৰ। তদুপৰি চাহখেতিৰ নবীসমূহক ধ্বংস কৰাৰ বাবে এক সুপৰিকল্পিত জাগৰণৰ দৰকাৰ হ'ব। ইয়াৰ বাবে প্ৰয়োজন হ'ব মানৱ সম্পদ উন্নয়নৰ প্ৰক্ৰিয়া আৰু প্ৰচলিত শিক্ষাব্যৱস্থাৰ সম্পূৰ্ণ সংস্কাৰেৰে নতুন প্ৰজন্মক চাহ খেতিৰ প্ৰতি আকৃষ্ট কৰাৰ।

কিমান দূৰ সত্য নাজানো কিন্তু এনে এক তথ্যও দেখা যায় যে অসমৰ ভূগৰ্ভত আচলতে কিমান তেল আৰু খনিজ সম্পদ আছে তাক হেনো ৰাষ্ট্ৰীয় নিৰাপত্তাৰ খাতিৰত অসম চৰকাৰৰ পৰাও লুকুৱাই ৰখা হয়। গতিকে এনে একপক্ষীয় পৰিসংখ্যাৰ পৰা মুক্ত হ'ব পাৰিলে আৰু আচল তথ্য গম পাব পাৰিলে হয়তো তেল আৰু কয়লাকে ধৰি অন্য খনিজাত পদাৰ্থসমূহ অসমৰ স্বতন্ত্ৰ অৰ্থনীতিৰ এক মুখ্য আধাৰস্বৰূপ হৈ পাৰিব।

স্বতন্ত্ৰ অৰ্থনীতিৰ আধাৰ হ'ব পৰা অন্যতম ক্ষেত্ৰখন হ'ল মানৱ সম্পদ। কিন্তু বৰ্তমান শিক্ষাব্যৱস্থাই ব্যক্তিৰ আত্মনিৰ্ভৰশীলতাৰ চেতনাক সম্পূৰ্ণৰূপে ধূসৰ কৰিছে। বছৰৰ পিছত বছৰ ধৰি শ্ৰেণীকোঠাৰ মাজত আবদ্ধ থাকি ভৱিষ্যৎ জীৱনত আমি কিমান উৎপাদনমুখী কামত জড়িত হ'ব পাৰিম বাৰু? সেয়েহে অসমত বৰ্তমান এনে এক কৰ্মমুখী শিক্ষাব্যৱস্থাৰ প্ৰৱৰ্তন হোৱাটো প্ৰয়োজন যিয়ে নেকি অৰ্থহীন চাৰ্টিফিকেট একোখনৰ পিছে পিছে দৌৰি সময় খেদোৱাতকৈ অসমৰ বিভিন্ন অৰ্থনৈতিক সম্ভাৱনাসমূহৰ সদ্ব্যৱহাৰ হোৱাকৈ মানৱ সম্পদ গঢ় দিয়াব পাৰে। নহ'লে এইদৰেই যদি আমি চেতনাশূন্য সমাজব্যৱস্থাৰ সৈতে সহবাস কৰি যাওঁ তেতিয়াহ'লে হয়তো অসমীয়া নামৰ এমুঠি মানুহে যে অসম নামৰ দেশ এখনত বাস কৰিছিল তাৰ আভাস ভৱিষ্যৎ প্ৰজন্মই পাব ইতিহাসৰ পাতত। দৰাচলতে আমাৰ ব্যক্তি চেতনা আৰু সামাজিক, অৰ্থনৈতিক দায়বদ্ধতাক জাগ্ৰত কৰি যুঁজাৰ সন্ধিক্ষণ এয়া। যুঁজিলে অসম নমৰে আৰু অসমীয়াও নমৰে। ■

# বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ দৰ্শনত মানৱতাবোধ

অধ্যাপিকা মিনতি বৰঠাকুৰ

শ্বকাব ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰকৃততে কাব আৰু সাহিত্যিক আছিল যদিও তেওঁৰ লিখা জীৱন আৰু জগতৰ বিষয়ে থকা তেখেতৰ দৰ্শন প্ৰস্ফু টিত হৈ উঠে। বিশ্বকবিয়ে তেখেতৰ লেখাত মানৱক এক অভিনৱ আৰু বিশেষ স্থান প্ৰদান কৰিছে। সেইবাবে তেখেতৰ দৰ্শনক মানবতাবাদী দৰ্শন বুলি আখ্যা দিয়া হয়।

বিশ্বকবিৰ দৰ্শনত মানৱক সৃষ্টিৰ এক অংশ বুলি ধৰিলেও বহুতো ক্ষেত্ৰত মানৱক ভগৱানৰ লগত সমান স্থান দিয়া হৈছে।

বিশ্বকবিয়ে মানৱৰ বিষয়ে জীৱ-জগতৰ ক্ৰমবিকাশৰ যোগেদি আৰম্ভ কৰিছে। কবিয়ে কৈছে যে মানৱ জন্ম হোৱাৰ আগতেই জীৱজগতৰ ক্ৰমবিকাশ আৰম্ভ হৈছিল। কিন্তু মানবৰ জন্মৰ লগে লগে এই ক্ৰমবিকাশে এক নতুন ৰূপ গ্ৰহণ কৰিছে। কবিৰ মতে, মানৱজাতিৰ জন্মৰ আগতে জগতৰ ক্ৰমবিকাশ জীৱই জন্মগতভাৱে পোৱা শাৰীৰিক শক্তি আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰতে নিৰ্ভৰশীল আছিল। স্বাভাৱিকভাৱে জীৱজগতৰ প্ৰতিযোগিতা আৰু এটাৰ ওপৰত আনটোৰ আক্ৰমণো হৈছিল। ফলস্বৰূপে যিয়ে শাৰীৰিক শক্তিৰে আনক বশ কৰিব পাৰিছিল, সেয়ে জীৱ জগতত প্ৰতিষ্ঠা লাভ কৰিছিল।

কিন্তু মানৱ জাতিৰ জন্মৰ লগে লগে জগতৰ ক্ৰমবিকাশত এক বিশেষ পৰিবৰ্তনে দেখা দিয়ে। কিয়নো প্ৰকৃতিৰ প্ৰয়োজন অনুপাতে নিজকে উপযোগী কৰি গঢ় দিবলৈ আৰু নিজকে পৰিবৰ্তন কৰিবলৈ মানুহৰ ক্ষমতা আছে।

অৱশ্যে কবিয়ে কৈছে যে প্ৰাকৃতিক নিয়মে যে মানুহৰ ওপৰত ক্ৰিয়া নকৰে তেনে নহয়। উদাহৰণস্বৰূপে মানুহৰ চকু, নাক আদি অংগবোৰ বা ইন্দ্ৰিয়বোৰ প্ৰকৃতিৰ নিয়ম অনুসাৰেই পৰিচালিত হয়। কিন্তু তথাপি মানুহে নিজৰ দৃষ্টিশক্তি আৰু শ্ৰৱণশক্তি নিজৰ ইচ্ছাৰ অবিহনে ব্যৱহাৰ নকৰিবও পাৰে। অৰ্থাৎ প্ৰাকৃতিক শক্তিৰ বাহিৰেও মানুহৰ অন্তৰৰ এক শক্তি আছে।

মানুহৰ এই আন্তৰিক শক্তি প্ৰকৃতিৰ বা জীৱ জগতৰ শাৰীৰিক শক্তিৰ পৰা পৃথক আৰু এই শক্তিক আত্মাৰ শক্তি বুলি ক'ব পাৰি। এই শক্তিয়ে মানৱক এক আন্তৰিক স্বাধীনতা প্ৰদান কৰিছে। মানুহৰ এই স্বাধীনতা বিশ্বৰ অন্যান্য জীৱৰ ভিতৰত নাই। জীৱ হিচাপে মানুহ জীৱজগতৰ অংশ, কিন্তু মানুহ হিচাপে তেওঁ সেই জীৱজগতৰ পৰা স্বাধীন।

বিশ্বকবি ৰবীন্দ্ৰনাথৰ মতে মানুহৰ প্ৰকৃতিৰ দুটা দিশ আছে। এটা উচ্চস্তৰৰ আৰু আনটো নিম্নস্তৰৰ। কবিৰ মতে নিজৰ ব্যক্তিত্ব ব্যাখ্যা কৰি চালেই ইয়াক বুজিব পাৰি। কবিয়ে এই কথা বুজাবলৈ গৈ মানুহক সসীম আৰু অসীম বুলি বৰ্ণনা কৰিছে। মানুহৰ জীৱনৰ দুটা দিশ আছে। তাৰে এটা শাৰীৰিক আৰু আনটো আধ্যাত্মিক। মানুহ পৃথিৱীৰ সন্তান আৰু স্বৰ্গৰ উত্তৰাধিকাৰী। কবিয়ে কৈছে— 'মই মোক নিজকে ব্যাখ্যা কৰিলে এটা বিন্দুত নিজকে শিল আৰু মাটিৰ লগত বিচাৰি পাওঁ, কিন্তু আন এটা বিন্দুত মই এই সকলোবৰৰ পৰা সম্পূৰ্ণ পৃথক আৰু এই বিন্দুত মই এজন স্বতন্ত্ৰ ব্যক্তি।' অভিজ্ঞতাবাদী দাৰ্শনিকসকলে মানুহৰ এই শাৰীৰিক দিশটোহে গুৰুত্ব দিয়ে। আনহাতে ঋষি-মুনি আৰু পৰমাৰ্থ বিচাৰি ফুৰা আধ্যাত্মিকসকলে মানুহৰ এই দিশটো আওকাণ কৰি তেওঁৰ প্ৰকৃত স্বৰূপ বিচাৰি হাহাকাৰ কৰে।

কবিৰ মতে এই দুয়োটা দৃষ্টিভংগী একপাক্ষিক আৰু অসম্পূৰ্ণ। অভিজ্ঞতাবাদীসকলে মানৱজাতিৰ আধ্যাত্মিকতাক কেৱল কল্পনা বুলি আখ্যা দিছে। তেওঁলোকে বুজিব পৰা নাই যে বিশ্বব্ৰহ্মাণ্ডৰ বহুতো কথাই বৈজ্ঞানিকসকলে আজিও বুজিব পৰা নাই। বৈজ্ঞানিকে ব্যাখ্যা কৰিব নোৱাৰা সকলো কথাই কল্পনা নহয়। উদাহৰণস্বৰূপে এটি মধুৰ দৃশ্যই, এটি মধুৰ কবিতাই বা এটি সুমধুৰ গীতে আমাৰ মনত কিয় আলোড়ন তোলে বৈজ্ঞানিকসকলে ব্যাখ্যা কৰিব নোৱাৰে। মানুহৰ জীৱনত দয়া, ক্ষমা, মমতাৰ দৰে বহুতো উচ্চস্তৰৰ অনুভূতি আছে। যাক যুক্তিৰে ব্যাখ্যা কৰা সম্ভৱ নহয়। সেইবাবে সেইবোৰ মিছা বা কল্পনা হ'ব নোৱাৰে।

সেই বাবে বিশ্বকবিয়ে সেই সকল দাৰ্শনিককো সমালোচনা কৰিছে যিসকলে মানুহৰ সীমিত শৰীৰটো অলীক আৰু মায়া বুলি হেয় জ্ঞান কৰিছে। আমি আমাৰ সীমিত শৰীৰৰ মাজেদিয়ে অসীমক লাভ কৰিব লাগিব। গতিকে আমি সসীমক এৰি অসীমক লাভ কৰিব নোৱাৰোঁ।

কবিয়ে আকৌ কৈছে যে অসীম আৰু সসীম মানৱ হৈছে ব্যক্তি আৰু বিশ্বজনীন মানৱ। ব্যক্তিহিচাপে তেওঁ বিশ্বৰ সকলো বস্তুৰ পৰা পৃথক। কিন্তু সকলো ব্যক্তিৰে এনে কিছুমান গুণ আছে যাৰ বাবে তেওঁ বিশ্বৰ সকলো ব্যক্তিৰ লগত সমান আৰু এক। এই ঐক্য আৰু সমানতাই তেওঁক অসীম আৰু বিশ্বজনীন বিশ্বব্যাপ্ত কৰি তুলিছে।

কবিৰ মতে সসীম ব্যক্তি হিচাপে মানুহ পশুজগতৰ বহুতো গুণৰ অধিকাৰী। সেইবাবে পশুৰ দৰেই তেওঁৰ ইন্দ্ৰিয়ৰ দ্বাৰা পৰিচালিত হয় আৰু অন্যান্য ব্যক্তিৰ লগত হাই-কাজিয়া যুদ্ধ-বিগ্ৰহ আদিত লিপ্ত হয়। সসীম হোৱা সত্বেও তেওঁৰ ইন্দ্ৰিয়বোৰ উন্নতমানৰ আৰু তেওঁ তাক অন্তৰৰ অনুভূতিৰে সংযত কৰিব পাৰে। আৰু ইচ্ছানুসাৰে তাক পৰিচালিত কৰিব পাৰে আৰু সংস্কাৰ প্ৰদান কৰিব পাৰে।

ইয়াৰ উপৰি মন বা চৈতন্য মানুহৰ এক অভিনৱ সম্পদ যাৰ সহায়ত মানুহে বিভিন্ন প্ৰাকৃতিক বিপদ, যেনে— বৰষুণ, বতাহ, ধুমুহা, বানপানী, জুই আদিৰ পৰা নিজক বচাই চলিব পাৰে। মানুহ ব্যক্তি হিচাপেও অন্যান্য জীৱতকৈ শ্ৰেষ্ঠ। তদুপৰি মানুহে নিজৰ মনটোৰ সহায়ত তেওঁ আধ্যাত্মিক শক্তিৰ পৰিচয় পাবলৈ সক্ষম হ'ব পাৰে। কামনা-বাসনা আদিলৈ মন কৰিলেও বুজিব পাৰি যে মানুহ সম্পূৰ্ণ ব্যক্তিকেন্দ্ৰিক জীৱ নহয়। মানুহে বহুসময়ত নিজৰ স্বাৰ্থক আওকাণ কৰি জগতৰ মংগলৰ বাবে কাম কৰি আনন্দ লাভ কৰা দেখা যায়।

কবিয়ে কৈছে যে প্ৰত্যেক সসীম মানুহৰ অসীম হ'বৰ হেঁপাহ আছে। প্ৰত্যেক মানৱৰ অন্তৰতেই দেৱত্ব আছে আৰু স্বৰ্গীয় গুণ আছে, যাৰ সহায়ত মানুহে দুখ-কষ্টক দমন কৰি অশেষ শক্তিৰ পৰিচয় দিব পাৰে। কোনো কাৰ্যই মানুহৰ বাবে অসম্ভৱ নহয়। মানুহে এনে কাম কৰি থৈ যাবলৈ ইচ্ছা কৰে যাৰ দ্বাৰা তেওঁ অমৰত্ব লাভ কৰিব পাৰে আৰু মুক্তি লাভ কৰিব পাৰে। মানুহে অনুভৱ কৰে যে মৃত্যু তেওঁৰ জীৱনৰ শেষ বিন্দু নহয়। অহৰহ মানুহৰ মৃত্যু হ'বই লাগিছে। কিন্তু তথাপি মানুহে তেওঁৰ কৰ্মৰ দ্বাৰা মৃত্যুক জয় কৰি নিজৰ কীৰ্তি জগতত থৈ যাবলৈ বিচাৰে আৰু অমৰত্ব পাবলৈ বিচাৰে।

মানুহৰ চৰিত্ৰৰ আৰু এটা দিশ হ'ল তেওঁৰ মনৰ স্বাধীনতা। এই স্বাধীনতা কেৱল দেহ বা মনৰ নহয়। এই স্বাধীনতা আধ্যাত্মিক স্বাধীনতা। এই স্বাধীনতাই পূৰ্ণ পৰ্যায়ত বিশ্বৰ সকলো জীৱৰ লগত মধুৰ সম্পৰ্ক স্থাপন কৰাত সহায় কৰে, যাৰ দ্বাৰা জীৱন মধুৰ হয়। তদুপৰি মানুহে শ্ৰেষ্ঠ কৰ্মসমূহৰ মাজেদি এক অপূৰ্ব আনন্দ লাভ কৰে, এই আনন্দ কেৱল দেহ আৰু মনৰ নহয়, এই আনন্দ হ'ল আত্মাৰ আনন্দ। এই আনন্দৰ মাজেদি মানুহে দুখ, বেজাৰ, কষ্ট সকলো পাহৰি যায় আৰু সৎ জীৱন-যাপন কৰিবলৈ প্ৰেৰণা পায়। তেতিয়া তেওঁ শৰীৰক মনৰ অধীনলৈ আনি আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে।

সেইবাবেই ৰবীন্দ্ৰনাথে মানুহক 'জীৱন দেৱতা' নামেৰে সম্বোধন কৰিছে। জীৱন দেৱতা হ'ল মানুহৰ অন্তৰত থকা দেৱতা আৰু সেই দেৱতাই মানুহক মহান কৰিছে। কবিয়ে লিখিছে—

'হে মহা জীৱন, হে মহামৰণ
ল'লো হে শৰণ, ল'লো হে শৰণ।' ■

অনুবাদ গল্প



# জাজ্‌মেণ্ট

মূল ঃ ফ্ৰানৎস্ কাফ্‌কা
ভাষান্তৰ ঃ অপৰাজিতা পূজাৰী

ব'হাগৰ কোনো এটা ফৰকাল ৰবিবাৰৰ পুৱা। নদীখনৰ পাৰত এটা জৰাজীৰ্ণ ঘৰ। তাৰে ছমহলাৰ নিজৰ ৰুমত বহি তৰুণ ব্যৱসায়ী জৰ্জ ব্যাওমেনে নিজৰ সৰুকালৰ বন্ধুলৈ' চিঠি লিখিছে। বন্ধুজন প্ৰবাসী।

জৰ্জৰ সন্মুখত পঢ়া মেজ। মেজৰ লগালগি খিৰিকিখন । খিৰিকিয়েদি নদী, দলং,আৰু সিপাৰৰ পাহাৰৰ সেউজীয়াবোৰ ঘৰৰ পৰাই চকুত পৰে। চিঠি লেখা শেষ কৰি জৰ্জে খামত ভৰালে। তাৰপিছত টেবুলত চিঠিখন থৈ অলসভাৱে খিৰিকীৰ সিপাৰৰ দৃশ্যাৱলী উদাসীনভাৱে চাই ৰ'ল।

জৰ্জে তাৰ বন্ধুৰ কথা ভাবি আছে। বন্ধুজন এই চহৰৰে। অনেক চেষ্টাৰ পিচতো স্বদেশ ত কাম-কাজ যোগাৰ কৰিব নোৱাৰি শেষত ৰাছিয়ালৈ গুচি গৈছিল আৰু বাহৰ পাতিলেগৈ চেণ্ট পিটাৰ্চবাৰ্গত। তাত আৰম্ভ কৰিলে সৰু-সুৰা ব্যৱসায়। আৰম্ভণিটো ভালেই হৈছিল; কিন্তু হঠাতে কেইবছৰমানৰ পৰা অৱস্থা বেয়ালৈ ঢাল খাইছে। ফলত আজি তিনিবছৰমান ধৰি তেওঁ স্বদেশলৈ অহাই নাই। জৰ্জে ঠিক বুজিব পৰা নাই, বন্ধুজননো কিহৰ আকৰ্ষণত বিদেশৰ মাটি কামুৰি বহি আছে। ইমান টকাৰ অভাৱ। তদুপৰি তাত নাই কোনো বন্ধু, জ্ঞাতি-কুটুম্ব। জৰ্জেতো সৰুৰে পৰাই তাক হাড়ে-হিমজুৰে চিনি পায়। সি ইমানো চালাক নহয় যে কোনো ছোৱালীৰ লগত বিয়া পাতি নিঃসংগতা দূৰ কৰিব। মুঠতে সবফালৰ পৰাই বন্ধুজনে ৰাছিয়াত বিশ্ৰীভাৱে দিন কটাইছে।

শেষবাৰ নিজৰ চহৰলৈ আহোতেই জৰ্জে আন্দাজ কৰি পেলাইছিল বন্ধুৰ হাল-চাল। কি যে মলিন বদন। আধাতকৈ বেছি চুলি সৰি গৈ একদম তপা হৈ গৈছে। গাৰ ছাল তামবৰণীয়া, বুঢ়া মানুহৰ দৰে। বিষণ্ণ দৃষ্টি। চকুৰ তলত দাগ। বহুদিন যেন মাৰাত্মক ৰোগ পুহি ৰাখিছে।

অথচ বন্ধুৰ কাৰণে কিবা কৰাও জৰ্জৰ কাৰণে সম্ভৱ নহয়। ওচৰত থকা হ'লে লগ-ভাগেই দিলেহেঁতেন। অথবা সাধ্যমতে আৰ্থিক সাহায্য। এনেকুৱা হতভগীয়াক অলপ সমবেদনা জনোৱাৰ বাহিৰে আৰু কি কৰিব পাৰি? দেশলে ঘূৰি আহিবলৈ লিখিব নেকি? কিন্তু উলটি আহিলেও জানো তেওঁ পৰিচিতবোৰৰ ওচৰত আগৰ উষ্ণ অভ্যৰ্থনা পাব? জৰ্জৰ মতেতো নাপায় কাহানিও। বৰঞ্চ এনেকুৱা মাধমাৰ খোৱা মানুহক কোনেও সহজভাৱে গ্ৰহণ নকৰিবহে। সবেই ফালৰি কটাৰ আপাহতে থাকিব। নতুবা অনুকম্পাৰ প্ৰদৰ্শন! সেয়াতো বন্ধুৰ কাৰণে আৰু মৰ্মান্তিক হ'ব। তদুপৰি জৰ্জে চিঠিৰে মিনতি কৰিলেই যে তেওঁ চেণ্ট পিটাৰ্চবাৰ্গৰ পৰা তৎক্ষণাৎ গুচি আহিব সেয়াও সন্দেহ। বহুদিনেই হ'ল তেওঁৰ দেশ এৰা। গতিকে ইয়াৰ ব্যৱসায়ৰ গতি-বিধি সম্পৰ্কেও তেওঁ অজ্ঞাত। গতিকে জৰ্জৰ কথাত ইয়ালৈ অহা মানে পুনৰ দ খাৱৈত পৰা! মুঠতে সব যোগ-বিয়োগ কৰি বন্ধুৰ বৰ্তমানৰ অৱস্থা না ঘৰকা না ঘাটকা।

এবাৰ অৱশ্যে জৰ্জে চেষ্টা নকৰা নহয়। কেইবছৰমান আগতে শেষবাৰ এই চহৰলৈ আহোতে তাক ৰাখিবৰ বৰ চেষ্টা কৰিছিল। যাতে দেশৰ আকৰ্ষণতে একেবাৰে থাকি যায়। কিন্তু জৰ্জৰ বান্ধৈ বেলেগ ধাতুৰে তৈয়াৰী। ভাঙিব, তথাপি বেঁকা নহয়। সি যুক্তিৰে জৰ্জৰ অনুৰোধ কৰ্তন কৰি দিলে। কৈছিল— ৰাছিয়াত ৰাজনৈতিক অৱস্থা বৰ উত্তপ্ত। গতিকে বেছিদিন বেপাৰক্ষেত্ৰ এৰি থকা যুগুত নহয়। জৰ্জে জানে অজুহাতটো একেবাৰে সস্তীয়া। নহ'লে হেজাৰ-বিজাৰ ৰাছিয়ান স্ফূৰ্তিমনেৰে ইউৰোপৰ ঠাইবোৰত ঘূৰি ফুৰেনে! কিন্তু জানিও জৰ্জে একো নক'লে। বন্ধু বিব্ৰত হ'লে বেয়া হ'ব। তাৰপাছৰ কতকাল, বন্ধু ইয়াৰ পৰা যোৱাৰ পাচত, কোনো চিঠিতে জৰ্জে ইয়াৰ ভাল খবৰবোৰ নজনায়। জনালে যে নিঃসংগ মানুহটো আৰু দমি যাব, এই চিন্তাত।

যোৱা তিনি বছৰত যে জৰ্জৰ জীৱনত কত উল্লেখনীয় পৰিবৰ্তনেই বা নহৈছে: দুবছৰ আগত মাকৰ মৃত্যু। তাৰপাছৰ পৰা জৰ্জে তাৰ দেউতাকৰ সৈতে মিলিজুলি কোনোমতে ঘৰৰ কাম চম্ভালি লৈছে। মাকৰ মৃত্যু সংবাদ জনাওঁতে বন্ধুৱে নামমাত্ৰ সমবেদনাসূচক এখন চিঠি দিছিল। জৰ্জেতো আশা কৰিছিল আৱেগৰ উষ্ণ আখৰ! মনে মনে ক্ষুব্ধ হ'লেও তাৰ অসহায়তাৰ কথা ভাবিয়েই ক্ষমা কৰি দিলে তাক জৰ্জে। যিয়েই নহওক মাকৰ স্বৰ্গবাসৰ পাচতে জৰ্জৰ জীৱন ওলোটা হৈ গ'ল। আগতে দেউতাকে

জৰ্জক মানুহ বুলিয়েই গ্ৰাহ্য নকৰিছিল। বেপাৰ-বাণিজ্যৰ কাম তেওঁ নিজেই চলাইছিল। সেইজন মানুহ পত্নী বিয়োগত একদম বদলি গ'ল। যথেষ্ট কৰ্মক্ষমতা থাকিলেও ব্যৱসায়ৰ দায়-দায়িত্ব পুত্ৰৰ কান্ধত দি ঘৰৰ চুকত আত্মগোপন কৰিলেগৈ। বিশ্ব সংসাৰ সম্পৰ্কে সম্পূৰ্ণ নিস্পৃহ। এইফালে আকৌ তাজ্জৱ কাণ্ড। স্বাৱলম্বী হৈয়েই আলাদীনৰ চাকি যেন হাতত পাই গ'ল জৰ্জে। ৰাতি-দিন একাকাৰ হৈ গ'ল। ভাগ্য আৰু কাক কয়! যি ব্যৱসায়তে সি হাত দিছে স্বৰ্ণময় হৈ উঠিছে। দুবছৰতে তাৰ ব্যৱসায় প্ৰতিষ্ঠানটো বিস্ময়কৰভাৱে আগবাঢ়িছে। কৰ্মীৰ সংখ্যা হ'লগৈ দুগুণ। আৰু লাভৰ পৰিমাণ? অতিকমেও পাঁচগুণ। এনেদৰে চলিলে যে অদূৰভৱিষ্যতত জৰ্জ এই চহৰৰ বিশিষ্ট ধনী ব্যক্তি নহ'বগৈ তাত কোনো সন্দেহ নাই। এনেকুৱা অৱস্থাত বন্ধুলৈ সি অনেকখনেই চিঠি দিছে। কিন্তু তাৰ কোনোখনতেই সি এই শ্ৰীবৃদ্ধিৰ কথা জনোৱা নাই। তাৰ বিপৰীতে আঁতি-গুৰি নোহোৱা কথা লিখিছে— যিবোৰ মানুহে বন্ধৰ দিনত শুই শুই ভাবে।

এনেহ ধৰি জৰ্জে তাৰ জীৱনৰ এটা উল্লেখযোগ্য ঘটনা জনাবৰ বাবে ভিতৰি ভিতৰি ছটফটাই আছে। আজিকালি জৰ্জ ফ্ৰাওলিন ফ্ৰিয়েভা নামৰ এগৰাকী অভিজাত সুন্দৰীৰ প্ৰেমত আকণ্ঠ মজি আছে। অচিৰেই তেওঁলোকৰ সম্পৰ্ক চিৰস্থায়ী হ'ব। ইতিমধ্যে জৰ্জে তাৰ প্ৰবাসী বন্ধুৰ কথা ফ্ৰিয়েভাক কৈছে। বিশেষকৈ যোৱা তিনি বছৰত সি লিখা পত্ৰবোৰৰ কথা। য'ত সি নিজৰ উন্নতিৰ কথা লুকুৱাইছে। সব শুনি-বুজি ফ্ৰিয়েভাই এদিন কৈছিল—

ঃ যি বুজা গৈছে, তুমি আমাৰ বিয়াৰ কথাও বন্ধুক নজনোৱা, নহয়নে?— জৰ্জ নিৰুত্তৰ। কিন্তু গম্ভীৰ মুখেৰে তাই পুনৰ ক'লে কিন্তু মোৰ মতে আমাৰ বিয়াত সব বন্ধুৱেই আহক। আচলতে কি জানা? সেই মধুৰ দিনটোত তোমাক অলপো বেয়া পৰিস্থিতিত থাকিবলৈ দিয়াৰ মন নাই।

ঃ ক'লে অৱশ্যে সি যেনেকৈ থাকক গুচি আহিব— লাহে লাহে জৰ্জে কৈছে। কিন্তু সেয়াতো তাৰ পক্ষে আৰু কষ্টকৰ। আমাৰ সুখী জীৱন দেখি সি হতাশ হ'ব, ভাগি পৰিব ভিতৰি ভিতৰি। অথবা জ্বলিব ঈৰ্ষাত। বুকুৰ নিঃসংগতাৰ বাহ বান্ধি গুচি যাব ৰাছিয়ালৈ। মোক ভুল নুবুজিবা ফ্ৰিয়েভা। নিঃসংগতা বুলি মই কি ক'ব খুজিছো তুমি নিশ্চয় নুবুজা নহয়।

ঃ তোমাৰ কথা মানিলোৱেই যেনিবা। কিন্তু তোমাৰ বন্ধুৱে যে অন্য সূত্ৰে এই বিয়াৰ খবৰ নাপাব তুমি ডাঠি ক'ব পাৰিবানে?

ঃ সেইটো ক'ব নোৱাৰো । সি আছে অতদূৰত। তাক কোনেনো এই খবৰ জনাব?

ঃ কিন্তু মই ভাবো জৰ্জ, তোমাৰ বন্ধু যদি স্পৰ্শকাতৰ তেন্তে বিয়াৰ ক্ষেত্ৰত আমি এনে কৰা অনুচিত।

ঃ হ'ব বাৰু। নিবিড় চুমা এটা ফ্ৰিয়েভাৰ ওঁঠত আঁকি দি জৰ্জে দোহাৰিলে— তোমাৰ কথাই কথা। মই তালৈ সব জনাই চিঠি দিম।

তাৰপাচৰে পৰা কথাবোৰ জৰ্জে মনতে পাগুলি আছে। সঁচাতো ইমান লুকুওৱাৰ প্ৰয়োজনেইবা কি? যি ঘটিছে তাক স্পষ্টকৈ জনোৱাই ভাল। তাক ক'লে তাৰ মন বেয়া নহ'বও পাৰে। মন বেয়া হ'লেও জৰ্জৰ উপায় নাই। বন্ধুৰ বাবেতো জৰ্জে তাৰ জীৱনটো সলাই পেলাব নোৱাৰে।

অৱশেষত সকলো চিন্তা-ভাবনাৰ ওৰ পেলাই দেওঁবাৰে সোনকালে উঠি ফ্ৰিয়েভাৰ সৈতে তাৰ ঘনিষ্ঠতাৰ কথা এইদৰে লিখিছে ঃ... এইবাৰ তোমাক এটা সুখবৰ দিওঁ। মই বৰ্তমান এগৰাকীৰ প্ৰেমত পৰিছো। নাম ফ্ৰাওলিন ফ্ৰিয়েভা ব্ৰান্ডেনফিল্ড, তুমি তাইক চিনি নোপোৱা। তুমি ৰাছিয়ালৈ যোৱাৰ বহুদিন পাচত তাইৰ এই চহৰলৈ আগমন। পিচৰ চিঠিত বিস্তাৰিতভাৱে লিখিম। মাত্ৰ এটা কথা কওঁ— মই ফ্ৰিয়েভাৰ মৰমত মুগ্ধ। কৃতাৰ্থ। সুখী আৰু পূৰ্ণ। আশাকৰো শুনি সুখী হ'লা। গতিকে এইবাৰ ইয়ালৈ আহিলে নিশ্চয় এগৰাকী ভাল ছোৱালী বান্ধৱী পাবা। সেয়া তোমাৰ দৰে অবিবাহিতৰ পক্ষে কম লাভজনক নহয়। কেইদিনমানৰ পাচত তুমি তেওঁৰ পৰাও চিঠি পাবা। খবৰটো পাই তৎকালে বিদেশৰ পৰা অহাটো সহজ নহয়, সেয়া মই জানো। তথাপি হেজাৰ হেঙাৰ থাকিলেও তুমি যেন আমাৰ বিয়াত আহা।

খামটো হাতত লৈ জৰ্জ বহুপৰ আনমনা হৈ ৰ'ল। ৰঙীণ ভৱিষ্যতৰ কল্পনাত নিজৰ অজানিতেই মিচিকিয়াই হাঁহি উঠিল।

লেফাফাটো আঠা দি জৰ্জ উঠিল। তাৰ ৰুমৰ পিচপিনে সৰু বাট এটা। সিপাৰে তাৰ দেউতাকৰ ৰুম। জৰ্জ দেউতাকৰ ৰুমৰ ফালে আগবাঢ়িলে।

বহুমাহ হ'ল জৰ্জ সেই ৰুমৰ ফালে নোযোৱা। যোৱাৰ প্ৰয়োজনেই হোৱা নাই। আগতে দেউতাকে ব্যৱসায় কৰি থাকোতে দুয়োজনে দুপৰীয়াৰ সাঁজ বাহিৰত একেলগে খাইছিল। সন্ধ্যাবেলা দেউতাকৰ সৈতে দেখা-সাক্ষাৎ নহৈছিলেই। কিয়নো অফিচৰ পাছতেই জৰ্জ আড্ডালৈ যায় বন্ধু-বান্ধৱৰ। এতিয়া অফিচৰ দায়িত্ব নিজৰ ওপৰত অহাৰ পিচত দেউতাকক লগ নাপায় বুলিবই পাৰি। দিনৰ দিনটো ব্যৱসায়ৰ কাম সন্ধিয়া প্ৰতিদিনেই ফ্ৰিয়েভাৰ লগত ঘূৰা-ফুৰা, পাৰ্ক বা ৰেস্তোঁৰা। দৈবাৎ কোনোদিন দেউতাকক চ'ৰাঘৰত লগ পাই যায়। কথা-বাৰ্তা নহয়। দুয়োজনেই বাতৰি কাকতত মগ্ন থাকে।

দেউতাকৰ ৰুমত ভৰি দিয়েই জৰ্জ চমকি উঠিল। এই ফৰকাল দেওবাৰটোত ৰুমটো কি ঘোপমৰা এন্ধাৰ। দেউতাক ৰুমৰ চুকটোৰ খিৰিকিৰ কাষতে চকীত বিৰাজমান। মূৰৰ ওপৰৰ ৱালত পত্নীৰ অনেক ফটো ফ্ৰেমত আবদ্ধ। চকুৰ দুৰ্বলতাৰ বাবে দেউতাকে চাপৰি বাতৰি পঢ়ি আছিল। কাষৰ টেবুলত পুৱাৰ আহাৰ। আহাৰখিনিৰ কিয়দংশহে চুইছে যেন লাগিছে।

ঃ আৰে জৰ্জ! কি খবৰ? পুত্ৰক দেখি তেওঁ বহাৰ পৰা উঠিল। তাৰপাচত জৰ্জৰ ফালে আগবাঢ়ি যাওঁতে ড্ৰেছিংগাউনটোৰ বুকুৰ ওচৰৰ বুটামটো খুলি গ'ল আৰু তলৰ ফালটোও লৰচৰ কৰি উঠিল।

ঃ দেউতাতো এতিয়াও এজন অতিকায় পুৰুষ। মনতে ভাবি লগে লগে জৰ্জে কৈ উঠিল ঃ কি অসহ্য এন্ধাৰ ৰুমটো!

ঃ ওঁ, খুবেই এন্ধাৰ।

ঃ তাতে আক' খিৰিকিখনো জপাই ৰাখিছা?

ঃ তোৰ এনেকুৱা এন্ধাৰ ভাল লাগে— তাৰ কথা শেষ নহওঁতেই দেউতাকে কৈ উঠিল।

চকীখনত বহি জৰ্জে পুনৰ দোহাৰিলে—

ঃ কিন্তু বাহিৰত কিমান পোহৰ!

দেউতাকে কোনো উত্তৰ নিদি খোৱা প্লেটবোৰ টেবুলৰ তলত থৈ গ'ল।

ঃ জানানে দেউতা, আজি মই চেণ্ট পিটাৰ্চবাৰ্গলৈ এখন চিঠি পঠাইছো। ফ্ৰিয়েভাৰ স'তে মোৰ সম্পৰ্কৰ কথা লিখি।— হঠাতে কথাটো মুখৰ পৰা ওলাই যোৱাত জৰ্জ ভিতৰি ভিতৰি কঁপি উঠিল। চিঠিখনৰ অলপ যি অংশ পেণ্টৰ পকেটেদি ওলাই আছিল

সেইকণো সি লৰালৰিকৈ সুমুৱাই দিলে।

ঃচেণ্ট পিটাৰ্চবাৰ্গত কোন থাকেনো? দেউতাকে প্ৰশ্ন কৰিলে।

ঃ মোৰ বন্ধু। কৈ কৈ হাত দুখন তাৰ নিজে নিজে বুকুৰ ওপৰলৈ উঠিল। দেউতাকৰ সন্মুখীন হ'লেই যে সিহঁত কিমান আড়ষ্ট হৈ যায়।

ঃ অ' তোমাৰ বন্ধু। বলপূৰ্বকভাৱে নাটকীয় ভংগীত তেওঁ কৈ উঠিল।

ঃ আচলতে কি জানে দেউতা, মই ইমানদিনে ফ্ৰিয়েভাৰ লগত মোৰ ঘনিষ্ঠতাৰ কথা তাক জনাব বিচৰা নাছিলো। তাৰ অৱস্থাৰ কথা ভাবিয়ে কৰা নাছিলো। আপুনিতো জানেই, মোৰ এই বন্ধুজন অন্যধৰণৰ। ভাবিছিলো চিধা-চিধিকৈ তাক নকওঁ। অন্য কাৰোবাৰ পৰা জানিলে জানক। অৱশ্যে এইটোও ঠিক যে আন কাৰোবাৰ পৰা জনাৰ সম্ভাৱনা কম।

ঃ আৰু এতিয়া তুমি তোমাৰ মত পৰিবৰ্তন কৰিছা নহয়নে? দেউতাকৰ এহাতে চছমা। আনখন হাতে বাতৰিকাগজখন খিৰিকিৰ ফালে ৰাখি সুধিলে।

ঃ ঠিক কৈছে। ইয়াক লৈ মই ভাবিলো। শেহতহে এই সিদ্ধান্ত ল'লো। যদি সি মোৰ প্ৰকৃত বন্ধু তেন্তে খবৰটো পাই নিশ্চয় বৰ সুখী হ'ব। গতিকে সব জনাই চিঠি লিখিলো।

ঃ ভালেই কৰিছা। কিন্তু চিঠিখনৰ লগত মোৰ সম্পৰ্ক কি?— দেউতাকে যেন চোকাৰে প্ৰশ্ন কৰিলে।

ঃ নাই, সেইবোৰ একো নহয়। চিঠি ডাকত দিয়াৰ আগতে আপোনাক সোধা কৰ্তব্য বুলি ভাবিলো। আৰুনো কি?

ঃ জৰ্জ, কথা কওঁতেই দেউতাকৰ সোলা মুখেদি ভিতৰখন বেছিকৈয়ে দেখা গ'ল। তেন্তে শুনা। জানি সুখী হ'লো যে তুমি এইক্ষেত্ৰত মোৰ মত লৈছা। হঠাতে চিঠি দিলে কি লাভ হ'ব নহ'ব তুমি নক'লা। ক'লেও মই মন নকৰো। তদুপৰি তুমি যি ক'লা তাতকৈ বেছিও শুনাৰ মন নাই। মই ভালকৈ জানো, তোমাৰ মাৰ মৃত্যুৰ পিচত এনে কিছুমান ঘটনা ঘটিছে যিবোৰ মোৰ মতে ঠিক নহয়। হয়তো তোমাৰ সময়-সুবিধাৰ অভাৱৰ বাবেই তুমি মোক এইবোৰ কোৱা নাই। ধৰি লোৱা ব্যৱসায়ৰ কথা। কি ঘটিছে নাই ঘটা বহুদিন ধৰি মই তাৰ বিন্দুমাত্ৰও নাজানো। অৱশ্যে এইটোও কোৱা নাই যে তুমি ইচ্ছা কৰি সব কথা মোৰ পৰা লুকুৱাইছা। এইটোও মিছা নহয় যে বহুদিন মই এইবোৰত ধ্যান-জ্ঞান দিয়া নাই। মোৰ স্মৃতিশক্তি দুৰ্বল হৈ গৈছে। প্ৰথম কাৰণ মোৰ বাৰ্ধক্য। দ্বিতীয়তে তোমাৰ মাৰ মৃত্যুজনিত আঘাত। বন্ধুজনক চিঠি দিয়াৰ ক্ষেত্ৰত তোমাক মই নিশ্চয় মতামত দিম। কিন্তু শপত খোৱা জৰ্জ তুমি মোৰ পৰা একো নুলুকুৱাবা। ইয়াৰ চেষ্টা মোক নকৰিবা। ঠিকমতে কোৱা তোমাৰ চেণ্ট পিটাৰ্চবাৰ্গত সঁচাকে কি কোনো বন্ধু আছে?

দেউতাকৰ অদ্ভুত কথা শুনি জৰ্জ হতবুদ্ধি হৈ গ'ল। সি মনে মনে দেউতাক উদ্দেশ্য কৰি ক'লে ঃ হেজাৰ বন্ধুতকৈও আপুনি মোৰ বাবে ডাঙৰ দেউতা। আপুনি জানেনে মই এই মুহূৰ্তত কি ভাবিছো? আপুনি নিজৰ কথা একদম নাভাবে। আপুনি ভালকৈ জানে আপোনাৰ বিনে মই ব্যৱসায়ত এখোজো আগবঢ়াব নোৱাৰো। ব্যৱসায়ৰ ভাল-বেয়াৰ কথা ভাবি যদি আপোনাৰ শৰীৰ বেয়া হৈছে তেন্তে মই নিশ্চয়কৈ কাইলৈ ব্যৱসায় এৰি দিম। মই থাকোতে আপোনাৰ দেহা ভাঙি পৰক সেয়া মই হ'বলৈ নিদিওঁ। এবাৰ আপুনি মুখ ফুটাই কওক, মই বেপাৰত উঠি-পৰি লাগিম। বিশ্বাস কৰক, ভগৱানৰ দোহাই মই আপোনাৰ স্বাস্থ্যৰ আশু পৰিবৰ্তন বিচাৰো। আপুনি এই ভিতৰৰ ৰুমত যোৱা-থোৱাকৈ দিন কটাইছে। বাহিৰৰ ৰুমটোতো কিমান ভাল। তাত আপুনি বহুত পোহৰ পাব। আপুনি দেহাৰ একদম যত্ন লোৱা নাই। খোৱামেজত কিমানদিন খোৱাবস্তু নোচোৱাকৈ পৰি ৰয়। এনেকৈ থাকিলেতো আপুনি শেষ হৈ যাব। এই উশাহ বন্ধ ৰুমত আপুনি খিৰিকিও বন্ধ কৰে। অথচ যি বয়সত আপোনাক প্ৰচুৰ বতাহ-পোহৰৰ দৰকাৰ। না দেউতা, মই আপোনাক এনেদৰে থাকিবলৈ কেতিয়াও নিদিওঁ। মই ডাক্তৰ মাতি অনাম। তাৰপাচত তেওঁৰ কথা আপুনি শুনিবই লাগিব। আৰু আপুনি ৰুম সলাব লাগিব। আপুনি সমুখৰ ফালৰ ৰুমলৈ যাব। আৰু মই এই ৰুমত। তাতে আপোনাৰ মন-মেজাজ ঠিক হৈ যাব আৰু মোৰো কোনো অসুবিধা নহ'ব। এইটো ৰুমৰ সব বস্তু মই নিজে সিটো ৰুমত ঠিক কৰি দিম। কিন্তু এইবোৰ কৰোতে সময়ৰ দৰকাৰ। আপুনিতো বৰ উত্তেজিত হৈছে। মই আপোনাক বিছনাতে শুৱাই দিওঁ। আপোনাক জিৰণিৰ প্ৰয়োজন, আহকচোন আপোনাৰ গাৰ এই আৱৰ্জনাবোৰ গুচাই দিওঁ। ভয় নকৰিব। কেনেবাকে যদি সন্মুখৰ ৰুমৰ মোৰ বিছনাত শুব পাৰে তেন্তেতো কথাই নাই।

দেউতাকৰ শুকান-উবান চুলিবোৰৰ কেইডালমান কান্ধৰ কাষেদি নামি আহিছে। জৰ্জ তেওঁৰ পাচফালে গৈ থিয় হ'ল। তাৰপাচত আঁঠুকাঢ়ি বহিল। বুঢ়া মানুহজনে লৰচৰ নকৰাকৈ ডিঙিটো বেঁকা কৰি স্থিৰদৃষ্টিৰে পুতেকলৈ চাই নিম্নস্বৰত ক'লে ঃ জৰ্জ, মই যিমান দূৰ ভাবো চেণ্ট পিটাৰ্চবাৰ্গত তোমাৰ কোনো বন্ধু নাই। নহয়নে? সব সময়তে তুমি আনক প্ৰতাৰণা কৰা। এইক্ষেত্ৰত আনকি তুমি মোকো এৰা নাই। এয়াই তোমাৰ স্বভাৱ। তোমাৰযে তাত কোনো বন্ধু আছে মই বিশ্বাসেই নকৰো।

ঃ দেউতা, আপুনি ভালদৰে এবাৰ ভাবকচোন। কৈ জৰ্জে দেউতাকৰ চকীৰ পৰা দঙাৰ চেষ্টা কৰিলে। দুৰ্বলতাৰ বাবে ভালদৰে থিয় হ'ব নোৱাৰাত ড্ৰেছিংগাউনটো গাৰ পৰা তেওঁৰ সুলকি পৰিল। জৰ্জে কৈয়েই থাকিল।

ঃ তিনি বছৰ আগতে বন্ধুজন মোক লগ কৰিবলে আহিছিল। আপুনি প্ৰথমদিনাই তেওঁক ইমান পছন্দ কৰা নাছিল। অৱশ্যে তাৰো কিছুমান দোষ আছিল। সি আমাৰ ঘৰত থকাকেইদিন গল্প-তল্প কৰি থাকোতেও আপুনি ভাগ ল'বলে অহা নাছিল। অৱশ্যে পাচলৈ আপুনি তাৰ স'তে ভালেই ব্যৱহাৰ কৰিছিল। আপুনি তাৰ কথা মন দি শুনাৰ উপৰি নানান প্ৰশ্নও কৰিছিল। সেয়া দেখি মই মনে মনে সুখী হৈছিলো। মনত আছেনে দেউতা, সি আপোনাক ৰুছ বিপ্লৱৰ বিষয়ে অবিশ্বাস্য কথা কিছুমান কৈছিল। ধৰি লওক সেই ঘটনাটো। মনত পৰিছেনে? এবাৰ বন্ধুজন ব্যৱসায়ৰ কামত কিয়েভ চহৰলৈ গৈছিল। তাত তেতিয়া জোৰদাৰ হুলস্থূল। তাত যে সি দেখিছিল কোনো এখন ঘৰৰ বাৰাণ্ডাত এজন পাদুৰীয়ে নিজৰ হাত কাটি ক্ৰুছৰ দৰে তুলি ধৰি তাৰ তলত থিয় হৈ ৰাস্তাৰ মানুহক দেখুৱাইছিল। আপুনি এই গল্পৰ কথা আন বহুতকে কৈছেও।

এই কথাবোৰ কোৱাৰ ফাঁকে ফাঁকে জৰ্জে দেউতাকক কাষলৈ টানি আনিলে আৰু উলৰ পায়জামাটোও খুলি পেলালে। পায়জামাৰ তলত নাইলনৰ আণ্ডাৰৱেৰ আৰু মোজা। আণ্ডাৰৱেৰটো বৰ লেতেৰা। জৰ্জৰ নিজৰে লাজ লাগি গ'ল। বৃদ্ধ পিতৃ। তেওঁৰ কাপোৰ-কানি বিশেষকৈ অন্তৰ্বাসবোৰ

পৰিষ্কাৰ কৰাৰ দায়িত্ব পৰেই। বিয়াৰ পাচততো সি নতুন ঘৰলৈ যাব। অৱশ্যে ঠাইটুকুৰা এতিয়াও ঠিক হোৱা নাই। এই পৰ্যন্ত ঠিক হোৱামতে তেওঁক এই ঘৰতে ৰখা হ'ব। কিন্তু দেউতাকৰ অসহায় অৱস্থাতো দেখি জৰ্জে সিদ্ধান্তটো বদলাই পেলালে। বিয়াৰ পাচত ফ্ৰিয়েডাৰ লগত সি য'তেই নাথাকক, দেউতাক লগত যাবই।

জৰ্জে দুইহাতে দেউতাকক ভালকৈ ধৰিলে। দেউতাকৰ তালৈ কাণসাৰ নাই। তেওঁ তেতিয়া ঘড়ীটোৰ চেইনডাল লাৰি-চাৰি থকাত ব্যস্ত। দেউতাকৰ এই নিৰ্বিকাৰ ভংগীত শংকিত হ'ল জৰ্জ। বিছনাত শুৱাই দিওঁতে দেউতাকে তাক এনেদৰে ধৰিলে যেন তেওঁৰ অৱস্থা তথৈবচ।

কিন্তু বিছনাত শুই পৰাৰ লগে লগে জৰ্জৰ দেউতাক একদম বেলেগ ধৰণৰ মানুহ। অলপ আগতে যে তেওঁ দুৰ্বল আছিল দেখিলে বুজাই নাযায়। তেওঁ নিজে উঠি কম্বলখন টানি ভৰিৰ পৰা কান্ধপৰ্যন্ত ঢাকি ল'লে। তাৰ পাচত জৰ্জলৈ চাই ৰ'ল।

ঃ এতিয়া নিশ্চয় আপোনাৰ মোৰ বন্ধুজনৰ কথা মনত পৰিছে? বৰ উৎসুক হৈ জৰ্জে সুধিলে।

জৰ্জৰ কথালৈ তেওঁ কাণেই নিদিলে। ওলোটাই তাকহে সুধিলে ঃ কম্বলখনে গাটো ঢাকিছেনে বাৰু?

ঃ আপুনি ব্যতিব্যস্ত নহ'বচোন। মই চাৰিওফালে ঢাকি দিছো।

ঃ নাঃ— বিকটভাৱে চিঞৰি উঠিল দেউতাকে। গাৰ সমস্ত শক্তিৰে কম্বলখন দলিয়াই দিলে। কম্বলখন বিছনাৰ পৰা নমাই ব্যংগ কৰি তেওঁ কৈ উঠিল ঃ মই জানো জৰ্জ, তুমি মোৰ আপাদমস্তক ঢকাৰ খৰ চেষ্টা কৰিছা। কিন্তু মনত ৰাখিবা মোক সব কামৰ পৰা ঢাকি ৰখা তোমাৰ কাম নহয়। অলপ দুৰ্বল হ'লেও তোমাক জব্দ কৰাৰ ক্ষমতা মোৰ আছে। তেন্তে সঁচা কথা কোৱাচোন। তোমাৰ বন্ধুজনক মই ভালকৈ চিনি পাওঁ, বৰং তাক ভালো পাওঁ। আৰু তুমি তোমাৰ বন্ধুৰ ওচৰত অতদিনে ভাও দি আছা। তুমি কি ভাবিছা, তাৰ দুৰৱস্থাৰ কাৰণে মই দুখী নহয়। ভুল ধাৰণা। এবাৰ নিজৰ ভিতৰখন চোৱা জৰ্জ। কিদৰে দিনে দিনে তুমি মানুহৰ পৰা দূৰ হৈ গৈছা। সকলোৰে ওচৰত এটাই অজুহাত 'ব্যস্ত আছো।'। চিনাকি কাৰোৰে লগত কথা নাপাতা, সংগ নিদিয়া, একেধৰণেই বন্ধুৰ কাৰণে মিছা কথাৰে ভৰা চিঠি দি আছা। ঈশ্বৰক ধন্যবাদ যে ল'ৰাই যি কৰিছে সেয়া যে দেউতাকে বুজি আছে তাক কোনেও নাজানে। তুমি বিচ্ছিন্ন হোৱাৰ পৰা বাচিব বিচাৰিছা। কিন্তু অসম্ভৱ। তুমি ভাবা তোমাৰ বন্ধু নিস্তেজ, শূন্য। সি ইমান তললৈ নামি গৈছে যে উঠাৰ সম্ভাৱনা নাই। গতিকে তুমি মিছা কোৱাত বাধা কি? সঁচাকৈয়ে তুমি স্বাধীন, মুক্ত। তোমাৰ বিয়া কৰাৰ সময় এয়াই।

দেউতাকৰ কথা শুনি জৰ্জৰ যেন ভৰিৰ তলৰ পৰা মাটি গুচি গ'ল। মুহূৰ্ততে যেন এক ঐন্দ্ৰজালিক শক্তিয়ে তাৰ মুৰত ছলনা কৰিছে। বন্ধুজন থাকে সুদূৰ চেণ্ট পিটাৰ্চবাৰ্গত। দেউতাকে তাৰ অৱস্থাৰ কথা জানিলে কিদৰে? জৰ্জে চকুৰ সন্মুখতেই যেন বন্ধুজনক দেখা পালে। বিৰাট ডাঙৰ ধ্বংসাৱশেষৰ দৰে গুদামঘৰৰ দৰজাৰ ওচৰত তাৰ বন্ধু। তাৰ চৌদিশে ভঙা শ্ব'কেছ, লণ্ড-ভণ্ড বস্তু-বাহানি, বৃহদাকায় স্তূপ হৈ আছে। কিন্তু সি যেন বহুদূৰত। কিমান দূৰত্ব জৰ্জে যেন ধৰিব নোৱাৰিলে।

ঃ মোৰ কথা শুনা। দেউতাকে একৰকম গৰ্জি উঠিল। জৰ্জৰ কল্পনাত বাধা আহি গ'ল। সম্বিত ঘূৰাই পাই সি দেউতাকৰ ফালে গৈয়ো বৈ গ'ল।

ঃ যিহেতু এগৰাকী তিৰোতা হৈ ঘাগৰাটো তুলিছে, এটা লেতেৰা জীৱই এইদৰে ঘাগৰা তুলিছে— ঃ খঙত তেওঁ ফাটি পৰিছে। তিৰোতাৰ দৰে ভংগীৰে তেওঁ নিজৰ দীঘল চাৰ্টটো ওপৰলৈ তুলি ধৰিলে (দেউতাকৰ যুদ্ধাহত ক্ষতচিহ্নটো তেওঁ স্পষ্টকৈ দেখা পালে) আৰু বিকৃত মুখভংগীৰে কৈ উঠি— আৰে এইদৰে ঘাগৰা উঠাওঁতে তোমাৰ মূৰ ঘূৰি গৈছে। তাৰপাচত তুমি কি কৰিলা। মাৰ কথা বেপৰোৱাই পাহৰি পেলালা। বন্ধুক হৃদয়হীনৰ দৰে ঠগিলা, আনকি দেউতাৰাকো ৰেহাই নিদিলা। আৰু বিছনাত বিচাৰিছা ভালদৰে শুৱাবলৈ। চমৎকাৰতো। কি নিপুণ তোমাৰ ফন্দি। কিন্তু মনত ৰাখিবা



জৰ্জ, মই এতিয়াও মৰা নাই।

কথাটো শেষ কৰি তেওঁ উঠি বহিল আৰু ভৰি দুটা সজোৰে কম্বলৰ পৰা টানি উলিয়ালে। তেওঁক ভীষণ উত্তেজিত দেখা গৈছিল।

জৰ্জ লৰালৰিকৈ ঘৰৰ এটা চুকলৈ পিচুৱাই গ'ল। দেউতাকৰ নজৰৰ বাহিৰলৈ। অনেক দিন ধৰি সি যথেষ্ট সতৰ্ক, সচেষ্ট হৈ আছে। যাতে তাক কোনেও আঘাত কৰিব নোৱাৰে। কিন্তু আজি যেন সব মূল্যহীন হৈ গৈছে। সৰু ফুটা এটাত সূতা ভৰাওঁতে লক্ষ্যভ্ৰষ্ট হ'লে যি অৱস্থা ঠিক তেনে যেন।

ঃ কিন্তু অৱশেষত তুমি তোমাৰ বন্ধুক ঠগাব নোৱাৰিলা। অ' মই তাৰ হৈয়েই কৈছো এই কথা। তৰ্জনী আঙুলি টোঁৱাই আগতকৈও ডাঙৰ মাতেৰে ক'লে তেওঁ।

ঃ আপোনাক বহুৱা যেন লাগিছে। দেউতাকক থমাবৰ বাবে ইয়াতকৈ গত্যন্তৰ নাছিল তাৰ। সি যেন বহুত ডাঙৰ অন্যায়েই কৰি পেলাইছে। লগে লগে তাৰ মগজটো এক শংকাত চিৰাচিৰ হৈ উঠিল। জিভা দোৰোল খাই পৰিল আৰু আৰম্ভ হ'ল কঁপনি।

ঃ বহুৱা ঠিকেই কৈছা— তেওঁ মুখ বিকটাই দিলে। অ' মই এতিয়া বহুৱা। মই অসহায়। বিপত্নীক বৃদ্ধ। বহুৱামি এৰি আৰু বা কিয়েই কৰিব পাৰো মই। এই ঘৰটোত পচি মৰিছো। মোৰ হাড়ত ঘুণে ধৰিছে। লাঞ্ছিত প্ৰতিমুহূৰ্তে। তিলতিলকৈ যে আগুৱাইছো মৃত্যুৰ বাটলৈ। আৰু তুমি, মোৰ পুত্ৰ। সববোৰ দেখিছে কেনেদৰে বুকু ফুলাই ঘূৰিছে, নিৰ্বিকাৰ। তেজক পানী কৰি গঢ়া এই বুঢ়া মানুহটোৰ প্ৰতিষ্ঠানটোৰ মুনাফা লুটিছা। তোমাৰ চকু-মুখত এই সফলতাৰে হাঁহি। দেউতাকক ঠেলি দি এই অন্ধকাৰ কূপত, তেওঁৰ অৱদানৰ কথা নিৰ্বিঘ্নে পাহৰিছা। মই কি তোমাক কেতিয়াও ভাল পোৱা নাই, তোমাৰ ভালৰ কাৰণে কঠোৰ শ্ৰম কৰা নাই? আৰু এতিয়া মোকে পিঠি দিছা? অকৃতজ্ঞ!

তেওঁ ভীষণ উত্তেজিত। জৰ্জে ভাবিলে যেন ক্ৰোধান্ধ হৈ দেউতাক সন্মুখৰ ফালে হালিব। তাৰ পাছত তাৰ পাছত? যদি ইচ্ছা কৰি ভৰ সহিব নোৱাৰি ফট্‌কৈ তলত পৰাৰ দৰে বিশ্ৰী কাণ্ড ঘটায়। কথাটো ভাবিয়েই সি জাৰকালিৰ দৰে কঁপিবলে ধৰিলে।

দেউতাক সন্মুখৰ ফালে ঘূৰিলেও নপৰিলে। তেওঁ ভাবিছিলে জৰ্জ তেওঁক ধৰিবলে আহিব। কিন্তু সি নহাযেন দেখি তেওঁ পোন হৈ বহিল।

'য'ত আছা তাতে থাকা। তোমাৰ সাহায্য মোক নালাগে। তুমি ভাবা অকল তোমাৰেই বল আছে। তুমিয়ে সব কৰিব পাৰা। কিন্তু ইমান আত্মবিশ্বাস ভাল নহয়। এতিয়া তোমাতকৈও মোৰ শক্তি বেছি। তোমাৰ মাৰাৰ কথা ভাবি ইমানদিনে মই তাৰ ব্যৱহাৰ কৰা নাই। আৰু এটা কথা। তুমি নাজানা মোৰ ব্যৱসায়ৰ সব খাটা মোৰ পকেটত।

ঃ দেউতাৰ চাৰ্টত পকেটো আছে। তেনেহ'লে তেওঁৰ কথা সঁচা। জৰ্জৰ চকু-মুখত হতবাক। সববোৰ যেন মিলাই থোৱা আছে তাত। তেওঁক এই মুহূৰ্তত পৃথিৱীৰ সবতকৈ শক্তিশালী যেন লগা হ'ল।

ঃ এবাৰ ফ্ৰিয়েভাক ইয়ালৈ লৈ আনিবা। তাইৰ পৰা মোক আঁতৰাবৰ চেষ্টা কৰিবাচোন। দেখিবা সেই ছোৱালীজনীকো মই কিদৰে তোমাৰ পৰা দূৰ কৰি দিম। কেনেদৰে হ'ব তুমি বুজিয়ে নাপাবা।

জৰ্জৰ চৌদিশে অবিশ্বাস্য ঘটনা। দেউতাকে তেতিয়া তাৰফালে ঘূৰি লৈ হাতজোকাৰি নিজৰ কথাৰে সমৰ্থন দিছে।

ঃ তুমি বন্ধুক নিজৰ বিয়াৰ কথা জনাব বিচাৰিছা। তাৰ মতামতৰ বাবে মোৰ ওচৰলৈ আহিছা? ৰীতিমতে মোৰ খুউব স্ফূৰ্তি লাগিছে। কিন্তু মূৰ্খ ল'ৰা, তুমিতো নাজানা বন্ধুজনে যে তোমাৰ সব খবৰেই পায়। কেনেকে জানিলে বাৰু? তুমি এই ৰুমৰ পৰা সব দৰকাৰী বস্তু নিলেও কাগজ-কলম থৈ গৈছা, মানে পাহৰি গৈছা, আৰু সেয়াই মোৰ পাশুপাত। সব তোমাৰ খবৰ মই ঠিক সময়ত তোমাৰ বন্ধুক জনাওঁ। যোৱা তিনি বছৰ ধৰি সি এই চহৰলৈ অহা নাই। জানি লোৱা, তোমাৰ খবৰ সি তোমাতকৈ এশগুণ বেছি জানে। সেয়ে সি তোমাৰ মিছা ভৰা চিঠি নোখোলেই। ভৰি বা হাতেৰে মোহাৰি পেলায় আৰু মোৰ চিঠিবোৰ সযতনে পঢ়ে। উল্লাসত তেওঁ মূৰৰ ওপৰত হাত তুলি লৰাই থাকিল।

ঃ সি তোমাতকৈ হেজাৰ গুণ বেছি খবৰ জানে। তেওঁ উলাহত থৰক-বৰক হৈছে। মাতো হৈছে ওপৰত।

ঃ হেজাৰ নহয় দহ হেজাৰ গুণ। তেওঁ ব্যংগৰ সুৰত ক'লেও কেনে গম্ভীৰ। কিমান দিন ধৰি মই অপেক্ষা কৰিছো। কেতিয়া তুমি মোৰ ওচৰলৈ আহিবা। আহিবতো লাগিবই। বিভিন্ন বিষয়ত মোৰ মতামত লাগিব। তুমি ভাবা মই তোমাক মন নকৰো। ছেঃ ইমান যে ভুল! তোমাৰ প্ৰতিটো খোজ মোৰ নখত। তুমি মস্ত হেবাং। তুমি ইমানদিনে ভাবিলা মই ৰুমটোত সোমাই খবৰ কাগজেই পঢ়ো। আৰু একো নকৰো। কিন্তু এইটো ধৰা— তেওঁ খবৰ কাগজৰ পাত এটা তালৈ দলিয়াই দিলে। জৰ্জে হতবাক হৈ দেখিলে কাগজখন অদৰকাৰী কিন্তু পুৰণি।

ঃ তুমি সাবালক হোৱাৰে বহুদিন হ'ল। তোমাৰ মা আজি নাই। থকাহ'লে তেওঁ তোমাৰ এই সুখৰ দিনবোৰ দেখিলেহেঁতেন। যোৱা তিনি বছৰে তোমাৰ বন্ধুৰ অৱস্থা বেয়া হৈছে। আৰু মইঃ মইতো কেনে আছো স্বচক্ষেই দেখিছা।

ঃ তেনেহ'লে আপুনি মোক ছলনা কৰিলে। আৰ্তকণ্ঠে জৰ্জে সুধিলে।

তেওঁ তাচ্ছিল্ল্য কৰি উত্তৰ দিলে—

ঃ মই আশা কৰিছিলো তুমি এই কথা মোক কেইদিনমান আগত আহি সুধিবা। কিন্তু বৰ দেৰি কৰিলা জৰ্জ। এতিয়া কোৱাৰ মন নাই। তেওঁৰ মাতটো ধাৰাল হৈ গ'ল। তেন্তে তুমি অতদিন পাচত জানিব পাৰিলা যে তোমাৰ অগোচৰতো বহু ঘটনাই ঘটে। সঁচাকে তোমাৰ দৰে নিৰ্বোধ মই ক'তো দেখা নাই। কিন্তু তাতোকৈ ডাঙৰ কথা হ'ল তুমি এটা সাংঘাতিক চয়তান গতিকে মই তোমাক আদেশ কৰিছো পানীত ডুবি মৰা।

গোটেই ৰুমটো অসহ্যকৰ হৈছে জৰ্জৰ। সি ঘূৰিল। কিন্তু ঢাপকৈ পুনৰ বিছনাত দেউতাক পৰি গ'ল। ইতিমধ্যে জৰ্জ ৰুমৰ পৰা বাহিৰ হ'ল। তাৰপাচত চিৰিৰ ফালে গ'ল। ঠিক তেতিয়াই বনকৰা মানুহজনীয়ে পুৱাৰ কামৰ বাবে ওপৰলে উঠি আহিছিল। জৰ্জক পগলাৰ দৰে নমা দেখি তাই আটাহ পাৰি উঠিল। জৰ্জ ইতিমধ্যে তললৈ নামিলে. তাৰপৰা সন্মুখৰ খোলা দৰ্জাইদি তীৰবেগে ৰাস্তা পাৰ হৈ ঊৰ্ধ্বশ্বাসে নদীৰ ফালে দৌৰিলে।

অলপ পিচত জৰ্জ ব্ৰীজৰ ওপৰত। ৰেলিঙত ধৰি সি খুব ফোঁপাইছে! ভোকাতুৰে সন্মুখত আহাৰ পালে যেনে কৰে ঠিক তেনে। এসময়ত সি আছিল চহৰৰ নামকৰা ব্যায়ামবীৰ। ইয়াক লৈ মাক-দেউতাকৰ গৰ্বৰ অন্ত নাছিল। আজি সেই বিদ্যাক কামত লগোৱাৰ চেষ্টা কৰিলে। সবল ৰেলিঙত ধৰি সি পাল্টি মাৰি দিলে।

ব্ৰীজৰ ফালে এটা শব্দ হৈছে। জৰ্জৰ হাত ক্ৰমশঃ শিথিল হৈ গৈছে। তলত গভীৰ শূন্যতা। তলত তাৰ পানী। সি জানে যান-বাহনৰ শব্দত পানীত পৰাৰ শব্দ শুনা নাযায়।

ঃ হে মোৰ মৰমৰ মা-দেউতা মই আপোনালোকক বৰ ভাল পাওঁ। এতিয়াও— ফিচ্‌ফিচাই কথাটো কৈ সি হাত এৰি দিলে। তলত নামি পৰিল। গভীৰ, অতল গভীৰ। তেতিয়া কঁপি আছে বিৰামহীন গাড়ীৰ শব্দ। ■

*শিক্ষাৰ প্ৰতিটো ক্ষেত্ৰতে গেৰুৱা বাহিনীৰ মৌলবাদী কাম-কাজে প্ৰকট ৰূপত আত্মপ্ৰকাশ কৰিছে। অত্যন্ত শীতল মগজুৰে কৰা এই কাম-কাজক বহুতে সংস্কাৰ আখ্যা দিছে যদিও এই সংস্কাৰে কিন্তু আমাক আধুনিক সমাজ ব্যৱস্থালৈ বাট পোনাই নিদিয়ে। বৰং এই পথ হৈছে মধ্যযুগীয় সমাজ ব্যৱস্থালৈ আগ্ৰাসনৰ পথ। সেয়েহে বিভেদকাৰী এই শক্তিবোৰক সমাজৰ আৰু তললৈ শিপাবলৈ নিদি ছাত্ৰ সমাজে এওঁলোকক দেশ তথা জাতিৰ মূল শত্ৰুৰূপে চিহ্নিত কৰা উচিত।*

# শিক্ষা সংকট আৰু গেৰুৱাকৰণ

## এটি পৰ্যালোচনা

মুকুট শৰ্মা

ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ ছাত্ৰ সমাজৰ লগতে ভাৰতৰ অন্যান্য প্ৰান্তৰ ছাত্ৰ সমাজেও কান্ধত কান্ধ মিলাই ব্ৰিটিছ সাম্ৰাজ্যবাদক বিতাড়িত কৰাৰ স্বাৰ্থত মাৰবান্ধি থিয় দিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কৰা বীৰত্বপূৰ্ণ এই সংগ্ৰামৰ মূল চালিকা শক্তি আছিল এখনি সুখী, সমৃদ্ধিশালী ভাৰতবৰ্ষৰ সপোন! য'ত শিক্ষাৰ সমস্ত দায়িত্ব চৰকাৰে বহন কৰিব। শিক্ষাৰ অন্তত কৰ্মসংস্থানৰ নিশ্চয়তা থাকিব।

ভাৰতবৰ্ষ স্বাধীন হ'ল। আশা কৰা গৈছিল যে স্বাধীন ভাৰতবৰ্ষই অৰ্থনৈতিক আৰু বৌদ্ধিকভাৱে স্ব-নিৰ্ভৰশীল হৈ বিশ্বত এখন সমৃদ্ধিশালী দেশৰূপে চিহ্নিত হ'ব। এই লক্ষ্য আহৰণৰ বাবে প্ৰয়োজন আছিল এক বাস্তৱমুখী আৰু বিজ্ঞানসম্মত শিক্ষাপদ্ধতি প্ৰচলন কৰা। কিন্তু বাস্তৱক্ষেত্ৰত দেখা গ'ল স্বাধীন চৰকাৰে এলান্ধুকলীয়া ব্ৰিটিছ শিক্ষা পদ্ধতিকে খামোচ মাৰি ধৰি থাকিল আৰু শিক্ষাৰ ক্ষেত্ৰত চৰম অনীহা প্ৰদৰ্শন কৰি পৰ্যাপ্ত পৰিমাণে ধন ব্যয় কৰাৰ পৰাও বঞ্চিত থাকিল।

স্বাধীনতাৰ ঠিক পিচতেই গঠন কৰা শিক্ষা সম্পৰ্কীয় আয়োগ, ৰাধাকৃষ্ণণ আয়োগে উচ্চশিক্ষাৰ সম্প্ৰসাৰণৰ বাবে মতামত দাঙি ধৰি ৰাষ্ট্ৰৰ দ্বাৰা ইয়াৰ দায়িত্ব গ্ৰহণৰ কথা উল্লেখ কৰিছিল। ইয়াৰ পিচত শিক্ষা সম্পৰ্কীয় বহুতো আয়োগ গঠন কৰা হৈছে। প্ৰায় সকলোবোৰ আয়োগেই সৰ্বসন্মতভাৱে পৰামৰ্শ আগবঢ়াইছে যে ভাৰতবৰ্ষৰ শিক্ষাৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ খৰচ কৰা উচিত; কিন্তু স্বাধীন ভাৰতৰ এখন চৰকাৰেও এই পৰামৰ্শ গ্ৰহণ নকৰিলে। ইয়াৰ বিপৰীতে দিন বাগৰাৰ লগে লগে শিক্ষাৰ সা-সুবিধাসমূহ কৰ্তন কৰাহে পৰিলক্ষিত হ'ল। শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে পদক্ষেপ গ্ৰহণ নকৰি স্বাধীন ভাৰতৰ তথাকথিত চৰকাৰসমূহে ভাৰতবৰ্ষৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ মানৱ সম্পদকে মূলতঃ বিকশিত হোৱাৰ সুযোগৰ পৰা বঞ্চিত কৰিলে।

স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত শিক্ষাৰ কোনো বিকাশ নোহোৱা বুলি ক'লে নিশ্চয় ভুল কৰা হ'ব। কাৰণ এই সময়ছোৱাতে যথেষ্টসংখ্যক স্কুল-কলেজ স্থাপন হৈছে আৰু শিক্ষিতৰ হাৰ স্বাধীনতা লাভৰ পূৰ্বৰ ১০ শতাংশৰ পৰা ১৯৯৮-৯৯ চনত ৩৪.৭ শতাংশলৈ বৃদ্ধি পাইছে। স্ত্ৰী-শিক্ষাৰো সম্প্ৰসাৰণ হৈছে।

কিন্তু ভালদৰে গমি চালে দেখা যাব যে দৰাচলতে কথাটো তেনে নহয়। ভাৰতবৰ্ষৰ বিশাল জনসংখ্যাৰ তুলনাত যি হাৰত স্কুল-কলেজৰ সংখ্যা বৃদ্ধি হৈছে। সেয়া অতি নগণ্য। চৰকাৰী তথ্যমতেই ১৭-২৩ বছৰৰ ভিতৰত উচ্চশিক্ষাৰ বাবে নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ৬ শতাংশহে। অৰ্থাৎ স্বাধীনতা লাভ কৰাৰ দুটা শতিকাৰ পিচতো স্বাধীন ভাৰতৰ চৰকাৰসমূহে ৯৪ শতাংশ ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষা এক অলীক কল্পনা কৰিয়েই ৰাখিলে।

কেইবছৰমানৰ আগেয়ে ভাৰতৰ উচ্চশিক্ষাৰ তদাৰকী সংস্থা 'University Grants Commission'ৰ দ্বাৰা প্ৰকাশিত 'Development of Education Policy Frame (1987)'ৰ প্ৰতিবেদনত ভাৰতৰ উচ্চশিক্ষা ব্যৱস্থাৰ ত্ৰুটি-বিচ্যুতি সম্পৰ্কে বিশ্লেষণ কৰি দোহৰা হৈছে যে, সুদীৰ্ঘ কালৰ এই ব্যৱস্থাটোৰ অন্ধকাৰ দিশটো ছানি আছে ঔপনিবেশিক কালৰ মডেল আৰু মূল্যবোধ, ব্যক্তিকেন্দ্ৰিকতা, প্ৰতিযোগিতা পৰীক্ষা পাছৰ জোখাৰে প্ৰয়োজনীয় তথ্য-সমল যিকোনো উপায়ে সংগ্ৰহ কৰি তাৰ সহায়ত পৰীক্ষা উত্তীৰ্ণ হোৱাৰ মানসিকতা আৰু তাকে অৱলম্বন হিচাপে লৈ সামাজিক প্ৰতিষ্ঠা লাভৰ বাবে প্ৰয়াস। এনেবোৰ অস্বাস্থ্যকৰ কথাই প্ৰায়েই গ্ৰাস কৰি পেলোৱা শিক্ষা ব্যৱস্থাই প্ৰকৃতাৰ্থত সামাজিক তাৎপৰ্য হেৰুৱাইছে। তথাকথিত শিক্ষিতচামটো হৈ পৰিছে ব্যক্তিকেন্দ্ৰিক। তেওঁলোক বিচ্ছিন্ন হৈ পৰিছে বিশাল সমাজখনৰ পৰা। বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বীকাৰোক্তিমতেই 'The system is a gigantic monolith, very difficult to move or charge and in spite of its achievments which are and by no means considerable, but it has solved itself to be inadequate to meet our national needs and as....'

আশীৰ দশকৰ পৰাই বিশ্ববেংকৰ নিৰ্দেশত ভাৰত চৰকাৰে উচ্চশিক্ষাৰ সমান্তৰালভাৱে প্ৰাথমিক শিক্ষাৰ ওপৰতো আক্ৰমণ কেন্দ্ৰীভূত কৰিছে। ১৯৮৫ চনত ৰাজীৱ গান্ধীৰ চৰকাৰে নতুন শিক্ষানীতিৰ প্ৰৱৰ্তন কৰে। এই শিক্ষানীতিৰ মৰ্মবস্তু হ'ল এয়ে যে শাসক শ্ৰেণীৰ দৰকাৰ পূৰাব পৰাকৈ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ পুনৰ গঠন কৰা। অলাগতিয়ালসকলৰ বাবে 'দূৰৱৰ্তী শিক্ষা' নাইবা 'আনুষ্ঠানিক শিক্ষা'ৰ ব্যৱস্থা কৰাৰ জৰিয়তে গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীক অজ্ঞতাৰ অন্ধকাৰলৈ পৰ্যবসিত কৰাৰ চক্ৰান্ত কৰা হ'ল। অতি আমোদজনক কথা এয়ে যে যেতিয়াই শিক্ষাৰ বাবে শাসক শ্ৰেণীয়ে ব্যয় কৰ্তন কৰাৰ চক্ৰান্ত কৰে তেতিয়াই 'গুণগত' আৰু 'পৰিণামগত' আদি যুক্তি আগবঢ়ায়। ব্ৰিটিছ সাম্ৰাজ্যবাদেও তাকেই কৰিছিল। কুৰি শতিকাৰ আৰম্ভণিতে লৰ্ড কাৰ্জনে শিক্ষা সংকোচনৰ নীতি গ্ৰহণ কৰিবৰ বাবে এনে যুক্তিয়েই আগবঢ়াইছিল।

আনহাতে ভাৰতীয়কৰণ, জাতীয়কৰণ আৰু আধ্যাত্মিকতাকৰণক শিক্ষাৰ মূল শ্ল'গান হিচাপে ঘোষণা কৰা বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে শিক্ষাৰ গোলকীকৰণ নীতি। 'গেট্ট', 'বিশ্ব বাণিজ্য সংস্থা' আদিয়ে আগবঢ়োৱা অৰ্থনৈতিক

গোলকীকৰণ এতিয়া শিক্ষাৰ ক্ষেত্ৰলৈকেও সম্প্ৰসাৰিত কৰা হৈছে। বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশ সংস্থাৰ ঋণ সাহায্যৰে 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' প্ৰতিষ্ঠা কৰা হৈছে আৰু এই আঁচনিৰ জৰিয়তে ভাষাশিক্ষা, অংক আৰু বিজ্ঞানৰ অৱমূল্যায়ন ঘটাই বৃত্তিমুখী শিক্ষা দিয়াৰ নামত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাৰ সুযোগ প্ৰাথমিক পৰ্যায়তে সীমাবদ্ধ ৰাখি, উচ্চশিক্ষাৰ সুযোগৰ পৰা বঞ্চিত কৰিব বিচৰা হৈছে। আনহাতে ধনীসকলে নিজস্ব খৰচত সকলোধৰণৰ প্ৰথাগত শিক্ষালাভৰ সুযোগ ৰখা হৈছে। বৰ্তমান সমগ্ৰ বিশ্বতে বজাৰ অৰ্থনীতি আৰু পুঁজিবাদ শক্তিশালী হৈ উঠিছে। শিক্ষাৰ গোলকীকৰণৰ নামত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা বজাৰ অৰ্থনীতিৰ চাহিদা আৰু যোগানৰ আৰ্হিত প্ৰতিষ্ঠা কৰিব বিচৰা হৈছে।

বৰ্তমান ভাৰতৰ ছাত্ৰ সমাজৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে দেখা দিয়া সমস্যাটো হৈছে শিক্ষাৰ ব্যৱসায়ীকৰণ বা বাণিজ্যিকীকৰণ। এই সমস্যাৰ সৃষ্টি কৰা হৈছে শিক্ষাৰ ব্যক্তিগতকৰণ কৰাৰ মাধ্যমেৰে। কোৱা বাহুল্য যে শিক্ষাৰ ব্যৱসায়ীকৰণ বা বাণিজ্যিকীকৰণ প্ৰক্ৰিয়াৰ ব্লু-প্ৰিণ্ট তৈয়াৰ হৈছিল কংগ্ৰেছ চৰকাৰৰ আমোলত আৰু এতিয়াৰ বিজেপি নেতৃত্বাধীন চৰকাৰে এই নীতিসমূহকেই আৰু অধিক উৎসাহেৰে কাৰ্যত ৰূপায়ণ কৰিছে।

১৯৮৫ চনত ৰাজীৱ গান্ধীৰ চৰকাৰে 'নতুন শিক্ষানীতি' প্ৰৱৰ্তন কৰাৰ পাচত শিক্ষাৰ ওপৰত কেনেধৰণে আক্ৰমণ নামি আহিছে এয়া নিম্ন উল্লিখিত পৰিসংখ্যাই স্পষ্টভাৱে দেখুৱাই দিব। স্বাধীনতাৰ পৰৱৰ্তী সময়ত ভাৰতবৰ্ষত উচ্চ শিক্ষাখণ্ডক শক্তিশালী কৰাৰ বাবে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। উচ্চশিক্ষা শিতানত ১৯৮৫ চনলৈ ক্ৰমাগতভাৱে ব্যয় বৃদ্ধি পৰিলক্ষিত হোৱাৰ বিপৰীতে ইয়াৰ পৰৱৰ্তী সময়ত এই ব্যয় সাংঘাতিকভাৱে হ্ৰাস কৰা হৈছে। শিক্ষাখণ্ডত কৰা মুঠ ব্যয়ৰ ভিতৰত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৫১-১৯৫৬) উচ্চশিক্ষাৰ বাবে ৯ শতাংশ খৰচ কৰা হৈছিল। এই ব্যয় চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৬৯-১৯৭৪) ২৫ শতাংশলৈ বৃদ্ধি কৰা হৈছিল। কিন্তু ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৮০-৮৫) ই ২২ শতাংশলৈ হ্ৰাস পালে আৰু অষ্টম পৰিকল্পনাত (১৯৯২-১৯৯৭) মাত্ৰ ৮ শতাংশহে উচ্চশিক্ষাৰ বাবে ব্যয় কৰা হ'ল। ১৯৯৯ চনৰ অক্টোবৰত পেৰিছ চহৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীয়ে বিশ্ব উচ্চশিক্ষা সন্মিলনত ঘোষণা কৰিছিল— 'চৰকাৰে উচ্চশিক্ষাৰ ক্ষেত্ৰত বেচৰকাৰী উদ্যোগক উৎসাহিত কৰিব।' এইবছৰৰ বাজেটত লজ্জাজনকভাৱে এইটোৱেই প্ৰতিফলিত হৈছে। উচ্চশিক্ষা আৰু বিশ্ববিদ্যালয় শিক্ষা শিতানত কেন্দ্ৰীয় বাজেটত যোৱা বছৰ ২১২৮ কোটি ৭৮ লাখ টকা ধাৰ্য কৰা হৈছিল যদিও সংশোধিত বাজেটত এই পৰিমাণ ২.৫৯১ কোটি ১০ লাখ ধাৰ্য কৰা হয়। এইবেলি সংশোধিত এই পৰিসংখ্যাতকৈ ৯৪৮ কোটি ৪৮ লাখ টকা হ্ৰাস কৰা হৈছে। তাৰ নিহিত অৰ্থটো হ'ল— এইবাৰৰ বাজেটত উচ্চশিক্ষা আৰু বিশ্ববিদ্যালয় শিক্ষা শিতানত ৩৭ শতাংশ হ্ৰাস কৰা হ'ল।

মাধ্যমিক শিক্ষাৰ বাবে এইবাৰৰ বাজেটত মুঠ ১,৩০৮ কোটি ৭৩ লাখ টকা ধাৰ্য কৰা হৈছে। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ পৰিচালিত কেন্দ্ৰীয় বিদ্যালয়সমূহৰ বাবে ৫৯৬ কোটি ১০ লাখ টকা আৰু তেওঁলোকৰেই আন প্ৰকল্প নৱোদয় বিদ্যালয়ৰ বাবে ৪৪৪ কোটি ৫০ লাখ টকা আছুতীয়াকৈ ৰখা হৈছে। বাকী থাকিল ২৬৮ কোটি ১৩ লাখ টকা। এইকেইটা টকাৰেই সমগ্ৰ দেশখনৰেই লক্ষাধিক মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়লৈ নহা ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰাৰ কামো সম্পন্ন কৰিবলৈ বিচৰা হৈছে। এয়া এক ধৃষ্টতা মাথোন।

তেনেদৰে মাদ্ৰাছা শিক্ষাৰ ক্ষেত্ৰত যোৱা বছৰ কেন্দ্ৰীয় চৰকাৰে বাজেটত মাত্ৰ ১২ কোটি টকা ধাৰ্য কৰিছিল। এইবাৰৰ বাজেটত এই পৰিমাণ ১০.৫ কোটি টকালৈ হ্ৰাসহে কৰিলে।

আৰ্থিক উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ প্ৰক্ৰিয়াক আন ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি শিক্ষাক্ষেত্ৰলৈও প্ৰসাৰিত কৰাৰ ফলত ভাৰতৰ গৰিষ্ঠসংখ্যক অশিক্ষিত, নিৰক্ষৰ আৰু উঠি অহা নতুন প্ৰজন্মই একপ্ৰকাৰ শিক্ষাক্ষেত্ৰৰ পৰা উচ্ছেদ জাননীয়ে পালে। কাৰণ 'জোৰ যাৰ মুলুক তাৰ' নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত শিক্ষা ব্যৱস্থাত আজি যি সময়ত ভাৰতৰ বুজনসংখ্যক মানুহে নিজৰ মৌলিক প্ৰয়োজন পূৰাবৰ বাবে সক্ষম নহয়, তেনে অৱস্থাত উচ্চহাৰত মাচুল দি ব্যক্তিগত খণ্ডৰ স্কুলত নামভৰ্তি কৰি ল'ৰা-ছোৱালীক শিক্ষা দিয়াটো স্বাভাৱিকতে অসম্ভৱৰূপে পৰিগণিত হ'ব। বিশেষকৈ উচ্চশিক্ষাৰ ক্ষেত্ৰত এনে হোৱাটো নিতান্তই স্বাভাৱিক। ইয়েই চৰকাৰৰ স্ব-বিৰোধী শিক্ষানীতিৰো আভাস দিয়ে। এইফালে চৰকাৰে সাৰ্বজনীন শিক্ষাৰ ঢাক-ঢোল বজাইছে আৰু আনফালে শিক্ষাক্ষেত্ৰক পৰ্যায়ক্ৰমে ব্যক্তিগতকৰণ কৰি গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীক প্ৰাথমিক শিক্ষাৰ পৰাই বঞ্চিত কৰিবলৈ ওলাইছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ১৯৬৬ চনতে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ সময়সীমা বান্ধি লোৱা হৈছিল। পৰৱৰ্তী পৰ্যায়ত এই লক্ষ্য ১৯৮৬ চনলৈ আগবঢ়াই দিয়া হয়। ১৯৮৬ চনতো এই লক্ষ্য পূৰণ নহ'ল। পুনৰায় এই সময়সীমা ২০০০ চনলৈ বৃদ্ধি কৰা হয়। ২০০০ চন পাৰ হৈ গ'ল। লক্ষ্যত উপনীত হ'ব পৰা নগ'ল। এতিয়া ২০১০ চনলৈ বৃদ্ধি কৰা হৈছে। অৰ্থাৎ একৈশ শতিকাৰ প্ৰথম দশকতো ভাৰতবৰ্ষত বিদালয়লৈ যাবলৈ সুযোগ-সুবিধা নোপোৱা শিশু আছে। বৰ্তমান ভাৰতবৰ্ষত মুঠ ৮ কোটি ২০ লাখ শিশুৱে কোনোধৰণৰ বিদ্যালয়লৈ যোৱাৰ সুযোগ পোৱা নাই। পৰিণতিত ভাৰতবৰ্ষ আজি বিশ্বৰ ভিতৰতে সৰ্বাধিক অশিক্ষিত আৰু শিশু শ্ৰমিক উৎপাদনকাৰী দেশত পৰিণত হৈছে। দোহৰাবৰ প্ৰয়োজন নাই যে উল্লিখিত পৰিসংখ্যাই চৰকাৰী শিক্ষানীতিৰ সাৰশূন্যতাকে প্ৰতিফলিত কৰে।

গতিকে দেখা গ'ল যে শিক্ষাৰ সকলো স্তৰতে ব্যৱসায়ীকৰণ আৰু বাণিজ্যিকীকৰণ বৃদ্ধি কৰি বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে শিক্ষাক যে এটি পণ্য-সামগ্ৰীত পৰিণত কৰিছে এনে নহয় শিক্ষাক্ষেত্ৰত ব্যয় হ্ৰাস কৰি শিক্ষাৰ প্ৰতি থকা চৰকাৰৰ দায়বদ্ধতাকো অস্বীকাৰ কৰিছে। এইবোৰ পদক্ষেপৰ উপৰি কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে সম্পদ আহৰণ আৰু মহাবিদ্যালয়সমূহলৈ স্বায়ত্তশাসনৰ মৰ্যাদা প্ৰদানৰ নামত উচ্চশিক্ষাৰ প্ৰতি থকা সকলোধৰণৰ চৰকাৰী দায়িত্বৰ পৰা নিজকে আঁতৰাই অনাৰ কামত ব্ৰতী হৈছে। বিজেপি নেতৃত্বাধীন জোঁট চৰকাৰখনৰ শিক্ষাৰ বাণিজ্যিকীকৰণৰ বাবে গ্ৰহণ কৰা শেহতীয়া নিদৰ্শন হ'ল 'ব্যক্তিগত বিশ্ববিদ্যালয় বিধেয়ক'খন সদনত পাছ কৰাৰ বাবে গ্ৰহণ কৰা তৎপৰতা। অত্যধিক আলোচনালৈ নগৈ ইয়াকে ক'ব পাৰি যে এই বিলখনৰ জৰিয়তে ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় পতাৰ বাবেও চৰকাৰে অনুমতি প্ৰদান কৰিবলৈ বিচাৰিছে। এনে এখন বিশ্ববিদ্যালয় ব্যক্তিগত কৰ্পৰেচন এটাৰ দৰেই পৰিচালিত হ'ব। ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়সমূহৰ মূল লক্ষ্যই হ'ব মুনাফা অৰ্জন। অৰ্থনৈতিকভাৱে পশ্চাদপদ আনকি মধ্যবিত্ত শ্ৰেণীৰ বাবেও এনে বিশ্ববিদ্যালয়ত শিক্ষাগ্ৰহণ কৰাটো সম্ভৱপৰ নহ'ব। অৰ্থাৎ ব্যক্তিগত বিশ্ববিদ্যালয় আইনৰ জৰিয়তে অটল বিহাৰী বাজপেয়ী এণ্ড কোম্পানীয়ে ধনী শ্ৰেণীৰ বাবে শিক্ষাৰ অধিকাৰ সংৰক্ষিত কৰাৰ চক্ৰান্তত লিপ্ত হৈছে। সমাজৰ

গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে দ্বিতীয় শ্ৰেণীৰ শিক্ষা আৰু ধনী শ্ৰেণীৰ বাবে উন্নত শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ মাজেৰে বাজপেয়ীহঁতে কাৰ স্বাৰ্থৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছে তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন।

**শিক্ষাৰ গেৰুৱাকৰণ ঃ মধ্যযুগীয় ধৰ্মীয় উন্মাদনা সৃষ্টিৰ আন এক প্ৰয়াস**

বৰ্তমান শিক্ষা ব্যৱস্থাৰ লগতে ভাৰতৰ জাতীয় সংহতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰা সমস্যাটো হৈছে শিক্ষাৰ গেৰুৱাকৰণ বা সাম্প্ৰদায়িকীকৰণ। ইতিহাসৰ বিকৃত উপস্থাপন আৰু পাঠ্যপুথিত ধৰ্মীয় (সাম্প্ৰদায়িক বুলি পঢ়ক) চিন্তা-চৰ্চা অন্তৰ্ভুক্ত কৰা প্ৰচেষ্টা অৱশ্যে আজিৰ নহয়। হিন্দুত্ববাদী দলসমূহৰ এই প্ৰচেষ্টা বহু পূৰ্বৰ পৰাই চলি আহিছে। কিন্তু পূৰ্বতে এই প্ৰচেষ্টা শিক্ষাক্ষেত্ৰৰ বাহিৰতে সীমাবদ্ধ আছিল। কিন্তু আজি যি সময়ত কেন্দ্ৰত গেৰুৱা বাহিনীৰ নেতৃত্বত চৰকাৰ চলি আছে সেই সময়তে অন্যান্য গেৰুৱা হিন্দুত্ববাদী স্বেচ্ছাসেৱী সংগঠনৰ সহায়-সহযোগত এই চৰকাৰে শিক্ষাক্ষেত্ৰক কলুষিত কৰিবলৈ আগবাঢ়িছে।

শিক্ষাৰ গেৰুৱাকৰণ আৰু ইতিহাস বিকৃতকৰণৰ কাৰণে চলি থকা জঘন্য প্ৰচেষ্টা আৰ্থিক উদাৰীকৰণ আৰু বিশ্বায়নৰ এটি ফল বুলিয়েই ক'ব পাৰি। আৰ্থিক উদাৰীকৰণৰ ফলত আমাৰ দেশীয় বজাৰ বিদেশী কল-কাৰখানাৰ উৎপাদিত সামগ্ৰীয়ে ফেৰ মাৰিব নোৱাৰাৰ ফলত এটাৰ পাচত এটাকৈ দেশীয় উদ্যোগ বন্ধ হ'বলৈ আৰম্ভ কৰিছে। নিবনুৱা সমস্যা বৃদ্ধি হৈছে আৰু তাৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে দৰিদ্ৰতা। এশ-এবুৰি সমস্যাই সমাজ গ্ৰাস কৰিবলৈ ওলাইছে আৰু কৌশলগতভাৱে প্ৰচাৰ কৰা হৈছে যে এই সমস্যাৰ বাবে মূলতঃ দায়ী এক বিশেষ শ্ৰেণীৰ ধৰ্মাৱলম্বী লোক। ধৰ্মীয় মৌলবাদৰ সৃষ্টিৰ লগত আৰ্থিক উদাৰনীতি এনেদৰে অংগাংগীভাৱে যুক্ত হৈ আছে। সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ পৰা সমস্যাৰ প্ৰকৃত স্বৰূপ লুকুৱাই ৰাখি মানুহে যাতে ধৰ্মীয় চিন্তা-চৰ্চাৰ ঠেক গণ্ডীৰ পৰা ওলাই আহি সমস্যা সমাধানৰ সঠিক পথত থিয় হ'ব নোৱাৰে তাৰকাৰণে অবৈজ্ঞানিক আৰু বাস্তৱ জীৱনৰ লগত সংগতিবিহীন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা চলোৱা হৈছে। সেয়েহে শিক্ষাক গেৰুৱাকৰণৰ এই অহৰহ প্ৰচেষ্টা।

১৯৮০ চনৰ অক্টোবৰ মাহত শিক্ষামন্ত্ৰীসকলৰ সন্মিলনত নতুন শিক্ষানীতিৰ আধাৰত শিক্ষা ব্যৱস্থাত পৰিৱৰ্তনৰ প্ৰস্তাৱ উত্থাপন কৰিব বিচাৰিছিল। প্ৰস্তাৱৰ কেইটামান ৎ... — সংস্কৃতক বাধ্যতামূলক বিষয়ৰূপে স্নাতক পৰ্যায়লৈ অন্তৰ্ভুক্ত কৰা, সৰস্বতী বন্দনা বাধ্যতামূলক কৰা, পাঠ্যপুথিৰ জৰিয়তে 'হিন্দু-সংস্কৃতি'ৰ জ্ঞান বিলোৱাৰ অৰ্থে বেদ-উপনিষদৰ শিক্ষা প্ৰচলন কৰা, ছাত্ৰীসকলৰ বাবে 'গৃহশিক্ষা'ৰ প্ৰচলন কৰা ইত্যাদি।

ভাৰতবৰ্ষত প্ৰচলিত কেইবাটাও উল্লেখযোগ্য ভাষাৰ সৃষ্টি হৈছে সংস্কৃত ভাষাৰ পৰা। হিন্দু ধৰ্মৰ মূল বেদ-উপনিষদ আৰু অন্যান্য ধাৰ্মিক গ্ৰন্থসমূহো ৰচিত হৈছিল সংস্কৃত ভাষাতে। সংস্কৃত ভাষাক দেৱ ভাষা বুলি কোৱা হয়। এই ভাষাৰ প্ৰতি আমাৰ সকলোৰে শ্ৰদ্ধা আছে। সংস্কৃত ভাষাৰ সৰ্বাংগীন বিকাশো আমাৰ কাম্য। কিন্তু বৈজ্ঞানিক শিক্ষা পদ্ধতিত সংস্কৃত ভাষা উপযোগী ভাষা হ'ব নোৱাৰে। তদুপৰি আজিৰ এই যান্ত্ৰিক যুগত বেদ-উপনিষদৰ 'মহৎ বাণী'সমূহে বিশ্বৰ উন্নত দেশবিলাকৰ লগত ফেৰ মৰাত সহায় কৰিব জানো? সংস্কৃত ভাষাক বৰ্তমান স্কুলসমূহত ক্লাছিকেল ভাষাৰূপে পাঠদান কৰি অহা হৈছে। যিয়ে ইচ্ছা কৰে সংস্কৃত ভাষা শিকিব পাৰে, গৱেষণা কৰিব পাৰে। তাত কোনো বাধ্যবাধকতা নাই। কিন্তু স্কুলৰ পাঠ্যক্ৰমত 'Classical Language' এটিক বাধ্যতামূলক কৰিলে বা কৰাৰ চেষ্টা কৰিলে সন্দেহৰ অৱকাশ নিশ্চয় থাকিব। আনহাতে গৃহশিক্ষা ছাত্ৰীসকলৰ বাবে সংৰক্ষিত কৰাৰ আঁৰত যে মহিলাক ৰান্ধনীশালতেই আবদ্ধ কৰাৰ উদ্দেশ্য নিহিত আছে সেয়া তেনেই স্পষ্ট।

বিজেপি নেতৃত্বাধীন কেন্দ্ৰৰ মৰ্চা চৰকাৰে নৈতিক আৰু মূল্যবোধভিত্তিক শিক্ষা দিয়াৰ নামত অবৈজ্ঞানিক ধৰ্মীয় চিন্তা-ভাৱনা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি সৰ্বাধিক ক্ষতিসাধন কৰিব বিচাৰিছে। ইতিমধ্যে স্নাতক পৰ্যায়ত জ্যোতিষ চৰ্চা, যজমানী আদিৰ দৰে পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি শিক্ষাক ধৰ্মীয়কৰণৰ পিনে লৈ যাব খোজা কেন্দ্ৰীয় চৰকাৰে এতিয়া প্ৰাথমিক পৰ্যায়ৰ পৰাই ধৰ্মীয় শিক্ষাৰ ব্যৱস্থা কৰিব বিচাৰিছে। বিজেপি চৰকাৰৰ শিক্ষানীতিমতে ধৰ্মই হৈছে মূল্যবোধভিত্তিক শিক্ষাৰ মুখ্য উৎস। গতিকে প্ৰাথমিক পৰ্যায়ৰ পৰাই সকলো ধৰ্মৰ দৰ্শনৰ তুলনামূলক শিকনি ছাত্ৰ-ছাত্ৰীক দিব বিচৰা হৈছে। বিশিষ্ট শিক্ষাবিদসকলৰ মতে প্ৰাথমিক পৰ্যায়ৰ পৰা ধৰ্মীয় দৰ্শন শিকোৱাটো মুঠেও আদৰ্শ কথা হ'ব নোৱাৰে। এনে শিক্ষা দিব খুজিলে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰাহে দিব লাগে। ১৯৬৪-৬৬ চনত গঠিত শিক্ষা আয়োগেও এনে মতকে পোষণ কৰিছিল।

ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক নীতিৰ প্ৰতি লক্ষ্য ৰাখি সকলোবোৰ শিক্ষা আয়োগে যিকোনোধৰণে ধৰ্মীয় শিক্ষাৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰাটো বিপজ্জনক বুলি সকীয়াই দি গৈছে। এনে সকীয়নিৰ প্ৰতি বিজেপি নেতৃত্বাধীন মৰ্চা চৰকাৰে কোনো গুৰুত্ব দিয়া নাই। এওঁলোকে এতিয়া সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ আৰু ধৰ্মীয় শিক্ষা দিয়াৰ দায়িত্ব পৰিয়ালৰ পৰা শিক্ষানুষ্ঠানলৈকে লৈ আনিব বিচাৰিছে। যথাৰ্থতে মূল্যবোধভিত্তিক শিক্ষাৰ নামত বিজেপি নেতৃত্বাধীন চৰকাৰে হিন্দুত্ববাদী শিক্ষা প্ৰৱৰ্তন কৰিব বিচাৰিছে।

ইতিমধ্যে বিজেপিশাসিত ৰাজ্যসমূহত এনে শিক্ষানীতিৰ প্ৰতিফলন দেখা পোৱা গৈছে আৰু গেৰুৱাকৰণৰ ব্যাধিয়ে স্কুলীয়া পাঠ্যপুথিক আক্ৰান্ত কৰিছে।

উত্তৰপ্ৰদেশত স্কুলীয়া পাঠ্যপুথিৰ বিভিন্নধৰণে পৰিৱৰ্তন সাধন কৰা হৈছে। বিকৃত আৰু ইতিহাসবহিৰ্ভূত তথ্য-পাতি আৰু উগ্ৰ হিন্দুত্ববাদী চিন্তা-চৰ্চাৰে সমৃদ্ধ কৰি পাঠ্যপুথিবোৰ সজাই-পৰাই তোলা হৈছে। উদাহৰণস্বৰূপে হাইস্কুলীয়া বুৰঞ্জী পাঠ্যপুথিসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ অনুৰ্বৰ মগজুত এই চিন্তাৰ বীজ ৰোপণ কৰা হৈছে যে আৰ্য জাতি ভাৰতৰ থলুৱা আৰু ভূমিপুত্ৰ। আৰ্য সংস্কৃতি আৰু হিন্দু কোৱাটো সমাৰ্থক। কিন্তু প্ৰকৃততে আৰ্যসকল ভাৰতলৈ প্ৰব্ৰজন কৰি অহাহে আৰু ভাৰতীয় সংস্কৃতি গঢ় লৈ উঠিছে আৰ্য-অনাৰ্যৰ এৰা-ধৰাৰ আৰু সমন্বয়ৰ প্ৰক্ৰিয়াৰে। ভাৰতীয় সংস্কৃতি হৈছে প্ৰকৃততে সংমিশ্ৰিত সংস্কৃতি।

উত্তৰপ্ৰদেশত বিদ্যাভাৰতীৰ দ্বাৰা পৰিচালিত স্কুলৰ চতুৰ্থ শ্ৰেণীৰ পাঠ্যপুথি 'গৌৰৱ গাথাত' কোৱা হৈছে যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম পৰ্ব আৰম্ভ হৈছিল আলেকজেণ্ডাৰৰ আক্ৰমণৰ পিচৰ পৰা। এই কিতাপখনতে কোৱা হৈছে যে মহম্মদ ঘোৰীক পৃথ্বিৰাজে বধ কৰিছিল আৰু কুটুবমিনাৰ সমুদ্ৰগুপ্তই সজাইছিল।

ৰাজস্থানত বিদ্যাভাৰতীৰ দ্বাৰা পৰিচালিত ৬০০০ খন স্কুলত এলানি পুস্তিকা বিতৰণ কৰা হৈছে য'ত ভাৰতৰ মেপত পাকিস্তান, বাংলাদেশ, ভুটান, তিব্বতৰ উপৰি ম্যানমাৰৰ একাংশ ভাৰতৰ অন্তৰ্ভুক্ত বুলি দেখুওৱা হৈছে।

আনহাতে ৰাণাপ্ৰতাপ আৰু শিৱাজীক জাতীয় বীৰৰূপে উপস্থাপন কৰি দেখুৱাব বিচৰা হৈছে যে ভাৰতীয় বুলিলে কেৱল হিন্দুসকলকহে বুজায়। বুৰঞ্জীয়ে এই কথা কোনো সন্দেহ নোহোৱাকৈ স্বীকাৰ কৰে যে ৰাণাপ্ৰতাপ আৰু আকবৰৰ মাজৰ যুদ্ধ বা

শিৱাজী আৰু ঔৰংগজেৱৰ মাজৰ যুদ্ধ প্ৰকৃততে কেৱল দুজন মধ্যযুগীয় ৰজাৰ মাজৰ যুদ্ধহে, হিন্দু-মুছলমানৰ যুদ্ধ নহয়। উদাহৰণস্বৰূপে ঔৰংগজেৱে শিৱাজীৰ বিৰুদ্ধে হিন্দু ৰাজপুত সেনাপতিক পঠিয়াইছিল আৰু এই যুদ্ধত মুছলমান পাঠানসকলে শিৱাজীৰ পক্ষহে লৈছিল। আনহাতে কোনো মন্দিৰ ভাঙি তাৰ ওপৰত বাবৰি মছজিদ গঢ়াৰ কল্প কাহিনীটোৰ কোনো বৈজ্ঞানিক প্ৰমাণ নথকা সত্বেও তাৰ উল্লেখ কৰাৰ মাজেৰে এক ধৰ্মীয় উন্মাদনা সৃষ্টি কৰাৰ অপপ্ৰয়াস দেখদেখকৈ অপৰাধজনক। বাবৰি মছজিদ ধ্বংস কাৰ্যক পবিত্ৰ কৰ্তব্য বুলি অভিহিত কৰি কোৱা হৈছে যে এই সকলোবিলাক হৈছে 'কালছাৰেল এডুকেচন'। কিন্তু যুক্তি-তৰ্ক, বৈজ্ঞানিক গৱেষণা, বিশ্লেষণ আৰু সত্যনিষ্ঠতাক শত্ৰু হিচাপে গণ্য কৰা হিন্দুত্ববাদী দলসমূহে তেওঁলোকৰ সাম্প্ৰদায়িক প্ৰচাৰৰ সুবিধাৰ্থে পাঠ্যক্ৰমৰ এই বিকৃতি সাধন কৰিয়েই আছে।

ঠিক তেনেদৰে আৰ এছ এছৰ দ্বাৰা প্ৰণীত পাঠ্যপুথিবোৰতো কেতবোৰ নাভূত-নাশ্ৰুত তত্ত্বৰ সমাবেশ ঘটোৱা হৈছে। (ক) আৰ্য বুলিলে এটা বংশ গোষ্ঠী বুজায়। (খ) আৰ্য আৰু হিন্দুসকলৰ এক অভিন্ন সংস্কৃতি যি প্ৰাগ-ঐতিহাসিক যুগৰে পৰা প্ৰবহমান। (গ) একে দেশ একে ধৰ্ম আৰু একে সংস্কৃতিৰ এই আৰ্য বা হিন্দুসকলক এটা জাতি হিচাপে অভিহিত কৰিব পাৰি। (ঘ) আৰ্য বা হিন্দু জাতি হৈছে ভাৰতৰ থলুৱা প্ৰাচীনতম অধিবাসী। তেওঁলোক বাহিৰৰ পৰা ভাৰতলৈ অহা নাছিল। সেয়েহে তেওঁলোকেই হৈছে ভাৰত ভূখণ্ডৰ প্ৰকৃত দাবীদাৰ, বৰ্তমান ভাৰতত বসবাস কৰা সকলোৱেই হৈছে বিদেশী। (ঙ) ভাৰতৰ প্ৰকৃত অধিবাসী হিন্দু জাতিয়ে বিদেশী মুছলমানৰ বিৰুদ্ধে এটা জাতি হিচাপে ঐক্যবদ্ধ হৈ যুদ্ধ কৰিছিল। ৰাণাপ্ৰতাপ আৰু শিৱাজী আছিল এই যুদ্ধৰ অন্যতম নেতা আৰু যোদ্ধা। সেয়ে তেওঁলোক জাতীয় বীৰ নায়ক। এই যুদ্ধ হৈছে ভাৰতৰ স্বাধীনতা আন্দোলনৰেই এক পৰ্ব। (চ) আৰ্য সভ্যতা আৰু সংস্কৃতিয়েই হৈছে বিশ্বৰ সৰ্বোৎকৃষ্ট সভ্যতা-সংস্কৃতি। এই সংস্কৃতিৰ ভিত্তি বেদেই হৈছে আজিৰ বিশ্বৰ সকলোধৰণৰ জ্ঞানৰ উৎস। (ছ) ভাৰতৰ মূল ভূখণ্ডৰ মুছলমান ৰজাসকলৰ শাসনকাল আছিল ভাৰতৰ ইতিহাসৰ অন্ধকাৰ যুগ। ধ্বংস, বিনাশ আৰু হিন্দুৰ ওপৰত অত্যাচাৰৰ বাহিৰে ভাৰতৰ সভ্যতা-সংস্কৃতিত এই যুগৰ কোনো মৌলিক অৱদান নাই। (জ) ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰৱৰ্তী পৰ্যায়ত ব্ৰিটিছবিৰোধী আন্দোলনত হিন্দু সামাজিক সংগঠন হিন্দু সভা, আৰ এছ এছ ইত্যাদিয়ে আন্তৰিকতাৰে অংশগ্ৰহণ কৰিছিল। এইবোৰৰ নেতা চৰকাৰ, হেডগেৱাৰ গোলমাৰকাৰ আদি আছিল স্বাধীনতা আন্দোলনৰ নেতা।

কেইবছৰমানৰ পূৰ্বে স্কুল-কলেজত প্ৰচলিত পাঠ্যপুথিসমূহৰ পুনৰীক্ষণ আৰু মূল্যায়নৰ বাবে 'নেচনেল কাউন্সিল অৱ এডুকেচন ৰিচাৰ্চ এণ্ড ট্ৰেইনিং' এ এখন কমিটী গঠন কৰি দিছিল। কমিটীখনৰ নাম আছিল দি নেচনেল ষ্টেৰিং কমিটী অন টেক্সটবুক ইভলুচন'। কমিটীখনে বিদ্যাভাৰতীৰ দ্বাৰা প্ৰকাশিত আৰু পৰিচালিত স্কুলসমূহত প্ৰচলিত পাঠ্যপুথিসমূহৰ ওপৰত তলত দিয়াধৰণে মন্তব্য আগবঢ়াইছে— The Commitee is of the view that the Vidya Bharati schools are bieng clearly used for the dissemination of blatanlty communal ideas.' এই মন্তব্যৰ পৰাই অনুমান কৰিব পাৰি বিদ্যাভাৰতীৰ দ্বাৰা পৰিচালিত দেশৰ হেজাৰ হেজাৰ স্কুলত ছাত্ৰ-ছাত্ৰীক কি শিক্ষাৰে শিক্ষিত কৰি থকা হৈছে। লক্ষণীয় কথাটো হ'ল এয়ে যে এনে বহু স্কুলে ইতিমধ্যে চৰকাৰী অনুমোদন লাভ কৰিছে।

ছাত্ৰ-ছাত্ৰীৰ সঁচা অৰ্থত যদি বৌদ্ধিক বিকাশ হ'ব লাগে তাৰকাৰণে প্ৰয়োজন সুখপাঠ্য আৰু উচ্চমানদণ্ডৰ পাঠ্যপুথি প্ৰচলন কৰা। ৰাষ্ট্ৰ নিৰ্মাণৰ লগতে বিশেষকৈ যি ৰাষ্ট্ৰ বহু ধৰ্ম আৰু বাৰেবৰণীয়া সংস্কৃতিৰে পৰিপূৰ্ণ তেনে ৰাষ্ট্ৰত সামাজিক-অৰ্থনৈতিক পৰিস্থিতি নিয়ন্ত্ৰণতো স্কুল-কলেজৰ পাঠ্যপুথিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। যদি পাঠ্যপুথিয়ে প্ৰত্যেক ধৰ্মীয় সম্প্ৰদায়ৰে ইতিহাস আৰু দৈনন্দিন জীৱন ধাৰাৰ সঁচা চিত্ৰ এখন ছাত্ৰ-ছাত্ৰীৰ আগত উপস্থাপন কৰে তেনেহ'লে সামাজিক শান্তি আৰু সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত ইয়ো সহায়ক হ'ব পাৰে। বিশেষকৈ ভাৰতবৰ্ষৰ দৰে ৰাষ্ট্ৰত যদি ধৰ্মনিৰপেক্ষ ধাৰাক অক্ষুণ্ণ ৰাখিব লগা হয় তেনেহ'লে কোনো বিশেষ ধৰ্মীয় সম্প্ৰদায়ৰ প্ৰতি বিষোদ্গাৰ কৰি লিখা কোনো বিষয় যাতে পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা নহয় তাৰ প্ৰতি ধ্যান দিব লাগিব। কিন্তু বৰ্তমান কেন্দ্ৰৰ বিজেপি মৰ্চা চৰকাৰে এই সাধাৰণ কথাখিনিকেই হৃদয়ংগম কৰিবলৈ সক্ষম হোৱা নাই বা সক্ষম হ'লেও একমাত্ৰ সংকীৰ্ণ ৰাজনৈতিক মুনাফা আদায় কৰাৰ স্বাৰ্থতে উদ্দেশ্যপ্ৰণোদিতভাৱে ইতিহাসক বিকৃত কৰিছে আৰু হিন্দু সাম্প্ৰদায়িকতাক উচটনি দিছে। সংখ্যাগুৰু সাম্প্ৰদায়িকতাৰ প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে সংখ্যালঘু সাম্প্ৰদায়িক দলসমূহে শক্তি বৃদ্ধি কৰিবলৈ সুযোগ পাইছে। সন্দেহ নাই এই গতিত যদি সাম্প্ৰদায়িক দলসমূহৰ শক্তি বৃদ্ধি হৈ থাকে তেনেহ'লে ইয়েই এদিন জাতীয় সংহতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব।

ওপৰত আমি উল্লেখ কৰিছো বিজেপিশাসিত ৰাজ্যসমূহত হাইস্কুলীয়া পাঠ্যপুথিৰ কেনেদৰে গেৰুৱাকৰণ কৰা হৈছে। কিন্তু শিক্ষাৰ গেৰুৱাকৰণ এতিয়া হাইস্কুলীয়া পাঠ্যপুথিতেই সীমাবদ্ধ হৈ থকা নাই, উচ্চশিক্ষাক্ষেত্ৰলৈও প্ৰসাৰিত হৈছে। মহাৰাষ্ট্ৰত স্নাতক তৃতীয় বৰ্ষৰ ইতিহাসৰ কাৰণে নিৰ্বাচিত কৰা কিতাপ এখন মুছলমানসকলক কেনেদৰে বিষোদ্গাৰ কৰা হৈছে তাৰ উদাহৰণ এটি তলত দিয়া হ'ল

'' The advent of Islam might have been a boon to the Arbs who got united under its banner and were enthused by it to carry on conquests in Asia, Africa and Europe but it has been a curse for the people outside Arab. World because wherever the Islamic hords went. They not only conquered the countries. But killed millions of people and plundered their hooms and places of worship and above all, their art works.''

কিতাপখনত আৰু কোৱা হৈছে ''The general Islamic that political power can be claimed by anyone who can wield power goes not only against legality of inheritance to throne but encourages intrigues, plots and rebellions and assassinations of father by his military commander or minister and above all. Master by his servent, nay, even by his slave. There might have been some killings of such a tyne among people of other religious faiths like the Hindus or christians but those were exceptions while in the Islamic people thes occured as a rule, not as exceptions.''

পাঠ্যপুথিত অন্তৰ্ভুক্ত এনে কাল্পনিক বিসংগতিপূৰ্ণ আৰু ইতিহাস বহিৰ্ভূত ভুল তথ্য-পাতিয়ে ছাত্ৰ-ছাত্ৰীৰ অৱচেতন মনত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ উপৰি শিক্ষাৰ বিভিন্ন

সৰ্বভাৰতীয় সংস্থাবিলাকতো প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অহৰহ এনে আক্ৰমণ চলি আছে। শিক্ষা, সংস্কৃতি আৰু ইতিহাসৰ সৈতে জড়িত বিভিন্ন সংস্থা আৰু অনুষ্ঠানৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে বিজেপি আৰ এছ এছপন্থী আৰু উগ্ৰ হিন্দুত্ববাদৰ সমৰ্থনকাৰী ব্যক্তিক। ভাৰতীয় ঐতিহাসিক গৱেষণা পৰিষদ, সামাজিক গৱেষণা পৰিষদ, ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ আৰু প্ৰচাৰভাৰতী হৈছে এনে সংস্থা তথা অনুষ্ঠান য'ত ইতিমধ্যে গেৰুৱাকৰণ সমৰ্থনকাৰী ব্যক্তি নিযুক্ত হৈছে মুৰব্বী হিচাপে। দোহৰাৰ প্ৰয়োজন নাই যে গেৰুৱাকৰুণ সমৰ্থনকাৰী মুৰব্বীসকলৰ সহযোগত হিন্দুত্ববাদৰ আধাৰত ভাৰতীয় ইতিহাসৰ পুনৰ লিখন কৰিব বিচৰা হৈছে, অবৈজ্ঞানিক ধৰ্মীয় চিন্তা, ভাৱনা শিক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব খোজা হৈছে আৰু প্ৰচাৰ ভাৰতীৰ সহায়ত হিন্দুত্ববাদী, ব্ৰাহ্মণ্যবাদী ধৰ্মৰ সোঁত বোৱাই দিয়া হৈছে।

আমাৰ দেশৰ সৰ্বোচ্চ ইতিহাস গৱেষণাৰ সংস্থা 'ইণ্ডিয়ান কাউন্সিল ফৰ হিষ্টৰিকেল ৰিচাৰ্চ' বা সংক্ষেপে আই চি এইচ আৰত এটা সময়ত দেশৰ স্বনামধন্য ইতিহাসবিদসকলে ইয়াৰ আসন অলংকৃত কৰিছিল। ইৰফান হাবিব, ৰমিলা থাপাৰ, ৰামচৰণ শৰ্মা, বিপাশচন্দ্ৰ, সুমিত সৰকাৰ, সব্যসাচী ভট্টাচাৰ্য, হৰকেশ মুখীয়া, সতীশ চন্দ্ৰ, সৰ্বপল্লী গোপাল ইত্যাদি প্ৰত্যেকৰে লগত যুক্ত হৈ আছে আই চি এইচ আৰৰ নাম। কিন্তু ১৯৯৮ চনৰ পাচত এই ব্যক্তিসকলক সংস্থাৰ পৰা বহিষ্কাৰ কৰা হ'ল। ওঠৰজন বিশেষজ্ঞৰ এজনেও নতুন কমিটীত স্থান পোৱা নাই। স্থান পাইছে বি বি লাল, বি আৰ গ্ৰোভাৰ, কে এম লাল, বি পি সিং, ইত্যাদি উগ্ৰ হিন্দুত্ববাদী আৰু আৰ এছ এছৰ সমৰ্থকসকলে।

আই চি এইচ আৰ কি উদ্দেশ্যে প্ৰতিষ্ঠা কৰা হৈছিল সেই কথা কোৱা হৈছে এটা মাত্ৰ বাক্যৰ জৰিয়তে—'To give a national direction to an objective and national presentation and interpretation of history'. বি বি লালে এটি মাত্ৰ শব্দৰ পৰিৱৰ্তন কৰি কথাখিনি এইদৰে ব্যক্ত কৰিলে—To give a national direction to an objective and rational presentation and interpretation of history. অৰ্থাৎ তেখেতৰ হাতত rational হ'ল national ইমানদিনে সংস্থাৰ উদ্দেশ্য আছিল দেহত বস্তুনিষ্ঠ আৰু যুক্তিনিষ্ঠ ইতিহাসৰ উপস্থাপন কৰা। এতিয়া এই উদ্দেশ্য পৰিৱৰ্তন হৈ সংস্থাৰ উদ্দেশ্য হ'ল ইতিহাসৰ জাতীয়তাবাদী উপস্থাপন আৰু লগতে স্পষ্টকৈ কোৱা হ'ল যে তেওঁলোকৰ এই জাতীয়তাবাদ প্ৰকৃততে হিন্দুত্ববাদৰ নামান্তৰ।

একেধৰণেই আক্ৰমণ কেন্দ্ৰীভূত হৈছে ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা প্ৰতিষ্ঠান বা ইণ্ডিয়ান কাউন্সিল ফৰ ছ'চিয়েল চাইন্স এণ্ড ৰিচাৰ্চ বা সংক্ষেপে আই চি এছ এছ, এন চি ই আৰ টি আদি শৈক্ষিক প্ৰতিষ্ঠানসমূহত। এনে প্ৰতিষ্ঠানসমূহৰ পৰা ইতিহাস গৱেষণা নাইবা সমাজ বিজ্ঞান গৱেষণা ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা সুগৱেষকসকলক আঁতৰাই পঠোৱা হৈছে। বস্তুনিষ্ঠ ইতিহাস বিশ্লেষণৰ দুৱাৰ বন্ধ কৰি ভাৰতবৰ্ষৰ ছাত্ৰ সমাজক সাম্প্ৰদায়িক ইতিহাস উপহাৰ দিয়াৰ চক্ৰান্তত লিপ্ত হৈছে বিজেপি চৰকাৰখন। উদাহৰণস্বৰূপে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস দহটা খণ্ডত যুগুত কৰাৰ বাবে প্ৰখ্যাত ইতিহাসবিদ এছ গোপালক সম্পাদক হিচাপে লৈ ভাৰতীয় ইতিহাস গৱেষণা প্ৰতিষ্ঠানে এটি পৰিকল্পনা হাতত লৈছিল। ইয়াৰে দুটা খণ্ড যুগুত কৰাৰ দায়িত্ব প্ৰতিষ্ঠানটোৱে ইতিহাসবিদ কে এ পানিক্কৰ আৰু অধ্যাপক সুমিত সৰকাৰক অৰ্পণ কৰিছিল। পানিক্কৰ আৰু সৰকাৰে এইমৰ্মে বিস্তৃত তথ্য সম্বলিত দুটি খণ্ড লিখি উলিয়াইছিল আৰু পৰিষদে এই খণ্ড দুটি প্ৰকাশৰ বাবে অক্সফৰ্ড বিশ্ববিদ্যালয় প্ৰেছলৈ প্ৰেৰণো কৰিছিল। কিন্তু বিজেপি চৰকাৰে প্ৰেছৰ পৰা এই দুগৰাকী লেখকৰ দ্বাৰা লিখিত পাণ্ডুলিপি দুটি ওভতাই আনে। ওভতাই অনাৰ কাৰণ হ'ল এই খণ্ড দুটিত স্বাধীনতা আন্দোলনত আৰ এছ এছৰ প্ৰতিক্ৰিয়াশীল ভূমিকাৰ বিষয়ে তথ্যসম্বলিত আৰু বিস্তৃতভাৱে আলোচনা কৰা হৈছিল। স্বাধীনতা আন্দোলনত আৰ এছ এছৰ ভূমিকা কি আছিল ছাত্ৰ সমাজে তাক জনা মানেই তেওঁলোকৰ বিপদ। সেয়েহে তেওঁলোকে স্বাধীনতা আন্দোলনৰ ইতিহাস সম্পৰ্কীয় খণ্ড দুটিৰ প্ৰকাশ ৰদ কৰিলে। বৌদ্ধিক অসহিষ্ণুতাৰ নিদৰ্শন ইয়াতকৈ নিৰ্লজ্জ ৰূপত আগতে প্ৰকাশ হোৱা নাই।

কেন্দ্ৰীয় চৰকাৰে প্ৰচলন কৰিব খোজা শিক্ষা ব্যৱস্থা আৰু জাৰ্মানীৰ হিটলাৰৰ সময়ত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ লগত কোনো বিশেষ পাৰ্থক্য নাই। উল্লেখযোগ্য যে সাম্প্ৰদায়িক দলসমূহৰ মাজত সদায় ফেচীবাদী প্ৰৱণতাই গা কৰি থকা দেখা যায় আৰু চূড়ান্ত পৰ্যায়ত স্বয়ংক্ৰিয়ভাৱে এক ফেচীবাদী শক্তিত পৰিণত হয়। ই হিন্দু সাম্প্ৰদায়িক দলেই হওক বা মুছলিম সাম্প্ৰদায়িক দলেই হওক। আমাৰ কেন্দ্ৰীয় চৰকাৰে শিক্ষাক্ষেত্ৰত সংঘটিত কৰা চূড়ান্ত ফেচীবাদী কাৰ্যকলাপৰ দ্বাৰা ইয়াকেই প্ৰমাণিত কৰিলে যে এওঁলোকৰ ৰক্তসিৰাতো হিটলাৰৰ ৰক্ত চিৰপ্ৰবাহমান।

জাৰ্মানীৰ নাৎসি ৰাজত্বৰ সময়ত হিটলাৰৰ আত্মজীৱনী 'Main kamph'ক কোৱা হৈছিল 'Our pedagogical guiding star' আৰু সাদৃশ্যভাৱে চৰকাৰে প্ৰৱৰ্তন কৰিব পাঠ্যক্ৰমত, গোলৱালকাৰৰ জীৱনী পাঠ কৰাটো বাধ্যতামূলক।

হিটলাৰৰ শাসনকালত জাৰ্মানীৰ পৰা এলবাৰ্ট আইনষ্টাইনৰ দৰে মহাবিজ্ঞানীক বিতাড়িত কৰা হৈছিল। তেনেদৰে আমাৰ ভাৰতবৰ্ষত নোবেল বঁটা বিজয়ী অমৰ্ত্য সেনক সংঘ পৰিবাৰে চিমলাত বক্তৃতা দিবলৈ দিয়া নাই। হিটলাৰে 'অল কোয়ায়েট অন দ্যা ওৱেষ্টাৰ্ণ ফ্ৰণ্ট' নামৰ কিতাপখন নিষিদ্ধ কৰিছিল। তেনেদৰে আমাৰ কেন্দ্ৰীয় চৰকাৰে সংঘ পৰিবাৰৰ দাবীত সেও মানি সুকুমাৰী ভট্টাচাৰ্যৰ 'দি ইণ্ডিয়ান থেগনি' নামৰ কিতাপখনৰ প্ৰকাশ আৰু বিক্ৰী বন্ধ কৰিলে। অথচ এই কিতাপখনেই ১৯৭০ চনৰ পৰা অক্সফৰ্ড, কেম্ব্ৰিজসহ বিভিন্ন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত বুলি স্বীকৃত আছিল। জাৰ্মানীত হিটলাৰী শাসনত ফটোৱা জাৰি হৈছিল যে পদাৰ্থবিদ্যা, ৰসায়ন প্ৰভৃতি বিষয়সমূহ পঢ়িব লাগিব জাৰ্মান ফিজিক্স, জাৰ্মান কেমেষ্ট্ৰি বা জাৰ্মান মেথেমেটিক্ছ হিচাপে। সদৃশভাৱে আমাৰ দেশত সংঘ পৰিবাৰে 'বৈদিক গণিত', প্ৰচলনৰ বাবে দাবী উত্থাপন কৰিছে।

এনেদৰে আজি শিক্ষাৰ প্ৰতিটো ক্ষেত্ৰতে গেৰুৱা বাহিনীৰ মৌলবাদী কাম-কাজে প্ৰকট ৰূপত আত্মপ্ৰকাশ কৰিছে। অত্যন্ত শীতল, মগজুৰে কৰা এই কাম-কাজক বহুতে সংস্কাৰ আখ্যা দিছে যদিও এই সংস্কাৰে কিন্তু আমাক আধুনিক সমাজ ব্যৱস্থালৈ বাট পোনাই নিদিয়ে। বৰং এই পথ হৈছে মধ্যযুগীয় সমাজ ব্যৱস্থালৈ আগ্ৰাসনৰ পথ। সেয়েহে বিভেদকাৰী এই শক্তিবোৰক সমাজৰ আৰু তললৈ শিপাবলৈ নিদি ছাত্ৰ সমাজে এওঁলোকক দেশ তথা জাতিৰ মূল শত্ৰুৰূপে চিহ্নিত কৰা উচিত। শিক্ষাৰ গেৰুৱাকৰণ আৰু বাণিজ্যিকীকৰণৰ বিৰুদ্ধে আদৰ্শগত সংগ্ৰাম আৰু প্ৰচাৰ তীব্ৰ কৰি তোলাতো এই মুহূৰ্তত ছাত্ৰ সমাজৰ অন্যতম কৰ্তব্য। ■

# স্মাৰক

## দিগন্ত গোস্বামী

একেৰাহে দুদিন ৰে'লত আহি আহি কৃষ্ণ বৰাৰ আমনি লাগিছে। গৰমৰ দিন। বৰষুণজাক যোৱা ৰাতি অন্ধ্ৰপ্ৰদেশতেই এৰি আহিছে। জুলাই মাহৰ উৎকট গৰমৰ মাজত ৰে'লেৰে আহি আহি হাওৰা পাইছে। এদিন পিছতে অসম পাব। শিক্ষক জীৱনৰ শেষ প্ৰান্তত উপনীত হৈ কৃষ্ণ বৰাই এল টি চিৰ সুবিধাটো পাই দক্ষিণ ভাৰত ফুৰিবলৈ গৈ ঘূৰি আহিছে। লগত মাথোন পত্নী। ল'ৰা-ছোৱালীক নিয়া নাই। ছোৱালীজনীয়ে যাবলৈ ইচ্ছা নকৰিলে। কলেজৰ ডিপাৰ্টমেণ্টৰ ফালৰ পৰা এক্সকাৰ্চন এটাত অহা মাহত দাৰ্জিলিঙলৈ যাব হেনো। ল'ৰাটোৰ আকৌ গৰম বন্ধ খোলাৰ পিছত স্কুলৰ ছমহীয়া পৰীক্ষা। সেয়ে সিহঁতৰ এটাৰো যোৱা নহ'ল। তেৰোঁ সিহঁতক জোৰ নকৰিলে। ঘৰখন শুদা কৰি এৰি যাব নোৱাৰি। সিহঁতৰ বয়স বেছি হোৱা নাই— দিন আছে— বহুত দিন আছে — আগলৈ পাৰিলে ঘূৰিব গোটেই ভাৰতখন। আৰু এটা কাৰণ আছে। কাৰণটো তেওঁহে ভাবিছে, কাকো কোৱা নাই। বাচে যদি বাচক কেইটামান চৰকাৰী সুবিধাত পোৱা পইচা। চাৰিজনৰ টিকেট দেখুৱাই দুজনৰ অহা-যোৱা খৰচ। কথাটো সিমান ঠিক নহয় বুলি তেওঁৰ মনে ধৰে; পিচে বিবেক দংশনত ভুগিব লগা হোৱা নাই। সকলোৱেই কৰে যেতিয়া তেওঁৰনো কি? গৰমৰ বাবে তেওঁ পিন্ধা চোলাটোৰ ওপৰত বুটাম দুটা খুলি নিজৰ ছীটটো এৰি শ্ৰীমতীৰ ছীটত বহি খিৰিকিৰে বাহিৰলৈ চাই শ্ৰীমতীৰ লগত দুই-এষাৰ কথা পাতি আহিছে। কথা মানে তেওঁলোকে পাই অহা, এৰি অহা কাযৰ ঠাইবোৰৰ কথা। ভূগোলৰ কিছু জ্ঞান তেওঁৰ আছে। বাংগালোৰত ৰে'লত উঠাৰ পৰাই দিনৰ ভাগত পাই অহা ঠাইবোৰৰ বিষয়ে লঘু-গুৰু কিছুমান বক্তৃতা দি আহিছে। তেওঁ কোৱা কথা আটাইখিনিয়েই যে শুদ্ধ সেই সম্পৰ্কে তেওঁ নিজেও নিশ্চিত নহয়— তথাপি তেওঁ চিন্তা কৰা নাই। তেওঁৰ ওচৰত বহি অহা মানুহ গোটেইখিনিয়েই অনা-অসমীয়া, অসমীয়া ভাষা বুজি নাপায়। শ্ৰীমতীয়ে তেওঁৰ কথাবোৰ শুনি থাকে— আমনি নাপায়। মাথোন মাজে মাজে ঘৰলৈ মনত পেলাই আছে। কেতিয়াবা কয়— মাজনী আৰু চিণ্টুৱে বা ঘৰত কি কৰি আছে। মাজনীলৈ সিমান চিন্তা নাই, জনা বুজা, কলেজত পঢ়া ছোৱালী। তাই ঘৰতে থাকিব। বীৰেন খুৰাক ওচৰতে আছেই। আহিবৰ সময়ত তেওঁ ভদ্ৰ মৌজাদাৰৰ পুতেক বিক্ৰমকো কৈ আহিছে সিহঁতক চাবলৈ। চিণ্টুলৈহে অলপ চিন্তা। তাৰ লগৰ সোণটিৰ ঘৰত গৈ কেৰম খেলি থাকোতেই কিজানি সময়বোৰ গৈছে। কৃষ্ণ বৰা কিন্তু এইবোৰ ক্ষেত্ৰত উদাস। ল'ৰা-ছোৱালী ডাঙৰ হৈছে, বুজিব। চিন্তা নাই। অহা বছৰমানলৈ মাজনীৰ বিয়াখন পাতিব লাগিব। পৰেশ ল'ৰাজন ভাল। পোনা মাষ্টৰৰ ল'ৰা. বেয়া হ'ব নোৱাৰে। তাইক বিয়া কৰাব খুজিছে যেতিয়া দিব লাগিব। ভালেই হ'ব। জীয়েক-জোঁৱায়েক ওচৰতে থাকিলে সুবিধা হ'ব। কথাটো তেওঁ ভাবি আহিছে। শ্ৰীমতীক নক'লে।

বয়স বোছ হৈছে যদিও কৃষ্ণ বৰাৰ ফুৰাৰ চখটো আছে। আগতে তেওঁ বাহিৰলৈ অহা নাছিল যদিও অসমখন ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিছে। কেতিয়াবা সহকৰ্মীৰ লগত, কেতিয়াবা কিবা-কিবি কামত অকলেই। মনত আশা এটা পুহি ৰাখিছে সুবিধা পালে অৱসৰৰ পিছতো তেওঁ উত্তৰ ভাৰতলৈও যাব। পাৰিলে জীয়েক আৰু জোঁৱায়েককো লগত নিব। উত্তৰ ভাৰতৰ কিছুমান ঠাই বিশেষকৈ দিল্লী, বৃন্দাবন, মথুৰা, প্ৰয়াগ, চিমলা আদি ঠাইবোৰ হেনো বৰ আকৰ্ষণীয়। কাশ্মীৰৰ কথা তেওঁ নভাবে। তেওঁ যে ভ্ৰমণত ইমান চৌখিন ভাবিলে নিজৰে হাঁহি উঠিব খোজে? সময় সুবিধা মিলিলে, স্বাস্থ্য ভালে থাকিলে, টকা-পইচাৰ নাটনি নহ'লে, তেওঁ ওলাব, আনক কৈ নুফুৰে। নহ'লে অইনে শুনিলে কি ক'ব— 'এ', বোলে মানুহজন বুঢ়া হ'ল, চখ কমা নাই।' সেয়ে নকয়। জৰ্দা পাণ এখন মুখত ভৰাই কথাবোৰ পাগুলি থাকে। বাহিৰা বস্তুৰ ভিতৰত তেওঁ পাণ খায়। চিগাৰেট কাচিতহে জ্বলায়।

ৰে'ল আহি অসমত সোমাল। কৃষ্ণ বৰাৰ মনটো ভাল লাগিল। এটা সফল ভ্ৰমণৰ সমাপ্তিৰ পিনে গৈ তেওঁৰ অৱশ্যেই ভাল লাগিছে।' কন্যাকুমাৰী, উটী, মহীশূৰ, বাংগালোৰ আদি ঠাইৰ স্মৃতিবোৰে তেওঁক লগ দিব ধৰিছে। পুতেক-জীয়েক লগত থাকিলে বেছি ভাল লাগিলহেঁতেন। পিচে এটা কথা সিহঁতৰ অনুপস্থিতিৰ মাধুৰ্য্যকণ গ্ৰহণ কৰাত তেওঁ হেলা কৰা নাই। উটীৰ বোটানিকেল গাৰ্ডেনত দুঘণ্টা বহি আহিবৰ সময়ত তেওঁ কিবা এটা ভাবি আবেগিক হৈ পৰিছিল। লাহেকৈ পত্নীক তেওঁ কৈছিল— 'এটা কথা শুনা, ইয়াত বহি তোমাৰ কেনেকুৱা লাগিছে?' পত্নীয়ে কৈছিল— 'হয়নে, এইটো কিবা সুধিব লগা কথা নেকি? ভাল লাগিছে আক'।'— 'সুধিব লগা কথা হয়তো, আজিৰ আমাৰ এই মুহূৰ্তটো যদি এতিয়া নহৈ পঁচিশ বছৰ আগৰ অৰ্থাৎ আমাৰ বিয়াৰ ঠিক পিছৰ মুহূৰ্ত হ'লহেঁতেন, কিমান ভাল লাগিলহেঁতেন, নহয় জানো?'— তেওঁৰ কথা শ্ৰীমতীৰ কাণ-মূৰ ৰঙা পৰিছিল। তেনেকুৱা আৰু কিছুমান মুহূৰ্ত আছে য'ত কৃষ্ণ বৰাই প্ৰাণখুলি আৱেগ ঢালি তোমালোকৰ অকলশৰীয়া যাত্ৰাৰ নীৰস মুহূৰ্তবোৰত ৰসৰ নিজৰা বোৱাইছে। স্বভাৱতে কৃষ্ণ বৰা মানুহজন ৰসিক। তেওঁৰ কথা শুনিলে হেজাৰ দুখৰ দিনতো তেওঁৰ শ্ৰীমতীৰ মুখত হাঁহিয়ে ঢৌ খেলি যায়। ওচৰ-চুবুৰীয়ায়ো তেওঁক এইটো কাৰণত ভাল পায়। তেওঁক চুবুৰীয়াই ভাল পোৱাৰ অন্য কাৰণো অৱশ্যে আছে। যেনে পইচা ধাৰে খুজিলে বিনাবাক্যব্যয়ে তেওঁ পইচা উলিয়াই দিয়ে, অইনে তেওঁৰ কথাৰ ওপৰত কেতিয়াবা কিবা ক'লেও তেওঁ কেতিয়াও আনৰ ওপৰত কথা নকয়, তেওঁৰ বাৰীৰ মাটিৰ সীমা ঠেলিব খুজিলেও তেওঁ কাজিয়া-পেচাল নকৰি আজাদ কাশ্মীৰক ভাৰতে বিবদমান ঠাই বুলি স্বীকাৰ লোৱাৰ নিচিনাকৈ তেৰোঁ সেই ঠেলি অনা ঠাইডোখৰক বিবদমান বুলি মানি লৈ বিষয়তো আলোচনাৰ মাধ্যমেদি সমাধা কৰাৰ কথা কয় ইত্যাদি।

ঘৰলৈ তেওঁ ক'ত কি দেখিলে, কেনেকৈ কি কৰিলে ইত্যাদিবোৰ কেনেকৈ বৰ্ণাব সেই বিষয়ে এবাৰ জুকীয়াই চালে। ল'ৰা-ছোৱালী, ওচৰ-চুবুৰীয়াক তেওঁ ক'ব। সঁচা কথাই ক'ব। বঢ়াই কোৱা স্বভাৱ এই বয়সত তেওঁৰ নাই। ল'ৰা-ছোৱালীয়ে সিহঁতলৈ দেউতাক-মাকে কি আনিব সেইটোৰ বাবে অপেক্ষা কৰি আছে চাগৈ। সিহঁতলৈ ভাল বস্তু নানিলেতো দিগ্‌দাৰেই আছে। ঘৰখনেই হুৱাওহৱাও লগাই দিব। সেয়ে আনিছে। মাজনীলৈ আনিছে কাপোৰ এযোৰ আৰু আজিকালিৰ ডিজাইনৰ এযোৰ চামৰাৰ চেণ্ডেল। চিণ্টুলৈ বুলি দামী লংপেণ্ট এটা, জোতা এযোৰ আৰু এটা কেমেৰা। শ্ৰীমতীৰ বাবে এখন কাশ্মীৰী শ্বাল। গৰমৰ দিনত কিনা বাবে কম দামতে পালে। এই আটাইখিনি শ্ৰীমতীৰ মতে কিনা হৈছে। তেওঁ বস্তু পছন্দ কৰিব নোৱাৰে। নিজৰ বাবে আনিছে এটা এঘাৰশটকীয়া লৱৰ্ছ কোম্পানীৰ ঘড়ী— ৰোলেগ

একো নাই। তেওঁ ঘড়ীটো কিনাৰ কাৰণ আছে। এতিয়া যিটো হাতঘড়ী তেওঁৰ আছে সেইটোৰ বয়স পঁচিশ বছৰ। শহুৰেকে তেওঁৰ বিয়াৰ পিছত উপহাৰ হিচাপে দিছিল সেই এইচ এম টি ঘড়ীটো। ঘড়ীটো ভাল, সেই সময়তেই হেনো দুশ টকা দাম আছিল। চাবি দিয়া ঘড়ী। বৰাই যোৱা পঁচিশ বছৰেদি এটা নিৰ্দিষ্ট সময়ত অৰ্থাৎ পুৱা পাঁচ বজাত ঘড়ীটোৰ চাবি দি আহিছে। কোনোদিন সময়ৰ অলপো হেৰফেৰ হোৱা নাই। সেয়ে ঘড়ীটো ভালে আছে। পিছে পুৰণি হোৱা বাবে এবছৰমান আগৰ পৰা অলপ দিগদাৰ কৰা হৈছে। কেতিয়াবা শ্ল' মাৰে। মেকানিকক দেখুওৱা নাই— তেনেকৈয়ে কিবা কৰি মিলাই চলিছে। নতুন ঘড়ী এটা কিনাৰ মন আছিল, সেয়ে এইবাৰ বাহিৰলৈ যাওঁতে সুযোগ পাই ভাল কোম্পানীৰ ঘড়ী এটা কিনি আনিছে। বাকী থকা দিনকেইটা যাব। এইটো ঘড়ী চাবি দিব নালাগে। আগৰ ঘড়ীটোৱে তেওঁক সময়ানুৱৰ্তী হ'বলৈ শিকালে। ঘড়ীটোৰ যহতেই তেওঁ যোৱা অত বছৰে পুৱা পাঁচ বজাৰ আগতে সদায় শুই উঠাৰ অভ্যাসটো আৰ্জিবলৈ পালে। শহুৰেকে দিয়া ঘড়ীটোৱে তেওঁ আৰু শ্ৰীমতীৰ সম্বন্ধটো যেন অধিক নিকপ্‌কপীয়া হোৱাত সহায় কৰি আছে।

বাংগালোৰ এক্সপ্ৰেছ গুৱাহাটী ষ্টেচন আহি পাওঁতে ৰাতি ন বাজিল। ৰে'লৰ পৰা নামি কৃষ্ণ বৰা আৰু তেওঁৰ পত্নীয়ে ৰাতিৰ বাছতেই ঘৰলৈ উঠি দিলে; এইকেইদিন উৎকট গৰমত কটোৱাৰ পিছত অসমৰ বতাহ পাই কৃষ্ণ বৰাৰ মনটো প্ৰফুল্লিত হৈ উঠিল। তেওঁৰ পত্নীয়ে গাড়ীৰ খিৰিকিৰ কাষৰ ছীটটোত বহি গৰমৰ পৰা সকাহ পোৱা কথাটো কৈ থাকিল। কৃষ্ণ বৰাই শলাগিলে। শেহৰাতি তেওঁলোকে টালি-টোপোলাসহ গাড়ীৰ পৰা নামি ৰিক্সা এখন লৈ ঘৰ অভিমুখে যাত্ৰা কৰিলে।

তেওঁলোকে আহি ঘৰ পাওঁতে দেখে ল'ৰা-ছোৱালী উঠাই নাই। মাতিলত চিণ্টু উঠি আহিল, লগত সোণটি। সোণটিক তেওঁলোকৰ ঘৰত দেখি আচৰিত হ'ব খুজিছিল নহ'ল, চিণ্টুৱে মাক-দেউতাক নথকা বাবে লগৰ ল'ৰাটোক মাতি আনি একেলগে শুইছে, পঢ়া-শুনাও একেলগে কৰিছে চাগৈ। অকল বায়েকজনীৰ লগত থাকি সি আমনিহে পায়। কৃষ্ণ বৰাই কথাটো ভাবি হাঁহিব খুজিলে। হাঁহিব খুজিলেহে; হঁহা নহ'ল— চিণ্টুৱে কান্দোনমুৱা হৈ সাংঘাতিক কথাটো ক'লে— মাজনীবা বিক্ৰমদাৰ লগত পলাই গ'ল।

বাহিৰৰ পৰা ফুৰি আহি ঘৰত অকণমান জিৰণি লৈ তেওঁৰ ভ্ৰমণৰ অভিজ্ঞতাৰ সুবাসবোৰ ঘৰ আৰু ওচৰ-চুবুৰীয়াক বিলাব বুলি ভাবি থকা তেওঁৰ মনটো জঁই পৰি গ'ল। জীয়েকৰ প্ৰতি প্ৰচণ্ড ক্ষোভে তেওঁক উত্তেজিত কৰি তুলিলে। 'বোলে, বেটীৰ ভদ্ৰৰ পুতেক বিক্ৰমলৈ পলাই যোৱাৰ মন, আমি ঘৰৰ পৰা আঁতৰ হোৱালৈ বাট চাই আছিল, কলেজৰ পৰা এক্সকাৰ্চনত যোৱাৰ অজুহাত দেখুৱায়।' কৃষ্ণ বৰাই গৰ্জি উঠে। ওচৰ-চুবুৰীয়াই আহি তেওঁলোকৰ খবৰ-খাতি লোৱাৰ লগতে জীয়েকে কৰা এই কাণ্ডটোৰ বাবে আক্ষেপ কৰি গ'ল। কৃষ্ণ বৰাই লাজে-খঙে-অপমানে মানুহবোৰৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিলে। তেওঁ অনুভৱ কৰিলে এই মানুহবোৰৰ তেওঁৰ ঘৰত তেওঁলোকৰ ভ্ৰমণৰ খবৰ ল'বলৈ অহা সোঁতটো বেছি হৈছে। জীয়েকে পলাই গৈ তেওঁৰ নাক-কাণ নাকাটিলে এই মানুহবোৰে তেওঁলোকৰ কুশল খবৰ ল'বলৈ আহিলেহেঁতেনে? নিশ্চয় নাহিল হয়। তেওঁ বাৰু এতিয়া সমাজখনৰ আগত কেনেকৈ মুখ উলিয়াব। মাষ্টৰ মানুহ হিচাপে আৰু এনেয়েও এজন গণ্য-মান্য ব্যক্তি হিচাপে গাঁওখনত তেওঁৰ এটা পজিচন আছিল। জীয়েকে সকলো শেষ কৰিলে। খঙৰ ভমকত একো নাই হৈ তেওঁ জীয়েকলৈ বুলি অনা কাপোৰযোৰ পেলাই দিলে। বৰাৰ পত্নীয়ে তেওঁৰ লগত লাগি ফুৰিছে। হাইপ্ৰেছাৰ থকা মানুহ, ভয় লাগে। উত্তেজিত হ'লে গিৰিয়েক পৰি যাব পাৰে বুলি শ্ৰীমতী বৰাৰ ভয়টো বেছি হৈছে।

দুই-এজনে কৃষ্ণ বৰাক পৰামৰ্শ দিলে যে জীয়েকক তেওঁলোকৰ অনুমোদন নোহোৱাকৈ বিক্ৰমে পলুৱাই নিয়া বাবে তেওঁ কেছটো পুলিচক দিব পাৰে। তেওঁ কথাটো ভাবি চালে। হয় পুলিচক কেচটো দিয়াই ভাল হ'ব। পুলিচ-চুলিচৰ লগত তেওঁৰ সম্পৰ্ক আজিলৈকে নাই। কিন্তু ফলাফল যিয়েই নহওক তেওঁ এইটো কথা সহ্য কৰিব পৰা নাই। পুলিচক দিবই। জীয়েকলৈ তেওঁ সহানুভূতিও জাগিল। বোলে যাব খুজিছ যা, ভাল ল'ৰা এটালৈ যা, মাৰ-দেউতাৰৰ কাৰণে নহয় তোৰ নিজৰ ভালৰ কাৰণেই। বিক্ৰমক তেওঁ চকু পাৰি দেখিব নোৱাৰে, তেওঁৰ চকুত তাৰ অলপো ভাল গুণ ধৰা নপৰে।

সম্পূৰ্ণ এটা দিন তেওঁ ঘৰতে সোমাই থাকিল। বজাৰ-সমাৰ চিণ্টুৱেই কৰিছে। তেওঁ বাহিৰত মুখ উলিওৱা নাই। দ্বিতীয়দিনা থানালৈ গৈ এজাহাৰখন দি আহিল। আহোঁতে দোকানৰ পৰা এপেকেট চিগাৰেট কিনি আনিলে। ঘৰত বহি চিগাৰেট এডাল জ্বলালে। বৰাৰ পত্নীয়ে তেওঁক চিগাৰেট খোৱা দেখি বুজি পালে তেওঁ শান্ত হ'ব পৰা নাই। যি হ'ব লাগে হ'ল বুলি শ্ৰীমতীয়ে বৰাক, বুজনি দিব ধৰিলে। বৰাই শুনি আছে। একো কোৱা নাই। বাৰাণ্ডাৰ আৰামী চকীখনত বহি ওপৰলৈ মুখ কৰি চিগাৰেটৰ ধোঁৱা উৰুৱাই এক ধ্ৰুপদী ভংগীমাত তেওঁ চিন্তাক্লিষ্ট, বিমৰ্ষ বদনে বহি ৰৈছে। বৰাৰ পত্নীয়ে তেওঁৰ ওচৰৰ পৰা উঠি নগৈ বিছনিখনৰে নিজক বিচাৰ ছলেৰে তেওঁকো বিচি আছে। মানুহজন অলপ ঠাণ্ডা হয় যদি হওক। বহুত সময়ৰ মূৰকত কৃষ্ণ বৰাই মুখ খুলিলে— 'মই বিক্ৰমক এটা বস্তু দিম।' উৎকণ্ঠিত স্বৰে পত্নীয়ে টপৰাই সুধিলে— 'কি দিয়েনো আৰু? এই দুদিন গালি দিয়েই আছে, তাৰ বিৰুদ্ধে থানাত এজাহাৰ দিলে, আৰু কি দিবনো লাগে! আপুনি অলপ শান্ত হওকচোন।

'মই তাক মোৰ বাবে কিনি অনা ঘড়ীটো দিম।' এইবাৰ শ্ৰীমতী আচৰিত হোৱাৰ পাল।

'তেনেহ'লে আপোনাৰ মন ঘূৰিছে?'— কথাষাৰ বৰাৰ পত্নীয়ে তেওঁক সুধিব খুজিও কিবা এটা দ্বিধাৰ বলি হৈ নুসুধিলে। দ্বিধাটো তেওঁৰ অনুভূতিৰ দ্বিধা। গিৰিয়েকৰ কথাষাৰ শুনি তেওঁ ভালেই পাইছে নে বেয়া পাইছে সেই সম্পৰ্কে তেওঁ নিজেই নিশ্চিত নহয়।

কৃষ্ণ বৰাই চিগাৰেটত শেষটো হোপা মাৰি অৱশিষ্ট অংশটো দলিয়াই দি চকীৰ পৰা উঠি থিয় হৈ ল'লে। বাৰাণ্ডাখনত এপাক ঘূৰি লৈ তেওঁ পত্নীৰ চকুৰ পিনে চাই ক'লে— 'তাক মই ঘড়ীটো দিম। মই সিহঁতৰ বিৰুদ্ধে থানাত এজাহাৰ দিছো যদিও ফলটো মই জানো। সিহঁত দুয়োটাই নিজে ইচ্ছা কৰি কামটো কৰিছে বাবে আমাৰ তাত কৰিবলগীয়া একো নাই। আইনেও তাকেই ক'ব। মই এইটোও বিচৰা নাই যে তাই উভতি আহক।

—'তেনেহ'লে আপুনি কি কৰিব খুজিছে'? বৰাৰ উৎকণ্ঠা বাঢ়ি গৈছে।

'শুনা তাকেইতো ক'বলৈ ওলাইছো। মই তোমাক মোক ঘৰলৈ লৈ অনা আৰু আৰু মোৰ ছোৱালীক সি লৈ যোৱাৰ মাজত পাৰ্থক্য আছে। মোৰ এইচ এম টি ঘড়ীটো তোমাৰ দেউতাৰাই মোক বিয়াৰ পিচত দিছিল। যোৱা পঁচিশ বছৰৰ পৰা মই তাক তাক সযতনে ৰাখি আহিছো। মাজনীয়ে আমাৰ বিনা অনুমতিত তালৈ গৈছে। এতিয়া সিহঁতৰ আৰু আমাৰ কিবা সম্পৰ্ক থকা বুলি মানি নল'লেও আমি, অকল আমিয়েই নহয়, কোনোৱেই সিহঁতৰ দুটাৰ মাজত সম্পৰ্কটো অস্বীকাৰ কৰিব নোৱাৰে। সিহঁতৰ প্ৰতি মোৰ অলপো অনুকম্পা নাই। তথাপি সিহঁতৰ সম্বন্ধটো ভালে থকাটো বিচাৰো। ঘড়ীটো দি মই সেই পৰম্পৰাটো জীয়াই ৰাখিম। ঘড়ীটোৱে সেই মহান পৰম্পৰাৰ স্মাৰক হিচাপে কাম কৰি যাব।' কিছু আৱেগিক হৈ তেওঁ থোকা-থুকি মাতেৰে কথাখিনি কৈ ঘৰৰ ভিতৰত সোমাল।

শ্ৰীমতী বৰাই নিজেই বুজিব নোৱাৰা এক অদ্ভুত অনুভূতিৰ সাগৰত বুৰ গৈ লাহে লাহে বাটলৈ ওলাই আহিল। সন্ধিয়া লাগিছে। পদূলিমুখত জোনাকে আহি ভিৰ কৰিছে। ঠাণ্ডা বতাহ এছাটি গাত লগাত তেওঁ নিজৰ স্থিতি উপলব্ধি কৰিলে। কোনো কাৰণ নোহোৱাকৈ তেওঁ অকলে বাটলৈ ওলাই আহিছে। বহুত বছৰ হ'ল তেওঁ সন্ধিয়া পৰত অকলে বিনা কাৰণে কোনোদিনে বাটলৈ ওলাই অহা নাছিল। আজি যাব নোৱাৰাকৈয়ে বাটলৈ আহি তেওঁৰ ভাল লাগিছে। ভাল লাগিছে। ■

# “বিশ্বাস আৰু কবিতাৰ পৃথিৱীত...”

ধনজিৎ দাস

কটন কলেজ; অধ্যাপকৰ বক্তৃতা, পাঠ্যক্ৰম আৰু লেব'ৰেটৰীৰ এক্সপেৰিমেণ্টবোৰৰ সমানে সমানে ইয়াত চলে ৰোমাঞ্চ। এইখন কলেজৰ প্ৰত্যেকখন চকী-মেজ, ছাত্ৰাৱাস, দেৱেন দত্ত ছাৰৰ শাসন, চি জিৰ মাজত লুকাই আছে হেজাৰ আশা, অলেখ আকাংক্ষা, কিবা পোৱাৰ, কিবা হোৱাৰ ৰঙীণ স্বপ্ন। উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত বাসত্তৰ শতাংশ নম্বৰ লাভ কৰি 'মাধুৰ্য কাশ্যপে' কটন কলেজৰ স্নাতক প্ৰথমবৰ্ষ (কলা শাখা, গুৰু বিষয়, শিক্ষা)ত নামভৰ্তি কৰিলে।

'মাধুৰ্য' নিজৰ জন্মস্থান, সৰু চহৰখনৰ সকলো উৎসৱ অনুষ্ঠানতে সি আছিল আগৰণুৱা। অগ্ৰজসকলৰ মৰম, প্ৰশ্ৰয়ত মাধুৰ্যৰ চকুৰে-মুখে তিৰবিৰাই উঠিছিল প্ৰবল আশা। বয়সৰ লগে লগে তাৰ মনত বিকশিত হৈছিল এটা বে-হিচাপী সপোন— এজন সফল সাহিত্যিক হোৱাৰ। সেই সপোনক সাকাৰাত্মক ৰূপ দিবলৈ সি পাৰ্যমানে চেষ্টা কৰিছিল। চহৰখনৰ পৰা প্ৰকাশিত স্মৰণিকাৰ পৰা ক্ষুদ্ৰ আলোচনীলৈকে সকলোতে মাধুৰ্যৰ লেখা অপৰিহাৰ্য হৈ পৰিছিল।

কটনলৈ আহি মাধুৰ্যই বিচাৰি পোৱা যেন পাইছিল তাৰ সপোনপুৰীলৈ যোৱা জখলাডালৰ আঁত। দুগুণ উৎসাহেৰে সি সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিল। প্ৰথম কেইদিনমান মাক-দেউতাক আৰু সৰু ভনীয়েকজনীৰে নিজৰ ঘৰখনৰ স্নেহময় পৰিবেশটোৱে তাৰ মনক বাৰুকৈ আমনি দিছিল। এদিন বা দুদিন বন্ধ পালেই সি ঘৰলৈ গৈ থাকি আহিছিল। হোষ্টেলৰ পৰিবেশ লাহে লাহে তাৰ ভাল লগা হৈ পৰিছিল। ইতিমধ্যে সি স্নাতক প্ৰথম বাৰ্ষিকৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। চিগাৰেটৰ শ্ৰাদ্ধ পাতি মাজনিশালৈকে (কেতিয়াবা শেষ নিশালৈও) হোষ্টেলত সিহঁতৰ সৰস আড্ডা চলে। দেশৰ বৰ্তমান সমস্যা, হলিউড-বলিউড, অসমৰ ৰাজনীতি, চি জিৰ ধুনীয়া ছোৱালীকেইজনী আদি সকলো বিষয় আড্ডাই সামৰি লয়। মাজে-সময়ে সিদ্ধান্তত উপনীত হ'ব নোৱাৰি প্ৰত্যেকে যুক্তি-তৰ্কৰে নিজকে শুদ্ধ বুলি প্ৰতিপন্ন কৰিবলৈ যত্ন কৰে। হোষ্টেলৰ কোনোবা ল'ৰাৰ হৈ চি জিৰ ছোৱালীক ভাল পোৱাৰ প্ৰস্তাৱ দিয়াৰে পৰা দেৱাল পত্ৰিকা লিখালৈকে সকলোতে মাধুৰ্য আগৰণুৱা আছিল।

মাধুৰ্যৰ লিখনি লাহে লাহে নিখুঁত হৈ আহিছিল। সি এতিয়া বাতৰি কাকত অথবা আলোচনীলৈ গল্প-কবিতা পঠাই মাহৰ পিচত মাহ প্ৰকাশৰ বাবে অপেক্ষা কৰিবলগা নহয়। খ্যাতি আৰু গ্লেমাৰৰ সেই দেশখনত সি প্ৰৱেশ কৰিছিল। কাৰেণ্ট গ'লে গাৰ্লছ হোষ্টেলত তাৰ কবিতা গুণগুণোৱা দুজনীমানো ওলাইছিল। কটনত নামটোৱে তাৰ পৰিচয় হোৱাৰ উপৰি নিজে এজন নবীন কবিৰূপে মাধুৰ্যই প্ৰতিষ্ঠা লাভ কৰিছিল।

'উপাসনা' মাধুৰ্যৰ ক্লাছ-মেট। এজন সম্ভ্ৰান্ত ব্যৱসায়ীৰ কন্যা উপাসনাই নিজৰ গাড়ীৰেহে কলেজলৈ অহা-যোৱা কৰে। মাধুৰ্যৰ কবিতা তাই যথেষ্ট ভাল পায়। তাক অনুপ্ৰেৰণা যোগায় নতুন কবিতা লিখিবলৈ... প্ৰতিটো কবিতাৰে সমালোচনা আগবঢ়ায়। মাধুৰ্যইতেও তাইৰ সান্নিধ্য ভাল পায়। তাৰমাজতে সি অনুভৱ কৰিবলৈ ধৰিলে যে তাৰ সমগ্ৰ সৃষ্টিৰ উৎস হৈছে উপাসনা। 'উপাসনা' নামটো শুনিলেই সি যেন সকলো পাই যায়। উপাসনাৰ মাজত মাধুৰ্যই বিচাৰি পায় কিবা এক বিৰাট সৌন্দৰ্য, কিবা এক সম্ভাৱনা আৰু কিবা এক বুজাব নোৱাৰা অনুভূতি। তাৰ হৃদয়ত উপাসনাৰ প্ৰতি এক বিৰাট সন্মোহনে থিতাপি লয়। উপাসনা যেন তাৰ জীৱনৰ গতি নিৰ্দেশক। উপাসনা যেন তাৰ জীৱনৰ উপাসনা। সি তাইৰ নামত কবিতা লিখিলে 'স্পন্দিত হৃদয়ত তৰাৰ জিলমিলনি মোৰ চকুৰ নীড়ত বান্ধ খোৱা চৰাই এটা হৈ গুণগুণনি তুলি জাহ যাব খোজা এটা শব্দ আঁকোৱালি লৈছো উপাসনা উপাসনা গান।' উপাসনাৰ প্ৰতি তাৰ এই মোহ এদিন সি নিজেই প্ৰকাশ কৰিলে...

এনেকৈয়ে সিহঁত এদিন প্ৰেম নামৰ এনাজৰীডালেৰে বান্ধ খাই পৰিল। মাধুৰ্যক বিচাৰি উপাসনা হোষ্টেললৈ আহে.. দুয়ো সদায় ওলাই যায় শান্তি উদ্যান অথবা ৰেষ্টুৰেণ্ট অনুশ্ৰীলৈ। বাতৰি কাকত অথবা আলোচনীত উপাসনাৰ নামত মাধুৰ্যৰ কবিতাৰ চিৰিজ প্ৰকাশ পায়।

বৌদ্ধিক জগতখনৰ লগত তাৰ সম্পৰ্ক ক্ৰমাৎ ঘনিষ্ঠ হৈ আহিবলৈ ধৰাত পঢ়া-শুনাৰ প্ৰতি সি গুৰুত্ব কমাই দিবলৈ ধৰিলে। সি অনুভৱ কৰিবলৈ ধৰিলে যে পৃথিৱীত একাডেমীক শিক্ষাতকৈও মানৱতাৰ শিক্ষাহে অধিক গুৰুত্বপূৰ্ণ। বিশ্বাস, ভালপোৱা আৰু মানৱতাৰ অবিহনে জীৱনত লাভ কৰা শিক্ষা অসম্পূৰ্ণ। মাধুৰ্যই আজিকালি কিবা লিখিবলৈ লোৱাৰ আগতে লেখাটো নিখুঁত কৰিবলৈ অন্তঃকৰণ যত্ন, অধ্যয়নপুষ্টতাৰ প্ৰয়োজন নাই বুলিয়েই ভাবিবলৈ লৈছে।

এতিয়া উপাসনায়ো তাক কবিতাৰ কথা নকয়। ইতিমধ্যে স্নাতক চূড়ান্ত পৰীক্ষাৰ প্ৰপত্ৰ পূৰণ কৰা হৈ গ'ল উপাসনা পঢ়া-শুনাত ব্যস্ত হৈ পৰিল। মাধুৰ্যই চেষ্টা কৰিও পঢ়া-শুনাত মন বহুৱাব নোৱাৰে। উপাসনাৰ মুখখনৰ ছবিয়ে তাক সকলো সময়তে আমনি দি থাকে।

পৰীক্ষাৰ পিচত মাধুৰ্য ঘূৰি আহিল তাৰ জন্মস্থান সৰু চহৰখনলৈ। য'ত লালিত-পালিত হৈছিল তাৰ কৈশোৰ, শৈশৱ। সম্পূৰ্ণ তিনি বছৰ পিচতো সলনি হোৱা নাছিল তাৰ চৌপাশৰ মানুহখিনিৰ মৰম-স্নেহ। সলনি হৈছিল সি মাথোঁ নিজে। উপাসনাৰ অনুপস্থিতিয়ে তাক বিহ্বল কৰি তুলিছিল। সি প্ৰতিদিনে উপাসনালৈ ফোন কৰিছিল। উপাসনাই ফোনত সঁহাৰি দিছিল যান্ত্ৰিকভাৱে। যেন সেইটো 'ৰং নাম্বাৰ কল'হে। তাৰ হৃদয় ক্ষোভত চূৰমাৰ হৈ গৈছিল যিদিনা সি গম পাইছিল উপাসনাৰ যান্ত্ৰিকতাপূৰ্ণ কথাৰ ৰহস্য। দেউতাকৰ কথামতে উপাসনাৰ বিয়া ঠিক হৈছে। প্ৰবাসী অসমীয়া এজনৰ সৈতে। মৌনভাৱে দেউতাকৰ সিদ্ধান্ত মানি লৈছিল উপাসনাই। বিদ্যুৎপৃষ্ট মানুহৰ দৰে মূক হৈ গৈছিল মাধুৰ্য!

এসোপামান হতাশা আৰু বেদনাই তাৰ বুকুৰ বিৰহৰ বোজাটো গধুৰ কৰি তুলিলে। মাত্ৰ কেইদিনমান আগলৈকে যিজন মাধুৰ্যই উপলব্ধি কৰিছিল জীৱন, বিশ্বাস আৰু ভালপোৱাৰ সৌধ; সেইজন মাধুৰ্যই জীৱনৰ নতুন সংজ্ঞা বিচাৰি হাবাথুৰি খালে। যিজন মাধুৰ্যই কেতিয়াও বিফল নহয় বুলি আত্মগৌৰৱত ওফন্দি আছিল, সেই মাধুৰ্যই প্ৰাপ্তি-অপ্ৰাপ্তিৰ খতিয়ান বিচৰাত লাগিল।

এদিন স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষিত হ'ল। প্ৰত্যাশিতভাৱে উপাসনাই প্ৰথম বিভাগ পোৱাৰ বিপৰীতে উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা লৈ কটনিয়ান হোৱা মাধুৰ্য কোনোমতে দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হ'ল।

খ্যাতি আৰু গ্লেমাৰৰ শিখৰ স্পৰ্শ কৰিবলৈ আজি মাধুৰ্যৰ কোনো হেঁপাহ নাই! ■

গল্প





অৱশেষত যেনিবা বৃন্দাবন হাজৰিকাৰ ঘৰৰ ভিতৰৰ বায়ুখিনি শান্তিৰ উশাহ এটা ল'ব পৰাকৈ মুক্ত হ'ল। ঘৰখনৰ মানুহকেইজনৰ গোমামুখ কেইখনে পৰিবেশটো ইমানদিনে বৰ অসহ্যকৰ কৰি তুলিছিল। হাজৰিকায়ো কিমান যে চিন্তা, কিমান ব্যস্ততাৰ মাজত পাৰ নকৰিলে যোৱা মাহকেইটা। ডাঙৰ ছোৱালীজনী নীলিমাৰ দৰা ঠিক কৰা বুলিয়ে তেওঁৰ আহৰি নাই। আচলতে সকলোৰে মূলতে সেই শংকৰ নামৰ ল'ৰাটো। সেই যে নীলিমাক চাবলৈ আহি তেওঁৰ আগত পছন্দ হোৱা বুলি কয় দুদিনৰ পিছত খবৰ পঠালে যে ছোৱালী অপছন্দ হৈছে, তেতিয়াই তেৰোঁ কিবা জিদ ধৰিলে বোলে এবছৰৰ ভিতৰতে দৰা ঠিক কৰি মই ছোৱালী বিয়া দিমেই।

# যান্ত্ৰিক

বিনয় গোস্বামী

দ্বিতীয়বাৰ যিজন ল'ৰা আহিছিল, হাজৰিকাই সেইবাৰেই আশা এটা দেখিছিল। প্ৰথমতে দৰাৰ বাপেকে ছোৱালী চাবলৈ আহিল। মাজৰ মানুহজনো লগত আহিছিল। হাজৰিকায়ো কোনো কাৰ্পণ্য নকৰি আতিথ্য আগবঢ়ালে। বাপেকে প্ৰথমবাৰতে ছোৱালী পছন্দ কৰিলে। যাবৰ সময়ত হাজৰিকাক কৈ গ'ল— 'আমাৰ ফালৰ পৰা ছোৱালী পূৰামাত্ৰাই পছন্দ। দেখাই-শুনাই, ব্যৱহাৰ-পাতিয়ে ল'ৰাৰ লগত সম্পূৰ্ণ মিলিব। মই ল'ৰাৰ পছন্দৰ কথা জানো। সিয়ো অপছন্দ কৰিব নোৱাৰে।'

'তথাপি ল'ৰাই এবাৰ আহি চাই যাওক।'— হাজৰিকাই ক'লে।

'হ'ব, হ'ব; আপুনি চিন্তা কৰিব নালাগে। তাক দুই-এদিনতে মই পঠাই দিম।'

চাৰিদিন পিছত ল'ৰাও আহিল। আহিয়ে সি একেবাৰে ঘৰুৱা হৈ পৰিল। যেন সেইখন ঘৰৰ লগত তাৰ চিনাকি বহুদিনৰ, আজিৰ আগমনে মাত্ৰ সেই চিনাকি বেছি সজীৱ কৰিলে। অকল ছোৱালী চোৱাই নহয়, ঘৰ-বাৰীও চালে।

সি আহিব বুলি জানিয়ে হাজৰিকাই উৎসাহতে বাৰীতে হোৱা ভাল মঙহাল মালভোগ কল এথোক পাৰি থৈছিল। কল খাই হেনো সি বৰ ভাল পালে আৰু মন্তব্যও দিলে— 'বোলে, কল খালে এনে মঙহাল কলহে খাব লাগে। হ'ব আৰু চিন্তা নাই, এইখন ঘৰৰ লগত সম্পৰ্ক এটা হ'ব যেতিয়া এনেদৰে আৰু খাব পাম।'

পিছে ঘৰলৈ গৈ ল'ৰাই বা কি অপছন্দ কৰিলে, চাৰিদিনমানৰ পিছত মাজৰ মানুহজনৰ আগত খবৰ দি পঠালে যে ছোৱালী অপছন্দ হৈছে কাৰণ ছোৱালী ক্ষীণ।

এনেদৰে কিমানবাৰ যে চাহ-মিঠাই, গামোচাৰ শৰাধ নহ'ল। সকলোৱে ছোৱালী পছন্দ কৰে কিন্তু পিছত খবৰ পঠিয়ায় যে ছোৱালী অপছন্দ হৈছে— কাৰণ সেই একেটাই ক্ষীণ।

নীলিমা অলপ হতাশ হ'ল। কিমান হেঁপাহেৰে তাই মনৰ মানুহজনৰ বাবে হৃদয়ৰ দুৱাৰ খুলি মৰমৰ দলিচা পাৰি ৰাখিছিল। কিন্তু সেই দলিচাত ধূলি গোট খাবলৈ বেছি দিন নালাগিল। যোৱা কেইদিনৰ অভিজ্ঞতাই তাইৰ সকলো আশা-আকাংক্ষা ধূলিসাৎ কৰিলে।

হাজৰিকাও হতাশ নোহোৱা নহয়। বিশেষকৈ নীলিমাৰ কথা ভাবিয়ে। ছোৱালীজনীৰ খোৱা-লোৱাৰ প্ৰতি একেবাৰে মনোযোগ নোহোৱা হৈছে। মন মাৰি কেৱল ৰুমৰ ভিতৰতে সোমাই থাকে। তাইৰ মুখামুখি হ'বলৈ হাজৰিকাৰ ভয় লগা হৈছে। এক অপৰাধবোধৰ ভাবে তেওঁক লগ নেৰা হৈছে। ভাব হয় এইবোৰ যেন অকল তেওঁৰ বাবেহে হ'বলৈ পাইছে। ঘৰখনত তাইৰ উপস্থিতিয়ে তেওঁৰ সত্তাক কৰ্পূৰৰ নিচিনাকৈ উৰুৱাই নিয়ে।

কেতিয়াবা তেওঁৰ ভাব হয় ছোৱালীজনী অকণমান শকত হোৱা হ'লে ইমান অথন্তৰ নহ'লহেঁতেন ছাগে। তেওঁ ভাবে আজিকালি বজাৰতনো কৃত্ৰিমভাৱে শকত হ'ব পৰা ঔষধ নাথাকিবনে? নিশ্চয় থাকিব। প্ৰদীপক (তেওঁৰ 'ফাৰ্মাচিষ্ট' বন্ধুজন) সুধিলেই গম পোৱা যাব। পিছে সুধিবইবা কেনেকৈ? এনেকৈতো তেওঁ ক'ব নোৱাৰে যে মোৰ ছোৱালীজনী ক্ষীণ কাৰণে সকলোৱে অপছন্দ কৰে, গতিকে কিবা এটা দিয়া, তাকে খুৱাই অকণমান শকত কৰি ছোৱালীজনীক বিয়া দিওঁ। মুখলজ্জাৰতো কথা এটা আছে।

পিছে সেই সুবিধাটোও আহিল। সিদিনা আছিল ৰবিবাৰ। আবেলি তেওঁ প্ৰদীপ শৰ্মাৰ ফাৰ্মাচীত বহি আছে। ৰবিবাৰৰ আবেলিৰ এই আড্ডাটোৰ এক এৰাব নোৱাৰা আকৰ্ষণ আছে। 'গেং অৱ ফ'ৰ'— অৰ্থাৎ বাল্যকালৰ চাৰি বন্ধু শৰ্মা, হাজৰিকা, কাকতি আৰু দুৱৰাই নিতান্তই কোনো এৰাব নোৱাৰা কাম নাথাকিলে আড্ডাত ৰস আহৰণ কৰিবলৈ পিছ নোহোঁহোকে। বাল্যকালৰ বন্ধুত্ব অটুট হৈ বৰ্তি থকাত সেই আড্ডাৰ বিশেষ অৰিহণা আছে। শৰ্মায়ো আড্ডাতো তেওঁৰ দোকানতে হোৱাটো ভাল পায় আৰু সেয়ে বাকীকেইজনক চাহপানী যোগাই আড্ডাৰ আয়ুস দীঘল কৰি ৰাখিছে। ৰাজনীতিৰ পৰা আৰম্ভ কৰি সমাজনীতি, চিকিৎসাবিজ্ঞান, জীৱন, প্ৰেম, ঈশ্বৰ ইত্যাদি কোনো এটা বিষয়ে তেওঁলোকৰ আড্ডাৰ পৰা বাদ নপৰে। সিদিনা অৱশ্যে চাৰিওজনে একেলগ হোৱাৰ আন এটা কাৰণো আছে। সেই অঞ্চলৰ সৰ্বব্ৰহী ব্যক্তি ভানু শৰ্মাৰ সিদিনা পৰলোকপ্ৰাপ্তি হৈছে। ভানু শৰ্মাৰ লগত তেওঁলোকৰ গাঢ় বন্ধুত্ব নাথাকিলে, আহোঁতে যাওঁতে লগ পালে মাত-বোল হৈছিল। মৃত্যুৰ ঘটনাটো আকস্মিক। খাদ্যত বিষক্ৰিয়া হৈ মাত্ৰ চাৰি ঘণ্টাৰ ভিতৰতে মৃত্যু হ'ল। সেয়ে পৰিয়ালটোক এবাৰ মাত দি আহো বুলি চাৰিও বন্ধু গোট খাইছে। সেই বিষয়ে আলোচনা কৰি থাকোতে কথা প্ৰসংগতে হাজৰিকাই ক'লে— 'হয় দিয়া প্ৰদীপ, আজিকালি মানুহৰ খোৱা খাদ্যখিনিৰো ভৰসা নোহোৱা হ'লহে।'

'নহয়নো কি? আজি বোলে মিঠাতেল নাখাবা ড্ৰপচী হ'ব, কালি বোলে অমুকটো নাখাবা তমুক বেমাৰটো হ'ব। কিয় তোমাৰ মনত আছেই বোধহয়। সেইবাৰ দেখোন বজাৰৰ ফুলকবি খাই মই যাবই ওলাইছিলো।'— প্ৰদীপে ক'লে।

'হয়, হয় মোৰ মনত আছে। কমখন আহুকাল নগ'লনে তোমাৰ আৰু তেতিয়াৰ পৰা তুমি মানুহজন ভালেই হ'ব পৰা নাই।'— হাজৰিকাই শলাগিলে।

'পিচে হেৰি নহয় বন্ধু, আজিকালি গাত মঙহ বঢ়াবলৈ ইমান চিন্তা কৰিব নালাগে। বজাৰত কিমানবোৰ যে ঔষধ আছে, খোৱাৰ চাৰিদিন পিচৰ পৰাই ফুলিবলৈ আৰম্ভ কৰিবা। এয়া চোৱা' — এইবুলি হাজৰিকাক কিবা এটা ঔষধৰ বটল দেখুৱালে।

'এ, হয় নেকি? মই আকৌ জনাই নাছিলো। আৰু মইনো জানিমেই বা কেনেকৈ? এইবোৰ তোমালোকৰহে কাৰবাৰ। হাঃ হাঃ হাঃ। চাওঁ চাওঁ বুলি অত্যুৎসাহ দেখুৱাই হাজৰিকাই প্ৰদীপৰ পৰা বটলটো লৈ ঔষধৰ নামটো জানি থ'লে।

প্ৰদীপে তাৰ পিছত আৰু কিবা কৈ আছিল কিন্তু হাজৰিকাৰ কাণত একো নোসোমাল। তেওঁৰ কাণত কেৱল ঔষধৰ নামটোহে বাজি থাকিল। ভানু শৰ্মাৰ ঘৰৰ পৰা আহোঁতে বেলেগ এখন ফাৰ্মাচীৰ পৰা নীলিমাৰ বাবে এসোপামান সেই ঔষধ কিনি আনিলে।

পিছে অথন্তৰটো ঘটিল ঘৰতহে। নীলিমাই তেওঁ আশাত চেঁচা পানী ঢালিলে। তাই স্পষ্টভাৱে জনালে', নাখাওঁ মই সেই সোপা, লাগিলে বিয়াই নহওঁ। মতা মানুহবোৰে আমাক খেলৰ সামগ্ৰী বুলিহে ভাবে। গাৰ মঙহহে লাগে, মানুহজনীকটো নালাগে। যেন আমি ছোৱালীবোৰ একোটা কলৰ বাকলিহে। মঙহখিনি থকালৈ হাতত থাকিব আৰু খোৱা হোৱাৰ পিচত বাকলিটো দলিয়াই দিব। এতিয়াই এই অৱস্থা আৰু বুঢ়ী হ'লে লাঠি-থাপৰৰ বাহিৰে কি আশা কৰিম।'

পিছে বাপেকৰ অৱস্থাতো চাই আৰু মাকৰ অশেষ বুজনিৰ পিছত নিজৰ ইচ্ছাৰ বিৰুদ্ধে কেৱল মাত্ৰ তেওঁলোকক সান্ত্বনা দিবলৈয়ে তাই ঔষধ খাবলৈ বাধ্য হ'ল।

ঔষধেও গুণ দিলে। আৰু কি আচৰিত? কথাটো কাকতালীয় যেন লাগিলেও এমাহমান আগতে আহি চাই যোৱা ল'ৰাজনৰ সৈতে অহা মাহৰ সাত তাৰিখে নীলিমাৰ বিয়াৰ দিন পৰিছে।

লাহে লাহে বিয়াৰ দিন চমু চাপি আহিছে। আজি ৩০ তাৰিখ আৰু অহা ৭ তাৰিখে বিয়া। বিয়াৰ আগতে মোমায়েকহঁতৰ ঘৰৰ পৰা এপাক ঘূৰি আহোঁ বুলি নীলিমা সৰু ভনীয়েকজনীৰ লগত কালিয়ে গ'ল। ঘৰত আজি হাজৰিকা আৰু ঘৈণীয়েকহে আছে। ঘৈণীয়েকো গোসাঁইঘৰত সোমাইছে চাকি জ্বলাবলৈ বুলি। সন্ধিয়া এইখিনি সময়ত হাজৰিকা অকলশৰীয়া হৈ পৰিল। তেওঁ বাৰাণ্ডাত চকী এখন পাৰি বহি ল'লে। নীলিমা আৰু কিছুদিন পিছতে আন এখন ঘৰলৈ যাব— এই কথাটো ভাবি তেওঁৰ বেয়া লাগি আছে যদিও তথাপি আন এটা কথাত তেওঁৰ ভালো লাগিছে যে তেওঁ নিজৰ কথা ৰাখিব পাৰিলে। কিন্তু ঘপহকৈ তেওঁৰ মনত এটা কথা খেলালে— নীলিমাৰ বিয়া বাৰু ঔষধৰ জোৰতে হ'বলৈ ওলাইছে নেকি? তাই বাৰু সঁচাকৈয়ে শকত হ'লনে? ঔষধেও বাৰু মানুহৰ ভাল লগা বেয়া লগা এই অনুভূতিবোৰ সলনি কৰিব পাৰে নেকি? কিছুদিন আগৰ নীলিমাজনী আৰু এতিয়াৰ নীলিমাজনীক এবাৰ নিৰীক্ষণ কৰি চাবলৈ তেওঁৰ বৰ ইচ্ছা হ'ল। তেওঁ মনতে ভাবিলে— মোমায়েকৰ ঘৰৰ পৰা আহিলেই তেওঁ এবাৰ নীলিমাক ভালকৈ চাই ল'ব। ■




# প্ৰসংগ ঃ কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপন

ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী

১৯০১ চনৰ ২৭ মে' তাৰিখে উত্তৰ-পূব ভাৰতৰ প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ লগে লগে এই অঞ্চলত শিক্ষাৰ এক নতুন যুগৰ সূচনা হ'ল। অধ্যক্ষ চুডমাৰ্চন চাহাবকে ধৰি পাঁচজন শিক্ষক আৰু ৩৫ জন ছাত্ৰক লৈ আৰম্ভ কৰা এই কলেজখনে কেইবছৰমানৰ ভিতৰতে কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰতে এক উচ্চমানৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। অসমীয়া জাতীয় জীৱনৰ সকলো ক্ষেত্ৰতে এই কলেজৰ ভূমিকাৰ বিষয়ে নকৈ পুনৰ ব্যাখ্যা কৰাৰ কোনো প্ৰয়োজন নাই। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য-সংস্কৃতি, শিক্ষা, বিজ্ঞান, ক্ৰীড়া আদি যিকোনো দিশতে কটন কলেজে যোৱা এশ বছৰে এক বিশেষ অৰিহণা যোগাই আহিছে। আজি কটন কলেজ কেৱল মাথোঁ এখন চৰকাৰী কলেজ নহয়; বৰঞ্চ অসমবাসীৰ বাবে ই এক জাতীয় অনুষ্ঠানৰ মৰ্যাদা লাভ কৰিছে।

২৭ মে' ২০০১ চনত কলেজখনে গৌৰৱোজ্জ্বল এশ বছৰ সম্পূৰ্ণ কৰিলে। যোৱা এশ বছৰে আধুনিক অসম নিৰ্বাচনত কটন কলেজে আগবঢ়োৱা একক অৱদানৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠানটোৰ শতবাৰ্ষিকী এক ইতিহাসিক ঘটনা বুলি ক'ব পাৰি। এই শতবাৰ্ষিকী যথোপযুক্তভাৱে উদ্‌যাপন কৰাটো কটন কলেজ পৰিয়ালৰ সকলোৰে এক বিশেষ অৱশ্যে কৰ্তব্য। এই কৰ্তব্যৰ কথা উপলব্ধি কৰিয়েই কটন কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰী লগ হৈ ১৯৯৭ চনত কটন কলেজ শতবাৰ্ষিকী উদ্‌যাপন সমিতি এখন গঠন কৰা হয়। বৰ্তমানে এই সমিতিত প্ৰাক্তন কটনিয়ান আৰু কটন কলেজৰ শুভাকাংক্ষী সকলোকো অন্তৰ্ভুক্ত কৰা হৈছে।

উদ্‌যাপন সমিতিৰ অভিভাৱক পৃষ্ঠপোষক হ'ল অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীএছ কে সিংহ মহোদয় আৰু মুখ্য পৃষ্ঠপোষক অসমৰ মানীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱ। কটন কলেজৰ অধ্যক্ষ ড° ৰামচৰণ ঠাকুৰীয়াদেৱ এই সমিতিখনৰ সমিতি আৰু এই প্ৰবন্ধৰ লেখকৰ ওপৰত সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। অধ্যাপক বিশ্বজিত ভাগৱতীয়ে কোষাধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱা মূল সমিতিখনে শতবাৰ্ষিকীৰ বিভিন্ন কাৰ্যাৱলী সুশৃংখলিতভাৱে সমাপন কৰিবলৈ এক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী কৰ্মচাৰী আৰু শিক্ষকক অন্তৰ্ভুক্ত কৰি মুঠতে ২২খন ভিন্ন সমিতি গঠন কৰে।

উদ্‌যাপন সমিতিৰ কাৰ্যাৱলী ঃ উদ্‌যাপন সমিতিয়ে দুটা দিশত উদ্‌যাপনৰ কথা চিন্তা কৰি বিভিন্ন কাৰ্যপন্থা হাতত লয়। এটা দিশত হ'ল শতবৰ্ষৰ লগত সংগতি ৰাখি কলেজখনৰ আন্তঃগাঁথনিমূলকভাৱে শৈক্ষিক দিশৰ উন্নতি সাধন আৰু আনটো ২০০১ চনৰ ১ মেৰ পৰা ২০০২ চনৰ ২৬ মেলৈ শতবাৰ্ষিকী উদ্‌যাপন উপলক্ষে লোৱা বছৰ যোৱা কাৰ্যসূচীৰ সফল ৰূপায়ণ।

❑ **আন্তঃগাঁথনিমূলক উন্নয়ন ঃ** উদ্‌যাপন সমিতিখন গঠন হোৱাৰ পিচত ১৯৯৮ চনৰ ২৭ মে' তাৰিখে কলেজৰ প্ৰতিষ্ঠা দিৱস হিচাপে এখনি ৰাজহুৱা সভা আহ্বান কৰা হয়। প্ৰাক শতবাৰ্ষিকী উদ্‌যাপন হিচাপে অনুষ্ঠিত কৰা এই ৰাজহুৱা সভাত সমিতিৰ ফালৰ পৰা কলেজখনৰ মধ্য খণ্ডৰ উন্নয়নৰ বাবে প্ৰায় ১২ কোটি টকাৰ এক বিস্তৃত আঁচনি দাঙি ধৰা হয়। পিচত এই আঁচনিৰ আধাৰতে কৰ্তৃপক্ষই কেন্দ্ৰীয় চৰকাৰক কটন কলেজৰ আন্তঃগাঁথনিক উন্নয়নৰ বাবে ২৫ কোটি টকাৰ এক আঁচনি দাখিল কৰে। এই আঁচনিৰ ভিত্তিতে প্ৰথম কিস্তি হিচাপে কেন্দ্ৰীয় চৰকাৰে তিনি কোটি টকা মোকলাই দিয়ে। এই ধনৰ পৰা ইতিমধ্যে শতবাৰ্ষিকী ভৱন (সূৰ্য কুমাৰ ভূঞা পুথিভঁৰাল), বিদ্যাৰ্থী বিকাশ ভৱন, বাণীকান্ত ভৱনৰ তৃতীয় মহলা আৰু কলেজ চৌহদৰ স্থায়ী বেৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। লগতে কলেজৰ কিছুমান প্ৰয়োজনীয় আচবাবো এই ধনৰ পৰাই পোৱা গৈছে। অসম চৰকাৰৰ তৰফৰ পৰাও কলেজৰ পুৰণা ঘৰবোৰৰ মেৰামতিৰ কাম কৰা হৈছে। ইয়াৰে ভিতৰত বিশেষভাৱে উল্লেখযোগ্য কাম হ'ল কলেজৰ [illegible] ৰবীন্দ্ৰ বিষ্ণুৰাভা প্ৰেক্ষাগৃহৰ নবীকৰণ আৰু [illegible] নতুন সুবিধা কিছুমানৰ প্ৰৱৰ্তন। সমিতিৰ [illegible] বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানৰ পৰা পোৱা অনুদানৰ দ্বাৰা এখন শতবাৰ্ষিকী তোৰণ, কম্পিউটাৰ আৰু লগতে ইণ্টাৰনেটৰ সুবিধা থকা সমিতিৰ কাৰ্যালয়, অধ্যক্ষ চুডমাৰ্চন চাহাব আৱক্ষমূৰ্তি আদি গঢ়ি তোলা হৈছে।

❑ **শৈক্ষিক উন্নয়ন ঃ** ১৯৯৯ চনত কটন কলেজৰ প্ৰতিষ্ঠা দিৱস আৰু প্ৰাক শতবাৰ্ষিকী উদ্‌যাপনৰ অনুষ্ঠান হিচাপে ২৬ আৰু ২৭ মে' এই দুটা দিনত 'vision of Cotton college in the new millienium' শীৰ্ষক এখনি কৰ্মশালাৰ আয়োজন কৰা হয়। এই কৰ্মশালাখন কটন কলেজ শিক্ষক সংস্থাৰ সহযোগত আয়োজন কৰা হৈছিল। ছাত্ৰ, শিক্ষক, অসমৰ বিশিষ্ট শিক্ষাবিদ আৰু বুদ্ধিজীৱীসকলে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পৰা গ'ল যে কটন কলেজৰ শৈক্ষিক দিশৰ উন্নয়নৰ বাবে কলেজখনক স্বায়ত্বশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰি শেষত এক পৰিগণিত বিশ্ববিদ্যালয়লৈ (Deemed University) ৰূপান্তৰিত কৰিব লাগিব। কৰ্মশালাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীৰ নেতৃত্বত এক কৰ্ম বাহিনী (Task Force) গঠন কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কিশোৰী

মোহন পাঠক, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল কুমাৰ গোস্বামী, অসমৰ প্ৰাক্তন মুখ্য সচিব শ্ৰীহৰেন্দ্ৰ নাথ দাস, অধ্যাপক ৰঞ্জিত নাৰায়ণ ভট্টাচাৰ্য আদি সভ্য হিচাপে থকা এই কৰ্মবাহিনীয়ে কলেজখনক স্বায়ত্তশাসনৰ মৰ্যাদা তথা পৰিগণিত বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ প্ৰসংগত এক বিস্তাৰিত পৰ্যবেক্ষক প্ৰস্তুত কৰে। কলেট কলেজৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰচলিত পাঠ্যক্ৰমতকৈ উন্নত মানৰ পাঠ্যক্ৰমৰ প্ৰয়োজন। নতুন শতাব্দীত অসমৰ বাবে প্ৰয়োজন হৈ পৰা মানৱ সম্পদ সৃষ্টিত কটন কলেজৰ ভূমিকাৰ ওপৰত সকলোৱে দৃষ্টি ৰাখিছে। ইয়াৰ বাবে কিছুমান নতুন বিষয় হিচাপে শিক্ষাৰ প্ৰয়োজন হৈ পৰিছে। শিক্ষাদান কৰা পদ্ধতি, শৈক্ষিক মূল্যাংকন কৰা পদ্ধতি, শৈক্ষিক বাতাৱৰণ আদিৰ উন্নতিসাধন সকলোৰে কাম্য। এই সকলোৰে বাবে অতিশীঘ্ৰে কটন কলেজত স্বায়ত্তশাসন প্ৰৱৰ্তন কৰিব লাগিব। কৰ্মবাহিনীৰ প্ৰতিবেদনত শীঘ্ৰে কলেজখনক স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰি ২০০৫ চনৰ ভিতৰত পৰিগণিত বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। এই প্ৰতিবেদন ইতিমধ্যে অসম চৰকাৰক দাখিল কৰা হৈছে। উদ্‌যাপন সমিতিয়ে কলেজৰ স্বায়ত্তশাসনৰ বাবে কিছুমান ব্যৱস্থা হাতত লৈছে। প্ৰকৃতাৰ্থত শতবাৰ্ষিকী উদ্‌যাপন হোৱাটো প্ৰধানকৈ নিৰ্ভৰ কৰিছে কলেজখনৰ শৈক্ষিক দিসৰ উন্নয়নৰ ওপৰত।

২০০২ চনৰ ভিতৰত কটন কলেজত কম্পিউটাৰৰ ব্যৱহাৰিক শিক্ষাৰ এক এবছৰীয়া স্ব-ব্যয়ী পাঠ্যক্ৰম (Self financing Course) প্ৰৱৰ্তন কৰিবলৈ ইতিমধ্যে শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে বিস্তৃত আঁচনি প্ৰস্তুত কৰি উলিয়াইছে আৰু ইয়াৰ ৰূপায়ণৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে।

**❑ প্ৰাক্তন কটনিয়ানৰ সংগঠন ঃ** উদ্‌যাপন সমিতিৰ উদ্যোগত ইতিমধ্যে 'প্ৰাক্তন কটনিয়ানৰ সংগঠন' (Cotton College alumni association) গঠন কৰা হৈছে আৰু এতিয়ালৈকে প্ৰায় তিনি হেজাৰ প্ৰাক্তন কটনিয়ানে তেখেতসকলৰ নাম সংগঠনটিত পঞ্জীয় কৰিছে। কটন কলেজৰ দৰে অনুষ্ঠানত যোৱা এশ বছৰ ধৰি এনে এক সংগঠন নথকাটো দুৰ্ভাগ্যজনক। কটন কলেজৰলেখীয়া ঐতিহ্যমণ্ডিত অনুষ্ঠানৰ প্ৰাক্তন ছাত্ৰই কলেজখনৰ উন্নয়নত অৰিহণা যোগোৱাটো অতি আৱশ্যকীয়। আমাৰ দেশৰ আৰু বিদেশৰো বহুকেইখন বিখ্যাত শিক্ষানুষ্ঠানৰ উন্নয়নত এনে সংগঠনে যথেষ্ট অৱদান আগবঢ়াইছে। ২০০২ চনত শতবাৰ্ষিকী উদ্‌যাপন শেষ নোহোৱালৈকে সংগঠনটিয়ে উদ্‌যাপন সমিতিৰ লগত থাকি উদ্‌যাপনৰ বিভিন্ন কাৰ্যাৱলীত সহযোগ কৰিব। উদ্‌যাপনৰ শেষ হোৱাৰ লগে লগে প্ৰাক্তন কটনিয়ানৰ সংগঠনে স্বাধীনভাৱে কাৰ্য আৰম্ভ কৰিব।

উদ্‌যাপন সমিতিয়ে প্ৰাক্তন কটনিয়ানৰ সংগঠনৰ সহযোগত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন চহৰত প্ৰাক্তন কটনিয়ানৰ পুনৰ মিলন অনুষ্ঠানৰ আয়োজন কৰে। শ্বিলং, ডিব্ৰুগড়, নগাঁও, যোৰহাট, তেজপুৰ, উত্তৰ-লক্ষীমপুৰ, মঙলদৈ, ধুবুৰী, বঙাইগাঁও, বৰপেটা, নলবাৰী, ধেমাজী, ডিফু দুলীয়াজান আদি চহৰবোৰত এনে অনুষ্ঠানসমূহ সফলতাৰে অনুষ্ঠিত হয়। আমাৰ বিশ্বাস যে প্ৰাক্তন কটনিয়ানৰ সংগঠনে অদূৰ ভৱিষ্যতে কটন কলেজৰ সৰ্বাংগীন উন্নয়নত এক বিশেষ ভূমিকা পালন কৰিব।

**❑ শতবাৰ্ষিকী উদ্‌যাপন ঃ** উৎসৱমুখী আৰু শৈক্ষিক এই প্ৰধান দিশ দুটা সামৰি কটন কলেজ শতবাৰ্ষিকী উদযাপন সমিতিয়ে ২৭ মে' ২০০১ চনৰ পৰা ২৬ মে' ২০০২ চনলৈ এক বছৰজোৰা শতবাৰ্ষিকী উদ্‌যাপনৰ কাৰ্যসূচী প্ৰস্তুত কৰি উলিয়ায়। এইখিনিতে প্ৰণিধানযোগ্য যে শতবাৰ্ষিকীৰ বৃহৎ পৰিসৰৰ প্ৰস্তুতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাক্তন কটনিয়ান তথা ৰাজ্য ৰাজ্য সভাৰ সাংসদ ড° অৰুণ কুমাৰ শৰ্মাৰ সাংসদ পুঁজিৰ পৰা পোৱা অনুদানেৰে চুডমাৰ্চন প্ৰেক্ষাগৃহত এটা কম্পিউটাৰ কেন্দ্ৰ খোলা হয়। এই কেন্দ্ৰটো ১৬ নৱেম্বৰ ২০০১ চনত ড° শৰ্মাদেৱে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই কেন্দ্ৰটোৰ যোগেদি কটন কলেজত ইণ্টাৰনেট সেৱা আৰম্ভ হয় (e-mail address : Cottonce @ sancharnet. in)। কটন কলেজৰ নিজা ৱেব ছাইট (www. cotton college guwahati.com) সেৱাও এই কেন্দ্ৰৰ যোগেদি আৰম্ভ কৰা হয়। ৱেব ছাইট সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে ড° হীৰেন গোহাঁই দেৱে। বিভিন্ন ঠাইত থকা প্ৰাক্তন কটনিয়ানৰ সৈতে বা শতবাৰ্ষিকী উপলক্ষে বিভিন্ন ব্যক্তিৰ সৈতে যোগাযোগ কৰিবলৈ আৰু লগতে শতবাৰ্ষিকী কাৰ্যালয়ৰ কাম-কাজত এই কেন্দ্ৰটোৱে যথেষ্ট সহায় কৰিছে।

শতবাৰ্ষিকীৰ বছৰজোৰা উদ্‌যাপন কাৰ্যসূচী মুঠতে চাৰিটা পৰ্যায়ত সমাপন কৰিবলৈ ঠিৰাং কৰা হৈছিল। ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হৈছে।

**❑ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰথম পৰ্যায়** ঃ ২৭-২৯ মে' ২০০১ এই পৰ্যায়ৰ কিছুমান বিশেষ অনুষ্ঠান আয়োজন কৰিবলৈ স্থানীয় জজ খেলপথাৰত প্ৰায় তিনি হেজাৰ দৰ্শক বহিব পৰা ব্যৱস্থাৰে এক মণ্ডপ সাজি উলিওৱা হয়। তাৰ লগত ৰজিতা খুৱাই এক বৃহৎ মঞ্চৰো ব্যৱস্থা কৰা হয়। প্ৰণিধানযোগ্য যে এই বৃহৎ মঞ্চৰ কহিনুৰ থিয়েটাৰৰ স্বত্বাধিকাৰী প্ৰাক্তন কটনিয়ান ৰতন লহকৰে যোগান ধৰি আমাক সহায় কৰে। প্ৰথম পৰ্যায়ত উদ্‌যাপনৰ কেইবাটাও দিশ সামৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়।

২৭ মে', পুৱা কলেজৰ অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ সভাপতি ড° ৰামচৰণ ঠাকুৰীয়াদেৱে আনুষ্ঠানিকভাৱে কলেজৰ পতাকা উত্তোলন কৰি শতবাৰ্ষিকী উদ্‌যাপনৰ শুভাৰম্ভ কৰে।

**❑ উদ্বোধনী অনুষ্ঠান ঃ** জজ খেলপথাৰৰ মণ্ডপত ২৭ মে' তাৰিখে দুপৰীয়া ১-৩০ বজাৰ পৰা এই অনুষ্ঠানৰ আয়োজনৰ কৰা হয়। অনুষ্ঠানটোৰ শুভাৰম্ভ কৰা হয় ১০০ জন নপুৰাণ কটনিয়ানৰ সমবেত কণ্ঠৰ গীত এটিৰে যিটো গীত ১০০ বছৰ আগতে এই একেটা দিনতে পৰিৱেশন কৰা হৈছে। বিহগী কবি ৰঘুনাথ চৌধুৰীয়ে সৃষ্টি কৰা এই গীতটি ১৯০১ চনৰ ২৭ মে'ত কটন কলেজৰ প্ৰতিষ্ঠাৰ দিনা এক সমবেত সংগীত হিচাপে পোৱা গৈছিল। চৌধুৰীদেৱে নিজে কণ্ঠদান কৰাৰ উপৰিও গীতটিৰ পৰিৱেশনত হাৰমণিয়াম বজাই সহায় কৰিছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে। দৰ্শক হিচাপে উপস্থিত থকা প্ৰায় আঢৈ হেজাৰ ন পুৰণি কটনিয়ানৰ অন্তৰত এই গীতটিয়ে এক আবেগিক অনুভূতিৰ সৃষ্টি কৰি তোলে। আনুষ্ঠানিকভাৱে শতবাৰ্ষিকী উদ্‌যাপন উদ্বোধন কৰি অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীএছ কে সিংহই সকলোকে মনত পেলাই দিয়ে যে কটন কলেজৰ প্ৰতিষ্ঠাৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলত এই নতুন যুগৰ সূচনা হয়। কটন কলেজৰ ভৱিষ্যতে এই অঞ্চলে ভাৰতৰ অন্য অঞ্চলৰ সৈতে সমানে ফেৰ মাৰিব পৰা হ'ল. ভাষণ প্ৰসংগত ৰাজ্যপালে আশা কৰে যে কটন কলেজখন অচিৰেই এক পৰিগণিত বিশ্ববিদ্যালয়লৈ (Deemed University) উন্নীত হৈ নতুন সহস্ৰাব্দৰ সৈতে সংগতি ৰাখি অসমৰ শৈক্ষিক ক্ষেত্ৰত এক নতুন ধাৰাৰ সৃষ্টি কৰিব। বিশিষ্ট অতিথি অসমৰ স্বাস্থ্যমন্ত্ৰী আৰু প্ৰাক্তন কটনিয়ান ডাঃ ভূমিধৰ বৰ্মনে ডাক বিভাগে উলিওৱা এক বিশেষ খাম (Special Cover) আনুষ্ঠানিকভাৱে মুকলি কৰি কয় যে কটন কলেজে প্ৰকৃতাৰ্থত নেতৃত্ব দিব পৰা ব্যক্তি সৃষ্টি কৰিব লাগে যাতে তেওঁলোকৰ নেতৃত্বত অসমে উন্নতিৰ শিখৰত আৰোহণ কৰিব পাৰে। আন এগৰাকী বিশিষ্ট অতিথি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীযুতা বিজয়া চক্ৰৱৰ্তীয়ে ৰাজনৈতিক নেতাসকলক তেখেতসকলৰ মতাদৰ্শৰ ভিন্নতা পৰিহাৰ কৰি একত্ৰিত হৈ কটন কলেজৰ উন্নতিৰ হকে যত্নপৰ হ'বলৈ আহ্বান জনায়। সভাৰ বিশেষ অতিথি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা প্ৰাক্তন কটনিয়ান ড° হীৰালাল দুৱৰাদেৱে কয় যে সাম্প্ৰতিক শিক্ষাৰ এই অমোঘ প্ৰতিযোগিতাৰ ক্ষেত্ৰখনত যদি কটন কলেজে সময়ৰ প্ৰত্যাহ্বান উপযুক্ত সামৰ্থৰে গ্ৰহণ কৰিব নোৱাৰে তেনেহ'লে শতাব্দী গৰকিও এই ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানখনে সময়ৰ বালিত খোজ ৰাখি থৈ যাব নোৱাৰিব আৰু সেয়ে হ'ব কটন কলেজৰ এক বিৰাট বিফলতা। ইয়াৰ বাবে তাৎক্ষণিকভাৱে প্ৰয়োজন হৈছে এক সামূহিক সংস্কাৰ বা পৰিৱৰ্তনৰ। উপাচাৰ্যগৰাকীয়ে সকলোকে এই পৰিৱৰ্তনত হাত আগবঢ়াবলৈ আহ্বান জনায়।

উদ্বোধনী অনুষ্ঠানৰ এক বিশেষ আকৰ্ষণ হ'ল শ্ৰীমতী গুইনিথ হোৱাইট (Mrs. Gwynnethwhite)। উদ্‌যাপন সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰি সুদূৰ ইংলেণ্ডৰ পৰা ৬২ বছৰীয়া এইগৰাকী মহিলা আমাৰ মাজত আহি উপস্থিত হয়। তেখেতৰ মতে কটন কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ চুডমাৰ্চন চাহাবৰ নাতিনীয়েক হিচাপে এই অনুষ্ঠানত যোগ দিয়াটো তেখেতৰ এক নৈতিক কৰ্তব্য। আইতাক অৰ্থাৎ শ্ৰীমতী চুডমাৰ্চনে প্ৰায় এশ বছৰ আগতে পৰিধান কৰা সাজ এযোৰ পিন্ধি শ্ৰীমতী হোৱাইটে এই

অনুষ্ঠানত ভাগ লৈ কয় যে চুডমাৰ্চন পাৰিয়ালে কটন কলেজক লৈ সদায় গৌৰৱ কৰি আহিছে। ককাকৰ কথা মনত পেলাই তেখেতে আৰু কয় যে অধ্যাপক চুডমাৰ্চনে কঠোৰ নিয়মানুবৰ্তিতাৰে প্ৰশাসন চলাইছিল। উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে উদযাপনৰ কৰ্ণধাৰ সমিতিৰ কাৰ্যকৰী সভাপতি গুৱাহাটীৰ বিধায়ক তথা প্ৰাক্তন কটনিয়ন শ্ৰীপংকজ বৰাই। সভাপতিৰ ভাষণত তেখেতে কটন কলেজ পৰিয়ালৰ সকলোকে একত্ৰিতভাৱে কলেজখনক সৰ্বাধুনিক ৰূপ দিবলৈ আহ্বান জনায়।

❑ **শতবাৰ্ষিকী বক্তৃতা ঃ** উদযাপনৰ শৈক্ষিক দিশৰ লগত সংগতি ৰাখি ২৯ মে' তাৰিখে পুৱাৰ ভাগত কলেজৰ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত শতবাৰ্ষিকী বক্তৃতামালাৰ প্ৰথমটো বক্তৃতাৰ আয়োজন কৰা হয়। এই বক্তৃতা প্ৰদান কৰে প্ৰথিতযশা শিক্ষাবিদ, বিজ্ঞানী তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ প্ৰাক্তন অধ্যক্ষ অধ্যাপক যশপালে। তেখেতে ভাষণ প্ৰসংগত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আৰু প্ৰজ্ঞাৰ নতুন জগতত পদক্ষেপ আগবঢ়াবলৈ আহ্বান জনায়। তেখেতে মন্তব্য কৰে যে কটন কলেজে মাথোন বিশেষজ্ঞ সৃষ্টি কৰিলে নহ'ব, বৰং অসমৰ ভৱিষ্যত উপযুক্তভাৱে নেতৃত্ব দিব পৰা নেতাৰো সৃষ্টি কৰিব লাগিব। শতবাৰ্ষিকী ভাষণ প্ৰদান কৰি পদ্মভূষণ উপাধিৰে সন্মানিত



শিক্ষাবিদগৰাকীয়ে আৰু কয় যে শিক্ষানুষ্ঠানসমূহত প্ৰচলিত হৈ থকা বিষয়সমূহৰ মাজত থকা ব্যৱধানসমূহদূৰ কৰাৰ অতীৱ প্ৰয়োজন হৈছে আৰু এই বিষয়ে শিক্ষকসকলৰ এক বিশেষ দায়িত্ব আহি পৰিছে আৰু এই বিষয়ে শিক্ষকসকলৰ এক বিশেষ দায়িত্ব আহি পৰিছে। বিজ্ঞান বা মানৱ অধ্যয়ন এনেধৰণৰ একোটা বিষয়তে সীমাবদ্ধ ৰাখি জ্ঞান অৰ্জন কৰাৰ দিন এতিয়া উকলিল। বিভিন্ন বিষয়ৰ মাজত সংযোগ আৰু সমন্বয় সাধন কৰিহে প্ৰকৃত জ্ঞান আহৰণ কৰিব পৰা যায়। তেখেতে উনুকিয়াই দিয়ে যে দেশখনত বহুতো বিশেষ বিভাগ বা বিষয়ক গুৰুত্ব দি সুকীয়া মহাবিদ্যালয় বা বিশ্ববিদ্যালয় আদি প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু বাস্তৱ জীৱনৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানসমূহে বিশেষ সফলতা লাভ কৰিব পৰা নাই। তেখেতৰ সাৱলীল আৰু জ্ঞানধৰ্মী বক্তৃতাই দৰ্শকৰে ঠাই খাই থকা প্ৰেক্ষাগৃহৰ সকলোকে মোহিত কৰে।

❑ **শতবাৰ্ষিকী দৌৰ ঃ** প্ৰথম পৰ্যায়ৰ শতবাৰ্ষিকী উদযাপন আৰম্ভ হয় ২৭ মে' তাৰিখে পুৱা অনুষ্ঠিত কৰা শতবাৰ্ষিকী দৌৰৰ দ্বাৰা। আনুষ্ঠানিকভাৱে এই দৌৰৰ যাত্ৰা আৰম্ভ কৰে অৰ্জুন বঁটাৰে সন্মানিত প্ৰাক্তন কটনিয়ান মনালিছা বৰুৱা মেহতাই। অনুষ্ঠানত সন্মানিত অতিথি হিচাপে আন্তৰ্জাতিক খ্যাতিসম্পন্ন টেবুল টেনিছ খেলুৱৈ শ্ৰীকমলেশ মেহতা আৰু বিশিষ্ট ক্ৰীড়াবিদ শ্ৰীহৰকান্ত বৰগোহাঁই উপস্থিত আছিল। কটন কলেজ পৰিয়ালৰ তিনি হেজাৰ সভাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি শতবাৰ্ষিকী



উদযাপনৰ সৌষ্ঠৱ বঢ়ায়।

❑ **পুনৰ মিলন অনুষ্ঠান ঃ** প্ৰাক্তন কটনিয়ানৰ সমাৱেশ ঃ প্ৰথম পৰ্যায়ৰ এক বিশেষ অনুষ্ঠান আছিল প্ৰাক্তন কটনিয়ানৰ সমাবেশ। ২৮ মে' তাৰিখে জজ খেলপথাৰৰ মণ্ডপত গোটেই দিনটোৰ বাবে আয়োজন কৰা এই অনুষ্ঠান মুকলি কৰে নিজে এশ বছৰ আয়ুস সম্পূৰ্ণ কৰা প্ৰাক্তন কটনিয়ান ক্ষেত্ৰী নিবাসী শ্ৰীপদ্মকান্ত দেৱে। ১৯১০ চনৰ ১৯ নৱেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰা এগৰাকী কটনিয়ান ১৯২২-২৬ চনত কটন কলেজৰ ছাত্ৰ আছিল। সমাবেশত ১৯৫০ চনৰ আগতে কটন কলেজত পঢ়া বহুকেইগৰাকী প্ৰাক্তন কটনিয়ানক বিশেষ সম্বৰ্ধনা জনোৱা হয়। এই সমাবেশৰ এক বিশেষ আকৰ্ষণ আছিল সমাবেশৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা এক কেক। কেকটোৰ ওজন আছিল ৬২ কিলোগ্ৰাম। কটন কলেজৰ বিজ্ঞান শাখাৰ প্ৰথমগৰাকী মহিলা স্নাতক ডিব্ৰুগড় নিবাসী শ্ৰীযুতা সুশীলা ফুকন আৰু চুডমাৰ্চন চাহাবৰ নাতিনীয়েক শ্ৰীমতী গুইনিথ হোৱাইটে যুটীয়াকৈ আনুষ্ঠানিকভাৱে কেক্‌টো কাটে। গান-বাজনা, ৰং-ৰহইচেৰে মুখৰিত হৈ থকা সেই দিনটোৰ কথা সমাবেশত ভাগ লোৱা প্ৰায় আটাই কেইজন প্ৰাক্তন কটনিয়ানৰ কোনেও পাহৰিব নোৱাৰিব।

প্ৰাক্তন শিক্ষক আৰু কৰ্মচাৰীৰ পুনৰ মিলন ঃ ২৯ মে দিনৰ এঘাৰ বজাৰ পৰা চুডমাৰ্চন হলত কলেজৰ প্ৰাক্তন শিক্ষক আৰু কৰ্মচাৰীৰ এক পুনৰ মিলন অনুষ্ঠানৰ আয়োজন কৰা হয়। অধ্যাপক বিনৰ তামুলী, অধ্যাপক নৱকান্ত বৰুৱা, প্ৰাক্তন উচ্চ শিক্ষাধিকাৰ বিষ্ণু দেৱ শৰ্মা আৰু ড° শৈলদানন্দ ভৰালী, অধ্যাপক কৃষ্ণ বৰা, অধ্যাপক মহেশ ভূঞা, প্ৰাক্তন মুখ্যসচিব শ্ৰীহৰেন দাস আদিয়ে অংশ গ্ৰহণ কৰা এই অনুষ্ঠানত প্ৰধানকৈ তেখেতসকলৰ কাৰ্যকালৰ বিশেষ স্মৃতিসমূহ ৰোমন্থন কৰে। অধ্যাপক বিনয় তামুলীদেৱে নিজৰ বিয়াৰ পিছদিনা কলেজলৈ পাঠদান কৰিবলৈ আহি দেখুওৱা কৰ্তব্যনিষ্ঠাৰ বিষয়ে জানিবলৈ পাই আজিৰ চামৰ শিক্ষকসকল অভিভূত হৈ পৰে। ড° লক্ষহীৰা দাস বাইদেৱে ১৯৪৮ চনতে নিজে ৰচনা কৰা গীত আকাশবাণীত পৰিবেশন কৰিছিল। অনুষ্ঠানৰ আৰম্ভণিতে নিমন্ত্ৰিত সকলোকে কটন কলেজৰ উন্নয়ন সম্পৰ্কে লিখিতভাৱে কেইটামান প্ৰশ্ন সোধা হৈছিল। সৰহসংখ্যকে উত্তৰত শিক্ষক উন্নতিৰ বাবে কলেজখনে স্বায়ত্তশাসনৰ মৰ্যাদা পোৱাটো অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে।

❑ **শতবাৰ্ষিকী প্ৰদৰ্শনী ঃ** এই প্ৰদৰ্শনীখন নৱনিৰ্মিত শতাবিৰ্ষকী ভৱনত (সূৰ্য কুমাৰ ভূঞা পুথিভঁৰাল) অনুষ্ঠিত কৰা হয়। ২৮ মে' তাৰিখে আবেলি বিখ্যাত শিল্পী প্ৰাক্তন কটনিয়ান সত্য প্ৰসাদ বৰুৱাদেৱে প্ৰদৰ্শনীখন আনুষ্ঠানিকভাৱে মুকলি কৰে। সোঁৱৰণত আৰু কীৰ্তি এই দুই শিতানত প্ৰদৰ্শনীবোৰ সজোৱা হৈছিল। প্ৰাক্তন কটনিয়ানে লাভ কৰা বিভিন্ন কৃতিত্বৰ চিহ্ন আৰু পুৰস্কাৰসমূহ প্ৰদৰ্শনীখনৰ বিশেষ আকৰ্ষণ আছিল। এনে কিছুমান প্ৰদৰ্শন হ'ল ভাৰত ৰত্ন (লোকপ্ৰিয় গোপীনাথ বৰদলৈ), দাদা চাহেব ফালকে বঁটা (ড° ভূপেন হাজৰিকা), জ্ঞানপীঠ

বঁটা (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য), সংগীত নাটক একাডেমী বঁটা (সত্যপ্ৰসাদ বৰুৱা), এছিয়াডত লাভ কৰা স্বৰ্ণপদক (মিঠু বৰুৱা), অৰ্জুন পুৰস্কাৰ (মনলিছা বৰুৱা মেহতা), অলিম্পিকত অংশগ্ৰহণ কৰা হিচাপে পোৱা পুৰস্কাৰ (দীপাংকৰ ভট্টাচাৰ্য), কথা ছবিৰ বাবে পোৱা বিভিন্ন পুৰস্কাৰ (ড° ভবেন্দ্ৰ নাথ শইকীয়া), কমল কুমাৰী বঁটা (ড° দিলীপ কুমাৰ চৌধুৰী), বীৰচক্ৰ (শ্ৰীউৎপল বৰবৰা), বিশেষ পুলিচ বঁটা (হৰেকৃষ্ণ ডেকা), সাংবাদিকতাৰ বিশেষ বঁটা (ধীৰেন্দ্ৰ নাথ বেজবৰুৱা) ইত্যাদি। আন কিছুমান বিশেষ প্ৰদৰ্শনৰ ভিতৰত বৰ্তমানৰ 'কটনিয়ান' আলোচনীৰ প্ৰাৰম্ভিক অৱস্থাৰ 'The Cotton College Magazine' ১৯২২ চনৰ সংখ্যাৰ সম্পাদক আৰ চি গফিন চাহাবৰ হাতে লিখা চিঠি এখন, বিশিষ্ট পণ্ডিত ড° বাণীকান্ত কাকতিদেৱে ব্যৱহাৰ কৰা ঘড়ী আৰু জেকেট, ড° মহেশ্বৰ নেওগে ১৯৩৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰা মেট্ৰিক পৰীক্ষাৰ প্ৰমাণপত্ৰ, ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰথম কথা-ছবি 'সন্ধ্যা ৰাগ'ৰ মূল পাণ্ডুলিপি (য'ত শইকীয়াদেৱে হাতেৰে লিখা মন্তব্যসমূহ আছে) ইত্যাদি উল্লেখযোগ্য।

❑ **শতবাৰ্ষিকী শোভাযাত্ৰা** ঃ ২৮ মে' তাৰিখে পুৱা আয়োজন কৰা এই শোভাযাত্ৰাত এই অঞ্চলৰ বিভিন্ন গোষ্ঠীৰ সাংস্কৃতিক দিশ প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰা হয়। শোভাযাত্ৰাটোৱে প্ৰকৃতাৰ্থত সমন্বয়ৰ এক বাতাবৰণৰ সৃষ্টি কৰে কলেজৰ প্ৰাক্তন শিক্ষক আৰু কৰ্মচাৰীক ইয়াৰ বাবে বিশেষভাৱে নিমন্ত্ৰণ কৰা হয়। তেখেতসকলৰ উপৰি কেইবাহেজাৰো ন-পুৰণি কটনিয়ানে ইয়াত অংশগ্ৰহণ কৰে। আনুষ্ঠানিকভাৱে শোভাযাত্ৰা আৰম্ভ কৰে কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী ড° গোবিন্দ চন্দ্ৰ ডেকা চাৰে। আমবাৰী, গুৱাহাটী ক্লাব, উজানবজাৰ আৰু পাণবজাৰৰ প্ৰধান আলিবাটেৰে এই শোভাযাত্ৰা কৰা হয়। নগা সাংস্কৃতিক দল, মণ্ডলদৈৰ পৰা অহা ঢুলীয়া-খুলীয়াৰ দল, কলেজৰ বিভিন্ন ছাত্ৰাবাসৰ পৰা একোটাকৈ দল আৰু কলেজৰ বিভিন্ন বিভাগৰ একোটা দলে শোভাযাত্ৰাৰ সাংস্কৃতিক অনুষ্ঠানসমূহ পৰিৱেশন কৰে। প্ৰতিটো ছাত্ৰাবাস আৰু বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ একোটা বিশেষ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অসমীয়া বিভাগৰ দলটিয়ে গোটেই আলবাটতে খোজকাঢ়ি কাঢ়ি জেং বিহু পৰিৱেশন কৰা দৃশ্য সকলোৰে বাবে বৰ উপভোগ্য হৈছিল।

❑ **ভৱন উদ্বোধন ঃ আৱক্ষ মূৰ্তি আৰু তোৰণ উন্মোচন ঃ**

(ক) ২৯ মে' তাৰিখে পুৱা শতবাৰ্ষিকী উপলক্ষে সাজি উলিওৱা শতবাৰ্ষিকী ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱে। এই ভৱনটোলৈ কলেজৰ ড° সূৰ্যকুমাৰ ভূঞা পুথিভঁৰালটো স্থানান্তৰিত হ'ব (ইতিমধ্যে এই কাম আৰম্ভ কৰা হৈছে) পুথিভঁৰাল এটাত সকলো প্ৰকাৰৰ আধুনিক সা-সুবিধা ৰাখিবলৈ যিধৰণৰ নিৰ্মাণৰ প্ৰয়োজন তেনেদৰে ভৱনটো সাজি উলিওৱা হৈছে। উদ্বোধনী ভাষণত শ্ৰীগগৈয়ে কয় যে কটন কলেজ অসমৰ গৌৰৱোজ্জ্বল ঐতিহ্যৰ এক অংশ। তেখেতে কলেজৰ উন্নতিৰ বাবে চৰকাৰৰ ফালৰ পৰা সম্ভৱপৰ সকলোখিনি কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আশা কৰে যে অচিৰেই কটন কলেজখন প্ৰকৃতাৰ্থত এক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ (Centre of excellence) ৰূপান্তৰিত হ'ব।

(খ) কটন কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ফ্ৰেডৰিক উইলিয়াম চুডমাৰ্চনৰ (১৯০১-১৯২৬) এটি আৱক্ষমূৰ্তি ২৭ মে' তাৰিখে পুৱা তেখেতৰ নাতিনীয়েক শ্ৰীমতী জি হোৱাইটৰ দ্বাৰা উন্মোনচন কৰা হয়। এই মূৰ্তিটো অতি কম দিনৰ ভিতৰতে নিৰ্মাণ কৰি উলিয়াইছিল অসমৰ এজন প্ৰখ্যাত চিত্ৰশিল্পী আৰু ভাস্কৰ শ্ৰীবীৰেন সিংহ দেৱে।

(গ) ২৭ মে' পুৱা শতবাৰ্ষিকী তোৰণো উন্মোচন কৰা হয়। উন্মোচন কৰে অসম চৰকাৰৰ মুখ্যসচিব তথা কটন কলেজৰ প্ৰাক্তন কটনিয়ান তথা অধ্যাপক শ্ৰীপ্ৰণৱ কুমাৰ বৰাদেৱে। কটন কলেজৰ শতবাৰ্ষিকী উৎসৱৰ স্থায়ী স্মৃতি ৰাখিবলৈ এই বিশেষ তোৰণখন সাজি উলিওৱা হৈছে। নিৰ্মাণৰ সময়ত তোৰণখনৰ কলাত্মক দিশটোৰ প্ৰতি বিশেষ লক্ষ্য ৰখা হৈছিল।

❑ **আতচবাজী আৰু পোহৰ সজ্জা** ঃ শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে ২৭, ২৮ আৰু ২৯ তাৰিখৰ গধূলি সময়ত কটন কলেজৰ বৃহৎ চৌহদ পোহৰেৰে আলোকিত কৰিবলৈ ব্যৱস্থা হৈছিল। লগতে ২৭ তাৰিখে গধূলি বৰপেটাৰ স্থানীয় প্ৰাক্তন কটনিয়ানৰ সংগঠনৰ সৌজন্যত জজ খেলপথাৰত এক বিশেষ আতচবাজীৰ ব্যৱস্থা কৰা হৈছিল। প্ৰায় ২০ মিনিট ধৰি চলা এই আতচবাজীয়ে সকলোকে মোহিত কৰিছিল। আতচবাজী শেষ হোৱাৰ লগে লগে মঞ্চত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়।

❑ **সাংস্কৃতিক অনুষ্ঠান** ঃ উদ্‌যাপনৰ প্ৰথম পৰ্যায়ৰ তিনিওটা দিনতে সন্ধিয়া বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

(ক) ২৭ মে' সন্ধিয়া উদ্‌যাপনৰ প্ৰথম পৰ্যায়ৰ সাংস্কৃতিক অনুষ্ঠান আনুষ্ঠানিকভাৱে মুকলি কৰি সকলোৰে মৰমৰ দাদা চাহেব ফালকে বঁটাৰে বিভূষিত প্ৰাক্তন কটনিয়ান ড° ভূপেন হাজৰিকাদেৱে। উদ্বোধনী ভাষণত ভূপেনদাৰ কণ্ঠত ধ্বনিত হোৱা 'কটন কলেজৰ চিক্‌মিকনি নহয় পুৰাতেই অস্ত যোৱা, কটন কলেজ হ'ল জ্ঞানৰ উৎস উদ্দীপনা যোগোৱা.....' সুৰীয়া শব্দযোৰে প্ৰতিজন কটনিয়ানৰে অন্তৰত যি অনাবিল অনুভূতিৰ সৃষ্টি কৰিছিল সেয়া লিখনীৰ মাজেৰে প্ৰকাশ কৰাটো অসম্ভৱ। ইয়াৰ পিচতে ২৭ মে' ১৯০১ আৰু ২৭ মে' ২০০১ৰ মাজত যোগসূত্ৰ কৰা হয় দুটা গীতেৰে। প্ৰথমটো ১০০ বছৰ আগতে কটন কলেজ প্ৰতিষ্ঠাপন উদ্দেশ্যে বিহগী কবি ৰঘুনাথ চৌধুৰীদেৱে ৰচনা কৰা আৰু দ্বিতীয়টো ড° ভূপেন হাজৰিকাই শতবাৰ্ষিকীৰ বাবে বিশেষভাৱে ৰচনা আৰু সুৰাৰোপিত কৰা গীত। দুয়োটা গীতেই ন-পুৰণি কটনিয়ান সেইদিনাৰ সাংস্কৃতিক অনুষ্ঠানত আগবঢ়োৱা হয় প্ৰায় এমাহ ধৰি আখৰা কৰি প্ৰস্তুত বৰ্তমান আৰু প্ৰাক্তন কটনিয়ানে মিলি প্ৰস্তুত কৰা সংগীত আৰু নৃত্যৰ এক বিচিত্ৰানুষ্ঠান। এঘণ্টাজোৰা এই বিশেষ অনুষ্ঠানৰ অন্তত আগবঢ়োৱা হয় আন্তৰ্জাতিক খ্যাতিসম্পন্ন গায়ক মুম্বাইৰ হৰিহৰণৰ কণ্ঠ গীত। গজল সম্ৰাট মেহদী হাচানে কিয় হৰিহৰণক গায়ক হিচাপে এক বিশেষ আসন প্ৰদান কৰিছে সেয়া অনুধাৱন কৰিবলৈ দুঘণ্টা ধৰি সেইদিনা পৰিৱেশন কৰা হৰিহৰণৰ প্ৰদৰ্শনেই যথেষ্ট আছিল।

(খ) ২৮ মে'ৰ সন্ধিয়াটি প্ৰাক্তন কটনিয়ানৰ বাবে এক বিশেষ সন্ধিয়া আছিল। এই অনুষ্ঠানত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শতবৰ্ষ উপলক্ষে ইতিমধ্যে গঠন হোৱা বিভিন্ন প্ৰাক্তন কটনিয়ানৰ সংগঠনে সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। লগতে আছিল সকলোৰে আদৰৰ প্ৰাক্তন কটনিয়ান ড° ভূপেন হাজৰিকাৰ গীতৰ শৰাই। 'মানুহৰে মানুহৰ বাবে'ৰ পৰা 'বুঢ়া লুইত তুমি লৈ' প্ৰায় এঘণ্টাৰো ওপৰজুৰি ড° ভূপেন হাজৰিকাৰ সুৰ আৰু কণ্ঠৰ মায়াজালে প্ৰায় ১৫ হেজাৰ ন-পুৰণি কটনিয়ান আৰু আন বাহিৰক সম্মোহিত কৰি ৰাখে। লগতে শ্বিলং, ডিব্ৰুগড়, দুলীয়াজান, গোলাঘাট আদিৰ প্ৰাক্তন কটনিয়ানৰ সংগঠনৰ দ্বাৰা পৰিৱেশিত বিভিন্ন সাংস্কৃতিক

"... THE VERY SCALE OF THE CENTINARY CELEBRATIONS HAD CREATED MISGIVINGS IN THE MINDS OF PEOPLE ABOUT HOW EFFICIENTLY THE EVENT COULD BE MANAGED. BUT COTTONIANS, PAST AND PRESENT HAVE MANAGED TO ENSURE THAT EVERY LITTLE DETAIL, EVERY NEED OF ALUMNI- DOWN TO AN ENDLESS SUPPLY OF BOTTLED DRINKING WATER FOR THE HOT SUMMER DAYS- WAS ANTICIPATED AND TAKEN CARE OF..... THEIR (PRESENT DAY COTTONIANS) BEHAVIOUR, THEIR HELPFUL ATTITUDE AND THEIR ANXIETY TO PLEASE THE PRODECESSORS WAS MOST TOUCHING. BUT WHAT INPRESSED EVERYONE MUCH MORE WAS THEIR REMARKABLE DISCIPLINE.... WE UNGRATUTATE EVERY COTTONIAN FOR BEING PART OF A CENTURY OLD HERITAGE, OUR KUDOS ARE REALLY RESERVED FOR THE COTTONIANS OF TO-DAY, WHO HAVE DONE THEIR COLLEGE AND COTTONIANS VERY PROUD.

কাৰ্যসূচীৰে দৰ্শকসকলক বিমল আনন্দ যোগায়।

(গ) ২৯ তাৰিখ সাংস্কৃতিক সন্ধিয়া এক সানমিহলি অনুষ্ঠান আছিল। ন-পুৰুণি কটনিয়ানে মিলি প্ৰায় এমাহ ধৰি আখৰা কৰি প্ৰস্তুত কৰি উলিওৱা নাচ-গানৰ কিছুমান সমূহীয়া অনুষ্ঠানৰ উপৰিও সেইদিনা আন আকৰ্ষণসমূহ আছিল পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ গোৱালপৰীয়া লোকগীত, '৭০ দশকৰ পৰা এতিয়ালৈকে একেই জনপ্ৰিয়তা বজাই ৰখা কণ্ঠ শিল্পী প্ৰাক্তন কটনিয়ান ক্ৰমে অনিমা চৌধুৰী আৰু দীপেন বৰুৱাৰ কণ্ঠৰ গীত আৰু বৰ্তমানৰ আটাইতকৈ জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ গীতৰ শৰাই। সেইদিনা দৰ্শক হিচাপে উপস্থিত থকা অসমৰ মাননীয় ৰাজ্যপাল এছ কে সিন্‌হাই মঞ্চলৈ নিজে উঠি গৈ শ্ৰীযুতা প্ৰতিমা বৰুৱা পাণ্ডেক জনোৱা সম্ভাষণৰ দৃশ্যটো সকলোৰে মনত থাকিব।

❑ **গ্ৰন্থ প্ৰকাশ** ঃ শতবাৰ্ষিক উদ্‌যাপনৰ বিভিন্ন পৰ্যায়ত উদ্‌যাপন সমিতিয়ে বিভিন্ন গ্ৰন্থ প্ৰকাশৰ দিহা কৰিছিল। সেইমতে প্ৰথম পৰ্যায়ত মুঠতে চাৰিখন গ্ৰন্থ প্ৰকাশ কৰা হয়। আনুষ্ঠানিকভাৱে গ্ৰন্থকেইখন উন্মোচন কৰা হয় ২৭ তাৰিখৰ উদ্বোধনী অনুষ্ঠান। ইয়াৰে এখন গ্ৰন্থ হ'ল ৩৯৫ পৃষ্ঠজোৰা '100 Years History of Cotton College' য'ত কটন কলেজৰ প্ৰতিষ্ঠাপনৰ পৰা আজিলৈকে হোৱা বিভিন্ন ঘটনা পৰিৱৰ্তনসমূহ সন্নিৱিষ্ট কৰাৰ উপৰি পৰিৱিষ্টত বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু সমিতি, উপ-সমিতি আদিৰ খতিয়ান দাঙি ধৰা হৈছে। আন এখন গ্ৰন্থ হ'ল ২২৫ পৃষ্ঠাৰে সমৃদ্ধ Cotton College Centinary volume গ্ৰন্থখনিত প্ৰথিতযশা সাহিত্যিক, শিল্পী, বুদ্ধিজীৱী আদিৰ ৰচনা সন্নিৱিষ্ট কৰা হৈছে। শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ নামৰ গ্ৰন্থখনত পাঠকসকলৰ বাবে আগবঢ়োৱা হৈছে কটন কলেজ সম্পৰ্কীয় ভিন্ন ৰুচিৰ প্ৰবন্ধ কিছুমান। গ্ৰন্থখনত আৰু আছে বিহগী কবি ৰঘুনাথ চৌধুৰীদেৱ বিৰচিত কটন কলেজৰ প্ৰতিষ্ঠাৰ দিনা গোৱা আদৰণি গীত আৰু ড ভূপেন হাজৰিকাৰ হাতৰ আখৰত থকা তেখেতে কটন কলেজৰ শতবাৰ্ষিকী উপলক্ষে লিখা গীতটি। চতুৰ্থ আখৰত থকা তেখেতে কটন কলেজৰ শতবাৰ্ষিকী উপলক্ষে লিখা গীতটি। চতুৰ্থ পুথিখন হ'ল 'Cotton College at a glance' য'ত কটন কলেজৰ বিভিন্ন তথ্যৰাজিৰ সংক্ষিপ্ত বিৱৰণ দাঙি ধৰা হৈছে।

**প্ৰথম পৰ্যায়ত আয়োজন কৰা উদ্‌যাপনৰ কিছুমান বিশেষ তথ্য**

(ক) উদ্‌যাপনৰ দিন তিনিটাত বিভিন্ন লঘু আহাৰৰ উপৰি মুঠতে দহ হেজাৰৰো বেছিসংখ্যক লোকক দুপৰীয়াৰ বা ৰাতিৰ আহাৰ সু-শৃংখলিতভাৱে পৰিৱেশন কৰা হৈছিল।

(খ) তিনিও দিনৰ কাৰ্যসূচীৰে সম্পূৰ্ণ ভিডিঅ' ৰেকৰ্ডিং কৰা হৈছে আৰু ইয়াক ১৬ খন চিডিত (CD) সংৰক্ষণ কৰা হৈছে।

(গ) কাৰ্যসূচীসমূহ ৱেব কাষ্টিংৰ (Wev Casting) সহায়ত গোটেই পৃথিৱীতে দেখুওৱা হৈছিল।

(ঘ) অসমৰ আটাইবোৰ বাতৰি কাকতে তিনিওদিনৰ কাৰ্যসূচীসমূহ সময়মতে আৰু শৃংখলাবদ্ধভাৱে আয়োজন কৰা কাৰ্যক বিশেষভাৱে আলোকপাত কৰে।

**শতবাৰ্ষিকী উদ্‌যাপনৰ দ্বিতীয় পৰ্যায় ঃ ৬, ৭ আৰু ৮ ছেপ্টেম্বৰ**

এই পৰ্যায়ৰ উদ্‌যাপনত আয়োজন কৰা কাৰ্যসূচী হ'ল মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্যায়ৰ তৰ্ক প্ৰতিযোগিতা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ। এই কাৰ্যসূচীসমূহ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত আয়োজন কৰা হয়।

উদ্‌যাপনৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে সাংসদ ড° মনমোহন সিং দেৱে। এই অনুষ্ঠান ৬ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত আয়োজন কৰা হৈছিল।

তৰ্ক প্ৰতিযোগিতাখন ৬ আৰু ৭ ছেপ্টেম্বৰত সম্পন্ন কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰেও দিল্লী বিশ্ববিদ্যালয় আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ৰ (কলকাতাৰ) ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। ৬ তাৰিখে প্ৰাৰম্ভিক আৰু ৭ তাৰিখে চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। চূড়ান্ত প্ৰতিযোগিতাত অধ্যক্ষতা কৰে সাংসদ হিচাপে বিশেষ খ্যাতি লাভ কৰা দিল্লীৰ শ্ৰীসীতাৰাম য়েচুৰীদেৱে। অধ্যক্ষৰ ভাষণত দাঙি ধৰা বক্তব্যই তেখেতৰ বাকপটুতা আৰু জ্ঞানৰ গভীৰতা প্ৰকাশ কৰি সকলোকে মোহিত কৰে।

৮ ছেপ্টেম্বৰত আয়োজন কৰা ৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ বিষয় আছিল 'Emerging profile of Human Resource Development in the North East.' আলোচনাচক্ৰখনৰ মূল বক্তব্য দাঙি ধৰে কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু বিশিষ্ট অৰ্থনীতিবিদ অধ্যাপক পি এন ৰয় দেৱে। দিল্লী আই এছ আই অনুষ্ঠানৰ ড° অতুল শৰ্মা, গুৱাহাটীৰ আই আই ইৰ মুৰব্বী ড° ডি মালি, ৰিজাৰ্ভ বেংকৰ শ্ৰীগৌতম প্ৰসাদ বৰুৱা, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষা তথা অৰ্থনীতিবিদ ড° (শ্ৰীমতী) টি মহন্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° হৰেন চৌধুৰী, কটন কলেজৰ প্ৰাক্তন অধ্যাপক আৰু অধ্যক্ষ দিলীপ বৰুৱা আদি বিশিষ্ট লোকে আলোচনাচক্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

দ্বিতীয় পৰ্যায়ত দুখন গ্ৰন্থ প্ৰকাশ কৰা হয়। ইয়াৰে এখন হ'ল Research Journal of Cotton College'. আৰু আনখন মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাৰ স্মৃতি গ্ৰন্থ।

